ASM-4026

গুৱাহাটী বিশ্ববিদ্যালয়

**Gauhati University**

দূৰ আৰু অনলাইন শিক্ষা কেন্দ্ৰ

**Centre for Distance and Online Education**

অসমীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম (০১)

**M.A. in Assamese (01)**

**(Under CBCS)**

চতুৰ্থ যান্মাসিক

**Semester**

পাঠ্যবিষয় ঃ **ASM-4026**

প্ৰয়োগ ভাষাবিজ্ঞান

**APPLIED LINGUISTICS**

## SLM Development Team:

**Head**, Department of Assamese, Gauhati University
**Programme Coordinator**, MA in Assamese, GUCDOE
**Dr. Apurba Kr. Deka**, Assistant Professor, GUCDOE
**Mr. Dalim Ch. Das**, Assistant Professor, GUCDOE

## Course Coordination:

| | |
|---|---|
| **Dr. Debahari Talukdar** | Director, GUCDOE |
| **Prof. Taranee Deka** | Programme Coordinator, GUCDOE<br>Dept. of Assamese, Gauhati University |
| **Dr. Apurba Kr. Deka** | Asstt. Prof., GUCDOE |
| **Mr. Dipankar Saikia** | Editor, SLM, GUCDOE |

## Contributor:

| | |
|---|---|
| **Dr. Leena Dihingia**<br>Assistant Professor, Dept. of Assamese, GU | Block-I |
| **Mr. Ankur Jyoti Talukdar**<br>Assistant Professor, Dept. of Assamese, Pandu College | Block-II |
| **Dr. Violina Deka**<br>North Eastern Regional Language Centre, CIIL | Block-III (Unit-1) |
| **Junumani Deka**<br>Research Scholar, Dept. of Assamese, GU | Block-III (Unit-2) |
| **Sandjukta Dutta**<br>Research Scholar, Dept. of Assamese, GU | Block-III (Unit-3 & 4) |
| **Doli Deka**<br>Research Scholar, Dept. of Assamese, GU | Block-III (Unit-5) |
| **Dr. Indeswar Pegu**<br>Assistant Professor, Kherkata College<br>**Mr. Ankur Jyoti Talukdar**<br>Assistant Professor, Dept. of Assamese, Pandu College | Block-IV |

## Content Editor:

**Dr. Dipamani Haloi**
Associate Professor, Dept. of Assamese, Gauhati University

## Typesetting & Cover Designing:

| | |
|---|---|
| **Bhaskar Jyoti Goswami** | GUCDOE |
| **Nishanta Das** | GUCDOE |

**ISBN: 978-81-992787-8-3**

**July, 2025**

© Copyright by GUCDOE, All rights reserved. No part of this work may be reproduced, stored in a retrieval system, or transmitted, in any form or by any means, electronic, mechanical, photocopying, or otherwise.
Published on behalf of Gauhati University Centre for Distance and Online Education by the Director, and printed at Gauhati University Press, Guwahati-781014.

# বিষয়সূচী (Contents)


| প্ৰথম খণ্ড ঃ | | ৪-৬৪ |
|---|---|---|
| প্ৰথম বিভাগ | ঃ স্বাভাৱিক ভাষা আৰু প্ৰযুক্তি ঃ কম্পিউটাৰগত ভাষাবিজ্ঞান আৰু এন.এল.পি.-ৰ পৰিচয় | |
| দ্বিতীয় বিভাগ | ঃ শব্দগত বিশ্লেষণ | |
| তৃতীয় বিভাগ | ঃ বাক্যগত বিশ্লেষণ | |
| চতুৰ্থ বিভাগ | ঃ অৰ্থ, প্ৰসংগ আৰু NLP-ত অসমীয়া ভাষাৰ স্থিতি | |

| দ্বিতীয় খণ্ড ঃ | | ৬৫-১৬৪ |
|---|---|---|
| প্ৰথম বিভাগ | ঃ বাক্‌ধাৰাৰ সংজ্ঞা আৰু গঠন | |
| দ্বিতীয় বিভাগ | ঃ বাক্‌ধাৰা বিশ্লেষণৰ দৃষ্টিভংগী | |
| তৃতীয় বিভাগ | ঃ কথন বিশ্লেষণ | |
| চতুৰ্থ বিভাগ | ঃ কথোপকথন বিশ্লেষণ | |

| তৃতীয় খণ্ড ঃ | | ১৬৫-২৬২ |
|---|---|---|
| প্ৰথম বিভাগ | ঃ অভিধানতত্ত্বৰ সংজ্ঞা আৰু পৰিসৰ | |
| দ্বিতীয় বিভাগ | ঃ অভিধানৰ প্ৰকাৰভেদ | |
| তৃতীয় বিভাগ | ঃ অভিধান প্ৰস্তুতকৰণ প্ৰক্ৰিয়া | |
| চতুৰ্থ বিভাগ | ঃ অভিধানৰ অনুগাঁথনি | |
| পঞ্চম বিভাগ | ঃ অভিধানৰ বৃহৎ গাঁথনি | |

| চতুৰ্থ খণ্ড ঃ | | ২৬৩-৩১৯ |
|---|---|---|
| প্ৰথম বিভাগ | ঃ প্ৰথম ভাষা আৰু দ্বিতীয় ভাষাঃ পৰিচয় আৰু পাৰ্থক্য | |
| দ্বিতীয় বিভাগ | ঃ প্ৰথম ভাষা আৰু দ্বিতীয় ভাষাৰ শিক্ষণৰ পাৰ্থক্য | |
| তৃতীয় বিভাগ | ঃ দ্বিতীয় ভাষা শিক্ষণৰ পদ্ধতি | |
| চতুৰ্থ বিভাগ | ঃ ভাষা শিক্ষণত বৰ্ণনাত্মক, সমাজ ভাষাবিজ্ঞান আৰু মনঃস্তাত্ত্বিক ভাষাবিজ্ঞানৰ জ্ঞানৰ প্ৰয়োগ | |

## প্ৰথম খণ্ড ঃ

| | | |
|---|---|---|
| প্ৰথম বিভাগ | ঃ | স্বাভাৱিক ভাষা আৰু প্ৰযুক্তি ঃ কম্পিউটাৰগত ভাষাবিজ্ঞান আৰু এন.এল.পি.-ৰ পৰিচয় |
| দ্বিতীয় বিভাগ | ঃ | শব্দগত বিশ্লেষণ |
| তৃতীয় বিভাগ | ঃ | বাক্যগত বিশ্লেষণ |
| চতুৰ্থ বিভাগ | ঃ | অৰ্থ, প্ৰসংগ আৰু NLP-ত অসমীয়া ভাষাৰ স্থিতি |

# প্ৰথম বিভাগ

## স্বাভাৱিক ভাষা আৰু প্ৰযুক্তি ঃ কম্পিউটাৰগত ভাষাবিজ্ঞান আৰু এন.এল.পি.-ৰ পৰিচয়

**বিভাগৰ গঠন:**

১.১ ভূমিকা (Introduction)
১.২ উদ্দেশ্য (Objectives)
১.৩ কম্পিউটাৰগত ভাষাবিজ্ঞান
    ১.৩.১ কম্পিউটাৰগত ভাষাবিজ্ঞানৰ সংজ্ঞা আৰু পৰিসৰ
    ১.৩.২ স্বাভাৱিক ভাষা সংসাধন (Natural Language Processing)
    ১.৩.৩ স্বাভাৱিক ভাষা সংসাধনৰ ইতিহাস
১.৪ স্বাভাৱিক ভাষা সংসাধনৰ অসুবিধাসমূহ
    ১.৪.১ ভাষিক অস্পষ্টতা (Ambiguity)
    ১.৪.২ প্ৰসংগভিত্তিক শব্দ আৰু বাক্যাংশ (Contextual words and phrases)
    ১.৪.৩ বক্ৰোক্তি আৰু ব্যংগ (Irony and sarcasm)
    ১.৪.৪ পাঠ আৰু কথনৰ ভুল (Errors in text and speech)
    ১.৪.৫ কথিত ভাষা আৰু অপশব্দ (Colloquialism and slang)
১.৫ NLP-ত ভাষা আৰু ভাষাবিজ্ঞানৰ জ্ঞানৰ প্ৰয়োগ
১.৬ সাৰাংশ (Summing Up)
১.৭ পৰিভাষাৰ তলিকা
১.৮ গ্ৰন্থপঞ্জী (References and Suggested Readings)

### ১.১ ভূমিকা (Introduction)

ভাষা হৈছে মানুহৰ যোগাযোগৰ আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু মৌলিক মাধ্যম। ভাষাৰ সহায়ত মানুহে নিজৰ ভাব, চিন্তা, আৱেগ আৰু ধাৰণাসমূহ অনায়াসে প্ৰকাশ কৰিব পাৰে। প্ৰথম দৃষ্টিত যদিও মানুহে ভাষা বুজা আৰু ব্যৱহাৰ কৰাটো এটা স্বজ্ঞাত আৰু সহজ কাম যেন লাগে, মনোভাষাবিজ্ঞানৰ গৱেষণাৰ পৰা দেখা গৈছে যে মানুহৰ মস্তিস্কত ভাষাৰ প্ৰক্ৰিয়াকৰণ বা সংসাধন (processing) এক অত্যন্ত জটিল মানসিক কাৰ্য্য। ফলপ্ৰসূ যোগাযোগৰ বাবে মগজুৱে মুহূৰ্ততে উচ্চাৰিত ধ্বনিসমূহৰ বিশ্লেষণ কৰি; এটা বিশাল মানসিক অভিধানৰ পৰা সঠিক শব্দ চিনাক্ত কৰি; প্ৰসংগ, বাক্য গঠন আৰু অৰ্থগত সম্পৰ্ক

বিবেচনাৰ পিছত অৰ্থৰ ব্যাখ্যা কৰি; একে সময়তে বাক্য গঠনৰ নিয়ম অনুসৰি শব্দসমূহ সংগঠিত কৰি, উপযুক্ত শব্দ নিৰ্বাচন আৰু শব্দবিলাকৰ সংহতি নিশ্চিত কৰি ব্যাকৰণগতভাৱে সঠিক সঁহাৰি নিৰ্মাণ কৰিব লাগে। কেইটামান দশকৰ আগলৈকে ভাষাৰ এই জটিল মানসিক কাৰ্য্য মূলতঃ কেৱল মানৱীয় বৈশিষ্ট্য হিচাপে গণ্য কৰা হৈছিল। কিন্তু প্ৰযুক্তিৰ বিকাশৰ লগে লগে দেখা গৈছে যে কম্পিউটাৰে এতিয়া ভাষাক বহু পৰিমাণে মানুহৰ দৰে প্ৰক্ৰিয়াকৰণ কৰিবলৈ সক্ষম হৈছে। আজি মেচিনে বাক্যৰ শব্দ চিনাক্ত কৰা, এই শব্দবোৰ উচ্চাৰণ কৰা, এটা ভাষাৰ পৰা আন এটা ভাষালৈ অনুবাদ কৰা, আনকি chatbot আৰু virtual assistant দৰে কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে মানুহৰ লগত মৌলিক কথোপকথন কৰাটো এক সাধাৰণ কথা। বাক্ চিনাক্তকৰণ ব্যৱস্থা (speech recognition systems), স্বয়ংক্ৰিয় অনুবাদ চফ্‌ট্‌ৱেৰ (automatic translation software), আৱেগ বিশ্লেষণ সঁজুলি (sentiment analysis tool), আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ দ্বাৰা পৰিচালিত পাঠ্য উৎপাদন (artificial intelligence-driven text generation)ৰ দৰে প্ৰযুক্তি বিকাশৰ ক্ষেত্ৰত গণনামূলক ভাষাবিজ্ঞানৰ অধ্যয়ন অতি গুৰুত্বপূৰ্ণ। ভাষিক তত্ত্ব, পৰিসংখ্যাগত আৰ্হি আৰু মেচিন লাৰ্নিং কৌশল প্ৰয়োগ কৰি গৱেষক আৰু অভিযন্তাসকলে কম্পিউটাৰক মানৱ ভাষা বুজিবলৈ আৰু সৃষ্টি কৰাবলৈ সক্ষম কৰাৰ ক্ষেত্ৰত যথেষ্ট অগ্ৰগতি লাভ কৰিছে। এই বিকাশৰ পিছতো কম্পিউটাৰগত ভাষা প্ৰক্ৰিয়াকৰণৰ বহু সমস্যা আছে, যেনে ভাষাৰ অস্পষ্টতা, প্ৰসংগ আৰু মানুহৰ বাবে স্বাভাৱিকতে অহা অৰ্থৰ সূক্ষ্মতাসমূহ বুজি পোৱা, এতিয়াও গণনামূলক ভাষা প্ৰক্ৰিয়াকৰণৰ বাবে কঠিন।

এই খণ্ডত কম্পিউটাৰগত ভাষাবিজ্ঞানৰ মৌলিক ধাৰণা, ইয়াৰ ঐতিহাসিক বিকাশ, মূল প্ৰয়োগসমূহ, স্বাভাৱিক ভাষা প্ৰক্ৰিয়াকৰণৰ পৰ্যায়সমূহ আৰু মেচিন লাৰ্ণিঙৰ লগত জড়িত প্ৰত্যাহ্বানসমূহ আলোচনা কৰা হ'ব।

### ১.২ উদ্দেশ্য (Objectives):

এই অধ্যায় পঢ়ি আপুনি—

- কম্পিউটাৰগত ভাষাবিজ্ঞানৰ সংজ্ঞা আৰু পৰিসৰ সম্পৰ্কে ধাৰণা পাব।
- কম্পিউটাৰগত ভাষাবিজ্ঞানৰ বিকাশত হোৱা ঐতিহাসিক পৰিৱৰ্তনসমূহ আৰু গুৰুত্বপূৰ্ণ গৱেষণাৰ অৱদান চিনাক্ত কৰিব পাৰিব।

- ভাষা আৰু প্ৰযুক্তিৰ সংযোগ বুজিব।
- স্বাভাৱিক ভাষা সংসাধন (Natural Language Processing) কেনেধৰণৰ প্ৰযুক্তি আৰু ক্ষেত্ৰসমূহত ব্যৱহাৰ হয়, সেয়া বুজিব পাৰিব।
- ভাষিক অসুবিধা যেনে ভাষিক অস্পষ্টতা, প্ৰসংগ, ব্যংগ, বক্ৰোক্তি আদিৰ প্ৰযুক্তিগত প্ৰভাৱ বুজিব পাৰিব।
- ভাষাবিজ্ঞানৰ বিভিন্ন শাখা (ধ্বনিবিজ্ঞান, ৰূপতত্ত্ব, বাক্যতত্ত্ব, অৰ্থবিজ্ঞান, প্ৰসংগাৰ্থ বিশ্লেষণ আদিৰ) প্ৰয়োগিক দিশ সম্বন্ধে মৌলিক জ্ঞান লাভ কৰিব।

## ১.৩ কম্পিউটাৰগত ভাষাবিজ্ঞান

আমি লক্ষ্য নকৰাকৈয়ে ভাষা প্ৰযুক্তি হয়তো লাহে লাহে আমাৰ দৈনন্দিন জীৱনৰ এক অবিচ্ছেদ্য অংগ হৈ পৰিছে। বিভিন্ন ধৰণৰ ভাষা প্ৰযুক্তি ব্যৱস্থা (language technology systems) ব্যৱহাৰ কৰাটো সাধাৰণ হৈ পৰিছে। আমি মেছেজ পঠোৱাৰ সময়ত autocorrectৰ সহায় লওঁ, বিদেশী বা অন্য ভাষা অনুবাদ কৰিবলৈ Google translate ব্যৱহাৰ কৰো, চিৰি (Siri), এলেক্সা (Alexa), বা গুগল এচিষ্টেণ্ট (Google assistant)ৰ দৰে ভইচ এচিষ্টেণ্ট ব্যৱহাৰ কৰোঁ। আমি কম্পিউটাৰগত ভাষাবিজ্ঞানৰ দ্বাৰা চালিত ব্যৱস্থাসমূহৰ সৈতে কেনেকৈ অহৰহ যোগাযোগ ৰাখোঁ-- এয়া হৈছে তাৰেই উদাহৰণ। এই প্ৰযুক্তিসমূহে কম্পিউটাৰৰ সৈতে পাৰস্পৰিক ক্ৰিয়া-কলাপ অধিক নিৰৱচ্ছিন্ন আৰু কাৰ্যক্ষম কৰি যোগাযোগত এক বৈপ্লৱিক পৰিৱৰ্তন আনিছে। কিন্তু এই ব্যৱস্থাবোৰে প্ৰকৃততে মানুহৰ ভাষা কেনেকৈ বুজি পায় আৰু কেনেকৈ প্ৰক্ৰিয়াকৰণ কৰে? ইয়াৰ উত্তৰ আমি পাওঁ কম্পিউটাৰ ভাষাবিজ্ঞানৰ ক্ষেত্ৰখনত।

### ১.৩.১ কম্পিউটাৰগত ভাষাবিজ্ঞানৰ সংজ্ঞা আৰু পৰিসৰ

কম্পিউটাৰগত ভাষাবিজ্ঞানে বা Computational Linguistics (CL) -এ কম্পিউটাৰক মানৱ ভাষাক দক্ষতাৰে বুজিবলৈ আৰু সৃষ্টি কৰিবলৈ সক্ষম কৰাত গুৰুত্ব দিয়ে। কম্পিউটাৰ যন্ত্ৰৰ এই ভাষিক ক্ষমতা ইয়াৰ বাবে লিখা প্ৰগ্ৰেম (program)ৰ পৰা উদ্ভৱ হয়। মানৱ ভাষা আৰু কম্পিউটাৰৰ এই পাৰস্পৰিক ক্ৰিয়াৰ সৈতে জড়িত ক্ষেত্ৰখনেই হৈছে কম্পিউটাৰগত ভাষাবিজ্ঞান। ই ভাষাবিজ্ঞান আৰু কম্পিউটাৰ বিজ্ঞানৰ এখন উপক্ষেত্ৰ। গণনামূলক ভাষাবিজ্ঞানত ভাষিক কাৰ্য

সম্পন্ন কৰিবলৈ কম্পিউটাৰ প্ৰগ্ৰেম ডিজাইন (design) আৰু বিকাশ কৰা হয়। এই কম্পিউটাৰ প্ৰগ্ৰেমে যন্ত্ৰ এটাক স্বাভাৱিক ভাষা বিশ্লেষণ কৰা, বুজি পোৱা আৰু উৎপাদন কৰাৰ ক্ষমতা প্ৰদান কৰে। এই প্ৰগ্ৰেমবোৰ মূলতঃ কম্পিউটাৰ বিজ্ঞানীসকলে বিকশিত কৰা পদ্ধতিৰ ওপৰত ভিত্তি কৰি তৈয়াৰ কৰা হয় যদিও ইয়াত ভাষাবিদসকলে বিকশিত কৰা ভাষিক জ্ঞান ব্যৱহাৰ কৰা হয়। গতিকে, কম্পিউটাৰগত ভাষাবিজ্ঞানে ভাষাবিজ্ঞান আৰু কম্পিউটাৰ বিজ্ঞানৰ ধাৰণাসমূহ একত্ৰিত কৰে। Fasold আৰু Connor-Lintonএ উল্লেখ কৰে যে এই দুই ক্ষেত্ৰৰ সংযোগ আকস্মিক বুলি ক'ব নোৱাৰি। "*Language involves complex symbol systems, and computers are very fast mechanical symbol-processors. There are natural connections between linguistic processing and computation, between the complexity of linguistic patterns and the complexity of mathematical models of computation*" (Fasold, R., Connor-Linton, J., 2006, p.466). (ভাষাত চিহ্নৰ এক জটিল ব্যৱস্থা জড়িত হৈ থাকে, আৰু কম্পিউটাৰ হ'ল এটা অতি দ্ৰুত যান্ত্ৰিক চিহ্ন-সংসাধক। ভাষিক সংসাধন আৰু গণনাৰ মাজত, ভাষিক গঠন বা সংৰূপৰ জটিলতা আৰু গণনাৰ গাণিতিক আৰ্হিৰ জটিলতাৰ মাজত স্বাভাৱিক সংযোগ আছে।) এই সংযোগসমূহে মানুহে ভাষিক জ্ঞানক কেনেকৈ প্ৰতিনিধিত্ব আৰু প্ৰক্ৰিয়াকৰণ কৰে সেই সম্পৰ্কে গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰে। চাব গ'লে ভাষাৰ সৈতে কাম কৰিবলৈ কম্পিউটাৰ এটা প্ৰগ্ৰেম কৰাটো ভাষা প্ৰক্ৰিয়াকৰণৰ এটা আৰ্হি (সীমিত) সৃষ্টি কৰা বুলি ক'ব পাৰি। যিহেতু কম্পিউটাৰ প্ৰগ্ৰেমিং কৰিবলৈ এটা operation বা কাৰ্যৰ সকলো বিৱৰণ স্পষ্টভাৱে নিৰ্দিষ্ট কৰাটো প্ৰয়োজন, সেয়েহে কম্পিউটাৰগত ভাষাবিজ্ঞানে ভাষা প্ৰক্ৰিয়াকৰণৰ বিষয়ে ভাষাবিদসকলৰ তত্ত্ব পৰীক্ষা কৰাত সহায় কৰে। বিভিন্ন ভাষিক পৰিঘটনাৰ বিষয়ে আমাৰ বৰ্তমানৰ বোধগম্যতা অনুসৰি কম্পিউটাৰ এটা প্ৰগ্ৰেম কৰি কম্পিউটাৰৰ আচৰণে মানুহৰ আচৰণক কিমান ভালদৰে প্ৰতিফলিত কৰে তাক পৰ্যবেক্ষণ কৰিলে সেই ভাষিক পৰিঘটনাৰ আৰ্হিবোৰ কিমান দক্ষ সেই বিষয়ে আমি ভালদৰে ধাৰণা কৰিব পাৰোঁ।

**Stop to Consider (আত্ম-চিন্তনমূলক প্ৰশ্ন)**

- আপুনি দৈনন্দিন জীৱনত কি কি ভাষা প্ৰযুক্তি ব্যৱহাৰ কৰে?
- আজিৰ ডিজিটেল জগতখনত কম্পিউটাৰগত ভাষাবিজ্ঞান কিয় গুৰুত্বপূৰ্ণ বুলি আপুনি ভাবে?

- কম্পিউটাৰ বা মেচিনে প্ৰকৃততে 'ভাষা' বুজে নে কেৱল 'নিয়ম' অনুসৰণ কৰে? আপুনি কি ভাবে?
- কম্পিউটাৰ প্ৰগ্ৰেমৰ সীমাবদ্ধতা চিন্তা কৰক: মানুহে সহজে বুজিব পৰা বক্ৰোক্তি বা ব্যংগ কিয় যন্ত্ৰই বুজিব নোৱাৰে?

**Self-Evaluation Questions (আত্মমূল্যায়ন প্ৰশ্ন)**

1. কম্পিউটাৰগত ভাষাবিজ্ঞান ক'ত ক'ত ব্যৱহাৰ হয়? কেইটামান বাস্তৱ উদাহৰণ দিয়ক।
2. কম্পিউটাৰগত ভাষাবিজ্ঞানক কিয় ভাষাবিজ্ঞান আৰু কম্পিউটাৰ বিজ্ঞানৰ এক আন্তঃশাখা ক্ষেত্ৰ বুলি কোৱা হয়? দুয়োটা ক্ষেত্ৰৰ ভূমিকা কি?
3. কম্পিউটাৰৰ সৈতে ভাষা প্ৰক্ৰিয়াকৰণৰ ক্ষেত্ৰত Fasold আৰু Connor-Lintonৰ উদ্ধৃতি অনুসৰি "natural connections" মানে কি?
4. কম্পিউটাৰভিত্তিক ভাষা প্ৰক্ৰিয়াকৰণত ভাষাবিজ্ঞানৰ কিমান তত্ত্ব আৰু জ্ঞান প্ৰয়োজন হয় বুলি আপুনি ভাবে? কিয়?
5. কম্পিউটাৰগত ভাষাবিজ্ঞানে সমাধান কৰিবলৈ চেষ্টা কৰা কিছুমান বাস্তৱ জগতৰ সমস্যা ব্যাখ্যা কৰক?

### ১.৩.২ স্বাভাৱিক ভাষা সংসাধন (Natural Language Processing)

কম্পিউটাৰগত ভাষাবিজ্ঞানৰ সৈতে প্ৰায় সমতুল্যভাৱে ব্যৱহৃত হ'ল স্বাভাৱিক ভাষা সংসাধন বা স্বাভাৱিক ভাষা প্ৰক্ৰিয়াকৰণ (Natural Language Processing); চমুকৈ এন.এল.পি (NLP)। আচলতে এন.এল.পি আৰু কম্পিউটাৰগত ভাষাবিজ্ঞান একেটা মুদ্ৰাৰ দুটা ফাল। কম্পিউটাৰগত ভাষাবিজ্ঞানত কম্পিউটাৰগত কৌশল ব্যৱহাৰ কৰি ভাষাৰ অধ্যয়ন কৰা হয়। ই বিজ্ঞানৰ বিষয়। আনহাতে এন.এল.পি-য়ে মানুহ আৰু কম্পিউটাৰৰ মাজৰ পাৰস্পৰিক ভাষিক ক্ৰিয়াৰ সৈতে জড়িত বাস্তৱ জগতৰ সমস্যা সমাধানৰ সঁজুলি (tools) বিকশিত কৰাত গুৰুত্ব দিয়ে। ই অভিযান্ত্ৰিক (engineering) ক্ষেত্ৰ। আন কথাত ক'বলৈ গ'লে কম্পিউটাৰগত ভাষাবিজ্ঞান হৈছে NLP-ৰ বৈজ্ঞানিক ভিত্তি আৰু NLP হৈছে

কম্পিউটাৰগত ভাষাবিজ্ঞানৰ প্ৰয়োগ ক্ষেত্ৰ। ইয়াৰে কেইটামান প্ৰয়োগ তলত উল্লেখ কৰা হৈছে:

**ক) প্ৰে াত্তৰ প্ৰক্ৰিয়া (Question answering system):** এনে ব্যৱস্থা যিয়ে মানুহে সোধা প্ৰশ্নৰ উত্তৰ স্বয়ংক্ৰিয়ভাৱে স্বাভাৱিক ভাষাত দিয়ে। Google Assistant, Apple Siri, Amazon Alexa আদিৰ দৰে voice assistant এনে ব্যৱস্থাৰ উদাহৰণ। এই প্ৰযুক্তিসমূহে ব্যৱহাৰকাৰীৰ প্ৰশ্ন চিনাক্ত কৰি, ইণ্টাৰনেটত তথ্য বিচাৰি, সংক্ষিপ্ত আৰু প্ৰাসংগিক উত্তৰ প্ৰদান কৰে।

**খ) স্পেম চিনাক্তকৰণ (Spam detection):** ইনবক্স (Inbox)-লৈ অহা অবাঞ্চিত ই-মেইল ধৰা পেলাবলৈ স্পেম চিনাক্তকৰণ (Spam detection) ব্যৱহাৰ কৰা হয়। ই-মেইলৰ ভাষা, বিষয়বস্তু আৰু ধাৰণাৰ ভিত্তিত অবাঞ্চিত ই-মেইলবোৰক **spam** হিচাপে চিনাক্ত কৰা হয়। যান্ত্ৰিক শিকনি (machine learning) আৰু পাঠ বিশ্লেষণৰ (text analysis) দ্বাৰা ব্যৱস্থাটোৱে স্বয়ংক্ৰিয়ভাৱে এই চিনাক্তকৰণ কৰে।

**গ) যান্ত্ৰিক অনুবাদ (Machine translation):** এটা স্বাভাৱিক ভাষাৰ পৰা আন এটা স্বাভাৱিক ভাষালৈ পাঠ (text) বা বাক (speech) অনুবাদ কৰিবলৈ এই ব্যৱস্থা ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে, Google translate, Bing translator ইত্যাদি। আধুনিক Neural Machine Translation পদ্ধতিসমূহে প্ৰাসংগিকতা, ব্যাকৰণ আৰু প্ৰসংগ-ভিত্তিক অনুবাদ অধিক উন্নত কৰিছে।

**ঘ) আবেগ বিশ্লেষণ (Sentiment Analysis):** মানৱ ভাষাৰ ব্যাখ্যা কৰাটো যথেষ্ট কঠিন হ'ব পাৰে কাৰণ ভাষাৰ লগত আক্ষৰিক অৰ্থৰ বাহিৰৰ অভিব্যক্তি (expressions) আৰু মনোভাৱ জড়িত হৈ থাকে। মনোভাৱ বিশ্লেষণৰ জৰিয়তে গ্ৰাহকৰ প্ৰতিক্ৰিয়া বিশ্লেষণ কৰিব পাৰি, নেতিবাচক মন্তব্য নিৰ্মূল কৰি ছ'চিয়েল মিডিয়াৰ বিবাদ হ্ৰাস কৰিব পাৰি, আৰু যিকোনো ব্যৱসায়ৰ গ্ৰাহকৰ পৰা এটা সামগ্ৰীৰ বিষয়ে অন্তৰ্দৃষ্টি লাভ কৰিব পাৰি।

**ঙ) বানান পৰীক্ষক, ব্যাকৰণ পৰীক্ষক আৰু স্বয়ংক্ৰিয় শুদ্ধকৰণ (Spell checking, grammar checking and auto correct):** পাঠ টাইপ কৰাৰ সময়ত বানান আৰু ব্যাকৰণগত ভুল ধৰা পেলাবলৈ আৰু স্বয়ংক্ৰিয়ভাৱে সংশোধন কৰিবলৈ ব্যৱহাৰ কৰা হয়। ই প্ৰবন্ধ, ব্লগ পোষ্ট, আৰু মেচেজ আদি লিখাত সুবিধা প্ৰদান কৰে, টাইপিংৰ গতি আৰু সঠিকতা বৃদ্ধি কৰে, আৰু টাইপ' (typo) বা ভুল এৰাই চলিবলৈ সহায় কৰে।

**চ) পাঠ সাৰাংশ নিৰ্ণয় (Text summarization):** ই হৈছে এটা স্বাভাৱিক ভাষা প্ৰক্ৰিয়াকৰণ কৌশল যিয়ে এটা নিৰ্দিষ্ট পাঠ্যৰ মূল ধাৰণা আৰু তথ্যসমূহ সলনি নকৰাকৈ এটা চুটি সংস্কৰণলৈ সংক্ষিপ্ত কৰাৰ চেষ্টা কৰে। ইয়াৰ বিভিন্ন প্ৰয়োগ আছে, যেনে বাতৰিৰ সাৰাংশ সৃষ্টি কৰা, লেখাৰ সংক্ষিপ্ত সাৰ সৃষ্টি কৰা, আৰু তথ্য উদ্ধাৰ ব্যৱস্থাত সহায় কৰা।

**ছ) তথ্য উদ্ধাৰ কৰা (Information retrieval):** ই হৈছে তথ্য বা পাঠৰ সংগ্ৰহৰ পৰা প্ৰাসংগিক তথ্য উদ্ধাৰ কৰাৰ প্ৰক্ৰিয়া। ব্যৱহাৰকাৰীসকলক তেওঁলোকে বিচৰা তথ্যৰ access প্ৰদান কৰিবলৈ search engine, database, আৰু digital library-ত সাধাৰণতে ব্যৱহাৰ কৰা হয়।

**জ) পাঠ শ্ৰেণীবিভাজন (Text Classification):** এটা পাঠ বা তথ্যক শ্ৰেণীভুক্ত কৰা, যেনে, বাতৰিৰ প্ৰকাৰ (ৰাজনীতি, খেল, অৰ্থনীতি), ই-মেইল (spam বা no spam), বা সমালোচনাৰ ধৰণ (সকাৰাত্মক/নকাৰাত্মক) চিনাক্ত কৰে। এই ব্যৱস্থাবোৰ ছ'চিয়েল মিডিয়া বিশ্লেষণ, তথ্য পৰিচালনা, আৰু গ্ৰাহক সেৱাত গুৰুত্বপূৰ্ণ।

**ঝ) বাক্ চিনাক্তকৰণ (Voice Recognition):** NLP ৰ সহায়ত কম্পিউটাৰ বা মোবাইলে মানুহে কোৱা শব্দ চিনাক্ত কৰি পাঠ্য (text) ৰূপত ৰূপান্তৰ কৰে। উদাহৰণ স্বৰূপে, Virtual Assistant এটাই মানুহে কথিত ৰূপত দিয়া নিৰ্দেশনা অনুযায়ী কাম কৰে। যেনে, “Call X”, “Play music”, “Set alarm” আদি।

**ঞ) চেটবট (Chatbot) আৰু Virtual Assistant:** গ্ৰাহক সেৱা, অনলাইন সহায়, chatting আদিত ব্যৱহৃত হয়। NLP আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত এই চেটবটে বিভিন্ন প্ৰশ্নৰ উত্তৰ দিয়ে আৰু মানুহৰ দৰে আচৰণ কৰে।

**ট) OCR-based Text Processing (দৃশ্যভিত্তিক পাঠ্য চিনাক্তকৰণ):** Optical Character Recognition (OCR) ব্যৱহাৰ কৰি image ৰ ভিতৰত থকা পাঠ্য চিনাক্ত কৰি digital পাঠ্যলৈ ৰূপান্তৰ কৰে। উদাহৰণ: স্কেন কাগজৰ পৰা শব্দ উদ্ধাৰ, ভাষান্তৰণ, আৰ্কাইভিং বা সংৰক্ষণ ইত্যাদি।

স্বাভাৱিক ভাষা সংসাধনৰ এই প্ৰয়োগসমূহৰ সহায়ত আমাৰ দৈনন্দিন জীৱন আৰু ব্যৱসায়িক দিশসমূহত ভাষা আৰু প্ৰযুক্তিৰ মাজত এক সঁচা সংযোগ স্থাপন হৈছে। ভাষাবিদ আৰু কম্পিউটাৰ বিজ্ঞানীৰ সহায়ত NLP এতিয়া কেৱল ব্যৱহাৰযোগ্যই নহয়, বৰঞ্চ সমাজ, শিক্ষা, স্বাস্থ্য, অৰ্থনীতি আদি সকলো ক্ষেত্ৰতে বিপ্লৱ ঘটোৱা এক প্ৰযুক্তি ৰূপে বিবেচিত।

**Stop to Consider (আত্ম-চিন্তনমূলক প্ৰশ্ন)**

- NLP প্ৰযুক্তি যেনে, Google Translate, voice assistant, predictive text, ইত্যাদি ব্যৱহাৰ কৰোঁতে কেতিয়াবা আপুনি ভুল উত্তৰ পাইছে নে? সেই অভিজ্ঞতাৰ পৰা আপুনি NLP প্ৰযুক্তিৰ সীমাবদ্ধতা সন্দৰ্ভত কি বুজিছে?
- NLP পদ্ধতিসমূহে কেনেকৈ সামাজিক মাধ্যম, ব্যৱসায়, আৰু শিক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে বুলি আপুনি ভাবে?

**Self-Evaluation Questions (আত্মমূল্যায়ন প্ৰশ্ন)**

১. কম্পিউটাৰগত ভাষাবিজ্ঞান আৰু স্বাভাৱিক ভাষা সংসাধনৰ মাজত কি প্ৰধান পাৰ্থক্য আছে? সংক্ষেপে ব্যাখ্যা কৰক।

২. আপুনি নিজে বানান পৰীক্ষা বা স্বয়ংক্ৰিয় শুদ্ধকৰণ ব্যৱহাৰ কৰি উপকৃত হোৱা উদাহৰণ এটা দিয়ক। সেই অভিজ্ঞতাই আপোনাৰ লেখাৰ গুণগত মান উন্নত কৰাত সহায় কৰিছিল নে?

৩. NLPৰ কোনটো প্ৰয়োগ আপোনাৰ বাবে আটাইতকৈ উপকাৰী বুলি অনুভৱ কৰে আৰু কিয়?

### ১.৩.৩ স্বাভাৱিক ভাষা সংসাধনৰ ইতিহাস

১৯০৬ চনৰ পৰা ১৯১১ চনলৈকে ভাষাবিদ ফাৰ্ডিনাণ্ড ডি চচ্যুৰে (Ferdinand de Saussure) জেনেভা বিশ্ববিদ্যালয়ত পাঠ্যক্ৰম আগবঢ়াইছিল। তেওঁ ভাষাক “এটা ব্যৱস্থা” (a system) বুলি বৰ্ণনা কৰা এক দৃষ্টিভংগী গঢ়ি তুলিছিল। তেওঁ কৈছিল যে ভাষাৰ অংশসমূহৰ মাজৰ সম্পৰ্ক আৰু পাৰ্থক্যত অৰ্থৰ সৃষ্টি হয় । ছ'ছ্যুৰৰ  মৃত্যুৰ পিছত তেওঁৰ দুজন ছাত্ৰই তেওঁৰ বক্তৃতাসমূহৰ আধাৰত ১৯১৬ চনত ‘*Cours de Linguistique Générale*’ নামৰ গ্ৰন্থ এখন প্ৰকাশ কৰে। এই গ্ৰন্থখনে ভাষাবিজ্ঞানৰ গাঠনিক দৃষ্টিভংগী (Structuralist approach)ৰ ভেটি স্থাপন কৰে। এই দৃষ্টিভংগী পিছলৈ কম্পিউটাৰকে ধৰি অন্য ক্ষেত্ৰলৈ সম্প্ৰসাৰণ হয়। ক'বলৈ গ'লে, চচ্যুৰে তেওঁৰ গাঠনিক দৃষ্টিভংগীৰে স্বাভাৱিক ভাষা সংসাধনৰ বীজ ৰোপণ কৰিছিল।

১৯৪৯ চনত আমেৰিকাৰ বিজ্ঞানী আৰু গণিতজ্ঞ ৱাৰেন ৱিভাৰে (Warren Weaver) এখন স্মাৰকপত্ৰ দাখিল কৰে য'ত "যান্ত্ৰিক অনুবাদ (Machine translation)"ৰ নতুন ক্ষেত্ৰখন প্ৰথমবাৰৰ বাবে প্ৰকাশ পায়। তেঁও উল্লেখ কৰে যে কম্পিউটাৰ ব্যৱহাৰ কৰি মানৱ ভাষা অনুবাদ কৰিব পৰা যায়। ফলস্বৰূপে ১৯৫০ চনত য়েহোছা বাৰ-হিলেল (Yehosha Bar-Hillel)ক বষ্টনত অৱস্থিত মেছাচুচেটছ প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (Massachusetts Institute of Technology)ত প্ৰথম যান্ত্ৰিক অনুবাদ গৱেষক হিচাপে নিযুক্তি দিয়া হয়। ১৯৫০ চনত গণিতজ্ঞ আৰু কম্পিউটাৰ বিজ্ঞানী এলেন টিউৰিঙে (Alan Turing) "চিন্তাশীল যন্ত্ৰ" (thinking machine)ৰ পৰীক্ষাৰ বৰ্ণনা কৰি 'Computing Machinery and Intelligence' নামৰ এখন গৱেষণা পত্ৰ লিখিছিল। এই গৱেষণা পত্ৰখনত তেওঁ উল্লেখ কৰিছিল যে যদি কোনো যন্ত্ৰই টেলিপ্ৰিণ্টাৰৰ জৰিয়তে মানুহৰ লগত কথা-বতৰাত অংশগ্ৰহণ কৰিব পাৰে, আৰু ই কোনো লক্ষ্যণীয় পাৰ্থক্য নথকাকৈ মানুহক সম্পূৰ্ণৰূপে অনুকৰণ কৰিব পাৰে, তেন্তে যন্ত্ৰটোক "চিন্তা" কৰিব পৰা বুলি ধৰিব পাৰি। অৰ্থাৎ এই পৰীক্ষাটোৰে এটা যন্ত্ৰৰ বুদ্ধিমত্তাসম্পন্ন আচৰণ প্ৰদৰ্শন কৰাৰ ক্ষমতা জুখিছিল। এই পৰীক্ষাটোক আমি 'টিউৰিং পৰীক্ষা' (Turing test) বা 'অনুকৰণ খেল' (Imitation game) নামেৰে জানোঁ। ইয়াৰ কিছু দিন পিছত ১৯৫২ চনত হজ্‌কিন-হাক্সলী (Hodgkin-Huxley) মডেলে মগজুৰে কেনেকৈ স্নায়ু কোষ ব্যৱহাৰ কৰি বৈদ্যুতিক নেটৱৰ্ক গঠন কৰে সেয়া দেখুৱায়। এই পৰিঘটনাবোৰৰ ফলস্বৰূপে কৃত্ৰিম বুদ্ধিমত্তা (Artificial Intelligence) আৰু স্বাভাৱিক ভাষা সংসাধনৰ বিকাশ ঘটিছিল।

১৯৫৪ চনত আই বি এম (IBM) আৰু জৰ্জটাউন বিশ্ববিদ্যালয় (Georgetown University)ৰ যৌথ প্ৰকল্প এটাত প্ৰথমবাৰৰ বাবে ৬০টাতকৈও অধিক ৰাছিয়ান বাক্য ইংৰাজীলৈ যান্ত্ৰিক অনুবাদ সফলতাৰে প্ৰদৰ্শন কৰা হয়। গৱেষকসকলে অনুবাদৰ এই কৃতিত্ব লাভ কৰিছিল যদিও ব্যৱস্থাটোৱে সাধাৰণ অনুবাদৰ ক্ষেত্ৰত ব্যৰ্থ হৈছিল। আচলতে যান্ত্ৰিক অনুবাদৰ প্ৰাৰম্ভিক কাৰ্য আছিল অতি সৰল। বেছিভাগ ব্যৱস্থাই অনুবাদৰ বাবে উপযুক্ত শব্দ বিচাৰিবলৈ অভিধান ব্যৱহাৰ কৰিছিল আৰু অনুবাদৰ পিছত শব্দবোৰক লক্ষ্য ভাষাৰ শব্দ-ক্ৰমৰ নিয়মৰ লগত খাপ খুৱাই পুনৰ ক্ৰমবদ্ধ কৰিছিল। ফলত দুৰ্বল ফলাফল হে দেখা পোৱা গ'ল । কিয়নো এই ব্যৱস্থাত প্ৰাকৃতিক ভাষাৰ অন্তৰ্নিহিত শব্দগত অস্পষ্টতাক লক্ষ্য কৰা হোৱা নাছিল। গৱেষকসকলে তেতিয়া উপলব্ধি কৰিলে যে কামটো ভবাতকৈ অধিক কঠিন, আৰু ভাষাৰ এটা পৰ্যাপ্ত তত্ত্বৰ প্ৰয়োজন। ১৯৫৭ চনত আমেৰিকান ভাষাবিদ নৌম চমস্কি (Noam Chomsky) য়ে তেওঁৰ '*Syntactic*

*Structures*' নামৰ গ্ৰন্থখনত বাক্য গঠনৰ নিয়মভিত্তিক ব্যৱস্থাৰ ধাৰণা প্ৰৱৰ্তন কৰে। চমস্কিৰ এই তত্ত্বৰ নাম আছিল 'উৎপাদক ব্যাকৰণ' (Generative Grammar) যিয়ে ভাষাবিজ্ঞানে যান্ত্ৰিক অনুবাদক কেনেদৰে সহায় কৰিব পাৰে তাৰ অন্তৰ্দৃষ্টি প্ৰদান কৰিছিল। তেওঁৰ শব্দগুচ্ছ গঠনৰ ব্যাকৰণ (Phrase Structure Grammar) তত্ত্বই পদ্ধতিগতভাৱে প্ৰাকৃতিক ভাষাৰ বাক্যক কম্পিউটাৰৰ দ্বাৰা ব্যৱহাৰযোগ্য আহিঁলৈ 'অনুবাদ' কৰিছিল।

বাক্য গঠন তত্ত্ব আৰু কম্পিউটাৰ এলগৰিদম (algorithm)ৰ এই বিকাশে গৱেষকসকলৰ মাজত এক নতুন উৎসাহ সৃষ্টি কৰিছিল। ১৯৬২ চনত আমেৰিকাত Association for Machine Translation and Computational Linguistics গঠন কৰা হয়। ১৯৬৪ চনত আমেৰিকাৰ ৰাষ্ট্ৰীয় গৱেষণা পৰিষদে (National Research Council) যান্ত্ৰিক অনুবাদ অধ্যয়নৰ বাবে এখন সমিতি (Automatic Language Processing Advisory Committee বা চমুকৈ ALPAC) গঠন কৰে। এই সমিতিখনক স্বাভাৱিক ভাষা প্ৰক্ৰিয়াকৰণ গৱেষণাৰ অগ্ৰগতিৰ মূল্যায়নৰ দায়িত্ব দিয়া হৈছিল। ১৯৬৬ চনত ALPACএ এটা সিদ্ধান্তত উপনীত হয় আৰু এখন প্ৰতিবেদনত উল্লেখ কৰে যে যান্ত্ৰিক অনুবাদে মানৱ অনুবাদৰ মানদণ্ডৰ সৈতে ফেৰ মাৰিব নোৱাৰে আৰু গৱেষণা সম্প্ৰদায়ক যান্ত্ৰিক অনুবাদৰ বাবে ধন আগবঢ়োৱাটো তৎক্ষণাত বন্ধ কৰিবলৈ পৰামৰ্শ দিয়ে। ইয়াৰ ফলত কেৱল যান্ত্ৰিক অনুবাদ গৱেষণাকে ধৰি NLP-ৰ অন্যান্য প্ৰয়োগৰ কামো যথেষ্ট ধীৰ হৈ পৰে।

উল্লেখযোগ্য যে এই মন্থৰতাৰ মাজতো ALPAC প্ৰতিবেদনৰ পিছৰ বছৰবোৰত তাত্ত্বিক বিষয় আৰু prototype ব্যৱস্থা নিৰ্মাণ দুয়োটাতে কিছু আকৰ্ষণীয় বিকাশ হয়। ১৯৬৬ চনত MIT-ৰ জোচেফ ৱেইজেনবমে (Joseph Weizenbaum) প্ৰতিফলন কৌশল (reflection technique) ব্যৱহাৰ কৰি মনোৰোগ বিশেষজ্ঞক অনুকৰণ কৰিবলৈ ডিজাইন কৰা প্ৰক্ৰিয়া বা প্ৰগ্ৰেম এটা বিকশিত কৰে। ELIZA নামৰ এই প্ৰগ্ৰেমটো আছিল টিউৰিং পৰীক্ষা প্ৰয়াস কৰিব পৰা প্ৰথম প্ৰগ্ৰেমসমূহৰ ভিতৰত অন্যতম। ১৯৭৩ চনত টেৰী উইনোগ্ৰাডে (Terri Winograd) SHRDLU নামৰ নিৰ্দেশনা বুজা আৰু কথোপকথন চলাব পৰা এটা কম্পিউটাৰ প্ৰগ্ৰাম সৃষ্টি কৰে। SHRDLU আছিল প্ৰথম একত্ৰিত কৃত্ৰিম বুদ্ধিমত্তা প্ৰণালী যিয়ে প্ৰাকৃতিক ভাষা ব্যৱহাৰ কৰি এটা সৰল ভাৰ্চুৱেল মাইক্ৰ'-ৱৰ্ল্ড (virtual micro-world)ৰ ভিতৰত থকা ৰঙীন ব্লক(block)বোৰক নিয়ন্ত্ৰণ কৰিব পাৰিছিল।

প্ৰাকৃতিক ভাষা প্ৰক্ৰিয়া আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ গৱেষণাৰ পুনৰুদ্ধাৰ হ'বলৈ প্ৰায় চৈধ্য বছৰ সময় লাগিল। ১৯৮০ৰ দশকত কম্পিউটিঙৰ খৰচ যথেষ্ট কমি যায়। ইয়াৰ লগে লগে বিশ্বৰ বহু গৱেষকৰ বাবে NLP-ৰ ক্ষেত্ৰখন মুকলি হয়। ফলস্বৰূপে কম্পিউটাৰ বিজ্ঞানৰ ক্ষেত্ৰত যথেষ্ট বিকাশ দেখা গৈছিল। NLP-ৰ ক্ষেত্ৰখনত পৰিসংখ্যা পদ্ধতিৰ (statistical methods) উত্থান ঘটিছিল। এই পদ্ধতিবোৰ প্ৰাকৃতিক ভাষা বুজিবলৈ আৰু সৃষ্টি বা উৎপাদন কৰিবলৈ বৃহৎ পৰিমাণৰ তথ্যৰ ওপৰত নিৰ্ভৰ আছিল। ১৯৯০ৰ দশকত শক্তিশালী কম্পিউটাৰৰ আবিৰ্ভাৱ আৰু বৃহৎ পৰিমাণৰ টেক্সট ডাটা (text data) উপলব্ধ হোৱাৰ ফলত গৱেষকসকলে অধিক উন্নত NLP ব্যৱস্থা (যেনে machine learning ভিত্তিক পদ্ধতি) বিকশিত কৰিবলৈ আৰম্ভ কৰে। গৱেষণাসমূহ লিখিত পাঠ(text)ৰ পৰা বাক্ চিনাক্তকৰণলৈ (speech recognition) বিস্তৃত হয়।

**কৃত্ৰিম বুদ্ধিমত্তা (Artificial Intelligence):** কম্পিউটাৰ বিজ্ঞানৰ এটি শাখা, যিয়ে সাধাৰণতে মানুহৰ বুদ্ধিমত্তাৰ প্ৰয়োজন হোৱা কাম, যেনে- যুক্তি, শিক্ষণ আৰু সমস্যা সমাধান আদি স্বয়ংক্ৰিয়ভাৱে সম্পন্ন কৰিব পৰা ব্যৱস্থা সৃষ্টি কৰাত গুৰুত্ব দিয়ে। কম্পিউটাৰগত ভাষাবিজ্ঞানে মানৱ ভাষা বুজিবলৈ, বিশ্লেষণ কৰিবলৈ আৰু সৃষ্টি কৰিবলৈ কৃত্ৰিম বুদ্ধিমত্তাৰ কৌশল প্ৰয়োগ কৰে, যাৰ ফলত যন্ত্ৰবোৰে প্ৰাকৃতিক ভাষাক ফলপ্ৰসূভাৱে প্ৰক্ৰিয়াকৰণ কৰিবলৈ সক্ষম হয়।

**আত্ম-চিন্তনমূলক প্ৰশ্ন**

- নিয়মভিত্তিক পদ্ধতিৰ পৰা আধুনিক AI-চালিত পদ্ধতিলৈ NLP-ৰ ক্ষেত্ৰখন কেনেকৈ বিকশিত হৈছে?
- আপোনাৰ মতে কোনকেইটা পৰিঘটনা NLP-ৰ বিকাশৰ মূল মাইলৰ খুঁটি আছিল? সেইবোৰ কিয় গুৰুত্বপূৰ্ণ আছিল?
- মেচিন অনুবাদৰ প্ৰাৰম্ভিক প্ৰচেষ্টাই NLP-ৰ বৃদ্ধিত কেনে প্ৰভাৱ পেলাইছিল?
- প্ৰাথমিক NLP গৱেষকসকলৰ লক্ষ্য বৰ্তমানৰ NLP ব্যৱস্থাৰ লক্ষ্যৰ সৈতে কেনেকৈ তুলনা কৰিব পাৰি?
- NLP-ৰ ক্ষেত্ৰখন গঢ় দিয়াত ভাষাবিজ্ঞান আৰু কম্পিউটাৰ বিজ্ঞানে কি ভূমিকা পালন কৰিছিল?
- NLP-ৰ ইতিহাসৰ কোনটো উদ্ভাৱন আপুনি আটাইতকৈ উল্লেখযোগ্য আৰু প্ৰভাৱশালী বুলি ভাবে? কিয়?

**Self-Evaluation Questions (আত্মমূল্যায়ন প্ৰশ্ন)**

1. ১৯৫০ আৰু ১৯৬০ চনত বিকশিত হোৱা প্ৰাৰম্ভিক NLP ব্যৱস্থাসমূহৰ কেন্দ্ৰবিন্দু কি আছিল?
2. NLP-ৰ বিকাশৰ ক্ষেত্ৰত ALPAC প্ৰতিবেদনৰ তাৎপৰ্য কি?
3. Turing Test কি? এই পৰীক্ষাৰ প্ৰয়োজনীয়তা কি আছিল?
4. NLP-ৰ প্ৰাৰম্ভিক বিকাশত চমস্কিৰ তত্ত্বসমূহে কি ভূমিকা পালন কৰিছিল?
5. ১৯৫০ চনৰ পৰা বৰ্তমানলৈকে NLP-ৰ বিকাশৰ প্ৰধান পৰ্যায়সমূহৰ বৰ্ণনা কৰক।

২০০০ চনৰ পৰা ভাষাৰ আৰ্হি নিৰ্মাণৰ বাবে NLP-ত Neural Network (বা Deep Learning) ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰা হয়। এই নেটৱৰ্কে মানুহৰ মগজুৰ মৌলিক কাৰ্য্যকলাপ অনুকৰণ কৰে আৰু গণনাসমূহ দ্ৰুতভাৱে সম্পাদন কৰাৰ ক্ষমতাৰ বাবে বাস্তৱ সময়ৰ কাৰ্যসমূহ দক্ষতাৰে সমাধান কৰিবলৈ সক্ষম হয়। বৰ্তমান সময়ত Google, Siri, Alexa আদি হৈছে ভাষাৰ মধ্যস্থতাত হোৱা পাৰস্পৰিক ক্ৰিয়া-কলাপ (Language mediated interactions)-ৰ উদাহৰণ।

## ১.৪ স্বাভাৱিক ভাষা সংসাধনৰ অসুবিধাসমূহ

মানৱ ভাষা এটা জটিল ব্যৱস্থা। ইয়াৰ ব্যাখ্যা কৰা আৰু সঁহাৰি (response) দিয়া সহজ কাম নহয়। NLP যদিও এটা শক্তিশালী ব্যৱস্থা, ভাষাৰ এই জটিল প্ৰকৃতিৰ বাবে ইয়াৰ কেইবাটাও সীমাবদ্ধতা আৰু সমস্যা আছে। এনে কিছুমান জটিলতা তলত উল্লেখ কৰা হ'ল।

**১.৪.১ ভাষিক** দ্ব্যৰ্থকতা বা **অস্পষ্টতা (Ambiguity):** NLP-ত অস্পষ্টতাই এনে বাক্য-বাক্যাংশ বা শব্দ বুজায় যিবোৰৰ দুটা বা তাতোকৈ অধিক সম্ভাব্য ব্যাখ্যা বা অৰ্থ থাকে। ই তিনি প্ৰকাৰৰ:

**ক) শব্দগত** দ্ব্যৰ্থকতা **(Lexical ambiguity):**

যেতিয়া শব্দ এটাই বিভিন্ন অৰ্থ বহন কৰে, অৰ্থাৎ এটাতকৈ অধিক অৰ্থ থাকে। ইয়াক অন্তৰ্ভুক্ত কৰা বাক্যটো ইয়াৰ সঠিক অৰ্থৰ ওপৰত নিৰ্ভৰ কৰি

বেলেগ বেলেগ ধৰণে ব্যাখ্যা কৰিব পাৰি। তলত উল্লেখ কৰা তিনিটা বাক্যত 'match', 'bat' আৰু 'কল' শব্দকেইটাই এটাতকৈ অধিক অৰ্থ বহন কৰে ।

- He is looking for a **match**.
- My sister saw a **bat.**
- এই **কলটো** ডাঙৰ ।

**খ) বাক্যগত** দ্ব্যৰ্থকতা **(Syntactic ambiguity):**

যেতিয়া আমি শব্দৰ ক্ৰমত একাধিক অৰ্থ দেখা পাওঁ। ইয়াক ব্যাকৰণগত দ্ব্যৰ্থকতা বুলিও কোৱা হয়।

- The chicken **is ready** to eat.
- He bought some **blue books and pens**.
- I invited the **person with the microphone**.
- চিমলাত **ওখ গছ আৰু পাহাৰ** দেখিলোঁ।

**গ) উল্লেখকৰ** দ্ব্যৰ্থকতা **(Referential ambiguity):**

এনে দ্ব্যৰ্থকতাত এটা শব্দ বা বাক্যাংশক এটাতকৈ অধিক অৰ্থ বুজাবলৈ ব্যৱহাৰ কৰিব পাৰি। যেনে- সৰ্বনামে কোনটো বিশেষ্যৰ কথা উল্লেখ কৰিছে সেয়া স্পষ্ট নহ'লে এনে দ্ব্যৰ্থকতাৰ সৃষ্টি হয়।

- The boy told the father about the theft. **He** was very upset.
- John met Mary and Jim. **They** went to the restaurant.
- আজি বৰ্ণালীয়ে মোক ভনীয়েকৰ লগত চিনাকি কৰাই দিলে। **তাই** বৰ ভাল ছোৱালী।

### ১.৪.২ প্ৰসংগভিত্তিক শব্দ আৰু বাক্যাংশ (Contextual words and phrases):

বাক্যৰ প্ৰসংগ অনুসৰি একেবোৰ শব্দ আৰু বাক্যাংশৰ অৰ্থ বেলেগ বেলেগ হ'ব পাৰে। উদাহৰণস্বৰূপে তলত দিয়া প্ৰতিটো বাক্যৰ 'run' শব্দটোৰ অৰ্থ বেলেগ বেলেগ:

- The people **ran** away from the burning building.
- He **runs** an import-export business.
- Bus service stops **running** at midnight.
- The house is looking really **run** down.
- I locked the keys in the car with the engine **running**.
- He is **running** for President.
- My nose is **running** – I need a tissue.
- Scientists are **running a test**.

মানুহৰ বাবে এই ভিন্ন অৰ্থবোৰ বুজিব সহজ কাৰণ আমি বাক্যটোৰ প্ৰসংগ পঢ়ি বিভিন্ন সংজ্ঞাবোৰ বুজি পাওঁ। এটা NLP ভাষা আৰ্হিয়ে 'run'ৰ সকলো সংজ্ঞা 'শিকে' যদিও প্ৰসংগত ইহঁতৰ মাজত পাৰ্থক্য স্থাপন কৰাটো NLP-ৰ বাবে এটা সমস্যা হ'ব পাৰে।

**১.৪.৩ বক্ৰোক্তি আৰু ব্যংগ (Irony and sarcasm):**

বক্ৰোক্তি আৰু ব্যংগই যান্ত্ৰিক শিকন (machine learning) আৰ্হিৰ বাবে সমস্যাৰ সৃষ্টি কৰে কাৰণ ইয়াত সাধাৰণতে এনে শব্দ আৰু বাক্যাংশ ব্যৱহাৰ কৰা হয় যিবোৰ সংজ্ঞা অনুসৰি ইতিবাচক বা নেতিবাচক হ'ব পাৰে, কিন্তু প্ৰকৃততে তাৰ বিপৰীত অৰ্থ বুজায়।

**১.৪.৪ পাঠ আৰু কথনৰ ভুল (Errors in text and speech):**

ভুল বানান বা শব্দৰ ভুল ব্যৱহাৰে পাঠ বিশ্লেষণৰ বাবে সমস্যাৰ সৃষ্টি কৰিব পাৰে। স্বয়ংক্ৰিয় সংশোধন (auto-correct) আৰু ব্যাকৰণ সংশোধন (grammar correction) প্ৰয়োগে সাধাৰণ ভুলসমূহ পৰিচালনা কৰিব পাৰে যদিও লেখকৰ উদ্দেশ্য সদায় বুজি পোৱা নাযায়। কথনৰ সৈতে জড়িত ভুল উচ্চাৰণ, বিভিন্ন ঠাঁচ (accent), কথা কওঁতে খোনা লগা (stutter/stammer) আদি এটা যন্ত্ৰৰ বাবে বুজিবলৈ কঠিন হ'ব পাৰে।

**১.৪.৫ কথিত ভাষা আৰু অপশব্দ (Colloquialism and slang):**

অনানুষ্ঠানিক ভাষিক ৰূপ অভিব্যক্তি (expression), জতুৱা ঠাঁচ (idiom), আৰু সংস্কৃতি-নিৰ্দিষ্ট ভাষাই NLP-ৰ বাবে কেইবাটাও সমস্যাৰ সৃষ্টি

কৰে। কাৰণ আনুষ্ঠানিক ভাষাৰ দৰে কথিত ভাষা (colloquialism)ৰ কোনো "অভিধানিক সংজ্ঞা" একেবাৰেই নাথাকিব পাৰে। আনকি ভৌগোলিক অঞ্চল অনুসৰি এই অভিব্যক্তিবোৰৰ অৰ্থ বেলেগ বেলেগ হ'ব পাৰে। তদুপৰি অপশব্দৰ (slang) অহৰহ ৰূপান্তৰ আৰু অৰ্থ বহল হৈ আছে। গতিকে প্ৰতিদিনে নতুন নতুন শব্দ সৃষ্টি হয়।

### ১.৫ NLPত ভাষা আৰু ভাষাবিজ্ঞানৰ জ্ঞানৰ প্ৰয়োগ

'*Speech and Language Processing*' গ্ৰন্থখনত Jurafsky আৰু Martin-এ কৈছে, *"What distinguishes language processing applications from other data processing systems is their use of knowledge of language".* কোনো NLP ব্যৱস্থাই 'ভাষাৰ জ্ঞান' বুজি নোপোৱাকৈ কাম কৰিব নোৱাৰে। অৰ্থাৎ NLP ব্যৱস্থা এটা শক্তিশালী আৰু কাৰ্যক্ষম হ'ব পাৰে যদিহে ই প্ৰাকৃতিক ভাষাই কেনেকৈ কাম কৰে আৰু ইয়াৰ গঠন কেনেকৈ হয় সেই বিষয়ে জানে। ভাষাৰ বৈজ্ঞানিক অধ্যয়নৰ পৰাই ভাষাৰ জ্ঞান আহে। ইয়াক আমি ভাষাবিজ্ঞান বুলি জানো। ভাষাবিজ্ঞানৰ প্ৰধান ক্ষেত্ৰসমূহ হ'ল:

- **ধ্বনিবিজ্ঞান (Phonetics)** - বাক্ ধ্বনিৰ ভৌতিক দিশ, যেনে- ইয়াৰ উৎপাদন, উচ্চাৰণ, প্ৰেৰণ আৰু গ্ৰহণৰ সৈতে জড়িত।
- **ধ্বনিতত্ত্ব (Phonology)** – ভাষা এটাৰ ধ্বনিসমূহক পদ্ধতিগতভাৱে সংগঠিত কৰাৰ অধ্যয়ন।
- **ৰূপতত্ত্ব (Morphology)** – ৰূপতত্ত্বত অৰ্থপূৰ্ণ একক (ৰূপ)ৰ পৰা শব্দ নিৰ্মাণৰ অধ্যয়ন, ইয়াৰ গঠন আৰু একেটা ভাষাতে এটা শব্দৰ আন শব্দৰ সৈতে সম্পৰ্কৰ বিষয়ে আলোচনা কৰা হয়।
- **বাক্যতত্ত্ব (Syntax)** – ইয়াত ভাষাসমূহত বাক্যাংশ আৰু বাক্য গঠন কৰিবলৈ শব্দ বিন্যাসৰ নিয়মসমূহৰ অধ্যয়ন কৰা হয়। লগতে বাক্য আৰু বাক্যাংশত শব্দৰ গাঁথনিগত ভূমিকা নিৰ্ণয় কৰাটোও জড়িত হৈ থাকে।
- **অৰ্থতত্ত্ব (Semantics)** – অৰ্থতত্ত্ব হৈছে ভাষাত অৰ্থৰ অধ্যয়ন। ইয়াত শব্দ আৰু বাক্যাংশক কেনেকৈ অৰ্থ দিয়া হয় আৰু সেই অৰ্থসমূহ যোগাযোগত কেনেকৈ ব্যৱহাৰ কৰা হয়, সেই বিষয়ে অধ্যয়ন হয়।
- **প্ৰসংগাৰ্থবিজ্ঞান (Pragmatics)** – ইয়াত বিভিন্ন পৰিস্থিতিত বাক্য ব্যৱহাৰ আৰু বোধগম্যতাৰ বিষয়ে আলোচনা কৰা হয়।

- **বাক্ বিশ্লেষণ (Discourse Analysis)**– ইয়াত পূৰ্বৰ বাক্যটোৰে পৰৱৰ্তী বাক্যটোৰ ব্যাখ্যাত কেনে প্ৰভাৱ পেলাব পাৰে সেই বিষয়ে আলোচনা কৰা হয়।

পৰৱৰ্তী বিভাগবোৰত NLP-ৰ বিভিন্ন পৰ্যায়ত ভাষিক তত্ত্ব আৰু উপাদানসমূহ কেনেদৰে ব্যৱহাৰ কৰা হয়, সেয়া আলোচনা কৰা হ'ব।

**১.৬ সাৰাংশ** (Summing Up)

এই বিভাগত কম্পিউটাৰগত ভাষাবিজ্ঞান (Computational Linguistics) আৰু স্বাভাৱিক ভাষা সংসাধন (Natural Language Processing – NLP) ৰ মৌলিক ধাৰণা, পৰিসৰ, ইতিহাস প্ৰয়োগ আৰু ইয়াৰ প্ৰযুক্তিগত অসুবিধাসমূহ আলোচনা কৰা হৈছে। ভাষা প্ৰক্ৰিয়াকৰণ এক জটিল মানসিক প্ৰক্ৰিয়া বুলি বৰ্ণনা কৰি ইয়াৰ আধাৰত কম্পিউটাৰে কেনেদৰে প্ৰাকৃতিক ভাষা বুজে, বিশ্লেষণ কৰে আৰু উৎপাদন কৰে, তাৰ বিৱৰণ দিয়া হৈছে। এই পৰিসৰত speech recognition, machine translation, sentiment analysis, আৰু AI-driven text generation আদি ব্যৱস্থাসমূহৰ উদাহৰণ দিয়া হৈছে।

স্বাভাৱিক ভাষা সংসাধনৰ ইতিহাসত গাঠনিক ভাষাবিজ্ঞানৰ পথপ্ৰদৰ্শক চচ্যুৰৰ দৃষ্টিভংগীৰ পৰা আৰম্ভ কৰি আধুনিক কৃত্ৰিম বুদ্ধিমত্তাৰ যুগলৈ এক গুৰুত্বপূৰ্ণ বিকাশৰ ধাৰা দেখা যায়। এই বিকাশে আজিৰ যুগত Alexa, Google Assistant, Siri আদিৰ দৰে systems বাস্তৱিকভাৱে কাৰ্যক্ষম কৰি তুলিছে।

এই অধ্যায়ত উল্লেখ কৰা হৈছে যে NLP-ৰ ক্ৰিয়াকলাপত বিভিন্ন ভাষিক অসুবিধা থাকে। এই সমস্যাবোৰে যন্ত্ৰৰ বাবে ভাষাৰ যথাযথ অৰ্থ বুজা আৰু উৎপাদন কৰাটো কেতিয়াবা কঠিন কৰি তোলে। কোনো NLP ব্যৱস্থা সফল হ'বলৈ ভাষা আৰু ভাষাবিজ্ঞানৰ গভীৰ জ্ঞানৰ দৰকাৰ। ভাষা প্ৰক্ৰিয়াকৰণ ব্যৱস্থাৰ বৈশিষ্ট্য হ'ল ভাষাজ্ঞানৰ ব্যৱহাৰ। ভাষাবিজ্ঞানৰ ধ্বনি, ৰূপ, গঠন, অৰ্থ আৰু প্ৰসংগত্মক দিশবোৰ NLP-ৰ বিভিন্ন পৰ্যায়ত প্ৰয়োগ কৰা হয়। পৰৱৰ্তী অধ্যায়সমূহত এই ভাষিক জ্ঞানবোৰ NLP-ত কেনেদৰে ব্যৱহৃত হয়, সেয়া বিশদভাৱে আলোচনা কৰা হ'ব।

## ১.৭ পৰিভাষাৰ তালিকা

- **Algorithm:** এটা নিৰ্দিষ্ট সমস্যা সমাধান বা এটা নিৰ্দিষ্ট কাম সম্পাদন কৰিবলৈ ডিজাইন কৰা নিৰ্দেশনাৰ এক সুসংগঠিত গোট।
- **Deep Learning:** মেচিন লাৰ্নিঙৰ এটা উপক্ষেত্ৰ, য'ত বহু-স্তৰীয় কৃত্ৰিম স্নায়ু নেটৱৰ্ক ব্যৱহাৰ কৰি তথ্যৰ পৰা জটিল আৰ্হি শিকিব পৰা যায়।
- **Design:** নিৰ্দিষ্ট প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ এটা ব্যৱস্থা বা এপ্লিকেচনৰ গঠন, আচৰণ আৰু কাৰ্যক্ষমতা পৰিকল্পনা কৰাৰ প্ৰক্ৰিয়া।
- **Input:** যিকোনো তথ্য, যি কম্পিউটাৰ প্ৰক্ৰিয়াকৰণৰ বাবে প্ৰদান কৰা হয়।
- **Lexicon:** এটা ভাষাৰ শব্দসমূহৰ সংগ্ৰহ, য'ত শব্দৰ ৰূপ, অৰ্থ, ব্যৱহাৰ আৰু ব্যাকৰণগত তথ্য সংৰক্ষিত থাকে।
- **Machine Learning:** কৃত্ৰিম বুদ্ধিমত্তাৰ এক উপক্ষেত্ৰ, য'ত কম্পিউটাৰ ব্যৱস্থাই নিজে তথ্যৰ পৰা শিকি নিৰ্দিষ্ট কামত নিজৰ প্ৰদৰ্শন উন্নত কৰে।
- **Neural Network:** এটা কৃত্ৰিম মডেল, যি মানৱ মগজুৰ স্নায়ু আৰু সংযোগৰ অনুকৰণ কৰি তথ্য বিশ্লেষণ কৰে।
- **Output:** ইনপুটৰ প্ৰতিক্ৰিয়া হিচাপে সৃষ্টি হোৱা ফলাফল বা তথ্য।
- **Program:** কম্পিউটাৰক এটা নিৰ্দিষ্ট কাম কৰিবলৈ দিয়া নিৰ্দেশনাৰ গোট।
- **Prototype:** এটা ব্যৱস্থাৰ প্ৰাৰম্ভিক সংস্কৰণ, যিটো চূড়ান্ত বিকাশৰ আগতে পৰীক্ষা বা প্ৰতিষ্ঠাৰ বাবে ব্যৱহৃত হয়।
- **Virtual Micro-world:** এক সৰু পৰিসৰৰ কম্পিউটাৰ-চালিত নকল পৰিৱেশ, য'ত কৃত্ৰিম বুদ্ধিমত্তা আৰু ভাষা প্ৰক্ৰিয়াকৰণৰ ব্যৱস্থা পৰীক্ষা কৰা হয়।

## ১.৮ গ্ৰন্থপঞ্জী (References and Suggested Readings)


1. Jurafsky, D., & Martin, J. H. (2000). *Speech and Language Processing*. Pearson Education.

2. Hausser, R. (2001). *Foundations of Computational Linguistics*. Springer-Verlag Telos.

3. Allen, J. (1995). *Natural Language Understanding*. Benjamin-Cummings Publishing Co., Inc.

4. Khurana, D., Koli, A., Khatter, K., & Singh, S. (2023). Natural language processing: State of the art, current trends and challenges. *Multimedia Tools and Applications*, 82(3), 3713–3744.

5. Wilks, Y. (1996). Natural language processing. *Communications of the ACM*, 39(1), 60–62.

6. Bose, R. (2004). Natural Language Processing: Current State and Future Directions. *International Journal of the Computer, the Internet and Management*, 12(1), 1–11.

7. বৰা, লীলাৱতী শইকীয়া, (২০১৫), *অসমীয়া ভাষাৰ ৰূপতত্ত্ব*, বনলতা, গুৱাহাটী

8. শৰ্মা, অনুৰাধা, (২০২০*), ভাষাবিজ্ঞান আৰু অসমীয়া ভাষা,* বান্ধৱ, গুৱাহাটী

*****

# দ্বিতীয় বিভাগ

## শব্দগত বিশ্লেষণ (Lexical Analysis)

**বিভাগৰ গঠন:**


২.১ ভূমিকা (Introduction)

২.২ উদ্দেশ্য (Objectives)

২.৩ স্বাভাৱিক ভাষা সংসাধনৰ পৰ্যায়সমূহ

২.৪ শব্দগত বিশ্লেষণ (Lexical Analysis)

২.৪.১. পৃথকীকৰণ (Tokenization)

২.৪.২ সাধাৰণ শব্দ অপসাৰন (Stop word removal/filtering)

২.৪.৩ মূলৰূপ নিৰ্ণয় আৰু লেম্মা নিৰ্ণয় (Stemming and lemmatization)

২.৪.৪ এন-গ্ৰাম (N-grams)

২.৫ সাৰাংশ (Summing Up)

২.৬ পৰিভাষাৰ তালিকা

২.৭ গ্ৰন্থপঞ্জী (References and Suggested Readings)


### ২.১ ভূমিকা (Introduction)

এই অধ্যায়ত স্বাভাৱিক ভাষা সংসাধন (NLP)ৰ প্ৰাথমিক পৰ্যায় হিচাপে শব্দগত বিশ্লেষণৰ (lexical analysis) ভূমিকা, দিশসমূহ আৰু কৌশলসমূহ আলোচনা কৰা হৈছে। শব্দৰ গঠন, বিশ্লেষণ আৰু স্বাভাৱিক ভাষাৰ শব্দসমূহক যন্ত্ৰৰ বাবে বোধগম্য ৰূপত ৰূপান্তৰ কৰাৰ প্ৰক্ৰিয়াই এই বিশ্লেষণৰ মূল কেন্দ্ৰবিন্দু।

NLP-ৰ প্ৰক্ৰিয়াত প্ৰথমটো পৰ্যায় হিচাপে শব্দবোৰক চিনাক্ত কৰা, অপ্ৰয়োজনীয় শব্দ আঁতৰোৱা, শব্দৰ মূল ৰূপ বিচাৰি উলিওৱা আৰু শব্দৰ সমন্বয় ক্ৰমানুসাৰে বিশ্লেষণ কৰা অত্যন্ত গুৰুত্বপূৰ্ণ। এই অধ্যায়ত সেইবোৰ পৰ্যায় যেনে, Tokenization, Stop-word Removal, Stemming, Lemmatization, N-gram model আদিৰ ওপৰত প্ৰয়োগিক আলোচনা কৰা হৈছে।

### ২.২ উদ্দেশ্য (Objectives)

এই অধ্যায় পঢ়ি আপুনি-

- শব্দগত বিশ্লেষণ (Lexical Analysis)ৰ অৰ্থ বুজিব ।
- পৃথকীকৰণ বা Tokenization কেনেকৈ কাম কৰে সেয়া বুজিব।

- Stop word আঁতৰোৱাৰ প্ৰয়োজনীয়তা বুজিব।
- Stemming আৰু Lemmatization প্ৰক্ৰিয়াৰ পাৰ্থক্য বুজিব।
- N-gram মডেলৰ প্ৰয়োগ আৰু প্ৰাসংগিকতা বুজিব।
- ৰূপতত্ত্ব, বিশেষকৈ প্ৰাকৃতি, প্ৰত্যয়, শব্দমূল, পদসাধন আদিৰ মূল ধাৰণাৰ লগত NLP-ৰ সংযোগ বুজিব।
- ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্য আৰু NLP কৌশলসমূহৰ মাজত সম্পৰ্ক স্থাপন কৰিব পাৰিব।

## ২.৩ স্বাভাৱিক ভাষা সংসাধনৰ পৰ্যায়সমূহ

স্বাভাৱিক ভাষা সংসাধনৰ দুটা মূল উপাদান আছে:

ক) স্বাভাৱিক ভাষাৰ বোধগম্যতা/ Natural Language Understanding (NLU)

খ) স্বাভাৱিক ভাষাৰ উৎপাদন/ Natural Language Generation (NLG)

**স্বাভাৱিক ভাষাৰ বোধগম্যতা (NLU)** হৈছে স্বাভাৱিক ভাষা প্ৰক্ৰিয়াকৰণৰ সেই অংশ যিয়ে অসংগঠিত তথ্যক (unstructured data)ক বুজিব পৰা সংগঠিত তথ্য (structured data)-লৈ ৰূপান্তৰিত কৰে। ই ব্যাকৰণ আৰু প্ৰসংগৰ জৰিয়তে যন্ত্ৰৰ 'পঠন ক্ষমতা'ৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু ইয়াক বাক্য বা পাঠ্যৰ উদ্দেশ্যপ্ৰণোদিত অৰ্থ নিৰ্ণয় কৰিবলৈ সক্ষম কৰে। অৰ্থাৎ NLU-য়ে যন্ত্ৰ বা কম্পিউটাৰক মানৱ ভাষা বুজিবলৈ আৰু ব্যাখ্যা কৰিবলৈ সক্ষম কৰে। ই নিম্নলিখিত কামসমূহ সম্পন্ন কৰে:

- ভাষাৰ বিভিন্ন দিশ বিশ্লেষণ কৰাত সহায় কৰে।
- স্বাভাৱিক ভাষাৰ ইনপুট (input)-ক বৈধ উপস্থাপনলৈ মেপ (map) কৰাত সহায় কৰে।

আনহাতে স্বাভাৱিক **ভাষাৰ উৎপাদন (NLG)** হৈছে ভাষা প্ৰক্ৰিয়াকৰণৰ সেই অংশ যিয়ে সংগঠিত তথ্যক স্বাভাৱিক ভাষাৰ ৰূপত অৰ্থপূৰ্ণ বাক্যাংশ বা বাক্যলৈ ৰূপান্তৰিত কৰে। ই যন্ত্ৰৰ 'লিখন ক্ষমতা'ৰ ওপৰত গুৰুত্ব দিয়ে।

এই খণ্ডত মূলতঃ স্বাভাৱিক ভাষাৰ বোধগম্যতাৰ বাবে যন্ত্ৰ এটাৰ প্ৰয়োজন হোৱা ভাষাবিজ্ঞানৰ দিশসমূহৰ ওপৰত গুৰুত্ব দিয়া হৈছে।

NLU স্বাভাৱিকতে NLG-তকৈ কঠিন বুলি কোৱা হয়। ইয়াৰ মূল কাৰণ হৈছে প্ৰাকৃতিক ভাষাৰ জটিলতা। পূৰ্বৰ বিভাগত ভাষাৰ এই জটিলতাৰ ফলস্বৰূপে সৃষ্টি হোৱা NLP-ৰ অসুবিধাৰ বিষয়ে আলোচনা কৰা হৈছে।

স্বাভাৱিক ভাষা প্ৰক্ৰিয়াকৰণক পাঁচটা প্ৰাথমিক পৰ্যায়ত বিভক্ত কৰা হয়। ই সৰল শব্দ প্ৰক্ৰিয়াকৰণৰ পৰা আৰম্ভ হয় আৰু অৱশেষত বাক্যৰ জটিল অৰ্থ চিনাক্তকৰণ কৰে। NLP-ৰ এই পৰ্যায়সমূহ হ'ল:

১। শব্দগত বিশ্লেষণ (Lexical Analysis)
২। বাক্যগত বিশ্লেষণ (Syntactic Analysis)
৩। অৰ্থগত বিশ্লেষণ (Semantic Analysis)
৫। বাক্ একত্ৰীকৰণ (Discourse Integration)
৬। প্ৰসংগাৰ্থ বিশ্লেষণ (Pragmatic Analysis)

## ২.৪ শব্দগত বিশ্লেষণ (Lexical Analysis)

NLP-ৰ প্ৰথম পৰ্যায়টো হৈছে শব্দগত বা ৰূপতাত্ত্বিক বিশ্লেষণ। ইয়ত শব্দৰ গঠন চিনাক্ত আৰু বিশ্লেষণ কৰা হয়। ভাষাত শব্দ আৰু বাক্যাংশৰ সংকলনক 'lexicon' বুলি কোৱা হয়। শব্দগত বিশ্লেষণ হৈছে এটা ইনপুট টেক্সট ফাইল (input text file)-ক অনুচ্ছেদ, বাক্যাংশ আৰু শব্দত বিভক্ত কৰা প্ৰক্ৰিয়া। ইয়াত বিভিন্ন ধৰণৰ কৌশল অন্তৰ্ভুক্ত থাকে:

- পৃথকীকৰণ (Tokenization)
- সাধাৰণ শব্দ অপসাৰণ (Stop word removal/filtering)
- মূলৰূপ নিৰ্ণয় (Stemming)
- লেম্মা নিৰ্ণয় (Lemmatization)
- এন-গ্ৰাম আৰ্হি (N-grams model)

### ২.৪.১ পৃথকীকৰণ (Tokenization)

পাঠ্য বিশ্লেষণৰ প্ৰথম আৰু অত্যন্ত গুৰুত্বপূৰ্ণ পৰ্যায়টোৰ নাম হৈছে **পৃথকীকৰণ বা টোকেনাইজেচন**। এই পৰ্যায়ত এটা বৃহৎ পাঠ বা বাক্য *টোকেন* নামৰ সৰু সৰু এককত বিভক্ত কৰা হয়। সাধাৰণতে এই টোকেনসমূহ শব্দ, সংখ্যা, বা চিহ্ন হ'ব পাৰে। উদাহৰণস্বৰূপে, তলৰ বাক্যটো লোৱা হওক:

**“মই আজি কলেজলৈ যাম।”**

এই বাক্যটো **Tokenization**-ৰ ফলত নিম্নলিখিতভাৱে ভাগ কৰিব পাৰি:

- মই
- আজি
- কলেজলৈ
- যাম
- ।

ইয়াত প্ৰতিটো শব্দক *একোটা টোকেন* হিচাপে ধৰা হৈছে। ইয়াৰ ফলত, পাঠটোৰ উপাদানবোৰক পৃথক পৃথকভাৱে চিনাক্ত আৰু বিশ্লেষণ কৰিব পাৰি।

টোকেনাইজেচন বা পৃথকীকৰণক ২ প্ৰকাৰত ভগাব পাৰি:

**ক) বাক্য পৃথকীকৰণ (Sentence tokenization):** বাক্য পৃথকীকৰণ হৈছে পাঠক ইয়াৰ পৃথক পৃথক বাক্যত বিভক্ত কৰাৰ প্ৰক্ৰিয়া। য'তেই বিৰাম চিহ্ন দেখা যায় তাতেই বাক্য বিভাজন কৰা হয়। উদাহৰণ স্বৰূপে, ইংৰাজী ভাষাত ৩টা বিৰাম চিহ্ন আছে যি বাক্য এটাৰ সমাপ্তি সূচায়: '!', '.' আৰু '?'। একেদৰে, অন্যান্য ভাষাবোৰত বিভিন্ন বিৰাম চিহ্ন থাকে। যেনে- অসমীয়াত দাৰি (।)। তলত বাক্য পৃথকীকৰণৰ এটা উদাহৰণ দিয়া হ'ল:

| | |
|---|---|
| Input text -> | This is an example of how sentence tokenization works. Do you notice the ending punctuation marks? Watch how each sentence splits at those points! |
| After sentence tokenization -> | This is an example of how sentence tokenization works. Do you notice the ending punctuation marks?<br>Watch how each sentence splits at those points! |

**খ) শব্দ পৃথকীকৰণ (Word tokenization):** এই প্ৰক্ৰিয়াত পাঠ বা বাক্য এটাক ইয়াৰ পৃথক পৃথক শব্দত বিভক্ত কৰা হয়। প্ৰতিটো space আৰু বিৰাম চিহ্নৰ পিছত পাঠটো বিভাজন কৰা হয়। তলত শব্দ পৃথকীকৰণৰ এটা উদাহৰণ দিয়া হ'ল:

| | |
|---|---|
| Input text -> | This is how word tokenization works! The sentence gets broken into single words. |
| After word tokenization -> | [‘This’, ‘is’, ‘how’, ‘word’, ‘tokenization’, ‘works’, ‘!’, ‘The’, ‘sentence’, ‘gets’, ‘broken’, ‘into’, ‘single’, ‘words’, ‘.’] |

### ২.৪.২ সাধাৰণ শব্দ অপসাৰণ (Stop word removal/filtering)

বাক্য আৰু শব্দ পৃথকীকৰণৰ পৰৱৰ্তী পৰ্যায়টো হ’ল সাধাৰণ শব্দ (stop word) অপসাৰণ। Stop word হ’ল ভাষা এটাত অতি সাধাৰণ ভাবে ব্যৱহৃত শব্দ। এই শব্দবোৰত গুৰুত্বপূৰ্ণ তথ্য নাথাকে কিন্তু বাক্যটো সম্পূৰ্ণ কৰাৰ বাবে প্ৰয়োজনীয়। ইংৰাজী ভাষাৰ কেইটামান “stop” শব্দৰ উদাহৰণ হৈছে “in”, “is”, “a”, “the”, ইত্যাদি। ঠিক তেনেদৰেই অসমীয়া ভাষাৰ “stop” শব্দৰ উদাহৰণ হ’ব “আৰু”, “হয়”, “এই” ইত্যাদি। পাঠৰ বিষয়বস্তুৰ অৰ্থ নেহেৰুৱাকৈ প্ৰক্ৰিয়াকৰণত এই শব্দবোৰ আওকাণ কৰিব পাৰি। আগৰ উদাহৰণটো লোৱা হওক :

[‘This’, ‘is’, ‘how’, ‘word’, ‘tokenization’, ‘works’, ‘!’,

‘The’, ‘sentence’, ‘gets’, ‘broken’, ‘into’, ‘single’, ‘words’, ‘.’]

ইয়াত, “this”, “is”, “how”, “the”, “gets”, “into”ৰ দৰে শব্দবোৰে বাক্যটোত কোনো মূল্য যোগ নকৰে, বা নিজাববীয়াকৈ কম অৰ্থ বহন কৰে। যদিও stop শব্দবোৰে “অতি সাধাৰণ শব্দ” বুজায়, stop শব্দৰ কোনো সাৰ্বজনীন সংহতি (set) নাথাকে। প্ৰতিটো সংসাধন সঁজুলি (processing tool)য়ে stop word-ৰ কাৰ্য্য অনুসৰি এটা পৃথক set প্ৰদান কৰে যদিও সকলো setতে মুখ্য stop শব্দবোৰ দেখিবলৈ পোৱা যায়। অৱশ্যে, যান্ত্ৰিক অনুবাদ আৰু সাৰাংশকাৰ্য্যত (summarization) সাধাৰণ শব্দ অপসাৰণ কৰাৰ পৰামৰ্শ দিয়া নহয়।

অপসাৰন/ফিল্টাৰিং (filtering) হৈছে বাক্যৰ পৰা stop শব্দ বা যিকোনো অপ্ৰয়োজনীয় তথ্য আঁতৰোৱাৰ প্ৰক্ৰিয়া। তলত এটা উদাহৰণ দিয়া হ’ল। মন কৰিব কেনেদৰে অন্তিম output-ত stop শব্দৰ লগতে বিৰাম চিহ্নবোৰো অপসাৰন কৰা হৈছে।

Input text = “This is an example text for stopword removal and filtering.”

Unfiltered text = [“This”, “is”, “an”, “example”, “text”, “for”, “stopword”, “removal”, “and”, “filtering”, “.”]

Filtered text = [“This”, “example”, “text”, “stopword”, “removal”, “filtering”, “.”]

Final output= [“this”, “example”, “text”, “stopword”, “removal”, “filtering”]

## ২.৪.৩ মূলৰূপ নিৰ্ণয় আৰু লেম্মা নিৰ্ণয় (Stemming and lemmatization)

Stemming আৰু Lemmatization দুয়োটাতে শব্দবোৰ মূল ৰূপলৈ হ্ৰাস কৰা হয়। কিন্তু এই দুটা প্ৰক্ৰিয়া বুজিবলৈ হ'লে আমি প্ৰথমে ৰূপতত্ত্বৰ কেইটামান ধাৰণা বুজিব ল'ব লাগিব। ৰূপতত্ত্বত **প্ৰাকৃতি (morpheme)** হৈছে ভাষাৰ আটাইতকৈ সৰু অৰ্থপূৰ্ণ একক। ইয়াক আকৌ শ্ৰেণীত ভগাব পাৰি - **মুক্ত প্ৰাকৃতি (free morpheme)** আৰু বদ্ধ **প্ৰাকৃতি (bound morpheme)**। মুক্ত প্ৰাকৃতিৰ ভাষাত অকলে অৰ্থ প্ৰকাশ কৰাৰ ক্ষমতা থাকে। যেনে- ‘মানুহ’, ‘ঘৰ’, ‘গছ’, ‘খা’, ইত্যাদি। আনহাতে, বদ্ধ প্ৰাকৃতিয়ে ভাষাত অকলে অৰ্থ প্ৰকাশ কৰিব নোৱাৰে। কোনো মুক্ত ৰূপৰ লগত সংযুক্ত হ'লেহে সিঁহতে অৰ্থ প্ৰকাশ কৰাৰ ক্ষমতা লাভ কৰে, যেনে ‘-টো’, ‘-বোৰ’, ‘-খন’, ‘-এ’, ‘-ওঁ’, ইত্যাদি।

বদ্ধ ৰূপৰ গুণগত বিভাজন দুই প্ৰকাৰৰ:

**ক) প্ৰত্যয় বা শব্দসাধনৰ সৰ্গ (Derivational morpheme/affix)**: এই সৰ্গ বা প্ৰাকৃতিবোৰে মূল প্ৰাকৃতিৰ লগত সংযোগ হৈ নতুন নতুন শব্দ সাধন কৰে। উদাহৰণস্বৰূপে, ইংৰাজী ভাষাত ‘-al’, ‘-ment’, ‘-ify’ সৰ্গকেইটাই ‘nation’, ‘agree’ আৰু ‘class’ শব্দৰ লগত সংযোগ হৈ ‘national’, ‘agreement’, ‘classify’ শব্দকেইটা সাধন কৰিছে।

**খ) বিভক্তি বা পদসাধনৰ সৰ্গ (Inflectional morpheme/affix)**: এই সৰ্গ বা প্ৰাকৃতিবোৰে মূল প্ৰাকৃতিৰ লগত সংযোগ হৈ বাক্যত ব্যৱহাৰৰ উপযোগী পদ সৃষ্টি কৰে। উদাহৰণস্বৰূপে, ইংৰাজী ভাষাত ‘cars’, ‘played’ শব্দৰ লগত সংযোগ হৈ থকা ‘-s’, ‘-ed’ সৰ্গকেইটাই বচন আৰু কাল বুজাই নতুন পদ সাধন কৰে।

পদসাধনৰ সৰ্গবোৰে নতুন শব্দ সাধন নকৰে, একোটা শব্দৰ ব্যাকৰণগত কাৰ্যহে সম্পাদন কৰে।

অসমীয়া উদাহৰণ:

- খা + অন > খাৱন (শব্দসাধন)
- খা + য় > খায় (পদসাধন)
- ফুল + অনি > ফুলনি (শব্দসাধন)
- ফুল + অত > ফুলত (পদসাধন)

যিবোৰ ৰূপৰ লগত আন প্ৰাকৃতি যোগ কৰি ভিন্-ভিন্ অৰ্থবাচক ৰূপৰ সৃষ্টি কৰিব পাৰি, সেইবোৰক **শব্দমূল (root)** বোলা হয়। যিবোৰ ৰূপক আধাৰ কৰি যিকোনো ধৰণৰ সৰ্গ যোগ কৰিব পাৰি সেইবোৰক **শব্দ-আধাৰ (base)** বোলা হয়। আৰু যিবোৰ ৰূপৰ সৈতে অকল পদসাধনগত সৰ্গ যোগ হয় সেইবোৰক **মূলৰূপ (stem)** বোলা হয়। যদিও বহুতে শব্দমূল (root) আৰু মূলৰূপ (stem)ৰ মাজত পাৰ্থক্য নকৰে, দুয়োটাৰ মাজত স্পষ্ট পাৰ্থক্য আছে। যদি আমি ইংৰাজী শব্দ 'untouchables'টো লওঁ, ইয়াত 'touch' শব্দমূল বা root; 'touch', 'touchable', 'untouchable' শব্দআধাৰ বা base, কাৰণ '-able', '-un' '-s' সৰ্গ যোগ হৈ আছে; কিন্তু মূলৰূপ (stem) হৈছে অকল 'untouchable' কাৰণ '-s' সৰ্গ এটা পদসাধনৰ সৰ্গ।

ৰূপতত্ত্বৰ এই 'stem' শব্দৰ পৰাই NLPৰ 'stemming' শব্দ আহিছে। Stemming হ'ল শব্দৰ পৰা সৰ্গবোৰ আঁতৰাই মূলৰূপ(stem)লৈ হ্ৰাস কৰা প্ৰক্ৰিয়া। যদিও ৰূপতত্ত্বত ই অকল পদসাধনগত সৰ্গৰ লগত জড়িত, NLPত stemming-ৰ দ্বাৰা কেতিয়াবা শব্দসাধনগত সৰ্গও আঁতৰোৱা হয়। ইয়াৰ বাবে পূৰ্ব-নিৰ্ধাৰিত নিয়মৰ এটা সংহতি(set) অনুসৰণ কৰা হয়। এই কামটো কৰিবলৈ এটা systemএ বিভিন্ন প্ৰকাৰৰ algorithm ব্যৱহাৰ কৰে যাক "ষ্টেমাৰ" (stemmer) বুলি কোৱা হয়। Stemmingৰ এটা উদাহৰণ চাওঁ:

শব্দ: connecting, connected, connects

সৰ্গ: -ing, -ed, -s

মূলৰূপ (stem) : connect

মন কৰিব যে stemmingৰ output সদায়ে এটা অৰ্থপূৰ্ণ গ্ৰহণযোগ্য ৰূপ ন'হবও পাৰে। যেনে,

- final, finally, finalized > final (অৰ্থপূৰ্ণ)
- history, historical > histori (অৰ্থহীন)

- automates, automatic, automation > automat (অৰ্থহীন)
- wait, waiting, waits > wait (অৰ্থপূৰ্ণ)

ৰূপতত্ত্ব আৰু অভিধানতত্ত্ব (Lexicography)ত **‘লেম্মা’ (lemma)** হৈছে শব্দৰ এক প্ৰকাৰ যাক অভিধানত ‘প্ৰবিষ্টি’ বা ‘entry’ বা ‘head word’ হিচাপে দেখা পোৱা যায়। ই আন সকলো সাম্ভাব্য ৰূপ প্ৰতিনিধিত্ব কৰে। উদাহৰণস্বৰূপে ইংৰাজীত ‘run’, ‘runs’ আৰু ‘running’ একেটা সাৰ শব্দ (lexeme)ৰ ৰূপ, কিন্তু ‘run’ হৈছে লেম্মা। ‘Lemma’ৰ পৰাই আহিছে NLPৰ ‘Lemmatization’ শব্দ। ই stemmingৰ দৰেই শব্দৰ পৰা সৰ্গবোৰ আঁতৰাই দিয়ে। পাৰ্থক্য এয়াই যে lemmatizer-য়ে সদায়ে এটা অৰ্থপূৰ্ণ (lemma) ঘূৰাই দিয়ে, কাৰণ ইয়াত শব্দবোৰক মূল ৰূপলৈ হ্ৰাস কৰিবলৈ অভিধানৰ ব্যৱহাৰ কৰা হয়।

Stemming: change, changes, changed, changing > chang

Lemmatization: change, changes, changed, changing > change

Stemming সাধাৰণতে ব্যৱহাৰ কৰা হয় যেতিয়া শব্দটোৰ অৰ্থ বিশ্লেষণৰ বাবে গুৰুত্বপূৰ্ণ নহয়। উদাহৰণস্বৰূপে, স্পেম চিনাক্তকৰণ। আনহাতে শব্দটোৰ অৰ্থ বিশ্লেষণৰ বাবে গুৰুত্বপূৰ্ণ হয় তেতিয়া lemmatization ব্যৱহাৰ কৰা হয়। যেনে- প্ৰ৫ াত্তৰ প্ৰক্ৰিয়া, মনোভাৱ বিশ্লেষণ, ইত্যাদি।

**২.৪.৪ এন-গ্ৰাম (N-grams)**

N-grams হৈছে এক সাধাৰণ কিন্তু অতি গুৰুত্বপূৰ্ণ পৰিসাংখ্যিক ভাষা আৰ্হি (Statistical Language Model), যি ‘n’ সংখ্যক শব্দৰ এক প্ৰাকৃতিক ক্ৰম (sequence)-ৰ ভিত্তিত ভাষাৰ ব্যৱহাৰ বুজাব খোজে। এই আৰ্হিটোৱে ভাষাত এটা শব্দ বা শব্দগোট একেলগে কিমান সম্ভাৱনাৰে আহিব পাৰে তাৰ বিষয়ে তথ্য দিয়ে। এটা শব্দ, যেনে, ‘Natural’ হৈছে এটা Unigram, দুটা শব্দৰ ক্ৰম ‘Natural Language’ হৈছে এটা Bi-gram, তিনিটা শব্দৰ ক্ৰম ‘Natural Language Processing’ হৈছে Tri-gram, ইত্যাদি। N-gramsৰ মূল উদ্দেশ্য হ’ল—আগৰ শব্দ (বা শব্দসমূহ)ৰ ভিত্তিত পৰৱৰ্তী শব্দটো অনুমান কৰা। এন-গ্ৰাম মডেলে মূলতঃ সম্ভাৱনা (probability)-ৰ ওপৰত ভিত্তি কৰি কাম কৰে। উদাহৰণস্বৰূপে, যদি আমাৰ ভাষাৰ কৰ্পাছত “আপোনাক লগ” বাক্যাংশটো সঘনাই দেখা যায়, তেন্তে এই শব্দ-শৃংখলাৰ সম্ভাৱনা বেছি হ’ব। এই অৰ্থত

"আপোনাক" শব্দটোৰ পিছত "লগ" অহাৰ সম্ভাৱনা বুলি ধৰা হয়। আকৌ, যদি সাধাৰণতে ব্যৱহৃত শব্দ যেনে "লগ পাই", "পাই ভাল", আৰু "ভাল লাগিল" আদি শব্দবোৰ কৰ্পাছত বাইগ্ৰাম/ট্ৰাইগ্ৰাম হিচাপে উপলব্ধ হয়, তেন্তে "আপোনাক লগ পাই ভাল লাগিল" সম্পূৰ্ণ বাক্যটোৰ সম্ভাৱনা বেছি বুলি ধৰা হয়।

এনে সম্ভাৱনাৰ সহায়ত প্ৰণালীটোৱে অনুমান কৰে-

- কোনটো শব্দ পৰৱৰ্তী হিচাপে আহিব পাৰে?
- কোনটো বাক্য বা বাক্যাংশ অধিক স্বাভাৱিক বা বুজিব পৰা?

এইদৰে এন-গ্ৰাম মডেলে আগৰ শব্দটোৰ ওপৰত ভিত্তি কৰি কেইটা শব্দ একত্ৰিত হ'ব পাৰে বা একেলগে আহিব পাৰে তাৰ অনুমান কৰে। তলত N-gram মডেলৰ প্ৰয়োগক্ষেত্ৰৰ উদাহৰণ দিয়া হ'ল :

- Text Completion (পাঠ সম্পূৰ্ণ কৰা):
  বাক্য পূৰ্ণ কৰিবলৈ সম্ভাব্য শব্দ প্ৰদান কৰে। উদাহৰণ: "দিনটো ভাল ..." দিলে "হওক" আগবঢ়ায়।
- Speech Recognition (বাক্ চিনাক্তকৰণ):
  উচ্চাৰিত শব্দ চিনাক্ত কৰি যথোপযুক্ত শব্দ সম্ভাৱিতভাৱে নিৰ্বাচন কৰে।
- Auto-correct (স্বয়ংক্ৰিয় সংশোধন):
  বাক্যটোৰ সম্ভাৱনাৰ লগত খাপ খোৱা ভুল শব্দৰ সলনি সঠিক শব্দ আগবঢ়ায়।
- Machine Translation (যান্ত্ৰিক অনুবাদ):
  অনুবাদ পৰিৱেশত সম্ভাৱনাৰ সহায়ত শব্দ নিৰ্বাচন কৰে।

**আত্মমূল্যায়ন প্ৰশ্ন**

1. প্ৰাকৃতিক ভাষা প্ৰক্ৰিয়াকৰণত শব্দগত বিশ্লেষণ কি?
2. টোকেনাইজেচন কি? শব্দগত বিশ্লেষণত ইয়াৰ ভূমিকা ব্যাখ্যা কৰা।
3. ষ্টেমিং আৰু লেমাটাইজেচনৰ মাজৰ পাৰ্থক্য কি?
4. ষ্টপ শব্দ আঁতৰোৱাৰ গুৰুত্বৰ আলোচনা কৰক।
5. NLP-ত ৰূপতাত্ত্বিক জটিলতাই শব্দগত বিশ্লেষণত কেনে প্ৰভাৱ পেলাব পাৰে আলোচনা কৰক।

6. NLP-ত শব্দগত বিশ্লেষণৰ লগত জড়িত বিভিন্ন পৰ্য্যায়সমূহৰ বিষয়ে আলোচনা কৰক।
7. NLP-ত শব্দগত স্বাভাৱিককৰণ কৌশল (ষ্টেমিং আৰু লেমাটাইজেচন) কেনেকৈ ব্যৱহাৰ কৰা হয় সেই বিষয়ে ব্যাখ্যা কৰক।
8. "শব্দগত বিশ্লেষণে যিকোনো NLP কাৰ্যৰ ভেটি গঠন কৰে।" আপুনিও একমত নে? আপোনাৰ উত্তৰটোৰ যুক্তি প্ৰদান কৰক।

**আত্ম-চিন্তনমূলক প্ৰশ্ন**

- শব্দগত বিশ্লেষণক কিয় প্ৰাকৃতিক ভাষা প্ৰক্ৰিয়াকৰণৰ প্ৰথম পৰ্য্যায় বুলি গণ্য কৰা হয়? ই পাঠটোক অধিক প্ৰক্ৰিয়াকৰণৰ বাবে সাজু কৰাত কেনেদৰে সহায় কৰে?
- পৃথকীকৰণে (Tokenization) NLP-ৰ ফলাফলত কেনে প্ৰভাৱ পেলায়? ভুল পৃথকীকৰণে পিছৰ পৰ্যায়ত সমস্যাৰ সৃষ্টি কৰিব পাৰেনে?
- Stop শব্দ কি? শব্দগত বিশ্লেষণৰ সময়ত Stop word কিয় আঁতৰোৱা হয়? এনেকুৱা ক্ষেত্ৰ আছেনে য'ত stop শব্দ আঁতৰোৱাটো উপযুক্ত নহ'বও পাৰে?
- ভাষা-বিশেষৰ বৈশিষ্ট্যই (যেনে ৰূপতাত্তিক বৈশিষ্ট্য বা লিপি) শব্দগত বিশ্লেষণ কৌশলত কেনে প্ৰভাৱ পেলায়?
- শব্দগত স্বাভাৱিককৰণে (যেনে ষ্টেমিং বা লেমাটাইজেচন) NLP-ৰ ফলাফল উন্নত কৰাত কি ধৰণে সহায় কৰে?
- ইংৰাজী আৰু ৰূপতাত্ত্বিকভাৱে সমৃদ্ধ ভাষা, যেনে অসমীয়া বা হিন্দীৰ মাজত শব্দগত বিশ্লেষণৰ পাৰ্থক্য কেনেকুৱা হ'ব পাৰে?

## ২.৫ সাৰাংশ (Summing Up)

এই অধ্যায়ত স্বাভাৱিক ভাষা প্ৰক্ৰিয়াকৰণৰ প্ৰথম পৰ্যায়, শব্দগত বিশ্লেষণ, সন্দৰ্ভত আলোচনা কৰা হৈছে। বিশ্লেষণত ইনপুট পাঠক যন্ত্ৰৰ বাবে প্ৰস্তুত কৰাৰ বাবে বিভিন্ন উপাদান, যেনে- টোকেনাইজেচন, ষ্টপ শব্দ আঁতৰোৱা,

ষ্টেমিং, লেমাটাইজেচন, আৰু N-গ্ৰাম আৰ্হি প্ৰয়োগ কৰা হয়। এই উপাদানবোৰৰ সহায়ত পাঠক শব্দ, বাক্যাংশ বা বাক্যৰ স্বাভাৱিক গঠন, অৰ্থ আৰু ব্যৱহাৰ অনুসৰি বিশ্লেষণ কৰি পৰৱৰ্তী স্তৰত অধিক প্ৰচলিত NLP কাৰ্য, যেনে মনোভাৱ বিশ্লেষণ, যান্ত্ৰিক অনুবাদ, অথবা প্ৰশ্নোত্তৰ প্ৰক্ৰিয়াৰ বাবে উপযুক্ত ৰূপত প্ৰস্তুত কৰা হয়। এই অধ্যায়ত ভাষাবৈজ্ঞানিক ভিত্তিসমূহ বিশেষকৈ ৰূপতত্ত্বৰ ধাৰণা, NLP কৌশলৰ লগত কেনেদৰে সংযোগ ঘটে, সেয়াও দৰ্শোৱা হৈছে।

## ২.৬ পৰিভাষাৰ তলিকা

- **Corpus/Corpora:** লিখিত বা কথিত ভাষাৰ বৃহৎ সংগ্ৰহ। যি সাধাৰণতে কম্পিউটাৰে পঢ়িব পৰা আৰ্হিত সংৰক্ষণ কৰা হয় আৰু ভাষাৰ বিশ্লেষণত ব্যৱহাৰ হয়।
- **Entity:** এটা স্বতন্ত্ৰ বস্তু বা ধাৰণা, যিটো প্ৰসংগৰ ভিতৰত চিনাক্ত আৰু উল্লেখ কৰিব পৰা যায় (যেনে: ব্যক্তি, স্থান, সংস্থা ইত্যাদি)।
- **Parallel Corpora:** একে পাঠৰ একাধিক ভাষাত অনূদিত ৰূপ, যাক sentence alignment কৰি তুলনামূলক বা অনুবাদ বিশ্লেষণত ব্যৱহাৰ কৰা হয়।
- **Program:** কম্পিউটাৰক এটা নিৰ্দিষ্ট কাম কৰিবলৈ দিয়া নিৰ্দেশনাৰ গোট।
- **Structured data:** এনে ডাটা যি পূৰ্বনিৰ্ধাৰিত বিন্যাস (format) বা টেবুলাৰ ৰূপত (tabular form) সংৰক্ষিত থাকে, য'ত প্ৰতিটো তথ্য স্পষ্টভাৱে ক'ত কি আছে তাৰ স্থান নিৰ্ধাৰণ থাকে। উদাহৰণ: ডাটাবেছ (database)ত থকা তথ্য, এক্সেল ফাইল, টেবুলাৰ ৰেকৰ্ড আদি।
- **Token:** এটা পাঠ বা তথ্যক ক্ষুদ্ৰ একক (শব্দ, বিৰাম চিহ্ন ইত্যাদি) হিচাপে ভাঙি লোৱা উপাদান।
- **Unstructured data:** এনে ডাটা যাক নিয়মিত বা টেবুলাৰ ৰূপত সংৰক্ষণ কৰা হোৱা নাই, আৰু যাৰ গঠন সুস্পষ্ট নহয়। এই ধৰণৰ ডাটা বিশ্লেষণ কৰাটো অধিক জটিল। উদাহৰণ: পাঠ (text), ভিডিঅ', অডিঅ', ই-মেইল, চেট, সমাজ-মাধ্যমৰ পোষ্ট আদি।

## ২.৭ গ্ৰন্থপঞ্জী (References and Suggested Readings)


1. Jurafsky, D., & Martin, J. H. (2000). *Speech and Language Processing*. Pearson Education.
2. Manning, C., & Schütze, H. (1999). *Foundations of Statistical Natural Language Processing*. MIT Press.
3. Hausser, R. (2001). *Foundations of Computational Linguistics*. Springer-Verlag Telos.
4. Allen, J. (1995). *Natural Language Understanding*. Benjamin-Cummings Publishing Co., Inc.
5. Wilks, Y. (1996). Natural language processing. *Communications of the ACM*, 39(1), 60-62.
6. Khurana, D., Koli, A., Khatter, K., & Singh, S. (2023). Natural language processing: State of the art, current trends and challenges. *Multimedia Tools and Applications*, 82(3), 3713-3744.
7. Katamba, F. (1993). *Morphology*. St. Martin's Press, New York.
8. বৰা, লীলাৱতী শইকীয়া, (২০১৫), *অসমীয়া ভাষাৰ ৰূপতত্ত্ব*, বনলতা, গুৱাহাটী
9. শৰ্মা, অনুৰাধা, (২০২০), *ভাষাবিজ্ঞান আৰু অসমীয়া ভাষাৰ,* বান্ধৱ, গুৱাহাটী


*****

# তৃতীয় বিভাগ

## বাক্যগত বিশ্লেষণ (Syntactic Analysis)

**বিভাগৰ গঠন:**


৩.১ ভূমিকা (Introduction)

৩.২ উদ্দেশ্য (Objectives)

৩.৩ বাক্যগত বিশ্লেষণ (Syntactic Analysis)

    ৩.৩.১ পদ চিহ্নিতকৰণ (Parts of Speech Tagging)

    ৩.৩.২ পদচ্ছেদন (Parsing)

        ৩.৩.২.১ প্রসংগ-মুক্ত ব্যাকৰণ/ প্রসংগ-নিৰপেক্ষ ব্যাকৰণ (Context-free Grammar)

    ৩.৩.৩ পদচ্ছেদনৰ প্ৰকাৰ

        ৩.৩.৩.১ নিম্নমুখী (Top-down)

        ৩.৩.৩.২ উৰ্দ্ধমুখী (Bottom-up)

৩.৪ সাৰাংশ (Summing Up)

৩.৫ পৰিভাষাৰ তালিকা

৩.৬ গ্ৰন্থপঞ্জী (References and Suggested Readings)


### ৩.১ ভূমিকা (Introduction)

এই অধ্যায়ত প্ৰাকৃতিক ভাষা প্ৰক্ৰিয়াকৰণ (NLP)ৰ দ্বিতীয় পৰ্যায়, বাক্যগত বিশ্লেষণ সন্দৰ্ভত আলোচনা কৰা হৈছে। এই বিশ্লেষণৰ উদ্দেশ্য হ'ল বাক্যৰ গঠন, বাক্যৰ অংশসমূহৰ ব্যাকৰণগত সম্পৰ্ক, আৰু সেই অংশবোৰৰ ভূমিকা বুজা। মানৱ ভাষাৰ গঠনৰ নিয়ম যন্ত্ৰই বুজিবলৈ হ'লে বাক্যৰ গঠন বিশ্লেষণ গুৰুত্বপূৰ্ণ। সেয়ে এই পৰ্যায়ত বাক্যত থকা শব্দবোৰক ব্যাকৰণিকভাৱে চিনাক্ত আৰু সংগঠিত কৰিবলৈ যত্ন কৰা হয়।

এই অধ্যায়ত Parts of Speech Tagging, Parsing, Context-Free Grammar, আৰু Parsing কৌশল (Top-down আৰু Bottom-up) ৰ আলোচনা কৰা হৈছে। লগতে চমস্কিৰ Universal Grammar আৰু Transformational Generative Grammar তত্ত্ব আৰু কম্পিউটাৰগত ভাষাবিজ্ঞানত তাৰ প্ৰয়োগৰ দিশ দাঙি ধৰা হৈছে।

## ৩.২ উদ্দেশ্য (Objectives)

এই অধ্যায় পঢ়ি আপুনি -

- বাক্যগত বিশ্লেষণৰ প্ৰয়োজনীয়তা আৰু অৰ্থ বুজিব পাৰিব।
- Parts of Speech Tagging (PoS Tagging) ৰ মৌলিক ধাৰণা আৰু প্ৰয়োগ বুজিব পাৰিব।
- Parsing বা পদচ্ছেদন কি, তাৰ প্ৰয়োগ আৰু পদচ্ছেদনৰ মৌলিক উপাদান চিনাক্ত কৰিব পাৰিব।
- Context-Free Grammar (CFG) ৰ গঠন আৰু উৎপাদনৰ নিয়মৰ সহায়ত বাক্য বিশ্লেষণ কৰিব পাৰিব।
- চমস্কিৰ Universal Grammar আৰু Transformational Generative Grammar-ৰ মূল ধাৰণা আৰু প্ৰয়োগিক প্ৰাসংগিকতা বুজিব পাৰিব।
- Top-down আৰু Bottom-up parsing কৌশলৰ বৈশিষ্ট্য আৰু পাৰ্থক্য ব্যাখ্যা কৰিব পাৰিব।
- Parse tree-ৰ সহায়ত বাক্যৰ বিভিন্ন গঠন আৰু অৰ্থ ব্যাখ্যা কৰিব পাৰিব।

## ৩.৩ বাক্যগত বিশ্লেষণ (Syntactic Analysis)

NLP-ৰ দ্বিতীয় পৰ্যায়টো হৈছে বাক্যগত বিশ্লেষণ। ইয়াত ব্যাকৰণ, বাক্যৰ গঠন, আৰু বাক্যত শব্দবোৰৰ মাজৰ সম্পৰ্ক আৰু উদ্দেশ্য পৰীক্ষা কৰা হয়। এই পৰ্যায়ত ব্যৱহৃত দুটা গুৰুত্বপূৰ্ণ কৌশল হৈছে:

- Parts of Speech (PoS) Tagging (পদ চিহ্নিতকৰণ)
- Parsing (পদচ্ছেদন)

### ৩.৩.১ পদ চিহ্নিতকৰণ (Parts of Speech Tagging)

পদ বা Parts of Speech (PoS) হৈছে বাক্যত শব্দৰ ভূমিকাৰ ওপৰত আধাৰিত শব্দবোৰৰ শ্ৰেণীবিভাজন। পদ চিহ্নিতকৰণ প্ৰক্ৰিয়াত সংজ্ঞা আৰু প্ৰসংগৰ ওপৰত আধাৰিত কৰি পাঠ এটাত শব্দৰ পদ (PoS) চিহ্নিত (tag) কৰা

হয়। ইয়াৰ ভিতৰত বিশেষ্য (Noun), ক্ৰিয়া (Verb), বিশেষণ (Adjective), আৰু অন্যান্য ব্যাকৰণগত শ্ৰেণী অন্তৰ্ভুক্ত হ'ব পাৰে। পদ চিহ্নিতকৰণ সাধাৰণতে machine learning algorithm ব্যৱহাৰ কৰি কৰা হয়। এই এলগৰিদমক পাঠৰ এটা বৃহৎ ভাষিক তথ্য যোগ হৈ থকা সংকলন (annotated corpus)ৰ ওপৰত প্ৰশিক্ষণ দিয়া হয়। এলগৰিদমে কোনো এটা শব্দৰ বাবে সঠিক POS টেগটো যিটো প্ৰসংগত দেখা যায় তাৰ ওপৰত ভিত্তি কৰি পূৰ্বানুমান কৰিবলৈ শিকে। এটা শব্দৰ প্ৰসংগৰ ওপৰত ভিত্তি কৰি, এলগৰিদমে সঠিক PoS টেগ কৰিবলৈ শিকে। প্ৰত্যেকটো PoS টেগিং কৌশল নিজস্ব টেগ আৰু নিয়মৰ গোটৰ সৈতে বিকশিত কৰা হয়। এনে সাধাৰণতে ব্যৱহাৰ হোৱা PoS টেগিং কৌশল দুটাৰ নাম হৈছে Penn Treebank Tagset আৰু Universal Dependency Tagset। এটা উদাহৰণ লোৱা হওক:

| | | |
|---|---|---|
| পাঠ: | The girl wrote in a book. | |
| PoS টেগ: | the | : determiner (Det) |
| | girl | : noun (N) |
| | wrote | : verb (V) |
| | in | : preposition (P) |
| | a | : determiner (Det) |
| | book | : noun (N) |

এই উদাহৰণটোত বাক্যটোৰ প্ৰতিটো শব্দৰ লগত তাৰ সংশ্লিষ্ট পদ চিহ্নিতকৰণ কৰা হৈছে। মন কৰিব যে শব্দৰ পদ চিনাক্ত কৰাটো কেৱল শব্দক নিজ নিজ PoS টেগৰ লগত মেপিং (mapping) কৰা নহয়। একেটা শব্দৰ বিভিন্ন প্ৰসংগৰ ওপৰত ভিত্তি কৰি বেলেগ বেলেগ PoS টেগ থাকিব পাৰে। উদাহৰণ স্বৰূপে,

- The girl wrote in a book.
- Book a flight to Guwahati.

এই দুয়োটা বাক্যতে "book" শব্দটো দেখা গৈছে। প্ৰথম উদাহৰণত, ই Noun (বিশেষ্য) হিচাপে কাম কৰে কিন্তু পিছৰটোত Verb (ক্ৰিয়া)-ৰ ভূমিকা লয়।

PoS টেগিং যন্ত্ৰক বাক্য এটাৰ ব্যাকৰণগত গঠন বুজিবলৈ আৰু একাধিক অৰ্থ থকা শব্দবোৰক স্পষ্ট কৰিবলৈ সহায় কৰে। যান্ত্ৰিক অনুবাদ আৰু তথ্য নিষ্কৰ্ষণ (Information extraction)-ৰ দৰে কাৰ্য য'ত বাক্যত এটা শব্দৰ আনটো

শব্দৰ সৈতে কেনে সম্পৰ্ক আছে সেয়া জনাটো গুৰুত্বপূৰ্ণ, এনে কাৰ্যৰ বাবে ই অতি উপযোগী সঁজুলি।

### ৩.৩.২ পদচ্ছেদন (Parsing)

স্বাভাৱিক ভাষা প্ৰক্ৰিয়াকৰণৰ ক্ষেত্ৰত পদচ্ছেদন (Parsing) এটা প্ৰধান কাম। কিয়নো ই সকলো প্ৰাকৃতিক ভাষাৰ প্ৰয়োগৰ ভিত্তি গঠন কৰে আৰু যন্ত্ৰক মানৱ ভাষা বুজিবলৈ সহায় কৰে। 'Parsing' শব্দটো উদ্ভৱ হৈছে লেটিন শব্দ 'pars'ৰ পৰা (যাৰ অৰ্থ হৈছে 'part'('অংশ'))। এই প্ৰক্ৰিয়াত বাক্যৰ গঠন, বিষয়বস্তু আৰু অৰ্থৰ বিশ্লেষণ কৰা হয়। ইয়াক syntactical/syntax analysis বা বাক্যগত বিশ্লেষণ বুলিও কোৱা হয়। প্ৰতিটো প্ৰাকৃতিক ভাষা নিজস্ব ব্যাকৰণৰ নিয়মেৰে গঠিত যাৰ আধাৰত সেই ভাষাৰ বাক্য গঠন হয়। পদচ্ছেদন ব্যৱহাৰ কৰি ভাষাত বাক্য সৃষ্টিৰ বাবে প্ৰয়োগ কৰা এই নিয়মৰ ক্ৰম জানিব পাৰি। পাঠৰ বাক্যগত বিশ্লেষণ কৰিবলৈ NLP-ত পদচ্ছেদনে ভাষাবিজ্ঞানৰ কেইবাটাও ধাৰণা ব্যৱহাৰ কৰে। পদচ্ছেদনৰ বিষয়ে আলোচনা কৰাৰ আগতে বাক্য গঠনৰ সৈতে জড়িত কিছুমান মৌলিক ধাৰণা আমি বুজি ল'ব লাগিব:

- **উপাদান (Constituent):** শব্দ বা শব্দৰ গোট যি একক বা বাক্যাংশ/শব্দগুচ্ছ হিচাপে কাম কৰিব পাৰে: উদাহৰণ হ'ল: বিশেষ্য শব্দগুচ্ছ/Noun Phrase (NP), ক্ৰিয়া শব্দগুচ্ছ/ Verb Phrase (VP)।
- **ব্যাকৰণগত সম্পৰ্ক (Grammatical relation):** এইবোৰ হৈছে পৰম্পৰাগত ব্যাকৰণৰ ধাৰণাসমূহৰ আনুষ্ঠানিককৰণ। উদাহৰণ – কৰ্তা/ subject, কৰ্ম/ object।
- **উপশ্ৰেণীবিভাজন আৰু নিৰ্ভৰশীলতা সম্পৰ্ক (Subcategorization and dependency relation):** এইবোৰ হৈছে শব্দ আৰু বাক্যাংশৰ/শব্দগুচ্ছ মাজৰ সম্পৰ্ক।

ভাষাবিদ নৌম চমস্কি (Noam Chomsky)ৰ তত্ত্বই NLP--ৰ বহুতো কাৰ্যৰ মেৰুদণ্ড গঠন কৰে। এই তত্ত্বৰ কেন্দ্ৰীয় ধাৰণাটো হ'ল যে সকলো ভাষাই একেটা অন্তৰ্নিহিত ব্যাকৰণৰ প্ৰক্ৰিয়া ব্যৱহাৰ কৰে। এই ব্যাকৰণটোক চমস্কিয়ে নাম দিছিল 'Universal Grammar' (UG) বা 'সাৰ্বজনীন ব্যাকৰণ'। তেওঁ কয় যে সকলো ভাষা ব্যৱহাৰকাৰী (language user)ৰ ভাষা আহৰণ কৰা, বুজি পোৱা আৰু উৎপাদন কৰা এটা জন্মগত (innate) স্বাভাৱিক ক্ষমতা থাকে। সাৰ্বজনীন

ব্যাকৰণৰ আধাৰত বিকশিত হোৱা চমস্কিৰ ৰূপান্তৰ উৎপাদক ব্যাকৰণ (Transformational Generative Grammar) NLPত বিশেষভাৱে প্ৰয়োগ হোৱা দেখা যায়। এই তত্ত্ব অনুসৰি ভাষা 'উৎপাদনশীল', কিয়নো কেৱল সীমিত মাধ্যম (নিয়ম আৰু শব্দভাণ্ডাৰ) ব্যৱহাৰ কৰি অসীম সংখ্যক ব্যাকৰণগত বাক্যাংশ আৰু বাক্য উৎপন্ন কৰাৰ ক্ষমতা ভাষাৰ আছে। ভাষা 'ৰূপান্তৰমূলক' এই অৰ্থত যে সংজ্ঞায়িত পৰিৱৰ্তনৰ নিয়ম (যাক 'transforms' বুলি কোৱা হয়) ব্যৱহাৰ কৰি ইতিমধ্যে থকা বাক্যৰ পৰা ই নতুন বাক্য উৎপন্ন কৰিবলৈ সক্ষম হয়। '*Syntactic Structures*' (১৯৫৭) আৰু বিশেষকৈ '*Aspects of the Theory of Syntax*' (১৯৬৫)ৰ মান তত্ত্ব (Standard theory)ই শব্দগুচ্ছ গঠনৰ নিয়ম (Phrase structure rules) ব্যৱহাৰ কৰিছিল। এই ব্যাকৰণত ভাষাৰ বাক্যগত উপাদানসমূহক 'rewrite' নিয়মৰ দ্বাৰা সংজ্ঞায়িত কৰা হয়, যিয়ে বাক্যৰ সৰু সৰু উপাদান/অংশ (constituent)সমূহ নিৰ্দিষ্ট কৰে। ৰূপান্তৰ-উৎপাদক ব্যাকৰণে অৰ্থ আৰু শব্দৰ মাজৰ সংযোগ (ক্ৰমে আভ্যন্তৰীণ গঠন আৰু বাহ্যিক গঠন বা deep structure আৰু surface structure) নিয়ন্ত্ৰণ কৰা নিয়মসমূহ প্ৰকাশ কৰিবলৈ গাণিতিক সংকেত (mathematical notation) ব্যৱহাৰ কৰে। চমস্কিয়ে তেওঁৰ এই ভাষিক তত্ত্বৰ আধাৰত মানৰ ভাষাৰ গণনামূলক ভিত্তিক পদ্ধতিগতভাৱে অনুসন্ধান কৰাৰ প্ৰয়াসত বিধিবদ্ধ ভাষিক তত্ত্ব (Formal theory of language) প্ৰতিষ্ঠা কৰিছিল। তেওঁ ব্যাকৰণক জটিলতাৰ ভিত্তিত চাৰিটা ভিন্ন প্ৰকাৰত শ্ৰেণীভুক্ত কৰিছিল, যাক 'চমস্কিৰ স্তৰবৃত্ত বা স্তৰবিন্যাস' Chomsky hierarchy বোলা হয়। ই যন্ত্ৰৰ দ্বাৰা গ্ৰহণ কৰিব পৰা বিভিন্ন ধৰণৰ ভাষাৰ মাজত পাৰ্থক্য কৰাৰ এটা উপায় প্ৰদান কৰে। এই স্তৰবিন্যাসৰ দ্বাৰা ভাষাসমূহৰ গাঠনিক জটিলতা, ভাষা চিনাক্তকৰণ, আৰু কম্পিউটাৰ দ্বাৰা ভাষা প্ৰক্ৰিয়াকৰণৰ সক্ষমতা বুজি পোৱা সহজ হয়। চমস্কিৰ স্তৰবৃত্তৰ চাৰিটা সুকীয়া স্তৰ আছে। এই স্তৰবোৰ তলত সংক্ষেপে দিয়া হ'ল—

**প্ৰকাৰ ০: অনিয়ন্ত্ৰিত ব্যাকৰণ (Unrestricted Grammar):** এই ব্যাকৰণত নিয়ম প্ৰয়োগত কোনো বাধা নাই। যিকোনো ধৰণৰ উৎপাদন নিয়ম প্ৰয়োগযোগ্য। এই ব্যাকৰণ Turing machine দ্বাৰা প্ৰক্ৰিয়াকৰণযোগ্য। কিন্তু ই প্ৰাকৃতিক ভাষাৰ বাবে অতি জটিল আৰু বাস্তৱিক বিশ্লেষণত ব্যৱহৃত নহয়।

**প্ৰকাৰ ১: প্ৰসংগ সাপেক্ষ ব্যাকৰণ (Context-Sensitive Grammar):** এই ব্যাকৰণত উৎপাদন নিয়মবোৰ নিৰ্দিষ্ট প্ৰসংগতহে প্ৰয়োগযোগ্য। ই অধিক শক্তিশালী হ'লেও গাণিতিকভাৱে জটিল, আৰু গণনামূলক বিশ্লেষণত খুব কম ব্যৱহাৰ হয়।

**প্ৰকাৰ ২: প্ৰসংগ-নিৰপেক্ষ ব্যাকৰণ (Context-Free Grammar – CFG):** এই ব্যাকৰণত উৎপাদন নিয়মবোৰ প্ৰসংগ নিৰপেক্ষ, অৰ্থাৎ এটা নিয়ম প্ৰয়োগৰ বাবে বাক্যত উপস্থিত অন্য উপাদানবোৰ বিবেচনা নকৰিলেও চলে। প্ৰাকৃতিক ভাষাৰ বাক্য গঠন বিশ্লেষণৰ ক্ষেত্ৰত এই CFG-এ এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

উদাহৰণ:

$$S \rightarrow NP\ VP$$

$$VP \rightarrow V\ NP$$

**প্ৰকাৰ ৩: সাধাৰণ ব্যাকৰণ (Regular Grammar):** এই ব্যাকৰণ হৈছে আটাইতকৈ সৰল। এই ব্যাকৰণ finite automata দ্বাৰা স্বীকৃত, আৰু সাধাৰণতে টোকেন চিনাক্তকৰণ, শব্দভঁৰাল বিচাৰ, আৰু শব্দগত বিশ্লেষণৰ বাবে ব্যৱহৃত হয়।

এই ব্যাকৰণ স্তৰবিন্যাসৰ জ্ঞানে বাক্যগত বিশ্লেষণ আৰু parsing algorithm বুজিবলৈ সহায় কৰে। বিশেষকৈ, Context-Free Grammar (CFG) হ'ল NLP-ৰ ব্যৱহাৰযোগ্য আৰু বাস্তৱিক পৰিসৰত বহুলভাৱে ব্যৱহৃত ব্যাকৰণৰ ধৰণ। বৈধ বাক্য সৃষ্টিৰ বাবে প্ৰতিটো স্তৰৰ নিজস্ব নিয়মৰ গোট থাকে। উচ্চ স্তৰৰ বাক্য গঠনৰ নিয়ম অধিক জটিল আৰু নিৰ্দিষ্ট। স্তৰবৃত্তৰ ওপৰলৈ যোৱাৰ লগে লগে প্ৰতিটো স্তৰত যন্ত্ৰসমূহে গ্ৰহণ কৰা ভাষাৰ উপগোটটো অধিক ডাঙৰ আৰু বৈচিত্ৰময় হৈ পৰে। এই ক্ৰমবদ্ধ গঠনে ভাষাবিদসকলক কম্পিউটাৰে পঢ়িব আৰু বুজিব পৰা বিভিন্ন ভাষাৰ শ্ৰেণীবিভাজন আৰু বিশ্লেষণ কৰাত সহায় কৰে। এই বিধিবদ্ধ ব্যাকৰণসমূহ মূলতঃ NLP-ৰ কম্পিউটিং দিশৰ অংশ সেয়েহে এই সকলোবোৰৰ বৰ্ণনা এই বিভাগৰ পৰিসৰৰ বাহিৰত। অৱশ্যে যিহেতু প্ৰাকৃতিক ভাষাৰ গঠনমূলক উপাদান (constituent structure)ৰ আৰ্হি নিৰ্মাণৰ বাবে প্ৰসংগ-মুক্ত ব্যাকৰণ (Context free grammar বা CFG) আটাইতকৈ বহলভাবে ব্যৱহৃত বিধিবদ্ধ ব্যৱস্থা। সেয়ে তলত ইয়াৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা হৈছে।

### ৩.৩.২.১ প্ৰসংগ-নিৰপেক্ষ ব্যাকৰণ (Context-free Grammar)

প্ৰসংগ- নিৰপেক্ষ ব্যাকৰণৰ ভিত্তি হৈছে চমস্কিৰ শব্দগুচ্ছ গঠনৰ নিয়ম (Phrase structure rules)। সেইবাবে ইয়াক শব্দগুচ্ছ গঠনৰ ব্যাকৰণ বুলিও কোৱা হয়। ই হৈছে নিয়মৰ এক তালিকা যি এটা ভাষাৰ সকলো সুগঠিত বাক্যৰ গোট নিৰ্ধাৰণ কৰে। CFG-ত এটা ভাষাক বাক্যৰ গোট হিচাপে গণ্য কৰা হয়;

বাক্য এটাক ভাষাৰ শব্দভাণ্ডাৰৰ পৰা লোৱা এটা বা ততোধিক শব্দৰ ষ্ট্ৰিং (string) বা সূত্ৰ হিচাপে গণ্য কৰা হয় আৰু ব্যাকৰণ অধ্যয়ন কৰা ভাষাটোৰ বাক্য-গোট সীমিত, আনুষ্ঠানিক নিৰ্দিষ্টকৰণ হিচাপে গণ্য কৰা হয়। Speech and Language Processing (2000) গ্ৰন্থখনত Jurafsky আৰু Martinএ কৈছে: A CFG can be thought of in two ways: as a device for generating sentences and as a device for assigning a structure to a given sentence. এটা প্ৰসংগ-নিৰপেক্ষ ব্যাকৰণত থাকে:

১) **নিয়ম (rules) বা উৎপাদন (production):** ভাষাৰ প্ৰতীক (symbol)সমূহক একেলগে গোট খুৱাব পৰা পদ্ধতি প্ৰকাশ কৰে। প্ৰতিটো নিয়মৰ এটা বাওঁফাল থাকে, যি বাক্যগত শ্ৰেণী চিনাক্ত কৰে আৰু এটা সোঁফাল থাকে যি ইয়াৰ বৈকল্পিক উপাদান অংশবোৰ নিৰ্ধাৰণ কৰে।

২) **শব্দ আৰু প্ৰতীকৰ অভিধান (lexicon):** ভাষাৰ প্ৰকৃত শব্দ বা টোকেনসমূহক প্ৰতিনিধিত্ব কৰা প্ৰতীক।

CFGত ব্যাকৰণ সংজ্ঞায়িত কৰিবলৈ ব্যৱহাৰ কৰা প্ৰতীকসমূহক দুটা শ্ৰেণীত ভাগ কৰা হয়:

১) **Terminal symbols (শেহান্ত):** এইবোৰ হৈছে ভাষাটোৰ প্ৰকৃত প্ৰতীক — ব্যাকৰণৰ দ্বাৰা সৃষ্টি হোৱা চূড়ান্ত বাক্য বা ষ্ট্ৰিংবোৰত দেখা দিয়া “শব্দ” বা “আখৰ”বোৰ। এইবোৰৰ ঠাইত আন কোনো প্ৰতীক বহিব নোৱাৰে।

২) **Non-terminal symbols (অশেহান্ত প্ৰতীক):** এইবোৰ হৈছে ভাষাৰ গঠন বা নিয়ম সংজ্ঞায়িত কৰিবলৈ ব্যৱহাৰ কৰা চলক। উৎপাদনৰ নিয়ম ব্যৱহাৰ কৰি এইবোৰক সলনি কৰিব পাৰি।

গতিকে, আমি ক’ব পাৰোঁ:

প্ৰসংগ- নিৰপেক্ষ ব্যাকৰণ (G) = N, T, S, P। ইয়াত,

- S মানে Start symbol: এটা নিৰ্ধাৰিত আৰম্ভণি প্ৰতীক ।
- T মানে Terminal symbols: শব্দ বা প্ৰাকৃতি
- N মানে Non-terminal nodes: ভাষাৰ অংশসমূহ। যেনে, বিশেষ্য শব্দগুচ্ছ (NP), ক্ৰিয়া শব্দগুচ্ছ (VP), বাক্য।
- P মানে Production Rules বা উৎপাদনৰ নিয়ম: a -> b আকৃতিৰ উৎপাদন নিয়মৰ এটা গোট, য’ত ‘a’ হৈছে এটা Non-terminal (N)

আৰু ‘b’ হৈছে এটা বা ততোধিক Terminal (T) বা Non-terminal (N) চিহ্নৰ এটা ক্ৰম ।

তলত ইংৰাজী ভাষাৰ বাবে এটা সৰল প্ৰসংগ-নিৰপেক্ষ ব্যাকৰণৰ উদাহৰণ দিয়া হ'ল। এই নিয়মৰ ব্যৱস্থাত S হৈছে Sentence বা Start symbol NP হৈছে Noun Phrase VP হৈছে Verb Phrase PP হৈছে Preposition Phrase, Det হৈছে Determiner আৰু Pre হৈছে Preposition।

G = (N, T, S, P)

N = {S, NP, VP, PP, Det, Noun, Verb, Pre}

T = {‘the’, ‘a’, ‘an’, ‘girl’, ‘book’, ‘apple’, ‘table’, ‘wrote’, ‘read’, ‘bought’, ‘put’, ‘in’, ‘on’}

S = S

P = { S -> NP + VP

NP -> Det + Noun

VP -> Verb + NP । Verb + PP

PP -> Pre + NP

Det -> the । a । an

Noun -> girl । book । apple । table

Verb -> wrote । read । bought । put

Pre -> in । on }

এই ব্যাকৰণৰ নিয়ম অনুসৰি বিভিন্ন বাক্য উৎপাদন আৰু সংজ্ঞায়িত কৰিব পৰা যায়, যেনে: “The girl wrote in a book,” “The girl bought an apple”, ইত্যাদি। উৎপাদন হোৱা প্ৰতিটো বাক্যৰ বাবে ব্যাকৰণে এটা গাঠনিগত বৰ্ণনা নিযুক্ত কৰে। ইয়াত বাক্য উৎপাদনৰ বাবে ‘rewrite’ নিয়ম ব্যৱহাৰ কৰা হয়। অৰ্থাৎ, প্ৰতিটো non-terminal প্ৰতীক যেতিয়ালৈকে এটা terminal প্ৰতীকৰ ক্ৰমত উপনীত নহয়, তেতিয়ালৈকে তাক অন্য নিয়মেৰে পুনৰ লিখা বা সলনি কৰি থকা হয়। উদাহৰণস্বৰূপে:

S → NP + VP

→ Det Noun + VP

→ **the** Noun + VP

→ **the girl** + VP

→ **the girl** + Verb + NP

→ **the girl bought** + NP

→ **the girl bought** + Det + Noun

→ **the girl bought an** + Noun

→ **the girl bought an apple**

এই ব্যুৎপত্তিৰ পৰা আমি বুজিব পাৰোঁ যে ‘the girl bought an apple’ বাক্যটো G ব্যাকৰণৰ দ্বাৰা বৈধ আৰু গ্ৰহণযোগ্য বাক্য। অৰ্থাৎ বাক্যটো Gয়ে উৎপন্ন কৰা ভাষাৰ অংশ।

এতিয়া অসমীয়া ভাষাৰ বাবে এটা সৰল প্ৰসংগ-মুক্ত ব্যাকৰণৰ উদাহৰণ চাওঁ।

G = (N, T, S, P)

N = {বা., বি.শ, ক্ৰি.শ, বি., ক্ৰি., নি.প্ৰ, বিভ.}

T = {‘মানুহ’, ‘ৰাম’, ‘ঘৰ’, ‘কিতাপ’, ‘যা’, ‘পঢ়’, ‘-জন’, ‘-টো’, ‘-এ’, ‘-লৈ’, ‘-য়’}

S = S

| | |
|---|---|
| P = {বাক্য (বা.) | -> বিশেষ্য শব্দগুচ্ছ (বি.শ) + ক্ৰিয়া শব্দগুচ্ছ (ক্ৰি.শ) |
| বিশেষ্য শব্দগুচ্ছ (বি.শ) | -> বিশেষ্য (বি.) + নিৰ্দিষ্টবাচক প্ৰত্যয় (নি.প্ৰ)। |
| | -> বিশেষ্য (বি.) + বিভক্তি (বিভ.) |
| ক্ৰিয়া শব্দগুচ্ছ (ক্ৰি.শ) | -> ক্ৰিয়া (ক্ৰি.) + বিশেষ্য শব্দগুচ্ছ (বি.শ) |
| বিশেষ্য (বি.) | -> মানুহ । ৰাম । ঘৰ । কিতাপ |
| ক্ৰিয়া (ক্ৰি.) | -> যা । পঢ় |
| নিৰ্দিষ্টবাচক প্ৰত্যয় (নি.প্ৰ) | -> -জন । -টো |
| বিভক্তি (বিভ.) | -> -এ । -লৈ । -য় } |

এই ব্যাকৰণে উৎপাদন কৰা বাক্যৰ উদাহৰণ হ’ল: “ৰামে কিতাপ পঢ়ে”, “মানুহজন ঘৰলৈ যায়”, ইত্যাদি। এইদৰে নিয়ম আৰু শব্দভাণ্ডাৰৰ এটা সীমিত গোট ব্যৱহাৰ কৰি অসীম সংখ্যক বাক্য উৎপাদন কৰিব পাৰি। বাক্যৰ বিভিন্ন গঠন

শ্ৰেণী (syntactic categories) দেখাবলৈ এটা চিত্ৰাঙ্কিত উপস্থাপন (graphical representation) কৰা হয় (তলত এটা উদাহৰণ দিয়া হ'ল)। এনে বাক্যগত বিশ্লেষণক NLPত পদচ্ছেদন (Parsing) আৰু তাৰ ফলত সৃষ্টি হোৱা উপস্থাপনক Parse tree বুলি কোৱা হয়।




Parse বৃক্ষই সম্পূৰ্ণ বাক্যটোৰ অৰ্থ কেনেকৈ ব্যাখ্যা কৰিব লাগে তাক দেখুৱাবলৈ প্ৰতিটো উপ-বৃক্ষৰ এটা অৰ্থ থাকিব লগে। ফলত এটা ষ্ট্ৰিঙৰ এটাতকৈ অধিক বাক্যগত গঠন হ'ব পাৰে যি বাক্যৰ এটাতকৈ অধিক অৰ্থ বুজাই। ই বাক্যৰ অস্পষ্টতা বিশ্লেষণ কৰাত সহায় কৰে। উদহৰণস্বৰূপে: 'I saw the man with a telescope' এই ইংৰাজী বাক্যটোৱে দুটা অৰ্থ বুজাব পৰে: 'মই টেলিস্কোপ থকা মানুহ এজন দেখিলোঁ' আৰু 'মই টেলিস্কোপেৰে মানুহ এজন দেখিলোঁ'। Parse বৃক্ষই বাক্যৰ এই অস্পষ্টতা দূৰ কৰাত সহায় কৰে।






### ৩.৩.৩ **পদচ্ছেদনৰ প্ৰকাৰ**

আমি দেখিলোঁ যে বাক্য আৰু ব্যাকৰণৰ মাজৰ মূল সম্পৰ্কটো হ'ল Parse tree, য'ত বাক্য উৎপন্ন কৰিবলৈ কেনেকৈ ব্যাকৰণ ব্যৱহাৰ কৰা হৈছে সেই বিষয়ে বৰ্ণনা কৰা হয়। NLP-য়ে আমাক দুটা মূল পদচ্ছেদনৰ কৌশল প্ৰদান কৰে। নিম্নমুখী পদচ্ছেদন (Top-down parsing) আৰু ঊৰ্দ্ধমুখী পদচ্ছেদন Bottom-up parsing)। ইহঁতৰ নামৰ পৰা স্পষ্ট হয় পদচ্ছেদন প্ৰক্ৰিয়া কি দিশত আগবাঢ়ে। নিম্নমুখী (Top-down) পদচ্ছেদন হৈছে লক্ষ্য-নিৰ্দেশিত (Goal-directed)। আৰম্ভণি (S) প্ৰতীকৰ পৰা টাৰ্মিনেল প্ৰতীকসমূহলৈকে parse tree নিৰ্মাণ কৰা হয়। ঊৰ্দ্ধমুখী (Bottom-up) পদচ্ছেদন হৈছে তথ্য-নিৰ্দেশিত (Data-directed)। টাৰ্মিনেল প্ৰতীকসমূহৰ পৰা আৰম্ভণি (S) প্ৰতীকলৈকে parse tree নিৰ্মাণ কৰা হয়।

প্ৰসংগ-মুক্ত নিয়মৰ (P) এটা উদাহৰণ লোৱা হওক। ইনপুট বাক্য হ'ল: Book that flight.

| | | |
|---|---|---|
| P = { | S | -> NP + VP |
| | S | -> VP |
| | NP | -> Det + Noun |
| | NP | -> Noun |
| | VP | -> Verb + NP |
| | VP | -> Verb |
| | Det | -> the ǀ a ǀ that ǀ this |
| | Noun | -> book ǀ girl ǀ apple ǀ flight |
| | Verb | -> book ǀ read ǀ buy ǀ put } |

#### **৩.৩.৩.১ নিম্নমুখী (Top-down)** পদচ্ছেদনত:

- S ৰে আৰম্ভ কৰিব পৰা সকলো বৃক্ষৰ শিখৰ বিচাৰি উলিওৱা হয়।
- বাওঁফালে S থকা সকলো উৎপাদন নিয়ম বিচৰা হয়।
- সেই উপাদানবোৰৰ পৰা আৰম্ভ কৰিব পৰা সকলো বৃক্ষৰ শিখৰ বিচাৰি উলিওৱা হয়। (টাৰ্মিনেল প্ৰতীকসমূহ পোৱালৈকে পুনৰাই কৰা হয়)।

- যিবোৰ বৃক্ষৰ টাৰ্মিনেল প্ৰতীকবোৰ ইনপুট বাক্যৰ সকলো শব্দৰ সৈতে নিমিলে, সেইবোৰক বাদ দিব পাৰি। ইয়াৰ ফলত সফল বিশ্লেষণক প্ৰতিনিধিত্ব কৰা বৃক্ষবোৰ ৰৈ যায়।




... আৰু বহুতো।




**৩.৩.৩.২ উৰ্দ্ধমুখী (Bottom-up)** পদচ্ছেদনত:

- ইনপুট বাক্যৰ শব্দবোৰৰ পৰা আৰম্ভ কৰা হয় আৰু ব্যাকৰণৰ পৰা এটা এটাকৈ নিয়ম প্ৰয়োগ কৰি সেই শব্দবোৰৰ পৰা ওপৰলৈ বৃক্ষ নিৰ্মাণ কৰিবলৈ চেষ্টা কৰা হয়।
- বিশ্লেষণত এনে ঠাই বিচৰা হয় য'ত এটা উৎপাদন নিয়মৰ সোঁফালটো মিলিব পাৰে।
- সফলতা = parser-এ আৰম্ভণি প্ৰতীক Sত ভিত্তি থকা এটা বৃক্ষ নিৰ্মাণ কৰে যি সকলো ইনপুট শব্দ সামৰি লয়।




(১)




(২)




১ক




২ক




২খ

**আত্ম-চিন্তনমূলক প্ৰশ্ন**

- বাক্যগত বিশ্লেষণ কি? প্ৰাকৃতিক ভাষা প্ৰক্ৰিয়াকৰণত ই কিয় গুৰুত্বপূৰ্ণ?
- বাক্যতত্ত্বই কম্পিউটাৰক বাক্যৰ গঠন বুজিবলৈ কেনেকৈ সহায় কৰে?
- ভুল বাক্যগত বিশ্লেষণে NLP কাৰ্যৰ সামগ্ৰিক ফলাফলত কি কি ধৰণে প্ৰভাৱ পেলাব পাৰে?
- বাক্য এটাৰ গঠন আৰু অৰ্থ বুজিবলৈ POS টেগিঙে কেনেদৰে সহায় কৰে?
- প্ৰাকৃতিক ভাষা প্ৰক্ৰিয়াকৰণৰ ক্ষেত্ৰত পাৰ্চিং কিয় এক অপৰিহাৰ্য পৰ্য্যায়?
- প্ৰসংগ-নিৰপেক্ষ ব্যাকৰণে ভাষাৰ বাক্য গঠন বিশ্লেষণত কেনেদৰে সহায় কৰে?

**আত্মমূল্যায়ন প্ৰশ্ন**

১. প্ৰাকৃতিক ভাষা প্ৰক্ৰিয়াকৰণত POS টেগিঙে কেনেকৈ বাক্য গঠন আৰু অৰ্থগত বিশ্লেষণ অৱলম্বন কৰে ব্যাখ্যা কৰক।

২. বাক্যগত পদচ্ছেদনৰ মূল প্ৰকাৰ দুটা বৰ্ণনা কৰক। বাক্য বিশ্লেষণত ইহঁতে কেনেদৰে অৰিহণা যোগায়?

৩. প্ৰসংগ-নিৰপেক্ষ ব্যাকৰণ কি? ইয়াৰ উপাদানসমূহ উপযুক্ত উদাহৰণসহ ব্যাখ্যা কৰক।

### ৩.৪ সাৰাংশ (Summing Up)

এই অধ্যায়ত প্ৰাকৃতিক ভাষা প্ৰক্ৰিয়াকৰণৰ দ্বিতীয় পৰ্যায় ৰূপে বাক্যগত বিশ্লেষণৰ মৌলিক দিশসমূহ আলোচনা কৰা হৈছে। বাক্যৰ গঠন আৰু শব্দসমূহৰ ব্যাকৰণগত সম্পৰ্ক নিৰূপণ কৰাটো এই বিশ্লেষণৰ মূল লক্ষ্য। টেগিঙে বাক্যৰ প্ৰতিটো শব্দৰ ব্যাকৰণগত শ্ৰেণী চিহ্নিত কৰে আৰু Parsing-এ বাক্যৰ গঠনমূলক বিশ্লেষণ কৰে। Parsing প্ৰক্ৰিয়াত Context-Free Grammar ব্যৱহাৰ কৰি বাক্যৰ constituent structure গঠন কৰা হয়, যাৰ সহায়ত বাক্যটোৰ অৰ্থ আৰু ব্যাকৰণিক ভাৱ বুজা সহজ হয়। চমস্কিৰ Universal Grammar আৰু Transformational Generative Grammar তত্ত্ববোৰ বাক্যগঠন আৰু ভাষা বিশ্লেষণৰ তাত্ত্বিক ভিত্তি প্ৰদান কৰে। চমস্কিৰ স্তৰবৃত্তত চাৰিপ্ৰকাৰৰ ব্যাকৰণৰ কথা উল্লেখ কৰা হৈছে—unrestricted, context-sensitive, context-free আৰু regular grammar—যি NLP-ৰ গাণিতিক দিশত গুৰুত্বপূৰ্ণ।

এই অধ্যায়ত Top-down আৰু Bottom-up parsing কৌশলৰ বৰ্ণনা দিয়া হৈছে, যি Parse tree গঠন কৰাৰ ভিন্ন পদ্ধতি দেখুৱায়। লগতে, ইংৰাজী আৰু অসমীয়া ভাষাৰ CFGৰ উদাহৰণৰ সহায়ত বাক্য বিশ্লেষণৰ প্ৰয়োগিক দিশ স্পষ্ট কৰা হৈছে। এই আলোচনাই যন্ত্ৰৰ দ্বাৰা ভাষা বুজাৰ বাবে বাক্যৰ গঠনক কেনেদৰে বিশ্লেষণ কৰিব লাগে, তাৰ এক সুস্পষ্ট কাঠামো প্ৰদান কৰে।

### ৩.৫ পৰিভাষাৰ তালিকা

- **Algorithm:** এটা নিৰ্দিষ্ট সমস্যা সমাধান বা এটা নিৰ্দিষ্ট কাম সম্পাদন কৰিবলৈ ডিজাইন কৰা নিৰ্দেশনাৰ এক সুসংগঠিত গোট।
- **Corpus/Corpora:** লিখিত বা কথিত ভাষাৰ বৃহৎ সংগ্ৰহ, যি সাধাৰণতে কম্পিউটাৰে পঢ়িব পৰা আৰ্হিত সংৰক্ষণ কৰা হয় আৰু ভাষাৰ বিশ্লেষণত ব্যৱহাৰ হয়।

- **Finite Automata:** এটা গাণিতিক মডেল, যিয়ে এটা নির্দিষ্ট সংখ্যক অৱস্থা (states)ৰে গঠিত থাকে আৰু ইনপুট অনুসৰি অৱস্থান্তৰ (state transitions) ঘটায়; ভাষাৰ গঠন বিশ্লেষণ, বিশেষকৈ regular language চিহ্নিত কৰাৰ ক্ষেত্ৰত ব্যৱহৃত হয়।
- **Lexicon:** এটা ভাষাৰ শব্দসমূহৰ সংগ্ৰহ, য'ত শব্দৰ ৰূপ, অৰ্থ, ব্যৱহাৰ আৰু ব্যাকৰণগত তথ্য সংৰক্ষিত থাকে।
- **Machine Learning:** কৃত্ৰিম বুদ্ধিমত্তাৰ এক উপক্ষেত্ৰ, য'ত কম্পিউটাৰ ব্যৱস্থাই নিজে তথ্যৰ পৰা শিকি নিৰ্দিষ্ট কামত নিজৰ দৰ্শন উন্নত কৰে।
- **Neural Network:** এটা কৃত্ৰিম মডেল, যি মানৱ মগজুৰ স্নায়ু আৰু সংযোগৰ অনুকৰণ কৰি তথ্য বিশ্লেষণ কৰে।
- **Parallel Corpora:** একে পাঠৰ একাধিক ভাষাত অনূদিত ৰূপ, যাক sentence alignment কৰি তুলনামূলক বা অনুবাদ বিশ্লেষণত ব্যৱহাৰ কৰা হয়।
- **Tagger:** এটা প্ৰগ্ৰেম বা সঁজুলি, যিয়ে পাঠৰ শব্দসমূহক grammatical tag (যেনে: noun, verb, adjective) দিয়ে।
- **Treebank:** parse tree বা বাক্য গাঠনিক বিশ্লেষণ সহ থকা বাক্যসমূহৰ annotated সংগ্ৰহ, যাক ভাষিক মডেল শিকাবলৈ ব্যৱহাৰ কৰা হয়।

## ৩.৬ গ্ৰন্থপঞ্জী (References and Suggested Readings)


1. Allen, J. (1995). *Natural language understanding.* Benjamin-Cummings Publishing Co., Inc.
2. Carnie, A. (2021). *Syntax: A generative introduction.* John Wiley & Sons.
3. Chomsky, N. (1957), *Syntactic Structures,* The Hague/Paris: Mouton
4. Chomsky, N. (1965). *Aspects of the Theory of Syntax* (50th ed.). The MIT Press.

5. Fasold, R., Connor-Linton, J. (2006). *An Introduction to Language and Linguistics*. United States: Cambridge University Press.

6. Hausser, R. (2001). *Foundations of computational linguistics*. Springer-Verlag Telos.

7. Hays, D. G. (1967). *Introduction to computational linguistics* (Vol. 2). Macdonald & Company.

8. Jurafsky, D. (2000). *Speech & language processing*. Pearson Education India.

9. Manning, C., & Schutze, H. (1999). *Foundations of statistical natural language processing*. MIT press.

10. বৰা, লীলাৱতী শইকীয়া, (২০১৫), *অসমীয়া ভাষাৰ ৰূপতত্ত্ব*, বনলতা, গুৱাহাটী

11. শৰ্মা, অনুৰাধা, (২০২০), *ভাষাবিজ্ঞান আৰু অসমীয়া ভাষাৰ*, বান্ধৱ, গুৱাহাটী

*****

# চতুৰ্থ বিভাগ

# অৰ্থ, প্ৰসংগ আৰু NLPত অসমীয়া ভাষাৰ স্থিতি

**বিভাগৰ গঠন:**

৪.১ ভূমিকা (Introduction)
৪.২ উদ্দেশ্য (Objectives)
৪.৩ অৰ্থগত বিশ্লেষণ (Semantic Analysis)
৪.৪ বাক্ একত্ৰীকৰণ (Discourse Integration)
৪.৫ প্ৰসংগাৰ্থ বিশ্লেষণ (Pragmatic Analysis)
৪.৬ স্বাভাৱিক ভাষা সংসাধনত অসমীয়া ভাষাৰ স্থিতি
৪.৭ সাৰাংশ (Summing Up)
৪.৮ সামৰণি
৪.৯ পৰিভাষাৰ তালিকা
৪.১০ গ্ৰন্থপঞ্জী (References and Suggested Readings)

## ৪.১ ভূমিকা (Introduction)

এই অধ্যায়ত মূলত অৰ্থগত বিশ্লেষণ, বাক্ একত্ৰীকৰণ আৰু প্ৰসংগাৰ্থ বিশ্লেষণৰ বিষয়ে আলোচনা কৰা হৈছে। স্বাভাৱিক ভাষা প্ৰক্ৰিয়াকৰণত (NLP) এই তিনিটা পৰ্যায়ে ভাষাৰ অন্তৰ্নিহিত অৰ্থ বুজা, বাক্যসমূহৰ মাজত সংহতি স্থাপন কৰা, আৰু বাস্তৱিক প্ৰসংগত বাক্যৰ যথাযথ ব্যাখ্যা কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰে। অৰ্থগত বিশ্লেষণৰ জৰিয়তে শব্দ, বাক্যাংশ আৰু বাক্যৰ অৰ্থ কিদৰে নিৰ্ণয় কৰা হয় আৰু কিদৰে শব্দাৰ্থৰ অস্পষ্টতা, নামবাচক সত্তা বা অৰ্থগত ভূমিকা চিনাক্ত কৰা হয়, তাক ব্যাখ্যা কৰা হৈছে। বাক্ একত্ৰীকৰণত পৃথক বাক্যসমূহৰ মাজত প্ৰসংগত সংহতি কেনেকৈ গঢ়ি তোলা হয়, সেয়া বুজোৱা হৈছে; আৰু প্ৰসংগাৰ্থ বিশ্লেষণত সাধাৰণ জ্ঞান আৰু বাস্তৱ জগতৰ জ্ঞান ব্যৱহাৰ কৰি বাক্যৰ গভীৰ অৰ্থ কেনেকৈ নিৰ্ধাৰণ কৰা হয় সেই বিষয়ে ব্যাখ্যা কৰা হৈছে। কিয়নো ভাষাৰ আভ্যন্তৰীন গঠন বুজিবলৈ কেৱল তাত্ত্বিকভাৱে নহয়, বাস্তৱ প্ৰযুক্তি বিকাশৰ ক্ষেত্ৰতো ইয়াৰ জ্ঞান অত্যন্ত প্ৰয়োজনীয়। এই অধ্যায়ৰ শেষভাগত NLP-ত অসমীয়া ভাষাৰ বৰ্তমান অৱস্থা, সমস্যা, গৱেষণাৰ দিশসমূহ আৰু ভৱিষ্যৎ সম্ভাৱনাৰ বিষয়ে আলোচনা কৰা হৈছে। অসমীয়া ভাষা low-resource ভাষা হিচাপে গণ্য হোৱাৰ বাবে ইয়াৰ প্ৰাকৃতিক ভাষা প্ৰক্ৰিয়াকৰণত বিশেষ সমস্যা দেখা দিয়ে, যিবোৰৰ সমাধানৰ বাবে এক সংগঠিত আৰু দীৰ্ঘম্যাদী প্ৰচেষ্টা আৱশ্যক। এনে আলোচনাই

ছাত্ৰ-ছাত্ৰীসকলক ভাষা আৰু প্ৰযুক্তিৰ আন্তঃসম্পৰ্ক বুজিবলৈ সক্ষম কৰাৰ লগতে আঞ্চলিক ভাষাৰ ডিজিটেল বিকাশৰ ক্ষেত্ৰত গৱেষণামূলক দৃষ্টিভংগী পোষণ কৰিবলৈ সহায়ক হ'ব।

### ৪.২ উদ্দেশ্য (Objectives)

এই অধ্যায় পঢ়ি আপুনি -

- অৰ্থগত বিশ্লেষণ, বাক্ একত্ৰীকৰণ আৰু প্ৰসংগাৰ্থ বিশ্লেষণৰ মৌলিক ধাৰণাসমূহ বুজি পাব।
- শব্দৰ অৰ্থ নিৰ্ধাৰণত প্ৰসংগ, অভিধানিক সমল আৰু বাস্তৱ জগতৰ জ্ঞানৰ ভূমিকা স্পষ্টকৈ উপলব্ধি কৰিব।
- বাক্ একত্ৰীকৰণ (Discourse Integration) কি আৰু বাক্ একত্ৰীকৰণ (Discourse Integration) কিদৰে কৃত্ৰিম বুদ্ধিমত্তাভিত্তিক NLP প্ৰণালীত ব্যৱহৃত হয়, তাৰ জ্ঞান লাভ কৰিব।
- স্বাভাৱিক ভাষা প্ৰক্ৰিয়াকৰণত অসমীয়া ভাষাৰ বৰ্তমান অৱস্থা, প্ৰধান প্ৰত্যাহ্বানসমূহ আৰু বিকাশৰ দিশসমূহ চিনাক্ত কৰিব পাৰিব।
- Low-resource ভাষাৰ NLP বিকাশৰ ক্ষেত্ৰত উদ্ভাৱনমূলক গৱেষণাৰ সম্ভাৱনাসমূহ চিনাক্ত কৰিব।
- ভাষা আৰু প্ৰযুক্তিৰ সংমিশ্ৰণৰ ক্ষেত্ৰত আঞ্চলিক ভাষাৰ অৱদানৰ প্ৰাসংগিকতা উপলব্ধি কৰিব।

### ৪.৩ অৰ্থগত বিশ্লেষণ (Semantic Analysis)

স্বাভাৱিক ভাষাত শব্দ, বাক্যাংশ, বাক্যৰ অৰ্থ বুজি পোৱা প্ৰক্ৰিয়াক অৰ্থ বিশ্লেষণ বোলে। NLP-ৰ ই এক গুৰুত্বপূৰ্ণ পৰ্য্যায় কাৰণ কম্পিউটাৰে কেৱল আক্ষৰিক অৰ্থই নহয়, পাঠটোৰ প্ৰকৃত অৰ্থ কি সেয়া বুজিব লাগিব। ইয়াৰ উদ্দেশ্য হৈছে পাঠৰ পৰা সঠিক অৰ্থ, বা অভিধানৰ অৰ্থ আহৰণ কৰা আৰু অৰ্থপূৰ্ণতাৰ বাবে পাঠ পৰীক্ষা কৰা। শব্দগত বিশ্লেষণ সৰু tokenৰ ওপৰত আধাৰিত কিন্তু অৰ্থগত বিশ্লেষণে পাঠৰ ডাঙৰ অংশৰ ওপৰত গুৰুত্ব দিয়ে। স্বাভাৱিক ভাষা প্ৰক্ৰিয়াকৰণ ব্যৱস্থাৰ এইটো এটা গুৰুত্বপূৰ্ণ কাম। অৰ্থগত বিশ্লেষণক নিম্নলিখিত দুটা ভাগত বিভক্ত কৰিব পাৰি –

- শব্দাৰ্থ বিশ্লেষণ (Lexical semantic analysis)
    - পাঠৰ প্ৰতিটো শব্দৰ অৰ্থ বিশ্লেষণ কৰা হয়। এই অংশটোক শব্দগত অৰ্থবিজ্ঞান বুলিও কোৱা হয়।
- শব্দ-সংযুতিৰ অৰ্থ বিশ্লেষণ (Compositional semantic analysis)
    - শব্দৰ সজ্জাই (combination) পাঠৰ অৰ্থ কেনেকৈ গঠন কৰে সেয়া ইয়াত বিশ্লেষণ কৰা হয়
    - অৰ্থবিশ্লেষণৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কামটো হ'ল বাক্যৰ সঠিক অৰ্থ প্ৰাপ্ত কৰা।

বাক্য এটাৰ অৰ্থ বুজিবলৈ, অৰ্থগত বিশ্লেষণৰ সৈতে জড়িত মুখ্য প্ৰক্ৰিয়া হৈছে:

- **শব্দাৰ্থৰ অস্পষ্টতা নিৰসন (Word sense disambiguation):** প্ৰাকৃতিক ভাষাত বহু শব্দৰ একাধিক অৰ্থ থাকে। উপযুক্ত অৰ্থ বুজি পোৱাটো বাক্য বা পাঠৰ **প্ৰসংগ**ৰ ওপৰত নিৰ্ভৰ কৰে। শব্দাৰ্থৰ অস্পষ্টতা নিৰসনে এটা পাঠত প্ৰসংগৰ ওপৰত আধাৰিত কৰি শব্দৰ অৰ্থ চিনাক্ত কৰে।
- **নামবচক শব্দ চিনাক্তকৰণ (Named Entity Recognition):** পাঠত থকা নাম যেনে মানুহৰ নাম, স্থান, সংস্থা আদি চিনাক্ত কৰে। উদাহৰণ: “Apple launched a new iPhone.” ইয়াত ‘Apple’-এ ফল নহয়, কোম্পানীৰ নাম বুজাইছে।
- **অৰ্থগত ভূমিকা চিহ্নিতকৰণ (Semantic Role Labeling):** এই প্ৰক্ৰিয়াত এটা বাক্যৰ ভিতৰত থকা শব্দসমূহে সম্পাদন কৰা **ভূমিকা** চিনাক্ত কৰা হয়। সাধাৰণতে এই বিশ্লেষণত কোনে **কি কৰিলে, কাৰ বাবে কৰিলে, কি ব্যৱহাৰ কৰিলে** আদি ধৰণৰ তথ্য চিহ্নিত কৰা হয়। উদাহৰণ: “ৰামে সীতাক কিতাপ এখন দিলে।” ইয়াত,

    ৰাম = দিওঁতা (agent)

    সীতা = লওঁতা (recipient)

    কিতাপ = দিয়া বস্তু (theme)

এই ধৰণে, প্ৰতিটো উপাদানৰ অৰ্থগত সম্পৰ্ক আৰু বাক্যত লোৱা কাৰ্য সঠিকভাৱে চিহ্নিত কৰা হয়। Semantic Role Labeling মূলতঃ যান্ত্ৰিক অনুবাদ, প্ৰশ্ন উত্তৰ প্ৰণালী আৰু তথ্য নিষ্কৰ্ষণ আদিত বহুল ভাৱে ব্যৱহৃত।

- **সম্পৰ্ক** নিষ্কৰ্ষণ **(Relationship extraction):** ইয়াত প্ৰথমে বাক্যটোত উপস্থিত বিভিন্ন 'সত্তা' (entity) চিনাক্ত কৰা হয়। তাৰ পিছত সেই সত্তাবোৰৰ মাজৰ সম্পৰ্ক আহৰণ কৰা হয় । "মই গণিত শিকি আছোঁ" এই বাক্যত, 'মই' আৰু 'গণিত' দুটা সত্তা আৰু এই দুটাৰ মাজৰ সম্পৰ্ক 'শিকি আছোঁ' শব্দৰে বুজায়।

স্বাভাৱিক ভাষা প্ৰক্ৰিয়াকৰণৰ সময়ত পৰীক্ষা আৰু বিবেচনা কৰিব লগা অৰ্থবিশ্লেষণৰ কিছুমান গুৰুত্বপূৰ্ণ উপাদান হৈছে:

- অৰ্থান্তৰ্ভুক্তি (hyponymy): বহল শ্ৰেণীৰ শব্দৰ পৰা ওলোৱা এটা বিশেষ শব্দ। যেনে, 'হালধীয়া', 'নীলা', 'ৰঙা', ইত্যাদি 'ৰঙ'ৰ hyponym।
- সমৰূপী ভিন্নাৰ্থকতা (homonymy): দুটা বা তাতকৈ অধিক শব্দ যিবোৰৰ বানান একে কিন্তু অৰ্থ সম্পূৰ্ণ পৃথক। যেনে, 'বেল' শব্দই 'অজলা' আৰু 'এবিধ ফল' বুজাই।
- সমাৰ্থকতা (synonymy): দুটা বা তাতকৈ অধিক শব্দ যিবোৰৰ বানান বেলেগ বেলেগ কিন্তু অৰ্থ একে। যেনে, 'অগ্নি' আৰু 'জুই'।
- বিপৰীতাৰ্থকতা (antonymy): বিপৰীত অৰ্থ থকা শব্দৰ জোৰা। যেনে, দিন-ৰাতি; গৰম-ঠাণ্ডা, ডাঙৰ-সৰু।
- অনেকাৰ্থকতা (polysemy): একাধিক সম্পৰ্কিত অৰ্থ থকা শব্দ। যেনে, 'মানুহ'ৰ অৰ্থ হ'ব পাৰে 'মানুহ প্ৰজাতি' বা 'এজন পুৰুষ ব্যক্তি'।

**আত্মমূল্যায়ন প্ৰশ্ন**

1. শব্দাৰ্থ বিশ্লেষণ (lexical semantic analysis) আৰু শব্দ-সংযুতিৰ অৰ্থ বিশ্লেষণ (compositional semantic analysis)ৰ মাজত পাৰ্থক্য কি?
2. কম্পিউটাৰে কোনো প্ৰসংগত শব্দ এটাৰ অৰ্থ কেনেকৈ নিৰ্ণয় কৰে?
3. শব্দাৰ্থৰ অস্পষ্টতা নিৰসন (Word sense disambiguation) কি? ই কিয় গুৰুত্বপূৰ্ণ?
4. অৰ্থ বিশ্লেষণত অস্পষ্টতা কিয় এক ডাঙৰ প্ৰত্যাহ্বান?

5. অৰ্থগত বিশ্লেষণে প্ৰাকৃতিক ভাষা বুজিবলৈ আৰু NLP প্ৰয়োগ উন্নত কৰাত কেনেদৰে সহায় কৰে আলোচনা কৰক।

## ৪.৪ বাক্ একত্ৰীকৰণ (Discourse Integration)

বাক্ একত্ৰীকৰণ বুলিলে প্ৰসংগবোধ লাভ কৰা প্ৰক্ৰিয়াটোক সাধাৰণতে বুজোৱা হয় । কোনো পাঠ বা কথোপকথনত পৃথক পৃথক বাক্যবোৰ একে প্ৰসংগত সংযুক্ত হৈ এক সামগ্ৰিক অৰ্থ গঠন কৰে। সেই সামগ্ৰিক অৰ্থ বুজিবলৈ বাক্যবোৰৰ মাজৰ আন্তঃসম্পৰ্ক আৰু প্ৰসঙ্গগত যোগসূত্ৰ চিনি পোৱাটো অত্যন্ত প্ৰয়োজনীয়। অৰ্থাৎ, প্ৰতিটো বাক্যৰ অৰ্থ কেৱল সেই বাক্যটোৰ ভিতৰতে সীমাবদ্ধ নহয়, বৰঞ্চ ই পূৰ্বৱৰ্তী আৰু পৰৱৰ্তী বাক্যৰ সৈতে প্ৰসংগতভাৱে জড়িত থাকে। এই আন্তঃসম্পৰ্কবোৰক বিশ্লেষণ আৰু স্থাপন কৰাৰ প্ৰক্ৰিয়াটোকেই বাক্ একত্ৰীকৰণ বোলে।

এই পৰ্যায়ত পাঠটোৰ ভিতৰত থকা প্ৰতিটো বাক্যাংশ, শব্দ বা নামবাচক সত্তা উপযুক্ত প্ৰসংগত উল্লেখ হৈছে নে নাই, তাক নিৰ্ণয় কৰা হয়। যেনে, "ৰামে সেইটো বিচাৰে।" এই বাক্যটোত "সেইটো" শব্দটোৰ একো স্পষ্ট উল্লেখ নাই। ই বাস্তৱতে এটা pronoun (সৰ্বনাম), যি আগৰ কোনো বাক্যত উল্লেখিত বস্তু, বিষয় বা ঘটনাক বুজাইছে। যদি পূৰ্ববৰ্তী বাক্যত "সেইটো"য়ে কি বুজাইছে সেয়া উল্লেখ নকৰা হয়, তেন্তে বাক্যৰ অৰ্থ অস্পষ্ট হৈ পৰে। সেয়ে বাক্ একত্ৰীকৰণে আগৰ বাক্যবোৰৰ সৈতে সম্বন্ধ স্থাপন কৰি এনে সৰ্বনামবোৰৰ অৰ্থ স্পষ্ট কৰে।

বাক্ একত্ৰীকৰণত কেৱল বাক্য গঠন (syntax) আৰু অৰ্থ (semantics) বিশ্লেষণৰ কথাই নহয়; ইয়াত discourse structure (বাক্যসমূহৰ বিন্যাস), co-reference resolution (একেটা বস্তু বা সত্তাৰ পুনঃউল্লেখ চিনাক্তকৰণ), coherence (সংহতি), আৰু cohesion (সংযুক্তি) আদি দিশবোৰো বিবেচনা কৰা হয়। ই কৃত্ৰিম বুদ্ধিমত্তাক পাঠটোৰ সামগ্ৰিক অৰ্থ বুজিবলৈ সক্ষম কৰি তোলে। বাক্ একত্ৰীকৰণ প্ৰয়োগ হোৱা ক্ষেত্ৰসমূহ বহুবিধ, যেনে, তথ্য নিষ্কৰ্ষণ (Information Extraction), কথোপকথন বিশ্লেষণ (Conversation Analysis), পাঠৰ সাৰাংশ নিৰ্ণয় (Text Summarization), বাক্ বিশ্লেষণ (Discourse Analysis), চেটবট (Chatbot) আৰু সংলাপ ব্যৱস্থাপ্ৰণালী (Dialogue Systems) ইত্যাদি। উদাহৰণ স্বৰূপে, যদি এজন ব্যৱহাৰকাৰীয়ে চেটবটক কয়–"মই কালি এখন কিতাপ ক্ৰয় কৰিলোঁ।" আৰু তাৰ পিছত কয়– "সেইখন ভাল লাগিল।" তেতিয়া চেটবটে বুজিব লাগিব যে "সেইখন" বুলি কোৱা

হৈছে “কিতাপখন”-ক। এইধৰণৰ প্ৰসংগভিত্তিক বোধ, যি মানুহৰ বাবে স্বাভাৱিক, কম্পিউটাৰৰ বাবে জটিল। এই সমস্যা সমাধান কৰিবলৈ বাক্ একত্ৰীকৰণ এক অত্যন্ত প্ৰয়োজনীয় পৰ্যায়।

বাক্ একত্ৰীকৰণৰ দ্বাৰা কম্পিউটাৰ প্ৰণালীবোৰে কেৱল বাক্যবোৰৰ পৃথক অৰ্থ বুজায়ে নহয়, ই একে প্ৰসংগত সংযুক্ত হৈ থকা সামগ্ৰিক কথোপকথনৰ গভীৰ অৰ্থও চিনাক্ত কৰিব পাৰে। সেয়ে ই স্বাভাৱিক ভাষা প্ৰক্ৰিয়াকৰণৰ এক অত্যন্ত প্ৰাসংগিক আৰু মৌলিক অংগ।

**Self-Evaluation Questions (আত্মমূল্যায়ন প্ৰশ্ন)**

১. বাক্ একত্ৰীকৰণে সংলাপ ব্যৱস্থাপ্ৰণালী (dialogue systems) আৰু চেটবট (chatbot)ৰ পৰিৱেশনত কেনে প্ৰভাৱ পেলায়?

২. বাক্ একত্ৰীকৰণে পাঠ্য প্ৰক্ৰিয়াকৰণত সুসংহতি বজাই ৰখাত কেনেকৈ সহায় কৰে?

### ৪.৫ প্ৰসংগাৰ্থ বিশ্লেষণ (Pragmatic Analysis)

সকলো ব্যাকৰণগত আৰু বাক্যগত বিশ্লেষণ সম্পূৰ্ণ হোৱাৰ পিছতো বহুক্ষেত্ৰত বাক্যৰ অৰ্থ সম্পূৰ্ণৰূপে বুজা নাযায় যদি ইয়াক বাস্তৱ পৃথিৱীৰ প্ৰসংগত পুনৰ মূল্যায়ন কৰা নহয়। এইখিনিতে প্ৰসংগাৰ্থ বিশ্লেষণৰ প্ৰয়োজনীয়তা দেখা দিয়ে। প্ৰসংগাৰ্থ বিশ্লেষণ হৈছে এনে এটা ভাষিক বিশ্লেষণ, য'ত সাধাৰণ জ্ঞান (common-sense knowledge), বাস্তৱ জগতৰ পৰিস্থিতি (real-world context), আৰু বক্তাৰ উদ্দেশ্য বিবেচনা কৰি বাক্যটোৰ ব্যৱহাৰযোগ্যতা আৰু আচল অৰ্থ পুনৰ ব্যাখ্যা কৰা হয়।

উদাহৰণস্বৰূপে, “দুখীয়াৰ দুখ বুজে কোনে?” এই বাক্যটো যদি আমি চাওঁ, আক্ষৰিকভাৱে বাক্যটোৱে যেন এজন দুখীয়া মানুহৰ বিষাদ কেৱল কোনে অনুভৱ কৰে সেয়া জানিব বিচাৰিছে। কিন্তু বাস্তৱত ইয়াৰ উদ্দেশ্য একেবাৰে বেলেগ। ই এটা আলংকাৰিক (rhetorical) প্ৰশ্ন, যাৰ জৰিয়তে বক্তাই দুখীয়াৰ দুৰ্দশাক আওকাণ কৰা সমাজৰ প্ৰতি আক্ষেপ প্ৰকাশ কৰিছে। এই আভ্যন্তৰীণ অৰ্থ বা প্ৰকৃত উদ্দেশ্য বুজিবলৈ পাঠৰ বাহিৰৰ জ্ঞান, সংস্কৃতি, সামাজিক অভ্যাস, আৰু কথনভংগীৰ বোধ থকা আৱশ্যক।

এই ধৰণৰ বিশ্লেষণত NLP প্ৰণালীয়ে বাক্যটোৰ আক্ষৰিক অৰ্থৰ বাহিৰে প্ৰসংগ (context), বক্তাৰ মনোভাৱ (speaker's intention), আৰু সেই ভাষিক

অভিব্যক্তি প্ৰয়োগ হোৱা পৰিস্থিতিৰ (situational context) ওপৰত মনকাণ দিয়ে। সেয়ে, প্ৰসংগাৰ্থ বিশ্লেষণত নিম্নলিখিত দিশবোৰ বিবেচনা কৰা হয়:

- **সাধাৰণ জ্ঞান আৰু বাস্তৱ জগতৰ তথ্য ব্যৱহাৰ:** বাক্যটোৰ বেলেগ বা সূক্ষ্ম অৰ্থ বুজিবলৈ ভাষাৰ বাহিৰৰ জ্ঞানৰ প্ৰয়োগ।
- **বক্তাৰ উদ্দেশ্য বা অভিপ্ৰায় চিনাক্তকৰণ:** প্ৰশ্ন, আদেশ, অনুৰোধ, বক্ৰোক্তি ইত্যাদি চিনাক্ত কৰা।
- **সামাজিক আৰু সাংস্কৃতিক প্ৰসংগ:** সমাজত ব্যৱহৃত কথোপকথনৰ নিয়ম আৰু অভ্যাস বিবেচনা কৰা।
- **অভিপ্ৰেত ব্যাখ্যা (intended interpretation):** বাক্যটোৰ পাঠক বা শ্ৰোতাই কিদৰে অৰ্থ বুজিব, সেই সম্ভাব্য ব্যাখ্যাৰ মূল্যায়ন।

প্ৰসংগাৰ্থ বিশ্লেষণৰ এনে উপযোগিতা বিভিন্ন NLP প্ৰয়োগত দেখা যায়। বিশেষকৈ আবেগ বিশ্লেষণ (Sentiment Analysis), sarcasm detection, chatbot interaction, opinion mining, আৰু human-computer communicationত ইয়াৰ প্ৰয়োগ একেবাৰে কেন্দ্ৰীয়। সেয়ে, প্ৰসংগাৰ্থ বিশ্লেষণ হৈছে ভাষা-বিশ্লেষণৰ সেই স্তৰ, য'ত "কি কোৱা হৈছে"ৰ উপৰিও "কিয় কোৱা হৈছে", "কাৰ বাবে কোৱা হৈছে", "কেতিয়া আৰু ক'ত কোৱা হৈছে"—এই সকলো প্ৰশ্নৰ উত্তৰ বিচৰা হয়। ই যোগাযোগৰ সূক্ষ্মতা আৰু বাস্তৱিকতা উপলব্ধি কৰাৰ এক অত্যন্ত জটিল কিন্তু প্ৰয়োজনীয় প্ৰক্ৰিয়া, যাৰ সহায়ত কম্পিউটাৰ প্ৰণালীৰ ভাষা বুজা অধিক মানবীয় আৰু প্ৰাসংগিক হয়।

**আত্মমূল্যায়ন প্ৰশ্ন**

১. NLP-য়ে বক্তাৰ উদ্দেশ্যক আক্ষৰিক অৰ্থৰ বাহিৰত কেনেকৈ বুজিবলৈ চেষ্টা কৰে?

২. অৰ্থৰ ব্যাখ্যাত প্ৰসংগই কি ভূমিকা পালন কৰে?

৩. NLP-ৰ বিকাশত প্ৰসংগাৰ্থ বিশ্লেষণৰ ভূমিকা ব্যাখ্যা কৰক।

### ৪.৬ স্বাভাৱিক ভাষা সংসাধনত অসমীয়া ভাষাৰ স্থিতি:

স্বাভাৱিক ভাষা সংসাধন ক্ষেত্ৰত অসমীয়া ভাষা এতিয়াও বিকাশশীল আৰু তুলনামূলকভাৱে পিছ পৰা। ইংৰাজী, হিন্দী, বা চীনা ভাষাৰ দৰে সম্পদসমৃদ্ধ ভাষাবোৰৰ তুলনাত অসমীয়া এটা কম সম্পদশালী (low-resource language)

হিচাপে গণ্য ভষা, যাৰ বাবে ইয়াৰ NLP ভিত্তিক প্ৰযুক্তিসমূহ গঢ়ি তোলাটো অধিক জটিল আৰু সময়সাপেক্ষ হৈ আছে। তলত অসমীয়া ভাষাৰ NLP-ৰ বৰ্তমান অৱস্থা, প্ৰত্যাহ্বানসমূহ, আৰু সম্ভাৱনাবোৰ আলোচনা কৰা হ'ল:

**ক। সম্পদৰ অভাৱ:**

অসমীয়া ভাষাৰ বাবে ডিজিটেল ভাষিক সম্পদৰ অভাৱ স্পষ্ট।

- Annotated corpus (টীকাকৃত কৰ্পৰা) যেনে part-of-speech (PoS) টেগ কৰা তথ্য, বাক্য parsing, বা মেচিন অনুবাদৰ বাবে প্ৰয়োজনীয় parallel corpus অতি সীমিত।
- আভিধানিক সম্পদ (Lexical resources) যেনে- ডিজিটেল অভিধান, WordNet, বা morphological analyser-(ৰূপতাত্ত্বিক বিশ্লেষক)ৰ বিকাশ আৰম্ভ হৈছে যদিও উন্নত বা ব্যাপকভাৱে ব্যৱহাৰযোগ্য হোৱা নাই।

এইবোৰ অভাৱই অসমীয়া ভাষাত কাৰ্যকৰী NLP প্ৰণালী বিকাশত বাধা সৃষ্টি কৰে।

**খ। বৰ্তমানৰ গৱেষণা আৰু প্ৰযুক্তি:**

তথাপি বিভিন্ন গৱেষণা প্ৰতিষ্ঠান আৰু চৰকাৰী উদ্যোগৰ জৰিয়তে অসমীয়া ভাষাত কিছু মৌলিক NLP টুল উন্নয়ন হোৱা দেখা গৈছে। বিশেষকৈ আই আই টি গুৱাহাটী, গুৱাহাটী বিশ্ববিদ্যালয়, তেজপুৰ বিশ্ববিদ্যালয়, আৰু TDIL (Technology Development for Indian Languages)-ৰ দৰে গৱেষণা আৰু চৰকাৰী প্ৰতিষ্ঠানসমূহৰ জৰিয়তে-

- POS tagger, Named Entity Recognizer (NER), আৰু মৌলিক tokenizer আদি কিছু সঁজুলি ইতিমধ্যে সৃষ্টি হৈছে।
- অসমীয়া-ইংৰাজী বা অসমীয়া-হিন্দী যন্ত্ৰ অনুবাদ প্ৰণালী উপলব্ধ যদিও যথেষ্ট parallel corpus আৰু উচ্চ মানদণ্ডৰ semantic tool-ৰ অভাৱত এইবোৰৰ সঠিকতা সীমিত।
- অসমীয়া ভাষাক কিছুমান বহুভাষিক ট্ৰেন্সফৰ্মাৰ মডেল (multilingual transformer model) যেনে- IndicBERT, MuRIL, আৰু AI4Bharat-ৰ NLP toolkit-ত অন্তৰ্ভুক্ত কৰা হৈছে।

**গ। গৱেষণা আৰু শৈক্ষিক আগ্ৰহ:**

- অসমীয়া বাক্যবিন্যাস বিশ্লেষণ, ৰূপতাত্ত্বিক বিশ্লেষণ, পাঠ্য শ্ৰেণীবিভাজন, আৱেগ বিশ্লেষণ আদি বিষয়ত ইতিমধ্যে কিছুমান গৱেষণা সম্পন্ন হৈছে।

- তথাপিও অসমীয়াৰ NLP ভিত্তিক প্ৰণালীবোৰ মূল্যায়নৰ বাবে মানক মাপকাঠী (standard benchmark) (যেনে GLUE benchmark) এতিয়ালৈকে নিৰ্ধাৰিত হোৱা নাই, যাৰ ফলত বিভিন্ন পদ্ধতি আৰু মডেলৰ তুলনামূলক বিশ্লেষণ কঠিন।

**ঘ। প্ৰধান প্ৰত্যাহ্বানসমূহ:**

অসমীয়া ভাষাৰ NLP-ৰ ক্ষেত্ৰত কেইবাটাও উল্লেখযোগ্য প্ৰত্যাহ্বানে প্ৰাকৃতিক ভাষা সংসাধনৰ বিকাশত বাধাৰ সৃষ্টি কৰিছে। অসমীয়াৰ লিপি আৰু অক্ষৰপ্ৰক্ৰিয়া অতি জটিল—এই ভাষাত বহু ligature (যুক্তাক্ষৰ) আৰু অযোগবাহ বা বিশেষক চিহ্নৰ ব্যৱহাৰ আছে। ইয়াৰ ফলত OCR (Optical Character Recognition) আৰু পাঠ সংসাধনত (text processing) অসুবিধাৰ সৃষ্টি হয়। তদুপৰি, অসমীয়া হৈছে ৰূপতাত্ত্বিকভাৱে সমৃদ্ধ ভাষা, য'ত শব্দবোৰে বহু ধৰণে বিভক্তি আৰু প্ৰত্যয় গ্ৰহণ কৰে। এই ৰূপতাত্ত্বিক জটিলতাই NLP সঁজুলিৰ বাবে শব্দ চিনাক্তকৰণ আৰু বিশ্লেষণ কঠিন কৰি তোলে।

এই ভাষাৰ বিভিন্ন উচ্চাৰণভেদ আৰু উপভাষাও এক বিশেষ সমস্যা বিশেষকৈ Spoken NLP, Speech-to-Text, আৰু Text-to-Speech ব্যৱস্থাত উপভাষাগত ভিন্নতাৰ ফলত একেটা শব্দ বা বাক্যই ভিন্ন ৰূপত উচ্চাৰিত বা ব্যৱহৃত হ'ব পাৰে আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ বাবে তাক সঠিকভাৱে ব্যাখ্যা কৰাটো কঠিন হৈ পৰে। ইয়াৰ উপৰিও, অসমীয়াৰ NLP বিকাশৰ ক্ষেত্ৰত প্ৰতিষ্ঠানিক সহযোগিতা আৰু মুক্ত উৎসৰ সমলৰ (open-source resource) অভাৱও উল্লেখযোগ্য। যথেষ্ট টীকাকৃত কৰ্পৰা, প্ৰামাণিক ডাটাছেট, আৰু ৰাজহুৱাভাৱে উপলব্ধ সঁজুলি নথকাৰ ফলত NLP গৱেষণা আৰু বিকাশ অধিক কঠিন হৈ পৰে। মুঠতে এই প্ৰত্যাহ্বানসমূহে অসমীয়া ভাষাৰ বাবে NLP-ৰ শক্তিশালী ভেটি গঢ়ি তোলাৰ বাবে এক সুসংগঠিত আৰু দীৰ্ঘম্যাদি প্ৰচেষ্টাৰ প্ৰয়োজনীয়তাৰ দিশটোকে আঙুলিয়াই দিয়ে।

**ঙ। ভৱিষ্যৎ সম্ভাৱনা:**

অসমীয়া ভাষাৰ ক্ষেত্ৰত কম্পিউটাৰগত ভাষাবিজ্ঞানৰ ভৱিষ্যৎ সম্ভাৱনা বিশাল আৰু আশাব্যঞ্জক। এই ক্ষেত্ৰখনত উদ্ভাৱন আৰু গৱেষণাৰ বাবে এক উৰ্বৰ ভূমি আছে। বৰ্তমান সময়ত অসমীয়া NLP-ৰ বিকাশৰ বাবে কিছু গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা অতি প্ৰয়োজনীয়। প্ৰথমতে ক'বলৈ গ'লে, ভাষিক তথ্য সম্পদৰ অভাৱ পূৰণৰ বাবে বিস্তৃত গণ-সহযোগ crowdsourcing, নাগৰিক বিজ্ঞান (citizen science), আৰু শৈক্ষিক সহযোগিতা (academic collaboration)-ৰ

জৰিয়তে টীকাকৃত ডাটা সংগ্ৰহ এক ফলপ্ৰসূ উপায় হ'ব পাৰে। তদুপৰি অসমৰ বিশ্ববিদ্যালয়সমূহত কম্পিউটাৰ বিজ্ঞানৰ সৈতে ভাষা অধ্যয়ন একত্ৰিত কৰিলে ছাত্ৰ-ছাত্ৰীৰ মাজত আগ্ৰহ সৃষ্টি আৰু বিশেষজ্ঞতা বিকাশত সহায়ক হ'ব পাৰে। অসমীয়াৰ বাবে স্বয়ংক্ৰিয় অনুবাদ ব্যৱস্থা, বাক্ চিনাক্তকৰণ সঁজুলি, আৰু বাক্‌ভিত্তিক ডিজিটেল সহায়ক প্ৰয়োগ (speech-based digital applications) নিৰ্মাণৰ বিশাল সম্ভাৱনা আছে। ইয়াৰ উপৰিও স্থানীয় ভাষা ভিত্তিক চেটবট, ডিজিটেল অভিধান, আৰু পাঠ বিশ্লেষক আদি সঁজুলিও প্ৰস্তুত কৰা সম্ভৱ। এনে সমন্বিত প্ৰচেষ্টাৰ জৰিয়তে অসমীয়াক ডিজিটেল যুগত অধিক দৃশ্যমান আৰু প্ৰযুক্তিগতভাৱে সক্ষম কৰি তুলিব পৰা যাব।

**আত্মমূল্যায়ন প্ৰশ্ন**

1. NLP-ত অসমীয়াক কিয় কম সম্পদৰ ভাষা বুলি গণ্য কৰা হয় বুজাই লিখক ?
2. অসমীয়াৰ বাবে NLP ব্যৱস্থা গঢ়ি তোলাৰ ক্ষেত্ৰত কি কি প্ৰধান প্ৰত্যাহ্বান দেখা যায় ?
3. NLP-য়ে অসমীয়া ভাষা ব্যৱহাৰ কৰা সকলক দৈনন্দিন জীৱনত কেনেদৰে উপকৃত কৰিব পাৰে বুলি আপুনি ভাবে ?
4. অসমীয়াৰ বাবে NLP ব্যৱস্থাৰ বিকাশত আপুনি বা আপোনাৰ প্ৰতিষ্ঠানে কিদৰে অৰিহণা যোগাব পাৰে ?
5. ডিজিটেল যুগত ভাষা সংৰক্ষণ আৰু সমৃদ্ধিৰ বাবে অসমীয়া NLP-ৰ বিকাশক আপুনি গুৰুত্বপূৰ্ণ বুলি ভাবেনে ? কিয় ?

## ৪.৭ সাৰাংশ (Summing Up)

এই অধ্যায়ত ভাষাৰ অৰ্থ, প্ৰসংগ আৰু প্ৰসংগাৰ্থৰ বিশ্লেষণ সন্দৰ্ভত আলোচনা কৰা হৈছে। প্ৰথমে শব্দ, বাক্য আৰু পাঠৰ অৰ্থ চিনাক্ত কৰাৰ প্ৰক্ৰিয়া, অৰ্থ-বিশ্লেষণ (semantic analysis) বুজোৱা হৈছে। ইয়াত Word Sense Disambiguation, Named Entity Recognition আৰু Semantic Role Labeling আদিৰ কথা উল্লেখ কৰা হৈছে। শব্দসমূহৰ মাজত থকা সম্বন্ধ যেনে- সমাৰ্থক, বিপৰীতাৰ্থক, ইত্যাদি চিনাক্তকৰণৰ প্ৰয়োজনীয়তা বুজোৱা হৈছে। বাক্যসমূহ কিদৰে পৰস্পৰৰ সৈতে জড়িত হৈ বৃহৎ প্ৰসংগ গঠন কৰে, সেই বিষয়ে বাক্ একত্ৰীকৰণ (discourse integration)ত আলোচনা কৰা হৈছে। ইয়াত সহ-

উল্লেখ, প্ৰসংগগত সম্পৰ্ক, আৰু বাক্যৰ সংহতিৰ কথাও প্ৰকাশ পাইছে। প্ৰসংগাৰ্থ বিশ্লেষণ (pragmatic analysis) অংশত ভাষাৰ আক্ষৰিক অৰ্থৰ উপৰিও বক্তাৰ উদ্দেশ্য, বাস্তৱ জ্ঞান আৰু সামাজিক প্ৰসংগৰ সহায়ত বাক্যৰ প্ৰকৃত অৰ্থ বুজাৰ প্ৰয়াস আলোচনা কৰা হৈছে। বক্ৰোক্তি, ভাব-প্ৰকাশ, কটাক্ষ আদি চিনাক্ত কৰাৰ বাবে এই বিশ্লেষণ ব্যৱহৃত হয়।

এই সকলোবোৰ দিশে NLP-ৰ নানা প্ৰয়োগক্ষেত্ৰত– যেনে চেটবট, স্বয়ংক্ৰিয় অনুবাদ, মনোভাৱ বিশ্লেষণ ইত্যাদিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। অধ্যায়ৰ শেষভাগত অসমীয়া ভাষাৰ NLP-ৰ বৰ্তমান অৱস্থা, প্ৰত্যাহ্বান আৰু সম্ভাৱনাৰ কথা বুজোৱা হৈছে।

সামৰণিত ক’ব পাৰি যে, ভাষাৰ অৰ্থ আৰু প্ৰসংগৰ বিশ্লেষণ কেৱল তাত্বিক ভাষাবিজ্ঞানৰ বাবে নহয়, বৰঞ্চ ই যান্ত্ৰিক ভাষা প্ৰক্ৰিয়াকৰণ তথা অঞ্চলভিত্তিক ভাষাৰ ডিজিটেলীকৰণৰ ক্ষেত্ৰতো অত্যন্ত গুৰুত্বপূৰ্ণ। অসমীয়া ভাষাৰ বাবে এই দিশসমূহ উন্নয়ন কৰাটো ভাষা সংৰক্ষণৰ লগতে সমকালীন ব্যৱহাৰৰ ক্ষেত্ৰতো এক আশাব্যঞ্জক পদক্ষেপ হ’ব।

### ৪.৮ সামৰণি

প্ৰায়োগিক ভাষাবিজ্ঞানৰ এই খণ্ডত কম্পিউটাৰগত ভাষাবিজ্ঞানৰ মৌলিক ধাৰণাসমূহ আৰু ইয়াৰ প্ৰাসংগিকতাৰ এক আভাস প্ৰদান কৰা হৈছে। ইয়াত NLP-ৰ বিভিন্নৰ প্ৰয়োগ বাবে ভাষিক জ্ঞান আৰু কৌশল কেনেদৰে প্ৰয়োগ কৰা হয়, সেই বিষয়ে এটি আলোচনা আগবঢ়োৱা হৈছে। খণ্ডৰ প্ৰথম বিভাগত কম্পিউটাৰগত ভাষাবিজ্ঞান আৰু স্বাভাৱিক ভাষা সংসাধন (NLP), দৈনন্দিন জীৱনত ইয়াৰ প্ৰয়োগ আৰু NLP-ৰ বিকাশৰ এটি চমু ইতিহাসৰ পৰিচয় দিয়া হৈছে। তাৰ পিছত আমি দেখিলোঁ স্বাভাৱিক ভাষা সংসাধনত কেনেদৰে বিভিন্ন ভাষিক সীমাবদ্ধতা আৰু অসুবিধা থাকে যিবোৰ কেৱল ভাষাৰ এটা বৈজ্ঞানিক জ্ঞানৰ প্ৰয়োগেৰেহে সমাধান কৰিব পাৰি। আমি আলোচনা কৰিলোঁ NLP-ৰ বাবে ভাষা আৰু ভাষাবিজ্ঞানৰ জ্ঞান কেনেদৰে গুৰুত্বপূৰ্ণ। ইয়াত শব্দ গঠন, বাক্য গঠনৰ বিশ্লেষণ, অৰ্থগত উপস্থাপন আৰু ভাষিক তত্ত্ব, যেনে উৎপাদক ব্যাকৰণৰ বিষয়ে অন্তৰ্দৃষ্টি প্ৰদান কৰি ভাষাবিজ্ঞানে NLP-ত কেনেদৰে অৰিহণা যোগায় সেই বিষয়ে ব্যাখ্যা কৰা হৈছে। প্ৰসংগমুক্ত ব্যাকৰণ আৰু পদচ্ছেদন বাক্যগত বিশ্লেষণৰ বাবে অপৰিহাৰ্য আহিলা হিচাপে আলোচনা কৰা হৈছে। লগতে, অৰ্থবিজ্ঞান, প্ৰসংগাৰ্থ বিশ্লেষণ আৰু বাক্ বিশ্লেষণ কিদৰে NLP-ত গুৰুত্বপূৰ্ণ তাৰ বিষয়ো চমুকৈ

আলোচনা কৰা হৈছে। শেষত, ভাষা প্ৰযুক্তিৰ ক্ষেত্ৰত অসমীয়া ভাষাৰ স্থিতিৰ এটি বিশ্লেষণ কৰা হ'ল।

আধুনিক সময়ত গণনামূলক ভাষাবিজ্ঞানৰ ভূমিকা অপৰিসীম। কৃত্ৰিম বুদ্ধিমত্তাৰ (AI) যুগত ভাষাক প্ৰযুক্তিৰ সৈতে সংযুক্ত কৰাৰ ক্ষেত্ৰত NLP-য়ে মুখ্য ভূমিকা গ্ৰহণ কৰিছে। চৰ্চিত ডিজিটেল সহায়ক (যেনে Siri, Google Assistant), অনুবাদ ব্যৱস্থা, ভাষা ভিত্তিক চাৰ্চ ইঞ্জিন (search engine), আৰু চেটবট (chatbot) আদি ব্যৱস্থাসমূহ NLP-ৰ বাস্তৱ প্ৰয়োগৰ উৎকৃষ্ট উদাহৰণ।

অসমীয়া ভাষাৰ বাবে NLP-ৰ পৰিসৰ বিশাল। স্থানীয় ভাষাৰ বাবে ডিজিটেল সম্পদ তৈয়াৰ কৰা, স্বয়ংক্ৰিয় অনুবাদ ব্যৱস্থা বিকশিত কৰা, উন্নত অভিধান নিৰ্মাণ কৰা, আৰু বাক্-ভিত্তিক প্ৰযুক্তি গঢ়ি তোলাৰ ক্ষেত্ৰত গণনামূলক ভাষাবিজ্ঞানে বহুখিনি অৰিহণা যোগাব পাৰে। এতিয়ালৈকে NLP-ৰ গৱেষণা মূলত বিশ্বৰ প্ৰধান ভাষাবোৰকে কেন্দ্ৰ কৰি আগবাঢ়িছে যদিও এতিয়া অসমীয়াৰ দৰে ভাষিকভাৱে সমৃদ্ধ আৰু বৈচিত্ৰ্যপূৰ্ণ ভাষাবোৰৰ ক্ষেত্ৰত NLP-ৰ ব্যুৎপত্তিমূলক অধ্যয়ন আৰম্ভ হৈছে।

সেয়ে, ভাষা অধ্যয়ন আৰু প্ৰযুক্তিৰ সংমিশ্ৰণ হিচাপে গণনামূলক ভাষাবিজ্ঞানক ধৰা যায় এখন সেতুৰূপে-যি ভাষাৰ সাংগঠনিক সূক্ষ্মতা আৰু কম্পিউটাৰৰ গণনামূলক শক্তিক একত্ৰিত কৰে। অসমীয়াৰ দৰে ভাষাসমূহক ডিজিটেল মূলসুঁতিলৈ অনাৰ বাবে এই ক্ষেত্ৰখনৰ অধ্যয়ন আৰু গৱেষণা কেৱল প্ৰাসংগিকেই নহয় বৰঞ্চ অপৰিহাৰ্যও।

**৪.৯ সংজ্ঞাৰ তালিকা:**

- **Citizen science:** ই কোনো বৈজ্ঞানিক গৱেষণাত সাধাৰণ লোকৰ অংশগ্ৰহণক বুজায়। তথ্য সংগ্ৰহ, বিশ্লেষণকে ধৰি গৱেষণাৰ অন্যান্য ক্ষেত্ৰত সাধাৰণ নাগৰিকৰ অংশগ্ৰহণক ই সামৰি লয়।
- **Corpus/Corpora:** লিখিত বা কথিত ভাষাৰ বৃহৎ সংগ্ৰহ, যি সাধাৰণতে কম্পিউটাৰে পঢ়িব পৰা আৰ্হিত সংৰক্ষণ কৰা হয় আৰু ভাষাৰ বিশ্লেষণত ব্যৱহাৰ হয়।
- **Entity**: এটা স্বতন্ত্ৰ বস্তু বা ধাৰণা, যিটো প্ৰসংগৰ ভিতৰত চিনাক্ত আৰু উল্লেখ কৰিব পৰা যায় (যেনে: ব্যক্তি, স্থান, সংস্থা ইত্যাদি)।

- **Parallel Corpora:** একে পাঠৰ একাধিক ভাষাত অনূদিত ৰূপ, যাক sentence alignment কৰি তুলনামূলক বা অনুবাদ বিশ্লেষণত ব্যৱহাৰ কৰা হয়।
- **Program:** কম্পিউটাৰক এটা নিৰ্দিষ্ট কাম কৰিবলৈ দিয়া নিৰ্দেশনাৰ গোট।
- **Token:** এটা পাঠ বা তথ্যক ক্ষুদ্ৰ একক (শব্দ, বিৰাম চিহ্ন ইত্যাদি) হিচাপে ভাঙি লোৱা উপাদান।
- **Tagger:** এটা প্ৰগ্ৰেম বা সঁজুলি, যিয়ে পাঠৰ শব্দসমূহক grammatical tag (যেনে: noun, verb, adjective) দিয়ে।

## ৪.১০ গ্ৰন্থপঞ্জী (References and Suggested Readings)


1. Allen, J. (1995). *Natural language understanding.* Benjamin-Cummings Publishing Co., Inc.
2. Bender, E. M., & Langendoen, D. T. (2010). Computational linguistics in support of linguistic theory. *Linguistic Issues in Language Technology, 3.*
3. Bose, R. (2004). Natural Language Processing: Current state and future directions. *International Journal of the Computer, the Internet and Management, 12*(1), 1-11.
4. Fasold, R., Connor-Linton, J. (2006). *An Introduction to Language and Linguistics.* United States: Cambridge University Press.
5. Hausser, R. (2001). *Foundations of computational linguistics.* Springer-Verlag Telos.
6. Hays, D. G. (1967). *Introduction to computational linguistics* (Vol. 2). Macdonald & Company.
7. Jones, K. S. (1994). Natural language processing: a historical review. *Current issues in computational linguistics: in honour of Don Walker*, 3-16.

8. Jurafsky, D. (2000). *Speech & language processing.* Pearson Education India.

9. Khurana, D., Koli, A., Khatter, K., & Singh, S. (2023). Natural language processing: State of the art, current trends and challenges. *Multimedia tools and applications*, *82*(3), 3713-3744.

10. Manning, C., & Schutze, H. (1999). *Foundations of statistical natural language processing.* MIT press.

11. Wilks, Y. (1996). Natural language processing. *Communications of the ACM*, *39*(1), 60-62.

12. বৰা, লীলাৱতী শইকীয়া, (২০১৫), *অসমীয়া ভাষাৰ ৰূপতত্ত্ব,* বনলতা, গুৱাহাটী

13. শৰ্মা, অনুৰাধা, (২০২০*), ভাষাবিজ্ঞান আৰু অসমীয়া ভাষাৰ,* বান্ধৱ, গুৱাহাটী

*****

## দ্বিতীয় খণ্ড ঃ

প্ৰথম বিভাগ ঃ বাক্‌ধাৰাৰ সংজ্ঞা আৰু গঠন
দ্বিতীয় বিভাগ ঃ বাক্‌ধাৰা বিশ্লেষণৰ দৃষ্টিভংগী
তৃতীয় বিভাগ ঃ কথন বিশ্লেষণ
চতুৰ্থ বিভাগ ঃ কথোপকথন বিশ্লেষণ

# প্ৰথম বিভাগ
# বাক্‌ধাৰাৰ সংজ্ঞা আৰু গঠন

**বিভাগৰ গঠনঃ**

১.১ ভূমিকা (Introduction)
১.২ উদ্দেশ্য (Objectives)
১.৩ বাক্‌ধাৰা আৰু বাক্‌ধাৰা বিশ্লেষণ
১.৪ বাক্‌ধাৰা আৰু বাক্‌ধাৰা বিশ্লেষণৰ সংজ্ঞা
১.৫ বাক্‌ধাৰা বিশ্লেষণৰ গাঁথনি
  ১.৫.১ বাক্‌ধাৰাৰ সংযুক্তি
  ১.৫.২ বাক্‌ধাৰাৰ অৰ্থৰ একসূত্ৰিতা বা সংহতি
  ১.৫.৩ কথিত আৰু লিখিত বাক্‌ধাৰাৰ নিৰ্দেশক
  ১.৫.৪ বিষয়ভিত্তিক অগ্ৰগতি
১.৬ সাৰাংশ (Summing Up)
১.৭ আৰ্হি প্ৰশ্ন (Sample Questions)
১.৮ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

## ১.১ ভূমিকা (Introduction)

অতি সাম্প্ৰতিক কালত দ্ৰুতগতিত বিকশিত হোৱা ভাষাবিজ্ঞানৰ সৈতে সম্পৰ্কিত আন্তঃবিষয়িক ক্ষেত্ৰ হৈছে বাক্‌ধাৰা বিশ্লেষণ। ইয়াৰ শেহতীয়া গৱেষণা আৰু অধ্যয়নে অসংখ্য নতুন অথচ ইটোৰে সিটোৰ পৰা বহুত পৃথক বিদ্যায়তনিক শাখাক সামৰি লৈছে। অৱশ্যে প্ৰথমে ভাষাবিজ্ঞান, নৃতত্ব আৰু দৰ্শনৰ দৰে বিদ্যায়তিনক শাখাত বাক্‌ধাৰাক বুজাৰ বাবে আৰ্হি আৰু বিশ্লেষণৰ পদ্ধতি বিকশিত হৈছিল যদিও এতিয়া যোগাযোগ, জ্ঞানমূলক মনোবিজ্ঞান, সামাজিক মনোবিজ্ঞান, আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ দৰে বিদ্যায়তনিক ক্ষেত্ৰয়ো নিজৰ শৈক্ষিক ক্ষেত্ৰৰ ভিতৰৰ সমস্যাসমূহৰ ক্ষেত্ৰত বাক্‌ধাৰা বিশ্লেষণৰ আৰ্হি আৰু পদ্ধতি প্ৰয়োগ কৰি সামগ্ৰিকভাৱে বাকধাৰা বিশ্লেষণৰ পৰিসৰ সম্প্ৰসাৰিত কৰিছে। মূলতঃ এক আন্তবিষয়িক ক্ষেত্ৰ যদিও ভাষাবিজ্ঞান আৰু যোগাযোগ অধ্যয়নত বাকধাৰা এক মৌলিক ধাৰণা। এই ধাৰণাই ভাষাৰ জৰিয়তে অৰ্থ নিৰ্মিত, প্ৰেৰিত আৰু বোধগম্য কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। আন্তঃবিষয়িক বিষয়ৰূপে 'বাক্‌ধাৰা' আৰু 'বাক্‌ধাৰা বিশ্লেষণ' উভয়কে ভিন ভিন পণ্ডিত আৰু ভাষাবিদে সংজ্ঞায়িত কৰাৰ প্ৰয়াস কৰিছে। সামগ্ৰিকভাৱে এই সংজ্ঞাসমূহৰ মাজেৰে বাকধাৰা বিশ্লেষণৰ লক্ষণ আৰু বৈশিষ্ট্য অনুধাৱন কৰিব পাৰি। মন কৰিবলগীয়া যে বাক্‌ধাৰাৰ অধ্যয়নে ব্যক্তিগতভাৱে উৎপাদিত শব্দ আৰু বাক্যৰ বাহিৰলৈ গৈ ভাষাক বাস্তৱ জগতৰ প্ৰসংগত ব্যৱহাৰ কৰা ধৰণে বিবেচনা কৰাৰ পোষকতা কৰে। এই গোটত আমি বাক্‌ধাৰাৰ সংজ্ঞা,

বিভিন্ন দৃষ্টিভংগীৰ পৰা সংজ্ঞাসমূহৰ অৰ্থ, ইয়াৰ ইতিহাস আৰু গঠন সম্পৰ্কে অন্বেষণ কৰা হ'ব।

## ১.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়নৰ পাছত আপোনালোকে—

- বাক্‌ধাৰা আৰু বাক্‌ধাৰা বিশ্লেষণ কি জানিব পাৰিব;
- বাক্‌ধাৰা আৰু বাক্‌ধাৰা বিশ্লেষণক ভিন্ন দৃষ্টিভংগীৰে ভাষাবিদসকলে কিদৰে সংজ্ঞায়িত কৰিছে জানিব পাৰিব;
- বাক্‌ধাৰাৰ গঠন সম্পৰ্কে জানিব পাৰিব;
- বাক্‌ধাৰাৰ গঠনে বাক্‌ধাৰাৰ অৰ্থলৈ কিদৰে অৰিহণা আগবঢ়ায় সেইবিষয়ে জানিব পাৰিব।

## ১.৩ বাক্‌ধাৰা আৰু বাক্‌ধাৰা বিশ্লেষণঃ

মানুহে যোগাযোগ ফলপ্ৰসূভাৱে কৰিবলৈ ভাষাৰ ব্যৱহাৰ কৰে। হাজাৰ হাজাৰ বছৰ ধৰি মানুহে এইদৰে ভাষাৰ জৰিয়তে আন মানুহৰ সৈতে যোগাযোগ সম্পন্ন কৰি আহিছে। বহল অৰ্থত যোগাযোগৰ বেলিকা মানুহৰ দ্বাৰা ব্যৱহৃত ভাষাই হৈছে বাক্‌ধাৰা। ব্যক্তিগত পৰ্যায়ৰ শব্দ আৰু বাক্য ব্যৱহাৰৰ উৰ্ধত গৈ যোগাযোগ সাধনত ভাষাই কেনেদৰে কাম কৰে সেই বিষয়ে বাক্‌ধাৰাই বিবেচনা কৰে। কথিত, লিখিত আৰু বহুমুখী যোগাযোগৰ ৰূপসমূহ বাক্‌ধাৰাৰ বিচাৰাধীন বিষয়ৰূপে আত্মপ্ৰকাশ কৰাৰ সমান্তৰালভাৱে বাকধাৰাই যোগাযোগৰ মাজেৰে অভিপ্ৰেত অৰ্থ, বক্তাৰ পৰিচয় আৰু সামাজিক সম্পৰ্ক গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ইয়াৰ ইংৰাজী পৰিভাষা হৈছে Discourse। এই ইংৰাজী শব্দটোৰ বুৎপত্তি লেটিন ভাষাৰ discurus ৰ পৰা হৈছে, যাৰ অৰ্থ হৈছে "বেগাই অহা-যোৱা কৰা" (running to and from)। অৰ্থাৎ বুৎপত্তিগত অৰ্থয়ো যোগাযোগৰ সময়ত ব্যৱহৃত ভাষাৰ গতিশীল আৰু পাৰম্পৰিক প্ৰকৃতিৰ কথা বুজায়। এনে গতিশীল আৰু ব্যাপক ক্ষেত্ৰত কাৰ্যক্ষম হোৱাৰ বাবে বাক্‌ধাৰাক ভিন ভিন আলোচকে ভিন ভিন দৃষ্টিৰে বিচাৰ কৰা পৰিলক্ষিত হয়। ফাৰ্ডিনাণ্ড দ্য ছছুৰৰ পৰা আৰম্ভ হোৱা ভাষাৰ গঠনবাদী দ্ৰষ্টাসকলে বাক্‌ধাৰাক সাধাৰণতে বাক্যতকৈ ডাঙৰ ভাষাৰ একক হিচাপে সংজ্ঞায়িত কৰে, য'ত কথিত, লিখিত বা আন বহুমুখী ৰূপত গাঁথনিগত যোগাযোগ জড়িত হৈ থাকে। ইয়াৰ বিপৰীতে প্ৰয়োগবাদীসকলে বাক্‌ধাৰাক ভাষাৰ ব্যৱহাৰ সম্পৰ্কীয় এক দৃষ্টিভংগী বুলি ক'ব খোজে।

এই বাক্‌ধাৰাক আধাৰ হিচাপে লৈ বিংশ শতিকাৰ ষাঠি-সত্তৰৰ দশকত গঢ় লৈ উঠা বিদ্যায়তনিক শাখাটোৱে হ'ল বাক্‌ধাৰা বিশ্লেষণ (Discourse Analysis)। বাক্‌ধাৰা

বিশ্লেষণ হৈছে বাস্তৱিক জগতত ভাষাক কেনেকৈ অৰ্থ সৃষ্টি কৰিবলৈ, পাৰস্পৰিক ক্ৰিয়াৰ গঠন কৰিবলৈ আৰু সামাজিক সম্পৰ্ক প্ৰতিফলিত কৰিবলৈ ব্যৱহাৰ কৰা হয় তাৰ পদ্ধতিগত অধ্যয়ন। বাক্‌ধাৰা বিশ্লেষণে ভাষাৰ সৈতে সম্পৰ্কিত মানুহৰ সামাজিক, সাংস্কৃতিক আৰু জ্ঞানমূলক দিশসমূহ অন্বেষণ কৰাৰ লগতে মানুহে কেনেকৈ এই ধাৰণাসমূহ ব্যৱহাৰ কৰি যোগাযোগৰ জড়িয়তে সম্পৰ্ক স্থাপন কৰে, সেই বিষয়ে অনুসন্ধান কৰে। ইতিপূৰ্বে ভূমিকাত কৈ অহাৰ দৰে বাকধাৰা বিশ্লেষণ এখন আন্তঃবিষয়িক অধ্যয়নক্ষেত্ৰ হোৱাৰ বাবে ভাষাই সামাজিক গাঁথনিক কেনেকৈ প্ৰভাবান্বিত কৰে আৰু নিজে কিদৰে প্ৰভাৱিত হয় সেই কথা বুজিবলৈ ভাষাবিজ্ঞান, সমাজবিজ্ঞান, মনোবিজ্ঞান, নৃতত্ত্ব, আৰু ৰাজনৈতিক অধ্যয়নৰ দৰে বিদ্যায়তনিক ক্ষেত্ৰৰ সহায় ল'ব লগা হয়। আন্তঃবিষয়িক বিদ্যায়তনিক শাখা হোৱাৰ বাবে বাকধাৰা বিশ্লেষণৰ একক সংজ্ঞা দিয়াটোও প্ৰত্যাহ্বানজনক। কিয়নো এই পৰিভাষাটো মানৱিকী আৰু সমাজবিজ্ঞানৰ ভিন ভিন শাখা যেনেঃ ভাষাবিজ্ঞান, শিক্ষা, সমাজতত্ত্ব, নৃতত্ত্ব, সংজ্ঞানত্মক মনঃস্তত্ত্ব, সামাজিক মনঃস্তত্ত্ব, সাংস্কৃতিক অধ্যয়ন, অনুবাদ অধ্যয়ন, যোগাযোগ অধ্যয়ন, আন্তৰ্জাতিক সম্পৰ্কৰ দৰে বিদ্যায়তনিক শাখাত সামাজিক যোগাযোগৰ বেলিকা ব্যৱহৃত যিকোনো ভাষিক (লিখিত, কথিত, চিহ্ন) কাৰ্যক বিশ্লেষণৰ দৃষ্টিভংগী নিৰ্দেশ কৰিবলৈ ব্যৱহাৰ কৰা হয়। এনেধৰণৰ বহুধা আয়তনৰ বাক্‌ধাৰাক বিশ্লেষণৰ বাবে আগবঢ়াৰ বাবে বাক্‌ধাৰা বিশ্লেষণক আলোচকসকলে ভিন্ন দৃষ্টিৰে সংজ্ঞায়িত কৰিছে।

## ১.৪ বাক্‌ধাৰা আৰু বাক্‌ধাৰা বিশ্লেষণৰ সংজ্ঞা

বিভিন্ন ভাষাবিদ আৰু বাক্‌ধাৰাৰ তাত্ত্বিক আলোচকসকলে ভিন ভিন দৃষ্টিৰে বাক্‌ধাৰাক সংজ্ঞায়িত কৰাৰ চেষ্টা কৰিছে। তলত বিভিন্ন দৃষ্টিকোণৰ পৰা ভিন ভিন বাক্‌ধাৰাৰ তাত্ত্বিক আলোচকসকলে আগবঢ়োৱা বাক্‌ধাৰাৰ কিছু সংজ্ঞা তুলি ধৰা হ'ল-

**(ক) গাঁথনিগত ভাষিক দৃষ্টিভংগীঃ**

জেলিগ হেৰিছ (Zellig Harris) এ ১৯৫২ চনত গাঁথনিগত ভাষাবিজ্ঞানৰ দৃষ্টিৰে গাঁথনিগত আৰু ব্যাকৰণগতভাৱে সংযুক্ত হৈ থাকে তাৰ ওপৰত গুৰুত্ব দি "গঠনৰ পিনৰ পৰা বাক্যৰ স্তৰ অতিক্ৰম কৰা ভাষাক বাক্‌ধাৰা" বুলি সংজ্ঞায়িত কৰিছিল। এই ধাৰাকে আগুৱাই নি এম. ষ্টাবছে (M Stubbs) ১৯৮৩ চনত বাক্‌ধাৰাৰ সংজ্ঞা প্ৰদান কৰি কয় যে- "খণ্ডবাক্য আৰু বাক্যতকৈ ডাঙৰ ভাষা গোটে বাক্‌ধাৰা।" একেটা গাঁথনিগত দৃষ্টিৰে মেথিউ (Mathew) ২০০৭ এ চনত বাক্‌ধাৰাৰ সংজ্ঞা প্ৰদান কৰিবলৈ গৈ কয় যে- "বাক্‌ধাৰা হ'ল অৰ্থগতভাৱে সংলগ্ন বাক্যৰ ক্ৰম।" ডেভিদ ক্ৰিষ্টেলৰ মতো এইক্ষেত্ৰত প্ৰণিধানযোগ্য। তেওঁ বাক্যতকৈ বৃহৎ আৰু সুসংগত সম্প্ৰসাৰিত গোটক বাক্‌ধাৰা বুলিছে। একেদৰে ১৯৮৯ চনত কুকে বাক্‌ধাৰাৰ সম্পৰ্কত কয় যে একে উদ্দেশ্য আৰু অৰ্থ জ্ঞাপনৰ বাবে ব্যৱহাৰ কৰা সম্প্ৰসাৰিত ভাষা গোটক বাক্‌ধাৰা বুলি ক'ব পাৰি।

**(খ) সমাজ-ভাষিক দৃষ্টিভংগীঃ**

গাঁথনিক দৃষ্টিৰে বাক্‌ধাৰাৰ সংজ্ঞাটোক সম্প্ৰসাৰিত কৰি কথোপকথনৰ সৈতে সম্পৰ্কিত সামাজিক আৰু সাংস্কৃতিক দিশসমূহকো সামৰি ডেল হাইমছে বাক্‌ধাৰাৰ সংজ্ঞা দিবলৈ গৈ 'SPEAKING' শীৰ্ষক এক আৰ্হিৰ প্ৰবৰ্তন কৰিছিল। হাইমছৰ দৃষ্টিত "আচৰণ আৰু সামাজিক জীৱনৰ অংশৰূপে বৰ্তি থকা কথা কোৱাৰ ধৰণ আৰু যোগাযোগমূলক আচৰণৰ আৰ্হিবোৰেই হৈছে বাক্‌ধাৰা।"

**(গ) প্ৰয়োগবাদী ভাষাবিজ্ঞানৰ দৃষ্টিভংগীঃ**

এম.এ.কে. হেলিডেই সামাজিক কাৰ্যত ভাষাৰ ভূমিকাক গুৰুত্ব দি বাক্‌ধাৰাক ভাষাৰ এক কাৰ্যকৰী অথবা সম্পাদনমূলক উপাদান হিচাপে সংজ্ঞায়িত কৰিছিল। একে দৃষ্টিৰে Candlin এ সামাজিক প্ৰেক্ষাপটত ব্যৱহৃত ভাষা প্ৰক্ৰিয়াক বাক্‌ধাৰাই নিৰ্দেশ কৰে বুলি উল্লেখ কৰিছিল। ভাষাৰ ব্যৱহাৰিক বা প্ৰায়োগিক দিশলৈ লক্ষ্য কৰি James Paul Gee ও বাক্‌ধাৰা সম্পৰ্কে এক ধাৰণা আগবঢ়াইছিল। তেওঁ ইংৰাজী ভাষাৰ পৰিভাষাটোৰ আধাৰ হিচাপে লৈ Small d ৰে বাক্‌ধাৰাৰ সংকীৰ্ণ আৰু Big D ৰে বাক্‌ধাৰাৰ বিস্তৃত স্বৰূপ এটাৰ ধাৰণা তুলি ধৰিছিল। তেওঁৰ এই ধাৰণামতে সাহিত্যিক পাঠৰ লগতে বাৰ্তালাপত ব্যৱহাৰ হোৱা ভাষিক গোট হৈছে d আৰু বিস্তৃত অৰ্থত ভাষা আৰু তাৰ সৈতে সম্পৰ্কিত সকলো বিষয়কে D ৰে বুজাব পাৰি। বিস্তৃত পৰিসৰৰ বাক্‌ধাৰাত অৰ্থাৎ D -অত ব্যক্তিৰ ভাষাৰ লগতে পোছাক-পৰিচ্ছদ, বিশ্বাস, মূল্যবোধ, সামাজিক পৰিচয়, দৈহিক ভাৱ-ভংগীও সম্পৃক্ত হৈ থাকি ব্যক্তিবিশেষৰ অস্তিত্বৰ বৰ্হিপ্ৰকাশ ঘটায়। সামগ্ৰিকভাৱে এই দৃষ্টিভংগীৰ আলোচকসকলে আগবঢ়োৱা বাক্‌ধাৰাৰ সংজ্ঞাৰ পৰা বুজিব পাৰি যে বাক্‌ধাৰা হৈছে উদ্দেশ্যধৰ্মী, অৰ্থজ্ঞাপক আৰু প্ৰায়োগিক ভূমিকাসম্পন্ন গোট। ই ভাষিক আৰু অভাষিক দুয়োটা ৰূপতে প্ৰেৰিত হ'ব পাৰে।

**(ঘ) সমালোচনাত্মক বাক্‌ধাৰা বিশ্লেষণ (CDA) দৃষ্টিভংগীঃ**

নৰ্মান ফেয়াৰক্ল'ৱে সমাজত ক্ষমতাৰ সম্পৰ্ক গঢ় দিয়াত বাক্‌ধাৰাৰ ভূমিকাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তেওঁৰ মতে মানুহে ইজনে আনজনৰ সৈতে কথা-বতৰা হওঁতে অথবা সামগ্ৰিকভাৱে কথনৰ জৰিয়তে প্ৰকাশ কৰা ক্ষমতাৰ ৰূপ প্ৰতিনিধিত্বকৰণৰ এক ধৰণে হৈছে বাকধাৰা। প্ৰতিনিধিত্বকৰণ সম্পৰ্কেও স্পষ্ট ধাৰণা দিবলৈ গৈ তেওঁ কৈছিল যে বাকধাৰাই কেৱল বাস্তৱিক জগতখনক প্ৰতিনিধিত্ব কৰাৰ সলনি এনে নহয় সামাজিক অনুশীলনৰ এটা বিশেষ ক্ষেত্ৰক এটা বিশেষ দৃষ্টিকোণৰ পৰা বুজায়। ফেয়াৰক্লফে বাকধাৰাক তিনিটা পৰস্পৰ সম্পৰ্কিত মাত্ৰাৰ মাজেৰে ব্যাখ্যা কৰিছিল- পাঠ বিশ্লেষণ (বাক্‌ধাৰাৰ ভাষিক বৈশিষ্ট্য), আলোচনামূলক অনুশীলন (বাক্‌ধাৰা কেনেকৈ উৎপন্ন আৰু গ্ৰহণ কৰা হয়) আৰু সামাজিক অনুশীলন (বাক্‌ধাৰাই ক্ষমতা আৰু মতাদৰ্শক কেনেদৰে প্ৰভাৱিত কৰে)।

টেউন ভান ডাইকে বাক্‌ধাৰাৰ জ্ঞানমূলক আৰু সামাজিক দিশসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰি সংজ্ঞা প্ৰদান কৰি কৈছিল যে পাঠ আৰু প্ৰসংগ দুয়োটাৰে লগতে

ভাষাৰ উৎপাদন আৰু বুজাৰ জ্ঞানমূলক আৰু সামাজিক প্ৰক্ৰিয়া জড়িত হৈ থকা ব্যৱহৃত ভাষাৰ এক জটিল একক হৈছে বাক্‌ধাৰা। এই দৃষ্টিৰে তেওঁ সংবাদ মাধ্যম আৰু ৰাজনৈতিক ভাষণৰ বাক্‌ধাৰাই কেনেকৈ মতাদৰ্শ, সামাজিক জ্ঞান, আৰু ৰাজনৈতিক আখ্যান গঢ়ি তোলে সেই বিষয়ে বিশ্লেষণ কৰিছিল।

**(ঙ) উত্তৰ-গাঁথনিবাদী দৃষ্টিভংগীঃ**

মিচেল ফুকোই বাক্‌ধাৰাক ভাষাতকৈও অধিক বুলি ভাবে। তেওঁৰ মতে বাক্‌ধাৰাই জ্ঞান, ক্ষমতা আৰু সামাজিক অনুশীলনক গঢ় দিয়া চিন্তা-চৰ্চা, কথন আৰু অভিনয়ৰ গাঁথনিগত পদ্ধতিক বুজায়। The Archaeology of Knowledge (1969) গ্ৰন্থত ফ'ক'ই বাক্‌ধাৰাক এনেদৰে সংজ্ঞায়িত কৰিছে- বাকধাৰা হ'ল জ্ঞান গঠনৰ উপায়। এই জ্ঞানৰ সৈতে সামাজিক অনুশীলন, বিষয়বস্তুৰ ৰূপ আৰু ক্ষমতা সম্পৰ্কৰ এক অন্তৰ্নিহিত যোগসূত্ৰ জড়িত হৈ থাকে। একেখন গ্ৰন্থতে তেওঁ লগতে কৈছিল যে বাকধাৰাই কেৱল সংগ্ৰাম বা আধিপত্যৰ ব্যৱস্থাক যে সূচায় এনে নহয়, বৰঞ্চ বাক্‌ধাৰাৰ বাবেহে আৰু বাক্‌ধাৰাৰ দ্বাৰাহে সংগ্ৰাম বা আধিপত্যৰ সূচনা হয়। সংগ্ৰাম, আধিপত্য বা ক্ষমতা প্ৰদৰ্শনৰ বাবে প্ৰয়োজনীয় শক্তিটোৱে হৈছে বাক্‌ধাৰা। সংজ্ঞাৰ পৰা স্পষ্ট যে ফুকোৰ বাবে বাক্‌ধাৰা কেৱল ভাষাৰ বিষয়ে নহয়। নিৰ্দিষ্ট ঐতিহাসিক যুগত কি ক'ব পাৰি, কি ভাবিব পাৰি আৰু কি বুজিব পাৰি সেয়া নিৰ্ধাৰণ কৰা জ্ঞান আৰু ক্ষমতাৰ ব্যৱস্থাসমূহে হৈছে বাক্‌ধাৰা।

বাক্‌ধাৰাৰ বিচাৰক কেন্দ্ৰ কৰি গঢ়ি লৈ উঠা বিদ্যায়তনিক শাখাটোৱে হৈছে এক অৰ্থত বাক্‌ধাৰা বিশ্লেষণ। ভিন ভিন দৃষ্টিভংগীৰে বাক্‌ধাৰাৰ ব্যাখ্যা সম্পন্ন হোৱাৰ দৰে বাক্‌ধাৰা বিশ্লেষণৰো ভিন ভিন সংজ্ঞা উপলব্ধ। বিশেষকৈ ভিন ভিন জ্ঞান শাখাত পৰিভাষাটোৱে ভিন ভিন ধাৰণাক কেন্দ্ৰীভূত কৰাৰ বাবে বাক্‌ধাৰা বিশ্লেষণৰ একাধিক সংজ্ঞা পৰিলক্ষিত হয়। ভিন্ন আলোচকে আগবঢ়োৱা এই সংজ্ঞাসমূহৰ পৰা বাক্‌ধাৰা বিশ্লেষণৰ এক সামগ্ৰিক ছবি পাব পাৰি।

বিশেষকৈ প্ৰায়োগিক ভাষাবিজ্ঞান আৰু কৰ্পাছ ভাষাবিজ্ঞানৰ আলোচনাক মাইকেল মেককাৰ্থী (M. McCarthy) এ বাক্‌ধাৰা বিশ্লেষণৰ সংজ্ঞাৰে সমৃদ্ধ কৰিছে। তেওঁৰ বাক্‌ধাৰা বিশ্লেষণৰ সংজ্ঞাই বিশেষকৈ কথিত আৰু লিখিত যোগাযোগত বাক্যৰ স্তৰৰ বাহিৰৰ পৰ্যায়ত ভাষাৰ অধ্যয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰে। Discourse Analysis for Language Teachers (1991) গ্ৰন্থত মেককাৰ্থীয়ে বাক্‌ধাৰা বিশ্লেষণৰ সংজ্ঞা দি কৈছে- ভাষা আৰু ভাষা ব্যৱহাৰ কৰা প্ৰসংগসমূহৰ মাজৰ সম্পৰ্কৰ অধ্যয়নে বাক্‌ধাৰা বিশ্লেষণ। এই সংজ্ঞাটোৰ পৰা স্পষ্ট হয় যে বাক্‌ধাৰা বিশ্লেষণে বাস্তৱ জীৱনৰ যোগাযোগত ব্যৱহৃত ভাষাক কিছুমান কাৰকৰ প্ৰতি লক্ষ্য ৰাখি বিশ্লেষণ বা আলোচনা কৰে। এই কাৰকসমূহ হ'ল- (ক) ভাষা ব্যৱহাৰৰ প্ৰসংগ (খ) বক্তাৰ উদ্দেশ্য (গ) সামাজিক যোগাযোগ আৰু (ঘ) পাঠৰ গঠন।

একেদৰে কৰ্পাছ ভাষাবিজ্ঞান, প্ৰসংগাৰ্থবিজ্ঞান আৰু শিক্ষাৰ দৰে বিদ্যায়তনিক ক্ষেত্ৰত বাক্‌ধাৰা বিশ্লেষণৰ সংজ্ঞা আগবঢ়াই মাইকেল ষ্টাবছে বাস্তৱ জীৱনৰ প্ৰেক্ষাপটত

ভাষাৰ পদ্ধতিগত অধ্যয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰি বৃহৎ পৰিমাণৰ পাঠ বিশ্লেষণ কৰিবলৈ প্ৰায়ে কম্পিউটাৰগত পদ্ধতি ব্যৱহাৰ কৰাৰ পোষকতা কৰে। Discourse Analysis: The Sociolinguistic Analysis of Natural Language (1983)ত ষ্টাবছে ডিচকোৰ্চ এনালাইছিছৰ সংজ্ঞা এইদৰে দিছে- "নিৰন্তৰভাৱে কথন আৰু লিখনত ব্যৱহৃত ভাষিক গঠনৰ বিশ্লেষণ বাক্য বা বাক্যৰ ওপৰৰ পৰ্যায়ত কৰায়ে হ'ল বাক্‌ধাৰা বিশ্লেষণ।" এই সংজ্ঞাই যোগাযোগমূলক কাৰ্যত ভাষাই একক বাক্যৰ বাহিৰৰ স্তৰত কেনেকৈ কাম কৰে তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

জিলিয়ান ব্ৰাউন (Gillian Brown) আৰু জৰ্জ ইউলে (George Yule) তেওঁলোকৰ Discourse Analysis (1983) গ্ৰন্থখনত বাক্‌ধাৰা বিশ্লেষণৰ সংজ্ঞা আগবঢ়াই কৈছে যে মানুহে যোগাযোগ কাৰ্যত কিদৰে ভাষা ব্যৱহাৰ কৰে তাৰেই অধ্যয়ন বাক্‌ধাৰা বিশ্লেষণে কৰে। ব্ৰাউন আৰু ইউলেৰ ধাৰণাই ভাষাবিজ্ঞান, প্ৰসংগাৰ্থবিজ্ঞান আৰু যোগাযোগ অধ্যয়নৰ মাজত সংযোগ স্থাপন কৰি কথিত আৰু লিখিত বাক্‌ধাৰা বিশ্লেষণৰ বাবে এক গাঁথনিগত পদ্ধতি প্ৰদান কৰে।

সমাজভাষাবিজ্ঞান, সাক্ষৰতা অধ্যয়ন আৰু বাক্‌ধাৰা বিশ্লেষণৰ এক প্ৰধান আলোচক জেমছ পল গী (James Paul Gee) এ তেওঁৰ গ্ৰন্থ An Introduction to Discourse Analysis: Theory and Method (1999, 2011) -অত বাক্‌ধাৰাৰ সংজ্ঞা দিয়ে এইদৰে - ভাষাই সমাজত ব্যক্তিৰ পৰিচয়, কাৰ্যকলাপ আৰু সম্পৰ্ক অক্ষুণ্ণ ৰাখিবলৈ কেনেদৰে কাম কৰে তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি সমাজত ব্যৱহৃত ভাষাৰ অধ্যয়নে হৈছে বাক্‌ধাৰা। কওতা আৰু লিখোতাই কিদৰে শুনোতা আৰু পঢ়ুৱৈয়ে বুজিব পৰাকৈ বাক্য আৰু বাক্‌ধাৰা ব্যৱহাৰ কৰে তাৰ বিবেচনা বাক্‌ধাৰা বিশ্লেষণত কৰা হয়। জেমছ পল গীৰ বাক্‌ধাৰা বিশ্লেষণৰ ধাৰণাসমূহ প্ৰায়ে শিক্ষা, ডিজিটেল মাধ্যম, আৰু সমালোচনাত্মক বাক্‌ধাৰা অধ্যয়নত ব্যৱহাৰ কৰা হয়।

বাক্‌ধাৰা বিশ্লেষণৰ এই সংজ্ঞাসমূহৰ পৰা এটা কথা স্পষ্ট হয় যে প্ৰতিটো সংজ্ঞাই বাক্‌ধাৰা বিশ্লেষণৰ গাঁথনিগত আৰু জ্ঞানমূলক মাত্ৰাৰ পৰা আৰম্ভ কৰি ইয়াৰ সামাজিক, ৰাজনৈতিক আৰু মতাদৰ্শগত প্ৰভাৱলৈকে বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰি বাক্‌ধাৰা বিশ্লেষণৰ সাৰ্বিক ৰূপ এটা তুলি ধৰে।

**আত্মমূল্যায়ণ প্ৰশ্ন**

ভিন্ন বিদ্যায়তনিক দৃষ্টিয়ে বাক্‌ধাৰাক কিদৰে সংজ্ঞায়িত কৰিছে ?

.................................................................................................

.................................................................................................

.................................................................................................

.................................................................................................

## ১.৫ বাক্‌ধাৰা বিশ্লেষণৰ গাঁথনি

বাক্যতকৈ ডাঙৰ স্তৰৰ একে উদ্দেশ্য বা সমৰূপৰ অৰ্থবহ ভাষিক গোটেই বাক্‌ধাৰা বুলি ইতিমধ্যে উল্লিখিত সংজ্ঞাসমূহৰ পৰা স্পষ্ট হৈছে। স্বাভাৱিকতে যিকোনো ভাষিক গোটে বাক্‌ধাৰাৰূপে সক্ৰিয় হ'বলৈ হ'লে সেই নিৰ্দিষ্ট পাঠৰ বাক্য বা উক্তিসমূহ পাৰস্পৰিকভাৱে সম্পৰ্কযুক্ত হোৱাটো দৰকাৰ। অৰ্থপূৰ্ণ আৰু সংগঠিত যোগাযোগ সম্পন্ন কৰাৰ বাবে প্ৰয়োজনীয় ভাষিক উপাদানসমূহৰ ব্যৱস্থাক বাক্‌ধাৰাৰ গাঁথনি বুলি জনা যায়। বাক্‌ধাৰা ভিন্ন প্ৰকাৰৰ হ'ব পাৰে। কথিত বাক্‌ধাৰা আৰু লিখিত বাক্‌ধাৰা ইয়াৰ প্ৰধান দুটা বিভাগ। অৱশ্যে বাক্‌ধাৰা কথিতই হওক বা লিখিতই হওক সংহতিপূৰ্ণ তথা অৰ্থপূৰ্ণ যোগাযোগ নিশ্চিত কৰিবলৈ বাক্‌ধাৰাই এক গাঁথনিগত আৰু সংগঠিত আৰ্হি অনুসৰণ কৰে। অৰ্থাৎ এক অৰ্থত বাক্‌ধাৰা কেৱল শব্দ বা বাক্যৰ সংকলন নহয়। বৰঞ্চ এয়া হৈছে অৰ্থ ফলপ্ৰসূভাৱে প্ৰকাশ কৰিবলৈ নিৰ্দিষ্ট আৰ্হি অনুসৰণ কৰা যোগাযোগৰ এক গাঁথনিগত ব্যৱস্থা। বাক্‌ধাৰা কেনেকৈ গঠন কৰা হয় সেই কথা বুজিলেহে বাক্‌ধাৰাৰ মাজেৰে তথ্য কেনেকৈ উপস্থাপিত হয়, ধাৰণাসমূহ কেনেকৈ প্ৰবাহিত হয় আৰু সামাজিক আৰু জ্ঞানমূলক দিশসমূহে যোগাযোগক কেনেদৰে প্ৰভাৱিত কৰে সেই বিষয়ে বিশ্লেষণ কৰাত সহায়ক হয়। এই শিতানত বাক্‌ধাৰা গঠনৰ মূল উপাদান অৰ্থতাত্ত্বিক একসূত্ৰিতা আৰু সংযুতিৰ বিশদ আলোচনা কৰা হৈছে।

### ১.৫.১ বাক্‌ধাৰাৰ সংযুক্তি

এক নিৰ্দিষ্ট বাক্‌ধাৰাৰ অন্তৰ্গত বাক্য আৰু অনুচ্ছেদক গাঁথনিগতভাৱে একত্ৰিত কৰা ব্যাকৰণগত আৰু শাব্দিক উপাদানকে সংযুক্তি বুলি অভিহিত কৰা হয়। লিখিত বা কথিত বাক্‌ধাৰাৰ বিভিন্ন অংশ ইটোৱে সিটোৰ লগত সহজে আৰু যুক্তিসংগতভাৱে সম্পৰ্কিত হোৱাটো সংযুক্তিয়ে নিশ্চিত কৰে। উদাহৰণস্বৰূপে দুটা সৰু অনুচ্ছেদলৈ লক্ষ্য কৰক-

(ক) "ভৰতে এখন নতুন বাইক কিনিছে। সি এতিয়া নিয়মিত সেইখন চলাই কামলৈ যায়।"

(খ) "ভৰতে এখন নতুন বাইক কিনিছে। বাইকখন নীলা। ভৰতে এতিয়া নিয়মিত বাইক চলাই কামলৈ যায়।"

(ক) বাক্যটোৰ বিপৰীতে (খ) বাক্যটোত সৰ্বনামৰ ব্যৱহাৰ কম। বিশেষকৈ 'সেইখন' ব্যৱহাৰৰ পৰিৱৰ্তে 'চাইকেল' বিশেষ্যৰ আৰু 'সি' সৰ্বনামৰ পৰিৱৰ্তে 'ভৰত' বিশেষ্যৰ পুনৰাবৃত্তিই পাঠটো কম সংযুক্তিপূৰ্ণ কৰি তুলিছে। আনহাতে (খ) বাক্যটোৰ তুলনাত (ক) বাক্যটোত সৰ্বনামৰ ব্যৱহাৰ অধিক হোৱাৰ বাবে ব্যাকৰণগত সংযুক্তিৰ পৰিমাণ বৃদ্ধি হৈছে। সৰ্বনাম, অব্যয় আৰু শাব্দিক সংযোজকসমূহে বাক্‌ধাৰাৰ সাৱলীলতা আৰু অৰ্থৰ একমুখী প্ৰবাহ বজাই ৰাখে।

বাক্‌ধাৰত ব্যৱহৃত সংযুক্তিৰ আন এটা উদাহৰণৰ বাবে তলত উল্লেখ কৰা অনুচ্ছেদটোলৈ মন কৰক-

(গ) "বৰ্তমান জলবায়ু দ্ৰুতগতিত সলনি হৈছে। বিজ্ঞানীসকলে সতৰ্ক কৰি দিছে যে মানুহৰ বিভিন্ন প্ৰকৃতি প্ৰতিকূল কাৰ্যকলাপৰ বাবে গোলকীয় উষ্ণতা বৃদ্ধি হৈছে। সামগ্ৰিকভাৱে উত্তাপ বৃদ্ধিৰ ফলত প্ৰকৃতি আৰু মানৱ সমাজ উভয়কে প্ৰভাৱিত কৰিব পৰা চৰম বতৰৰ সূচনা হৈছে। জলবায়ু অৱস্থাৰ এই পৰিৱৰ্তনে কঢ়িয়াই অনা ক্ষতি ৰোধ কৰিবলৈ তাৎক্ষণিক ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজন।"

আলোচিত অনুচ্ছেদটোৱে এক বাকধাৰাৰূপে ক্ৰিয়াশীল হৈছে কিয়নো অনুচ্ছেদটোৰ একাধিক বাক্যৰ মাজত এক সংযুক্তি ৰক্ষিত হৈছে। এই সংযুক্তি ৰক্ষা কৰাত অনুচ্ছেদৰ বাক্যসমূহৰ কিছু পুনৰাবৃত্ত বা সমাৰ্থক শব্দই সহায় কৰিছে। প্ৰথম বাক্যত থকা 'জলবায়ু' শব্দটোৱে আকৌ চতুৰ্থ বাক্যত 'জলবায়ুৰ অৱস্থা' ৰূপে পুনৰাবৃত্ত হৈছে। একেদৰে দ্বিতীয় বাক্যত থকা 'প্ৰকৃতি' শব্দই আকৌ তৃতীয় বাক্যত পুনৰবাৰ ব্যৱহাৰ কৰা হৈছে। একেদৰে দ্বিতীয় বাক্যত থকা 'উষ্ণতা' শব্দই আকৌ তৃতীয় বাক্যত 'উত্তাপ' ৰূপে উল্লিখিত হৈছে। এনেধৰণে একেটা শব্দৰ পুনৰাবৃত্তি বা সমাৰ্থক শব্দৰ ব্যৱহাৰে বাক্যসমূহৰ মাজত সংযুক্তিৰ সৃষ্টি কৰি বাকধাৰাৰূপে প্ৰতিষ্ঠা কৰিছে।

ইতিমধ্যে আলোচিত দুয়োটা উদাহৰণেই সংযুক্তি প্ৰদৰ্শন কৰিছে যদিও দুয়োটা উদাহৰণৰে প্ৰকৃতি বেলেগ বেলেগ। অৰ্থাৎ বাক্‌ধাৰাৰ সংযুক্তি প্ৰধানতঃ দুই প্ৰকাৰৰ- (ক) ব্যাকৰণগত সংযুক্তি (খ) শাব্দিক সংযুক্তি

### ১.৫.১.১ ব্যাকৰণগত সংযুক্তি

কথিত বা লিখিত পাঠৰ ঐক্য বজাই ৰাখিবলৈ ব্যৱহাৰ কৰা ভাষাৰ ভিন্ন গাঁথনিক উপাদানে ব্যাকৰণগত সংযুক্তিৰ সৃষ্টি কৰে। বিশেষকৈ সৰ্বনাম আৰু অব্যয় পদৰ ব্যৱহাৰৰ দ্বাৰা বক্তা বা লিখোতাই এই সংযুক্তি অৰ্জন কৰে। আলোচিত (ক) বাক্যটো ব্যাকৰণগত সংযুক্তিৰ আদৰ্শ নিদৰ্শন। এই সংযুক্তি বুজিবলৈ আন এটা নিদৰ্শনলৈ লক্ষ্য কৰক-

(ঘ) চিকাৰ গমন চাবলৈ হাউলিৰ আটাইবোৰ ওলাই আহিল। নাহিল মাত্ৰ শান্তি প্ৰিয়া আই। তেওঁ পাছ চোতালত পাৰক চাউল খুৱাই বহি আছে। এই মানুহজনীয়ে কি কৰে কি নকৰে তালৈ কাৰো কাণসাৰ নাই। তেওঁ নিজমনে হাউলিত ইটো-সিটো কৰি ঘূৰি ফুৰে। (কলিতা ১০)

উল্লিখিত নিদৰ্শনটোত পাঁচটা বাক্যই এক বাকধাৰাৰ ধাৰণা দিছে। কিয়নো পাঁচোটা বাক্যৰ মাজত অৰ্থৰ এক যোগসূত্ৰ আছে। এই যোগসূত্ৰ ৰক্ষা কৰাত সহায় কৰিছে দ্বিতীয় বাক্যৰ পৰৱৰ্তী বাক্যসমূহত ব্যৱহৃত থকা সৰ্বনাম পদসমূহে। দ্বিতীয় বাক্যটোত কৰ্তা 'শান্তি প্ৰিয়া' উল্লেখ তৃতীয় বাক্যটোত সৰ্বনাম পদ 'তেওঁ'ৰে হৈছে। একেদৰে চতুৰ্থ আৰু পঞ্চম বাক্য দুটাতো কৰ্তাক নিৰ্দেশ কৰিবলৈ বিশেষ্য পদৰ সলনি ক্ৰমে 'এই' আৰু 'তেওঁ'

সৰ্বনাম পদৰ ব্যৱহাৰ কৰি ব্যাকৰণৰ পিনৰ পৰা সংযুক্তি ৰক্ষা কৰিছে। এয়ে ব্যাকৰণগত সংযুক্তি।

সাধাৰণতে বাক্‌ধাৰাৰ গঠন চাৰিপ্ৰকাৰৰ ব্যাকৰণগত সংযুক্তিৰ সহায়ত কৰা হয়। সেইসমূহ হ'ল-

(i) উল্লেখ (Reference)
(ii) প্ৰতিস্থাপন (Substitution)
(iii) লোপ (Ellipsis)
(iv) সংযোজক (Conjunction)

### ১.৫.১.১.১ উল্লেখ

কথিত বা লিখিত পাঠৰ কোনো এক উপাদানক একেটা পাঠৰে আন অংশত অইন ব্যাকৰণিক উপাদানেৰে সূচকিত কৰা কাৰ্যই হৈছে উল্লেখ। এনেধৰণে সূচকিত কৰাৰ পাছত এটা অংশৰ পৰা আনটো অংশলৈ অৰ্থৰ ধাৰাবাহিকতা অব্যাহত থাকিলে বাক্‌ধাৰাৰ চৰ্ত পূৰণ কৰে। উল্লেখত যাক বুজোৱা হৈছে সেয়া বাক্‌ধাৰাৰ এটা অংশত আৰু যাৰ দ্বাৰা বুজোৱা হৈছে সেয়া বাক্‌ধাৰাৰ আন এটা অংশত থাকে যদিও উভয়ে ব্যাকৰণিকভাৱে সংযুক্ত হৈ থাকে। উদাহৰণস্বৰূপে তলৰ বাক্‌ধাৰাসমূহলৈ মন কৰক-

(ঘ) এলেনে ফুটবল খেলি ভাল পায়। প্ৰত্যক দিনে সি ফুটবল খেলে।

(ঙ) গুৱাহাটীৰ পৰা অহা শেষ বাছখনত উঠি জীৱন ঘৰ আহি পালে। তাৰ অকণমানি ছোৱালীজনী তেতিয়াও সাৰে আছিল

উপৰোক্ত দুয়োটা বাক্‌ধাৰাতে একাধিক বাক্য আছে যদিও উভয় বাক্‌ধাৰাতে বাক্যসমূহ পৰস্পৰ সংযুক্ত। (ঘ) বাক্‌ধাৰাত এই সংযুক্তি স্থাপন কৰিছে 'সি' উল্লেখকে। এই সৰ্বনামটোৰ অৰ্থ পূৰ্ববৰ্তী 'এলেন' নামশব্দৰ ওপৰত নিৰ্ভৰশীল। একেদৰে (ঙ) বাক্‌ধাৰাৰ দ্বিতীয় বাক্যৰ 'তাৰ' সৰ্বনামৰ অৰ্থ পূৰ্ববৰ্তী বাক্যৰ 'জীৱন' নামশব্দৰ পৰাহে স্পষ্ট হয়। সেইবাবে (ঙ) বাক্‌ধাৰাত উল্লেখক হৈছে 'তাৰ'। এক অৰ্থত উল্লেখকে পূৰ্ববৰ্তী বা পৰৱৰ্তী বাক্যৰ কোনো বস্তু, ব্যক্তি বা বিষয়ক প্ৰতিনিধিত্ব কৰি একাধিক বাক্যক অৰ্থৰ একসূত্ৰিতাৰে বান্ধি ৰাখে। ওপৰত আপোনালোকে উল্লেখৰ অৰ্থ পূৰ্ববৰ্তী বাক্যৰ ওপৰত নিৰ্ভৰশীল হোৱা বাক্‌ধাৰাৰ নিদৰ্শন দেখিবলৈ পালে। এতিয়া উল্লেখৰ অৰ্থ পৰৱৰ্তী বাক্যৰ ওপৰত নিৰ্ভৰশীল হোৱা বাক্‌ধাৰাৰ এক নিদৰ্শন তুলি ধৰা হ'ল-

(চ) তাইক মৌজাদাৰে হাউলিলৈ অনাইছিল। চৌধুৰী দৰা সাজি তাইৰ ঘৰলৈ যোৱা নাছিল। শাওনীৰ ঘৰলৈকো যোৱা নাছিল। শাওনীক অনা দোলাখনতে উঠি হাউলিৰ পৰা দিয়া পাট-মুগাৰ কাপোৰ, আ-অলঙ্কাৰেৰে সাজি তাই আহি হাউলিত সোমাইছিলহি। তাইৰ কাৰণে শাওনীৰ ঘৰৰ কাষতে নতুন ঘৰ তোলা হৈছিল। মুল হাউলিত তাইৰ স্থান নাছিল, তাই যে তুলাৰাম দাসৰ কন্যা। (কলিতা ১১)

ওপৰত আলোচিত অনুচ্ছেদটোত ছয়টা বাক্য আছে। প্ৰতিটো বাক্যই অৰ্থগতভাৱে শেষৰ বাক্যটোৰ 'তুলাৰাম দাসৰ কন্যা' নামশব্দৰ সৈতে সম্পৰ্কিত হৈ আছে। গতিকে এইক্ষেত্ৰত উল্লেখ 'তাই'ৰ দ্বাৰা অনুচ্ছেদটোৰ বাক্যসমূহ সংযুক্ত হৈ বাক্‌ধাৰাটো গঠন কৰিছে।

### ১.৫.১.১.২ প্ৰতিস্থাপন

কথিত বা লিখিত পাঠৰ কোনো বিভিন্ন অংশত এক উপাদানক সমপৰ্যায়ৰ আন উপাদানৰে সাল-সলনি কৰি পাঠৰ সেই বিশেষ অংশসমূহৰ মাজত সংযুক্তি গঢ়িব পাৰি। এই প্ৰক্ৰিয়াৰে কৃত ব্যাকৰণগত সংযুক্তিকে প্ৰতিস্থাপন কৌশল বুলি জনা যায়। সংযুক্তি ৰক্ষা কৰি পুনৰাবৃত্তিৰ পৰা হাত সাৰিবলৈ সাধাৰণতে এনেধৰণে শব্দৰ ঠাইত আন এটা শব্দ ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে তলত উল্লিখিত অনুচ্ছেদসমূহলৈ লক্ষ্য কৰক-

(ছ) মূল বাক্যঃ মোক কলম লাগে। আপোনাৰ তাত এটা অতিৰিক্ত আছে নেকি ?

প্ৰতিস্থাপনৰ সৈতেঃ মোক কলম লাগে। আপোনাৰ তাত এটা অতিৰিক্ত আছে নেকি ?

(জ) মূল বাক্যঃ মই আজি এখন কিতাপ পঢ়ি শেষ কৰিলোঁ। এতিয়া এখন নতুন কিতাপ পঢ়া আৰম্ভ কৰিব লাগিব।

প্ৰতিস্থাপনৰ সৈতেঃ মই আজি এখন কিতাপ পঢ়ি শেষ কৰিলোঁ। এতিয়া এখন নতুন আৰম্ভ কৰিব লাগিব।

আলোচিত অনুচ্ছেদ (ছ) -অত প্ৰথম বাক্যটোৰ 'কলম' নামশব্দটোৰ সলনি দ্বিতীয় বাক্যটোত 'এটা অতিৰিক্ত' খণ্ডবাক্যৰ ব্যৱহাৰ কৰা হৈছে। দ্বিতীয় বাক্যৰ খণ্ডবাক্যটোৱে প্ৰথম বাক্যটোৰ লগত সম্পৰ্কিত হৈহে দুয়োটা বাক্যৰ এক উমৈহতীয়া অৰ্থ প্ৰকাশ কৰিছে। একেই কথা (জ) অনুচ্ছেদটোৰ ক্ষেত্ৰতো প্ৰযোজ্য। (জ) অনুচ্ছেদত প্ৰথম বাক্যৰ 'কিতাপ' নামশব্দৰ সলনি পৰৱৰ্তী বাক্যত 'এখন নতুন' খণ্ডবাক্যৰ ব্যৱহাৰ হোৱা পৰিলক্ষিত হৈছে। ইয়াতো দ্বিতীয় বাক্যত প্ৰতিস্থাপিত হোৱা ব্যাকৰণিক উপাদানে প্ৰথম বাক্যৰ সৈতে সংযুক্তি স্থাপন কৰি সামগ্ৰিকভাৱে দুয়োটা বাক্যৰ এক অৰ্থ প্ৰদান কৰিছে।

### ১.৫.১.১.৩ লোপ

কথিত বা লিখিত বাক্‌ধাৰাৰ পূৰ্ব অংশত ব্যৱহাৰ হোৱা কোনো শব্দ বা খণ্ডবাক্য পৰৱৰ্তী অংশত লোপ পাব পাৰে। কোনো শব্দ বা খণ্ডবাক্য লোপ পালেও অৱশ্যে নিকটৱৰ্তী বাক্যৰ সৈতে অৰ্থ আচ্ছন্ন হৈ থাকে। অৰ্থগতভাৱে অবিচ্ছন্ন হৈ থাকে বাবে বাক্‌ধাৰাৰ অংশ হিচাপে সিহঁতৰ অৰ্থগত সংলগ্নতা অক্ষুণ্ণ থাকে। সংক্ষিপ্ততাৰ বাবেহে বক্তা বা লিখোতাই অতিৰিক্ত শব্দ বাদ দিয়ে। প্ৰতিস্থাপনৰ সৈতে থকা ইয়াৰ প্ৰকৃতিগত সাদৃশ্যৰ বাবে কোনো কোনো সমালোচকে ইয়াক শূণ্য প্ৰতিস্থাপন (Zero Substitution)

বুলি কৈছে। (Halliday & Hasan 142) লোপৰ উদাহৰণস্বৰূপে তলত কেইটামান বাক্‌ধাৰাৰ উল্লেখ কৰা হৈছে-

(ঝ) তাই কফি অৰ্ডাৰ দিলে আৰু তেওঁ চাহ।

(ঞ) ৰতনে মোক দুৱাৰখন খুলি কোঠাটো চাব দিলে। চালোঁ।

(ঝ) বাক্‌ধাৰাত দুটা অংশ আছে। প্ৰথম অংশত থকা 'অৰ্ডাৰ দিয়া' খণ্ডবাক্যটো দ্বিতীয় অংশত লোপ পাইছে। দ্বিতীয় অংশত কেৱল সৰ্বনাম পদটোৰ সৈতে বিশেষ্য পদটোহে ব্যৱহৃত হৈছে। তাৰপিছতো অৱশ্যে অংশ দুটাৰ অৰ্থতাত্ত্বিক সংলগ্নতা ৰক্ষিত হৈছে। একেদৰে (ঞ) বাক্‌ধাৰাত দুটা বাক্য আছে। প্ৰথম বাক্যত থকা 'দুৱাৰখন খুলি' অংশটো  দ্বিতীয় বাক্যত বক্তা বা লিখোতাই ব্যৱহাৰ কৰা নাই তাৰ সলনি কেৱল ক্ৰিয়াৰূপটো ব্যৱহাৰ কৰিছে। দ্বিতীয় বাক্যটোৰ অৰ্থ প্ৰথম বাক্যটোৰ পৰাহে নিৰূপিত হয়। সেইপিনৰ পৰা দুয়োটা বাক্যয়ে অৰ্থতাত্ত্বিকভাৱে সংলগ্ন। দুয়োটা উদাহৰণতে লোপৰ নিদৰ্শন দেখা যায়। মেক কাৰ্থীয়ে বাক্‌ধাৰাৰ বিভিন্ন পাঠত তিনি প্ৰকাৰৰ লোপ পৰিলক্ষিত হয় বুলি উল্লেখ কৰিছিল- (i) নাম শব্দবাচক (ii)  ক্ৰিয়া শব্দবাচক (iii) খণ্ডবাক্যবাচক

### ১.৬.১.১.৩.১ নাম শব্দবাচক

কথিত বা লিখিত বাক্‌ধাৰাৰ পূৰ্ব অংশত ব্যৱহাৰ হোৱা কোনো নামবাচক শব্দ বা নামবাচক খণ্ডবাক্য পৰৱৰ্তী অংশত ব্যৱহাৰ নকৰিও বাকধাৰাত অৰ্থতাত্ত্বিক সংলগ্নতা অক্ষুণ্ণ ৰাখিব পাৰি। এনেধৰণৰ লোপকে নাম শব্দবাচক লোপ বুলি অভিহিত কৰা হয়। উদাহৰণস্বৰূপে তলৰ অনুচ্ছেদটোলৈ লক্ষ্য কৰা যাওক-

(ট) অনুপে ল'ৰাজনক চাহ আনিবলৈ কোৱা দেখিলো। তাকে দেখি ময়ো ল'ৰাজনক আনিবলৈ দিলোঁ।

এই বাক্‌ধাৰাত থকা দুয়োটা বাক্যলৈ লক্ষ্য কৰিলে দেখা যায় যে প্ৰথম বাক্যত থকা 'চাহ' নামশব্দটো দ্বিতীয় বাক্যত নোহোৱা হৈছে। কিন্তু তাৰপিছতো দুয়োটা বাক্য অৰ্থগতভাৱে সংলগ্ন হৈ আছে। এই সংলগ্নতাৰ আঁৰত ব্যাকৰণগত সংযুক্তিৰ অন্তৰ্গত লোপ কাম কৰি আছে।

### ১.৫.১.১.৩.২ ক্ৰিয়া শব্দবাচক

কথিত বা লিখিত বাক্‌ধাৰাৰ ভিন্ন অংশত একে অৰ্থবাচক ক্ৰিয়াৰ ব্যৱহাৰ হ'লে কোনো এক অংশত ক্ৰিয়াবাচক পদৰ ব্যৱহাৰ নকৰিও বাক্‌ধাৰাত অৰ্থতাত্ত্বিক সংলগ্নতা অক্ষুণ্ণ ৰাখিব পাৰি। এনেধৰণৰ লোপে হ'ল ক্ৰিয়া শব্দবাচক লোপ। এনে লোপত ক্ৰিয়াবিহীন অংশই ক্ৰিয়াযুক্ত অংশৰ ক্ৰিয়াৰ অৰ্থক স্পষ্টভাৱে বহন কৰি অৰ্থগতভাৱে পূৰ্বৰ অংশৰ সৈতে অৰ্থগতভাৱে সংলগ্ন হৈ থাকে। উদাহৰণস্বৰূপে তলৰ বাক্‌ধাৰাটোলৈ লক্ষ্য কৰক-

(ঠ) মোৰ পৰম বন্ধু এজন আঁতৰি গ'ল। নিজৰ দেশলৈ।

এই বাক্‌ধাৰাটোত দুটা বাক্য আছে। প্ৰথম বাক্যটোত ' আতৰি গ'ল' ক্ৰিয়া খণ্ডবাক্যৰ ব্যৱহাৰ হৈছে যদিও দ্বিতীয় বাক্যটোত কোনোধৰণৰ ক্ৰিয়াৰ ব্যৱহাৰ হোৱা নাই। দ্বিতীয় বাক্যটোটো প্ৰথম বাক্যৰ দৰে একে অৰ্থবাচক ক্ৰিয়া খণ্ডবাক্যৰ ব্যৱহাৰ হ'ব পাৰিলেহেতেন যদিও ইয়াত বক্তা বা লেখকে পুনৰাবৃত্তিৰ পৰা হাত সাৰিবলৈ সেয়া বাদ দিছে। ক্ৰিয়াবাচক খণ্ডবাক্যটো লোপ পোৱাৰ পিছতো কিন্তু বাক্যটো অৰ্থগতভাৱে পূৰ্বৰ বা প্ৰথম বাক্যটোৰ সৈতে সংযুক্ত হৈ আছে। সেয়ে কৌশলৰ সহায়তো বাক্‌ধাৰা গঠন কৰিবলৈ সক্ষম হৈছে।

### ১.৫.১.১.৩.৩ খণ্ডবাক্যবাচক

নামবাচক পদ আৰু ক্ৰিয়াপদৰ দৰে কথিত বা লিখিত বাক্‌ধাৰাৰ পূৰ্ব অংশত ব্যৱহাৰ হোৱা কোনো খণ্ডবাক্য পৰৱৰ্তী অংশত ব্যৱহাৰ কৰাৰ পৰা সচেতনভাৱে আঁতৰি থাকিও বাক্‌ধাৰাত অৰ্থতাত্ত্বিক সংলগ্নতা অক্ষুণ্ণ ৰাখিব পাৰি। এয়ে হ'ল খণ্ডবাক্যবাচক লোপ।

(ড) বহুদিনৰ পৰা নেৰা নেপেৰাকৈ বৰষুণ দি আছে। নেৰা নেপেৰা বৰষুণৰ বাবে পথত ঠায়ে ঠায়ে ডোঙা বান্ধিছে। বোকা হৈছে।

উল্লিখিত বাক্‌ধাৰাটোত তিনিটা বাক্য আছে। প্ৰথম আৰু দ্বিতীয় বাক্যৰ তুলনাত তৃতীয় বাক্যটো চুটি। প্ৰথম আৰু দ্বিতীয় বাক্যত ব্যৱহৃত 'নেৰানেপেৰা বৰষুণ' খণ্ডবাক্যটো তৃতীয় বাক্যত লোপ পাইছে। এইধৰণৰ লোপৰ পাছতো কিন্তু তৃতীয় বাক্যটো পূৰ্বৰ বাক্যসমূহৰ ভাৱৰ পৰা বিচ্ছিন্ন হোৱা নাই। অৰ্থৰ একসূত্ৰিতা ই প্ৰদৰ্শন কৰিয়ে আছে।

### ১.৫.১.১.৪ সংযোজক শব্দ

মানুহে কথা কওঁতে বা লিখোতে কিছুমান শব্দৰ ব্যৱহাৰ কৰি উক্তি বা বাক্যসমূহক সংযোগ কৰে। এই ভাষিক উপাদানসমূহকে সংযোজক শব্দ বুলি জনা যায়। 'আৰু', 'অথবা', 'যদিও', 'নাইবা', 'কিন্তু', 'তথাপি', 'সেয়ে', 'উপৰিও', 'এতেকে', 'বাহিৰেও', 'তদুপৰি' ইত্যাদি শব্দবোৰে বাক্য আৰু খণ্ডবাক্যক গঠন আৰু ভাব উভয় দিশৰ পৰা সংযোজিত কৰি ৰাখি এক বাকধাৰা নিৰ্মাণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। উদাহৰণস্বৰূপে-

(ঢ) অতি প্ৰাচীন কালত এখন দেশত এজন ৰজা আছিল। ৰাজ্যখনৰ প্ৰজাই সুখ-শান্তিত দিন পাৰ কৰিছিল, কিয়নো ৰাজ্যৰ ৰজাই কাৰো লগতে বহুত দিন ধৰি যুদ্ধ বিগ্ৰহ লগা নাছিল। তাৰো এটা কাৰণ আছিল। সেয়া হ'ল ৰাজ্যখনৰ নীতি অনুযায়ী ৰজাই আগবাঢ়ি গৈ আগে-ভাগে কোনো ৰাজ্য আক্ৰমণ নকৰিছিল। অৱশ্যে প্ৰয়োজন হ'লে বহিঃশত্ৰুক ভেটিবলৈ বিশাল সৈন্যদল ৰাজ্যখনত নথকা নহয়।

(ণ) কেতিয়াবা বৰ খং উঠে, কিন্তু কি কৰিম, এই পথ নিজেই বাচি লৈছো। দেউতাৰ ইচ্ছা আছিল মোক ডাক্তৰৰূপে চোৱাৰ। অৱশ্যে মাৰ ইচ্ছা বুলিবলৈ বিশেষ নাছিল। তদুপৰি মাৰ জগতখন আছিল সৰু।

(ত) চাকৰী সূত্ৰে নতুন চহৰখনলৈ বদলি হৈ অহা এসপ্তাহ হৈছে। আগৰ চহৰখনৰ তুলনাত নতুন চহৰখন সৰু। গতিকে চহৰখনৰ সৈতে চিনাকী হ'বলৈ বেছি দিন নালাগিল। প্ৰায়বিলাক বাটে সৰু যদিও চহৰৰ মূল পথটোৰ সৈতে সম্পৰ্কিত। চাকৰিসূত্ৰে নতুন চহৰখনত কেইবছৰমান কাল থাকিব লাগিব বাবে ভাড়াঘৰ এটা বিচাৰি আছো।

উল্লিখিত তিনিওটা বাক্‌ধাৰাকে লক্ষ্য কৰিলে দেখা যাব যে বাক্‌ধাৰাৰ অন্তৰ্গত বাক্যসমূহক পৰস্পৰ সম্পৰ্কিত কৰাত 'কিয়নো', 'কাৰণ', 'অৱশ্যে', 'কিন্তু', 'তদুপৰি', 'গতিকে', 'যদিও', 'বাবে' -অৰ দৰে সংযোজকে সহায় কৰিছে। বিশেষকৈ 'গতিকে', 'এনেদৰে', 'ফলত', 'ফলস্বৰূপে' আদি শব্দই সিদ্ধান্তমূলক বাবে পূৰ্ববৰ্তী বাক্য বা উক্তিৰ সৈতে পৰৱৰ্তী অংশক সম্পৰ্কযুক্ত কৰি ৰাখে। সাধাৰণে বিশ্লেষণাত্মক আৰু যুক্তিবাদী ৰচনাত এনেধৰণৰ সংযোজকে বাগ্‌ধাৰা একোটা সম্পূৰ্ণ কৰে বা এক অৰ্থত বাক্‌ধাৰাৰ অন্তৰ্গত বাক্যসমূহক সংযুক্ত কৰি ৰাখে।

উদাহৰণস্বৰূপে-

(থ) বিংশ শতাব্দীত নগৰবোৰত যেতিয়া পাশ্চাত্য আৰ্হিৰ ষ্টেজ নিৰ্মাণ হ'ল তেতিয়া তাৰ অণুকৰণতে আগবঢ়া গাঁও দুই চাৰিখনেও ঠায়ে ঠায়ে অস্থায়ী বা স্থায়ী মঞ্চগৃহ নিৰ্মাণ কৰি আধুনিক নাটক চলাবলৈ লয়। ইয়াৰ ফলত অৱশ্য নগৰকেইখনত আৰু তাৰ আদৰ্শ লোৱা গাঁও দুই চাৰিখনত ভাবনাৰ প্ৰতিপত্তি কমিল। (শৰ্মা ৯৪)

(দ) আহোম ৰজা জয়ধ্বজ সিংহই পোনপ্ৰথমে হিন্দু ধৰ্ম গ্ৰহণ কৰি ব্ৰাহ্মণ পণ্ডিতসকলক উৎসাহ দান কৰে। তেওঁৰ আগতে বামুণীকোঁৱৰ আৰু বুঢ়া ৰজা প্ৰতাপ সিংহৰ ওপৰত হিন্দু ধৰ্মৰ প্ৰভাব পৰিছিল যদিও তেওঁলোকে আনুষ্ঠানিকভাৱে হিন্দু ধৰ্ম গ্ৰহণ কৰা নাছিল। গতিকে তেওঁলোকে হিন্দু সাহিত্যৰ সৃষ্টিত বিশেষ উৎসাহ প্ৰদান কৰাও নাছিল। (শৰ্মা ১৮৬)

উল্লিখিত দুয়োটা অনুচ্ছেদতে শেষৰ বাক্যসমূহত ক্ৰমে 'ফলত' আৰু 'গতিকে' সংযোজকৰ ব্যৱহাৰ লক্ষ্য কৰিব পাৰি। এই সংযোজককেইটাই পূৰ্ববৰ্তী বাক্যৰ সৈতে সম্পৰ্ক ৰক্ষা কৰি একো একোটা বাক্‌ধাৰা সম্পূৰ্ণ কৰিছে। একেদৰে 'তদুপৰি', 'বাহিৰেও', 'উপৰিও' আদি সংযোজকে কৰ্তা সম্পৰ্কে পূৰ্ববৰ্তী বাক্যত থকা তথ্যত নতুন কথা সংযোজন কৰে।

উদাহৰণস্বৰূপে-

(ধ) এই ভ্ৰাম্যমান নাট্যগোষ্ঠীসমূহে গাঁৱে-ভূঞে, নগৰে-চহৰে জনসমাজক নাট্যৰস আস্বাদনৰ সুবিধা দিয়াৰ উপৰিও নতুন নতুন নাট ৰচনাত প্ৰেৰণা দান কৰিছে। অৱশ্যে এই

ভ্ৰমণশীল মঞ্চত অভিনীত হোৱা সৰহভাগ নাট্যৰে সাহিত্যিক মূল্য সীমিত। তদুপৰি এই গোষ্ঠীবোৰে কেইবা হাজাৰো লোকক অন্নসংস্থানত সহায় কৰিছে। (শৰ্মা ৪২২)

আলোচিত উদাহৰণটোত দুটাকৈ সংযোজক পদ ক্ৰমে 'উপৰিও' আৰু 'তদুপৰি'ৰ ব্যৱহাৰ হৈছে। প্ৰথম সংযোজকে নাট্যগোষ্ঠীসমূহে নাট্যৰস প্ৰদান কৰাৰ তথ্য প্ৰদান কৰাৰ লগতে অতিৰিক্তভাৱে নাট্যগোষ্ঠীসমূহে নতুন নাট ৰচনাৰ পৰিৱেশৰ সূচনা কৰাৰ কথা বক্তা বা লেখকে কৈছে। একেদৰে অনুচ্ছেদটোৰ শেষৰ পিনে থকা 'তদুপৰি' সংযোজকে নাট্যগোষ্ঠীসমূহে প্ৰদৰ্শন কৰা নাটৰ সাহিত্যিক মূল্য কম বুলি কৈয়ো সংযোজকৰ পাছত নাট্যগোষ্ঠীসমূহে বহু লোকৰ সংস্থাপনৰ বাট মুকলি কৰিছে বুলি পূৰ্ববৰ্তী বাক্যত নথকা তথ্য এই বাক্যটোত প্ৰদান কৰা হৈছে।

**অগ্ৰগতিৰ খতিয়ান**

বাক্‌ধাৰাৰ ব্যাকৰণগত সংযুক্তি সম্পৰ্কে এটা টোকা প্ৰস্তুত কৰা।

....................................................................................................

....................................................................................................

....................................................................................................

....................................................................................................

### ১.৫.১.২ শাব্দিক সংযুক্তি

বাক্‌ধাৰা বিশ্লেষণৰ এক মৌলিক ধাৰণা হৈছে শাব্দিক সংযুক্তি। পাঠৰ অন্তৰ্গত শব্দ আৰু শব্দসমষ্টিয়ে পাঠত সংযুক্তিৰ ধাৰণা সৃষ্টি কৰি অৰ্থগত ঐক্য আৰু সংহতিক বুজোৱাই শাব্দিক সংযুক্তি। এই সংযুক্তিয়ে উপযুক্ত শব্দভাণ্ডাৰ নিৰ্বাচনৰ মাজেৰে অভিপ্ৰেত ধাৰণাসমূহক সংযোগ কৰি একোটা বাকধাৰাক অৰ্থপূৰ্ণ আৰু গাঁথনিগতভাৱে সুদৃঢ় কৰি তোলে। ব্যাকৰণগত সংযুতিৰ বিপৰীতে শাব্দিক সংযুক্তি শাব্দিক আৰু শব্দাৰ্থ স্তৰত কাম কৰে। অৰ্থাৎ শব্দৰ জৰিয়তে বাকধাৰাত আহৰিত অৰ্থগত সংযুক্তিয়ে হ'ল শাব্দিক সংযুক্তি। এই শাব্দিক সংযুক্তি পাঠত ব্যৱহৃত শব্দৰ পুনৰাবৃত্তি, সমাৰ্থক শব্দ, সহ-গমন সম্পৰ্কৰ জৰিয়তে সম্পন্ন হয়। এনেধৰণৰ ভিন্ন কৌশলেৰে সম্পন্ন বাক্‌ধাৰাৰ উদাহৰণ তলত উল্লেখ কৰা হ'ল।

#### ১.৫.১.২.১ পুনৰাবৃত্তি শাব্দিক সংযুক্তি

শাব্দিক সংহতিৰ আটাইতকৈ পোনপটীয়া ৰূপটোৱেই হৈছে পুনৰাবৃত্তি। লিখিত বা কথিত পাঠত একেটা শব্দ বা বাক্যাংশই কেইবাটাও বাক্য বা উক্তিত ব্যৱহাৰ হ'লে সিহঁতৰ মাজত অৰ্থগত একসূত্ৰিতা পৰিলক্ষিত হয়। এনেধৰণৰ পুনৰাবৃত্তিয়ে বাক্‌ধাৰাৰ

ভিতৰত এক বিশেষ ধাৰণাক সুদৃঢ়ভাৱে তুলি ধৰে। উদাহৰণস্বৰূপে তলৰ অনুচ্ছেদটোলৈ মন কৰক-

(ন) বেলেষ্টৰৰ একমাত্ৰ কাম আছিল বৰশী বোৱা। খালে-ডোঙে, বিলে-হোলাই, নৈয়ে-পুখুৰীয়ে তেওঁ বৰশী দুটা লৈ মাছ টোপাই ফুৰে- কেতিয়াবা ঢেৰ মাছ পায়, কেতিয়াবা একোৱে নাপায়। অৱশ্যে মাছ পোৱা নোপোৱাৰ লগত সম্বন্ধ নাই- ধলপুৱাৰপৰা ফুটগধূলিলৈকে ৰদ হওক বৰষুণ হওক, বেলেষ্টৰে বৰশী বাবই। (আচাৰ্য্য ১২)

আলোচিত অনুচ্ছেদটোত 'বৰশী' আৰু 'মাছ' নামশব্দটো প্ৰায় প্ৰত্যেকটো বাক্যতে ব্যৱহৃত হৈছে। ফলত সামগ্ৰিকভাৱে বাকধাৰাটোত অৰ্থগত একসূত্ৰিতা লক্ষ্য কৰিব পাৰি।

### ১.৫.১.২.২ সমাৰ্থক শাব্দিক সংযুক্তি

অপ্ৰয়োজনীয় পুনৰাবৃত্তিৰ পৰা হাত সাৰিবলৈ একে অৰ্থৰ শব্দৰ ব্যৱহাৰ কৰি বাক্ধাৰাক সংযুক্ত কৰি ৰখাকে সমাৰ্থক শাব্দিক সংযুক্তি বুলিব পাৰি। কথিত বা লিখিত পাঠৰ শৈলীগত বৈচিত্ৰ্যক উন্নত কৰিবলৈ, যোগাযোগৰ সাৱলীলতা বৃদ্ধি কৰিবলৈ আৰু দীঘলীয়া পাঠৰ একঘেয়ামিতা হ্ৰাস কৰিবলৈ সাধাৰণে বক্তাই বাক্ধাৰাত সমাৰ্থক শব্দৰ ব্যৱহাৰ কৰে। এনে শব্দৰ উচৰা উচৰিকৈ ব্যৱহাৰেও বাক্য আৰু উক্তিক অৰ্থগত একসূত্ৰিতা প্ৰদান কৰে। উদাহৰণস্বৰূপে তলৰ অনুচ্ছেদটোলৈ মন কৰক-

(প) ফাগুণৰ পছোৱাই ধূলিয়ৰি কৰা মহানগৰখনলৈ আন্ধাৰ নামি আহিছে। দিগন্তত অস্তনমিত সূৰুয। বতাহ কমা নাই। তমসাৰ লগে লগে আকাশতো কলীয়া ডাৱৰ গোট খাইছে। ফাগুণৰ বাউলী বাই মেঘ উৰুৱাই নিলে হয়তো বৰষুণ নহ'ব। অন্যাথা বৰষুণে মহানগৰ ধুৱাব।

উল্লিখিত অনুচ্ছেদটোত ছয়টা বাক্য আছে। বাক্যসমূহত একাধিক শব্দৰ সমাৰ্থক শব্দ ব্যৱহাৰ হোৱা পৰিলক্ষিত হৈছে। বিশেষকৈ পছোৱাৰ সমাৰ্থক বা শব্দৰূপে বা, আন্ধাৰৰ সমাৰ্থক শব্দৰূপে তমসা, ডাৱৰৰ সমাৰ্থকৰূপে মেঘ, আৰু আকাশৰ সমাৰ্থকৰূপে দিগন্তৰ ব্যৱহাৰে অনুচ্ছেদটোৰ অৰ্থৰ একসূত্ৰিতা ভংগ নকৰি অক্ষুণ্ণ ৰাখিছে। একেসময়তে সমাৰ্থক শব্দৰ ব্যৱহাৰে বাক্ধাৰাটোক শৈলীগত বৈচিত্ৰ্য প্ৰদান কৰিছে। অৱশ্যে বহল অৰ্থত সমাৰ্থক শাব্দিক সংযুক্তিও একপ্ৰকাৰৰ পুনৰাবৃত্তি শাব্দিক সংযুক্তি।

### ১.৫.১.২.৩ সাধাৰণীকৃত শব্দশ্ৰেণী আৰু বিশেষ শব্দশ্ৰেণীৰ সম্পৰ্কেৰে সাধিত শাব্দিক সংযুক্তি

সকলো ভাষাতে শাব্দিক উপাদানসমূহক সাধাৰণীকৃত শব্দশ্ৰেণী (hypernym) আৰু বিশেষ শব্দশ্ৰেণীৰূপে (hyponym) বিভাজন কৰিব পাৰি। এই দুয়োপ্ৰকাৰৰ শব্দশ্ৰেণীৰ মাজতে এক অন্তৰ্নিহিত সম্পৰ্ক আছে। এই সম্পৰ্কটোকে হাইপনিমি

(Hyponymy) বুলি জনা যায়। এক অনুচ্ছেদত সাধাৰণীকৃত বা সামূহিক শব্দশ্ৰেণীৰ কোনো শব্দ উৰঞ্জদ্ধস্তৰীয় ৰূপত ব্যৱহাৰ হ'লে আৰু আন অংশত বিশেষ শব্দশ্ৰেণীৰ শব্দ থাকিলে হাইপনিমি অনুযায়ী অনুচ্ছেদৰ ভিন্ন অংশৰ মাজত অৰ্থগত সম্পৰ্ক স্থাপন কৰি এক বাক্‌ধাৰাৰ গঠন কৰে। উদাহৰণস্বৰূপে তলৰ বাক্‌ধাৰাৰ্টৈ মন কৰক-

(ফ) তাই বজাৰৰ পৰা কিছু ফল কিনিলে। আম আৰু পনিয়লকেইটা তাই কম দামতে পালে।

আলোচিত উদাহৰণটোত 'ফল' হৈছে সাধাৰণীকৃত শব্দশ্ৰেণীৰ শব্দ আনহাতে 'আম' আৰু 'পনিয়ল' হৈছে বিশেষ শব্দশ্ৰেণীৰ শব্দ। এই দুয়োশ্ৰেণীৰ শব্দৰ মাজত একধৰণৰ শাব্দিক সংযুক্তি আছে। বাক্‌ধাৰাৰ পূৰ্বৱৰ্তী অংশত সামূহিক অৰ্থৰ ধাৰণা দিয়া শব্দৰ ব্যৱহাৰ হৈছে আৰু তাৰ পাছত সামূহিক শ্ৰেণীৰ ভিতৰতে বিশেষ শব্দৰ ধাৰণা দিয়া পদৰ ব্যৱহাৰ হোৱাৰ বাবে অৰ্থৰ সংলগ্নতা ৰক্ষা হৈ শাব্দিক সংযুক্তিৰ সৃষ্টি কৰিছে।

### ১.৫.১.২.৪ সহ-গমন সম্পৰ্ক আধাৰিত শাব্দিক সংযুক্তি

সকলো ভাষাতে কিছুমান শব্দ সদায় কিছুমান শব্দ কিছুমান বিশেষ শব্দৰ লগতহে বহে আন শব্দৰ লগত নবহে। সেয়া শব্দৰ আসক্তিগত প্ৰৱণতা। এনে আসক্তি যুক্ত শব্দই বাক্‌ধাৰাৰ অন্তৰ্গত উপাদান হিচাপে অৰ্থক যথাৰ্থতা প্ৰদান কৰে। ভাষাত সঘনাই একেলগে দেখা পোনা শব্দৰ এনে অভ্যাসগত সংমিশ্ৰণক সহ-গমন সম্পৰ্কযুক্ত শব্দ বোলে। শব্দৰ এনে যোৱাবোৰ ভাষাৰ প্ৰচলিত গাঁথনিক নিয়মৰ পৰিৱৰ্তে পাৰিপাৰ্শ্বিক অৱস্থাৰ পৰা অভিজ্ঞতাৰ জৰিয়তে শিকিব পাৰি। উদাহৰণস্বৰূপে অসমীয়া ভাষাত খাদ্যৰ উষ্ণতাক নিৰ্দেশ কৰিবলৈ 'তপত' শব্দৰহে ব্যৱহাৰ হয়। সামগ্ৰীৰ উষ্ণতাক সাধাৰণতে তপত শব্দৰে নিৰ্দেশ কৰা নহয়। যেনেঃ তপত ভাত হয় কিন্তু তপত কাপোৰ নহয়। কাপোৰৰ সৈতে সম্পৰ্কীয় উষ্ণতাৰ ধাৰণাক 'গৰম কাপোৰ'ৰে নিৰ্দেশ কৰা হয়। অসমীয়া ভাষাত সততে প্ৰচলিত এইধৰণৰ সহ-গমন সম্পৰ্কিত শব্দ হ'ল- 'কলীয়া ডাৱৰ', 'উষ্ম আদৰণি', 'অহি নকুল', 'দূৰ দিগন্ত', শস্য-শ্যামলা, 'সুউচ্চ শিখৰ' 'হিম শীতল' আদি। এই শব্দ যুঁটিবোৰে এটাই আনটোৰ সৈতেহে অৰ্থগত সংগতি স্থাপন কৰে। এই সংগতিৰ দ্বাৰা একাধিক বাক্য বা উক্তিক অৰ্থগত সংগতি প্ৰদান কৰিব পাৰি।

লিখিত বা কথিত বা আন যিকোনো প্ৰকাৰৰ পাঠ বোধনযোগ্যতা, পঠনযোগ্যতা আৰু সংযুক্তিৰ ক্ষেত্ৰত শাব্দিক সংযুক্তিৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। শাব্দিক সংযুক্তিয়ে বাকধাৰা সুসংগঠিত, যুক্তিসংগত আৰু অৰ্থপূৰ্ণ হোৱাটো নিশ্চিত কৰে।

**অগ্ৰগতিৰ খতিয়ানঃ**

বাক্‌ধাৰাৰ শাব্দিক সংযুক্তি সম্পৰ্কে এটা টোকা প্ৰস্তুত কৰা।

.....................................................................................................................

.....................................................................................................................

### ১.৫.২ বাক্‌ধাৰাৰ অৰ্থৰ একসূত্ৰিতা বা সংহতি

বাক্‌ধাৰাৰ মাজেৰে প্ৰেৰিত সামগ্ৰিক বাৰ্তাটো অৰ্থপূৰ্ণ আৰু সহজে বুজিব পৰা হোৱাটো নিশ্চিত কৰিবলৈ বাক্‌ধাৰাৰ অন্তৰ্গত ধাৰণাসমূহৰ যুক্তিসংগতভাৱে সংগঠিত হোৱাটো প্ৰয়োজন। এনেধৰণে বাক্‌ধাৰাৰ ভিতৰত উপাদানসমূহৰ পাৰস্পৰিক সম্পৰ্কৰ ফলত সৃষ্ট সামগ্ৰিক অৰ্থকে অৰ্থৰ সংহতি বুলি কোৱা হয়। বাক্‌ধাৰাৰ সংযুক্তিত ভাষাৰ গাঁথনিগত উপাদানৰ সৈতে অধিক সম্পৰ্কিত হোৱাৰ বিপৰীতে অৰ্থৰ সংহতি এক ধাৰণাগত উপাদান।

বাক্‌ধাৰাত অৰ্থৰ সংহতি অৰ্জন কৰিবলৈ তলত আলোচিত কৌশলসমূহ অনুসৰণ কৰিবলগীয়া হয়-

(i) যুক্তিসংগত ক্ৰমবিন্যাস — ধাৰণাবোৰে স্বাভাৱিক আৰু যুক্তিসংগত ক্ৰম অনুসৰণ কৰিব লাগিব।

(ii) বিষয়ৰ একসূত্ৰিতা

(iii) বাক্‌ধাৰাৰ ধাৰণাৰ মাজৰ অন্তৰ্নিহিত সংযোগ

(iv) বাক্‌ধাৰাৰ ধাৰণাৰ প্ৰাসংগিকতা

#### ১.৫.২.১ যুক্তিসংগত ক্ৰমবিন্যাস

বাক্‌ধাৰাত অৰ্থৰ সংহতি লাভৰ বাবে বাক্‌ধাৰাত যুক্তিসংগত ক্ৰমবিন্যাস থকাটো প্ৰয়োজনীয়। যুক্তিসংগত ক্ৰমবিন্যাসে বাক্‌ধাৰাৰ ধাৰণাসমূহ গাঁথনিগত আৰু শৃংখলাবদ্ধভাৱে উপস্থাপিত হোৱাটো নিশ্চিত কৰে। ফলশ্ৰুতিত পাঠক বা শ্ৰোতাৰ বাবে বাক্‌ধাৰা অনুসৰণ কৰাটো সহজসাধ্য হয়। যুক্তিসংগত ক্ৰমবিন্যাস অবিহনে এক বাক্‌ধাৰা বিশেষ বিচ্ছিন্ন আৰু পাঠক বা শ্ৰোতাৰ বাবে উদ্দেশ্যপ্ৰণোদিত বাৰ্তা বুজিবলৈ কঠিন হৈ পৰে। যুক্তিসংগত ক্ৰমবিন্যাসত বাক্‌ধাৰাত প্ৰদত্ত তথ্যসমূহ কালানুক্ৰমিকভাৱে বা কাৰণ-প্ৰভাৱ-ভিত্তিকভাৱে বা সাধাৰণৰ পৰা বিশেষলৈ অথবা প্ৰক্ৰিয়াগতভাৱে সজাই বাক্য আৰু অনুচ্ছেদৰ মাজত সংযোগ স্থাপন কৰাৰ পোষকতা কৰে। বিদ্যায়তনিক লেখন বা কথন, গল্প লেখন বা কথন, ব্যৱসায়িক যোগাযোগ আৰু দৈনন্দিন কথা-বতৰাৰ সময়তে বাক্‌ধাৰাৰ ভিতৰত বাক্য আৰু ধাৰণাৰ যুক্তিসংগত ক্ৰমবিন্যাস অতি প্ৰয়োজনীয়। ইতিমধ্যে কোৱাৰ দৰে বাক্‌ধাৰাৰ যুক্তিসংগত ক্ৰমবিন্যাস বিভিন্ন উপায়েৰে লাভ কৰিব পাৰি।

##### ১.৫.২.১.১ কালানুক্ৰমিক ক্ৰমবিন্যাস (Chronological Sequencing)

কালানুক্ৰমিক ক্ৰমবিন্যাসত পৰিঘটনা বা ধাৰণাবোৰ সংঘটিত হোৱা সময়ৰ ক্ৰমত উপস্থাপন কৰা হয়। যিকোনো আখ্যান, ঐতিহাসিক বিৱৰণী আৰু জীৱনীৰ বাক্‌ধাৰাৰত এইধৰণৰ কালানুক্ৰমিক ক্ৰমবিন্যাসৰ উপস্থিতি সঘনাই দেখা যায়। উদাহৰণস্বৰূপে তলৰ অনুচ্ছেদটোলৈ মন কৰক।

(ব) ১৯২০ চনত মহাত্মা গান্ধীয়ে অসহযোগ আন্দোলনৰ নেতৃত্ব দিয়ে। এই আন্দোলনৰ দহ বছৰ পাছতে ক্ৰমে আইন অমান্য আন্দোলন আৰু তাৰ এক দক পাছত ১৯৪২ চনত ভাৰত ত্যাগ আন্দোলন সংঘটিত হয়। ভাৰত ত্যাগ আন্দোলনৰ ফলশ্ৰুতিতে ১৯৪৭ চনত ভাৰতে স্বাধীনতা লাভ কৰে।

এই অনুচ্ছেদটোত ঐতিহাসিকভাৱে সংঘটিত ঘটনাৱাজিক ক্ৰম অনুযায়ী বাক্যত সজোৱা হৈছে। কালানুক্ৰমিক ক্ৰম ৰক্ষা কৰাৰ বাবে বাক্ধাৰাটোৰ অৰ্থ সুস্পষ্ট হৈছে। এই কালানুক্ৰমিক ক্ৰম ৰক্ষা নকৰিলে অনুচ্ছেদটো হ'ব এনেধৰণৰ-

"১৯৪৭ চনত ভাৰতে স্বাধীনতা লাভ কৰে। ১৯২০ চনত মহাত্মা গান্ধীয়ে অসহযোগ আন্দোলনৰ নেতৃত্ব দিয়ে। ভাৰত ত্যাগ আন্দোলন ১৯৪২ চনত সংঘটিত হয়।"

এনেধৰণে কালক্ৰমিক ক্ৰমবিন্যাসে ঐতিহাসিক পৰিঘটনাসমূহৰ স্বাভাৱিক সময়সীমা অনুসৰণ কৰাটো নিশ্চিত কৰে। অৱশ্যে কেৱল ঐতিহাসিক বিৱৰণীতেই এই ক্ৰমবিন্যাস অনুকৰণীয় তেনে নহয়। সাধাৰণ দৈনন্দিন কথোপকথনৰ বেলিকাও এই ক্ৰমবিন্যাস মানি চলিবলগীয়া হয়। উদাহৰণস্বৰূপে তলৰ অনুচ্ছেদটোলৈ মন কৰক-

(ভ) মই ৰাতিৰ আহাৰ খালোঁ। দাঁত ব্ৰাছ কৰিলোঁ। মই শুই পৰিলোঁ।

উল্লিখিত অনুচ্ছেদটোত দৈনন্দিন কাৰ্যকলাপৰ সাধাৰণ ক্ৰম এটা ৰক্ষিত হৈছে। এই ক্ৰমটো কালানুক্ৰমিক। এই ক্ৰমটো ৰক্ষা কৰাৰ বাবে বাকধাৰাটো সফল হৈছে। এই ক্ৰমটোকে যদি ৰক্ষা কৰা নহয় তেন্তে অনুচ্ছেদটো হয়তো হ'ব- "মই শুই পৰিলোঁ। দাঁত ব্ৰাছ কৰিলোঁ। ৰাতিৰ আহাৰ খালোঁ।"

### ১.৫.২.১.২ কাৰ্য-কাৰণ ক্ৰমবিন্যাস (Chronological Sequencing)

এই প্ৰকাৰৰ ক্ৰমবিন্যাসত কাৰ্য-কাৰণ সম্পৰ্ক এটা উপস্থাপন কৰা হয়। আন অৰ্থত ক'বলৈ গ'লে অনুচ্ছেদত এটা পৰিঘটনাই (কাৰণ) আন এটা পৰিঘটনা (প্ৰভাৱ)লৈ পাঠক বা শ্ৰোতাক লৈ যায়। বৈজ্ঞানিক ব্যাখ্যাধৰ্মী পাঠ আৰু সমস্যাৰ সমাধানধৰ্মী পাঠত কাৰ্য-কাৰণ ক্ৰমবিন্যাসৰ বহুল ব্যৱহাৰ লক্ষ্য কৰা যায়। উদাহৰণস্বৰূপে তলৰ অনুচ্ছেদটোলৈ মন কৰক-

(ম) বহুদিন বৰষুণ হোৱা নাছিল। মাটি শুকাই গ'ল। গছবোৰ মৰহি গ'ল।

আলোচিত বাক্যটোত পৰিলক্ষিত ক্ৰমটোৱে প্ৰাকৃতিক প্ৰক্ৰিয়া এটাক অনুসৰণ কৰা দেখা যায়। সেয়া হ'ল- বৰষুণৰ অভাৱ > শুকান মাটি > মৰহি যোৱা উদ্ভিদ। এই কাৰ্যকাৰণ সম্বন্ধৰ ক্ৰমটো আলোচিত উদাহৰণটোত ৰক্ষিত হোৱা বাবে বাক্যটো যুক্তিপূৰ্ণ হৈছে।

### ১.৫.২.১.৩ সাধাৰণৰ পৰা নিৰ্দিষ্টৰ ক্ৰমবিন্যাস (General-to-Specific Sequencing)

এটা বহল বক্তব্য বা ধাৰণাৰে আৰম্ভ হৈ বাক্ধাৰা এটা ক্ৰমে নিৰ্দিষ্ট বিৱৰণলৈ যোৱা ক্ৰমবিন্যাস কৌশলটোকে সাধাৰণৰ পৰা নিৰ্দিষ্টৰ ক্ৰমবিন্যাস বুলি অভিহিত কৰিব

পাৰি। বিদ্যায়তনিক পাঠ, গৱেষণাধৰ্মী পাঠ আৰু প্ৰতিবেদন আদিত এনে ক্ৰমবিন্যাস কৌশল বিশেষভাৱে উপযোগী। উদাহৰণস্বৰূপে তলৰ অনুচ্ছেদটোলৈ মন কৰক-

(য) জলবায়ু পৰিৱৰ্তন হৈছে বিশ্বৰ বিভিন্ন অঞ্চলক প্ৰভাৱিত কৰা এক ডাঙৰ বিশ্বব্যাপী বিষয়। উপকূলীয় অঞ্চলত বৃদ্ধি পোৱা সাগৰৰ জলপৃষ্ঠই নিকটৱৰ্তী জীৱকূলক প্ৰতি ভাবুকি কঢ়িয়াই আনে। বতৰৰ পৰিৱৰ্তনে শস্যৰ উৎপাদনতো প্ৰভাৱ পেলায়।

অনুচ্ছেদটোলৈ লক্ষ্য কৰিলে দেখা যাব যে অনুচ্ছেদটোৰ আৰম্ভণিৰ বাক্যসমূহৰ বিষয়ক সাধাৰণীকৃত কৰি তুলি ধৰা হৈছে। তাৰ পিছত ক্ৰমে বিষয়বস্তুক নিৰ্দিষ্ট কৰা হৈছে। ফলশ্ৰুতিত বাক্‌ধাৰাটো সংগতিপূৰ্ণ হৈছে। এনে বাক্‌ধাৰাৰ পাঠক, দৰ্শক বা শ্ৰোতাই বিষয়ৰ নিৰ্দিষ্টতালৈ যোৱাৰ আগতেই বিষয়ৰ পটভূমিৰ সৈতে পৰিচিত হ'ব পাৰে।

### ১.৫.২.১.৪ সমস্যা-সমাধান ক্ৰমবিন্যাস (Problem-Solution Sequencing)

এই ধৰণৰ ক্ৰমবিন্যাসে বাকধাৰত প্ৰথমে এটা সমস্যা উপস্থাপন কৰে, তাৰ পিছত ইয়াৰ সম্ভাব্য সমাধান দাঙি ধৰে। এই ক্ৰমবিন্যাস ইয়াক সাধাৰণতে ৰচনা, প্ৰতিবেদন বা নীতি আলোচনাধৰ্মী বাকধাৰাত প্ৰধানকৈ ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে তলৰ অনুচ্ছেদটোলৈ মন কৰক-

(ৰ) বাহনৰ নিৰ্গমন আৰু উদ্যোগিক কাৰ্যকলাপৰ বাবে চহৰ অঞ্চলত বায়ু প্ৰদূষণ বৃদ্ধি পাইছে। এই প্ৰদূষণ হ্ৰাস কৰিবলৈ চহৰসমূহে বৈদ্যুতিক ৰাজহুৱা পৰিবহণ আৰু কঠোৰ নিৰ্গমন আইনত বিনিয়োগ কৰিব লাগে।

আলোচ্য অনুচ্ছেদটোৰ বাক্যদুটালৈ লক্ষ্য কৰিলে দেখা যায় যে প্ৰথম বাক্যটোৱে এক সমস্যাৰ ধাৰণা দিছে আৰু দ্বিতীয় বাক্যটোত সেই সমস্যাৰ এক সমাধান উল্লিখিত হৈছে।

সমস্যাঃ বাহনৰ নিৰ্গমন আৰু উদ্যোগিক কাৰ্যকলাপৰ বাবে চহৰ অঞ্চলত বায়ু প্ৰদূষণ বৃদ্ধি পাইছে।

সমাধানঃ প্ৰদূষণ হ্ৰাস কৰিবলৈ চহৰসমূহে বৈদ্যুতিক ৰাজহুৱা পৰিবহণ আৰু কঠোৰ নিৰ্গমন আইনত বিনিয়োগ কৰিব লাগে।

প্ৰথমে সমস্যাটো উপস্থাপন কৰাৰ ফলত পাঠকে প্ৰসংগ বুজি সমাধানৰ সন্ধান কৰিব পাৰে। এয়ে সমস্যা-সমাধান ক্ৰমবিন্যাস।

### ১.৫.২.১.৫ তুলনামূলক ক্ৰমবিন্যাস (Comparative Sequencing)

তুলনামূলক ক্ৰমবিন্যাসে বাক্‌ধাৰত প্ৰথমে সাদৃশ্য আৰু তাৰপিছত পাৰ্থক্যৰ ওপৰত ভিত্তি কৰি তথ্য সংগঠিত কৰে। তুলনামূলক ৰচনা, বিশ্লেষণাত্মক আলোচনাত এনেধৰণৰ ক্ৰমবিন্যাস সম্পন্ন বাক্‌ধাৰা উপযোগীৰূপে ধৰা দিয়ে। উদাহৰণস্বৰূপে তলৰ অনুচ্ছেদটোলৈ মন কৰক-

(ল) নিউয়ৰ্ক আৰু লণ্ডন দুয়োখনেই বিশ্বৰ প্ৰধান বিত্তীয় কেন্দ্ৰ। অৱশ্যে লণ্ডনৰ স্থাপত্যৰ দৃশ্যপট অধিক ঐতিহাসিক, আনহাতে নিউয়ৰ্ক আধুনিক আকাশচুম্বী ঘৰৰ বাবে পৰিচিত।

এই ক্ৰমবিন্যাসে তুলনামূলক বিশ্লেষণত স্পষ্টতা বজাই ৰখাত সহায় কৰে। লগতে যুক্তিসংগত গঠনে পাঠক বা দৰ্শকক ফলপ্ৰসূভাৱে উপাদানসমূহ তুলনা কৰিবলৈ উৎসাহ দিয়ে।

### ১.৫.২.১.৬ পদ্ধতিগত ক্ৰমবিন্যাস (Procedural Sequencing)

পদ্ধতিগত ক্ৰমবিন্যাসে এক স্তৰীকৃত প্ৰক্ৰিয়াৰ ৰূপৰেখা দাঙি ধৰে। যাৰ ফলত ইয়াক নিৰ্দেশনাত্মক বাক্‌ধাৰাৰ বাবে এই ক্ৰমবিন্যাস পদ্ধতি উপযোগী হয়। উদাহৰণস্বৰূপে তলৰ অনুচ্ছেদটোলৈ মন কৰক-

(ৱ) কেৰাহীটো গৰম হ'লে ২০০ মিঃলিঃ মিঠাতেল দিয়ক। মিঠাতেল গৰম হ'লে পিয়াজ মিহিকৈ কুটি দিয়ক। পিয়াজ ভাজি ৰঙচুৱা হ'লে আদা-নহৰু বটাখিনি দি সামান্য লৰাই দিয়ক।

উল্লিখিত অনুচ্ছেদটোত দেখা গৈছে যে প্ৰতিটো বাক্যই একোটা স্তৰৰ ধাৰণা দিছে। প্ৰথম স্তৰটো অতিক্ৰম কৰি দ্বিতীয় স্তৰটোত উপনীত হ'ব পাৰি। দ্বিতীয় স্তৰটো সমাপ্ত হ'লে তৃতীয় স্তৰৰ প্ৰসংগটো স্পষ্ট হয়। এইদৰে প্ৰতিটো পদক্ষেপে সামগ্ৰিক প্ৰক্ৰিয়াটোৰ সঠিক সমাপ্তিৰ বাবে এই ক্ৰমবিন্যাস কৌশলত এক যুক্তিসংগত ক্ৰম অনুসৰণ কৰাৰ পোষকতা কৰা হয়।

### ১.৫.২.২ বিষয়ৰ একসূত্ৰিতা

যিকোনো লিখিত বা কথিত পাঠৰ মাজত এক কেন্দ্ৰীয় বিষয়বস্তু বা বিষয় বজাই ৰাখি সংহতি নিশ্চিত কৰাই হৈছে বাক্‌ধাৰাৰ বিষয়ৰ একসূত্ৰিতা। এই একসূত্ৰিতাই অৰ্থৰ সংহতি নিশ্চিত কৰে বাবে বাকধাৰা গঠনৰ ই এক গুৰুত্বপূৰ্ণ কৌশল। বিষয়ৰ একসূত্ৰিতাই বাক্‌ধাৰাক যুক্তিসংগতভাৱে প্ৰবাহিত কৰি পাঠক বা শ্ৰোতাৰ মনোযোগ অপৰিৱৰ্তিত কৰি ৰাখে। ফলশ্ৰুতিত এনে কৌশলপূৰ্ণ বাকধাৰাসম্পন্ন যোগাযোগ অধিক গাঁথনিগত, স্পষ্ট আৰু অৰ্থপূৰ্ণ হয়।

বাক্‌ধাৰাত ধাৰণাৰ ধাৰাবাহিকতা সূচাবলৈ বাক্য আৰু অনুচ্ছেদসমূহক এটা বিষয়বস্তুৰ জড়িয়তে সংযুক্ত কৰা হয়। এই ধাৰণাটোৰ নিদৰ্শনৰূপে তলত এটা অনুচ্ছেদ তুলি ধৰা হ'ল-

(শ) বহনক্ষম ভৱিষ্যতৰ বাবে নবীকৰণযোগ্য শক্তিৰ উৎসসমূহ গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। বিশেষকৈ জলবিদ্যুৎ প্ৰকল্পসমূহে জীৱাশ্ম ইন্ধনৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰাত সহায় কৰিছে। ঘৰে ঘৰে সংস্থাপন কৰিব পৰা সৌৰ শক্তিৰ ব্যৱস্থাপনাবোৰৰ মূল্য ক্ৰমে

কমি অহাৰ ফলত গৃহস্বত্বাধিকাৰীসকলৰ বাবে ইয়াক অধিক সুলভ হৈ পৰিছে। বৈদ্যুতিক বাহনসমূহেও কাৰ্বন নিৰ্গমন হ্ৰাস কৰাৰ উপৰিও জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰ কমাই অনাত সহায়ক হৈ পৰিছে।

উল্লিখিত অনুচ্ছেদটোত থকা আটাইবোৰ বাক্যৰ মাজেৰে নৱীকৰণযোগ্য শক্তিৰ বিষয়টো কেন্দ্ৰীয় বিষয়ৰূপে আত্মপ্ৰকাশ কৰিছে। বিষয়ৰ এনে একসূত্ৰিতাৰ বাবে বাকধাৰাটোৰ অৰ্থ সুস্পষ্ট হৈ পৰিছে। এতিয়া একেটা অনুচ্ছেদৰ বিষয়ৰ একসূত্ৰিতাৰ অভাৱ হ'লে কেনে হ'ব চোৱা যাওঁক-

"বহনক্ষম ভৱিষ্যতৰ বাবে নৱীকৰণযোগ্য শক্তিৰ উৎসসমূহ গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। গাখীৰৰ পৰা পনীৰ প্ৰস্তুত কৰিব পাৰি। বিশেষকৈ জলবিদ্যুৎ প্ৰকল্পসমূহে জীৱাশ্ম ইন্ধনৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰাত সহায় কৰিছে।"

এই উদাহৰণটোত হঠাতে পনীৰৰ উল্লেখে বাক্‌ধাৰাটোত একাধিক বিষয়ৰ সমাবেশ ঘটাইছে। ইয়ে বাক্‌ধাৰাটোৰ অৰ্থগত সংহতিটোক বিঘ্নিত কৰিছে।

### ১.৫.২.৩ বাক্‌ধাৰাৰ ধাৰণাৰ মাজৰ অন্তৰ্নিহিত সংযোগ

বাক্‌ধাৰাৰ অন্তৰ্গত ধাৰণাসমূহৰ যুক্তিসংগত প্ৰবাহকে সংহতি বুলিব পাৰি বুলি আপোনালোকে ইতিমধ্যে গম পাইছে। এই সংহতি ৰক্ষা কৰা এক গুৰুত্বপূৰ্ণ কৌশল হ'ল বাক্‌ধাৰাৰ ধাৰণাসমূহৰ মাজৰ অন্তৰ্নিহিত সংযোগ। এনে সংযোগত ধাৰণাসমূহৰ মাজৰ সম্পৰ্কসমূহ স্পষ্টভাৱে প্ৰকাশ কৰাৰ সলনি বক্তা আৰু শ্ৰোতা বা লেখক আৰু পাঠকৰ বিচাৰ-বিবেচনাৰ সহায়ত বোধগম্য বুলি বিবেচনা কৰা হয়। প্ৰসংগ, পটভূমিৰ জ্ঞান আৰু যুক্তিসংগত যুক্তিৰ ওপৰত ভিত্তি কৰি পাঠক বা শ্ৰোতাৰ বাক্‌ধাৰাৰ অৰ্থ অনুমান কৰাৰ ক্ষমতাৰ ওপৰত অন্তৰ্নিহিত সংযোগসমূহ নিৰ্ভৰ কৰে। এইসমূহ ব্যাকৰণগত সংযুক্তিৰ সংযোজকৰ দৰে স্পষ্ট নহয়। অন্তৰ্নিহিত সংযোগত প্ৰকাশ্যে সংযোজক শব্দ নাথাকে যদিও বাক্‌ধাৰাত সামগ্ৰিকভাৱে ভাৱৰ মসৃণ প্ৰবাহ অক্ষত থাকে। উদাহৰণস্বৰূপে তলৰ অনুচ্ছেদটোলৈ মন কৰক-

(ষ) জেঠমহীয়া দিনটোত বতৰটো গৰম আছিল। খেলখন চলি আছে।

অনুচ্ছেদটোত দুটা বাক্য আছে। দুয়োটা বাক্যতে কোনোধৰণৰ ব্যাকৰণগত সংযুক্তি বা শাব্দিক সংযুক্তি প্ৰকাশ হোৱা নাই। সংযোজক শব্দৰ প্ৰয়োগ হোৱা হ'লে হয়তো বাক্‌ধাৰাটো হ'লহেতেন- "জেঠমহীয়া দিনটোত বতৰটো গৰম আছিল। তাৰপিছতো খেলখন চলি আছে।" কিন্তু সংযোজক শব্দৰ অনুপস্থিতিৰ পাছতো বাক্যদুটাৰ মাজৰ অন্তৰ্নিহিত সম্পৰ্কটো শ্ৰোতা বা পাঠকে যুক্তিসংগত অনুমান, উমৈহতীয়া জ্ঞান, পাৰিপাৰ্শ্বিক তথ্যৰ পৰা লাভ কৰা প্ৰসংগগত জ্ঞানৰ সহায়ত বাক্য দুটাৰ মাজৰ অন্তৰ্নিহিত সংহতি নিৰ্ণয় কৰিব পাৰিছে। এই কৌশলে স্পষ্ট সংযোজক শব্দ পৰিহাৰ কৰি অৰ্থৰ যুক্তিসংগত প্ৰবাহ নিশ্চিত কৰে বাবে বাক্‌ধাৰাক স্বাভাৱিক ৰূপ প্ৰদান কৰে।

### ১.৫.২.৪ বাক্‌ধাৰাৰ ধাৰণাৰ প্ৰাসংগিকতা

বাক্‌ধাৰাৰ অৰ্থৰ সংহতিৰ বাবে প্ৰয়োজনীয় এক কৌশল হ'ল প্ৰাসংগিকতা। প্ৰাসংগিকতাই কোনো এক লিখিত বা কথিত পাঠৰ ভিতৰৰ সকলো তথ্য প্ৰসংগক্ৰমে উপযুক্ত হোৱাৰ পোষকতা কৰে। বাক্‌ধাৰাত বাক্য আৰু ধাৰণাসমূহ বাক্‌ধাৰাৰ সামগ্ৰিক উদ্দেশ্যৰ সৈতে খাপ খোৱাই এনেদৰে সংযোগ কৰাই হৈছে ধাৰণাৰ প্ৰাসংগিকতা। অপ্ৰাসংগিক তথ্যই অৰ্থৰ সংহতি বিঘ্নিত কৰি শ্ৰোতা বা পাঠকক বাক্‌ধাৰাৰ সামগ্ৰিক অৰ্থ অনুধাৱন কৰাত বাধা দিব পাৰে। এই ধাৰণাৰ বশৱৰ্তী হৈয়ে ডেন স্পাৰবাৰ (Dan Sperber; 1986) আৰু ডেইৰড্ৰে উইলছনে (Deirdre Wilson 1995) প্ৰাসংগিকতা তত্ত্ব (Relevance Theory)ৰ ধাৰণাৰ পোষকতা কৰে। তেওঁলোকৰ দৃষ্টিত মানুহে সাধাৰণতে প্ৰসংগটোৰ সৈতে আটাইতকৈ বেছিকৈ খাপ খোৱা প্ৰাসংগিক তথ্যৰ ওপৰত গুৰুত্ব দি যোগাযোগ সম্পন্ন কৰে। এনে যোগাযোগত বাকধাৰাৰ প্ৰতিটো বাক্যই সামগ্ৰিক বিষয়টোক তুলি ধৰে বাবে পাঠক বা শ্ৰোতা বা দৰ্শকে বাক্‌ধাৰাৰ সামগ্ৰিক বাৰ্তাটো বুজিব পাৰে। উদাহৰণস্বৰূপে, ধৰা হ'ল জলবায়ু পৰিৱৰ্তনৰ বিষয়ে এক আলোচনা সম্পন্ন হৈ আছে। তেনেতে বাক্‌ধাৰাত নতুন স্মাৰ্টফোনৰ অৱতৰণা হ'লে সেয়া বাক্‌ধাৰাৰ সামগ্ৰিক অৰ্থৰ বৰ্হিভূত বিষয় হ'ব আৰু একেসময়তে তাৰ প্ৰাসংগিকতাও নাথাকিব। কিন্তু ইয়াৰ বিপৰীতে একেটা বাক্‌ধাৰাতে নবীকৰণযোগ্য শক্তিৰ উৎসৰ বিষয়ে আলোচনা কৰাটো প্ৰাসংগিক হ'ব আৰু ই বাক্‌ধাৰাৰ অৰ্থৰ সংহতি বজাই ৰাখিব।

**আত্মমূল্যায়ন প্ৰশ্নঃ**

বক্তব্য বিষয় স্পষ্ট কৰি তুলিবলৈ বাক্‌ধাৰাৰ অৰ্থৰ সংহতিয়ে কিদৰে কাম কৰে আলোচনা কৰা।

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

### ১.৫.৩ কথিত আৰু লিখিত বাক্‌ধাৰাৰ নিৰ্দেশক

কথিত আৰু লিখিত বাক্‌ধাৰাত ধাৰণাসমূহৰ মাজত সংযোগৰ সংকেত বহন কৰি বাক্‌ধাৰা সংগঠিত কৰাত সহায় কৰা শব্দ আৰু বাক্যাংশসমূহেই হৈছে বাক্‌ধাৰাৰ নিৰ্দেশক। এই নিৰ্দেশকসমূহে বাক্‌ধাৰাৰ সামগ্ৰিক অৰ্থলৈ প্ৰত্যক্ষভাৱে অৰিহণা যোগোৱাৰ সলনি শ্ৰোতা বা পাঠকক বাক্‌ধাৰা সম্পৰ্কে কিছু প্ৰাৰম্ভিক ধাৰণা দিয়ে।

তলত বাক্‌ধাৰা নিৰ্দেশকৰ প্ৰকাৰ আৰু ইয়াৰ প্ৰকাৰ্য আলোচনা কৰা হ'ল-

**১.৫.৩.১. যোগাত্মক নির্দেশক** (বাক্ধাৰাত তথ্য যোগ কৰে)- 'আৰু', 'লগতে', 'তদুপৰি', 'ইয়াৰ উপৰিও'

উদাহৰণস্বৰূপেঃ তাই পঢ়াৰ উপৰিও ভাল গান গায়।

**১.৫.৩.২. বৈপৰীত্যপ্ৰকাশক নিৰ্দেশক** (বাক্ধাৰাত বৈপৰীত্যৰ ধাৰণা প্ৰদান কৰে)- 'কিন্তু', 'অৱশ্যে', 'আনহাতে', 'যদিও'

উদাহৰণস্বৰূপেঃ তেওঁ সোনকালে ঘৰলৈ যাব বিচাৰিছিল কিন্তু ডাঙৰকৈ অহা ধুমুহা-বৰষুণজাকে তেওঁক লৰচৰ হ'ব নিদিলে।

**১.৫.৩.৩. কাৰ্য-কাৰণ নিৰ্দেশক** (বাক্ধাৰাক কোনো ঘটনা বা কাৰ্যৰ কাৰণ বা প্ৰভাৱৰ সম্পৰ্ক দেখুৱায়)- 'কাৰণ', 'সেয়েহে', 'ফলস্বৰূপে', 'ফলত', 'গতিকে'

উদাহৰণস্বৰূপেঃ ধুমুহা-বৰষুণজাকৰ ফলত বাটৰ কাষৰ কেইবাজোপাও ডাঙৰ গছ উভালি পৰিল। সেয়েহে পথ বন্ধ।

**১.৫.৩.৪. ক্ৰমবিন্যাস নিৰ্দশকাৰী** (বাক্ধাৰাত ঘটনাৰ ক্ৰম দেখুৱায়) 'প্ৰথমে', 'তাৰ পিছত', 'শেষত'

উদাহৰণস্বৰূপেঃ প্ৰথমে দুয়োবিধ ধাতু মিহলাই লওক। তাৰ পিছত ১৮০ ডিগ্ৰী চেলছিয়াছত ২০ মিনিট গৰম কৰক।

**১.৫.৩.৫. সাৰসংক্ষেপ নিৰ্দেশকাৰী** (বাক্ধাৰাত সাৰাংশীকৃত ধাৰণা প্ৰদান কৰে)- 'সামৰণিত', 'সৰ্বশেষত', 'শেষত ক'বলৈ গ'লে'

উদাহৰণস্বৰূপেঃ সামৰণিত ক'বলৈ গ'লে নিয়মীয়া ব্যায়ামৰ ফলত স্বাস্থ্য ভাল হয়।

### ১.৫.৪ বিষয়ভিত্তিক অগ্ৰগতি

বাক্ধাৰাত তথ্যৰ প্ৰবাহৰ ধৰণ, সংহতি আৰু যুক্তিসংগত বিকাশকে বিষয়ভিত্তিক অগ্ৰগতি বোলা হয়। এই ধাৰণাত বিষয়বস্তু আৰু নতুন তথ্য বাক্য আৰু অনুচ্ছেদত কেনেকৈ সংযোজন হৈ থাকে সেই বিষয়ে আলোচনা কৰা হয়। বাক্ধাৰাৰ আলোচকসকলে সাধাৰণতে তিনিপ্ৰকাৰৰ বিষয়ভিত্তিক অগ্ৰগতিৰ কথা কয়। সেয়া হ'ল-

**১.৫.৪.১ বিষয়বস্তুৰ ধাৰাবাহিক বিন্যাসঃ** বিষয়ভিত্তিক অগ্ৰগতিৰ এইটো প্ৰকাৰে বাক্ধাৰাত ধাৰাবাহিকভাৱে একে বিষয়বস্তুৰ নতুন তথ্য সংযোগ কৰাৰ পোষকতা কৰে। উদাহৰণস্বৰূপে — "ইণ্টাৰনেট এক শক্তিশালী আহিলা। ইণ্টাৰনেটে সমগ্ৰ বিশ্বৰ মানুহক সংযোগ কৰে। ইণ্টাৰনেটে বিশাল তথ্যৰ সুবিধা প্ৰদান কৰে।" এই অনুচ্ছেদটোত বিষয়বস্তুৰূপে কেৱল ইণ্টাৰনেটৰ উল্লেখ হৈছে। একেটা বিষয়বস্তুৱে বাক্ধাৰাটোৰ একাধিক বাক্যত সমাৱেশ হৈছে।

**১.৫.৪.২ বিষয়বস্তুৰ ৰৈখিক বিন্যাসঃ** বিষয়ভিত্তিক অগ্ৰগতিৰ এইটো প্ৰকাৰে বাক্ধাৰাত প্ৰথম বাক্যত সংযোজন ঘটোৱা নতুন তথ্যক আধাৰৰূপে লৈ পৰৱৰ্তী বাক্যটো সেই

নতুন তথ্যৰে আৰম্ভ কৰা হয়। একেদৰে দ্বিতীয় বাক্যত সন্মুখলৈ অহা নতুন তথ্যৰে তৃতীয় বাক্যটো আৰম্ভ হয়। বাক্‌ধাৰাত এনেদৰে ৰৈখিকভাৱে বিষয়বস্তুৰ সংযোজন ঘটিলে তাক বিষয়বস্তুৰ ৰৈখিক বিন্যাস বুলি জনা যায়। উদাহৰণস্বৰূপে — "বৰ্তমান বিশ্বত বায়ু প্ৰদূষণ এক ডাঙৰ সমস্যা। এই সমস্যাই লাখ লাখ লোকক প্ৰভাৱিত কৰে। এইসকল লোক শ্বাস-প্ৰশ্বাসজনিত ৰোগৰ পৰা আৰম্ভ কৰি ভিন্ন প্ৰাণঘাতী ৰোগত আক্ৰান্ত হয়।" এই অনুচ্ছেদটোত প্ৰথম বাক্যত উল্লিখিত নতুন তথ্য 'সমস্যা'ৰে দ্বিতীয় বাক্যটো আৰম্ভ হৈছে। একেদৰে দ্বিতীয় বাক্যৰ নতুন তথ্য 'লোক'ৰে তৃতীয় বাক্যটো আৰম্ভ হৈছে। এয়ে গাঁথনিক দিশৰ পৰা বাক্‌ধাৰাৰ বিষয়বস্তুৰ ৰৈখিক বিন্যাস।

**১.৫.৪.৩ বিষয়বস্তুৰ বিভাজিত বিন্যাসঃ** বিষয়ভিত্তিক অগ্ৰগতিৰ এইটো প্ৰকাৰে বাক্‌ধাৰাত একোটা বিষয়বস্তুক একাধিক উপ-বিষয়ত বিভাজিত কৰি বিষয়বস্তুত আগুৱাই নিয়াৰ ধাৰণাক সূচায়। উদাহৰণস্বৰূপে- "শিক্ষাৰ দুটা মূল দিশ আছে- বিদ্যায়তনিক জ্ঞান আৰু ব্যৱহাৰিক দক্ষতা। বিদ্যায়তনিক জ্ঞানে ছাত্ৰ-ছাত্ৰীক তত্ত্বসমূহ বুজিবলৈ সহায় কৰে, আনহাতে ব্যৱহাৰিক দক্ষতাই তেওঁলোকক বাস্তৱ জগতৰ প্ৰয়োগৰ বাবে প্ৰস্তুত কৰে।" এই অনুচ্ছেদটোত মূল বিষয়বস্তু শিক্ষা যদিও শিক্ষাক দুটা উপবিভাগ ক্ৰমে বিদ্যায়তিনক জ্ঞান আৰু ব্যৱহাৰিক জ্ঞানত বিভাজন কৰি বিষয়বস্তুক পৰ্যায়ক্ৰমে আগুৱাই নিয়া হৈছে। এয়ে বিষয়বস্তুৰ বিভাজিত বিন্যাস।

সামৰণিত ক'ব পাৰি যে বাক্‌ধাৰাৰ সংগঠনে সংহতি, অৰ্থ আৰু ফলপ্ৰসু যোগাযোগ নিশ্চিত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। একাধিক স্তৰত বাক্‌ধাৰাত বিশ্লেষণ কৰি ভাষাবিদসকলে যোগাযোগমূলক কথোপকথন গঢ় দিয়া আৰ্হিসমূহ চিনাক্ত কৰে। সংযুতি, সংহতি, বাক্‌ধাৰা নিৰ্দেশকাৰী আৰু বিষয়ভিত্তিক অগ্ৰগতিৰ দৰে উপাদানসমূহে বাকধাৰা সুসংগঠিত কৰি বাক্‌ধাৰা নিৰ্মাণত অৰিহণা যোগায়। সুসংগঠিত বাক্‌ধাৰাই অভিপ্ৰেত ধাৰণাসমূহক যুক্তিসংগতভাৱে প্ৰবাহিত কৰি কথিত আৰু লিখিত যোগাযোগ বোধগম্য কৰি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এটা সুসংগঠিত বাক্‌ধাৰাই স্পষ্টতা, মনোগ্ৰাহিতা আৰু ভিন্ন প্ৰসংগত যোগাযোগৰ ফলপ্ৰসূতা বৃদ্ধি কৰে বাবে ভাষাবিজ্ঞান, সমাজবিজ্ঞান, যোগাযোগ অধ্যয়নকে ধৰি ভিন্ন বিদ্যায়তনিক ক্ষেত্ৰত বাক্‌ধাৰাৰ গাঁথনি বুজাটো অতি প্ৰয়োজনীয়।

## ১.৬ সাৰাংশ (Summing Up)

ভাষাবিজ্ঞানৰ সৈতে সম্পৰ্কিত আন্তঃবিষয়িক ক্ষেত্ৰ হৈছে বাক্‌ধাৰা বিশ্লেষণ। আহিছে। বহল অৰ্থত যোগাযোগৰ বেলিকা মানুহৰ দ্বাৰা ব্যৱহৃত ভাষাই হৈছে বাক্‌ধাৰা। ব্যক্তিগত পৰ্যায়ৰ শব্দ আৰু বাক্য ব্যৱহাৰৰ উৰ্ধত গৈ যোগাযোগ সাধনত ভাষাই কেনেদৰে কাম কৰে সেই বিষয়ে বাক্‌ধাৰাই বিবেচনা কৰে। কথিত, লিখিত আৰু বহুমুখী যোগাযোগৰ ৰূপসমূহ বাক্‌ধাৰাৰ বিচাৰাধীন বিষয়ৰূপ আত্মপ্ৰকাশ কৰাৰ সমান্তৰালভাৱে বাক্‌ধাৰাই যোগাযোগৰ মাজেৰে অভিপ্ৰেত অৰ্থ, বক্তাৰ পৰিচয় আৰু সামাজিক সম্পৰ্ক গঢ়ি তোলাত

গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই বাক্‌ধাৰাক আধাৰ হিচাপে লৈ বিংশ শতিকাৰ ষাঠি-সত্তৰৰ দশকত গঢ় লৈ উঠা বিদ্যায়তনিক শাখাটোৱে হ'ল বাক্‌ধাৰা বিশ্লেষণ (Discourse Analysis)। বাক্‌ধাৰাৰ ভিন্ন আলোচকে ভিন ভিন দৃষ্টিভংগীৰ পৰা বাক্‌ধাৰাক সংজ্ঞায়িত কৰিবলৈ প্ৰয়াস কৰিছে। এচামৰ মতে বাক্যতকৈ বৃহৎ আৰু সুসংগত সম্প্ৰসাৰিত গোটে বাক্‌ধাৰা। ইয়াৰ বিপৰীতে আন এচামৰ মতে ভাষাৰ মাজেৰে বক্তা বা লেখকে প্ৰকাশ কৰা সামাজিক আৰু সাংস্কৃতিক প্ৰেক্ষাপটে বাক্‌ধাৰা। এই বাক্‌ধাৰাৰ বিশ্লেষণৰ ভিন্ন দৃষ্টিভংগী উপলব্ধ। ইয়াৰ ভিতৰত গাঁথনিগত ভাষিক দৃষ্টিভংগী, সমাজ-ভাষিক দৃষ্টিভংগী, প্ৰয়োগবাদী ভাষাবিজ্ঞানৰ দৃষ্টিভংগী, সমালোচনাত্মক বাক্‌ধাৰা বিশ্লেষণ দৃষ্টিভংগী আৰু উত্তৰ-গাঁথনিবাদী দৃষ্টিভংগী প্ৰধান। বাক্‌ধাৰাৰ বিশ্লেষণৰ ভিন্নমাত্ৰিক সংজ্ঞাৰ পৰা এয়াও স্পষ্ট যে বাক্‌ধাৰা সুসংগঠিত গঠনে অভিপ্ৰেত ধাৰণাসমূহক যুক্তিসংগতভাৱে প্ৰবাহিত কৰি কথিত আৰু লিখিত যোগাযোগ বোধগম্য কৰি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বাক্‌ধাৰাৰ গাঁথনিক বিশ্লেষণত সংযুক্তি, অৰ্থগত সংহতি, বাক্‌ধাৰাৰ নিৰ্দেশক, বিষয়ভিত্তিক অগ্ৰগতি আদি গুৰুত্বপূৰ্ণ উপাদান। সংযুক্তিয়ে বাক্‌ধাৰাৰ ব্যাকৰণগত আৰু শাব্দিক সংযুক্তিক নিৰ্দেশ কৰে। এয়া এক অৰ্থত বাক্‌ধাৰাৰ ৰূপ-বাক্যতাত্ত্বিক উপাদান। আনহাতে অৰ্থগত সংহতিয়ে সামগ্ৰিকভাৱে বাক্‌ধাৰাৰ অৰ্থৰ সামঞ্জস্যক সূচায়। এই সংহতি লাভৰ বিভিন্ন কৌশলৰ ভিতৰত যুক্তিসংগত ক্ৰমবিন্যাস, বিষয়ৰ একসূত্ৰিতা, বাক্‌ধাৰাৰ ধাৰণাৰ মাজৰ অন্তৰ্নিহিত সংযোগ আৰু বাক্‌ধাৰাৰ ধাৰণাৰ প্ৰাসংগিকতা উল্লেখযোগ্য। সংযুতি, সংহতি, বাক্‌ধাৰা নিৰ্দেশকাৰী আৰু বিষয়ভিত্তিক অগ্ৰগতিৰ দৰে উপাদানসমূহে বাক্‌ধাৰাক সুসংগঠিত কৰি সামগ্ৰিকভাৱে বাক্‌ধাৰাত স্পষ্টতা প্ৰদান কৰে। ভিন্ন প্ৰসংগত বাক্‌ধাৰাই যোগাযোগৰ ফলপ্ৰসূতা বৃদ্ধি কৰে বাবে ভাষাবিজ্ঞান, সমাজবিজ্ঞান, যোগাযোগ অধ্যয়নকে আদি কৰি ভিন্ন বিদ্যায়তনিক ক্ষেত্ৰত বাক্‌ধাৰাৰ গাঁথনি বিশ্লেষণ এক প্ৰাসংগিক বিষয়।

## ১.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১. বাক্‌ধাৰা কি? ভিন্ন বিদ্যায়তনিক দৃষ্টিৰে বাক্‌ধাৰাৰ সংজ্ঞা আগবঢ়াওক।

২. বাক্‌ধাৰা বিশ্লেষণৰ গাঁথনি সম্পৰ্কে এটা প্ৰবন্ধ প্ৰস্তুত কৰক।

৩. বাক্‌ধাৰা বিশ্লেষণত সংযুক্তিৰ গুৰুত্ব সম্পৰ্কে এটা প্ৰবন্ধ প্ৰস্তুত কৰক।

৪. বাক্‌ধাৰা বিশ্লেষণত অৰ্থগত সংহতি সম্পৰ্কে এটা টোকা প্ৰস্তুত কৰক।

৫. কথিত বা লিখিত বাক্‌ধাৰা নিৰ্দেশকসমূহৰ বিষয়ে এক আলোচনা আগবঢ়াওক।

৬. বাক্‌ধাৰাৰ বিষয়ভিত্তিক অগ্ৰগতি সম্পৰ্কে এক টোকা প্ৰস্তুত কৰক।

## ১.৮ প্ৰসংগ-গ্ৰন্থ (Reference/Suggested Readings)


Allen, J. P. B., and S. Pit Corder, editors. *The Edinburgh Course in Applied Linguistics: Volume 1—Techniques in Applied Linguistics.* Oxford UP, 1973.

Blommaert, Jan. "Discourse: A Critical Introduction." *Language & Communication*, vol. 27, no. 3, 2007, pp. 185–205.

Brown, Gillian, and George Yule. *Discourse Analysis.* Cambridge UP, 1983.

Cameron, Deborah. *Working with Spoken Discourse.* SAGE Publications, 2001.

Fairclough, Norman. *Critical Discourse Analysis: The Critical Study of Language.* Longman, 1995.

—. "Critical Discourse Analysis: The Critical Study of Language." *Language in Society*, vol. 23, no. 2, 1994, pp. 187–212.

Foucault, Michel. *The Archaeology of Knowledge.* Translated by A. M. Sheridan Smith, Routledge, 1972.

Gee, James Paul. *An Introduction to Discourse Analysis: Theory and Method.* 4th ed., Routledge, 2011.

Harris, Zellig S. *Discourse Analysis Reprinted from Language.* Vol. 28, no. 1, Linguistic Society of America, 1952, pp. 1–30.

Jaworski, Adam, and Nikolas Coupland, editors. *The Discourse Reader.* 3rd ed., Routledge, 2014.

Johnstone, Barbara. *Discourse Analysis.* 2nd ed., Wiley-Blackwell, 2008.

Schiffrin, Deborah. *Approaches to Discourse.* Blackwell, 1994.

Stubbs, Michael. *Discourse Analysis: The Sociolinguistic Analysis of Natural Language.* Blackwell, 1983.

van Dijk, Teun A. *Discourse as Structure and Process.* Vol. 1, SAGE, 1997.

হালৈ মহন্ত দীপামণি। "বাগ্‌ধাৰাৰ অৰ্থতাত্ত্বিক সংলগ্নতা ৰক্ষাকাৰী উপাদান।" 'আলোক' ভাষা সাহিত্য সংস্কৃতি বিষয়ৰ পত্ৰিকা; বি. বৰুৱা মহাবিদ্যালয়; ২০২৪-২৫। পৃ. ৪-২২

কলিতা, অৰূপা পটঙ্গীয়া। টোকোৰা চৰাইৰ সোণৰ বেজী। পুনৰমুদ্ৰিত সংস্কৰণ, লয়াৰ্ছ বুক ষ্টল, ২০২২।

শৰ্মা, সত্যেন্দ্ৰনাথ। অসমীয়া সাহিত্যৰ সমীক্ষাত্মক বুৰঞ্জী। নৱম সংস্কৰণ, প্ৰতিমা দেৱী, ২০০৪।


*****

## দ্বিতীয় বিভাগ
## বাক্‌ধাৰা বিশ্লেষণৰ দৃষ্টিভংগী

**বিভাগৰ গঠনঃ**

২.১ ভূমিকা (Introduction)
২.২ উদ্দেশ্য (Objectives)
২.৩ বাক্‌ধাৰা বিশ্লেষণৰ ইতিহাস
২.৪ বাক্‌ধাৰা বিশ্লেষণৰ পৰিসৰ আৰু ক্ষেত্ৰ
২.৫ বাক্‌ধাৰা বিশ্লেষণৰ প্ৰধান দৃষ্টিভংগীসমূহ
  ২.৫.১ বাক্‌ধাৰা বিশ্লেষণৰ গঠনবাদী দৃষ্টিভংগী
  ২.৫.২ বাক্‌ধাৰা বিশ্লেষণৰ প্ৰয়োগবাদী দৃষ্টিভংগী
  ২.৫.৩ বাক্‌ধাৰা বিশ্লেষণৰ সমালোচনাত্মক দৃষ্টিভংগী
  ২.৫.৪ বাক্‌ধাৰা বিশ্লেষণৰ যোগাযোগমূলক দৃষ্টিভংগী
২.৬ সাৰাংশ (Summing Up)
২.৭ আৰ্হি প্ৰশ্ন (Sample Questions)
২.৮ প্ৰসংগগ্ৰন্থ (References/Suggested Readings)

### ২.১ ভূমিকা (Introduction)

সামাজিক প্ৰেক্ষাপটত ভাষাৰ মাধ্যেমেৰে অৰ্থ, ক্ষমতাৰ ধাৰণা আৰু সামাজিক বাস্তৱতাক গঢ় দিয়া কাৰ্যৰ অনুসন্ধান কৰা আন্তঃবিষয়িক ক্ষেত্ৰখনে হৈছে বাক্‌ধাৰা বিশ্লেষণ। ভাষাবিজ্ঞান, সমাজবিজ্ঞান, নৃতত্ত্ব, মনোবিজ্ঞান আৰু যোগাযোগ অধ্যয়নৰ দৰে বিদ্যায়তনিক ক্ষেত্ৰৰ পৰা সাৰ সংগ্ৰহ কৰা বাক্‌ধাৰা বিশ্লেষণে ভাষাক বিচ্ছিন্ন ব্যাকৰণগত উপাদানৰ গাঁথনিগত বহিৰ্প্ৰকাশ বুলি স্বীকাৰ কৰাৰ সলনি ভাষা, সংস্কৃতি, মতাদৰ্শ আৰু পৰিচয়ৰ মাজৰ আন্তঃসংযোগৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বাক্‌ধাৰা বিশ্লেষণ যোগাযোগৰ প্ৰাসংগিক আৰু মতাদৰ্শগত মাত্ৰা বিশ্লেষণৰ প্ৰতি আগ্ৰহী। ইতিমধ্যে আপোনালোকে আগৰ অধ্যায়তে গম পাইছে যে মিচেল ফ'ক'ই (Michel Foucault) ১৯৭২ চনত বাক্‌ধাৰাই কেৱল ভাষাৰ বিষয়ে তথ্য প্ৰদান কৰাৰ সলনি যোগাযোগমূলক অনুশীলনত নিহিত ক্ষমতাৰ সমীকৰণক তুলি ধৰে বুলি দৃঢ়তাৰে কৈছিল। একেদৰে নৰ্মান ফেয়াৰক্ল'ৰ (Norman Fairclough)-এ ১৯৯৫ চনত ভাষাই কেনেকৈ সামাজিক স্তৰ আৰু প্ৰতিষ্ঠানিক নিয়ন্ত্ৰণ প্ৰতিফলিত আৰু শক্তিশালী কৰে সেই বিষয়ে অন্বেষণ কৰিবলৈ সমালোচনাত্মক বাক্‌ধাৰা বিশ্লেষণ (CDA)-ৰ ধাৰণা বিকশিত কৰিছিল। আন আন পণ্ডিতসকলে বিশেষকৈ টেউন এ.ভান ডাইক (২০০৮)-এ বাক্‌ধাৰাৰ গাঁথনি গঢ় দিয়াত জ্ঞান, বিশ্বাস আৰু মতাদৰ্শৰ ভূমিকাক গুৰুত্ব দি বাক্‌ধাৰাক জ্ঞানমূলক আৰু সামাজিক পৰিঘটনা হিচাপে ব্যাখ্যা কৰিছিল।

বহল অৰ্থত বাক্‌ধাৰা বিশ্লেষণক বিভিন্ন দৃষ্টিভংগীত বিভাজন কৰিব পাৰি। ইয়াৰ ভিতৰত সমালোচনাত্মক বাক্‌ধাৰা বিশ্লেষণ (CDA), কথোপকথন বিশ্লেষণ (CA), যোগাযোগমূলক সমাজভাষাবিজ্ঞান, আৰু যোগাযোগৰ নৃতাত্ত্বিকতা আদি অন্তৰ্ভুক্ত। প্ৰতিটোৱে বাক্‌ধাৰা বিশ্লেষণৰ বাবে কৰিবলৈ এক ভিন্ন তাত্ত্বিক আৰু পদ্ধতিগত দৃষ্টিভংগী প্ৰদান কৰে। উদাহৰণস্বৰূপে, কথোপকথন বিশ্লেষণে (Sacks, Schegloff & Jefferson 1974) দৈনন্দিন কথোপকথনৰ অণুগাঁথনিসমূহ ওপৰত গুৰুত্ব আৰোপ কৰাৰ বিপৰীতে যোগাযোগমূলক সমাজভাষাবিজ্ঞানে (Gumperz, 1982) বক্তাই আন্তঃসাংস্কৃতিক যোগাযোগত অৰ্থ গঢ়ি তুলিবলৈ বাক্‌ধাৰাৰ ভাষিক আৰু প্ৰসংগভিত্তিক ইংগিতসমূহক কেনেকৈ ব্যৱহাৰ কৰে সেই বিষয়ে পৰীক্ষা কৰে।

যোগাযোগত নিহিত হৈ থকা অন্তৰ্নিহিত অৰ্থ, পূৰ্বধাৰণা আৰু মতাদৰ্শগত স্থিতিসমূহ উন্মোচন কৰাৰ ক্ষমতাৰ বাবে বাক্‌ধাৰা বিশ্লেষণৰ গুৰুত্ব বাঢ়িছে। উদাহৰণস্বৰূপে ৰাজনৈতিক বাক্‌ধাৰাত প্ৰায়ে ভাষাৰ মাজেৰে কৌশলগতভাৱে আখ্যান গঢ়ি তোলাৰ লগতে কৰ্তৃত্বক বৈধতা প্ৰদান কৰা হয়। একেদৰে ৰাজনৈতিক বাক্‌ধাৰাত প্ৰায়ে ভাষাৰ মাজেৰে জনমত গঠন আৰু প্ৰভাৱিত কৰা হয়। অৰ্থনৈতিক বাক্‌ধাৰাত ভাষাই গ্ৰাহকৰ আচৰণ আৰু বিত্তীয় মতাদৰ্শক গঢ় দিয়ে। একেদৰে দৈনন্দিন যোগাযোগত বাক্‌ধাৰাই সামাজিক নীতি-নিয়ম, শ্ৰেণীবিন্যাস আৰু পৰিচয় ধাৰণাক প্ৰতিফলিত কৰে। যোগাযোগৰ মাধ্যম আৰু সামাজিক নিয়ন্ত্ৰণৰ ব্যৱস্থাৰূপে ভাষাই কিদৰে কাম কৰে সেই কথা বুজিবলৈ বাক্‌ধাৰা বিশ্লেষণ এক শক্তিশালী আহিলা। বাক্‌ধাৰা বিশ্লেষণৰ ভিন্ন দৃষ্টিভংগীসমূহে বহুমাত্ৰিক ৰূপটোক তুলি ধৰাৰ উপৰিও ভাষাৰ মাধ্যমেৰে মানুহে সম্পাদন কৰিব খোজা বহুধা প্ৰকাৰ্যৰ আলোচনাক নিতে নতুনৰূপে চাবলৈ উৎসাহ যোগায়।

## ২.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়নৰ পাছত আপোনালোকে—

- বাক্‌ধাৰা বিশ্লেষণৰ ইতিহাস সম্পৰ্কে জানিব পাৰিব,
- বাক্‌ধাৰা বিশ্লেষণৰ পৰিসৰ সম্পৰ্কে জানিব পাৰিব,
- বাক্‌ধাৰা বিশ্লেষণৰ প্ৰধান তাত্ত্বিক পদ্ধতিসমূহৰ বিষয়ে জানিব পাৰিব,
- বাক্‌ধাৰা বিশ্লেষণৰ ভিন্ন তাত্ত্বিক পদ্ধতিসমূহৰ মাজত পাৰ্থক্য নিৰূপণ কৰিবলৈ সক্ষম হ'ব।

## ২.৩ বাক্‌ধাৰা বিশ্লেষণৰ ইতিহাস

সামাজিক প্ৰেক্ষাপটত যোগাযোগ প্ৰসংগত ভাষাৰ ব্যৱহাৰ মূল্যায়ণ কৰা এক আন্তঃবিষয়িক বিদ্যায়তনিক ক্ষেত্ৰৰূপে বিংশ শতিকাৰ দ্বিতীয়াৰ্ধত বাক্‌ধাৰা বিশ্লেষণে ভুমুকি মাৰিছিল যদিও ইয়াৰ নিৰ্যাসটো প্ৰাচীন। ভাষাবিজ্ঞান, দৰ্শন, সমাজবিজ্ঞান, নৃতত্ত্ব, যোগাযোগ অধ্যয়ন আদিৰ পৰা আধাৰিত বিভিন্ন বৌদ্ধিক পৰম্পৰাৰ জৰিয়তে ইয়াৰ

বিকাশ ঘটিছে। বাক্‌ধাৰা বিশ্লেষণৰ ঐতিহাসিক বিকাশ আৰু পদ্ধতিগত পৰিৱৰ্তনক তলত আলোচনা কৰা হৈছে-

### ২.৩.১ ধ্ৰুপদী আৰু প্ৰাৰম্ভিক আধুনিক চিন্তাধাৰাত বাক্‌ধাৰা বিশ্লেষণৰ ৰেঙণি

বাক্‌ধাৰা বিশ্লেষণৰ শিপা বিচাৰিবলৈ গ'লে এৰিষ্টটল, প্লেটো আৰু চিচেৰোৰ ধ্ৰুপদী অলংকাৰ শাস্ত্ৰত ইয়াৰ প্ৰাথমিক ধাৰণাৰ উকমুকনি একোটা লক্ষ্য কৰিব পাৰি, কিয়নো এওঁলোকে ৰাজহুৱা ভাষণ আৰু যুক্তি-তৰ্কৰ বেলিকা ভাষাৰ প্ৰতীতিসম্পন্ন দিশসমূহৰ ব্যৱহাৰৰ পোষকতা কৰিছিল। এৰিষ্ট'টলৰ কাব্যতত্ত্বত ভাষাৰ প্ৰতীতিসম্পন্নতাক ইথ'ছ (বিশ্বাসযোগ্যতা), পেথ'ছ (আৱেগ) আৰু ল'গ'ছ (যুক্তি) বুলি শ্ৰেণীভুক্ত কৰা হৈছিল আৰু ইয়ে একপ্ৰকাৰে বাক্‌ধাৰাক গাঁথনিগত যোগাযোগ হিচাপে প্ৰতিষ্ঠা কৰাৰ প্ৰাথমিক ভেটি নিৰ্মাণ কৰি দিছিল। একেদৰে ইউৰোপত সোতৰ শতিকাৰ পৰা উনবিংশ শতিকাৰ আদিভাগলৈ বিস্তাৰিত যুক্তি আৰু দৰ্শনৰ সোণালী সময়ত জন লক আৰু ইমানুৱেল কান্টৰ দৰে দাৰ্শনিকসকলে ভাষা, চিন্তা আৰু বাস্তৱৰ মাজৰ সম্পৰ্ক বিবেচনা কৰিছিল। বিশেষকৈ উইলহেম ভন হামবল্ড (Wilhelm von Humboldt)-অৰ দৰে ব্যক্তিয়ে ভাষাক সাংস্কৃতিক আৰু ঐতিহাসিক পৰিঘটনা হিচাপে তুলি ধৰি বাক্‌ধাৰামুখী অধ্যয়নৰ মঞ্চ তৈয়াৰ কৰিছিল।

### ২.৩.২ বিংশ শতিকাৰ আৰম্ভণিৰ গাঁথনিবাদী প্ৰভাৱ

বিংশ শতিকাৰ আৰম্ভণিতে গাঁথনিগত ভাষাবিজ্ঞানৰ উত্থানৰ লগে লগে বাক্‌ধাৰাৰ আনুষ্ঠানিক অধ্যয়নে গতি লাভ কৰে। বিশেষকৈ ফাৰ্ডিনাণ্ড দ্য চ্যচুৰৰ 'লাং' langue (ভাষা ব্যৱস্থা) আৰু 'পেৰ'ল' parole (ভাষা ব্যৱহাৰ)ৰ ধাৰণাই পিছৰ বাক্‌ধাৰা অধ্যয়নক পৰোক্ষভাৱে সহায় কৰিছিল। অৱশ্যে এয়াও স্বীকাৰ কৰিব লাগিব যে বাক্য গঠন আৰু ধ্বনিবিজ্ঞানৰ ওপৰত গুৰুত্ব আৰোপ কৰি গাঁথনিবাদী ভাষাবিজ্ঞানে সামাজিক প্ৰেক্ষাপটত ভাষাৰ ব্যৱহাৰক বহুলাংশে অৱহেলা কৰিছিল। একে সময়তে প্ৰাগ ভাষাতাত্ত্বিক সম্প্ৰদায়ৰ ৰোমান জেকবছনৰ অধ্যয়নে ভাষাৰ যোগাযোগমূলক কাৰ্যসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰি ভাষা প্ৰয়োগবাদী দৃষ্টিভংগীৰ প্ৰৱৰ্তন কৰিছিল। জেকবছনৰ দৃষ্টিত ভাষাৰ ভিন্ন কাৰ্যকাৰিতা থাকিব পাৰে। যেনেঃ নিৰ্দেশাত্মক (referential), আৱেগিক (emotive), ক্ৰিয়াত্মক (conative), বেদনাদায়ক (phatic), অধিভাষিক (metalingual) আৰু কাব্যিক (poetic)। ভাষাৰ এনে প্ৰকাৰ্যগত দিশটোৰ আলোচনাই ব্যাকৰণৰ সীমিত গণ্ডীৰ বাহিৰলৈ গৈয়ো বাক্‌ধাৰা বিশ্লেষণৰ এক পৰিকাঠামো আগবঢ়াইছিল। অৱশ্যে এক পৰিভাষাৰূপে Discourse আৰু Discourse Analysis অভিধা দুটাৰ প্ৰথম ব্যৱহাৰ কৰে জেলিগ হেৰিচ (Zellig Harris) এ। ১৯৫২ চনত হেৰিচে 'Discourse Analysis' শীৰ্ষক গৱেষণা পত্ৰযোগে বাক্‌ধাৰাক প্ৰাকৃতি, খণ্ডবাক্য আৰু বাক্যতকৈ ডাঙৰ ভাষিক

গোটৰূপে আলোচনা কৰিছে। হেৰিচৰ দৃষ্টিত বিভিন্ন বাক্যৰ মাজৰ আন্তঃসম্পৰ্কই একোটা বাক্‌ধাৰা গঠন কৰি দিয়ে। ভাষাৰ গাঁথনিক আলোচনাতে সীমাবদ্ধ হৈ থকা হেৰিচৰ বিপৰীতে ভাষা দাৰ্শনিক জে.এল.অষ্টিন (J.L. Austin), আৰু জন চাৰ্ল (John Searle) গ্ৰীচ (Paul Grice) এ ভাষাক সামাজিক প্ৰকাৰ্যৰূপে বিবেচনা কৰি বক্তাই ভাষাৰ ব্যৱহাৰৰ অন্তৰালৰ প্ৰসংগক গুৰুত্ব দিয়াৰ লগে লগে বাক্‌ধাৰা বিশ্লেষণৰ দৰে বিদ্যায়তনিক শাখালৈও এক বৃহৎ পৰিৱৰ্তন আহে। ১৯৬২ চনত প্ৰকাশিত অষ্টিনৰ How to Do Things with Words শীৰ্ষক গ্ৰন্থত মানুহে কথাৰ মাজেৰে কেৱল তথ্য প্ৰেৰণ কৰাৰ সলনি কাৰ্যহে সম্পন্ন কৰে বুলি কৈ বাক-কাৰ্য তত্ত্বক তুলি ধৰে। চাৰ্লে অষ্টিনৰ ধাৰণাসমূহক সম্প্ৰসাৰিত কৰি বাক-কাৰ্যক বিস্তাৰিত কৰে। একেদৰে গ্ৰীচে কথোপকথনৰ বেলিকা মানিবলগীয়া কিছু সহযোগিতাৰ নীতিৰ কথা কয়। এই বিকাশসমূহে ভাষাৰ পৰিৱেশনমূলক প্ৰকৃতিৰ ওপৰত গুৰুত্ব আৰোপ কৰি বাক্‌ধাৰা বিশ্লেষণক যোগাযোগমূলক কাৰ্যৰ মাজেৰে অৰ্থ-নিৰ্মাণৰ অধ্যয়নৰ দিশলৈ সম্প্ৰসাৰিত কৰিছিল।

**আত্মমূল্যায়ন প্ৰশ্ন**

বাক্‌ধাৰাৰ গঠনবাদী দৃষ্টিভংগী গঢ়াত কাৰ কাৰ ভাষাবৈজ্ঞানিক দৃষ্টিয়ে কিধৰণে সহায় কৰিছিল?

.....................................................................................................

.....................................................................................................

.....................................................................................................

**২.৩.৩ সমাজভাষিক আৰু নৃতাত্ত্বিক পদ্ধতিৰ প্ৰভাৱ (১৯৬০-১৯৮০)**

১৯৬০ আৰু ১৯৭০ দশকত বাক্‌ধাৰা বিশ্লেষণ গঢ় দিয়াত সমাজভাষাবিজ্ঞানে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। উইলিয়াম লাবভ (William Labov)ৰ ভিন্নতাবাদী সমাজভাষাবিজ্ঞানৰ অধ্যয়নে দেখুৱাইছিল যে ব্যক্তিৰ ভাষা নিৰ্বাচনৰ যোগেদি সামাজিক পৰিচয়, ক্ষমতা আৰু গোষ্ঠীয় চেতনা প্ৰতিফলিত হয়। এনে দৃষ্টিয়ে যোগাযোগমূলক কৰ্মৰূপে ভাষা নিৰ্বাচনক বাক্‌ধাৰা বিশ্লেষণৰ বাবে প্ৰাসংগিক কৰি তুলিছিল। একেদৰে আফ্ৰিকান আমেৰিকান ভাৰ্নেকুলাৰ ইংৰাজী (AAVE)ৰ ওপৰত লাবভে কৰা গৱেষণাই সামাজিক স্বীকৰণত বাক্‌ধাৰাৰ ভূমিকা প্ৰদৰ্শন কৰিছিল। বাক্‌ধাৰা বিশ্লেষণ পদ্ধতিত আন এক লেখত ল'বলগীয়া প্ৰভাৱ পৰিছিল নৃতাত্ত্বিক পদ্ধতিবিজ্ঞানৰ পৰা। বিশেষকৈ হেৰল্ড গাৰ্ফিংকেল (Harold Garfinkel) এ মানুহে দৈনন্দিনভাৱে ব্যৱহৃত কথোপকথন অৰ্থপূৰ্ণ কৰিবলৈ ব্যৱহাৰ কৰা পদ্ধতিসমূহ পৰীক্ষা কৰিছিল। এই ধাৰণাটো হাৰ্ভি চেকছ (Harvey Sacks), ইমানুৱেল শ্বেগলফ (Emanuel Schegloff) আৰু গেইল জেফাৰচন

(Gail Jefferson) এ আৰম্ভ কৰা কথোপকথন বিশ্লেষণ (CA)ত সম্প্ৰসাৰিত হৈছিল। কথোপকথন বিশ্লেষণে কথোপকথনৰ ক্ৰমিক সংগঠন, কথোপকথনত এবাৰ বক্তা আৰু এবাৰ শ্ৰোতাৰ ভূমিকাত অৱতীৰ্ণ হোৱা আৰু কথিত বাক্‌ধাৰা নিয়ন্ত্ৰণ কৰা অন্তৰ্নিহিত নিয়মসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল।

আনহাতে, ডেল হাইমছ (Dell Hymes) এ যোগাযোগৰ নৃতাত্বিক দিশটোৰ অধ্যয়ন কৰি সাংস্কৃতিক প্ৰেক্ষাপটত যোগাযোগ বিশ্লেষণ কৰিবলৈ একধৰণৰ কথনৰ আৰ্হিৰ প্ৰস্তাৱ দিছিল। তেওঁৰ দৃষ্টিভংগীত সামাজিক নীতি-নিয়ম, কথোপকথনমূলক বিন্যাস আৰু বাক্য সম্প্ৰদায়ৰ দ্বাৰা বাক্‌ধাৰা গঢ় লৈ উঠে। ডেল হাইমছৰ চিন্তাই আনুষ্ঠানিক ভাষাবিজ্ঞানৰ পৰিসৰ অতিক্ৰম কৰি বাক্‌ধাৰা অধ্যয়নৰ পৰিসৰ বহল কৰি তোলে।

### ২.৩.৪ সমালোচনাত্মক বাক্‌ধাৰা বিশ্লেষণ (১৯৮০-১৯৯০)

বিংশ শতিকাৰ শেষৰ পিনে ভাষা, ক্ষমতা আৰু মতাদৰ্শৰ মাজৰ সম্পৰ্ক কৰিবলৈ গৈ সমালোচনাত্মক বাক্‌ধাৰা বিশ্লেষণ (Critical Discourse Analysis)ৰ ধাৰাৰ উত্থান ঘটিছিল। ফ্ৰেংকফৰ্ট সম্প্ৰদায় বিশেষকৈ জুৰ্গেন হাবাৰমাছ (Jürgen Habermas)ৰ দ্বাৰা প্ৰভাৱিত হৈ সমালোচনাত্মক বাক্‌ধাৰা বিশ্লেষণৰ গৱেষকসকলে যুক্তি দিছিল যে বাক্‌ধাৰাৰ মাজেৰে বক্তাই সামাজিকভাৱে প্ৰভাৱশালী মতাদৰ্শক অধিক শক্তিশালী কৰে অথবা সামাজিক প্ৰভাৱশালী মতাদৰ্শক প্ৰত্যাহ্বান জনায়। সেয়ে বাক্‌ধাৰা কেৱল ভাষাৰ এক উপাদান মাত্ৰ নহয়, বৰঞ্চ বাক্‌ধাৰা সামাজিক সংগ্ৰাম বৰ্হিপ্ৰকাশৰ এক মাধ্যম। সমালোচনাত্মক বাক্‌ধাৰা বিশ্লেষণৰ অন্যতম আগশাৰীৰ ব্যক্তি নৰ্মান ফেয়াৰক্লফ (Norman Fairclough) এ বাক্‌ধাৰা বিশ্লেষণৰ ত্ৰিমাত্ৰিক আৰ্হি প্ৰস্তুত কৰিছিল। তেওঁৰ এই ত্ৰিমাত্ৰিক আৰ্হিত আছে- পাঠ বিশ্লেষণ, আলোচনামূলক অনুশীলন আৰু সামাজিক অনুশীলন। বিশেষকৈ ৰাজনৈতিক আৰু সংবাদ মাধ্যমৰ বাক্‌ধাৰাত ভাষাই সামাজিক বৈষম্যত কেনেদৰে অৰিহণা যোগায়, সেই কথা ফেয়াৰক্লফৰ ধাৰণাই স্পষ্ট কৰি দিয়ে। একেদৰে টেউন ভান ডাইক (Teun van Dijk)ৰ বাক্‌ধাৰা আৰু বৰ্ণবাদ সম্পৰ্কীয় অধ্যয়নে ভাষাই সামাজিক স্তৰসমূহ কেনেকৈ গঢ়ে সেই বিষয়ে আলোচনা কৰে। আনহাতে ৰুথ ৱ'ডাক (Ruth Wodak)ৰ ঐতিহাসিক দৃষ্টিভংগীসম্পন্ন বাক্‌ধাৰাৰ দৃষ্টিভংগীয়ে জনসাধাৰণৰ মতামত আৰু নীতি গঢ় দিবলৈ সময়ৰ লগে লগে আলোচনামূলক কৌশলসমূহ কেনেকৈ বিকশিত হয় সেই বিষয়ে অধ্যয়ন কৰে।

### ২.৩.৫ উত্তৰ গাঁথনিবাদী আৰু উত্তৰ আধুনিকতাবাদী প্ৰভাৱ (১৯৯০-২০০০)

বাক্‌ধাৰা বিশ্লেষণৰ উত্তৰ-গাঁথনিবাদী দৃষ্টিভংগীটো মিচেল ফুকো (Michel Foucault)ৰ দৰে চিন্তাবিদৰ দ্বাৰা প্ৰভাৱিত হৈছিল। ফুকোৱে বাক্‌ধাৰাক ক্ষমতা আৰু জ্ঞানৰ পৰা অবিচ্ছেদ্য বুলি যুক্তি দিছিল। The Archelogy of Knowledge (1969)

শীৰ্ষক গ্ৰন্থত ফুকোই বাক্‌ধাৰাই কেনেকৈ জ্ঞান সৃষ্টি আৰু নিয়ন্ত্ৰণ কৰি প্ৰতিষ্ঠান, পৰিচয় আৰু সমাজৰ নীতি-নিয়ম গঢ় দিয়ে সেই বিষয়ে পৰীক্ষা কৰিছিল। ফুকোৰ বাক্‌ধাৰা বিশ্লেষণৰ ধাৰণাই পৰৱৰ্তীকালীন পণ্ডিত-গৱেষকসকলক সামাজিক ব্যৱস্থাৰ অংগ হিচাপে ব্যক্তিক বিষয়নিষ্ঠ হোৱাৰ উপৰিও নিয়মানুৱৰ্তী হোৱাত ভাষাই কেনেকৈ সহায় কৰে সেই বিষয়ে অনুসন্ধান কৰিবলৈ অনুপ্ৰাণিত কৰিছিল। জুডিথ বাটলাৰ (Judith Butler) এ এই ধাৰণাসমূহকে লিংগৰ সৈতে সম্পৰ্কিত কৰি লিংগগত বাক্‌ধাৰা বিশ্লেষণৰ ধাৰাৰূপে সম্প্ৰসাৰিত কৰিছিল। বাটলাৰে লিংগ পৰিচয়সমূহ বাৰে বাৰে ভাষিক আৰু সামাজিক অনুশীলনৰ জৰিয়তে শক্তিশালী কৰা হয় বাবে মূলতঃ প্ৰদৰ্শনমূলক বুলি দাবী কৰিছিল।

### ২.৩.৬ বহুমাধ্যমিক আৰু ডিজিটেল বাক্‌ধাৰা বিশ্লেষণ (২০০০-বৰ্তমান)

একবিংশ শতিকাত সংবাদ মাধ্যম আৰু ডিজিটেল যোগাযোগৰ সম্প্ৰসাৰণৰ ফলত বাক্‌ধাৰা বিশ্লেষণত নতুন দৃষ্টিভংগীৰ সৃষ্টি হৈছে। গুন্থাৰ ক্ৰেছ (Gunther Kress) আৰু থিও ভান লিউৱেন (Theo van Leeuwen)ৰ দৰে পণ্ডিতৰ দ্বাৰা প্ৰভাৱিত বহুমুখী বাক্‌ধাৰা বিশ্লেষণে একাধিক ধৰণৰ-পাঠ্য, ছবি, ইংগিত আৰু দৃশ্য-শ্ৰাব্য মাধ্যমৰ জৰিয়তে অৰ্থ কেনেকৈ সৃষ্টি হয়, সেই বিষয়ে পৰীক্ষা কৰে। ডিজিটেল বাক্‌ধাৰা বিশ্লেষণে ছ'চিয়েল মিডিয়া, অনলাইন যোগাযোগ আৰু এলগোৰিদিমকেন্দ্ৰিক যোগাযোগে বাক্‌ধাৰা কেনেকৈ গঢ় দিয়ে সেই বিষয়ে অন্বেষণ কৰিছে। শ্বেৰী টাৰ্কল (Sherry Turkle), হেনৰী জেনকিন্স (Henry Jenkins), জিন বাৰ্জেছ (Jean Burgess), পেট্ৰিচিয়া বৌ-ফ্ৰেঞ্চ (Patricia Bou-Franch), পিলাৰ গাৰ্চেছ-কনেজোছ ব্লিটভিচ (Pilar Garcés-Conejos Blitvich) ৰ দৰে গৱেষকসকলে অনলাইন পৰিচয় নিৰ্মাণ, ডিজিটেল সক্ৰিয়তা, আৰু ভাৰ্চুৱেল স্থানত বাক্‌ধাৰা কেনেকৈ বিকশিত হয় সেই বিষয়ে বিশ্লেষণ কৰিছে।

বিংশ শতিকালৈ বাক্‌ধাৰা বিশ্লেষণৰ অধ্যয়নক আলোচকসকলে সামগ্ৰিকভাৱে দুটা সম্প্ৰদায়ত বিভক্ত কৰে-

(ক) বৃটিছ বাক্‌ধাৰা বিশ্লেষণৰ সম্প্ৰদায় (British Discourse Analysis)

(খ) আমেৰিকান বাক্‌ধাৰা বিশ্লেষণৰ সম্প্ৰদায় (American Discourse Analysis)

ব্ৰিটিছ বাক্‌ধাৰা বিশ্লেষণৰ সম্প্ৰদায়ৰ মূল শিপা বিচাৰিলে পদ্ধতিগত ব্যৱহাৰিক ভাষাবিজ্ঞান (Systematic Functional Linguistics) লৈ উভতি যাবলগীয়া হয়। বিশেষকৈ মাইকেল হেলিডে (M A K Halliday)ৰ ভাষা সম্পৰ্কীয় ব্যৱহাৰিক দৃষ্টিভংগীসম্পন্ন গৱেষণা আৰু ভাষাৰ সামাজিক কাৰ্য সম্পৰ্কীয় চিন্তা-চৰ্চা আধাৰ কৰি এই সম্প্ৰদায়টো গঢ় লৈছে। তেওঁ ভাষাৰ সামাজিক কাৰ্য আৰু কথন-লেখনৰ বিষয়গত আৰু তথ্যগত গঠনৰ বিশ্লেষণত গুৰুত্ব দিছে। ভাষাৰ সামাজিক প্ৰকাৰ্যৰ কথা ক'বলৈ গৈয়ে হেলিদেই পৰিস্থিতিগত প্ৰসংগ আৰু সাংস্কৃতিক প্ৰসংগ ৰ ধাৰণা উত্থাপন কৰিছিল। ভাষাৰ ব্যৱহাৰ ক্ষেত্ৰৰ সামাজিক আৰু সাংস্কৃতিক প্ৰসংগই ভাষাৰ ধাৰণাটো গঢ় দিয়ে

বুলি এই সম্প্ৰদায়ৰ আলোচকসকলে কয়। লগতে এই সম্প্ৰদায়ৰ বিশ্লেষকসকলে বাক্‌ধাৰাক পাঠ আৰু কথোপকথনমূলক ক্ৰিয়া দুয়োটা বুলি বিবেচনা কৰি বিভিন্ন যোগাযোগমূলক পৰিৱেশত ভাষা নিৰ্বাচনৰ জড়িয়তে কেনেকৈ অৰ্থ সৃষ্টি কৰা হয় তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ইতিমধ্যে আলোচিত সমালোচনাত্মক বাক্‌ধাৰা বিশ্লেষণৰ ধাৰাটো ব্ৰিটিছ বাক্‌ধাৰা বিশ্লেষণৰ সম্প্ৰদায়ৰ ভিতৰুৱা। সমালোচনাত্মক বাক্‌ধাৰা বিশ্লেষণৰ ধাৰাই ৰাজনৈতিক ভাষণ, সংবাদ মাধ্যমৰ বাক্‌ধাৰা আৰু অনুষ্ঠান-প্ৰতিষ্ঠানৰ যোগাযোগক পাঠৰূপে বিবেচনা কৰা ক্ষমতা, মতাদৰ্শ আৰু সামাজিক বৈষম্য বাক্‌ধাৰাৰ মাজত কেনেকৈ নিহিত হৈ আছে সেই বিষয়ে অনুসন্ধান কৰে। ব্ৰিটিছ বাক্‌ধাৰা বিশ্লেষণ সম্প্ৰদায়ৰ ভিতৰুৱা আন এটা প্ৰভাৱশালী দৃষ্টিভংগী হ'ল কথোপকথন বিশ্লেষণ (Conversational Analysis)। এই দৃষ্টিভংগীয়ে কথিত যোগাযোগৰ গঠন আৰু সংগঠন পৰীক্ষা কৰাৰ লগতে কথোপকথনত সংহতিৰ ওপৰত প্ৰধানকৈ গুৰুত্ব আৰোপ কৰে। ব্ৰিটিছ বাক্‌ধাৰা বিশ্লেষণ সম্প্ৰদায় প্ৰদত্ত দৃষ্টিভংগীসমূহে ভাষা ব্যৱহাৰৰ অন্তৰ্নিহিত ক্ষমতা গতিশীলতা আৰু সামাজিক গাঁথনি উন্মোচন কৰিবলৈ সমৰ্থ বাবে প্ৰায়ে সমাজভাষাবিজ্ঞান, সংবাদ মাধ্যমৰ অধ্যয়ন আৰু ৰাজনৈতিক বাক্‌ধাৰা বিশ্লেষণত এই দৃষ্টিভংগীসমূহ প্ৰয়োগ কৰা হয়।

ইয়াৰ বিপৰীতে আমেৰিকান বাক্‌ধাৰা বিশ্লেষণ সম্প্ৰদায় ভাষিক নৃতত্ত্ব, প্ৰসংগাৰ্থবিজ্ঞান আৰু জ্ঞানমূলক ভাষাবিজ্ঞানৰ দ্বাৰা প্ৰভাৱিত হোৱা দেখা যায়। এই সম্প্ৰদায়ত বাস্তৱ জগতৰ যোগাযোগত ভাষা কেনেকৈ ব্যৱহাৰ কৰা হয় তাৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে কথোপকথনৰ বিন্যাস, বাক-কাৰ্য আৰু কথনৰ সংগঠনৰ প্ৰতি অধিক সচেতন হয়। আমেৰিকাৰ বাক্‌ধাৰা বিশ্লেষণৰ সম্প্ৰদায়টো জন চাৰ্ল, ডেল হাইমছ, আৰভিং গফমেন, ডেব'ৰা টেনেন আদি পণ্ডিতৰ চিন্তাধাৰাৰ দ্বাৰা সমৃদ্ধ হৈছে। এই আমেৰিকাৰ বাক্‌ধাৰা বিশ্লেষকসকল বিশেষভাৱে প্ৰসংগভিত্তিক অৰ্থ, ফ্ৰেমৱৰ্ক আৰু বাক্‌ধাৰাত পৰিচয়ৰ ভূমিকাৰ প্ৰতি অধিক আগ্ৰহী। এই সম্প্ৰদায়ৰ দৃষ্টিভংগীসমূহত বিভিন্ন সংস্কৃতিৰ নম্ৰতাসূচক কৌশল, লিংগভিত্তিক বাক্‌ধাৰা আৰু কাহিনী কথন আদি বিষয়সমূহ আলোচনা কৰা হয় বাবে প্ৰধানকৈ নৃতত্ত্ববিজ্ঞান, যোগাযোগমূলক অধ্যয়ন, মনোবিজ্ঞান আৰু সামাজিক-সাংস্কৃতিক ভাষাবিজ্ঞানৰ দৰে ক্ষেত্ৰসমূহত এই দৃষ্টিভংগীসমূহৰ বহুল প্ৰয়োগ হোৱা দেখা যায়।

বাক্‌ধাৰা বিশ্লেষণৰ ইতিহাস এইদৰে ধ্ৰুপদী অলংকাৰশাস্ত্ৰৰ দিনৰ পৰা গাঁথনিগত ভাষাবিজ্ঞানৰ মাজেৰে সমালোচনাত্মক আৰু ডিজিটেল মাধ্যমলৈকে সামৰি আন্তঃবিষয়িক জ্ঞানশাখাৰূপে বিকশিত হৈছে। বিকাশৰ প্ৰতিটো তাত্ত্বিক স্তৰে ভাষাক বাস্তৱিকতা গঢ়ি তোলা, ক্ষমতাৰ সম্পৰ্কক প্ৰভাৱিত কৰা আৰু সাংস্কৃতিক পৰিচয় গঢ় দিয়া সামাজিক অনুশীলন হিচাপে বুজিবলৈ অৰিহণা যোগাইছে। ডিজিটেল আৰু বিশ্বায়নৰ প্ৰেক্ষাপটত যোগাযোগ প্ৰক্ৰিয়াৰ বিকাশ অব্যাহত থকাৰ সমান্তৰালভাৱে সমাজত প্ৰচলিত ভাষাৰ

জটিলতাসমূহ পৰীক্ষা কৰাৰ বাবে বাক্ধাৰা বিশ্লেষণ এক গতিশীল আৰু গুৰুত্বপূৰ্ণ ক্ষেত্ৰৰূপে বৰ্তমান ক্ৰিয়াশীল হৈ আছে।

**আত্মমূল্যায়ন প্ৰশ্নঃ**

বৃটিছ বাক্ধাৰা বিশ্লেষণ সম্প্ৰদায় আৰু আমেৰিকান বাক্ধাৰা বিশ্লেষণ সম্প্ৰদায়ৰ মাজত কি কি দৃষ্টিভংগীগত পাৰ্থক্য লক্ষ্য কৰিব পাৰি ?

..........................................................................................................

..........................................................................................................

..........................................................................................................

## ২.৪ বাক্ধাৰা বিশ্লেষণৰ পৰিসৰ আৰু ক্ষেত্ৰ

বাক্ধাৰা বিশ্লেষণৰ পৰিসৰ বিস্তৃত। ই এক বহল পৰিসৰত ভাষিক আৰু সামাজিক পৰিঘটনাৰ আলোচনাৰ পোষকতা কৰে। বিদ্যায়তনিক ক্ষেত্ৰৰূপে বাক্ধাৰা বিশ্লেষণ বহুমাত্ৰিক। বাক্ধাৰা বিশ্লেষণে বাক্যৰ ওপৰৰ স্তৰত ভাষাক বাক্ধাৰা বুলি গণ্য কৰি কৰা বিশ্লেষণত বাক্যৰ গঠন, সংযুক্তি, সংহতি, আৰু ইংগিতাৰ্থ, প্ৰাকধাৰণা আৰু বাক-কাৰ্যৰ দৰে প্ৰসংগাৰ্থিক বৈশিষ্ট্যৰ বিচাৰ-বিবেচনা কৰে। এনে গাঁথনিগত মাত্ৰাৰ উপৰিও বাক্ধাৰাৰ এক প্ৰসংগ আৰু অৰ্থভিত্তিক মাত্ৰাও আছে। এনে বিচাৰত সামাজিক আৰু সাংস্কৃতিক প্ৰেক্ষাপটতহে ভাষাৰ ব্যৱহাৰ হয় বুলি ধৰি লৈ বাক্ধাৰা বিশ্লেষণে পৰিস্থিতিগত, ঐতিহাসিক আৰু সাংস্কৃতিক প্ৰভাৱসম্পন্ন প্ৰসংগই কিদৰে অৰ্থ গঢ়ে সেই বিষয়ে অধ্যয়ন কৰে। ভাষাৰ মাজেৰে বক্তাৰ মতাদৰ্শ আৰু সামাজিক ক্ষমতাৰ সমীকৰণ প্ৰকাশ পায়। কথোপকথনৰ এই দিশলৈ লক্ষ্য কৰিয়ে সমালোচনাত্মক বাক্ধাৰা বিশ্লেষণে ক্ষমতাৰ ধাৰণা, মতাদৰ্শ আৰু সামাজিক বৈষম্যক শক্তিশালী বা প্ৰত্যাহ্বান জনাবলৈ ভাষা কেনেকৈ ব্যৱহাৰ কৰা হয় সেই বিষয়ে অনুসন্ধান কৰে। সংবাদ মাধ্যম, ৰাজনীতি, শিক্ষা আৰু প্ৰতিষ্ঠানৰ বাক্ধাৰাৰ মাজেৰে ক্ষমতা আৰু মতাদৰ্শৰ ধাৰণা প্ৰকাশ পায়। এয়া স্বাভাৱিকতে বাক্ধাৰা বিশ্লেষণৰ ধাৰাত এক উল্লেখযোগ্য সংযোজন। তদুপৰি ব্যক্তিবিশেষে ভাষা ব্যৱহাৰ কৰি কেনেকৈ যোগাযোগৰ জড়িয়তে আন ব্যক্তিবিশেষৰ সৈতে সম্পৰ্ক স্থাপন কৰে সেই সম্পৰ্কে বাক্ধাৰা বিশ্লেষণত আলোচনা কৰা হয়। একেদৰে ব্যক্তিগত বা সামূহিক কথোপকথন আৰু সাক্ষাৎকাৰত ভাষাৰ জৰিয়তে বক্তাই কেনেকৈ নিজৰ পৰিচয় গঢ়ি তোলে সেয়াও বাক্ধাৰা বিশ্লেষণে অন্বেষণ কৰে। বাক্ধাৰা প্ৰকৃতি অনুযায়ী বাক্ধাৰা বিশ্লেষণৰ মাত্ৰাও ভিন ভিন হয়। পৰম্পৰাগত কথিত আৰু লিখিত বাক্ধাৰা বিশ্লেষণৰ উপৰিও ডিজিটেল মাধ্যমসমূহৰ মাজেৰে সন্মুখলৈ অহা সামাজিক মাধ্যমসমূহ, ব্লগ আৰু ইমেইল প্ৰভৃতিৰ যোগাযোগ আধাৰিত বাক্ধাৰাও সাম্প্ৰতিক সময়ৰ অধ্যয়নৰ বিষয়বস্তু।

লগতে বৰ্তমানৰ বাক্‌ধাৰা বিশ্লেষণে সংবাদ মাধ্যম, বিজ্ঞাপন আৰু দৃশ্যগত কাহিনীকথন (Visual Storytelling) -অত ভাষা, ছবি, ইংগিত আৰু শব্দকে ধৰি একাধিক উপাদানৰ জৰিয়তে কেনেকৈ অৰ্থ প্ৰকাশিত হয় সেই বিষয়ে অনুসন্ধান কৰে। এনে ব্যাপক মাত্ৰাপূৰ্ণ বাক্‌ধাৰা বিশ্লেষণৰ প্ৰাসংগিকতাৰ অভাৱ নাই। দৈনন্দিন কথোপকথন আধাৰিত বাক্‌ধাৰাৰ পৰা আৰম্ভ কৰি আইন-আদালতৰ বাক্‌ধাৰালৈ, সাহিত্যৰ পাঠৰ পৰা আৰম্ভ কৰি ৰাজনৈতিক বক্তৃতালৈ সকলোকে বাক্‌ধাৰা বিশ্লেষণৰ ক্ষেত্ৰৰূপে গণ্য কৰিব পাৰি। বাক্‌ধাৰা বিশ্লেষণৰ মূল প্ৰয়োগ ক্ষেত্ৰসমূহ তলত আলোচনা কৰা হ'ল-

**২.৪.১ দৈনন্দিন কথোপকথন বিশ্লেষণ** (Conversational Analysis)

কথোপকথন বিশ্লেষণৰ আধাৰ কথিত বাক্‌ধাৰা। বিশেষকৈ দৈনন্দিন কথোপকথনত বক্তাই পাল পতা (Turn Taking), বিৰতি লোৱা (Pause), সন্মুখৰ বক্তাৰ বক্তব্যৰ মাজতে বক্তব্য প্ৰদান কৰা (interruption) আৰু নিজৰ লগতে আনৰ বক্তব্যৰ ত্ৰুটীসমূহ আতৰ কৰাৰ (Repair Mechanisms) সচেতন প্ৰয়াস কৰে। কথোপকথনৰ মাজেৰে প্ৰকাশিত এই দিশসমূহৰ আলোচনাই কথোপকথন বিশ্লেষণে অধ্যয়ন কৰে। কথিত যোগাযোগৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰশীল ক্ষেত্ৰসমূহত এই পদ্ধতিৰ যথেষ্ট গুৰুত্ব আছে। উদাহৰণস্বৰূপে সামগ্ৰী বা সেৱাৰ সৈতে জড়িত গ্ৰাহক সেৱাৰ কল চেণ্টাৰত গ্ৰাহক বা সেৱা প্ৰতিনিধিৰ মাজৰ কথোপকথন সাৱলীল কৰাৰ লগতে সৃষ্টি হ'ব পৰা সম্ভাব্য ভুল বুজাবুজি কেনেকৈ নিয়ন্ত্ৰণ কৰাত কথোপকথন বিশ্লেষণে সহায় কৰিব পাৰে।

**২.৪.২ ৰাজনৈতিক আৰু সংবাদ মাধ্যমৰ বাক্‌ধাৰা বিশ্লেষণ** (Critical Discourse Analysis)-

ইতিমধ্যে কৃত সমালোচনাত্মক বাক্‌ধাৰা বিশ্লেষণৰ পৰা স্পষ্ট যে এই প্ৰকাৰৰ বাক্‌ধাৰা বিশ্লেষণে যোগাযোগৰ মাজেৰে প্ৰকাশিত বা অন্তৰ্নিহিত ক্ষমতাৰ ধাৰণাক বিচাৰ কৰে। যাৰ বাবে ৰাজনৈতিক ভাষণ, সংবাদ মাধ্যমৰ বক্তব্য আৰু প্ৰতিষ্ঠানিক যোগাযোগৰ অধ্যয়নত সমালোচনাত্মক বাক্‌ধাৰা বিশ্লেষণ প্ৰাসংগিক বিষয়ৰূপত ধৰা দিয়ে। উদাহৰণস্বৰূপে কোনো এক বিশেষ ৰাজনৈতিক নেতাই নিৰ্বাচনৰ আগে আগে ধাৰাবাহিকভাৱে বিভিন্ন মাধ্যমৰ জৰিয়তে নিজৰ বক্তব্য প্ৰকাশ কৰিছে। তেওঁ বক্তব্যৰ মাজেৰে কিদৰে নীতিক ন্যায্যতা প্ৰদান কৰিবলৈ, জনমত গঠন কৰিবলৈ আৰু কৰ্তৃত্ব শক্তিশালী কৰিবলৈ ভাষা ব্যৱহাৰ কৰিছে তাৰ বিচাৰ সমালোচনাত্মক বাক্‌ধাৰা বিশ্লেষণে কৰিব পাৰে। একেদৰে কোনো এক বিশেষ বাতৰি কাকতৰ শিৰোনামসমূহে পাঠকৰ ধাৰণাক প্ৰভাৱিত কৰাৰ লগতে সামাজিক জনমত কিদৰে গঠন কৰিব পাৰে সেই বিষয়ে সমালোচনাত্মক বাক্‌ধাৰাই বিশ্লেষণ কৰিব পাৰে। সেয়ে ৰাজনৈতিক আৰু সংবাদ মাধ্যমৰ বাক্‌ধাৰাৰ বিচাৰ বাক্‌ধাৰা বিশ্লেষণৰ এক প্ৰধান প্ৰয়োগ ক্ষেত্ৰ।

### ২.৪.৩ বৃত্তান্ত বিশ্লেষণ (Narrative Analysis)

সাহিত্যতেই হওক বা ব্যক্তিগত আখ্যানতেই হওক অথবা বাতৰিৰ প্ৰতিবেদনতেই হওক কাহিনীসমূহ কিদৰে সংগঠিত কৰি প্ৰকাশ কৰা হয় সেয়াও বাক্‌ধাৰা বিশ্লেষণৰে অধ্যয়নৰ বিষয়। বাক্‌ধাৰা বিশ্লেষণৰ এনে অনুসন্ধানৰ ক্ষেত্ৰক আখ্যান বিশ্লেষণ বা কথন বিশ্লেষণ বুলি অভিহিত কৰা হয়। উদাহৰণস্বৰূপে কোনো এক বিশেষ ব্যক্তিৰ আত্মজীৱনীমূলক কাহিনী কথনৰ আখ্যান বিশ্লেষণে সেই বিশেষ ব্যক্তিগৰাকীয়ে ব্যক্তিগত অভিজ্ঞতাৰ জৰিয়তে কেনেকৈ নিজৰ পৰিচয় গঢ়িছে সেয়া তুলি ধৰিব পাৰে। বাক্‌ধাৰা বিশ্লেষণৰ এক প্ৰয়োগক্ষেত্ৰৰূপে আখ্যান বিশ্লেষণ যথেষ্ট সম্ভাৱনাপূৰ্ণ।

### ২.৪.৪ কৰ্পাছ-ভিত্তিক বাক্‌ধাৰা বিশ্লেষণ (Corpus-Based Discourse Analysis)

এক বা একাধিক পাঠৰ বাক্‌ধাৰা বিশ্লেষণৰ উপৰিও বৃহৎসংখ্যক পাঠৰ একেসময়তে বিশ্লেষণৰ মাজেৰে বাক্‌ধাৰাৰ আৰ্হি আৰু ধাৰা চিনাক্ত কৰিবলৈ বাক্‌ধাৰা বিশ্লেষণ আগ্ৰহী। ইয়াৰ বাবে বাক্‌ধাৰা বিশ্লেষণে গণনামূলক সঁজুলি ব্যৱহাৰ কৰে। উদাহৰণস্বৰূপে জলবায়ু সম্পৰ্কীয় বা-বাতৰিসমূহ সংবাদ মাধ্যমত যোৱা পাঁচটা দশকত কিদৰে পৰিৱৰ্তন হৈছে সেয়া বিচাৰ কৰিবলৈ হ'লে কৰ্পাছ ভিত্তিক বাক্‌ধাৰা বিশ্লেষণ প্ৰাসংগিক হৈ উঠে। এনেধৰণৰ বাক্‌ধাৰা বিশ্লেষণে বৃহৎসংখ্যক শব্দৰ তথ্যভাণ্ডাৰৰ পৰা শব্দৰ বাৰংবাৰতা আৰু নৈকট্য বিশ্লেষণ কৰি সময়ৰ লগে লগে জলবায়ু পৰিৱৰ্তনৰ খবৰসমূহ সংবাদ মাধ্যমত সম্প্ৰচাৰিত হওঁতে কিদৰে বিকশিত হৈছে সেয়া অন্বেষণ কৰিব পাৰে।

### ২.৪.৫ শৈক্ষিক বাক্‌ধাৰা (Educational Discourse)

পাঠদানকেন্দ্ৰিক যোগাযোগো বাকধাৰ বিশ্লেষণৰ এক ক্ষেত্ৰৰূপে ক্ৰিয়াশীল হয়। আনুষ্ঠানিক শিক্ষাদান ক্ষেত্ৰত শিক্ষকৰ পাঠদান পদ্ধতি বুজিবলৈ শ্ৰেণীকোঠাৰ কথোপকথন, পাঠ্যক্ৰমৰ বাক্‌ধাৰা আৰু শৈক্ষিক নীতিৰ বিশ্লেষণ কৰিব পাৰি। উদাহৰণস্বৰূপে শ্ৰেণীকোঠাৰ ভিতৰত শিক্ষকসকলে সমালোচনাত্মক চিন্তাধাৰাক উৎসাহিত কৰিবলৈ কেনেকৈ প্ৰশ্নবোধক কৌশল ব্যৱহাৰ কৰে সেয়া পৰীক্ষা কৰিবলৈ বাক্‌ধাৰা বিশ্লেষণ সহায়ক হ'ব পাৰে।

### ২.৪.৬ আইনী আৰু প্ৰতিষ্ঠানিক বাক্‌ধাৰা (Legal and Institutional Discourse)

ক্ষমতাৰ গতিশীলতাৰপৰত গুৰুত্ব আৰোপ কৰি আইনী নথিপত্ৰ, আদালতৰ কাৰ্যবিধি, আৰু আমোলাতন্ত্ৰিক পৰিৱেশত ভাষাৰ ব্যৱহাৰ পৰীক্ষা কৰাত বাক্‌ধাৰা বিশ্লেষণ এক ফলপ্ৰসূ মাধ্যম। উদাহৰণস্বৰূপে বহুসময়ত আইনী নথি-পত্ৰ বা চুক্তি-পত্ৰত একোটা সৰু আইনী শব্দাংশই ভিন ভিন প্ৰসংগত ভিন ভিন ধাৰণা প্ৰদান কৰি ন্যায়ব্যৱস্থাত

প্ৰভাৱ পেলাব পাৰে। এনে পৰিস্থিতিত বাক্‌ধাৰা বিশ্লেষণে আইনী বাক্‌ধাৰাক স্পষ্টৰূপত তুলি ধৰিব পাৰে।

### ২.৪.৭ ডিজিটেল আৰু সামাজিক মাধ্যম বাক্‌ধাৰা (Digital and Social Media Discourse)

একবিংশ শতিকাত ডিজিটেল যোগাযোগে মানৱ জীৱনৰ এক মুষ্টিমেয় অংশ সামৰি লৈছে। ডিজিটেল মাধ্যমত প্ৰচলিত সামাজিক মাধ্যমসমূহে মানুহৰ পৰিচয়ৰ ধাৰণা আৰু ভাষা ব্যৱহাৰকো নতুন ধৰণে বিচাৰৰ বাট কাটি দিছে। এই বিচাৰত বাক্‌ধাৰা বিশ্লেষণ প্ৰাসংগিক বিচাৰ পদ্ধতিৰূপে ধৰা দিয়ে। এনে ক্ষেত্ৰত বাক্‌ধাৰা বিশ্লেষণে অনলাইন যোগাযোগৰ টুইট, মন্তব্য (Comment), পোষ্ট (Post) আদি কৰি ডিজিটেল আখ্যানক আধাৰ হিচাপে লয়। উদাহৰণস্বৰূপে- অতীতৰ টুইটাৰ বা বৰ্তমানৰ এক্স সমসাময়িক বিশ্বত এক প্ৰচলিত এক জনপ্ৰিয় সামাজিক মাধ্যম। এই মাধ্যমত উপলব্ধ হেচটেগে কেনেকৈ এক সামাজিক আন্দোলনে গতি লাভ কৰে বা এক অৰ্থত ৰাজহুৱা বাক্‌ধাৰাক গঢ় দিয়ে সেয়া বাক্‌ধাৰা বিশ্লেষণৰ সহায়ত উন্মোচন কৰিব পাৰি।

**অগ্ৰগতিৰ খতিয়ান**

বাক্‌ধাৰা বিশ্লেষণৰ পৰিসৰ সম্পৰ্কে এটা টোকা প্ৰস্তুত কৰা।

..........................................................................................................

..........................................................................................................

..........................................................................................................

এনেদৰে বিভিন্ন ক্ষেত্ৰত যোগাযোগৰ বেলিকা মানুহে ব্যৱহৃত ভাষাৰ মূল্যৱান অন্তৰ্দৃষ্টি প্ৰদান কৰি বাক্‌ধাৰা বিশ্লেষণ এক বিস্তৃত আৰু গতিশীল ক্ষেত্ৰৰূপে আত্মপ্ৰকাশ কৰিছে। ইয়াৰ আন্তঃবৈষয়িক প্ৰকৃতিয়ে গৱেষকসকলক ব্যাকৰণ আৰু বাক্য গঠনৰ পৰিসীমা অতিক্ৰমি যোগাযোগৰ সৈতে সম্পৰ্কিত ভিন্ন দিশৰ (অৰ্থ, ক্ষমতা, সামাজিক সম্পৰ্ক) অন্বেষণ কৰিবলৈ উৎসাহিত কৰিছে। এনে ভিন্নমাত্ৰিক বিষয়ক আলোচনা কৰিবলৈ গৈয়ে ভিন ভিন দৃষ্টিভংগীৰে বাক্‌ধাৰা বিশ্লেষণৰ ধাৰণা আগবঢ়োৱা দেখা যায়। মানুহৰ যোগাযোগৰ প্ৰক্ৰিয়াই গতিশীল চৰিত্ৰৰ। সেইবাবে ভৱিষ্যতেও যোগাযোগৰ নতুন নতুন মাত্ৰাই বাক্‌ধাৰা বিশ্লেষণৰ নতুন দৃষ্টিৰ বাবে সাৰুৱা পট তৈয়াৰ কৰিব। এতিয়ালৈ বাক্‌ধাৰা বিশ্লেষণক সমৃদ্ধ কৰা ভিন্ন দৃষ্টিভংগীসমূহৰ প্ৰাথমিক পৰিচয় আপোনালোকে বাক্‌ধাৰা বিশ্লেষণৰ ইতিহাস অংশত ইতিমধ্যে লাভ কৰিছে। বাক্‌ধাৰা বিশ্লেষণৰ এই দৃষ্টিভংগীসমূহৰ এক বিস্তৃত আলোচনা তলত তুলি ধৰা হ'ল।

### ২.৫ বাক্‌ধাৰা বিশ্লেষণৰ প্ৰধান দৃষ্টিভংগীসমূহ

যোৱা সত্তৰ দশকত বাক্‌ধাৰা বিশ্লেষণৰ আলোচনা বহুদূৰ আগবাঢ়ি আহিছে। বিদ্যায়তনিক ক্ষেত্ৰখনৰ এই বিৱৰ্তনে ভিন ভিন দৃষ্টিভংগীৰে বাক্‌ধাৰা বিশ্লেষণৰ আলোচনাৰ বাট মুকলি দিছে। ইয়াৰ ভিতৰত গঠনবাদী, প্ৰয়োগবাদী, সমালোচনাত্মক আৰু যোগাযোগমূলক দৃষ্টিভংগী প্ৰধান।

#### ২.৫.১ বাক্‌ধাৰা বিশ্লেষণৰ গঠনবাদী দৃষ্টিভংগী

বক্তৃতা বিশ্লেষণৰ অন্যতম প্ৰাথমিক দৃষ্টিভংগীৰূপে গাঁথনিগত দৃষ্টিভংগীয়ে বাক্‌ধাৰা বিশ্লেষণৰ বাবে বাকাধাৰাটোৰ ভাষিক গঠন, বিন্যাস আৰু ব্যাকৰণিক নিয়মক আধাৰ স্বৰূপে গ্ৰহণ কৰে। বিংশ শতিকাৰ প্ৰথমাৰ্ধতে সূচনা হোৱা গাঁথনিগত ভাষাবিজ্ঞান দৃষ্টিভংগীয়ে বাক্‌ধাৰা বিশ্লেষণৰ এই দৃষ্টিভংগী গঢ় দিছিল। এই দৃষ্টিভংগীয়ে ভাষাৰ গাঁথনিক দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰি ব্যাকৰণিক গাঁথনিয়ে কিদৰে অৰ্থ নিৰ্মাণ কৰে তাৰ আলোচনাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ইতিমধ্যে কোৱাৰ দৰে বক্তৃতা বিশ্লেষণৰ গাঁথনিগত দৃষ্টিভংগী গাঁথনিগত ভাষাবিজ্ঞানৰ দ্বাৰা বিশেষকৈ ফাৰ্ডিনাণ্ড ডি ছ্যছুৰ, নোৱম চমস্কি আৰু অন্যান্য গাঁথনিক ভাষাবিদসকলৰ চিন্তা-চৰ্চাৰ দ্বাৰা বহুল প্ৰভাৱিত।

বিংশ শতিকাৰ আদিতে ফাৰ্ডিনাণ্ড চ্যছুৰে ভাষাক চিহ্নৰ এক গাঁথনিগত ব্যৱস্থা বুলি অভিহিত কৰিছিল। তেওঁৰ দৃষ্টিত যিকোনো ভাষাৰে বাক্যত শব্দৰ গাইগুটীয়া অৰ্থতকৈ উপাদানৰ মাজৰ সম্পৰ্কৰ পৰা অৰ্থ আহৰিত হয়। ক'বলৈ গ'লে ছ্যছুৰৰ লাং (langue) আৰু পাৰ'ল (parole)ৰ ধাৰণাই গাঁথনিগত বাক্‌ধাৰা বিশ্লেষণৰ ভেটি নিৰ্মাণ কৰে। তেওঁৰ দৃষ্টিত লাংগে (ভাষাৰ গাঁথনিগত ব্যৱস্থাই) পাৰ'ল (ব্যক্তিগত বাক-কাৰ্য) নিয়ন্ত্ৰণ কৰে। এই ধাৰণাসমূহৰ সমান্তৰালভাৱে বিংশ শতিকাৰ দ্বিতীয়াৰ্ধত নোৱম চমস্কিয়ে Syntactic Structure (1957) গ্ৰন্থৰ জৰিয়তে ৰূপান্তৰ-উৎপাদক ব্যাকৰণৰ ধাৰণাটো প্ৰৱৰ্তন কৰিছিল। এই ধাৰণামতে তেওঁ সকলো ভাষাই সসীম ব্যাকৰণিক উপাদানসম্পন্ন। এই সসীম উপাদানকে মানুহে ৰূপান্তৰ কৰি অসীম বাক্য উৎপাদন কৰে। তেওঁৰ তত্ত্বই লগতে ভাষাৰ বাহ্যিক আৰু আভ্যন্তৰীণ গাঁথনি আৰু আভ্যন্তৰীণ গাঁথনিৰ পোষকতা কৰিছিল। আভ্যন্তৰীণ গঠনে ব্যাকৰণগত আন্তঃসম্পৰ্কক প্ৰতিনিধিত্ব কৰাৰ বিপৰীতে বাহ্যিক গঠনে কথিত বা লিখিত পাঠৰ শব্দৰ প্ৰকৃত বিন্যাসক সূচায়। বাক্‌ধাৰা বিশ্লেষণত এই আভ্যন্তৰীণ গাঁথনিৰ ধাৰণাই বাক্‌ধাৰাৰ মাজেৰে গাঁথনিগত সম্পৰ্কসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰি বাক্যৰ গঠনে অৰ্থক কেনেদৰে প্ৰভাৱিত কৰে সেই বিষয়ে অধ্যয়ন কৰাত সহায় কৰে। সমসাময়িকভাৱে ভাষাবিজ্ঞানৰ প্ৰাগ সম্প্ৰদায়ৰ ভাষাবিদসকলেও গঠনবাদী বাক্‌ধাৰা বিশ্লেষণৰ ধাৰণালৈ অৱদান আগবঢ়ায়। প্ৰাগ সম্প্ৰদায় আৰু ৰোমান য়াকবছনৰ দৰে ব্যক্তিসকলে জোৰ দিছিল যে বাক্‌ধাৰাই ধ্বনিবিজ্ঞান, ৰূপবিজ্ঞান আৰু

বাক্য গঠনকে ধৰি ভাষাৰ গাঁথনিগত নিয়ম অনুসৰণ কৰে, যিয়ে বাক্ধাৰাৰূপে যিকোনো কথিত বা লিখিত পাঠৰ সংযুক্তি আৰু সংহতি গঢ় দিয়ে। য়াকবছনে শ্চৰজ্ঞছ্ছ্বগ্ন ভাষাৰ গাঁথনিয়ে কেনেকৈ যোগাযোগৰ উদ্দেশ্য সাধন কৰে সেই কথা ব্যাখ্যা কৰি ভাষাৰ ছটা প্ৰকাৰ্যৰ কথা উল্লেখ কৈছিল। এই প্ৰকাৰ্যসমূহ ক্ৰমে-উল্লেখক, আৱেগিক, ক'নেটিভ, ফেটিক, মেটালিংগুৱেল আৰু কাব্যিক। এইসমূহ প্ৰকাৰ্যই ভাষাক পদ্ধতিগতভাৱে সংগঠিত কৰি বিভিন্ন যোগাযোগমূলক উদ্দেশ্য সাধন কৰে। ক্ল'ড লেভি-ষ্ট্ৰাউছ (Claude Lévi-Strauss)এ আখ্যান আৰু মিথৰ ক্ষেত্ৰত গাঁথনিবাদী পদ্ধতি প্ৰয়োগ কৰিছিল। তেওঁৰ এনে গৱেষণাধৰ্মী দৃষ্টিয়ে বাক্ধাৰা বিশ্লেষণৰ গাঁথনিবাদী দৃষ্টিভংগীক সমৃদ্ধ কৰিছিল। এনেধৰণে বিংশ শতিকাৰ ভিন্ন তাত্ত্বিক আধাৰেৰে সমৃদ্ধ হোৱা বাক্ধাৰা বিশ্লেষণৰ গঠনবাদী দৃষ্টিয়ে নিম্নলিখিত দিশসমূহক কেন্দ্ৰীয় ধাৰণাৰূপে গ্ৰহণ কৰে।

### ২.৫.১.১ সংযুক্তি আৰু সংহতি

বাক্ধাৰা বিশ্লেষণৰ গাঁথনিবাদী দৃষ্টিভংগীয়ে বাক্ধাৰাৰ সংযুক্তিৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰা দেখা যায়। বাক্ধাৰা ভিতৰৰ ব্যাকৰণগত আৰু শাব্দিক সংযোগে সংযুক্তি। বাক্ধাৰাৰ ভিতৰৰ বাক্য আৰু বাক্যাংশক সংযোগ কৰা স্পষ্ট ভাষিক উপাদানসমূহক সংযুক্তিয়ে নিৰ্দেশ কৰে। গাঁথনিবাদী ভাষাবিজ্ঞানত সততে আলোচিত সৰ্বনাম পদ, সংযোজকসমূহে বাক্ধাৰাত সংযুক্তিৰ কাম কৰে। হেলিডে আৰু হাছানে (১৯৭৬) পাঠৰ বিভিন্ন অংশৰ সংযোগৰ আধাৰত সংযুক্তি সংজ্ঞা দিছে এইদৰে "cohesion occurs where the interpretation of some element in the discourse is dependent on that of another" (Halliday & Hasan, 1976, p. 4) সংযুক্তিৰ বিপৰীতে বাক্ধাৰাত সামগ্ৰিকভাৱে ঐক্য আৰু অৰ্থবোধক সংহতি বোলে। অংশগ্ৰহণকাৰীসকলৰ মাজত যুক্তিসংগত সম্পৰ্ক আৰু ভাগ-বতৰা কৰা জ্ঞানৰ ওপৰত সংহতি নিৰ্ভৰ কৰে। কথিত বা লিখিত বাক্ধাৰাৰ মাজেৰে কথোপকথনৰ সামগ্ৰিক ধাৰণাবোৰ যাতে সুচাৰুৰূপে প্ৰবাহিত হয়। অৰ্থপ্ৰকাশ কৰিবলৈ সংহতিবিষয়ভিত্তিক অগ্ৰগতি আৰু অনুমানৰ দৰে অন্তৰ্নিহিত গঠনৰ ওপৰত নিৰ্ভৰ কৰে।

### ২.৫.১.২ বাক্ধাৰাৰ বাক্যতাত্ত্বিক আৰু ৰূপতাত্ত্বিক গাঁথনি

সংযুক্তি আৰু সংহতিৰ উপৰিও বাক্ধাৰা বিশ্লেষণৰ গঠনবাদী দৃষ্টিয়ে বাক্ধাৰাৰ ভিতৰত বাক্য কিদৰে সংগঠিত হয় সেই বিষয়ো লক্ষ্য কৰে। কিয়নো কৰ্তৃবাচ্যঙ্কৰ্মবাচ্য, খণ্ডবাক্যৰ গঠন, আৰু বাক্যংশৰ সম্পৰ্কৰ দৰে বাক্যতাত্ত্বিক আৰ্হিয়ে বাক্ধাৰা নিৰ্মাণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। একেদৰে বাক্ধাৰাত কালবাচক, দশাবাচক আৰু জোৰবাচক, নিৰ্দিষ্টতাবাচক, উল্লেখকৰ দৰে ব্যাকৰণগত চিহ্নিতকাৰীয়ে অৰ্থত অৰিহণা যোগায়। বাক্ধাৰা বিশ্লেষণৰ গঠনবাদী দৃষ্টিয়ে ব্যাকৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰে বুলি হেলিডে

(১৯৯৪)-এ দৃঢ়তাৰে কোৱা “grammar is the central processing unit of language, determining the structure of discourse”(37) কথাৰ পৰা সহজে ধাৰণা কৰিব পাৰি।

### ২.৫.১.৩ বাক্‌ধাৰা বিভাজন

গাঁথনিগত বিশ্লেষণে বাক্‌ধাৰাক উচ্চাৰণ, বাক্য, অনুচ্ছেদ, আৰু কথোপকথনৰ পাল আদি এককত বিভক্ত কৰে। এই বিভাজনে বাক্‌ধাৰাৰ ভিতৰত বিভিন্ন উপাদানৰ মাজৰ সম্পৰ্ক বুজিবলৈ সহায় কৰে। বক্তা বা লেখকে তেওঁলোকৰ বাক্‌ধাৰা কেনেকৈ সংগঠিত কৰে পৰীক্ষা কৰি গৱেষকসকলে যোগাযোগক গঢ় দিয়া পুনৰাবৃত্তিমূলক গাঁথনিগত আৰ্হি চিনাক্ত কৰিব পাৰে।

### ২.৫.১.৪ তথ্যৰ গাঁথনি আৰু বিষয়ভিত্তিক সংগঠন

তথ্যৰ গাঁথনি আৰু বিষয়ভিত্তিক সংগঠনে বাক্‌ধাৰাৰ ব্যাখ্যা নিৰ্দেশিত কৰিবলৈ বাক্‌ধাৰাৰ বিষয়ভিত্তিক সংগঠনৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বক্তা বা লেখকে সাধাৰণতে বাক্‌ধাৰাত নতুন তথ্যৰ প্ৰস্তাৱনাৰ পূৰ্বে ইতিমধ্যে জনা (প্ৰদত্ত) তথ্য উপস্থাপন কৰি বাক্যসমূহ সংগঠিত কৰে। তথ্য আৰু বিষয়বস্তুৰ এনে অগ্ৰগতিয়ে যোগাযোগ প্ৰক্ৰিয়াক সুসংহত কৰি ৰখাত সহায় কৰে। কিছুমান ভাষাত লি আৰু থম্পছনে (১৯৮১) পৰ্যবেক্ষণ কৰা মতে মূল বিষয়টোক উজ্জ্বল কৰিবলৈ মন্তব্যৰ আগত বিষয়বস্তুক তুলি ধৰা হয়। এই গাঁথনিগত নীতিসমূহ বুজি পালে গৱেষকসকলে তথ্য কেনেকৈ প্ৰেৰণ কৰা হয় আৰু বাক্‌ধাৰাই কেনেকৈ স্পষ্টতা আৰু সংহতি লাভ কৰে সেই বিষয়ে বিশ্লেষণ কৰিব পাৰে।

এইধৰণৰ বিষয়সমূহক গুৰুত্ব প্ৰদান কৰা গঠনবাদী বাক্‌ধাৰাৰ বিশ্লেষণৰ প্ৰয়োগ সংবাদ মাধ্যমৰ অধ্যয়ন, সমাজভাষাবিজ্ঞান, প্ৰসংগাৰ্থবিজ্ঞান আৰু কম্পিউটাৰগত ভাষাবিজ্ঞানকে আদি কৰি ভিন্ন ক্ষেত্ৰত ব্যাপকভাৱে কৰা দেখা যায়। গাঁথনিগত বাক্‌ধাৰা বিশ্লেষণে ভাষাৰ গাঁথনিগত দিশসমূহ ব্যৱহাৰ কৰি ৰাজনৈতিক আখ্যানসমূহ কিদৰে নিৰ্মিত হয় সেই কথা উন্মোচন কৰাত সহায় কৰে। উদাহৰণস্বৰূপে লোকসভা নিৰ্বাচনৰ প্ৰাৰ্থীৰ কথনত ব্যৱহৃত বাক্যৰ গঠনৰ পিনৰ পৰা জটিলতা, সংযুক্তিৰ বিশ্লেষণৰ সহায়ত প্ৰাৰ্থীগৰাকীৰ কথনৰ মাজেৰে প্ৰকাশিত জোৰৰ ধাৰণা বুজিব পাৰি। একেদৰে আইনী বাক্‌ধাৰাক গাঁথনিগত দিশৰ পৰা বিচাৰ কৰি মান্যভাষা, কৰ্মবাচ্য আৰু জটিল বাক্যৰ গাঁথনিয়ে আইনগতভাৱে উপযোগী ব্যাখ্যা গঢ় দিয়ে। উদাহৰণস্বৰূপে আদালতৰ কক্ষত সংৰক্ষিত বিচাৰৰ প্ৰতিলিপিৰ গঠনবাদী দৃষ্টিৰে কৰা ভাষাৰ বিশ্লেষণে আইনী প্ৰশ্নৰ বাকাধাৰাৰ ছবি এখন তুলি ধৰিব পাৰে। ৰাজনৈতিক আৰু আইনী বাক্‌ধাৰাৰ দৰে ভাষা শিক্ষা আৰু শিক্ষণ প্ৰক্ৰিয়াত (Pedagogy) গাঁথনিগত বক্তৃতা বিশ্লেষণে উল্লেখযোগ্য

ভূমিকা পালন কৰে। বাক্‌ধাৰা বিশ্লেষণৰ গঠনবাদী দৃষ্টিভংগীৰ সহায়ত শিক্ষাবিদসকলে অধিক কৌশলপূর্ণভাৱে পঢ়া, লিখা আৰু কোৱাৰ দক্ষতা শিকোৱাৰ নীতি প্ৰস্তুত কৰিব পাৰে। ইংৰাজী ভাষাক দ্বিতীয় ভাষা হিচাপে শচড্ৰত্ৰস্গ্ন শিকোৱাৰ ক্ষেত্ৰত বাক্যতাত্ত্বিক গঠন, বিষয়ভিত্তিক সংগঠন আৰু অৰ্থসংহতিৰ আহিলাসমূহে ছাত্ৰ-ছাত্ৰীসকলক নিজৰ লেখনৰ সুসংহতি আৰু সাৱলীলতা উন্নত কৰাত সহায় কৰে বুলি জন শ্বেলেছে (Swales 1990) কৈ গৈছে। ইয়াৰ উপৰিও ছাত্ৰ-ছাত্ৰীৰ বাক্‌ধাৰাৰ ভুল বিশ্লেষণে (error analysis) শিক্ষক-শিক্ষয়ত্ৰীসকলক পুনৰাবৃত্তিমূলক বাক্য গঠন আৰু ব্যাকৰণগত প্ৰত্যাহ্বান চিনাক্ত কৰাত সহায় কৰিব পাৰে। ইয়াৰ সহায়ত তেওঁলোকে শিক্ষাদানৰ পদ্ধতিত সংশোধন কৰিব পাৰে বুলি প্ৰয়োগভাষাবিজ্ঞানী ৰদ এলিছে (Rod Ellis 1994) এ আলোচনা কৰিছিল। বাক্‌ধাৰাৰ গঠনবাদী দৃষ্টিভংগীয়ে স্বাভাৱিক ভাষাৰ সংশ্লেষণ (Natural Language Processing বা NLP) লৈও অৱদান আগবঢ়ায়। মেচিন অনুবাদ, আৱেগ বিশ্লেষণ আৰু পাঠৰ সাৰাংশীকৰণ উন্নত কৰিবলৈ স্বাভাৱিক ভাষাৰ সংশ্লেষণ গঠনবাদী বাক্‌ধাৰা বিশ্লেষণৰ ওপৰত নিৰ্ভৰশীল।

এনেধৰণে ভিন্ন প্ৰকাৰ্য আৰু ক্ষেত্ৰত ব্যৱহৃত গঠনবাদী বাক্‌ধাৰা বিশ্লেষণৰ সীমাবদ্ধতাও নথকা নহয়। বিশেষকৈ গঠনবাদী দৃষ্টিভংগীয়ে প্ৰায়ে বাক্‌ধাৰাক প্ৰভাৱিত কৰা সামাজিক-সাংস্কৃতিক কাৰকসমূহক উপেক্ষা কৰে বুলি সমালোচকসকলে কয়। তেওঁলোকৰ দৃষ্টিত বক্তব্যৰ সৈতে সম্পৃক্ত প্ৰসংগাৰ্থিক আৰু সামাজিক দিশসমূহ বিবেচনা নকৰাকৈ বক্তব্যৰ মাজেৰে প্ৰেৰিত অৰ্থ সম্পূৰ্ণৰূপে বুজিব নোৱাৰি। একেদৰে ভাষাৰ নিয়মৰ ওপৰত অতিমাত্ৰা গুৰুত্ব দিয়াৰ বাবে গঠনবাদী বাক্‌ধাৰা বিশ্লেষণত অৰ্থগত অস্পষ্টতা, বক্তাৰ উদ্দেশ্য আৰু বাক্‌ধাৰা পৰিৱৰ্তনশীল প্ৰকৃতি অৱহেলিত হ'ব পাৰে। সমান্তৰালভাৱে অনানুষ্ঠানিক, কথিত বা বহুভাষিক যোগাযোগত প্ৰাপ্ত বাক্‌ধাৰাক গঠনবাদী দৃষ্টিৰে বিশ্লেষণ কৰাত অসুবিধাৰ সৃষ্টি হয়। কিয়নো কথিত বাক্‌ধাৰাত বহুসময়ত স্বতঃস্ফূৰ্তভাৱে ভুৱা আৰম্ভণি, দ্বিধাবোধ আৰু বিৰতি লক্ষ্য কৰা যায়। এনেধৰণৰ বাক্‌ধাৰাক পূৰ্ব নিৰ্ধাৰিত গাঁথনিগত পৰিকাঠামো ব্যৱহাৰ কৰি বিশ্লেষণ কৰাটো প্ৰত্যাহ্বানজনক। একেদৰে অনানুষ্ঠানিক বাক্‌ধাৰাত প্ৰায়ে উপভাষা আৰু বাৰ্তা সঞ্চৰণৰ ব্যৱহাৰ হয়। এনে ঔপভাষিক প্ৰয়োগ আৰু বাৰ্তা সঞ্চৰণক ভাষাৰ সুনিৰ্দিষ্ট গাঁথনিগত আৰ্হিসমূহৰে বিশ্লেষণ কৰাটো সম্ভৱপৰ নহয়। একেদৰে মিশ্ৰিত ভাষাৰ পৰিৱেশসমূহে সদায় পৰম্পৰাগত ব্যাকৰণগত গঠন অনুসৰণ নকৰে বাবেও গাঁথনিগত বিভাজন কঠিন হৈ পৰে।

সামগ্ৰিকভাৱে ক'ব পাৰি যে, বাক্‌ধাৰা বিশ্লেষণৰ গঠনবাদী দৃষ্টিভংগীয়ে বাক্‌ধাৰাৰ ভিতৰত ভাষাৰ গাঁথনি, সংহতি, বাক্য গঠন আৰু তথ্য সংগঠন বিশ্লেষণ

কৰাৰ বাবে এক পদ্ধতিগত কাঠামো প্ৰদান কৰে। গাঁথনিগত ভাষাবিজ্ঞানৰ আধাৰত গঢ় লোৱা ভাষিক আৰ্হিয়ে যোগাযোগক কিদৰে গঢ় দিয়ে এই বাক্‌ধাৰা বিশ্লেষণ পদ্ধতিয়ে সেই সম্পৰ্কে মূল্যৱান অন্তৰ্দৃষ্টি প্ৰদান কৰে।

**অগ্ৰগতিৰ খতিয়ান**

বাক্‌ধাৰা বিশ্লেষণৰ গঠনবাদী দৃষ্টিত বাক্‌ধাৰাৰ কোনবোৰ উপাদানৰ ওপৰত প্ৰধানকৈ গুৰুত্ব দিয়া হয় আলোচনা কৰা।

..........................................................................................................

..........................................................................................................

..........................................................................................................

### ২.৫.২ বাক্‌ধাৰা বিশ্লেষণৰ প্ৰয়োগবাদী দৃষ্টিভংগী

অৰ্থ, প্ৰসংগ আৰু সামাজিক আন্তঃসম্পৰ্কৰ ওপৰত গুৰুত্ব আৰোপ কৰি যোগাযোগৰ বেলিকা ভাষাই কিদৰে অৰ্থপ্ৰকাশ কৰে সেয়া বাক্‌ধাৰা বিশ্লেষণে অধ্যয়ন কৰে। বাক্‌ধাৰা বিশ্লেষণৰ প্ৰয়োগবাদী দৃষ্টিভংগীয়ে বিভিন্ন সামাজিক প্ৰেক্ষাপটত নিৰ্দিষ্ট উদ্দেশ্য সাধনৰ আহিলা হিচাপে ভাষাই পালন কৰা ভূমিকাক স্বীকাৰ কৰে। মাইকেল হেলিডে (Michael Halliday)ৰ প্ৰদত্ত প্ৰণালীবদ্ধ প্ৰায়োগিক ভাষাবিজ্ঞান (systemic functional linguistics বা SFL) এ হৈছে বাক্‌ধাৰাৰ প্ৰয়োগবাদী দৃষ্টিভংগীৰ আধাৰ। পদ্ধতিগত প্ৰায়োগিক ভাষাবিজ্ঞানত বক্তা বা লেখকে এটা বিশেষ প্ৰেক্ষাপটত অৰ্থ প্ৰকাশ কৰিবলৈ কৰা বাছনিৰ ব্যৱস্থাক ভাষা হিচাপে গণ্য কৰা হয়। প্ৰণালীবদ্ধ প্ৰায়োগিক ভাষাবিজ্ঞানত বাক্‌ধাৰাক তিনিটা মেটাফাংচনৰ দ্বাৰা বিশ্লেষণ কৰাৰ পোষকতা কৰা হয়- ধাৰণাগত, আন্তঃব্যক্তিগত আৰু পাঠ। মন কৰিবলগীয়া যে মেটাফাংচনে অৰ্থ সৃষ্টিৰ বাবে একেলগে কাম কৰা অৰ্থবোধক ব্যৱস্থাৰ এটা গোটক বুজায়। ভাষাই অভিজ্ঞতা, চিন্তা আৰু বাস্তৱক প্ৰতিনিধিত্ব কৰিলে তাক ভাষাৰ ধাৰণাগত মেটাফাংচন বুলি কোৱা হয়। একেদৰে সামাজিক যোগাযোগৰ বেলিকা মনোভংগী প্ৰকাশ কৰিবলৈ, সম্পৰ্ক গঢ়িবলৈ আৰু শক্তিৰ গতিশীলতা প্ৰকাশ কৰিবলৈ ভাষা ব্যৱহাৰ হোৱা দিশটোক আন্তঃব্যক্তিগত মেটাফাংচনে গুৰুত্ব সহকাৰে বিচাৰ-বিবেচনা কৰে। ভাষাই যোগাযোগত সংযুক্তি আৰু সংহতি সৃষ্টি কৰা দিশটো পাঠ মেটাফাংচনত আলোচনা কৰা হয়।

হেলিডেৰ ধাৰণাই বাক্‌ধাৰা বিশ্লেষণৰ ব্যাকৰণগত আটিল গঠনবাদী দৃষ্টিৰ পৰা আতৰি আহি ভাষাক বিশেষ যোগাযোগমূলক উদ্দেশ্যত ব্যৱহৃত নমনীয় ব্যৱস্থা ৰূপে গণ্য আৰম্ভ কৰিলে। তেওঁৰ ধাৰণাকে শিক্ষা, সংবাদ মাধ্যমৰ অধ্যয়ন, ৰাজনৈতিক বক্তৃতা আদি ক্ষেত্ৰত ব্যাপকভাৱে প্ৰয়োগ কৰি গৱেষকসকলে বিভিন্ন সামাজিক প্ৰসংগত অৰ্থ

কেনেকৈ নিৰ্মিত হয় সেই বিষয়ে বিশ্লেষণ কৰে। বাক্‌ধাৰা বিশ্লেষণৰ প্ৰয়োগবাদী দৃষ্টিভংগীয়ে ভাষা ব্যৱহাৰৰ দ্বাৰা তথ্য প্ৰদান কৰা, বুজোৱা, আদেশ দিয়া বা আৱেগ প্ৰকাশ কৰাৰ দৰে ভিন্ন কাম কিদৰে সম্পাদিত হয় সেয়া অধ্যয়ন কৰে। কথিত আৰু লিখিত উভয় বাক্‌ধাৰাৰ জৰিয়তে মানুহে নিজৰ লক্ষ্যত উপনীত হ'বলৈ ভাষাক কৌশলগতভাৱে ব্যৱহাৰ কৰা দিশটো প্ৰয়োগবাদী বাক্‌ধাৰা বিশ্লেষণে অধ্যয়ন কৰে। এই দৃষ্টিভংগীত ভাষাক কেৱল ব্যাকৰণিক নিয়মৰ দৃঢ় ব্যৱস্থা বুলি বিবেচনা কৰাৰ সলনি গতিশীল আৰু প্ৰসংগ নিৰ্ভৰশীল বুলি গণ্য কৰা হয়।

ভাষাবিজ্ঞান, সমাজবিজ্ঞান, শিক্ষা, সংবাদ মাধ্যমৰ অধ্যয়ন, ৰাজনৈতিক যোগাযোগ আদি বিভিন্ন ক্ষেত্ৰত প্ৰয়োগবাদী বাক্‌ধাৰা বিশ্লেষণ প্ৰয়োগ কৰা হয়। উদাহৰণস্বৰূপে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলে শ্ৰেণীকোঠাত শিক্ষণৰ সুবিধাৰ বাবে ভাষা ব্যৱহাৰ কিদৰে কৰে কথা বুজিবলৈ প্ৰয়োগবাদী বাক্‌ধাৰা বিশ্লেষণে সহায় কৰে। ৰাজনৈতিক যোগাযোগৰ মাজেৰে ৰাজনীতিবিদসকলে জনসাধাৰণক বুজাবলৈ আৰু জনমতক প্ৰভাৱিত কৰিবলৈ কেনেকৈ ভাষা ব্যৱহাৰ কৰে সেই বিষয়ে প্ৰয়োগবাদী বাক্‌ধাৰা বিশ্লেষণে অধ্যয়ন কৰে। গণমাধ্যমৰ অধ্যয়নত এনে দৃষ্টিসম্পন্ন বাক্‌ধাৰা বিশ্লেষণে বাতৰিৰ প্ৰবন্ধ আৰু বিজ্ঞাপনসমূহে দৰ্শকৰ ধাৰণাক গঢ়িবলৈ ভাষাক কেনেকৈ সংগঠন কৰে সেই বিষয়ে অন্বেষণ কৰে। প্ৰসংগটোৰ ওপৰত গুৰুত্ব দিয়াটো এই দৃষ্টিভংগীয়ে এক মূল বৈশিষ্ট্য। প্ৰসংগই পৰিস্থিতিগত প্ৰসংগ (কোনে কথা পাতিছে, কাক, ক'ত আৰু কিয়) আৰু সাংস্কৃতিক প্ৰসংগ (যোগাযোগক গঢ় দিয়া বহল সামাজিক নীতি-নিয়ম) দুয়োটাকে অন্তৰ্ভুক্ত কৰে। প্ৰসংগ বিশ্লেষণ কৰি প্ৰয়োগবাদী বাক্‌ধাৰা বিশ্লেষণে বিভিন্ন পৰিৱেশত অৰ্থ কেনেকৈ নিৰ্মাণ আৰু ব্যাখ্যা কৰা হয় সেই সম্পৰ্কে অন্তৰ্দৃষ্টি প্ৰদান কৰে। প্ৰসংগৰ বিচাৰ কৰাৰ উপৰিও ভাষা আৰু সমাজ কেনেকৈ সংযুক্ত হৈ আছে সেয়া আলোচনা কৰা বাবেও বাক্‌ধাৰা বিশ্লেষণৰ প্ৰয়োগবাদী দৃষ্টিভংগী গুৰুত্বপূৰ্ণ হৈ পৰে। এই দৃষ্টিভংগীয়ে গৱেষকসকলক ভাষাই সামাজিক নীতি-নিয়মসমূহ কেনেকৈ গঢ়ে আৰু ভাষাৰ জৰিয়তে সামাজিক নীতি-নিয়মসমূহ কেনেকৈ প্ৰতিফলিত কৰে সেয়া বুজাত সহায় কৰে। বহুভাষিক আৰু বহুসাংস্কৃতিক পৰিস্থিতিত ভাষাই পৰিচয় আৰু সামূহিক ধাৰণাক তুলি ধৰে বাবে এনে পৰিৱেশত যোগাযোগৰ অধ্যয়ন কৰিবলৈ প্ৰয়োগবাদী দৃষ্টিভংগী প্ৰাসংগিকৰূপত ধৰা দিয়ে।

বক্তৃতা বিশ্লেষণৰ কাৰ্য্যকৰী দৃষ্টিভংগীয়ে সামাজিক পাৰস্পৰিক ক্ৰিয়া-কলাপত ভাষা কেনেকৈ ব্যৱহাৰ কৰা হয় সেই কথা বুজিবলৈ এক ব্যাপক দৃষ্টিভংগী প্ৰদান কৰে। ভাষাৰ কাৰ্য, প্ৰসংগ আৰু অৰ্থ নিৰ্মাণ প্ৰক্ৰিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰি এই পদ্ধতিয়ে বিভিন্ন ক্ষেত্ৰত যোগাযোগৰ মূল্যবান অন্তৰ্দৃষ্টি প্ৰদান কৰে। অৱশ্যে গঠনবাদী দৃষ্টিভংগীত সীমাবদ্ধতা লক্ষ্য কৰাৰ দৰে প্ৰয়োগবাদী দৃষ্টিভংগীতো কিছু সীমাবদ্ধতা লক্ষ্য কৰা যায়। প্ৰয়োগবাদী বাক্‌ধাৰা বিশ্লেষণ প্ৰসংগ নিৰ্ভৰ বুলি কৈ অহা হৈছে। কিন্তু প্ৰসংগৰ ওপৰত অত্যাধিক নিৰ্ভৰশীল হ'লে প্ৰত্যাহ্বানৰ সৃষ্টি হয়। বিশেষকৈ বাক্‌ধাৰাক প্ৰায়োগিকভাৱে

বিশ্লেষণ কৰিবলৈ সাংস্কৃতিক আৰু সামাজিক পটভূমিৰ গভীৰ জ্ঞানৰ প্ৰয়োজন। এই জ্ঞান সকলো সময়তে উপলব্ধ নহ'বও পাৰে। তেনেস্থলত অসম্পূৰ্ণ জ্ঞানেৰে প্ৰয়োগবাদী দৃষ্টিসম্পন্ন বাক্‌ধাৰা বিশ্লেষণ কৰাটো প্ৰত্যাহ্বানজনক। এনেধৰণৰ সীমাবদ্ধতাসমূহ অতিক্ৰম কৰিবলৈ অধ্যয়নকৰ্তা বা গৱেষকসকলে প্ৰয়োগবাদী বাক্‌ধাৰা বিশ্লেষণক অন্যান্য ভাষিক পদ্ধতি যেনে কৰ্পাছ ভাষাবিজ্ঞান বা নৃতাত্ত্বিক অধ্যয়নৰ সৈতে সংযুক্ত কৰিব লাগে। এনে আন্তঃবিষয়িক প্ৰকৃতিয়ে বিভিন্ন প্ৰসংগত বাক্‌ধাৰাক দকৈ অনুধাৱন কৰাৰ বাট মুকলি কৰি দিয়ে। প্ৰত্যাহ্বানস্বত্বেও বিভিন্ন সামাজিক পৰিৱেশত ভাষা কেনেকৈ কাম কৰে সেই কথা বুজিবলৈ প্ৰয়োগবাদী বাক্‌ধাৰা বিশ্লেষণ এক অপৰিহাৰ্য আহিলাৰূপে কাম কৰি আছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

বাক্‌ধাৰা বিশ্লেষণৰ গঠনবাদী দৃষ্টিভংগী আৰু প্ৰয়োগবাদী দৃষ্টিভংগীৰ তুলনা আগবঢ়োৱা।

..........................................................................................

..........................................................................................

..........................................................................................

### ২.৫.৩ বাক্‌ধাৰা বিশ্লেষণৰ সমালোচনাত্মক দৃষ্টিভংগী

বিংশ শতিকাৰ শেষৰ পিনে ভাষাক সামাজিক অনুশীলনৰ আহিলাৰূপে গণ্য কৰি এচাম ভাষাবিদে সমালোচনাত্মক বাক্‌ধাৰা বিশ্লেষণ (Critical Discourse Analysis)-অৰ ধাৰণা আগবঢ়ায়। পৰম্পৰাগত বাক্‌ধাৰা বিশ্লেষণ পদ্ধতিত ভাষাৰ মাজেৰে প্ৰকাশিত আৰু ৰক্ষিত সামাজিক ক্ষমতাৰ দৰে গতিশীল ধাৰণাসমূহ উপেক্ষিত হোৱা বাবে ইয়াৰ প্ৰতিক্ৰিয়াস্বৰূপে নৰ্মান ফেয়াৰক্ল' (Norman Fairclough), টেউন ভান ডাইক (Teun van Dijk), ৰুথ ৱ'ডাক (Ruth Wodak)ৰ দৰে পণ্ডিতসকলে সমালোচনাত্মক বাক্‌ধাৰা বিশ্লেষণৰ ধাৰণাৰ পোষকতা কৰে। বাক্‌ধাৰাৰ মাজেৰে কি উপায়েৰে বক্তাই সামাজিক বৈষম্য গঢ়ি তুলিবলৈ আৰু বজাই ৰাখিবলৈ প্ৰয়াস কৰে সেয়া সমালোচনাত্মক বাক্‌ধাৰা বিশ্লেষণৰ প্ৰধান বিচাৰ্য বিষয়। পৰম্পৰাগত বাক্‌ধাৰা বিশ্লেষণৰ দৰে কথোপকথনৰ গাঁথনি বা ভাষিক বৈশিষ্ট্যৰ ওপৰত গুৰুত্ব দিয়াৰ সলনি সমালোচনাত্মক বাক্‌ধাৰা বিশ্লেষণে মতাদৰ্শ, ক্ষমতা আৰু আধিপত্যৰ দৰে বিস্তাৰিত বিষয়ৰ আলোচনা কৰে। এই দৃষ্টিভংগীৰ মতে বাক্‌ধাৰা কেতিয়াও নিৰপেক্ষ নহয়। বাক্‌ধাৰা সদায় ঐতিহাসিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক কাৰকৰ দ্বাৰা প্ৰভাৱিত। সামাজিক প্ৰতিপত্তি প্ৰকাশ কৰাত, আধিপত্য নিশ্চিত কৰাত ভাষাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। উদাহৰণস্বৰূপে, ৰাজনৈতিক ভাষণ, সংবাদ মাধ্যমৰ আখ্যান আৰু প্ৰতিষ্ঠানিক ভাষাই

প্ৰায়ে প্ৰভাৱশালী মতাদৰ্শক প্ৰতিফলিত কৰাৰ লগতে পূৰ্বৰে পৰা থকা ক্ষমতাৰ সম্পৰ্কক শক্তিশালী কৰে। এই বক্তৃতাসমূহৰ সমালোচনাত্মক বিশ্লেষণ কৰি গৱেষকসকলে জনসাধাৰণৰ ধাৰণা আৰু আচৰণক প্ৰভাৱিত কৰা বাক্‌ধাৰাৰ অন্তৰ্নিহিত অৰ্থ আৰু মতাদৰ্শগত পক্ষপাতিত্বসমূহ উন্মোচন কৰিব পাৰে।

সমালোচনাত্মক বাক্‌ধাৰা বিশ্লেষণৰ মূল ধাৰণাটো ভিন ভিন বিষয়েৰে সমৃদ্ধ হৈছে। ইয়াৰ ভিতৰত ক্ষমতা আৰু একাধিপত্যৰ ধাৰণা প্ৰধান। সামাজিক প্ৰাণীৰূপে মানুহে সামাজিক গাঁথনিত ক্ষমতা প্ৰদৰ্শন কৰি একাধিপত্যৰ ধাৰণা বজাই ৰাখিবলৈ ভাষা কেনেকৈ ব্যৱহাৰ কৰা হয় সেই বিষয়ে সমালোচনাত্মক বাক্‌ধাৰা বিশ্লেষণে প্ৰধানকৈ অধ্যয়ন কৰে। মিচেল ফুকো (Michel Foucault) আৰু এণ্টনিঅ' গ্ৰামচি (Antonio Gramsci)ৰ চিন্তাধাৰাৰ দ্বাৰা প্ৰভাৱিত হৈ সমালোচনাত্মক বাক্‌ধাৰা বিশ্লেষণে বাক্‌ধাৰাক ক্ষমতাকেন্দ্ৰিক সংঘৰ্ষ প্ৰকাশৰ মাধ্যমৰূপে বিবেচনা কৰে। ৰাজনৈতিক আৰু গণমাধ্যমৰ বাক্‌ধাৰা আৰু কৰ্তৃত্বপূৰ্ণ ভাষাই সকলো সময়তে এনেধৰণে ক্ষমতাৰ স্তৰসমূহক প্ৰতিফলিত আৰু শক্তিশালী কৰে বুলি সমালোচনাত্মক বাক্‌ধাৰা বিশ্লেষকসকলে বিশ্বাস কৰে। এওঁলোকৰ মতে মতাদৰ্শয়ো বাক্‌ধাৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। মতাদৰ্শই ব্যক্তিৰ বিশ্বাস আৰু মূল্যবোধৰ সংহতিক বুজায়। মতাদৰ্শৰ সহায়তো ব্যক্তিয়ে সামাজিক কাম-কাজৰ মাজেৰে ক্ষমতা বা প্ৰতিপত্তিৰ ধাৰণা বজাই ৰাখে। ভাষাৰ জৰিয়তে ৰাজনৈতিকভাৱে, সামাজিকভাৱে প্ৰভাৱশালী গোটসমূহে তুলনামূলকভাৱে দুৰ্বল জনগোটৰ স্বাৰ্থক একপ্ৰকাৰে আওকাণ কৰি নিজৰ স্বাৰ্থ সুৰক্ষিত কৰে। বাক্‌ধাৰাৰ অৰ্থ প্ৰসংগৰ মাজেৰে স্পষ্ট হয় বুলি এওঁলোকেও স্বীকাৰ কৰে যদিও প্ৰসংগৰ লগতে সমালোচনাত্মক বাক্‌ধাৰা বিশ্লেষকসকলে আন্তঃপাঠ্যতা (intertextuality) -কো অতি প্ৰয়োজনীয় বুলি স্বীকাৰ কৰে। বিশেষকৈ এক লিখিত বাক্‌ধাৰা অন্যান্য পাঠৰ সৈতে সংযুক্ত হৈ থাকে। ইয়ে বাক্‌ধাৰাৰ আন্তঃপাঠ্যতাৰ ধাৰণা। ইয়ে কয় যে কোনো প্ৰদত্ত পাঠে একক বা বিচ্ছিন্ন নহয়। সকলো পাঠেই পূৰ্বৰ পাঠৰ দ্বাৰা প্ৰভাৱিত হৈ ভৱিষ্যতৰ পাঠলৈ অৰিহণা যোগায়। জুলিয়া ক্ৰীষ্টেভা (Julia Kristeva) প্ৰদত্ত এই ধাৰণায়ো সমালোচনাত্মক বাক্‌ধাৰা বিশ্লেষণৰ ক্ষেত্ৰক সমৃদ্ধ কৰি জনমত আৰু সাংস্কৃতিক আখ্যান গঢ়াৰ বেলিকা প্ৰসংগ আৰু আন্তঃপাঠ্যতাৰ ভূমিকাক স্বীকৃতি দিয়ে। একেদৰে প্ৰতিনিধিত্ব আৰু পৰিচয়ৰ ধাৰণাও সমালোচনাত্মক বাক্‌ধাৰা বিশ্লেষণৰ এক প্ৰধান আলোচিত দিশ। ভাষাই ব্যক্তি আৰু সমূহৰ ধাৰণা প্ৰদান কৰি সামাজিক পৰিচয় গঢ়ি তোলে। জুডিথ বাটলাৰ (Judith Butler)এ তেওঁৰ পৰিৱেশনশীলতা তত্ত্ব (theory of performativity)ত মানুহে পৰিচয়ৰ ধাৰণা জন্মগতভাৱে আহৰণ কৰাৰ সলনি নিয়মিত ভাষিক আৰু সামাজিক অনুশীলনৰ জৰিয়তে গঢ় দিয়ে বুলি স্বীকাৰ কৰিছিল। সমালোচনাত্মক বাক্‌ধাৰা বিশ্লেষণৰ সমৰ্থকসকলেও বাটলাৰৰ দৃষ্টিৰে সহমত পোষণ কৰি লিংগ, জাতি আৰু সামাজিক শ্ৰেণীৰ বিষয়ে জনসাধাৰণৰ ধাৰণা গঢ় দিয়াত সংবাদ মাধ্যমৰ বাক্‌ধাৰাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলি স্বীকাৰ কৰে।

ভাষাই সামাজিক বাস্তৱিক দিশসমূহক কিদৰে প্ৰভাৱিত কৰে সেয়া জানিবলৈ হ'লে বাক্‌ধাৰাক সমালোচনাত্মক দৃষ্টিৰে ব্যাখ্যা কৰাৰ বিকল্প নাই। ভাষাই কেনেকৈ সমাজ গঢ়ে আৰু একেদৰে সমাজে কেনেকৈ ভাষাৰ ৰেহ-ৰূপ নিৰ্ধাৰণ কৰে সেই সম্পৰ্কে সমালোচনাত্মক দৃষ্টিয়ে আলোচনা কৰে। বাক্‌ধাৰাক এই দৃষ্টিৰে বিশ্লেষণ কৰি গৱেষকসকলে যোগাযোগৰ অন্তৰ্নিহিত মতাদৰ্শ, ক্ষমতাৰ গতিশীলতা আৰু সামাজিক বৈষম্য চিনাক্ত কৰিব পাৰে। গণমাধ্যমৰ বাক্‌ধাৰাৰ অধ্যয়নৰ বেলিকা সমালোচনাত্মক দৃষ্টিয়ে বাতৰিৰ প্ৰতিবেদন, বিজ্ঞাপন, আৰু মনোৰঞ্জনৰ ক্ষেত্ৰত পক্ষপাতিত্ব উন্মোচন কৰাত সহায় কৰে। উদাহৰণস্বৰূপে এক দশক পূৰ্বে অসমীয়া ভাষাত সম্প্ৰচাৰিত ধাৰাবাহিকত প্ৰায়ে কৌতুকপূৰ্ণ পৰিৱেশৰ সূচনা কৰিবলৈ বা হাস্যৰসৰ সৃষ্টি কৰিবলৈ পশ্চিম অসমৰ ঔপভাষিকৰূপৰ ব্যৱহাৰ হৈছিল। এনে উপস্থাপনক সমালোচনাত্মকভাৱে বিশ্লেষণ কৰি গৱেষকসকলে প্ৰভাৱশালী আখ্যানক প্ৰত্যাহ্বান জনাই এক অন্তৰ্ভুক্তিকৃত আৰু ন্যায্য চিত্ৰণৰ পোষকতা কৰিব পাৰে। এক অৰ্থত এই ধাৰণাকে ৱোডাক আৰু মেয়াৰ (Wodak and Meyer)এ Methods of Critical Discourse Analysis (2001) শীৰ্ষক গ্ৰন্থৰ মাজেৰে তুলি ধৰি সংবাদ মাধ্যমৰে প্ৰকাশিত ক্ষমতাৰ ধাৰণা সমালোচনাত্মক বাক্‌ধাৰা বিশ্লেষণৰ সহায়ত ব্যাখ্যা কৰাৰ ওপৰত গুৰুত্ব দিছিল। গণমাধ্যমৰ বাক্‌ধাৰাৰ দৰে ৰাজনৈতিক বাক্‌ধাৰাৰ মাজেৰে ৰাজনীতিবিদ আৰু প্ৰতিষ্ঠানসমূহে কৰ্তৃত্ব বজাই ৰাখি জনমতক প্ৰভাৱিত কৰিবলৈ কেনেকৈ ভাষা ব্যৱহাৰ কৰে সেয়া বিচাৰ কৰিবলৈ সমালোচনাত্মক দৃষ্টিভংগী ফলপ্ৰসূৰূপে আত্মপ্ৰকাশ কৰে। উদাহৰণস্বৰূপে, অনুপ্ৰৱেশ নীতিৰ বিষয়ে আলোচনা কৰিবলৈ ব্যৱহাৰ কৰা ভাষাই প্ৰব্ৰজনকাৰীসকলক ভাবুকি বা অৰ্থনৈতিক বোজা হিচাপে আখ্যায়িত কৰিব পাৰে। এনে আখ্যানে বিদেশীলোকৰ প্ৰতি সমাজত ঘৃণামূলক মনোভাৱক শক্তিশালী কৰি তুলিব পাৰে। সমালোচনাত্মক দৃষ্টিৰে এনে বাক্‌ধাৰাৰ ভাষিক বিন্যাসসমূহ চিনাক্তকৰণৰ দ্বাৰা ৰাজনৈতিক বাক্‌ধাৰাক অধিক নিৰপেক্ষভাৱে বিচাৰ কৰিব পাৰি। একেদৰে শিক্ষামূলক বাক্‌ধাৰা বিশেষকৈ লিখিত পাঠভিত্তিক শিক্ষণ-সামগ্ৰীকেন্দ্ৰিক বাক্‌ধাৰাৰ সমালোচনাত্মক বিশ্লেষণে সম্ভাব্য পক্ষপাতিত্ব আৰু ব্যৱধানসূচক দিশ উন্মোচন কৰি অধিক সমতাপূৰ্ণ আৰু অন্তৰ্ভুক্তিকৃত শিক্ষণ-সামগ্ৰী বা শিক্ষণ পদ্ধতিৰ পট তৈয়াৰ কৰিব পাৰে। সমান্তৰালভাৱে সামাজিক ন্যায় আন্দোলনত সমালোচনাত্মক দৃষ্টিয়ে অংশগ্ৰহণকাৰীসকলক বাক্‌ধাৰাৰ মাজেৰে আধিপত্যশীল মতাদৰ্শক প্ৰত্যাহ্বান জনাই পৰিৱৰ্তনৰ পোষকতা কৰাত অন্তৰ্দৃষ্টি প্ৰদান কৰে। লিংগ সমতা, বৰ্ণ আৰু মানৱ অধিকাৰৰ আন্দোলনত ভাষা এক শক্তিশালী আহিলা। সমালোচনাত্মক বাক্‌ধাৰা বিশ্লেষণ দৃষ্টিৰ সহায়ত ব্যক্তি বা গোটে প্ৰতিকূল আখ্যান প্ৰতিহত কৰি বিকল্প আখ্যান গঢ়িব পাৰে।

সামগ্ৰিকভাৱে বাক্‌ধাৰাৰ সমালোচনাত্মক দৃষ্টিয়ে ব্যক্তি বা সম্প্ৰদায়ক ভাষাৰ অন্তৰ্নিহিত আধিপত্যৰ গাঁথনি সম্পৰ্কে সচেতন কৰি ভাষাৰ সামাজিক প্ৰভাৱ আলোচনা

কৰিবলৈ এক শক্তিশালী বিশ্লেষণাত্মক আহিলা হিচাপে কাম কৰে। প্ৰভাৱশালী মতাদৰ্শক প্ৰত্যাহ্বান জনাই সমালোচনাত্মক বাক্‌ধাৰাই সামাজিক ন্যায়ক প্ৰসাৰিত কৰে, সমতাপূৰ্ণ সমাজৰ পোষকতা কৰে।

## ২.৫.৪ বাক্‌ধাৰা বিশ্লেষণৰ যোগাযোগমূলক দৃষ্টিভংগী

বক্তৃতা বিশ্লেষণৰ যোগাযোগমূলক দৃষ্টিভংগীয়ে ভাষাক এক গতিশীল সামাজিক প্ৰক্ৰিয়াৰূপে বিবেচনা কৰে। ভাষাক কিছুমান নিৰ্দিষ্ট নিয়মৰ এক ব্যৱস্থা হিচাপে বিশ্লেষণ কৰাৰ পৰিবৰ্তে এই দৃষ্টিভংগীয়ে কথোপকথনৰ জৰিয়তে মানুহে অৰ্থ গঢ়ি তোলা দিশটোক তুলি ধৰাৰ প্ৰয়াস কৰে। সাধাৰণতে বক্তা আৰু শ্ৰোতাই সক্ৰিয়ভাৱে কথোপকথনক গঢ় দিয়ালৈ লক্ষ্য কৰি এই দৃষ্টিভংগীয়ে যোগাযোগক সহযোগিতামূলক কাৰ্যকলাপৰূপে বিচাৰ কৰে। সেয়ে এই দৃষ্টিভংগীত কথোপকথনৰ বেলিকা পাল পতা, বিৰতি লোৱা, ভদ্ৰতাৰ নীতিৰ দৰে কথোপকথনৰ কৌশলসমূহ বিবেচনা কৰা হয়। বাক্‌ধাৰাৰ এই দৃষ্টিত ব্যক্তিবিশেষে কেনেকৈ কথোপকথনত লিপ্ত হয় আৰু কেনেকৈ কথোপকথনৰ দৰে যোগাযোগমূলক ক্ৰিয়াৰ মাজেৰে অৰ্থৰ সৃষ্টি কৰে তাৰ ওপৰত প্ৰধানকৈ গুৰুত্ব দিয়া হয়। সমাজভাষাবিজ্ঞান আৰু প্ৰসংগাৰ্থবিজ্ঞানৰ দৰে বিদ্যায়তনিক শাখাৰ আধাৰত গঢ় লোৱা এই দৃষ্টিভংগীয়ে সামাজিক সম্পৰ্ক আৰু সাংস্কৃতিক নীতি-নিয়মৰ ওপৰত ভিত্তি কৰি ভাষাৰ ব্যৱহাৰ ভিন্নতাকো অধ্যয়ন কৰে।

যোগাযোগমূলক দৃষ্টিভংগী পূৰ্ববৰ্তী আৰু সমসাময়িক একাধিক গৱেষকৰ গৱেষণাৰ দ্বাৰা সমৃদ্ধ হৈছিল। বিশেষকৈ ডেল হাইমছৰ ভাষা ব্যৱহাৰত সামাজিক প্ৰেক্ষাপটৰ ভূমিকাক স্বীকাৰ কৰা যোগাযোগৰ নৃতাত্ত্বিকতা (হাইমছ, ১৯৭৪) (Ethnography of Communication)-ৰ ধাৰণা, হাৰ্ভি চেকছ (১৯৯২) আৰু ইমানুৱেল শ্বেগলফ (২০০৭) প্ৰদত্ত কথোপকথন বিশ্লেষণ (Conversational Analysis)ৰ ধাৰণা, নৰ্মান ফেয়াৰক্ল' (১৯৮৯), টিউন এ ভান ডাইক (১৯৯৩) প্ৰদত্ত সমালোচনাত্মক বাক্‌ধাৰা বিশ্লেষণৰ ধাৰণা (Critical Discourse Analysis) আৰু জে. জে অষ্টিন, চাৰ্লে প্ৰদত্ত প্ৰসংগাৰ্থবিজ্ঞান (Pragmatics) (বিশেষকৈ বাক-কাৰ্য)ৰ ধাৰণাই যোগাযোগমূলক দৃষ্টিভংগী আধাৰ তৈয়াৰ কৰিছে। এনেধৰণৰ তাত্ত্বিক আধাৰসম্পন্ন যোগাযোগমূলক দৃষ্টিভংগীয়ে যোগাযোগক প্ৰভাৱিত কৰা বিস্তৃত সামাজিক আৰু সাংস্কৃতিক কাৰকসমূহ বুজিবলৈ প্ৰায়ে নৃতাত্ত্বিক পদ্ধতি অনুসৰণ কৰাৰ পোষকতা কৰে। এই বাক্‌ধাৰা বিশ্লেষণ পদ্ধতিত (ক) বাক্‌ধাৰাক গঢ় দিয়া প্ৰসংগভিত্তিক কাৰক (খ) বক্তাৰ উদ্দেশ্য আৰু সামাজিক ভূমিকা শ্চগগ্ন বাক্‌ধাৰাৰ মাজেৰে প্ৰতিপত্তি আৰু পৰিচয় নিৰ্মাণ আৰু শ্চঘগ্ন যোগাযোগত ব্যৱহৃত অৰ্থগত আৰু প্ৰসংগগত উপাদানসমূহৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰা হয়। এই বিশ্লেষণ পদ্ধতিত কথোপকথন বিশ্লেষণৰ পৰা আহৰিত পাল পতা, প্ৰসংগ নিৰ্ভৰশীলতা, বিৰতিৰ কৌশল, পুনৰুদ্ধাৰৰ কৌশল, ভদ্ৰতাৰ কৌশল, বাক-কাৰ্যৰ দৰে

ধাৰণাৰ সহায়তো যোগাযোগৰ অন্তৰালত ক্ৰিয়াশীল হৈ থকা ভাষা আৰু তাৰ মাজেৰে প্ৰেৰিত অৰ্থ অনুধাৱন কৰাৰ প্ৰয়াস কৰা হয়।

বাস্তৱ জগতত সম্পন্ন যোগাযোগ বুজিবলৈ বাক্‌ধাৰা বিশ্লেষণৰ যোগাযোগমূলক দৃষ্টিভংগী অতি গুৰুত্বপূৰ্ণ। সাধাৰণ কথোপকথনৰ পৰা আৰম্ভ কৰি পেছাদাৰী কথোপকথনলৈ ভিন্ন পৰিৱেশ-পৰিস্থিতিত সম্পন্ন কথোপকথন কিদৰে কাৰ্যশীল সেয়া বিশ্লেষণ কৰিবলৈ গৱেষকসকলক কথোপকথনমূলক দৃষ্টিভংগী গ্ৰহণ কৰে। বহুভাষিক আৰু বহুসংস্কৃতিৰ প্ৰেক্ষাপটত ভিন্ন ভাষাৰ নীতি-নিয়মে যোগাযোগক প্ৰভাৱিত কৰে বাবে এনে বিশিষ্টতাপূৰ্ণ কথোপকথনৰ বাক্‌ধাৰা বিশ্লেষণৰ বাবে যোগাযোগমূলক দৃষ্টিভংগী উপযোগী। বিশেষকৈ আন্তঃসাংস্কৃতিক যোগাযোগৰ বেলিকা সম্পন্ন কথোপকথনমূলক বাক্‌ধাৰাক বিশ্লেষণ কৰিবলৈ এই দৃষ্টিভংগীটো গুৰুত্বপূৰ্ণ হৈ পৰে।

বক্তৃতা বিশ্লেষণৰ যোগাযোগমূলক দৃষ্টিভংগীয়ে সামাজিক যোগাযোগত ভাষাই কিদৰে কৰ্মসম্পাদন কৰে সেই বিষয়ে বিস্তৃত আলোচনা কৰে। ই বিচ্ছিন্ন বাক্যৰ বাহিৰলৈ গৈ মানুহে কথা-বতৰাত অৰ্থৰ আলোচনা কেনেকৈ কৰে সেই বিষয়ে পৰীক্ষা কৰে। এই দৃষ্টিভংগীয়ে বাক্‌ধাৰাৰ আলোচকসকলক বহুভাষিক আৰু বহুসংস্কৃতিৰ পৰিৱেশত সম্পন্ন যোগাযোগৰ জটিলতাসমূহ বুজিবলৈ সহায় কৰে।

এতিয়ালৈ প্ৰাপ্ত বাক্‌ধাৰা বিশ্লেষণৰ মূল দৃষ্টিভংগীসমূহৰ মাজত তুলনা কৰিলে বিশ্লেষণৰ প্ৰকৃতি, উদ্দেশ্য, বিচাৰ পদ্ধতি, তথ্যৰ উৎস, প্ৰয়োগ ক্ষেত্ৰ আদিৰ পৰা কেতবোৰ পাৰ্থক্য পৰিলক্ষিত হয়। তলত এখন তালিকাৰে বাক্‌ধাৰা বিশ্লেষণৰ ভিন্ন দৃষ্টিভংগীসমূহৰ তুলনা কৰা হ'ল।

| দৃষ্টিভংগী | ভাষা সম্পৰ্কীয় দৃষ্টি | মূল লক্ষ্যবিন্দু | বিশ্লেষণৰ প্ৰকৃতি | তথ্যৰ উৎস | প্ৰয়োগ ক্ষেত্ৰ |
|---|---|---|---|---|---|
| **গঠনবাদী বাক্‌ধাৰা বিশ্লেষণ** | ভাষিক চিহ্নৰ এক ব্যৱস্থা | ভাষিক গঠন আৰু বিন্যাস | আনুষ্ঠানিক, নিয়মভিত্তিক বিশ্লেষণ | লিখিত আৰু কথিত পাঠ | ভাষাৰ গাঁথনিক অধ্যয়ন, বাক্যতত্ত্ব, স্বাভাৱিক ভাষাৰ সংশ্লেষণ |
| **প্ৰয়োগবাদী বাক্‌ধাৰা বিশ্লেষণ** | সামাজিক যোগাযোগ আৰু অৰ্থ নিৰ্মাণৰ এক আহিলা | সামাজিক যোগাযোগ আৰু অৰ্থ নিৰ্মাণৰ আহিলা হিচাপে ভাষা | প্ৰসংগ-নিৰ্ভৰশীল, প্ৰায়োগিক বিশ্লেষণ | লিখিত আৰু কথিত পাঠ | শিক্ষা, প্ৰয়োগ ভাষাবিজ্ঞান, সমাজভাষাবিজ্ঞান |
| **সমালোচনাত্মক বাক্‌ধাৰা বিশ্লেষণ** | ক্ষমতা, প্ৰতিপত্তি আৰু মতাদৰ্শগত নিয়ন্ত্ৰণ সাব্যস্তকৰণৰ এক মাধ্যম | ক্ষমতা, প্ৰতিপত্তি মতাদৰ্শ, আৰু সামাজিক বৈষম্য | সমালোচনাত্মক আৰু ব্যাখ্যাত্মক | ৰাজনৈতিক ভাষণ, সংবাদ মাধ্যমৰ বাক্‌ধাৰা, কৰ্তৃত্বপূৰ্ণ পাঠ | সংবাদ মাধ্যম, ৰাজনীতি, আৰু সামাজিক ন্যায়ৰ গৱেষণা |
| **যোগাযোগমূলক বিশ্লেষণ** | অৰ্থ, পৰিচয় আৰু সম্পৰ্কৰ ধাৰণা প্ৰকাশক এক আহিলা | সামাজিক ভূমিকাসমূহৰ পাৰস্পৰিক ক্ৰিয়া-কলাপ আৰু আলোচনাত অৰ্থ নিৰ্মাণ | নৃতাত্ত্বিক, যোগাযোগভিত্তিক | মুখামুখি কথা-বতৰা, নৃতাত্ত্বিক সাক্ষাৎকাৰ, দলীয় কথোপকথন | আন্তঃব্যক্তিগত যোগাযোগ, পৰিচয়ৰ আলোচনা, সামাজিক যোগাযোগ সম্বন্ধীয় গৱেষণা |

এইদৰে বাক্‌ধাৰা বিশ্লেষণ একাধিক দৃষ্টিভংগীৰে এক সমৃদ্ধ আৰু বৈচিত্ৰময় ক্ষেত্ৰৰূপে প্ৰতিষ্ঠিত হৈছে। এই ভিন্নমাত্ৰিক দৃষ্টিভংগীসমূহে ভাষা ব্যৱহাৰৰ অন্তৰালৰ খবৰ দিয়ে। বাক্‌ধাৰা বিশ্লেষণৰ গঠনবাদী দৃষ্টিয়ে ভাষাৰ গাঁথনিক বিন্যাসৰ আলোচনা কৰে, প্ৰয়োগবাদী দৃষ্টিভংগীয়ে অৰ্থ-নিৰ্মাণৰ ওপৰত গুৰুত্ব আৰোপ কৰে, সমালোচনাত্মক বক্তৃতা বিশ্লেষণে ক্ষমতাৰ সম্পৰ্ক অন্বেষণ কৰে আৰু যোগাযোগমূলক দৃষ্টিভংগীয়ে কথোপকথনত ব্যৱহৃত ভাষাৰ অধ্যয়ন কৰে। এই দৃষ্টিভংগীসমূহে সামগ্ৰিকভাৱে বাক্‌ধাৰাৰ বিশ্লেষণৰ পৰিসৰ বহলাই বাক্‌ধাৰাৰ এক ব্যাপক ধাৰণা প্ৰদান কৰি ভিন ভিন শৈক্ষিক আৰু পেছাদাৰী ক্ষেত্ৰত বাক্‌ধাৰা বিশ্লেষণ এক অপৰিহাৰ্য আহিলা হৈ পৰিছে।

## ২.৬ সাৰাংশ (Summing Up)

বাক্যৰ পৰিধিৰ বাহিৰত ভাষাই সামাজিক, সাংস্কৃতিক আৰু ঐতিহাসিক প্ৰেক্ষাপটত অৰ্থ গঢ়া সম্পৰ্কে অধ্যয়ন কৰা আন্তঃবিষয়িক ক্ষেত্ৰখনেই বাক্‌ধাৰা বিশ্লেষণ। ভাষাবিজ্ঞানৰ ভিন ভিন পৰম্পৰাই ভাষাক ভিন ভিন দৃষ্টিৰে ব্যাখ্যায়িত হোৱাৰ সমান্তৰালভাৱে বাক্‌ধাৰা বিশ্লেষণো একাধিক তাত্ত্বিক আৰ্হিক জৰিয়তে বিকশিত হৈছে। প্ৰত্যেটো দৃষ্টিভংগীয়ে বাক্‌ধাৰাৰ ভিন ভিন মাত্ৰাক তুলি ধৰে। প্ৰত্যেকটো দৃষ্টিভংগীয়ে ভাষাক ভিন দৃষ্টিকোণেৰে বিচাৰ কৰে। প্ৰত্যেকটো দৃষ্টিভংগীৰে বিশ্লেষণৰ প্ৰকৃতি ভিন্ন। প্ৰত্যেকটো দৃষ্টিভংগীয়ে ভিন ভিন প্ৰকৃতিৰ তথ্যক বিশ্লেষণৰ বাবে গ্ৰহণ কৰে। একেদৰে প্ৰত্যেকটো বিশ্লেষণ পদ্ধতিয়ে ভিন ভিন কাৰ্যক্ষেত্ৰত প্ৰাসংগিকৰূপে ধৰা দিয়ে। বাক্‌ধাৰা বিশ্লেষণৰ ভিন্ন দৃষ্টিভংগীৰ ভিতৰত গঠনবাদী দৃষ্টিভংগী, প্ৰয়োগবাদী দৃষ্টিভংগী, সমালোচনাত্মক বিশ্লেষণৰ দৃষ্টিভংগী আৰু যোগাযোগমূলক দৃষ্টিভংগী প্ৰধান। এক বিদ্যায়তনিক ক্ষেত্ৰৰূপে বাক্‌ধাৰা বিশ্লেষণৰ আৰম্ভণি বিংশ শতিকাৰ দ্বিতীয়াৰ্ধত হয়। শতিকাটোৰ মাজভাগত জেলিগ হেৰিছে (১৯৫২) পাঠৰ আৰ্হি অধ্যয়ন কৰি বক্তৃতা বিশ্লেষণৰ প্ৰাৰম্ভিক ৰূপ বিকশিত কৰি গাইগুটীয়া বাক্যৰ সীমা অতিক্ৰমি ভাষাৰ গঠনৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। হেৰিছৰ বাক্‌ধাৰা বিশ্লেষণৰ গঠনবাদী দৃষ্টিভংগীক ফাৰ্ডিনাণ্ড ডি চাছুৰৰ (১৯১৬) ভাষাৰ গাঁথনিবাদী দৃষ্টিভংগীয়ে প্ৰভাৱান্বিত কৰিছিল। পিছলৈ নোয়াম চমস্কিৰ (১৯৫৭) ৰূপান্তৰ উৎপাদক ব্যাকৰণৰ ধাৰণায়ো বাক্‌ধাৰা বিশ্লেষণৰ গঠনবাদী দৃষ্টিভংগীক প্ৰভাৱিত কৰে। বিংশ শতিকাৰ শেষৰ ফালে কৰ্পাছ ভাষাবিজ্ঞানৰ বিকাশে বাক্‌ধাৰাৰ বৃহৎ পৰিসৰৰ তথ্যৰ বিশ্লেষণ সক্ষম কৰি গাঁথনিগত দৃষ্টিভংগীক আৰু অধিক আগুৱাই লৈ যায়। বিংশ শতিকাৰে সত্তৰৰ দশকত মাইকেল হেলিডেই (১৯৭৮) প্ৰণালীবদ্ধ প্ৰায়োগিক ভাষাবিজ্ঞান (systemic functional linguistics বা SFL)ত আৰম্ভ কৰা প্ৰায়োগিক দৃষ্টিভংগীয়ে যোগাযোগমূলক কাৰ্যত ভাষাৰ ভূমিকাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। এই পদ্ধতিয়ে ভাষিক বাছনি আৰু সামাজিক প্ৰসংগৰ মাজৰ সম্পৰ্কক চিত্ৰিত কৰি বক্তৃতাই কেনেকৈ ধাৰণাগত, আন্তঃব্যক্তিগত আৰু পাঠগত প্ৰকাৰ্য্য সাধন কৰে তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এনে বৈশিষ্ট্যপূৰ্ণ বাক্‌ধাৰা

বিশ্লেষণৰ প্ৰয়োগবাদী দৃষ্টিভংগীক শিক্ষা, সংবাদ মাধ্যমৰ অধ্যয়ন, ৰাজনৈতিক যোগাযোগৰ দৰে ক্ষেত্ৰত সঘনাই প্ৰয়োগ কৰা হয়। নৰ্মান ফেয়াৰক্লু' (১৯৯৫), টিউন এ ভান ডাইক (২০০৮), আৰু ৰুথ ৱ'ডাক (২০০৯)ৰ দৰে গৱেষকে বিকশিত কৰা সমালোচনাত্মক বাক্‌ধাৰা বিশ্লেষণ (CDA)-এ ভাষা, ক্ষমতা আৰু মতাদৰ্শৰ মাজৰ সম্পৰ্ক অধ্যয়ন কৰে। সমালোচনাত্মক বাক্‌ধাৰা বিশ্লেষণে ৰাজনৈতিক ভাষণ, সংবাদ মাধ্যমৰ আখ্যান আৰু কৰ্তৃত্বপূৰ্ণ যোগাযোগত বাক্‌ধাৰাই সামাজিক বৈষম্য কেনেকৈ গঢ় দিয়ে আৰু শক্তিশালী কৰে তাৰ অনুসন্ধান কৰে। ভাষাত নিহিত ক্ষমতাৰ গাঁথনি বিশ্লেষণ কৰি সমালোচনাত্মক বাক্‌ধাৰা বিশ্লেষণে বাক্‌ধাৰাৰ মাজেৰে প্ৰভাৱশালী মতাদৰ্শসমূহক বজাই ৰখাৰ সমান্তৰালভাৱে কিদৰে প্ৰত্যাহ্বান জনোৱা হয় সেই বিষয়ে আলোকপাত কৰে। নৃতাত্ত্বিক পদ্ধতি আৰু কথোপকথন বিশ্লেষণৰ দ্বাৰা প্ৰভাৱিত বাক্‌ধাৰা বিশ্লেষণৰ যোগাযোগমূলক দৃষ্টিভংগীয়ে কথিত বাক্‌ধাৰা আৰু দৈনন্দিন যোগাযোগৰ ওপৰত গুৰুত্ব আৰোপ কৰে। হাৰ্ভি চেকছ (১৯৯২) আৰু ইমানুৱেল শ্বেগলফ (২০০৭)ৰ দৰে গৱেষকসকলে কথোপকথনত পাল পতা, সংলগ্ন যোৰ, বাক-কাৰ্যৰ বিশ্লেষণ কৰি সামাজিক যোগাযোগসমূহৰ গঠনৰ আলোচনা কৰিছিল। কৰ্তৃত্বপূৰ্ণ বাক্‌ধাৰা, গ্ৰাহক সেৱাৰ যোগাযোগ আৰু স্বাস্থ্যসেৱা যোগাযোগৰ অধ্যয়ন কাৰ্যত এই দৃষ্টিভংগীৰ ব্যাপক প্ৰয়োগ পৰিলক্ষিত হয়।

সামগ্ৰিকভাৱে বাক্‌ধাৰা বিশ্লেষণে একাধিক মাত্ৰাত ভাষা অধ্যয়নৰ বাবে এক বিস্তৃত পৰিকাঠামো প্ৰদান কৰে। গঠনবাদী, প্ৰয়োগবাদী, সমালোচনাত্মক আৰু যোগাযোগমূলক বাক্‌ধাৰা বিশ্লেষণ পদ্ধতিসমূহে সামূহিকভাৱে বিভিন্ন প্ৰসংগত সম্পন্ন যোগাযোগৰ গতিশীল প্ৰকৃতিৰ মূল্যৱান অন্তৰ্দৃষ্টি প্ৰদান কৰে।

## ২.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১। বাক্‌ধাৰা বিশ্লেষণৰ ইতিহাস সম্পৰ্কে এটা প্ৰবন্ধ যুগুত কৰা।

২। কি কি ক্ষেত্ৰত বাক্‌ধাৰা বিশ্লেষণ অধ্যয়ন পদ্ধতি ব্যৱহাৰ হয় ?

১। বাক্‌ধাৰা বিশ্লেষণৰ গঠনবাদী দৃষ্টিভংগীয়ে বাক্‌ধাৰাৰ গঠন সম্পৰ্কে কিদৰে আলোচনা কৰে?

৪। বাক্‌ধাৰা বিশ্লেষণৰ প্ৰয়োগবাদী দৃষ্টিভংগীয়ে বাক্‌ধাৰাৰ কোনবোৰ দিশক সামৰে।

৫। বাক্‌ধাৰা বিশ্লেষণৰ সমালোচকাত্মক দৃষ্টিভংগী সম্পৰ্কে এটা টোকা প্ৰস্তুত কৰা।

৬। বাক্‌ধাৰা বিশ্লেষণৰ ভিন্ন দৃষ্টিভংগীৰ মাজত কেনেধৰণৰ পাৰ্থক্য লক্ষ্য কৰিব পাৰি আলোচনা কৰা।

## ২.৮ গ্রন্থপঞ্জী (Reference/Suggested Readings)


Blommaert, Jan. *Discourse: A Critical Introduction.* Cambridge UP, 2005.

Brown, Penelope, and Stephen C. Levinson. *Politeness: Some Universals in Language Usage.* Cambridge UP, 1987.

Butler, Judith. *Gender Trouble: Feminism and the Subversion of Identity.* Routledge, 1990.

Chomsky, Noam. *Aspects of the Theory of Syntax.* MIT Press, 1965.

—. *Syntactic Structures.* Mouton, 1957.

Eggins, Suzanne. *An Introduction to Systemic Functional Linguistics.* 2nd ed., Continuum, 2004.

Fairclough, Norman. *Critical Discourse Analysis: The Critical Study of Language.* Longman, 1995.

—. *Discourse and Social Change.* Polity Press, 1992.

—. *Language and Power.* Longman, 1989.

Gee, James Paul. *An Introduction to Discourse Analysis: Theory and Method.* 5th ed., Routledge, 2018.

Gramsci, Antonio. *Selections from the Prison Notebooks.* Edited and translated by Quintin Hoare and Geoffrey Nowell Smith, International Publishers, 1971.

Gumperz, John. *Discourse Strategies.* Cambridge UP, 1982.

Halliday, M. A. K. *An Introduction to Functional Grammar.* 3rd ed., edited by Christian M. I. M. Matthiessen, Hodder Arnold, 2004.

—. *Language as Social Semiotic: The Social Interpretation of Language and Meaning.* Edward Arnold, 1978.

Harris, Zellig. "Discourse Analysis." *Language*, vol. 28, no. 1, 1952, pp. 1-30.

Hymes, Dell. *Foundations in Sociolinguistics: An Ethnographic Approach.* U of Pennsylvania P, 1974.

Jakobson, Roman. *Language in Literature.* Harvard UP, 1987.

—. "Closing Statement: Linguistics and Poetics." *Style in Language*, edited by T. A. Sebeok, MIT Press, 1960, pp. 350-377.

Johnstone, Barbara. *Discourse Analysis.* 3rd ed., Wiley-Blackwell, 2018.

Sacks, Harvey, Emanuel A. Schegloff, and Gail Jefferson. "A Simplest Systematics for the Organization of Turn-Taking for Conversation." *Language*, vol. 50, no. 4, 1974, pp. 696–735.

Saussure, Ferdinand de. *Course in General Linguistics.* Edited by Charles Bally and Albert Sechehaye, translated by Wade Baskin, McGraw-Hill, 1916.

Schegloff, Emanuel A. *Sequence Organization in Interaction: A Primer in Conversation Analysis.* Cambridge UP, 2007.

Schiffrin, Deborah, Deborah Tannen, and Heidi E. Hamilton, editors. *The Handbook of Discourse Analysis.* Blackwell, 2001.

Stubbs, Michael. *Discourse Analysis: The Sociolinguistic Analysis of Natural Language.* Blackwell, 1983.

Swales, John. *Genre Analysis: English in Academic and Research Settings.* Cambridge UP, 1990.

van Dijk, Teun A. *Discourse and Context: A Sociocognitive Approach.* Cambridge UP, 2008.

—. *Discourse and Power.* Palgrave Macmillan, 2008.

—. "Principles of Critical Discourse Analysis." *Discourse & Society*, vol. 4, no. 2, 1993, pp. 249–283.

Wodak, Ruth. *Methods of Critical Discourse Analysis.* Sage, 2001.

Wodak, Ruth, and Michael Meyer, editors. *Methods of Critical Discourse Analysis.* 2nd ed., Sage, 2009.

Woolard, Kathryn A. "Language Ideology as a Field of Inquiry." *Language in Society*, vol. 27, no. 1, 1998, pp. 3–47.

*****

## তৃতীয় বিভাগ
## কথন বিশ্লেষণ

**বিভাগৰ গঠনঃ**

৩.১ ভূমিকা (Introduction)
৩.২ উদ্দেশ্য (Objectives)
৩.৩ কথনৰ প্ৰাথমিক ধাৰণা
৩.৪ কথন বিশ্লেষণৰ সংজ্ঞা আৰু ইতিহাস
৩.৫ কথন বিশ্লেষণৰ স্তৰ
৩.৬ কথন বিশ্লেষণৰ উপাদান
৩.৭ সামৰণি
৩.৮ সাৰাংশ (Summing Up)
৩.৯ আৰ্হি প্ৰশ্ন (Sample Questions)
৩.১০ প্ৰসংগগ্ৰন্থ (References/Suggested Readings)

### ৩.১ ভূমিকা (Introduction)

বিভিন্ন মাধ্যম আৰু সাংস্কৃতিক প্ৰেক্ষাপটত কথনক গঠন, প্ৰকাৰ্য আৰু প্ৰভাৱৰ দিশৰ পৰা পদ্ধতিগত অধ্যয়নৰ বিদ্যায়তনিক শাখাকে কথন বিশ্লেষণ বুলি অভিহিত কৰা হয়। কথনৰ প্ৰকৃতি, গঠন আৰু দৰ্শক বা শ্ৰোতাই কথনক কিদৰে গ্ৰহণৰ ধৰণ কৰি অৰ্থ আৰু সাংস্কৃতিক পৰিচয় গঢ়ি তোলে সেয়া কথন বিশ্লেষণৰ অধ্যয়নৰ বিষয়। সাহিত্য তত্ত্ব, ভাষাবিজ্ঞান আৰু চিহ্নবিজ্ঞানৰ ধাৰণাৰ সংযোগত আত্মপ্ৰকাশ কৰা কথন বিশ্লেষণে ভিন্ন মাধ্যমৰ কাহিনী-কথন যেনেঃ পৰম্পৰাগত মাধ্যম (সাহিত্য গ্ৰন্থ, আলোচনী, বাতৰি-কাকত), ডিজিটেল মাধ্যম, ইতিহাস আনকি জ্ঞানমূলক বিজ্ঞান আদিৰ অন্বেষণ কৰি কথন বিশ্লেষণ এক বহুমুখী বিদ্যায়তনিক শাখালৈ বিকশিত হৈছে। বিদ্যায়তনিক ক্ষেত্ৰৰূপে বিংশ শতিকাত আত্মপ্ৰকাশ কৰিলেও কথন বিশ্লেষণৰ গুৰি বিচাৰিলে প্ৰাচীন অলংকাৰ শাস্ত্ৰ আৰু দৰ্শনত বিশেষকৈ এৰিষ্টটলৰ কাব্যতত্ত্ব (Poetics)ত ইয়াৰ উকমুকনি দেখা যায়। এৰিষ্টটলে কাব্যতত্ত্বত নাটকীয় কথনৰ গাঁথনিগত উপাদানসমূহ বিশ্লেষণৰ ধাৰণা আগবঢ়াইছিল। প্ৰাচীন আলংকাৰিকসকলে আগবঢ়োৱা এনে মৌলিক ধাৰণাসমূহক ভিত্তি কৰিয়ে বিংশ শতিকাত ভাষা বিশ্লেষণৰ গাঁথনিবাদী দৃষ্টিভংগীৰ সৃষ্টি হৈছে। সময়ৰ লগে লগে উত্তৰ-গাঁথনিবাদৰ দৰে নতুন ধাৰণাই কথন বিশ্লেষণক সমৃদ্ধ কৰিছে। একেদৰে জ্ঞানমূলক বিজ্ঞান আৰু ডিজিটেল মাধ্যমৰ উত্থানৰ লগে লগে কথন বিশ্লেষণে সাহিত্যিক পাঠৰ পৰিধি অতিক্ৰম কৰি চলচ্চিত্ৰ, ভিডিঅ' গেম আৰু সামাজিক আখ্যানকো অধ্যয়নৰ বিষয়বস্তু হিচাপে গ্ৰহণ কৰিছে। ইয়াত কথন বিশ্লেষণৰ ঐতিহাসিক বিকাশ, মূল তাত্ত্বিক দৃষ্টিভংগী, পদ্ধতি আৰু সমসাময়িক প্ৰয়োগৰ সন্ধান কৰি কথন বিশ্লেষণৰ বিশদ বিশ্লেষণ আগবঢ়োৱা হৈছে।

### ৩.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়নৰ পাছত আপোনালোকে—

- কথনৰ সংজ্ঞা, বৈশিষ্টগুচ্ছ আৰু উপাদান সম্পৰ্কে জানিব পাৰিব,
- কথন বিশ্লেষণৰ সংজ্ঞা আৰু ইতিহাস সম্পৰ্কে জানিব পাৰিব,
- কথন বিশ্লেষণৰ স্তৰ সম্পৰ্কে জানিব পাৰিব,
- কথন বিশ্লেষণৰ উপাদান সম্পৰ্কে জানিব পাৰিব।

### ৩.৩ কথনৰ প্ৰাথমিক ধাৰণাঃ

কথন হৈছে কথন বিশ্লেষণ (Narratology)-অৰ এক গুৰুত্বপূৰ্ণ ধাৰণা। এই শব্দটোৱে বহু প্ৰকাৰৰ শৈলী বা শাখাক বুজাব পাৰে। বাৰ্থছে (Barthes, 1977) কৈছে যে "পৃথিৱীৰ কথন সংখ্যা সীমাহীন।" (20)। আন বহু বিদ্বানে এই মত সমৰ্থন কৰে। উদাহৰণস্বৰূপে এই প্ৰসংগত ফ্লুডাৰ্নিক (Fludernik, 2006)ৰ নাম ল'ব পাৰি। ফ্লুডাৰনিকে কথন সম্পৰ্কে গৈ "আমাৰ চাৰিওফালে কথন আছে" (1) বুলি স্বীকাৰ কৰিছিল। সাধাৰণতে কথন বুলি ক'লে তাৎক্ষণিকভাৱে মনলৈ চুটিগল্প বা উপন্যাসৰ দৰে সাহিত্যিক ৰচনাৰ ধাৰণা আহে। কিন্তু ফ্লুডাৰ্নিকে কথনৰ ইংৰাজী প্ৰতিশব্দৰ প্ৰসংগত কৈছিল যে 'Narrative' শব্দটো বুৎপত্তিগতভাৱে 'narrate' ক্ৰিয়াপদৰ সৈতেহে জড়িত। সেয়ে কথন কেৱল উপন্যাস বা ঐতিহাসিক লেখাতে সীমাবদ্ধ নহয় (1)। বৰং বৰ্ণনা কৰিব পৰা সকলো কথাই একপ্ৰকাৰে কথন। ফ্লুডাৰনিকৰ মতে ব্যক্তিবিশেষে যেতিয়াই অৰ্থপূৰ্ণ কথা কয়, তেতিয়াই কথনে ভুমুকি মাৰে। ৰেডিঅ'ত বাতৰি পৰিৱেশকে বাতৰি পঢ়া, খেলপথাৰত বন্ধু-বান্ধৱীৰ মাজত হোৱা কথা-বতৰা, ৰে'লৰ সহযাত্ৰীৰ মাজৰ কথোপকথন, বাতৰি কাকতৰ স্তম্ভলেখকৰ ৰচনা, শ্ৰেণীকোঠাত শিক্ষকে নিৰ্দেশনা আদি কথনৰ অন্তৰ্ভুক্ত। লগতে ফ্লুডাৰনিকে কমেডিয়ান আৰু প্ৰেছ বিষয়াৰ দৰে পেছাদাৰী কথনকো এই ধাৰণাৰ অন্তৰ্ভুক্ত কৰিছে। (1) ফ্লুডাৰনিকে আগবঢ়োৱা কথনৰ সংজ্ঞাকে বিস্তাৰিত কৰি নেছ (Nash, 1994)-এ উল্লেখ কৰিছে যে সমাজ আৰু সামাজিক অভিজ্ঞতাৰ প্ৰায় প্ৰতিটো অংশতে কথনৰ নিদৰ্শন দেখা যায়। তেওঁৰ মতে কথন কেৱল সাহিত্যতে সীমাবদ্ধ নহয়। ব্যক্তিগত স্মৃতি, ঐতিহাসিক নথি, পাঠ্যপুথি, বৈজ্ঞানিক ব্যাখ্যা, ৰাজনৈতিক ভাষণ, দৈনন্দিন কথা-বতৰা আদিতো কথন উপলব্ধ। (xi) এই সংজ্ঞাবোৰৰ পৰা অনুমান কৰিব পাৰি যে মানৱ অভিজ্ঞতা বহিৰ্প্ৰকাশৰ প্ৰায় সকলোতে কথন লক্ষ্য কৰা যায়। কথনত ভিন্ন ধৰণৰ প্ৰকাশভংগী সন্নিবিষ্ট কৰা হৈছে। অৱশ্যে কিছুমান গৱেষকে কথনক অধিক সংকীৰ্ণৰূপত সংজ্ঞায়িত কৰে। এবট (Abbott, 2002)-এ এই প্ৰসংগত কৈছে যে জেনেট (Genette, 1980), প্ৰিন্স (Prince, 1987), চেটমেন (Chatman, 1978)ৰ দৰে কথনৰ আলোচকসকলে কাহিনী কোৱাকে এক প্ৰকাৰে কথন বুলি অভিহিত কৰে। এই দৃষ্টিভংগীত এজন কথকে দৰ্শক বা পাঠকক কিবা এটা কাহিনী কয়। কথন হ'বলৈ হ'লে কথকৰ উপস্থিতি বাধ্যতামূলক। এইসকল লোকৰ কথনৰ সংজ্ঞাত দৃশ্যগত বা সংগীতিক কাহিনী

কথনক বিচাৰ কৰাৰ সলনি কেৱল কথিত বা লিখিত ভাষাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। কথনৰ পৰিসীমাক বিস্তাৰিত কৰি টুলান (Toolan, 2001)-এ কথনক অৰ্থপূৰ্ণভাৱে সংযুক্ত হৈ থকা এক শৃংখলাবদ্ধ পৰিঘটনা বুলি সংজ্ঞায়িত কৰিছে। টুলানৰ মতে কথনে মানুহক আন মানুহ বা আন জ্ঞানসম্পন্ন জীৱৰ অভিজ্ঞতাৰ পৰা শিকিবলৈ সহায় কৰে। (2) তেওঁৰ বাবে কথনত উল্লিখিত পৰিঘটনাৰ ক্ৰম কথনৰ এটা মূল বৈশিষ্ট্য।

কথন সম্পৰ্কে এতিয়ালৈ আলোচিত ভিন্ন সংজ্ঞাৰ পৰা সামগ্ৰিকভাৱে কথন সম্পৰ্কে ক'ব পাৰি যে- অৰ্থপূৰ্ণ ক্ৰমানুসাৰে সংযোজিত ঘটনা, অভিজ্ঞতা বা ধাৰণাসমূহৰ এক সংগঠিত উপস্থাপনে হৈছে কথন। কথন সাহিত্য, মৌখিক কাহিনী, ঐতিহাসিক নথিপত্ৰ, বৈজ্ঞানিক ব্যাখ্যা, ৰাজনৈতিক ভাষণ আৰু দৈনন্দিন কথোপকথন আদি ভিন্ন ৰূপত বিদ্যমান। কিছুমান গৱেষকে কথনক কথক আৰু শ্ৰোতাসকলৰ উপস্থিতিৰ সৈতে সংযুক্ত কৰে। আন কিছু গৱেষকে মৌখিক, লিখিত, দৃশ্যগত বা অন্য যিকোনো মাধ্যমৰ দ্বাৰা প্ৰসাৰিত যিকোনো কথনকাৰ্যকে কথন বুলি গণ্য কৰে। ব্যক্তিবিশেষে অভিজ্ঞতাক অনুধাৱন কৰি তাৰ পৰা শিকিব পৰাকৈ তথ্য সংগঠিত কৰাৰ ক্ষমতাই কথনৰ এক প্ৰধান বৈশিষ্ট্য। অৱশ্যে কথনৰ এয়ে একমাত্ৰ বৈশিষ্ট্য নহয়। টুলান (Toolan, 2001)-এ কথনৰ আন কেতবোৰ মুখ্য বৈশিষ্ট্যৰ কথা উল্লেখ কৰিছিল। এই বৈশিষ্ট্যবোৰ এনেধৰণৰ-

ক) কথনত কিছু পৰিমাণে কৃত্ৰিমতা বা একধৰণৰ নিৰ্মিতি লক্ষ্য কৰা যায়।

খ) কথনক আগতীয়াকৈ তৈয়াৰ কৰা হয়।

গ) কথনৰ এটা "গতি" থাকে, অৰ্থাৎ ইয়াৰ আৰম্ভণি, মধ্যভাগ আৰু সমাপ্তি থাকে।

ঘ) কথনত এক "কথক" থাকে। অৱশ্যে এই কথক উহ্য হৈয়ো থাকিব পাৰে।

ঙ) কথনত "স্থানচ্যুতি" (displacement) থাকিব পাৰে, অৰ্থাৎ কোৱা বা শুনা মানুহজনৰ পৰা দূৰত থকা বা অতীত-ভৱিষ্যতৰ ঘটনা বা বস্তুৰ বৰ্ণনা কৰিব পাৰে।

চ) কথনত অতীত ঘটনাৰ একধৰণৰ "স্মৰণ" থাকে (Toolan 4-5)।

ষ্টাৰ্ণবাৰ্গ (Sternberg)এ কথনৰ আন এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্যৰূপে 'অনুক্ৰমিকতা' (sequentiality)ৰ উল্লেখ কৰিছে। অনুক্ৰমিকতাক সংজ্ঞায়িত কৰি তেওঁ কৈছে "the play of suspense, curiosity, and surprise between represented and communicative time." (637) অৰ্থাৎ কথনে এনে এটা সময়ৰ ধাৰা সৃষ্টি কৰে, যিয়ে পাঠকক আকৰ্ষণ কৰে। তেওঁৰ মতে, বিৱৰণাত্মক বা ব্যাখ্যামূলক লিখনৰ দৰে বৰ্ণনাবিহীন পাঠবোৰত এই বৈশিষ্টত্ৰয় নাথাকে। এনে লেখাসমূহে কেৱল তথ্য প্ৰদান কৰে। দৰ্শক বা পাঠকৰ মনোযোগ এনে পাঠত ৰক্ষিত নহয়। ইয়াৰ বিপৰীতে কথনমূলক পাঠে সময়ৰ বিশেষ ব্যৱহাৰৰ যোগে উৎসুক্য, কৌতূহল আৰু আচৰিত ভাৱৰ সৃষ্টি কৰি দৰ্শক বা পাঠকক সংযুক্ত কৰি ৰাখিবলৈ প্ৰয়াস কৰে।

কথনৰ আন এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হৈছে ঘটনাবোৰৰ মাজৰ কাৰ্য-কাৰণ বা ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ সংযোগ। বহুতো গৱেষকে কোনো পাঠ কথনৰূপে বিবেচিত হ'বলৈ এনে সংযোগৰ জ্ঞান আটাইতকৈ প্ৰয়োজনীয় বুলি অভিহিত কৰিছে। (Richardson 106; White, 1981; Bal, 1997; Bordwell, 1985; Rabinowitz, 1987)।

এনেধৰণৰ বিশিষ্টতাসম্পন্ন কথন স্বাভাৱিকতে বিভিন্ন প্ৰকাৰৰ আৰু বহুমুখী। পৃথিৱীত কথনৰ অগণন ৰূপ আছে। প্ৰায় সকলো বস্তুকে কথনৰ দ্বাৰা প্ৰকাশ কৰিব পাৰি। কথনৰ মাধ্যমসমূহ বৈচিত্ৰ্যসম্পন্ন। প্ৰত্যেকটো মাধ্যম আকৌ বিভিন্ন মাধ্যমলৈ শাখা-প্ৰশাখাযুক্ত। কথন মৌখিক বা লিখিত ৰূপত ভাষাৰ জৰিয়তে প্ৰকাশ পায়। চিত্ৰ, অঙ্গী-ভংগী বা বিভিন্ন মাধ্যমৰ সংমিশ্ৰণৰ জৰিয়তেও কথনে ভুমুকি মাৰে। কিম্বদন্তী, পুৰাকথা, সাধুকথা, আখ্যান, মালিতা, আৰু কাহিনীতো কথনৰ উপস্থিতি লক্ষ্য কৰা যায়। একেদৰে ইতিহাস, নাটক, লোকনাট্য আৰু একক অভিনয়তো কথন নিহিত হৈ থাকে। সমান্তৰালভাৱে ব্যাখ্যাধৰ্মী চিত্ৰকলা, কাৰুকলা, চিনেমা, বাতৰি, আৰু দৈনন্দিন কথোপকথনতো কথন পোৱা যায়। ই সকলো ঠাইতে আৰু সকলো সময়ত বিদ্যমান। মানুহৰ ইতিহাসৰ লগে লগে কথনৰ আৰম্ভ হৈছে বুলি ক'লেও অত্যুক্তি কৰা নহ'ব।

**অগ্ৰগতিৰ খতিয়ান**

কথনৰ বৈশিষ্ট্যবোৰ কি কি ?

................................................................................................................

................................................................................................................

................................................................................................................

................................................................................................................

### ৩.৪ কথন বিশ্লেষণৰ সংজ্ঞা আৰু ইতিহাস

ফ্লুডাৰ্নিক (2006)ৰ মতে, ভিন্নমাত্ৰিক কথনৰ অধ্যয়নকে কথন বিশ্লেষণ (Narratology) বুলি জনা যায়। কথন বিশ্লেষণে কথনক এক শৈলীৰূপে অধ্যয়ন কৰে। কথনত উপলব্ধ সাধাৰণ গুণসমূহ, তাৰ ভিন্ন ৰূপ আৰু সংমিশ্ৰণসমূহৰ বৰ্ণনা কৰাই হৈছে কথন বিশ্লেষণৰ মুখ্য লক্ষ্য। কথনৰ গঠন, প্ৰকাৰ্য আৰু দৰ্শক বা পাঠকৰ ওপৰত পৰা কথনৰ প্ৰভাৱ অধ্যয়ন কৰিবলৈ কথন বিশ্লেষণে এক বিশ্লেষণাত্মক কাঠামো প্ৰদান কৰে।

পোনপ্ৰথমবাৰৰ বাবে টজভেটান ট'ড'ৰ'ভ (Tzvetan Todorov)এ 1969 চনত তেওঁৰ গ্ৰন্থ Grammaire du Décameron ত Narratology শব্দটো ব্যৱহাৰ কৰিছিল।

এই অভিধাটোৰে তেওঁ কথনৰ বৈজ্ঞানিক অধ্যয়নৰ পোষকতা কৰিছিল। সাংস্কৃতিক বা ভাষিক পাৰ্থক্য নিৰ্বিশেষে সকলো কথনতেই এক অন্তৰ্নিহিত গাঁথনি থাকে বুলি কথন বিশ্লেষণে বিশ্বাস কৰে। এই বিশ্বাসেৰেই কথন বিশ্লেষণে কাহিনী ঘটনাৰ ক্ৰম আৰু বক্তৃতা কাহিনীটো কেনেকৈ উপস্থাপন কৰা হয় ৰ মাজত পাৰ্থক্যক স্বীকাৰ কৰি কথন সংগঠিত কৰা মৌলিক গাঁথনিসমূহ চিনাক্ত আৰু বিশ্লেষণ কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰে। টড'ৰভৰ দৰেই আন বহুতো গৱেষকে কথন বিশ্লেষণক সংজ্ঞায়িত কৰিব বিচাৰে। এওঁলোকেও মূলতঃ কথন বিশ্লেষণৰে কোনো বিশেষ কথনৰ অৰ্থ বা সৌন্দৰ্য্য মূল্যায়ন কৰাৰ সলনি কথনৰ গাঁথনিক বৈশিষ্ট্যসমূহ অধ্যয়ন কৰে। প্ৰিন্স (Prince, 1982) এ কথন বিশ্লেষণক "কথনৰ ৰূপ আৰু কাৰ্যপদ্ধতিৰ অধ্যয়ন" (7) বুলি সংজ্ঞায়িত কৰে। আনহাতে মেইষ্টাৰ (Meister 2009)-এ কথন বিশ্লেষণক কথনে প্ৰতিনিধিত্ব কৰা বিষয়ৰ যুক্তি, নীতি, আৰু অনুশীলনৰ অধ্যয়ন বুলি সংজ্ঞায়িত কৰি 'মানৱবিদ্যা শাখা' -ৰ অংশৰূপে অধ্যয়নৰ পোষকতা কৰিছিল। (Huhn, Meister, Pier, Schmid, & Schönert 329) কথন বিশ্লেষণৰ এনে বস্তুনিষ্ঠভাৱে কেৱল কথনক বিশ্লেষণ কৰাৰ যি আগ্ৰহ তাক সমালোচনা কৰি এচাম গৱেষকে কৈছিল যে কথনৰ গাঁথনিকতাৰ ওপৰত অধিক নিৰ্ভৰশীলতাই কথন বিশ্লেষণক ঠেক গণ্ডীতে আবদ্ধ কৰি গভীৰ আৰু প্ৰসাৰিত অন্তৰ্দৃষ্টিৰ পৰা বিমুখ কৰিব। এই চাম গৱেষকে কথন বিশ্লেষণৰ অধ্যয়ন ক্ষেত্ৰ প্ৰসাৰিত কৰাৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰে। এনে নতুন দৃষ্টিভংগীয়ে কথন বিশ্লেষণৰ অন্যান্য জ্ঞানশাখাৰ সৈতে সম্পৰ্ক স্থাপন কৰি কথন অধ্যয়নৰ প্ৰতি আগ্ৰহ দেখুৱায়। কথন বিশ্লেষণক সম্পৰ্কীয় এনে দৃষ্টিভংগীগত পাৰ্থক্যই কথন বিশ্লেষণ অধ্যয়নৰ দুটা সুকীয়া সম্প্ৰদায়ৰ সৃষ্টি কৰে। সেয়া হ'ল ক্ৰমে গাঁথনিবাদী কথন বিশ্লেষণ আৰু উত্তৰ-গাঁথনিবাদী কথন বিশ্লেষণ। গঠনবাদী পৰম্পৰাৰ দ্বাৰা প্ৰভাৱিত গাঁথনিবাদী কথন বিশ্লেষণে কথনৰ গাঁথনি নিয়ন্ত্ৰণ কৰা সাৰ্বিক নীতিসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আনহাতে উত্তৰ-গাঁথনিবাদী কথন বিশ্লেষণে কথনৰ এক নিৰ্দিষ্ট ধৰণৰ গাঁথনিক প্ৰত্যাহ্বান জনাই কথনৰ অৰ্থ গঠনত পাঠকৰ ভূমিকাক গুৰুত্ব দিয়ে। উত্তৰ-গাঁথনিবাদী দৃষ্টিৰে কথন বিশ্লেষণ সম্পৰ্কে ক'বলৈ গৈ আমেৰিকাৰ তাত্ত্বিক জেৰাল্ড প্ৰিন্স (Gerald Prince, 1982) এ সকলো কথনৰ উমৈহতীয়া বৈশিষ্ট্যৰ লগতে কথনত পাৰ্থক্য সৃষ্টি কৰা উপাদানৰ আলোচনা কথন বিশ্লেষণে কৰে বুলি স্বীকাৰ কৰে। প্ৰিন্সৰ কথন বিশ্লেষণ সম্পৰ্কীয় ধাৰণাই এক বিশেষ দিশক তুলি ধৰে। তেওঁৰ কথন বিশ্লেষণৰ আলোচনা কৰোঁতে কোনো এক বিশেষ উপন্যাস বা গল্পৰ কথা কোৱা নাই। একেদৰে তেওঁ কোনো এক নিৰ্দিষ্ট কথনৰ অৰ্থ বা কলাত্মক মূল্যও বিচাৰ নকৰে। বৰঞ্চ ই কথনৰ গঠন আৰু চৰিত্ৰ ব্যাখ্যা কৰি কথনক অন্যান্য সংকেত প্ৰণালীৰ পৰা পৃথক কৰা মৌলিক বৈশিষ্ট্যসমূহ অধ্যয়ন কৰে।

যদিও কথন বিশ্লেষণৰ ইংৰাজী অভিধাটো নতুন, কিন্তু কথনৰ অধ্যয়ন বহু আগৰে পৰা চলি আহিছে। বিশেষকৈ প্লেটো আৰু এৰিষ্ট'ট'লৰ সময়ৰ পৰাই কথনৰ

প্ৰাথমিক অধ্যয়ন চলি আহিছে। বিংশ শতিকাৰ আৰম্ভণিতে ভ্লাদিমিৰ প্ৰপ (Vladimir Propp) আৰু ভিক্টৰ শ্বক্ল'ভস্কি (Viktor Shklovsky)-অৰ দৰে ৰাছিয়ান আনুষ্ঠানিকতাবাদীসকলে কথন বিশ্লেষণৰ অধ্যয়নত উল্লেখযোগ্য অৱদান আগবঢ়াইছিল। বিশেষভাৱে প্ৰপৰ Morphology of the Folktale (1928) শীৰ্ষক ৰচনাত লোককথাত পুনৰাবৃত্তি হোৱা ৩১টা কথনমূলক কাৰ্যক চিনাক্ত কৰা হৈছিল। লোককথাৰ অন্তৰ্নিহিত গাঁথনিগত আৰ্হিসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰা তেওঁৰ চিন্তা-চৰ্চাই পৰৱৰ্তী সময়ত কথন বিশ্লেষণৰ বিকাশৰ বাট মুকলি কৰি দিছিল। এই ধাৰাতে আগুৱাই এক স্বতন্ত্ৰ জ্ঞানবিদ্যাৰ শাখা হিচাপে কথন বিশ্লেষণ (Narratology) চৰ্চা ১৯৬০ৰ দশকৰ পৰা আৰম্ভ হয়। এই দশকতে (১৯৬৬) ফৰাচী আলোচনী কমিউনিকেচনস (Communications)-অত *দ্য ষ্ট্ৰাকচাৰেল এনালাইছিছ অৱ নাৰেটিভ* (The Structural Analysis of Narrative) শীৰ্ষক এক প্ৰবন্ধ প্ৰকাশ পাইছিল। (Jahn, 2005, N2.1.1).) ইয়াৰ তিনিবছৰ পিছত, ট'ড'ৰ'ভে কথনৰ গঠন অধ্যয়নক বুজাবলৈ 'Narratology' অভিধাটো ব্যৱহাৰ কৰিছিল। বিংশ শতিকাত ভাষা অধ্যয়নত গাঁথনিবাদৰ উত্থান কথন বিশ্লেষণৰ অধ্যয়নৰ বাবেও এক মাইলৰ খুঁটি। টজভেটান টড'ৰভৰ সমসাময়িক আন আন গৱেষক পণ্ডিতেও সামগ্ৰিকভাৱে কথনৰ গঠন আৰু শ্ৰেণীবিভাজনৰ প্ৰতি আগ্ৰহ দেখুৱাই পদ্ধতিগত আলোচনাৰ পোষকতা কৰিছিল। ইয়াৰ ভিতৰত ক্লড লেভি-ষ্ট্ৰাউছ (Claude Lévi-Strauss), ৰ'লা বাৰ্থ (Roland Barthes) আৰু জেৰাৰ্ড জেনেট (Gérard Genette) অন্যতম। এগৰাকী গঠনবাদী নৃতত্ত্ববিদ হিচাপে ক্লড লেভি-ষ্ট্ৰাউছে পুৰাকথাক গাঁথনিবাদী পদ্ধতিৰে বিশ্লেষণ কৰিছিল। একেদৰে Introduction to the Structural Analysis of Narratives (1966) গ্ৰন্থত বাৰ্থে কথনক প্ৰকাৰ্য, ক্ৰিয়া আৰু কথনকাৰ্যকে ধৰি বিভিন্ন অৰ্থৰ স্তৰত ভাগ কৰিছিল। তেওঁ কথন সম্পৰ্কত একধৰণৰ 'Readerly' আৰু 'Writerly' ধাৰণা আগবঢ়াই কথনসমূহে কেনেকৈ হয় গতানুগতিক গাঁথনিৰ সৈতে মিল খায় আৰু নতুবা নতুন ধৰণে বা সক্ৰিয়ৰূপত ব্যাখ্যায়িত হয় সেই সম্পৰ্কে বিচাৰ কৰে। প্ৰায় সমসাময়িক আন এগৰাকী কথন বিশ্লেষক জেৰাৰ্ড জেনেটে তেওঁৰ Narrative Discourse (1972) শীৰ্ষক গ্ৰন্থত কথনৰ কেন্দ্ৰবিন্দু (যি দৃষ্টিভংগীৰ পৰা কাহিনী কোৱা হয়), ডাইজেছিছ (কথনৰ স্তৰ) আৰু কথনৰ সময়ৰ দৰে গুৰুত্বপূৰ্ণ ধাৰণাসমূহৰ প্ৰৱৰ্তন কৰিছিল। বাৰ্থৰ ধাৰণাই কথন বিশ্লেষণক গাঁথনিবাদী দৃষ্টিভংগীৰ পৰা উত্তৰ-গাঁথনিবাদী দৃষ্টিভংগীলৈ আগুৱাই নিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

বিংশ শতিকাৰ সত্তৰ আৰু আশীৰ দশকত কথন বিশ্লেষণে অধ্যয়ন ক্ষেত্ৰ প্ৰসাৰিত কৰি বিকাশমান হয়। কেৱল সাহিত্য অধ্যয়নতে সীমাবদ্ধ হৈ নাথাকি ভাষাতত্ত্ব, দৰ্শন, মনোবিজ্ঞান, সমাজতত্ত্ব, ধৰ্মীয় অধ্যয়ন, লোকগাথা, আৰু যোগাযোগ অধ্যয়ন ক্ষেত্ৰত ইয়াৰ প্ৰসাৰ ঘটিছে (প্ৰিন্স ৪)। বিষয়ৰ এনে বিস্তাৰৰ লগে লগে বিংশ শতিকাৰ শেষৰ পিনে উত্তৰ-গঠনবাদী তাত্বিকসকলে গাঁথনিবাদী কথন বিশ্লেষণৰ নিকপকপীয়া পৰিকাঠামোৰ সমালোচনা কৰিবলৈ আৰম্ভ কৰে। বিশেষকৈ জেক ডেৰিডা (Jacques

Derrida) আৰু মিচেল ফুকো (Michel Foucault)ৰ দৰে গৱেষকসকলে অৰ্থৰ অস্থিৰতা আৰু কথন গঢ় দিয়াত বাকধাৰা বিশ্লেষণৰ ভূমিকাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। আশীৰ দশকৰ পৰা আৰম্ভ হোৱা কথন বিশ্লেষণৰ এই নতুন দৃষ্টিক সমৰ্থন জনাই মিকে বাল (Mieke Bal) এ তেওঁৰ দ্বাৰা ৰচিত Narratology: Introduction to the Theory of Narrative (1985) শীৰ্ষক গ্ৰন্থত যুক্তি দিছিল যে কথন বিশ্লেষণ গঠনবাদী দৃষ্টিৰে এক নিৰ্দিষ্ট গাঁথনিত বান্ধ খাই থকাতকৈ নমনীয় আৰু প্ৰসংগ-চালিত হ'ব লাগে। প্ৰায় একে উত্তৰ-গঠনবাদী দৃষ্টিৰে জুলিয়া ক্ৰীষ্টেভা (Julia Kristeva) ই কথন প্ৰসংগত আন্তঃপাঠ্যতা (intertextuality)-ৰ ধাৰণাটো প্ৰৱৰ্তন কৰিছিল। এই ধাৰণাৰে তেওঁ এক নিৰ্দিষ্ট গঠনৰ ধাৰণাটোক প্ৰত্যাহ্বান জনাই কথনসমূহ কিদৰে সদায় অন্য পাঠৰ সৈতে সংলগ্ন সেয়া তুলি ধৰিছিল। সমসাময়িক আন এগৰাকী তাত্ত্বিক পল ৰিকোৰ (Paul Ricoeur) ও উত্তৰ-গঠনবাদী দৃষ্টিৰে তেওঁৰ Time and Narrative (1984) গ্ৰন্থত কাহিনী কথনৰ ব্যাখ্যাত্মক প্ৰকৃতিৰ ওপৰত গুৰুত্ব আৰোপ কৰি কথন আৰু ক্ষণিকতাৰ মাজৰ সম্পৰ্ক অন্বেষণ কৰিছিল।

এইধৰণে ভিন্ন মাত্ৰিক অধ্যয়ন ক্ষেত্ৰলৈ প্ৰসাৰিত হোৱা কথন বিশ্লেষণত একবিংশ শতিকাতো নতুন মাত্ৰাৰ সংযোজন ঘটে। জ্ঞানমূলক আৰু বহুমাধ্যমিক দৃষ্টিভংগীয়ে একবিংশ শতিকাত কথন বিশ্লেষণৰ কথনৰ পৰম্পৰাগত ধাৰণালৈ অভিনৱত্ব আনিছে। এই নতুন দৃষ্টিভংগীৰ অন্তৰালত প্ৰধানকৈ ডেভিদ হাৰ্মান (David Herman), মেৰী-লক্সৰ ৰিয়ান (Marie-Laure Ryan) আৰু মনিকা ফ্লুডাৰ্নিক (Monika Fludernik)ৰ দৰে কথন বিশ্লেষকসকলৰ চিন্তা-চৰ্চাই ক্ৰিয়া কৰিছিল। ডেভিদ হাৰ্মানে জ্ঞানমূলক বিজ্ঞানৰ সৈতে কথন বিশ্লেষণক সংযোজিত কৰি কথনে মানুহৰ জ্ঞান আৰু উপলব্ধি কেনেকৈ গঢ় দিয়ে সেই বিষয়ে অধ্যয়নৰ বাট মুকলি কৰে। একেদৰে মেৰী-লক্সৰ ৰিয়ানে চলচ্চিত্ৰ, ভিডিঅ' গেম, আৰু ডিজিটেল কাহিনী কথনকে ধৰি বিভিন্ন মাধ্যমত কথনসমূহে কেনেকৈ কাম কৰে, সেই বিষয়ে অন্বেষণ কৰে। তেওঁৰ 'পৰস্পৰ সম্পৰ্কিত মাধ্যমিক কথন বিশ্লেষণ' (Transmedial Narratology) ৰ ধাৰণাটোৰে ভিন্ন মাধ্যমৰ সৈতে কাহিনী কথনৰ নীতিসমূহ কিদৰে খাপ খায়, সেয়া অধ্যয়নৰ বিষয়ৰূপে নিৰ্বাচন কৰে। নতুন মাধ্যমসমূহত বৰ্তি থকা কথনসমূহ বিশ্লেষণ কৰিবলৈ ৰিয়ান প্ৰদত্ত পৰস্পৰ সম্পৰ্কিত মাধ্যমিক কথন বিশ্লেষণৰ ধাৰণা প্ৰাসংগিক হৈ পৰে। কথনৰ গঠনত ভাষাৰ আনুষ্ঠানিকতাতকৈ মানুহৰ অভিজ্ঞতাই অধিক সক্ৰিয় ভূমিকা পালন কৰে বুলি মনিকা ফ্লুডাৰ্নিকে মত পোষণ কৰে। Towards a 'Natural' Narratology (1996) গ্ৰন্থত ফ্লুডাৰনিকে অভিজ্ঞতাই গঢ় দিয়া কথনকে স্বাভাৱিক কথন বুলি উল্লেখ কৰিছে।

এইদৰে কেইবাদশকজুৰি চলি অহা কথন বিশ্লেষণৰ চিন্তা-চৰ্চাই কথন বিশ্লেষণক এক জ্ঞানশাখাৰূপে গঠনবাদী উৎপত্তিৰ পৰা আৰম্ভ কৰি বৈচিত্ৰময় আৰু আন্তঃশাখা ক্ষেত্ৰলৈ বিকশিত কৰিছে। প্ৰপ, বাৰ্থ, জেনেটৰ দৰে প্ৰাথমিক পণ্ডিতসকলে এই বিদ্যায়তনিক শাখাৰ মূল নীতি প্ৰতিষ্ঠা কৰিলেও পৰৱৰ্তী সময়ৰ বাল, হাৰ্মান আৰু

ৰিয়ানৰ দৰে তত্ত্ববিদসকলে ইয়াৰ পৰিসৰ বৃদ্ধি কৰি জ্ঞানমূলক, ডিজিটেল আৰু পৰস্পৰ সম্পৰ্কিত মাধ্যমিক কথন বিশ্লেষণ' দৃষ্টিভংগীকো সামৰি লৈছে। বৰ্তমান বিশ্বত ভিন্ন পৰিস্থিতি আৰু প্ৰেক্ষাপটত মানুহৰ যোগাযোগ, পৰিচয় আৰু কথনৰ অৰ্থ নিৰ্মাণ বুজিবলৈ কথনৰ অধ্যয়ন অধিক প্ৰাসংগিক হৈ পৰিছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

কথন বিশ্লেষণৰ ইতিহাস তুলি ধৰি এক প্ৰবন্ধ যুগুত কৰক।

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

### ৩.৫ কথন বিশ্লেষণৰ স্তৰ

কথন বিশ্লেষক মানফ্ৰেড জাহ্ন (Manfred Jahn)এ তেওঁৰ Narratology: A Guide to the Theory of Narrative (2005) শীৰ্ষক গ্ৰন্থত কথন বিশ্লেষণক প্ৰধানকৈ (ক) বাকধাৰাভিত্তিক কথন বিশ্লেষণ আৰু (খ) কাহিনীভিত্তিক কথন বিশ্লেষণ বুলি দুটা মূল শাখাত বিভক্ত কৰিছিল। তেওঁ চুইচ ভাষাবিদ ফাৰ্ডিনেণ্ড দ্য চচ্যুৰক উদ্ধৃত কৰি কৈছে যে কথনত 'বাকধাৰা' (Discourse) আৰু 'কাহিনী' (Story) শীৰ্ষক দুটা পৃথক বিষয় থাকে। চচ্যুৰে কোৱা ভাষাৰ 'চিহ্নক' (signifier)ই হ'ল বাকধাৰা। বাকধাৰাই কথন উপস্থাপনৰ শৈলীক নিৰ্দেশ কৰে। আনহাতে চচ্যুৰৰ ধাৰণাগত 'চিহ্নিত'(signified)ই জাহ্নৰ ধাৰণাত কাহিনী কিয়নো ই ঘটনাৰ ক্ৰমক বুজায়। (N2.1.3)

জাহ্নৰ ধাৰণাগত বাকধাৰাগত কথন বিশ্লেষণে কথনৰ শৈলীবিষয়ক বিশ্লেষণ কৰে। বিশেষ ভাষাগত আৰু গঠনগত উপাদানৰে কথনৰ ৰূপ কিদৰে গঠিত হয় সেয়া এই বিদ্যায়তনিক শাখাত অধ্যয়ন কৰা হয়। লগতে সমাজ আৰু সংস্কৃতিৰ প্ৰেক্ষাপটত কথনৰ প্ৰাসংগিকতাৰ বিচাৰো এই শাখাই কৰে। বাকধাৰাগত কথন বিশ্লেষণ কেৱল লিখিত পাঠৰ ক্ষেত্ৰতহে প্ৰযোজ্য এনে নহয়, কাহিনী কথনৰ আন আন ৰূপ যেনে ছবি আৰু নাট্য অভিনয়ৰ ক্ষেত্ৰতো এই অধ্যয়ন পদ্ধতি প্ৰযোজ্য।

জাহ্ন প্ৰদত্ত দ্বিতীয়টো শাখা কাহিনীভিত্তিক কথন বিশ্লেষণে কথনৰ অন্তৰ্নিহিত গঠন আৰু বিষয়বস্তুৰ ওপৰত প্ৰধানকৈ গুৰুত্ব প্ৰদান কৰে। ইয়াত বিশেষকৈ ঘটনাৰ ক্ৰমাগতভাৱে বিন্যাস, বৃত্তান্তৰ মূল বিষয় আৰু কথনৰ পৰিকাঠামোৰ গঠন অধ্যয়ন কৰা হয়। এই অধ্যয়নত 'এমপ্লটমেণ্ট' (emplotment) নামৰ গুৰুত্বপূৰ্ণ ধাৰণাৰ ব্যৱহাৰ লক্ষ্য কৰিব পাৰি। এই ধাৰণাই কথনে পৰিঘটনাসমূহক অৰ্থপূৰ্ণ ক্ৰমত সজাই তোলাৰ ধৰণক

প্ৰতিনিধিত্ব কৰে। ইতিহাসবিদ হেডেন হোৱাইট (1996), দাৰ্শনিক পল ৰিক'ৰ (1991), আৰু সাংস্কৃতিক তত্ত্ববিদ মিচেল ফুকো (জাহ্ন N 2.1.3) আদি তত্ত্ববিদৰ ৰচনাত নিয়োগৰ ধাৰণাটোৱে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ইতিহাসবিদ হেইডেন হোৱাইট (1996), দাৰ্শনিক পল ৰিকিউৰ (1991), আৰু সাংস্কৃতিক চিন্তাবিদ মিচেল ফুকো (Jahn N2.1.3)ৰ চিন্তা-চৰ্চাতো এই এমপ্লটমেণ্ট' ৰ ধাৰণাটোৱে গুৰুত্বপূৰ্ণভাৱে ভূমিকা পালন কৰা দেখা যায়।

সাধাৰণভাৱে কথন বিশ্লেষণ অধ্যয়নৰ পৰ্যায় বা স্তৰ দুটা- (ক) ধ্ৰুপদী পৰ্যায় আৰু (খ) উত্তৰ-ধ্ৰুপদী পৰ্যায়। কথন বিশ্লেষণৰ অধ্যয়নত ১৯৬০ৰ দশকৰ মাজৰ পৰা ১৯৮০ৰ আৰম্ভণিলৈ আলোচকসকলে সাৰ্বিকভাৱে কথনৰ বৈশিষ্ট্য আৰু সংজ্ঞা নিৰূপণৰ প্ৰয়াস কৰিছিল। (Meister, n.d., cited in Hune et al., 329) গঠনবাদী দৃষ্টিৰে প্ৰভাৱিত হৈ এই পৰ্যায়ত কথনৰ গঠন, কাঠামো আৰু ভাষিক সংগঠনৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। এই ধাৰা কম-বেছি পৰিমাণে ১৯৯৩ চনলৈকে চলি আছিল। সেই সময়ৰ কথন বিশ্লেষণৰ এক সংজ্ঞা এনেধৰণৰ- "the set of general statements on narrative genres, on the systematics of narrating (telling a story), and on the structure of plot" (Ryan & von Alphen 110). এই সংজ্ঞাই কথনৰ প্ৰকাৰ, নিয়মাৱলী আৰু পটভূমিৰ গঠনক গুৰুত্ব প্ৰদান কৰাৰ পৰা সমসাময়িক ধ্ৰুপদী চিন্তাধাৰাৰ আভাস পাব পাৰি। ধ্ৰুপদী কথন বিশ্লেষণৰ বৈশিষ্ট্যসমূহ আছিল প্ৰধানকৈ-

(i) কথনৰ গঠনমূলক ধাৰণা আৰু নিয়মাৱলী নিৰ্ধাৰণ কৰা।

(ii) ভাষাবিজ্ঞান আৰু গঠনবাদী পদ্ধতিৰে কথন বিশ্লেষণ কৰা।

(iii) কথনৰ বিশ্বজনীন আৰ্হি (Universal Framework) গঢ়ি তুলিবলৈ চেষ্টা কৰা।

ভ্লাদিমিৰ প্ৰপ, জেৰাৰ্ড জেনেট, টজভেটান ট'ড'ৰ'ভ প্ৰভৃতি তাত্ত্বিকসকল এনে ধ্ৰুপদী পৰ্যায়ৰ তাত্ত্বিক। এওঁলোকে এই লিখিত পাঠকেন্দ্ৰিক পৰ্যায়টোত কথন বিশ্লেষণৰ বাবে বস্তুনিষ্ঠ, বৈজ্ঞানিক আৰ্হি সৃষ্টি কৰাৰ প্ৰয়াস কৰিছিল।

১৯৮০ চনৰ পৰাই কথন বিশ্লেষণে মনোবিজ্ঞান, দৰ্শন, সাংস্কৃতিক অধ্যয়ন, সংবাদ মাধ্যমৰ অধ্যয়ন আদিৰ দৰে ক্ষেত্ৰক সামৰি এক আন্তঃবিষয়িক দৃষ্টিভংগীৰে ধ্ৰুপদী কথন বিশ্লেষণৰ সুদৃঢ় গাঁথনিক চিন্তাৰ উৰ্ধলৈ যাবলৈ আৰম্ভ কৰিছিল। এই বিকাশত মিকে বাল, মনিকা ফ্লুডাৰনিক, ডেভিদ হাৰ্মান, মেৰী-ল'ৰ ৰিয়ান আদি পণ্ডিতসকলে উল্লেখযোগ্য ভূমিকা পালন কৰিছিল। একবিংশ শতিকাত কথন বিশ্লেষণক কেৱল কথনৰ গঠন বিশ্লেষণৰ ব্যৱস্থাৰূপে বিচাৰ কৰাৰ সলনি ভিন ভিন গৱেষক, আলোচকে কেতিয়াবা এক তত্ত্ব হিচাপে (Prince 1), কেতিয়াবা এক পদ্ধতি হিচাপে (Kindt & Müller 211) আৰু কেতিয়াবা এক বিদ্যায়তনিক শাখা হিচাপে (Fludernik & Margolin 149) কথন বিশ্লেষণৰ আলোচনা কৰা পৰিলক্ষিত হয়। ইতিমধ্যে কোৱাৰ দৰে এই পৰিৱৰ্তনৰ মূল

কাৰণ আছিল কথন বিশ্লেষণৰ ক্ষেত্ৰ বিস্তাৰ। পূৰ্বতে মূলতঃ গঠনবাদী (structuralist) ধাৰণাৰ ওপৰত নিৰ্ভৰশীল কথন বিশ্লেষণ এই সময়লৈ অন্যান্য ক্ষেত্ৰতো প্ৰয়োগ হৈছিল। এনে পাৰ্থক্যৰ বাবে কথন বিশ্লেষণৰ এইটো পৰ্যায়ক উত্তৰ-ধ্ৰুপদী কথন বিশ্লেষণৰ স্তৰ বুলি অভিহিত কৰা হৈছে। এই পৰ্যায়ত কথন বিশ্লেষণক একক তত্ত্ব বা বিদ্যায়তনিক শাখাৰূপে অভিহিত কৰিব নোৱাৰি। ক্ষেত্ৰ হিচাপে কথন বিশ্লেষণ এই স্তৰত বহুমুখী আৰু আন আন বিদ্যায়তনিক শাখাতো এই ধাৰণা প্ৰাসংগিক। Rimmon-Kenan (2004)এ উত্তৰ-ধ্ৰুপদী কথন বিশ্লেষণৰ এই পৰিৱৰ্তনক- "from a fairly unified discipline to one characterized by a diversity of approaches" (47) বুলি অভিহিত কৰিছে। সামগ্ৰিকভাৱে উত্তৰ-ধ্ৰুপদী কথন বিশ্লেষণৰ বৈশিষ্ট্যসমূহ এনেধৰণৰ-

(i) আনুষ্ঠানিক গাঁথনিৰ পৰা কথনক প্ৰসংগভিত্তিক আৰু কাৰ্যকৰী দিশলৈ স্থানান্তৰিত কৰা।

(ii) পাঠক-প্ৰতিক্ৰিয়া তত্ত্ব, জ্ঞানমূলক কথন বিশ্লেষণ, আৰু সামাজিক-সাংস্কৃতিক প্ৰভাৱৰ অন্তৰ্ভুক্তি।

(iii) অগতানুগতিক কথনৰ বিশ্লেষণ শচযেনে, ডিজিটেল কথন, মৌখিক কাহিনী কথন, আন্তঃমাধ্যমিক কথনগ্ন

(iv) কথনত বিষয়বস্তু, মতাদৰ্শ, ক্ষমতাৰ সম্পৰ্কৰ ওপৰত গুৰুত্ব দিয়া।

বহুমুখী বিশিষ্টতাৰ বাবে এই পৰ্যায়ত বিভিন্ন আন্তঃবিষয়িক (interdisciplinary) দৃষ্টিভংগী উদ্ভৱ হৈছে। ইয়াৰ ভিতৰত 'নাৰীবাদী কথন বিশ্লেষণ' (feminist narratology), 'সজ্ঞানাত্মক কথন বিশ্লেষণ' (cognitive narratology), 'উত্তৰ-আধুনিক কথন বিশ্লেষণ' (postmodern narratology), আন্তঃমাধ্যমিক কথন বিজ্ঞান (transmedial narratology) আদি প্ৰধান।

**আত্মমূল্যায়ন প্ৰশ্ন**

ধ্ৰুপদী কথন বিশ্লেষণ আৰু উত্তৰ-ধ্ৰুপদী কথন বিশ্লেষণৰ এক তুলনা কৰক।

.............................................................................................................

.............................................................................................................

.............................................................................................................

.............................................................................................................

### ৩.৬ কথন বিশ্লেষণৰ উপাদান

ধ্ৰুপদী পৰ্যায়ত হওক বা উত্তৰ-ধ্ৰুপদী পৰ্যায়ত হওক, গঠনবাদী দৃষ্টিৰে হওক বা উত্তৰ-গঠনবাদী দৃষ্টিৰে হওক, গঠন, কথক, সময়, চৰিত্ৰায়ন আৰু বাকধাৰাৰ দৰে কথনৰ মূল উপাদানসমূহ উলিয়াই ল'লে গৱেষক-পণ্ডিতসকলে কথনৰ ব্যৱস্থাপনা আৰু

দৰ্শক, শ্ৰোতাৰ ওপৰত কথনৰ প্ৰভাৱ ব্যাখ্যা কৰিব পাৰে। এই উপাদানসমূহৰ উপলব্ধিয়ে সাহিত্য সমালোচকৰ লগতে চলচ্চিত্ৰ নিৰ্মাতা, লেখক আৰু গৱেষকসকলক মনোগ্ৰাহীভাৱে কথন নিৰ্মাণত সহায় কৰিব পাৰে। কথন গঠন কৰা উপাদানসমূহৰ আধাৰতে কথন বিশ্লেষণ কৰা হয় বাবে এই উপাদানসমূহৰ গুৰুত্ব আছে। তলত কথনৰ উপাদানসমূহ আলোচনা কৰা হ'ল।

**৩.৬.১ কথন গঠন** (Narrative Structure)

গঠনবাদী দৃষ্টিৰে কথনৰ এক প্ৰধান উপাদান হ'ল ইয়াৰ গঠন। কথন গঠনে কথন বা কাহিনী এটা কেনেকৈ পাঠক বা দৰ্শকৰ উন্মোচিত হয় সেয়া নিৰ্ধাৰণ কৰা কাঠামোক নিৰ্দেশ কৰে। এক অৰ্থত কথনৰ গঠনে কথনৰ প্ৰতি দৰ্শক বা শ্ৰোতাৰ মনত সদৰ্থক বা নঞাৰ্থক ভাৱ সৃষ্টি কৰিব পাৰে। এৰিষ্টটল, ভ্লাদিমিৰ প্ৰপ, টজভেটান ট'ড'ৰ'ভ, গুস্তাভ ফ্ৰেইটাগ (Gustav Freytag) -কে ধৰি কেইবাজনো গৱেষকে কথনৰ গঠনৰ সম্পৰ্কে নিজস্ব ধাৰণা আগবঢ়াইছে। এৰিষ্ট'টলে কাৰ্য-কাৰণ সম্বন্ধ আৰু নাটকীয় ঐক্যৰ ওপৰত গুৰুত্ব আৰোপ কৰি কথনৰ মূল গাঁথনি ক্ৰমে- আৰম্ভণি, মধ্য আৰু সামৰণি বুলি মন্তব্য দিছিল। তেওঁৰ এই দৃষ্টিমতে কথন বা কাহিনী এটাৰ আৰম্ভণি হয়। আৰম্ভণিতে কথকে কথনৰ পটভূমি তৈয়াৰ কৰি দিয়ে। তাৰপিছত কথন লাহে লাহে মধ্য অংশ পায় য'ত দৰ্শক বা পাঠকে কথনৰ গভীৰতাত প্ৰৱেশ কৰে। এই মধ্য অংশৰ পাছত আহে সামৰণি য'ত কথনটোৱে পূৰ্ণতাপ্ৰাপ্তি লাভ কৰে। ধ্ৰুপদী সাহিত্যৰ লগতে সমসাময়িক কথনতো এই কথন গঠনৰ বহুল প্ৰয়োগ লক্ষ্য কৰিব পাৰি। উদাহৰণস্বৰূপে মহিম বৰাৰ এধানী মাহীৰ হাঁহি উপন্যাসখনত কথকে আমাক জ্ঞানেন্দ্ৰ বায়ন ওৰফে দেউকণে এধানী মাহীৰ সৈতে চিনাকি কৰাই দিছে। লগতে মাক-দেউতাক ঢুকোৱাত ককায়েক-নবৌৱেকৰ লগত মিলি থাকিব নোৱাৰি এধানী মাহী অকলশৰীয়া হোৱা দেউকণৰ ককাদেউতা-বুঢ়ীমাকৰ লগত থাকিবলৈ লোৱাৰ কথাই কাহিনীৰ পট তৈয়াৰ কৰি দিছে। ক্ৰমে কথনৰ মধ্যত এধানী মাহী আৰু দেউকণৰ জীৱনলৈ অহা প্ৰত্যাহ্বান আৰু পৰিৱৰ্তনসমূহে কথনক গভীৰতালৈ লৈ গৈছে। একেবাৰে শেষত সংক্ৰামক কলেৰা ৰোগাক্ৰান্ত লোকসকলক শুশ্ৰূষা কৰি এধানী মাহী নিজেও সেই ৰোগত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰাৰ লগে লগে কথন পৰিণতিৰ পিনে আগবাঢ়িছে।

গুস্তাভ ফ্ৰেইটাগে ১৮৬৩ চনত লিখা Die Technik des Dramas (The Technique of the Drama) নামৰ গ্ৰন্থখনত তেওঁ একধৰণৰ পিৰামিডসদৃশ কথন গঠনৰ প্ৰস্তাৱ দিছিল। তেওঁৰ এই আৰ্হিটোৱে এৰিষ্ট'টলৰ কথন গঠন সম্পৰ্কীয় 'আৰম্ভণি-মধ্য-সামৰণি' ধাৰণাক বিস্তাৰিত কৰি বিশেষকৈ নাটকৰ প্ৰসংগত কথন গঠনৰ পাঁচটা পৰ্যায় চিনাক্ত কৰিছিল। সেইসমূহ আছিল ক্ৰমে বৰ্ণনা (exposition), উত্থানশীল ক্ৰিয়া (rising action), শীৰ্ষবিন্দু (climax), পতনশীল ক্ৰিয়া (falling action) আৰু সংকল্প (resolution)। তেওঁৰ ধাৰণাই কয় যে আৰম্ভণিতে বৰ্ণনাৰ মাজেৰে আনুভূমিকভাৱে

গতি কৰি থকা কথনে কিবা এক বিশেষ সংঘটনক কেন্দ্ৰ কৰি ক্ৰমে উত্থান লাভ কৰিব। কথনৰ এই উত্থানে পাঠক, শ্ৰোতা বা দৰ্শকৰ মনত ভাবাবেগ ক্ৰমে সঞ্চাক কৰি কৰি উকণ্ঠা, কৌতুহল বৃদ্ধি কৰি যাব। এয়ে উত্থানশীল ক্ৰিয়া। কথনৰ যি অংশত এই কৌতুহল গৈ শীৰ্ষত উপনীত হ'ব সেয়ে শীৰ্ষবিন্দু। শীৰ্ষবিন্দুৰ পৰা লাহে লাহে কথনে পৰিণতিৰ পিনে নামি আহিব। এয়ে কথনৰ পতনশীল ক্ৰিয়া। পতনশীল ক্ৰিয়াৰ মাজেৰে নামি আহি আহি কথন এক সংকল্পত শেষ হ'ব। অৱশ্যে শীৰ্ষবিন্দুৰ পৰা নামি আহিলেও বৰ্ণনাৰ পৰ্যায়তকৈ সংকল্প তুলনামূলকভাৱে উচ্চ অৱস্থানত থাকিব। এনেধৰণে বৰ্ণনাৰে আৰম্ভ কৰি উত্থানশীল ক্ৰিয়া, শীৰ্ষবিন্দু আৰু পতনশীল ক্ৰিয়াই এক পিৰামিডৰ দৰে আৰ্হিত কথনক আগুৱাই নি সংকল্পত শেষ কৰে বাবে ফ্ৰেইটাগৰ কথন বিন্যাসৰ ধাৰণাক পিৰামিডীয় কথন গঠন বুলি অভিহিত কৰা হয়। অসমীয়া সাহিত্যৰ একাধিক গল্প, উপন্যাস আৰু নাটকত এইধৰণৰ কথনৰ গঠন আলোচনা কৰিব পাৰি। উদাহৰণস্বৰূপে অনুৰাধা শৰ্মা পূজাৰীৰ 'চাহেবপুৰাৰ বৰষুণ' উপন্যাসখনৰ কথন গঠনক আলোচনা কৰিব পাৰি। কথনটোৰ বৰ্ণনাৰ পৰ্যায় আৰম্ভ হৈছে যেতিয়া উপন্যাসখনৰ নায়িকা বৰ্ষা আৰু তেওঁৰ বাগদত্তা প্ৰান্তিকে ৰেলযাত্ৰা আৰম্ভ কৰিছে। চৰিত্ৰ আৰু পৰিৱেশৰ পৰিচয়ৰ মাজেৰে কথনে বৰ্ণনা পৰ্যায় অতিক্ৰম কৰিছে। ৰে'লখন দুৰ্ঘটনাত পতিত হোৱাৰ বাবে বিহাৰৰ চাহেবপুৰা নামৰ ঠাইত ৰ'ব লগা হয় আৰু সেই মুহূৰ্ততেই কথনৰ নায়িকা বৰ্ষাই চাহেবপুৰাত থকা 'ইনছাইট' নামৰ এনজিঅ' এটাৰ মুখ্য ব্যক্তি শেখৰ হুছেইনক লগ পাই বিবাহ ভংগ কৰি চাহেবপুৰাতে থাকি সমাজ-সেৱাৰ প্ৰতি আগ্ৰহী হয় তেতিয়াই কথনৰ উত্থানশীল ক্ৰিয়া আৰম্ভ হয়। এনজিঅ'ৰ বিভিন্ন কাম, বিভিন্ন মানুহৰ সৈতে পৰিচিতিৰ মাজেৰে সঞ্জীৱ দাস নামৰ ব্যক্তিৰ সংস্পৰ্শ লাভ, সঞ্জীৱ দাসৰ প্ৰেমত পৰা, সমাজসেৱাৰ বাবে উপন্যাসখনৰ আটাইকেইটা প্ৰধান চৰিত্ৰৰ অসমৰ মাজুলীলৈ আগমন, সমাজ সেৱাৰ বাবে মাজুলীৰ স্থানীয় লোকৰ সৈতে হোৱা সংঘাত বা মনোমালিন্যৰ মাজেৰে কথনে শীৰ্ষবিন্দু লাভ কৰিছে। হঠাতে সঞ্জীৱ দাসৰ ৰহস্যজনক ভাৱে মৃত্যু হোৱাত কথনৰ পতনশীল ক্ৰিয়া আৰম্ভ হৈছে। শেষত বৰ্ষাই মানসিকভাৱে নিজকে সুদৃঢ় কৰি সঞ্জীৱৰ স্মৃতি সামৰি মাজুলীতে থাকি সমাজ সেৱাৰে সঞ্জীৱৰ আধৰুৱা সপোন পূৰ কৰাৰ সিদ্ধান্তই কথনত সংকল্পৰ স্তৰ লাভ কৰিছে। একেদৰে লিখিত পাঠৰ সলনি আন মাধ্যমৰ কথন গঠনক ফ্ৰেইটাগৰ পিৰামিডীয় ধাৰণাৰে বিশ্লেষণ কৰিবলৈ হ'লে ১৯৯৭ চনত গোটেই বিশ্বতে মুক্তি লাভ কৰা টাইটানিক (Titanic) বোলছবিখনৰ কথা ক'ব পাব পাৰি। বোলছবিখনত জেক, ৰোজ, কেলৰ দৰে মূল চৰিত্ৰসমূহক পৰিচয় দিয়া, চৰিত্ৰসমূহৰ মাজেৰে প্ৰকাশিত সামাজিক বিভাজন, ৰোজৰ বিবাহ ঠিক হৈ থকা আৰু টাইটানিকৰ প্ৰথম যাত্ৰাই পিৰামিডীয় আৰ্হিমতে বৰ্ণনাৰ পট তৈয়াৰ কৰি দিছে। সামাজিক ব্যৱধানক নেওচি জেক আৰু ৰোজৰ মাজত প্ৰণয়মূলক ঘনিষ্ঠতা, ঈৰ্ষান্বিত কেলৰ দ্বাৰা ৰোজক নিয়ন্ত্ৰণৰ চেষ্টাই কথনটোত উত্থানশীল ক্ৰিয়াৰ কাম কৰিছে। জাহাজখনে হিমবাহত খুন্দা মৰাটো বোলছবিখনৰ কথনৰ শীৰ্ষবিন্দু কিয়নো এই ঘটনাই লগে লগে কথনৰ বিষয়বস্তুক

প্ৰেমৰ পৰা জীয়াই থকাৰ সংগ্ৰামলৈ স্থানান্তৰিত কৰিছে। যাত্ৰীসকলে জাহাজৰ পৰা পলাই নিজৰ জীৱন বচোৱাৰ সংগ্ৰাম আৰু জেকে ৰোজক বচাবলৈ নিজকে বলিদান দিয়াই কথনৰ পতনশীল ক্ৰিয়া আৰু শেষত বৃদ্ধ ৰোজে জেকৰ প্ৰতি থকা প্ৰেম আৰু জীৱনৰ উত্থান-পতনক স্বীকাৰ কৰি অতীত ৰোমন্থন কৰাই কথনৰ সংকল্প স্তৰ প্ৰদান কৰিছে।

বিংশ শতিকাৰ ষাঠিৰ দশকতে ভ্লাদিমিৰ প্ৰপে ৰাছিয়ান লোককথা বিশ্লেষণ কৰি একত্ৰিশটা আখ্যানমূলক কাৰ্য চিনাক্ত কৰিছিল। এই কাৰ্যই কথন বিশ্লেষণত গাঁথনিবাদী ধাৰণাটো উন্মেষ কৰাৰ সমান্তৰালভাৱে কথনৰ গঠন সম্পৰ্কেও কেতবোৰ আৰ্হি প্ৰদান কৰিছিল। 'নায়ক বা নায়িকা  হিচাপে অজান যাত্ৰা, যাত্ৰাত তৃতীয় ব্যক্তিৰ সহায়, পৰীক্ষাৰ সন্মুখীন হোৱা আৰু শেষত নিজৰ ভাগ্যক আকোৱালি লোৱা' এনে এক প্ৰপ প্ৰদত্ত কথনৰ আৰ্হি। অসমীয়া লোকসাহিত্যতো আমি এনেধৰণৰ কথন গঠন বিন্যাস সম্পন্ন পাঠ পাওঁ। উদাহৰণস্বৰূপে তেজীমলা সাধুৰ কথনে প্ৰপ্পৰ কথনৰ বিন্যাস অনুসৰণ কৰে। বিশেষকৈ নায়কৰূপী সদাগৰৰ প্ৰস্থান, নায়িকাগৰাকীয়ে নিৰ্যাতনৰ সন্মুখীন হোৱা, যাদুকৰী ৰূপান্তৰ আৰু অৱশেষত ন্যায় প্ৰাপ্তি সম্পন্ন কথনে সাধুকথাটোৰ কথনক তুলি ধৰে।

বিংশ শতিকাত কথনৰ গঠন সম্পৰ্কে ক'বলৈ গৈ টজভেটান টড'ৰভে একধৰণৰ ভাৰসাম্যৰ ধাৰণা আগবঢ়াইছিল। এই ধাৰণামতে কাহিনী এটাই প্ৰাৰম্ভিক ভাৰসাম্যৰ অৱস্থাৰ পৰা বিঘিনিৰ মাজেৰে আৰু শেষত পুনৰ ভাৰসাম্যলৈ গতি কৰে। উদাহৰণস্বৰূপে নৰকান্ত বৰুৱাৰ ককাদেউতাৰ হাড় উপন্যাসখনৰ কথন গঠনলৈ লক্ষ্য কৰিব পাৰি। সাহিত্য অকাডেমি বঁটাপ্ৰাপক উপন্যাসখনৰ কাহিনীৰ আৰম্ভণি হৈছে যেতিয়া কাহিনীকাৰে ভায়েকৰ বিয়াৰ কথা লৈ আইতাকৰ কাষলৈ গৈছে। আৰম্ভণিতে থকা এই ভাৰসাম্য ছোৱালীঘৰৰ কথা শুনি আইতাকে সেই ঘৰৰ ছোৱালী আনিবলৈ হাক দিয়াৰ লগে লগে ব্যাঘাত হৈছে। ইয়াৰ কাৰণ সোধাত আইতাকে ভয়লগা সাধু এটাৰ দৰে বুৰঞ্জীৰ এক দাগলগা অধ্যায়ৰ বকলা মেলিবলৈ আৰম্ভ কৰাৰ লগে লগে ভাৰসাম্যৰ বিঘিনি অধিক স্পষ্ট হ'বলৈ ধৰে। এনেকৈ কাহিনীয়ে নানা বিঘিনিৰ সৃষ্টি কৰে যদিও অৱশেষত আইতাকে সেই বিয়াত আনন্দেৰে সন্মতি প্ৰদান কৰাৰ লগে লগে পুনৰাই আৰম্ভণিৰ ভাৰসাম্য কথনলৈ উভতি আহে।

ইয়াৰ উপৰিও অৰৈখিক কথনভংগী, ফ্ৰেম কথনভংগী বা কথনৰ ভিতৰত কথনৰ গঠন আৰু বহু-দৃষ্টিভংগীমূলক কথনভংগীও কথন গঠনৰ আলোচ্য বিষয়।

**অগ্ৰগতিৰ খতিয়ান**

কথন বিশ্লেষণৰ অধ্যয়নত কথন গঠন কি কি প্ৰকাৰৰ হ'ব পাৰে ?

..................................................................................................

..................................................................................................

### ৩.৬.২ কথক (Narrator)

কথনত কথকৰ অৱস্থান আৰু কথন দৃষ্টিভংগীয়ে পাঠক, শ্ৰোতা বা দৰ্শকক কথনৰ মৰ্ম বুজাত সহায় কৰে। জাহ্ন (Jahn 2005) কথন কথকৰ ওপৰত নিৰ্ভৰ কৰে বুলি উল্লেখ কৰি কথক সাধাৰণতে দুইপ্ৰকাৰৰ বুলি অভিহিত কৰে- (ক) প্ৰকাশ্য কথক আৰু (খ) গোপন কথক। কথন নিৰ্ভৰ কৰে কথকৰ ওপৰত। এজন কথক প্ৰকাশ্য বা গোপন হ'ব পাৰে। এগৰাকী প্ৰকাশ্য কথকে 'মই' বা 'আমি' সৰ্বনামৰ ব্যৱহাৰ কৰি প্ৰথম পুৰুষত পাঠক, শ্ৰোতা বা দৰ্শকক পোনপটীয়াকৈ সম্বোধন কৰি কথনটো স্পষ্ট কৰে। আনহাতে ইয়াৰ বিপৰীতে এগৰাকী গোপন কথক কথনৰ প্ৰতি নিৰপেক্ষ হৈ থাকে। তেওঁ হস্তক্ষেপ কৰাৰ পৰিৱৰ্তে পৰিঘটনাবোৰ স্বাভাৱিকভাৱে উন্মোচন হ'বলৈ দিয়ে। এই ধাৰণাকে আৰু অলপ বিস্তাৰিত ৰূপত আলোচনা কৰি জেৰাৰ্ড জেনেটে কথনত কথকৰ উপস্থিতিক বিভিন্ন ধৰণে তুলি ধৰিছিল। জেনেটৰ ধাৰণামতে কেতিয়াবা কথকে কথনৰ বাহিৰত অৱস্থান কৰে, কেতিয়াবা কথনৰ ভিতৰৰ এক চৰিত্ৰৰূপে আত্মপ্ৰকাশ কৰে আৰু আন কেতিয়াবা কথকে নিজে কথনক প্ৰথম পুৰুষত আগুৱাই নিয়ে। এই দৃষ্টিৰে জেনেটে কথনত কথক তিনিপ্ৰকাৰৰ বুলি উল্লেখ কৰিছিল।

**হেটেৰ'ডাইজেটিক কথকঃ** এনে কথকে কথনৰ বাহিৰত অৱস্থান কৰে। এই কথকগৰাকী সৰ্বজ্ঞানী। অসমীয়া সাহিত্যত ৰজনীকান্ত বৰদলৈ ৰচিত মনোমতী উপন্যাসত এনে সৰ্বজ্ঞানী হেটেৰ'ডাইজেটিক কথকৰ উপস্থিতি লক্ষ্য কৰিব পাৰি। এই কথকজনে কথনৰ বাহিৰত অৱস্থান কৰি কথনক আগুৱাই নিছে।

**হোমোডাইজেটিক কথকঃ** এনে কথকে কাহিনীৰ ভিতৰৰ এটা চৰিত্ৰৰূপে অৱস্থান কৰে। উদাহৰণস্বৰূপে ইতিমধ্যে উল্লিখিত নৱকান্ত বৰুৱাৰ ককাদেউতাৰ হাড় উপন্যাসৰ এনে কথকৰ উপস্থিতি লক্ষ্য কৰিব পাৰি।

**অটোডায়েজেটিক কথকঃ** এই প্ৰকাৰৰ কথনত নায়কে নিজৰ কাহিনী কয়। কথকগৰাকীয়ে কথনৰ মূল বিষয়বস্তু। অসমীয়া সাহিত্যৰ দেবেন্দ্ৰনাথ আচাৰ্যৰ কালপুৰুষ উপন্যাসৰ কথকক অটোডায়েজেটিক কথকৰূপে আখ্যায়িত কৰিব পাৰি।

জাহ্নে প্ৰকাশ্য কথক বুলি অভিহিত কৰা কথক কথনত পাৰ্শ্ব চৰিত্ৰৰূপে উপস্থিত থাকে নে মুখ্য চৰিত্ৰৰূপে উপস্থিত থাকে তাৰ ওপৰত ভিত্তি কৰি জেনেটে ক্ৰমে হোমোডাইজেটিক কথক আৰু অটোডায়েজেটিক কথকৰ ধাৰণাটো আগবঢ়োৱা যেন লাগে।

**আত্মমূল্যায়ন প্ৰশ্ন**

আপোনালোকৰ প্ৰিয় বোলছবি এখনৰ কথনৰ গঠন বিশ্লেষণ কৰি কথকৰ ভূমিকা নিৰ্ণয় কৰক।

.............................................................................................................

.............................................................................................................

### ৩.৬.৩ লক্ষ্যবিন্দুকৰণ (Focalization)

কথকৰ দৰেই কথনৰ আন এক গুৰুত্বপূৰ্ণ উপাদান হ'ল লক্ষ্যবিন্দুকৰণ। কথনৰ সৈতে প্ৰায় একেই যদিও দৃষ্টিভংগীৰ পিনৰ পৰা কথনতকৈ লক্ষ্যবিন্দুকৰণ পৃথক। কথনত কোনে কথা কৈছে সেই দিশটোৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ বিপৰীতে লক্ষ্যবিন্দুকৰণত কোনে দেখিছে সেই দিশটো লক্ষ্য কৰা হয়। লক্ষ্যবিন্দুৰ ধাৰণাটো জেৰাৰ্ড জেনেটে তেওঁৰ Narrative Discourse (1980)ত প্ৰবৰ্তন কৰিছিল। জেনেটৰ এই তত্ত্বই দৃষ্টিভংগীক সূক্ষ্মভাৱে বিশ্লেষণ কৰি কথনমূলক তথ্য কেনেকৈ উপস্থাপন কৰা হয় সেই বিষয়ে বুজাৰ এক কাঠামো গঢ় দিছিল। কাহিনীৰ পৰিঘটনা আৰু চৰিত্ৰৰ বিষয়ে কথকৰ জ্ঞানৰ মাত্ৰাক লক্ষ্যবিন্দুই প্ৰতিনিধিত্ব কৰে। জেনেটে তিনিটা প্ৰাথমিক ধৰণৰ লক্ষ্যবিন্দুকৰণ চিনাক্ত কৰিছিল- শূন্য লক্ষ্যবিন্দুকৰণ, আভ্যন্তৰীণ লক্ষ্যবিন্দুকৰণ আৰু বাহ্যিক লক্ষ্যবিন্দুকৰণ।

শূন্য লক্ষ্যবিন্দুকৰণত কাহিনীৰ পৰিঘটনা, চৰিত্ৰৰ চিন্তাধাৰা আৰু পটভূমিৰ বিৰৰণৰ বিষয়ে কথকৰ সীমাহীন জ্ঞান থাকে। কথকজনে চৰিত্ৰবোৰৰ চেতনাক অতিক্ৰম কৰি যিকোনো এটা চৰিত্ৰই জনাতকৈ অধিক তথ্য প্ৰকাশ কৰে। উদাহৰণস্বৰূপে লিঅ' টলষ্টয়ৰ ৱাৰ এণ্ড পীচ শীৰ্ষক উপন্যাসখনৰ কথা ক'ব পাৰি। এই কথনৰ কথকজনে সঘনাই চৰিত্ৰসমূহৰ চিন্তা, ঐতিহাসিক ধাৰাভাষ্য আৰু দাৰ্শনিক প্ৰতিফলনৰ মাজত স্থানান্তৰিত হৈ দৰ্শকক যিকোনো ব্যক্তিগত চৰিত্ৰৰ তুলনাত বিস্তাৰিত জ্ঞান প্ৰদান কৰে। আভ্যন্তৰীণ লক্ষ্যবিন্দুকৰণত কথকৰ জ্ঞান কোনো বিশেষ চৰিত্ৰ ৰ ধাৰণা, চিন্তা আৰু অভিজ্ঞতাৰ মাজতে সীমাবদ্ধ থাকে। আৰু ইয়াৰ বিপৰীতে বাহ্যিক লক্ষ্যবিন্দুকৰণত কথকে কথনত উপস্থিত নথকাকৈ বাহিৰৰ পৰা কথনক দৃষ্টিভংগী প্ৰদান কৰে। ইয়াত কথকৰ দৃষ্টিভংগী চৰিত্ৰসমূহৰ আভ্যন্তৰীণ চিন্তা বা আৱেগ-অনুভূতিৰ প্ৰৱেশ নোহোৱাকৈ পৰ্যবেক্ষণযোগ্য কাৰ্য আৰু সংলাপৰ মাজতে সীমাবদ্ধ হৈ থাকে।

কথনক লক্ষ্যবিন্দুৰ উপস্থিতিক স্বীকাৰ কৰি জাহ্নে তেওঁৰ কথনত চাৰি প্ৰকাৰৰ লক্ষ্যবিন্দু চিনাক্ত কৰিছিল। -

(ক) স্থিৰ লক্ষ্যবিন্দুঃ স্থিৰ লক্ষ্যবিন্দুৱে কথনৰ কাহিনীটো সদায় এটা চৰিত্ৰৰ দৃষ্টিকোণৰ পৰা প্ৰকাশ কৰাৰ পোষকতা কৰে। সেইসমূহ হৈছে এনেধৰণৰ-

(খ) চলমান লক্ষ্যবিন্দুঃ চলমান লক্ষ্যবিন্দুত কথনত বিভিন্ন চৰিত্ৰই কাহিনীৰ বিভিন্ন অংশত বিভিন্ন দৃষ্টিভংগী প্ৰদান কৰে।

(গ) একাধিক লক্ষ্যবিন্দুঃ একাধিক লক্ষ্যবিন্দুত কথনত একেটা পৰিঘটনাকে বিভিন্ন চৰিত্ৰৰ চকুৰে দেখুওৱা হয়।

(ঘ) সামূহিক লক্ষ্যবিন্দুঃ সামূহিক লক্ষ্যবিন্দুত কথনৰ দৃষ্টিভংগীটো এটা গোটৰ পৰা আহে।

অৱশ্যে এই চাৰিওপ্ৰকাৰৰ লক্ষ্যবিন্দুকে আভ্যন্তৰীণ লক্ষ্যবিন্দুৰ উপবিভাজন বুলি কলেও ভুল নহয়। কিয়নো জাহ্নু প্ৰদত্ত প্ৰতিটো লক্ষ্যবিন্দুতে কথকৰ উপস্থিতি কথনৰ অন্তৰ্ভুক্ত বুলি ধৰা হৈছে।

### ৩.৬.৪ সময় আৰু কালক্ৰম (Time and Chronology)

সময় আৰু কালক্ৰম কথন বিশ্লেষণৰ এক মৌলিক উপাদান। এই উপাদানে কথনৰ গঠন, অগ্ৰগতি আৰু ব্যাখ্যা গঢ় দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। জেৰাৰ্ড জেনেট, ছিমৰ চেটমেন (Seymour Chatman), পল ৰিকোৰ (Paul Ricoeur) আদি পণ্ডিতসকলে কথন বিশ্লেষণত সময়ৰ ধাৰণাটো ব্যাপকভাৱে বিশ্লেষণ কৰিছে। তেওঁলোকৰ অধ্যয়নে পাঠকৰ পৰিঘটনা, চৰিত্ৰৰ বিকাশ আৰু বিষয়ভিত্তিক গভীৰতাৰ বোধগম্যতাক কালিক গঠনে প্ৰভাৱিত কৰা দিশটো উজ্জ্বল কৰি তুলিছে। কথন বিশ্লেষণৰ এই উপাদানটোক বহুকেইটা ধাৰণাই সমৃদ্ধ কৰিছে। কথন বিশ্লেষকসকলে সময় আৰু কালক্ৰমৰ প্ৰসংগত আলোচিত এই ধাৰণাসমূহ তলত তুলি ধৰা হ'ল-

#### ৩.৬.৪.১ কালিক ক্ৰম

জেৰাৰ্ড জেনেটে আগবঢ়োৱা এই কালিক ক্ৰমৰ ধাৰণাটোৱে পৰিঘটনাৰ কালক্ৰমিক ক্ৰমৰ পৰা বিচ্যুতিক বুজায়। এই বিচ্যুতি বৰ্তমান কালৰ পৰা অতীত কাল বা বৰ্তমান কালৰ পৰা অতীত কাললৈ হ'ব পাৰে। একেদৰে ভৱিষ্যত কালৰ পৰা বৰ্তমান কাললৈ আৰু অতীত কালৰ পৰাও বৰ্তমান কাললৈ কালক্ৰমিক ক্ৰমৰ বিচ্যুতি ঘটিব পাৰে। জেনেটে কথনৰ আদিভাগতে ভৱিষ্যতৰ পৰিঘটনা, চৰিত্ৰসমূহ উন্মোচন কৰি পাছত বৰ্তমানলৈ উভতি আহে। কথনৰ এনে কৌশলক জেনেটে ভৱিষ্যাৱলোকন (Pro-lepsis or Flashforward) বুলি চিহ্নিত কৰিছে। সমান্তৰালভাৱে কথনৰ আৰম্ভণিৰ বিন্দুৰ পিছত অতীতৰ পৰিঘটনাৰ পৰিচয় দিয়া কালিক ক্ৰম কৌশলক জেনেটে পশ্চাৎ-অৱলোকন (Analepsis or Flashback) বুলি অভিহিত কৰিছে। তদুপৰি কেতিয়াবা কথনত কালিক ক্ৰমত স্পষ্টতাৰ অভাৱ দেখা যায়। এনে কথনত কাহিনী অতীতৰ পৰা বৰ্তমান, বৰ্তমানৰ পৰা অতীত, বৰ্তমানৰ পৰা ভৱিষ্যতলৈ গতি কৰে। এনেধৰণৰ কালিক ক্ৰমক জেনেটে ক্ৰনিক কথন (Achronic Narrative) বুলি কৈছে।

#### ৩.৬.৪.২ সময়সীমা (কালিক গতি)

জেনেটে কথন সময় (কথা ক'বলৈ লোৱা সময়) আৰু কাহিনীৰ সময় (ঘটনাবোৰৰ প্ৰকৃত সময়)ৰ মাজৰ সম্পৰ্ক হিচাপেও সময়সীমাৰ ৰূপৰেখা দাঙি ধৰিছে। কথনত এই সময়সীমা সাৰাংশ, দৃশ্য আৰু উপবৃত্তকাৰৰ দৰে ভিন্ন কৌশলেৰে আয়ত্ব কৰিব পাৰি। দীৰ্ঘ সময়ৰ পৰিঘটনাক এটা চমু কথন খণ্ডত সংকোচিত কৰাই সাৰাংশ

(Summary)। ইতিমধ্যে আলোচিত লিঅ' টলষ্টয়ৰ ৱাৰ এণ্ড পীচ গ্ৰন্থত বিশাল ঐতিহাসিক পৰিঘটনাসমূহক প্ৰতিনিধিত্বকাৰী বিৱৰণীৰে সংক্ষিপ্ত কৰা হৈছে। একেই কথা ৰাহুল সাংকৃত্যয়নৰ ভল্গা সে গংগা উপন্যাসত এনেধৰণে সাৰাংশ কৌশলৰ প্ৰয়োগ লক্ষ্য কৰা যায়। ইয়াৰ বিপৰীতে দৃশ্য (Scene) কৌশলত কথনত বিশদ সংলাপ আৰু বৰ্ণনাৰ সৈতে বাস্তৱ সময়ক উপস্থাপন কৰা হয়। উদাহৰণস্বৰূপে ভাৰ্জিনিয়া উলফৰ মিচেছ ডেলৱেত বাস্তৱ সময়ৰ অভিজ্ঞতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কথনটো এদিনতে উন্মোচিত হৈছে। কেতিয়াবা আকৌ কথনৰ ব্যৱধান সৃষ্টি কৰিবলৈ কিছুমান সময়ৰ খণ্ড বাদ দিয়া দেখা যায়। এই কৌশলক উপবৃত্তাকাৰ (Ellipsis) বুলি জেনেটে উল্লেখ কৰিছে।

### ৩.৬.৪.৩ পুনৰাবৃত্তি

কথনত কিমান সঘনাই পৰিঘটনাবোৰ বৰ্ণনা কৰা হৈছে সেয়া বিচাৰ কৰাই পুনৰাবৃত্তি। কোনো এক বিশেষ ঘটনাৰ পুনৰাবৃত্তিয়ে ঘটনাৰ গুৰুত্ব প্ৰতিষ্ঠা কৰে। এবাৰ ঘটা এটা পৰিঘটনা কথনত এবাৰ বৰ্ণিত হ'লে তাক একক কথন (Singulative Narrative) বোলা হয়। একেদৰে এবাৰ ঘটা এটা পৰিঘটনাক একাধিকবাৰ বৰ্ণনা কৰিলে সেয়া একাধিক কথন (Repetitive Narrative) আৰু বাৰে বাৰে ঘটা এটা পৰিঘটনাৰ বৰ্ণনা এবাৰহে কথনত ব্যৱহৃত হ'লে তাক পুনৰাবৃত্তিমূলক কথন (Iterative Narrative) ৰূপে অভিহিত কৰা হয়।

সময় আৰু কালক্ৰম কথন বিশ্লেষণৰ অপৰিহাৰ্য উপাদান। ইয়ে কথনৰ সংহতি, পাঠকৰ মনোগ্ৰাহিতা আৰু বিষয়বস্তুক প্ৰভাবিত কৰে। কালিক ক্ৰম, সময়সীমা আৰু পুনাৰবৃত্তিক আধাৰ কৰি কথকে ৰৈখিক কাহিনী কথনৰ সলনি প্ৰত্যাহ্বানপূৰ্ণ জটিল কথন নিৰ্মাণ কৰে। বিশেষকৈ ছবি আৰু ডিজিটেল কাহিনী তৈয়াৰ কৰাত আধুনিক কথনে সময়ক ব্যাপকভাৱে সাল-সলনি কৰি পাঠক, শ্ৰোতা বা দৰ্শকৰ মনোযোগ আকৰ্ষণ বৃদ্ধি কৰে।

### ৩.৬.৫ চৰিত্ৰায়ন আৰু অভিনয়মূলক আৰ্হি (Characterization and the Actantial Model)

কথন বিশ্লেষণত চৰিত্ৰায়ন আৰু এক্টেন্টিয়েল আৰ্হিয়ে কথনৰ ভিতৰত চৰিত্ৰসমূহে কেনেদৰে কাম কৰে সেই কথা বুজাত সহায় কৰে। কাহিনী কথনত চৰিত্ৰৰ মাজৰ সম্পৰ্ক, গঠন আৰু ভূমিকা বিশ্লেষণ কৰাত চৰিত্ৰায়ন আৰু এক্টেন্টিয়েল আৰ্হিয়ে অৰিহণা যোগায়।

কথকে কথনত চৰিত্ৰ সৃষ্টি আৰু বিকাশৰ বাবে ব্যৱহাৰ কৰা কৌশল আৰু পদ্ধতিকে চৰিত্ৰায়ন বোলে। চৰিত্ৰায়নে এক বিশেষ চৰিত্ৰৰ ব্যক্তিত্ব, প্ৰেৰণা আৰু সামাজিক ভূমিকা তুলি ধৰে। কথন বিশ্লেষণত চৰিত্ৰায়ন দুটা মূল দৃষ্টিকোণৰ আলোচনা কৰিব পাৰি। সেয়া এনেধৰণৰ-

**প্ৰত্যক্ষ চৰিত্ৰায়নঃ** কথকে চৰিত্ৰটোৰ বৈশিষ্ট্যসমূহ (যেনেঃ শাৰীৰিক ৰূপ, চিন্তা বা আচৰণ) স্পষ্টভাৱে বৰ্ণনা কৰে। উদাহৰণস্বৰূপে- য়েছে দৰজে ঠংচিৰ মিছিং উপন্যাসৰ কথকে সিং ড্ৰাইভাৰ নামৰ চৰিত্ৰ এটাৰ সৈতে পাঠকক চিনাকি কৰাই দিছে এইদৰে- "মানুহজন এতিয়া বুঢ়া হৈছে। দেহা জৰাজীৰ্ণ নহ'লেও বয়সৰ আঁচোৰ তাৰ চেহেৰাত স্পষ্টভাৱে জিলিকি উঠিছে।" ইয়াত চৰিত্ৰৰ শাৰীৰিক বৈশিষ্ট্য কথকে তুলি ধৰি চৰিত্ৰায়ন কৰিছে বাবে ইয়াক প্ৰত্যক্ষ চৰিত্ৰৰূপে অভিহিত কৰিব পাৰি।

**পৰোক্ষ চৰিত্ৰায়নঃ** চৰিত্ৰটোৰ বৈশিষ্ট্যসমূহ ক্ৰিয়া, সংলাপ আৰু অন্য চৰিত্ৰৰ সৈতে হোৱা কথোপকথনৰ জৰিয়তে প্ৰকাশ পায়। উদাহৰণস্বৰূপে, দেবেন্দ্ৰনাথ আচাৰ্যৰ কালপুৰুষ উপন্যাসৰ নায়ক চৰিত্ৰ খৰঙীৰ নদাই সঁজাতীৰ চৰিত্ৰটোৰ চৰিত্ৰায়ন ঔপন্যাসিকে পৰোক্ষ ৰূপত কৰিছে।

কথন বিশ্লেষণৰ আলোচনাত মাইকে বালৰ দৰে তাত্ত্বিকে চৰিত্ৰায়নত চৰিত্ৰবোৰৰ বাস্তৱ সত্তাতকৈ পাঠৰ উপাদানগত গুৰুত্ব অধিক বুলি স্বীকাৰ কৰিছে। লগতে বালে কৈছে যে চৰিত্ৰায়নত চৰিত্ৰবোৰৰ মানসিক গভীৰতাৰ পৰিৱৰ্তে কাহিনীভাগত ইহঁতৰ কাৰ্যৰ ওপৰত অধিক মনোনিৱেশ কৰা হয়।

একেদৰে কথনৰ ভূমিকা আৰু প্ৰকাৰ্য বিশ্লেষণৰ বাবে আলগিৰ্ডাছ জুলিয়েন গ্ৰেইমাছে (১৯৬৬) এক অভিনয়মূলক আৰ্হি (Actantial Model) শীৰ্ষক কাঠামো প্ৰদান কৰিছিল। ব্যক্তিগত চৰিত্ৰৰ ওপৰত গুৰুত্ব দিয়াৰ পৰিৱৰ্তে এই আৰ্হিটোৱে বেছিভাগ কথনত দেখা দিয়া ছটা অভিনয়মূলক চৰিত্ৰৰ আলোচনা কৰিছিল। সেইসমূহ হ'ল ক্ৰমে- (ক) ব্যক্তি (Subject), (খ) বস্তু (Object), (গ) প্ৰেৰক (Sender), (ঘ) গ্ৰহণকৰ্তা (Receiver), (ঙ) সহায়ক (Helper) আৰু (চ) প্ৰতিদ্বন্দী (Opponent)। গ্ৰেইমাছৰ দৃষ্টিত এক লক্ষ্যপূৰ্ণ নায়কঙ্গনায়িকা কথনৰ বা কেন্দ্ৰীয় চৰিত্ৰই হৈছে ব্যক্তি। এই ব্যক্তিৰ অভিযানৰ আঁৰত থকা আকাংক্ষিত লক্ষ্য বা বস্তুকে গ্ৰেইমাছে বস্তু বুলি অভিহিত কৰিছে। কথনত যি সত্তাই ব্যক্তিৰ অভিযান আৰম্ভ কৰায় বা লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে সেয়াই গ্ৰাইমাছৰ দৃষ্টিত প্ৰেৰক। অভিযানৰ ফলাফলৰ পৰা লাভবান হোৱা চৰিত্ৰ বা সত্তাই গ্ৰহণকৰ্তা। একেদৰে যি চৰিত্ৰ বা শক্তিয়ে বিষয়বস্তুক লক্ষ্যত উপনীত হোৱাত সহায় কৰে তাক গ্ৰাইমাছে সহায়ক বুলি অভিহিত কৰি বিষয়ৰ অগ্ৰগতিত বাধাৰ সৃষ্টি কৰা চৰিত্ৰ বা শক্তিক প্ৰতিদ্বন্দী বুলি উল্লেখ কৰিছে। উদাহৰণস্বৰূপে এক দৃশ্যমান কথন হিচাপে ১৯৭৫ চনত মুক্তি পোৱা শোলে বোলছবিখনৰ কথা ক'ব পাৰি। অভিনয়মূলক আৰ্হিৰে বোলছবিখন বিচাৰ কৰিলে এনেধৰণৰ হ'ব-

ব্যক্তিঃ বোলছবিখনত জয় আৰু বীৰু লক্ষ্যপূৰ্ণ নায়ক বাবে ব্যক্তিৰ ভূমিকাত অৱতীৰ্ণ হৈছে।

বস্তুঃ দুয়োজন নায়কৰে অভিযানৰ আঁৰত আছে প্ৰতিশোধ আৰু ৰামগড় গাঁৱৰ ন্যায় অন্তৰ্নিহিত হৈ আছে বাবে বস্তুৰ ভূমিকাত গ্ৰহণ কৰিছে।

প্ৰেৰকঃ দুয়ো নায়ককে অভিযানত ঠাকুৰে নিযুক্ত কৰিছে বাবে প্ৰেৰক ঠাকুৰ।

গ্ৰহণকৰ্তাঃ ঠাকুৰ আৰু গাঁৱৰ মানুহ।

সহায়কঃ নায়কদ্বয়ক আৱেগিক আৰু কৌশলগত সহায় আগবঢ়োৱাৰ বাবে সহায়ক হৈছে ৰাধা আৰু বসন্তী।

প্ৰতিদ্বন্দীঃ নায়কদ্বয়ক অভিযানত বাধা দিয়া প্ৰতিদ্বন্দী হ'ল গব্বৰ।

চৰিত্ৰায়নে চৰিত্ৰসমূহৰ গভীৰতা, ব্যক্তিত্ব আৰু বৈশিষ্ট্যৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ইয়াৰ বিপৰীতে অভিনয়মূলক আৰ্হিয়ে চৰিত্ৰসমূহৰ কথনমূলক ভূমিকাক উজ্জ্বল কৰি তোলে। উদাহৰণস্বৰূপে উপন্যাস এখনৰ গভীৰ জটিল চৰিত্ৰ এটাৰ আৰু একেখন উপন্যাসৰে পাৰ্শ্ব চৰিত্ৰ এটাৰ চৰিত্ৰায়ন একে পৰ্যায়ৰ স্বাভাৱিকতে নহ'ব কিন্তু গ্ৰেইমাছৰ ধাৰণাত সেই জটিল চৰিত্ৰটোৱে কথনৰ ব্যক্তি হিচাপে ভূমিকা পালন কৰাৰ সমান্তৰালভাৱে আপাত পাৰ্শ্ব যেন লগা চৰিত্ৰটোৱে সহায়কৰ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি কথনক আগুৱাই নিব পাৰে।

### ৩.৬.৬ কথনৰ ধৰণ আৰু বাকধাৰা (Narrative Modes and Discourse)

কথন বিশ্লেষণত কথনৰ ধৰণে কাহিনী বা কথন এটা উপস্থাপন কৰিব পৰা ভিন্ন ধৰণক প্ৰতিনিধত্ব কৰে। প্ৰত্যেক ধৰণে কথনৰ বাকধাৰাক গঢ় দিয়ে আৰু প্ৰত্যেক বাকধাৰাপূৰ্ণ কথনক দৰ্শকে কেনেদৰে গ্ৰহণ কৰে সেয়া প্ৰভাৱিত কৰে। কথনৰ এই ধৰণবোৰ বাকধাৰাৰ ধাৰণাটোৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত। বাকধাৰাৰ মাজেৰেই কথনে যোগাযোগৰ মাধ্যম হিচাপে কৰ্মসাম্পাদন কৰে। কাহিনী কথনৰ গঠন, শৈলী আৰু প্ৰভাৱ বিশ্লেষণৰ বাবে কথনৰ ধৰণ আৰু বাকধাৰাৰ মাজৰ আন্তঃক্ৰিয়া বুজাটো অতি প্ৰয়োজনীয়। কথকৰ কাহিনী উপস্থাপন কৰাৰ ভিন্ন শৈলীকে কথনৰ ভিন্ন ধৰণে প্ৰতিনিধিত্ব কৰে। কথনৰ ধৰণ সম্পৰ্কে জেৰাৰ্ড জেনেটে এক পৰিকাঠামো আগবঢ়াইছিল। এই ধাৰণামতে কথনৰ ধৰণত নিম্নোক্ত উপাদানসমূহ লক্ষ্য কৰিব পাৰি-

**মিমেচিছ** (Mimesis)- সংলাপ বা নাটকীয়তাৰ জৰিয়তে বাস্তৱ সময়ত পৰিঘটনাবোৰ উন্মোচিত হোৱাৰ দৰে কথনটো উপস্থাপন কৰা কথনৰ ধৰণক মিমেচিছ বুলি অভিহিত কৰা হৈছে। উদাহৰণস্বৰূপে, নাটক আৰু চিনেমাৰ কাহিনীৰ কথনৰ ধৰণ মিমেচিছৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰশীল।

**ডাইজেচিছ** (Diegesis)- বৰ্ণনা, চিন্তা-ভাৱনা বা সাৰাংশৰ জৰিয়তে কথকে প্ৰত্যক্ষভাৱে পৰিঘটনাসমূহৰ পুনৰাবৃত্তি কৰা কথন ধৰণক ডাইজেচিছ বুলি অভিহিত কৰা হৈছে। কথনৰ এনে ধৰণে দৰ্শক/পাঠক/শ্ৰোতাক আৰু কথনত সম্পন্ন ক্ৰিয়াৰ মাজত ব্যৱধান সৃষ্টি কৰে। পৰম্পৰাগত উপন্যাসত কথনৰ এই ধৰণৰ সততে ব্যৱহাৰ দেখা যায়।

**ব্যাখ্যামূলক কথন**-কথনৰ এনে ধৰণত কথকে পটভূমিৰ তথ্য, চৰিত্ৰৰ উদ্দেশ্য আৰু কাহিনীৰ প্লটটো বুজিবলৈ অতীতৰ গুৰুত্বপূৰ্ণ পৰিঘটনাসমূহ ব্যাখ্যা কৰে।

**বিৱৰণমূলক কথন**- কথনৰ এনে ধৰণত কথকে দৃশ্যমান বিৱৰণৰ খুঁটি-নাটি, পৰিৱেশ আৰু চাৰিত্ৰিক বৈশিষ্ট্যৰ ওপৰত গুৰুত্ব আৰোপ কৰি প্ৰাণৱন্ত চিত্ৰকল্পৰ জৰিয়তে পাঠকৰ ধাৰণা গঢ় দিয়াৰ প্ৰয়াস কৰে।

**সংলাপমূলক কথন**- চৰিত্ৰৰ যোগাযোগৰ জৰিয়তে সংলাপে প্ৰত্যক্ষভাৱে নোকোৱাকৈও চৰিত্ৰৰ ব্যক্তিত্ব, সংঘাত আৰু কাহিনীভাগৰ বিকাশ উন্মোচন কৰিব পাৰে। কথনৰ এনে ধৰণক সংলাপমূলক কথন বুলি অভিহিত কৰা হয়।

ইতিমধ্যে আলোচিত কথন বিশ্লেষণৰ মূল উপাদানসমূহকে জাহ্নে (২০০৫) তিনিটা বহল ভাগত বিভাজন কৰি আলোচনা কৰিছে। সেইসমূহ ক্ৰমে এনেধৰণৰ-

(i) কথন, লক্ষ্যবিন্দুকৰণ আৰু কথনৰ পৰিস্থিতি

(ii) ক্ৰিয়া-কাৰ্য, কাহিনী বিশ্লেষণ, আৰু কথনযোগ্যতা

(iii) কাল, সময়, আৰু কথনৰ ধৰণ

জাহ্নেৰ আলোচনাত প্ৰথম বিভাজনে কথনৰ গঠন, কথক, কথন আৰু লক্ষ্যবিন্দুকৰণক সামৰিছে। দ্বিতীয় বিভাজনে কথনৰ পৰিঘটনাসমূহৰ ক্ৰমক ক্ৰিয়া বুলি আলোচনা কৰিছে। এই অংশই কথনৰ বিভিন্ন অংশৰ মাজত এক যুক্তিসংগত সংযোগৰ সৃষ্টি কৰাৰ পোষকতা কৰে। আনহাতে তৃতীয় অংশই কালিক ক্ৰম, কালিক পৰিৱৰ্তন, ক্ৰম, সময়সীমা আৰু বাৰংবাৰতাৰ আলোচনা কৰে। সামগ্ৰিকভাৱে কথনৰ গঠন, কথক, সময়, চৰিত্ৰায়ন আৰু বাকধাৰা অধ্যয়নৰ মাজেৰে কথন বিশ্লেষণৰ এক বিস্তৃত পৰিকাঠামো পাব পাৰি। এই ধাৰণাসমূহৰ প্ৰয়োগ কৰি গৱেষকসকলে কথন ব্যৱস্থাৰ বিষয়ে গভীৰ অন্তৰ্দৃষ্টি লাভ কৰে আৰু এই অন্তৰ্দৃষ্টিৰে লিখিত, শ্ৰাব্য আৰু দৃশ্যমান সকলো পাঠকে সমৃদ্ধ কৰে।

## ৩.৭ সামৰণি

কথন (narrative)ৰ গঠন, বিকাশ আৰু অৰ্থক লৈ অধ্যয়ন কৰা এক পদ্ধতিগত পৰিকাঠামো হৈছে কথন বিশ্লেষণ। এক কথাত কথন বিশ্লেষণ বিভিন্ন মাধ্যমত কাহিনী কথনৰ কৌশলৰ অধ্যয়ন। বিংশ শতিকাৰ ভাষা অধ্যয়নৰ গঠনবাদী দৃষ্টিভংগীয়ে এক বিদ্যায়তনিক শাখাৰূপে কথন বিশ্লেষণৰ উৎপত্তিক প্ৰভাৱান্বিত কৰিছিল। কথন বিশ্লেষণৰ বিকাশত বিশেষকৈ ভ্লাদিমিৰ প্ৰপ, ৰ'লা বাৰ্থ আৰু জেৰাৰ্ড জেনেটৰ দৰে ভাষাবিদৰ অৱদান বিশেষভাৱে উল্লেখযোগ্য।

কথন বিশ্লেষণৰ অধ্যয়নৰ বিকাশ ভিন্ন স্তৰ বা পৰ্যায়ত সম্পন্ন হোৱা দেখা যায়। গঠনবাদী দৃষ্টিৰে পৰিপুষ্ট গঠনমূলক পৰ্যায়ে কথনৰ বিশ্বজনীন পৰিকাঠামোৰ ওপৰত গুৰুত্ব দিয়ে। এই ধাৰণাৰ বিপৰীতে উত্তৰ-গঠনবাদী (post-structuralist) দৃষ্টিভংগীয়ে

পৰম্পৰাগত দৃষ্টিসম্পন্ন নির্দিষ্ট গাঁথনিসম্পন্ন অৰ্থৰ ধাৰণাক প্ৰত্যাহ্বান জনায়। উত্তৰ-গঠনবাদী দৃষ্টিয়ে সংস্কৃতি, জ্ঞানমূলক (cognitive) আৰু ডিজিটেল ক্ষেত্ৰৰ নতুন দিশসমূহৰ অন্বেষণ কৰে। এই অন্বেষণত কথন বিশ্লেষণত কথন গঠন, কথক, লক্ষ্যবিন্দুকৰণ, সময় আৰু কালক্ৰম, চৰিত্ৰায়ন আৰু বাকধাৰাৰ দৰে কথন বিশ্লেষণৰ উপাদানসমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই উপাদানসমূহৰ জৰিয়তে কথননসমূহ বিশ্লেষণ কৰি কথন বিশ্লেষণে কাহিনী কথন কলা সম্পৰ্কে গভীৰ অন্তৰ্দৃষ্টি প্ৰদান কৰি সাহিত্য, সংবাদ মাধ্যম আৰু সাংস্কৃতিক বাকধাৰাৰ মৰ্ম উপলব্ধিত সহায় কৰে।

### ৩.৮ সাৰাংশ (Summing Up)

ঘটনা, অভিজ্ঞতা বা কাৰ্যসমূহক ক্ৰমাগত ৰূপত উপস্থাপন কৰা প্ৰক্ৰিয়াই হৈছে কথন। কথন কল্পিত (fictional) বা অকল্পিত (non-fictional) উভয় প্ৰকাৰৰ হ'ব পাৰে। সাধাৰণতে কথনত প্লট (Plot), চৰিত্ৰ (Character), পৰিৱেশ (Setting), আৰু দৃষ্টিভংগী (Point of View) থাকে। সাহিত্য, চলচ্চিত্ৰ, লোকগাঁথা, আৰু দৈনন্দিন কথোপকথনত কথনৰ ব্যৱহাৰ লক্ষ্য কৰিব পাৰি। কথনৰ গঠন আৰু কাৰ্যকাৰিতা আৰু অৰ্থ নিৰ্মাণৰ প্ৰকৃতি অধ্যয়নে কথন বিশ্লেষণ। কথন বিশ্লেষণৰ ইংৰাজী প্ৰতিশব্দ Narratology অভিধাটো প্ৰথমবাৰৰ বাবে ১৯৬৯ চনত ট'জ'ভেটান টডোৰভ (Tzvetan Todorov)-এ ব্যৱহাৰ কৰিছিল। স্বাভাৱিকতে মানৱে কথা ক'বলৈ আৰম্ভ কৰাৰ সময়ৰে পৰা কথনৰ প্ৰচলন আছে। অৱশ্যে কথনৰ প্ৰথম আলোচনা খ্ৰীঃপূঃ চতুৰ্থ শতিকাত প্ৰথম এৰিষ্ট'টলৈ কৰিছিল বুলি জনা যায়। বিংশ শতিকাত ভ্লাডিমিৰ প্ৰোপে (Vladimir Propp)-ৰ "Morphology of the Folktale" (1928) গ্ৰন্থৰ জৰিয়তে ৰাচিয়ান লোক-কথাত সততে দেখা কাহিনীৰ গঠনৰ আলোচনা আগবঢ়াইছিল। পিছলৈ ক্লড লেভি-ষ্ট্ৰাউছ (Claude Lévi-Strauss)-এ দ্বৈত বিৰোধ (binary opposition)-ধাৰণাৰ ভিত্তিত পুৰাকথা আৰু কাহিনীৰ গঠন বিশ্লেষণ কৰিছিল। একেদৰে ৰোলা বাৰ্থ (Roland Barthes) আৰু জেৰাৰ্ড জেনেট (Gérard Genette)-এ ১৯৭০-৮০ দশকত কথন বিশ্লেষণক নতুন ধাৰণাৰে উন্নীত কৰে। বিংশ শতিকাৰ অন্তিম পৰ্যায়ত উত্তৰ-গঠনবাদী (Post-Structuralist) গৱেষকসকলে কথনৰ পূৰ্বনিৰ্ধাৰিত অৰ্থক সমালোচনা কৰি পাঠকৰ ভূমিকা গুৰুত্ব সহকাৰে অধ্যয়ন কৰে। তদুপৰি, সম্প্ৰতি সজ্ঞানাত্মক বিজ্ঞান আৰু সাংস্কৃতিক কথন বিশ্লেষণে মানুহৰ চিন্তাধাৰা আৰু পৰিচিতি গঠনত কথনৰ ভূমিকাও অধ্যয়ন কৰে। সেইদিশৰ পৰা কথন বিশ্লেষণৰ বিকাশক তিনিটা মুখ্য পৰ্যায়ৰ মাজেৰে আলোচনা কৰিব পাৰি। সেইসমূহ হৈছে ক্ৰমে-

(১) ধ্ৰুপদী গঠনবাদী কথন বিশ্লেষণ (১৯৬০-৭০ দশক)- এই পৰ্যায়ত সাধাৰণতে কাহিনী বা কথনৰ গঠন আৰু গাঠনিক নিয়মসমূহ প্ৰধানকৈ অধ্যয়ন কৰিছিল।

(২) উত্তৰ-গঠনবাদী কথন বিশ্লেষণ (১৯৮০-৯০ দশক)- এই পৰ্যায়ত নিৰ্দিষ্ট গাঁথনিসম্পন্ন কথনৰ গঠনক প্ৰশ্ন কৰি পাঠকৰ ভূমিকা আৰু ব্যাখ্যাক গুৰুত্ব দিয়া হৈছিল।

(৩) সজ্ঞানাত্মক আৰু সাংস্কৃতিক কথন বিশ্লেষণ (২০০০ৰ পাছৰ)- এই পৰ্যায়ত কথনে সমাজ, সংস্কৃতি, আৰু মানসিক গঠনত পেলোৱা প্ৰভাৱৰ বিষয়ে অধ্যয়ন কৰা হয়।

ভিন্ন পৰ্যায়ত বিকশিত কথন বিশ্লেষণৰ কিছুমান মুখ্য উপাদান আছে। কথন গঠন (Narrative Structure)-এ কাহিনীৰ সংৰূপণ (Beginning, Middle, End), পৰিণতি, আৰু কাৰণিক সম্বন্ধ (causality) বিশ্লেষণ কৰে। সময় আৰু কালানুক্ৰম (Time and Chronology)-এ ঘটনা কিদৰে সংঘটিত হয় (Linear/Nonlinear), ইয়াৰ দৈৰ্ঘ্য আৰু পুনৰাবৃত্তি অধ্যয়ন কৰে। কথন দৃষ্টিভংগী বা লক্ষ্যবিন্দুকৰণে (Narrative Perspective বা Focalization)-এ কাহিনী কোনে কয় বা কাৰ দৃষ্টিৰে দেখে সেয়া নিৰ্ধাৰণ কৰে (First-person, Third-person, Omniscient)। চৰিত্ৰ আৰু ভূমিকা (Characters and Roles)-এ কাহিনীত চৰিত্ৰসমূহ কিদৰে কাম কৰে তাক নিৰ্ধাৰণ কৰে। কথন বাকধাৰা (Narrative Discourse)-ই কাহিনীৰ ভাষা, শৈলী, আৰু বক্তব্যৰ ভংগী অধ্যয়ন কৰে।

একবিংশ শতিকাত কথন বিশ্লেষণ কেৱল সাহিত্য বা চলচ্চিত্ৰৰ ক্ষেত্ৰতেই সীমাবদ্ধ নহয়। ইয়াৰ বিপৰীতে ডিজিটেল মাধ্যম, কৃত্ৰিম বুদ্ধিমত্তা (Artificial Intelligence)-ৰ দৰে শেহতীয়াকৈ চৰ্চিত ক্ষেত্ৰসমূহতো কথন বিশ্লেষণ প্ৰাসংগিক বিষয়ৰূপে ধৰা দিছে।

## ৩.৯ আৰ্হি প্ৰশ্ন (Sample Questions)

১. কথন বিশ্লেষণ বুলিলে কি বুজা যায় ?

২. কথন বিশ্লেষণৰ ইতিহাস আৰু বিকাশ সম্পৰ্কে এক টোকা প্ৰস্তুত কৰা।

৩. কথন বিশ্লেষণৰ স্তৰসমূহৰ বিষয়ে এক টোকা প্ৰস্তুত কৰা।

৪. কথন বিশ্লেষণৰ মূল উপাদানসমূহৰ বিষয়ে আলোচনা কৰি এক প্ৰবন্ধ যুগুত কৰা।

## ৩.১০ প্ৰসংগ গ্ৰন্থ (Reference/Suggested Readings)

Abbott, H. Porter. *The Cambridge Introduction to Narrative*. 2nd ed., Cambridge UP, 2009.

—. "Narrativity." *Handbook of Narratology*, edited by Peter Hühn et al., Walter de Gruyter, 2009.

Bal, Mieke. *Narratology: Introduction to the Theory of Narrative*. 2nd ed., U of Toronto P, 1997.

—. "Narration and Focalization." *Narrative Theory*, edited by Mieke Bal, Routledge, 2004, pp. 263-296.

Barthes, Roland. "Introduction to the Structural Analysis of Narratives." *The Narrative Reader*, edited by Martin McQuillan, Routledge, 2000, pp. 109-114.

Bordwell, David. *Narration in the Fiction Film*. U of Wisconsin P, 1985.

Chatman, Seymour. *Story and Discourse: Narrative Structure in Fiction and Film*. Cornell UP, 1978.

Freytag, Gustav. *Technique of the Drama: An Exposition of Dramatic Composition and Art*. Translated by Elias J. MacEwan, Scott, Foresman and Company, 1894.

Genette, Gérard. *Narrative Discourse: An Essay in Method*. Translated by Jane E. Lewin, Cornell UP, 1980.

—. *Figures of Literary Discourse*. Translated by Alan Sheridan, Columbia UP, 1982.

—. *Narrative Discourse Revisited*. Translated by Jane E. Lewin, Cornell UP, 1988.

Goswami, Indira. *The Moth-Eaten Howdah of the Tusker*. Translated by Indira Goswami, Rupa Publications, 2004.

Jahn, Manfred. *Narratology: A Guide to the Theory of Narrative*. 2005, www.uni-koeln.de/~ame02/pppn.htm.

Labov, William. *Language in the Inner City: Studies in the Black English Vernacular*. U of Pennsylvania P, 1972.

Prince, Gerald. *A Dictionary of Narratology*. Rev. ed., U of Nebraska P, 2008.

Propp, Vladimir. *Morphology of the Folktale*. 2nd ed., Translated by Laurence Scott, U of Texas P, 1968.

Rimmon-Kenan, Shlomith. *Narrative Fiction: Contemporary Poetics*. 2nd ed., Routledge, 2002.

Sarma, Arun. *Aahar*. Publication Board Assam, 1976.

Stanzel, Franz K. *A Theory of Narrative*. Translated by Charlotte Goedsche, Cambridge UP, 1984.

Toolan, Michael J. *Narrative: A Critical Linguistic Introduction*. Routledge, 1988.

*****

# চতুৰ্থ বিভাগ
# কথোপকথন বিশ্লেষণ

**বিভাগৰ গঠনঃ**

৪.১ ভূমিকা (Introduction)
৪.২ উদ্দেশ্য (Objectives)
৪.৩ কথোপকথন কি
৪.৪ কথোপকথন অধ্যয়নৰ ইতিহাস
৪.৫ কথোপকথন বিশ্লেষণৰ সংজ্ঞা আৰু বৈশিষ্ট্য
৪.৬ কথোপকথন বিশ্লেষণৰ প্ৰয়োগ ক্ষেত্ৰ
৪.৭ কথোপকথন বিশ্লেষণৰ উপাদান
৪.৮ সামৰণি
৪.৯ সাৰাংশ (Summing Up)
৪.১০ আৰ্হি প্ৰশ্ন (Sample Questions)
৪.১১ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

## ৪.১ ভূমিকা (Introduction)

যোগাযোগৰ এক প্ৰধান মাধ্যম হ'ল ভাষা। ভাষাৰ জৰিয়তে মানুহে কৰা যোগাযোগক কথোপকথন বুলি অভিহিত কৰা হয়। মানুহৰ কথোপকথনৰ নিৰ্মিতি আৰু আৰ্হি অধ্যয়নেই হৈছে কথোপকথন বিশ্লেষণ (Conversational Analysis or CA)। সমাজ বিজ্ঞানৰ অধ্যয়নক্ষেত্ৰৰ ভিতৰুৱা এক আলোচনা পদ্ধতি ৰূপে কথোপকথন বিশ্লেষণে কথোপকথনত অংশগ্ৰহণ কৰা ব্যক্তিৰ ভূমিকা, ক্ৰমিক সংগঠন, পাল লোৱা ব্যৱস্থা, মেৰামতিৰ গাঁথনি আৰু কথোপকথনৰ প্ৰসংগভিত্তিক ব্যাখ্যাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এক আন্তঃবিষয়িক ক্ষেত্ৰৰূপে কথোপকথন বিশ্লেষণে সমাজবিজ্ঞান আৰু ভাষাবিজ্ঞান উভয়ৰে পৰা ধাৰণাগতভাৱে সমৃদ্ধ হৈ মানুহৰ যোগাযোগৰ প্ৰকৃতি সম্পৰ্কে অধ্যয়নৰ বাবে আগ্ৰহী হয়। বিংশ শতিকাৰ মাজভাগত বিকাশ হোৱা এই বিদ্যায়তনিক ক্ষেত্ৰখন ভাষাবিজ্ঞান, নৃতত্ত্ব, মনোবিজ্ঞান, যোগাযোগ অধ্যয়নকে ধৰি বিভিন্ন শাখাত ব্যাপকভাৱে ব্যৱহৃত হয়।

মানুহৰ কথোপকথন নিয়ন্ত্ৰণ কৰা অন্তৰ্নিহিত ব্যৱস্থাসমূহ উন্মোচন কৰাৰ বাবেই কথোপকথন বিশ্লেষণ তাৎপৰ্যপূৰ্ণ। মানুহে কিদৰে বাক্যৰ সংগঠিত কৰে, কিদৰে সামাজিকভাৱে স্বীকৃত অংগী-ভংগীৰ প্ৰতি সঁহাৰি জনায় আৰু কিদৰে কথোপকথনত সৃষ্ট ভুল বুজাবুজি নোহোৱা কৰে সেয়া কথোপকথন বিশ্লেষণে সমীক্ষা কৰি এক সামাজিক প্ৰক্ৰিয়াৰূপে যোগাযোগৰ ভূমিকাক স্পষ্ট কৰে। ভাষা অধ্যয়নৰ পৰম্পৰাগত বিশ্লেষণত

প্ৰায়ে ব্যাকৰণ আৰু বাক্য গঠনৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয় বাবে কথোপকথন বিশ্লেষণে ইয়াৰ বিপৰীতে যোগাযোগৰ ভূমিকাক গুৰুত্ব দিয়ে। যোগাযোগৰ ওপৰত এনে গুৰুত্ব প্ৰদান কৰাৰ বাবে দৈনন্দিন কথোপকথনৰ লগতে বিশেষ বাকধাৰা (যেনেঃ আইনী প্ৰক্ৰিয়া, চিকিৎসা পৰামৰ্শ, আৰু ব্যৱসায়িক আলোচনা) বিশ্লেষণৰ বাবে কথোপকথন বিশ্লেষণ এক মূল্যৱান আহিলা। তদুপৰি তাত্ত্বিক ভাষাবিজ্ঞানৰ পৰিকাঠামো আৰু বাস্তৱ জগতৰ যোগাযোগ পদ্ধতিৰ মাজৰ ব্যৱধান দূৰ কৰাত কথোপকথন বিশ্লেষণে সহায় কৰে। প্ৰযুক্তিগত উন্নতিৰ লগে লগে কথোপকথন বিশ্লেষণে ইংগিত, মুখৰ অভিব্যক্তি, আৰু ডিজিটেল যোগাযোগৰ ৰূপক অধ্যয়নৰ বিষয়ৰূপে অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হৈছে। এই উন্নয়নসমূহে এক বিদ্যায়তনিক ক্ষেত্ৰৰূপে কথোপকথন বিশ্লেষণৰ বিৱৰ্তনশীল প্ৰকৃতি তুলি ধৰি মানৱ যোগাযোগ বুজিবলৈ এই ক্ষেত্ৰখনৰ ভূমিকাক প্ৰোজ্জ্বল কৰি তোলে।

## ৪.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়নৰ পাছত আপোনালোকে—

- কথোপকথন সম্পৰ্কে প্ৰাথমিক ধাৰণা লাভ কৰিব পাৰিব,
- কথোপকথন বিশ্লেষণৰ ইতিহাস, সংজ্ঞা আৰু বৈশিষ্ট্য সম্পৰ্কে জানিব পাৰিব,
- কথোপকথন বিশ্লেষণৰ প্ৰয়োগ ক্ষেত্ৰ সম্পৰ্কে জানিব পাৰিব,
- কথোপকথন বিশ্লেষণৰ উপাদান সম্পৰ্কে জানিব পাৰিব।

## ৪.৩ কথোপকথন কি

মানৱ যোগাযোগৰ আটাইতকৈ মৌলিক পন্থাই হৈছে কথোপকথন। কথোপকথনে ব্যক্তিৰ মাজত যোগাযোগ, তথ্য বিনিময় আৰু সামাজিক সম্পৰ্ক স্থাপনৰ প্ৰাথমিক মাধ্যম হিচাপে কাম কৰে। কথোপকথনত অংশগ্ৰহণকাৰীসকলৰ মাজত মৌখিক আৰু অমৌখিক আদান-প্ৰদান জড়িত হৈ থাকে বাবে কথোপকথন এক গাঁথনিক প্ৰক্ৰিয়াৰ সমান্তৰালভাৱে এক গতিশীল প্ৰক্ৰিয়াও। বন্ধু-বান্ধৱৰ সৈতে সম্পন্ন অনানুষ্ঠানিক আলোচনাৰ পৰা আৰম্ভ কৰি পেছাদাৰী আৰু প্ৰতিষ্ঠানিক প্ৰেক্ষাপটত সম্পন্ন আনুষ্ঠানিক আলোচনালৈকে বিভিন্ন পৰিৱেশত কথোপকথন সম্পন্ন হ'ব পাৰে। কথোপকথন হ'বলৈ হ'লে একাধিক অংশগ্ৰহণকাৰীয়ে কেতিয়াবা বক্তাৰ ভূমিকাত আৰু কেতিয়াবা শ্ৰোতাৰ ভূমিকাত অৱতীৰ্ণ হৈ সহযোগিতাৰে বিষয়বস্তুক আগবঢ়াই নিব লগা হয়। এনে সহযোগিতামূলক প্ৰকৃতি কথোপকথনৰ এটা মূল বৈশিষ্ট্য। কথোপকথনত অংশগ্ৰহণকাৰীসকলে পাৰস্পৰিক বুজাবুজি নিশ্চিত কৰিবলৈ সামাজিক নীতি আৰু কথোপকথনৰ নীতিসমূহ মানি চলে। এই প্ৰসংগতে দাৰ্শনিক পল গ্ৰীচে সহযোগিতাৰ চাৰিটা ৰূপৰেখা দাঙি ধৰিছিল- পৰিমাণ, গুণগত মান, সম্পৰ্ক আৰু পদ্ধতি। এই

নীতিসমূহে ফলপ্ৰসূ যোগাযোগ নিশ্চিত কৰাত নিৰ্ণায়ক ভূমিকা পালন কৰে। ইয়াৰ উপৰিও কথোপকথনে সংহতি বজাই ৰাখিবলৈ আৰু ভুল বুজাবুজি নোহোৱা কৰিবলৈ পাল পতা ব্যৱস্থা, সংলগ্ন যোৰ আৰু মেৰামতি ব্যৱস্থাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সাংস্কৃতিক, সামাজিক আৰু প্ৰসংগভিত্তিক কাৰকৰ দ্বাৰা প্ৰভাৱিত হৈ কথোপকথনে ব্যক্তিৰ আত্মপ্ৰকাশকৰ ধৰণ আৰু বাৰ্তাৰ ব্যাখ্যাৰ ধৰণ গঢ় দিয়ে। লগতে বহুভাষিক আৰু আন্তঃসাংস্কৃতিক যোগাযোগত ভাষা নিৰ্বাচন, বাৰ্তা-সঞ্চৰণ, আৰু ভদ্ৰতা কৌশলে কথোপকথনৰ গতিশীল ৰূপ এটা গঢ়াত উল্লেখযোগ্য ভূমিকা পালন কৰে। এনে কথোপকথনৰ গঢ়-গতি অধ্যয়নৰ দ্বাৰা কথোপকথনৰ জৰিয়তে মানুহে কেনেকৈ অৰ্থ গঢ়ে, সম্পৰ্ক পৰিচালনা কৰে আৰু সামাজিক যোগাযোগ নিয়ন্ত্ৰণ কৰে সেয়া বুজিব পাৰি।

### ৪.৪ কথোপকথন অধ্যয়নৰ ইতিহাস

মানুহে কোৱা ভাষা আৰু ভাষাৰ দ্বাৰা অভিপ্ৰেত অৰ্থৰ প্ৰাৰম্ভিক অধ্যয়ন বিংশ শতিকাৰ প্ৰথমাৰ্দ্ধতেই আৰম্ভ হয়। বিশেষকৈ ফাৰ্ডিনাণ্ড দ্য ছ্ছুৰ (১৮৫৭—১৯১৩) আৰু ৰোমান জেকবছ্ন (১৮৯৬—১৯৮২) -ৰ অধ্যয়নে ভাষা অধ্যয়নৰ গঠনবাদী দৃষ্টিৰ সূচনা কৰে। ভাষাক এক চিহ্নব্যৱস্থা বুলি প্ৰতিষ্ঠা কৰাত এওঁলোকৰ উল্লেখযোগ্য অৱদান আছে। অৱশ্যে এওঁলোকৰ দৃষ্টিত কথোপকথনে বিশেষ গুৰুত্ব পোৱা নাছিল। বিংশ শতিকাৰ আৰম্ভণিতে জৰ্জ চিমেল (Georg Simmel) আৰু জৰ্জ হাৰ্বাৰ্ট মিড (George Herbert Mead)-অৰ দৰে সমাজবিজ্ঞানীয়ে পৰিচয় আৰু সামাজিক গাঁথনি গঢ় দিয়াত সামাজিক যোগাযোগৰ ভূমিকাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। এই দৃষ্টিভংগীসমূহে অৰ্থ নিৰ্মাণত যোগাযোগৰ আন্তসম্পৰ্কৰ বিষয়ে আলোচনা কৰি পৰৱৰ্তী পৰ্যায়ত কথোপকথন বিশ্লেষণৰ বিকাশক প্ৰভাৱিত কৰিছিল।

১৯৬০ চনত হাৰ্ভি চেকছ (Harvey Sacks), ইমানুৱেল শ্বেগলফ (Emanuel Schegloff) আৰু গেইল জেফাৰচন (Gail Jefferson)ৰ দৰে গৱেষকৰ চিন্তা-চৰ্চাই এক বিদ্যায়তনিক শাখাৰূপে কথোপকথন বিশ্লেষণৰ আৰম্ভণিৰ বাট মুকলি কৰে। বিশেষকৈ সমাজবিজ্ঞানী হাৰ্ভি চেক্সৰ কথোপকথন সম্বন্ধীয় পৰীক্ষামূলক অধ্যয়নে কথোপকথন অধ্যয়নৰ এক পদ্ধতিগত ভেটি গঢ়ি তুলিছিল। ১৯৬০ৰ দশকৰ আৰম্ভণিতে আমেৰিকাৰ লছ এঞ্জেলেছৰ এক 'আত্মহত্যা প্ৰতিৰোধ কেন্দ্ৰ' (Suicide Prevention Center)-অৰ টেলিফোনিক বাৰ্তালাপৰ ৰেকৰ্ডিঙ শুনি চেক্সে কথোপকথন অধ্যয়ন কৰা আৰম্ভ কৰিছিল। এনেধৰণৰ কথোপকথনত প্ৰায়ে অংশগ্ৰহণকাৰীয়ে টেলিফোনিক কথোপকথনত নিজৰ নাম প্ৰকাশ কৰিবলৈ অনিচ্ছুক হোৱা পৰিলক্ষিত হৈছিল। চেক্সে কথোপকথনৰ কোনটো অংশত বক্তাই নিজৰ নামটো প্ৰকাশ কৰিবলৈ অনিচ্ছুক হয় তাৰ অধ্যয়ন কৰি কাউন্সিলৰৰ নাম সম্পৰ্কীয় প্ৰশ্নক অংশগ্ৰহণকাৰীয়ে প্ৰত্যক্ষভাৱে নাকচ কৰাৰ সলনি বিভিন্ন কৌশল (যেনেঃ ভালকৈ নুশুনা বুলি কোৱা, বিষয় সলনি কৰা) -এৰে এৰাই চলে সেয়া তুলি

ধৰিছিল। কথোপকথনৰ এই তথ্যৰ পৰা চেক্সে ভাষাক বিচ্ছিন্ন বাক্য হিচাপে বিশ্লেষণ কৰাৰ পৰিবৰ্তে কথোপকথনত এটা কথনে পৰৱৰ্তী কথনক কেনেকৈ প্ৰভাৱিত কৰে অৰ্থাৎ কথোপকথনৰ উচ্চাৰিত ক্ৰমৰ ওপৰত গুৰুত্ব দিছিল। পৰম্পৰাগত ভাষাবিজ্ঞানে পদ্ধতিগতভাৱে যোগাযোগৰ আলোচনা কৰা নাছিল বাবে পূৰ্বৰ ধাৰণাসমূহৰ তুলনাত হাৰ্ভে চেক্সৰ দৃষ্টিভংগী বৈপ্লৱিক আছিল। চেক্সে স্বাভাৱিকভাৱে বাস্তৱ জগতত সম্পন্ন হোৱা কথোপকথনহে এনে বিশ্লেষণৰ বাবে নিৰ্বাচন কৰিছিল। লগতে সামাজিকভাৱে সম্পন্ন এনে যোগাযোগত মানুহে এক অন্তৰ্নিহিত ক্ৰম ৰক্ষা কৰে বুলি দাবী কৰিছিল। তেওঁৰ মতে কথোপকথনৰ এক সহজাত আৰু বিশ্লেষণযোগ্য গঠন থাকে। চেক্সৰ ধাৰণা সামাজিক শৃংখলা বজাই ৰখাৰ ক্ষেত্ৰত যোগাযোগৰ ভূমিকা পৰীক্ষা কৰা সমাজবিজ্ঞানী আৰভিং গফমেন আৰু সামাজিক জীৱন অৰ্থপূৰ্ণ কৰিবলৈ মানুহে ব্যৱহাৰ কৰা পদ্ধতিৰ ওপৰত গুৰুত্ব আৰোপ কৰা নৃতাত্ত্বিক পদ্ধতিৰ প্ৰতিষ্ঠাপক নৃতাত্ত্বিক হেৰল্ড গাৰ্ফিংকেলৰ ধাৰণাৰ দ্বাৰা কিছু পৰিমাণে প্ৰভাৱিত বুলি ভবাৰ থল আছে। ১৯৫০ আৰু ১৯৬০ -ৰ দশকত বাকধাৰা বিশ্লেষণ আৰু প্ৰসংগাৰ্থবিজ্ঞানৰ উত্থানেও কথোপকথন বিশ্লেষণৰ তাত্ত্বিক আধাৰ গঢ়ি তোলাত অৰিহণা যোগাইছিল। অৱশ্যে হাৰ্ভি চেক্স আৰু তেওঁৰ সহযোগীসকলেই এক নীতি- নিৰ্ধাৰিত কাৰ্যকলাপ হিচাপে কথোপকথনৰ গাঁথনিগত অধ্যয়ন কৰিছিল। ১৯৭০ৰ দশকত কথোপকথন বিশ্লেষণ এক সুকীয়া বিদ্যয়তনিক ক্ষেত্ৰৰূপে লাহে লাহে প্ৰতিষ্ঠিত হ'বলৈ ধৰে। ক্ষেত্ৰখনৰ এই উত্থানত ইতিমধ্যে কোৱাৰ দৰে চেক্স (Sacks), শ্বেগলফ (Schegloff) আৰু জেফাৰচন (Jefferson)-অৰ গৱেষণা পত্ৰ A Simplest Systematics for the Organization of Turn-Taking for Conversation (1974) এ এক মাইলৰ খুঁটিৰূপে কাম কৰিছিল। এই অধ্যয়ন পত্ৰত তেওঁলোকে পাল-পতা ব্যৱস্থা, সংলগ্ন যোৰ আৰু মেৰামতিৰ ব্যৱস্থাৰ দৰে কথোপকথনৰ সৈতে সম্পৰ্কিত ধাৰণাসমূহ প্ৰৱৰ্তন কৰিছিল। এই ধাৰণাসমূহে কথোপকথন বিশ্লেষণকসকলক মানুহে যোগাযোগত ব্যৱহাৰ কৰা কথোপকথনৰ অধ্যয়ন কৰিবলৈ এক সুস্থিৰ পৰিকাঠামো প্ৰদান কৰে। সময় যোৱাৰ লগে লগে কথোপকথন অধ্যয়নকৰ্তাসকলে কথোপকথনৰ নীতিসমূহ বিভিন্ন ভাষা আৰু সাংস্কৃতিক প্ৰেক্ষাপটত প্ৰয়োগ কৰাৰ লগে লগে কথোপকথন বিশ্লেষণে এক আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰিবলৈ সক্ষম হয়। নিত্য-নৈমিত্তিক কথোপকথনৰ উপৰিও কথোপকথন বিশ্লেষণে ভিন্ন প্ৰতিষ্ঠানিক কথোপকথন (যেনেঃ আদালতৰ কক্ষৰ বাকধাৰা, চিকিৎসাৰ পৰামৰ্শ, আৰু শ্ৰেণীকোঠাৰ কথোপকথন) ক সামৰি অধ্যয়নৰ পৰিসৰ সম্প্ৰসাৰিত কৰে।

১৯৯০ৰ দশকলৈ কথোপকথন বিশ্লেষণ এক সুকীয়া শাখাৰূপে বিকশিত হয়। আলোচনী, গৱেষণা-সত্ৰ আৰু গৱেষণা কেন্দ্ৰৰ যোগেদি এই শাখাৰ বিদ্যয়তনিক চৰ্চা অব্যাহত থাকিল। শতিকাটোৰ শেষলৈ পণ্ডিত-গৱেষকসকলে এই বিদ্যায়তনিক শাখাৰ পদ্ধতিসমূহ পৰিশোধন কৰি থাকিল। পৰিশোধিত নীতিসমূহ সামাজিক আৰু পেছাদাৰী

পৰিৱেশৰ ক্ৰমবৰ্ধমান পৰিসৰত প্ৰয়োগ কৰি গৱেষকসকলে কথোপকথন বিশ্লেষণক মানৱ যোগাযোগ অনুধাৱন কৰাৰ এক গুৰুত্বপূৰ্ণ আহিলা হিচাপে প্ৰতিষ্ঠা কৰিছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

এক বিদ্যায়তনিক শাখাৰূপে কথোপকথন বিশ্লেষণৰ আৰম্ভণি আৰু বিকাশ সম্পৰ্কে এটা প্ৰবন্ধ যুগুত কৰা।

..........................................................................................................

..........................................................................................................

..........................................................................................................

## ৪.৫ কথোপকথন বিশ্লেষণৰ সংজ্ঞা আৰু বৈশিষ্ট্য

দৈনন্দিন কথোপকথনত সততে পৰিলক্ষিত গঠন আৰু আৰ্হিৰ ওপৰত গুৰুত্ব আৰোপ কৰি কথোপকথনৰ পদ্ধতিগত অধ্যয়ন কৰা বিদ্যায়তনিক ক্ষেত্ৰখনৰ নামেই কথোপকথন বিশ্লেষণ (CA)। বাস্তৱিক জগতৰ কথোপকথনত অংশগ্ৰহণকাৰীসকলে কেনেকৈ বাক্য উৎপাদন আৰু ব্যাখ্যা কৰে তাক সমীক্ষা কৰাৰ বাবে ই এক ফলপ্ৰসূ গুণগত গৱেষণা পদ্ধতি। বক্তাসকলে কথোপকথনত অৰ্থ সৃষ্টি কৰিবলৈ ব্যৱহাৰ কৰা কৌশল আৰু নীতিসমূহ বুজি কথোপকথন সুসংহতিপূৰ্ণ কৰাটোৱে হৈছে কথোপকথন বিশ্লেষণৰ প্ৰধান লক্ষ্য।

হাৰ্ভি চেক্স, ইমানুৱেল শ্বেগলফ আৰু গেইল জেফাৰচনে (১৯৭৪)কথোপকথন বিশ্লেষণক কথোপকথনৰ স্বাভাৱিক সংগঠনৰ অধ্যয়ন বুলি সংজ্ঞায়িত কৰিছে। একেদৰে পল টেন হেভ (Paul ten Have, 1999)-ৰ দৰে আলোচকে কথোপকথন বিশ্লেষণক দৈনন্দিন কথোপকথনত কথা আৰু অন্যান্য যোগাযোগমূলক আচৰণৰ জৰিয়তে মানুহে সামাজিক কাৰ্যসমূহ সম্পন্ন কৰা ভিন্ন উপায়ৰ অধ্যয়ন বুলি অভিহিত কৰিছে। তেওঁৰ এই সংজ্ঞাত যোগাযোগৰ মৌখিক আৰু অমৌখিক দুয়োটা উপাদানৰ ওপৰতে সমানে গুৰুত্ব আৰোপ কৰা হৈছিল।

কথোপকথন বিশ্লেষণৰ কেতবোৰ মূল বৈশিষ্ট্য এনেধৰণৰ-

(ক) কথোপকথন বিশ্লেষণ হ'ল এক অভিজ্ঞতাভিত্তিক পদ্ধতি। কথোপকথন বিশ্লেষণে কাল্পনিক বা লিখিত কথোপকথনৰ পৰিৱৰ্তে ৰেকৰ্ড কৰা আৰু লিপিবদ্ধ কৰা বাস্তৱ জগতৰ তথ্যক প্ৰধানকৈ বিশ্লেষণ কৰে।

(খ) কথোপকথন বিশ্লেষণত কথোপকথনৰ উপাদানসমূহ কি ক্ৰমত সংঘটিত হয় তাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। কথোপকথনৰ প্ৰতিটো বাক্যই কিদৰে প্ৰসংগক্ৰমে সংযুক্ত হয় সেয়া কথোপকথন বিশ্লেষণৰ এক গুৰুত্বপূৰ্ণ আলোচ্য বিষয়।

(গ) কথোপকথন মসৃণ কৰিবলৈ অংশগ্ৰহণকাৰীসকলে কিদৰে কথা পাতোতে পাল পাতে সেয়াও কথোপকথন বিশ্লেষণে অধ্যয়ন কৰে।

(ঘ) কথোপকথনত অংশগ্ৰহণকাৰীসকলৰ মাজত সৃষ্টি হ'ব পৰা ভুল বুজাবুজিসমূহ নোহোৰা কৰিবলৈ বক্তাই ব্যৱহাৰ কৰা মেৰামতিৰ কৌশল বা সংশোধনী কৌশলসমূহৰ বিষয়ে অন্বেষণ কৰি কথোপকথন বিশ্লেষণে বক্তাই কিদৰে কথোপকথনৰ প্ৰবাহ বজাই ৰাখে সেই বিষয়ে অধ্যয়ন কৰে।

(ঙ) কথোপকথন বিশ্লেষণে পৰিস্থিতিগত আৰু সামাজিক প্ৰসংগই কথোপকথনৰ অৰ্থ গঢ় দিয়ে বুলি স্বীকাৰ কৰে।

(চ) কথোপকথন বিশ্লেষণ এক আন্তঃবিষয়িক ক্ষেত্ৰ। এই ক্ষেত্ৰই ভাষাবিজ্ঞান, মনোবিজ্ঞান, সমাজবিজ্ঞানৰ দৰে বিষয়ক সামৰি মানুহে ব্যৱহাৰ কৰা কথোপকথনৰ বিশ্লেষণ কৰে।

(ছ) আধুনিক কথোপকথন বিশ্লেষণ বহুমাত্ৰিক। এনে দৃষ্টিসম্পন্ন বিশ্লেষণ পদ্ধতিয়ে কথোপকথনৰ সময়ত বক্তাই প্ৰদৰ্শন কৰা অংগী-ভংগী, ইংগিত, শৰীৰী ভাষাকো অধ্যয়ন কৰে। একদৰে ডিজিটেলী সম্পন্ন হোৱা যোগাযোগকো কথোপকথনৰ অবিচ্ছেদ্য উপাদান বুলি কথোপকথন বিশ্লেষণে বিবেচনা কৰে।

(জ) কথোপকথন বিশ্লেষণ পদ্ধতি হ'ল তথ্য আধাৰিত বিশ্লেষণ। জল্পনা-কল্পনাৰ আশ্ৰয় লোৱাৰ সলনি কথোপকথন বিশ্লেষণে অধ্যয়নৰ বাবে তথ্যসমূহ বাস্তৱ জগতৰ কথোপকথন তথ্যৰ পৰা আহৰণ কৰে। ফলশ্ৰুতিত বিশ্লেষণ নিখুঁত আৰু একেসময়তে ব্যৱহাৰযোগ্য হৈ উঠে।

এই দিশসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰি কথোপকথন বিশ্লেষণে সামাজিক যোগাযোগৰ বেলিকা কথিত বাকধাৰাৰ গুৰুত্ব তুলি ধৰিবলৈ এক গাঁথনিগত পৰিকাঠামো প্ৰদান কৰে। কেৱল কথোপকথনৰ ভাষিক ব্যৱস্থাক ব্যাখ্যা কৰাৰ সলনি কথোপকথন বিশ্লেষণে বিভিন্ন প্ৰসংগত, ভিন্ন সম্প্ৰদায়ৰ মাজত সম্পন্ন যোগাযোগক প্ৰভাৱিত কৰা গভীৰ সামাজিক-সাংস্কৃতিক কাৰকসমূহো উন্মোচন কৰে।

**অগ্ৰগতিৰ খতিয়ান**

কথোপকথন বিশ্লেষণৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰা।

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

### ৪.৬ কথোপকথন বিশ্লেষণৰ প্ৰয়োগ ক্ষেত্ৰঃ

কথোপকথনৰ জৰিয়তে অৰ্থ গঢ় লোৱা প্ৰক্ৰিয়াটোক কথোপকথন বিশ্লেষণে অধ্যয়ন কৰা বাবে এই ধাৰণা ভিন্ন কাৰ্যক্ষেত্ৰত প্ৰাসংগিক হৈ পৰে। যোগাযোগৰ বিভিন্ন দিশৰ ওপৰত কথোপকথন বিশ্লেষণে গুৰুত্ব আৰোপ কৰে। নিৰ্দিষ্ট প্ৰসংগ, তাত্ত্বিক গতি-গোত্ৰ আৰু বিশ্লেষণৰ লক্ষ্য অনুসৰি কথোপকথন বিশ্লেষণৰ প্ৰয়োগ ভিন ভিন ক্ষেত্ৰত লক্ষ্য কৰিব পাৰি।

#### ৪.৬.১ যোগাযোগমূলক সমাজভাষাবিজ্ঞান

জন গাম্পাৰজ (John Gumperz)ৰ দৰে ভাষাবিদে বিকশিত কৰা যোগাযোগমূলক সমাজভাষাবিজ্ঞানে কথোপকথনত ভাষাৰ লগতে সংস্কৃতি কিদৰে সংযুক্ত হৈ থাকে সেই বিষয়ে অধ্যয়ন কৰিছিল। এই ধাৰণাই সামাজিক নীতি আৰু পৰিচিতিসমূহ পৰিচালনা কৰিবলৈ বক্তাই ব্যৱহাৰ কৰা ভাষিক বৈশিষ্ট্যসমূহৰ (যেনেঃ বাৰ্তা-সঞ্চৰণ, বাকধাৰা নিৰ্ধাৰণকাৰী উপাদান, আৰু ভদ্ৰতাসূচক কৌশলসমূহ) অধ্যয়ন কৰে। কথোপকথন অধ্যয়নৰ এই পদ্ধতিয়ে সাংস্কৃতিক পাৰ্থক্য আৰু প্ৰসংগভিত্তিক ব্যাখ্যাই সৃষ্টি কৰিব পৰা সম্ভাব্য ভুল বুজাবুজিৰ বিষয়ে অধ্যয়ন কৰে। ইয়াৰ পৰা যোগাযোগমূলক সমাজবিজ্ঞানত কথোপকথনৰ গুৰুত্ব অনুধাৱন কৰিব পাৰি।

#### ৪.৬.২ আলোচনামূলক মনোবিজ্ঞান

আলোচনামূলক মনোবিজ্ঞানে কথোপকথনৰ অন্তৰ্বৰ্তী মানসিক পৰিঘটনাসমূহ অধ্যয়ন কৰিবলৈ কথোপকথন বিশ্লেষণৰ প্ৰয়োগ কৰে। এই তাত্ত্বিক দৃষ্টিয়ে কথোপকথনৰ মাজেৰে বক্তাৰ আবেগ, চিন্তা আৰু পৰিচিতিৰ ধাৰণা কিদৰে প্ৰকাশিত হয় সেই গঢ় লৈ উঠে সেই বিষয়ে বিশ্লেষণ কৰে। জনাথন পটাৰ (Jonathan Potter) আৰু ডেৰেক এডৱাৰ্ডছ (Derek Edwards)ৰ দৰে পণ্ডিতসকলে দোষাৰোপ কৰা, ন্যায্যতা প্ৰদান কৰা বা বুজনি দিয়াৰ দৰে সামাজিক কাৰ্য সম্পন্ন কৰিবলৈ বাকধাৰাৰ ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ফলশ্ৰুতিত কথোপকথনত ব্যৱহৃত ভাষা এক সক্ৰিয় আৰু পৰিবেশনমূলক আহিলাৰূপে পৰিগণিত হয়।

#### ৪.৬.৩ নৃতাত্ত্বিক পদ্ধতি

মানুহে সামাজিক বাস্তৱিকতা বজাই ৰাখিবলৈ কেনেকৈ কথোপকথন কৰে সেয়া নৃতাত্ত্বিক পদ্ধতিত আলোচনা কৰা হয়। হেৰল্ড গাৰ্ফিংকেলৰ অধ্যয়ন বা চিন্তা-চৰ্চাই নৃতাত্ত্বিক পদ্ধতিৰ ভেঁটি তৈয়াৰ কৰি দিছিল। এই দৃষ্টিভংগীয়ে ভাষাক এক সম্পদৰূপে গণ্য কৰে। এই সম্পদৰ জৰিয়তে মানুহে জ্ঞান আৰু প্ৰসংগ ভাগ-বতৰা কৰি দৈনন্দিন জীৱনৰ সকলো কাৰ্যক্ৰমণিকাতে অৰ্থ প্ৰকাশ কৰে। নৃতাত্ত্বিক পদ্ধতিয়ে

কথোপকথনক আশ্ৰয় কৰি মানুহৰ বাক-কাৰ্যক বিশ্লেষণ কৰে বাবে নৃতাত্ত্বিক পদ্ধতিতো কথোপকথন বিশ্লেষণৰ গুৰুত্ব আছে।

### ৪.৬.৪ আনুষ্ঠানিক কথোপকথন বিশ্লেষণ

স্বাস্থ্যসেৱা, শিক্ষা, আইনী প্ৰসংগ আৰু ব্যৱসায়ৰ দৰে আনুষ্ঠানিক পৰিৱেশত সম্পন্ন কথোপকথনৰ বিশ্লেষণ আনুষ্ঠানিক কথোপকথন বিশ্লেষণত কৰা হয়। ইয়াত প্ৰতিষ্ঠানিক ভূমিকা, নীতি-নিয়ম আৰু ক্ষমতাৰ গতিশীলতাই যোগাযোগক কেনেদৰে প্ৰভাৱিত কৰে সেয়া পৰীক্ষা কৰা হয়। পেছাদাৰীসকলে বাস্তৱ পৰিৱেশত কেনেকৈ কথা-বতৰাৰ জৰিয়তে ভিন্নধৰ্মী কৰ্ম সম্পাদন কৰাৰ লগতে কথোপকথনৰ মাধ্যমেৰে নিয়ন্ত্ৰণৰ ধাৰণা বজাই ৰাখে সেয়া আনুষ্ঠানিক কথোপকথন বিশ্লেষণৰ এক প্ৰধান আলোচ্য বিষয়।

### ৪.৬.৫ তুলনামূলক আৰু আন্তঃসাংস্কৃতিক কথোপকথন বিশ্লেষণ

এই ধৰণৰ কথোপকথন বিশ্লেষণে বিভিন্ন সংস্কৃতিক আৰু ভাষিক পটভূমিত কথোপকথনৰ গঠন বিশ্লেষণ কৰে। ইয়াত পাল পতা, মৌনতা অৱলম্বন কৰা, ভদ্ৰতাৰ কৌশল আৰু প্ৰসংগভিত্তিক ইংগিতৰ ভিন্নতা অনুসন্ধান কৰে। তুলনামূলক বিশ্লেষণে কথোপকথনৰ সাৰ্বিক আৰু নিৰ্দিষ্ট সাংস্কৃতিক নীতিসমূহ চিনাক্তকৰণ কৰাত সহায় কৰে। ফলশ্ৰুতিত আন্তঃসাংস্কৃতিক যোগাযোগ অধিক বোধগম্য হৈ উঠে।

### ৪.৬.৬ প্ৰয়োগিক কথোপকথন বিশ্লেষণ

প্ৰয়োগিক কথোপকথন বিশ্লেষণে বাস্তৱ জগতৰ সমস্যাসমূহৰ সমাধানৰ বাবে কথোপকথন বিশ্লেষণ পদ্ধতিৰ ব্যৱহাৰ কৰাৰ কথা কয়। যোগাযোগ কৌশল উন্নত কৰা, কথোপকথনত ভুল বুজাবুজি হ্ৰাস কৰা আৰু কথোপকথনৰ ফলপ্ৰসূতা বৃদ্ধি কৰাই হৈছে প্ৰায়োগিক কথোপকথন বিশ্লেষণৰ প্ৰধান লক্ষ্য। উদাহৰণস্বৰূপে, ৰোগীৰ সৈতে অধিক সহানুভূতিশীল আৰু ফলপ্ৰসূভাৱে যোগাযোগ কৰিবলৈ স্বাস্থ্যসেৱা পেছাদাৰীসকলক প্ৰায়োগিক কথোপকথন বিশ্লেষণৰ প্ৰশিক্ষণ দিয়াটো ফলপ্ৰসূ উপায় হ'ব পাৰে।

### ৪.৬.৭ বহুমাধ্যমিক কথোপকথন বিশ্লেষণ

ডিজিটেল যোগাযোগ আৰু প্ৰযুক্তিৰ উত্থানৰ লগে লগে বহুমাধ্যমিক কথোপকথন বিশ্লেষণ পদ্ধতি এটা আত্মপ্ৰকাশ কৰিছে। এই বহুমাধ্যমিক কথোপকথন বিশ্লেষণ পদ্ধতিয়ে মৌখিক আৰু অমৌখিক উভয় প্ৰকাৰৰ উপাদানসমূহ (যেনেঃ ইংগিত, মুখৰ অভিব্যক্তি) বিশ্লেষণ কৰে। বিশেষকৈ ভাৰ্চুৱেল আৰু হাইব্ৰিড কথোপকথন প্ৰসংগত

যোগাযোগৰ মাজেৰে প্ৰকাশিত অৰ্থ উদ্ধাৰ কৰিবলৈ বহুমাধ্যমিক কথোপকথন বিশ্লেষণে একাধিক পদ্ধতিক একত্ৰিত কৰে। ভিন্ন মাধ্যমৰ পৰা আহৰণ কৰা এই পদ্ধতিসমূহে কথোপকথন বিশ্লেষণৰ নমনীয়তা আৰু ব্যাপক প্ৰয়োগ তুলি ধৰি গৱেষকসকলক যোগাযোগৰ জটিলতা আৰু সূক্ষ্ম দিশসমূহ অনুধাৱন কৰাত সহায় কৰে।

**আত্মমূল্যায়ণ প্ৰশ্ন**

কথোপকথন বিশ্লেষণৰ প্ৰয়োগ ক্ষেত্ৰ সম্পৰ্কে এটা টোকা লিখক।

..................................................................................................

..................................................................................................

..................................................................................................

..................................................................................................

### ৪.৭ কথোপকথন বিশ্লেষণৰ উপাদান

আপোনালোকে ইতিমধ্যে গম পাইছে যে কথোপকথন বিশ্লেষণ (CA) হৈছে কথোপকথনৰ সবিশেষ অধ্যয়ন কৰিবলৈ ব্যৱহাৰ কৰা এক পদ্ধতি। ইয়াৰ লক্ষ্য হৈছে দৈনন্দিন কথা-বতৰাৰ জৰিয়তে মানুহে কেনেকৈ অৰ্থ সৃষ্টি আৰু ব্যাখ্যা কৰে তাৰ বিশদ বিৱৰণ তুলি ধৰা। ১৯৬০ দশকৰ পৰা আৰম্ভ হোৱা এই আন্তঃবিষয়িক ক্ষেত্ৰখনে বাকধাৰা, সমাজবিজ্ঞান আৰু ভাষাবিজ্ঞানৰ অধ্যয়নলৈ উল্লেখযোগ্য অৱদান আগবঢ়ায়। কথোপকথনৰ এনে বিদ্যায়তনিক অধ্যয়ন কৰিবলৈ যাওঁতে কথোপকথন বিশ্লেষণে কথোপকথনৰ কিছু বিশেষ উপাদানক প্ৰধানকৈ লক্ষ্য কৰে। সেইসমূহ তলত আলোচনা কৰা হ'ল।

#### ১.৭.১ কথোপকথনত পাল পতা (Turn Taking)

যিকোনো কথোপকথন প্ৰক্ৰিয়াতে একাধিক অংশগ্ৰহণকাৰী থাকে। এই অংশগ্ৰহণকাৰীসকলে কেতিয়াবা বক্তা আৰু কেতিয়াবা শ্ৰোতাৰ ভূমিকাত অৱতীৰ্ণ হয়। এনে পৰিৱেশত অংশগ্ৰহণকাৰীসকলে পাল পাতি উভয় ভূমিকা পালন কৰে। অৰ্থাৎ এবাৰ প্ৰথম অংশগ্ৰহণকাৰীয়ে বক্তা হ'লে দ্বিতীয় বক্তব্যৰ বক্তা হয় দ্বিতীয় অংশগ্ৰহণকাৰী। একেদৰে কথোপকথনটোৰ তৃতীয় বক্তব্যৰ বক্তা হয় প্ৰথম বা তৃতীয় অংশগ্ৰহণকাৰী। এনেদৰে পাল পাতি অংশগ্ৰহণকাৰীসকলে কথোপকথনটো অৰ্থপূৰ্ণ কৰি আগুৱাই নিয়ে। পাল পতাটো কথোপকথনৰ এক মৌলিক ধাৰণা। দৈনন্দিন জীৱনত মানুহে কথোপকথনত আনৰ কথাত সঁহাৰি জনোৱাৰ আগতে সন্মুখৰ ব্যক্তিজনৰ কথা শেষ

হোৱালৈকে অপেক্ষা কৰে। ইয়াৰ দ্বাৰা কথোপকথনৰ প্ৰবাহ পৰিচালনা হোৱাৰ লগতে সৃষ্টি হ'ব পৰা কথনৰ ওপৰা-ওপৰি হ্ৰাস কৰে। সেইবাবে কথোপকথনত পাল পতাটো এক গতিশীল আৰু প্ৰসংগ-সংবেদনশীল প্ৰক্ৰিয়া। পাল পতা ব্যৱস্থাই কথা-বতৰাত শৃংখলা বজাই ৰাখি বেমেজালি আৰু বিভ্ৰান্তি ৰোধ কৰিব পাৰে।

চেক্স, শ্বেগলফ আৰু জেফাৰচনে সত্তৰৰ দশকত (১৯৭৪) এই পাল পতা ব্যৱস্থা (Turn Taking System)- অৰ কথা কৈছিল। কথোপকথনৰ সময়তে প্ৰায়ে বক্তাই অজ্ঞাতে কিছু নীতি অনুসৰণ কৰে। পাল পতাৰ এই নীতিসমূহকে তেওঁলোকে পাল-পতা ব্যৱস্থাত অন্তৰ্ভুক্তি কৰিছিল। এই নীতসমূহে বক্তাক তেওঁলোকৰ পাল ৰক্ষা কৰা, পালৰ অপেক্ষা কৰাৰ দৰে বিষয় জনাত সহায় কৰে। জন হেৰিটেজে (John Heritage, 1984) অৱশ্যে এই প্ৰসংগত কৈছে যে কথোপকথনত পাল পতা ব্যৱস্থাটো সংস্কৃতি অনুযায়ী ভিন ভিন। ভাষিক সম্প্ৰদায় অনুযায়ী কথোপকথনৰ সময়ত পালিবলগীয়া নীতি-নিয়মৰ মাজতো পাৰ্থক্য আছে। পশ্চিমীয়া সমাজ ব্যৱস্থাত সাধাৰণতে এজনে কথা কৈ থাকিলে শ্ৰোতাৰ ভূমিকাত থকা বক্তাই মাজতে কথা কৈ পূৰ্ববৰ্তী কথকৰ কথনত বাধা দিয়া কাৰ্যক উৎসাহ নজনায়। ইয়াৰ বিপৰীতে আন কিছুমান সংস্কৃতিত কথোপকথনত এজনে কৈ থাকোতে আন এজনে কথা কোৱাক অসন্মানজনক কাৰ্য বুলি গণ্য কৰাৰ বিপৰীতে কথোপকথন মনোযোগেৰে অন্তৰ্ভুক্ত বা নিয়োজিত হৈ আছে বুলি গণ্য কৰিব পাৰে। দৈনন্দিন অনানুষ্ঠানিক কথোপকথনৰ উপৰিও আনুষ্ঠানিক কথোপকথনত অংশগ্ৰহণকাৰীয়ে পাল পাতি কথন কৰে। উদাহৰণস্বৰূপে আপোনালোকে বিদ্যালয়ৰ শ্ৰেণীকোঠাৰ ছবি এখন মনলৈ আনক। শ্ৰেণীকোঠাৰ পৰিৱেশত ছাত্ৰ-ছাত্ৰীসকলে সাধাৰণতে হাত দাঙি পাল পাতি শিক্ষকৰ কথনৰ প্ৰত্যুত্তৰ দিয়ে। একেদৰে গ্ৰাহক সেৱাত নিয়োজিত ভিন্ন প্ৰতিষ্ঠানৰ প্ৰতিনিধিসকলে গ্ৰাহকক সঁহাৰি জনোৱাৰ আগতে গ্ৰাহকৰ প্ৰশ্ন বা উদ্বেগ প্ৰকাশক কথন শেষ হোৱাৰ অপেক্ষা কৰে। গ্ৰাহকৰ পাল শেষ হোৱাৰ পাছত সেৱা প্ৰতিনিধিয়ে বক্তাৰ ভূমিকাত অৱতীৰ্ণ হৈ কথোপকথনত স্পষ্টতা নিশ্চিত কৰে। দৈনন্দিন কথোপকথনৰ লগতে লিখিত কথোপকথনতো এই পাল পতাৰ ব্যৱস্থা ৰক্ষা কৰা হয়। উদাহৰণস্বৰূপে জ্যোতিপ্ৰসাদ আগৰৱালা ৰচিত ৰূপালীম নাটকৰ ষষ্ঠ অংকৰ এটা দৃশ্যত মণিমুগ্ধ আৰু ৰেণথিয়াং শীৰ্ষক দুটা চৰিত্ৰৰ মাজৰ কথোপকথনত এই পাল পতা ব্যৱস্থা লক্ষ্য কৰিব পাৰি-

ৰেণথিয়াং- প্ৰভু !

মণিমুগ্ধ- বন্দীবোৰক প্ৰাণদণ্ডৰ কাৰণে সাজু কৰা হৈছে নে ?

ৰেণথিয়াং- হয় প্ৰভু। ঘাতকবোৰ সাজু হব ধৰিছে। মাজনিশা এটা এটাকৈ প্ৰাণদণ্ড পোৱা বন্দীবোৰক হত্যা কৰা হব আৰু তাৰ পিছতে বাকী থকা ৰূকমী গাঁওবোৰ সমূলঞ্চে ধ্বংস কৰি ৰূকমী কাৰেংটোতে জুই দিয়া হব।

মণিমুগ্ধ- বাৰু। আৰু গাঁও-ভুঁই পুৰিব নালাগে। কাৰেঙো একো নকৰিবি। ৰূপালীমক এই আদেশৰ কথা জনোৱা হৈছে নে নাই।

ৰেণথিয়াং- হৈছে প্ৰভু !

মণিমুখ্ধ- তাই এই বাতৰি কেনেভাৱে গ্ৰহণ কৰিছে?

ৰেণথিয়াং- শুনি তাই মূৰ্চ্ছাপ্ৰায়। তাৰ পিছত অবিৰল কান্দিব লাগিছে। সেই কান্দোন এতিয়াও মাৰ যোৱা নাই।

যোগাযোগৰ দক্ষতা বৃদ্ধি কৰাৰ লগতে সামাজিক যোগাযোগ বুজিবলৈ পাল পতা ব্যৱস্থা অতিশয় প্ৰয়োজনীয়। কথোপকথনৰ এই উপাদানে সাক্ষাৎকাৰ, আইনী প্ৰক্ৰিয়াৰ দৰে ভিন্ন পৰিৱেশত কথোপকথনৰ আধিপত্য আৰু ক্ষমতা গতিশীলতাই কেনেকৈ কাম কৰে সেইটো নিৰ্ণয় কৰাত সহায় কৰে। পাল পতা ব্যৱস্থা বিশ্লেষণ কৰিলে কথোপকথনত অংশ লোৱা ব্যক্তিসকলে কথোপকথন প্ৰক্ৰিয়াত অন্তৰ্ভুক্ত অনুভৱ কৰিছে নে বহিৰ্ভূত অনুভৱ কৰিছে সেয়া জানিব পাৰি। উদাহৰণস্বৰূপে কল্পনা কৰক দুগৰাকী ব্যক্তিয়ে মুখামুখিকৈ কথোপকথন কৰিছে।

প্ৰথম বক্তা- কাইলৈ চাৰিআলিত নতুনকৈ খোলা মিঠাইৰ দোকানখনলৈ যাব লাগিব।

দ্বিতীয় বক্তা- অহ্ বহুত ভাল বোলে। কেইটামানত যোৱা হ'ব ?

প্ৰথম বক্তা- পিছবেলা। পাঁচটা মানত।

আলোচ্য কথোপকথনটোত প্ৰথম বক্তাই কওঁতে দ্বিতীয় বক্তাই শ্ৰোতাৰ ভূমিকাত অৱতীৰ্ণ হৈছে আৰু একেদৰে দ্বিতীয় বক্তাই কওঁতে প্ৰথম বক্তাই শ্ৰোতাৰ ভূমিকাত অৱতীৰ্ণ হৈছে। দ্বিতীয়গৰাকী অংশগ্ৰহণকাৰীয়ে প্ৰথমগৰাকী অংশগ্ৰহণকাৰীয়ে প্ৰথমে পালন কৰা বক্তাৰ ভূমিকাতো সম্পূৰ্ণ হ'বলৈ অপেক্ষা কৰিছে। প্ৰথম অংশগ্ৰহণকাৰীৰ কথন শেষ হোৱাৰ পাছতহে দ্বিতীয় অংশগ্ৰহণকাৰীয়ে কথন কৰাত পাল পতা কাৰ্য ফলপ্ৰসূভাৱে সম্পন্ন হৈছে। ইয়াৰ বিপৰীতে দ্বিতীয় বক্তাই যদি প্ৰথম বক্তাৰ কথন শেষ হোৱাৰ আগতেই নিজৰ কথন আৰম্ভ কৰিলেহেতেন তেন্তে সেয়া দ্বিতীয় বক্তাৰ উত্তেজনা বা জৰুৰী পৰিস্থিতিক নিৰ্দেশ কৰিলেহেতেন। বহুসময়তে এনেধৰণে কথোপকথনত পাল পতা কাৰ্য পালিত নহ'লে কথোপকথনৰ স্বাভাৱিক পৰিৱেশ আৰু প্ৰবাহ বাধাপ্ৰাপ্ত কৰি সন্মুখৰ বক্তাৰ বাবে অসুবিধাৰ সৃষ্টি হয়। অৱশ্যে কেতিয়াবা কৌশলগতভাৱেও পাল পতা ব্যৱস্থা ভংগ কৰি কথোপকথনত সন্মুখৰ অংশগ্ৰহণকাৰীৰ আধিপত্যক প্ৰত্যাহ্বান জনোৱা হয়। উদাহৰণস্বৰূপে কল্পনা কৰক এক বিশেষ প্ৰতিষ্ঠানৰ খেল মহোৎসৱলৈ ৰাজ্যৰ মুখ্যমন্ত্ৰীক নিমন্ত্ৰণ কৰা হ'ব নে নাই সেই সম্পৰ্কে এখন সভা অনুষ্ঠিত হৈ আছে। কেইবাগৰাকীও ব্যক্তিয়ে অংশগ্ৰহণ কৰা সভাখনত সৃষ্টি হোৱা কথোপকথনৰ নমুনা একাংশ এনেধৰণৰ-

প্ৰথম বক্তা- আমি মুখ্যমন্ত্ৰী মহোদয়ক নিমন্ত্ৰণ জনাব লাগে।

দ্বিতীয় বক্তা- ভাবি চাওকচোন সঁচাকে পাৰিনে ?

প্ৰথম বক্তা - মুখ্যমন্ত্ৰী আহিলেহে অনুষ্ঠানটোৱে গুৰুত্ব পাব।

দ্বিতীয় বক্তা- আয়োজন হ'বগৈনে ?

প্ৰথম বক্তা- মাতিলে কিয় নাহিব। আহিবই। মই নিজে-

দ্বিতীয় বক্তা (প্ৰথম বক্তাৰ কথনৰ মাজতে)- মাতিলেতো আহিবই। কিন্তু আয়োজন কৰিব পাৰিম নে আমি সেইটোহে আলোচনাৰ বিষয়।

এই কথোপকথনটোলৈ মন কৰিলে দেখা যাব যে প্ৰথমাৰম্ভাত পাল পতা ব্যৱস্থা অক্ষুণ্ণ থাকিলেও কথোপকথনটোৰ শেষৰ পিনে দ্বিতীয় বক্তাই পাল পতাৰ ব্যৱস্থা ভংগ কৰি প্ৰথম বক্তাই কথোপকথনত প্ৰদৰ্শন কৰা আধিপত্যক এক প্ৰকাৰে প্ৰত্যহ্বান জনাইছে। কথোপকথনত পাল নপতাটো দ্বিতীয় বক্তাৰ এয়া এক কৌশলগত স্থিতি।

সাধাৰণতে বহুকেইগৰাকী অংশগ্ৰহণ কৰা কথোপকথনতকৈ দুগৰাকী ব্যক্তিয়ে অংশগ্ৰহণ কৰা কথোপকথনত পাল পতা ব্যৱস্থা অধিক ৰক্ষিত হয়। দুগৰাকী অংশগ্ৰহণকাৰী যুক্ত কথোপকথনত বক্তাই শ্ৰোতাৰ আৰু শ্ৰোতাই বক্তাৰ ভূমিকা অধিক ফলপ্ৰসূভাৱে পালন কৰে। এনে কথোপকথনত সাধাৰণতে তৃতীয় অংশগ্ৰহণকাৰীৰ মনোযোগ আকৰ্ষণ কৰাৰ আগ্ৰহ নাথাকে অথবা অংশগ্ৰহণকাৰীৰ ধৈৰ্যচ্যুতি নঘটে। জ্যোতিপ্ৰসাদ আগৰৱালাৰে ইতিমধ্যে আলোচিত ৰূপালীম নাটকৰ পঞ্চম অংকত এনেধৰণৰ বহুকেইগৰাকী ব্যক্তিয়ে অংশগ্ৰহণ কৰা কথোপকথন লক্ষ্য কৰিব পাৰি।—

ৰূকমী ৰজা- (বৰ কাতৰ আৰু হতাশ হৈ) ৰাজ্য গ'ল-ৰাজভোগ গ'ল। বন-খাৰধিও নিমিলা হ'ল। লাওপানী ফটিকাতো দূৰৰ কথা, শেষত এতিয়া প্ৰাণ যায় যায়। কি উপায়?

১ম বিষয়া- নিৰূপায় প্ৰভু ! মোৰ কণ্ঠটো শুকালেই, এতিয়া অণ্ঠ শুকালে বিপদ। দেখাদেখিকৈয়ে গছৰ পাত আৰু শিপা চোবাই কিমান দিন?

ৰজা- বিদ্ৰোহ-বিদ্ৰোহ-এতিয়া দেখিছোঁ-শৰীৰৰ অঙ্গ-প্ৰত্যঙ্গও বিদ্ৰোহী হবগৈ।

২য় বিষয়া- প্ৰভু! মোৰ মনেৰে ওচৰৰ কোনো বৌদ্ধ মঠত আশ্ৰয় লোৱাৰ বাহিৰে আন একো উপায় নাই।

তৃতীয় বিষয়া- সেয়ে হলে মণিমুঙ্কৰ সৈন্যৰ হাতত পৰিব লাগিব। তেতিয়া প্ৰাণৰ সংশয়।

ৰজা- অৱশ্যে তেনে কাম কৰিব নোৱাৰি। মণিমুঙ্কই আমাক জীয়াই জীয়াই পুতি থ'ব।

৪ৰ্থ বিষয়া- তেন্তে প্ৰভু ! এইদৰে আৰু কিমান দিন অৰণ্যত বাস কৰিব লাগিব? যি এটা মানুহ আহাৰ আৰু ফটিকাৰ কাৰণে পঠোৱা হৈছিল সিও-

ৰজা- ফটিকা-ফটিকা-উস্-এটোপা পালেই প্ৰাণ ৰক্ষা হয়। ক'তা, ৰিমু দেখোন উভতি নাহিল।

এই কথোপকথনটোত ৰুকমী ৰজাকে ধৰি পাঁচগৰাকী অংশগ্ৰহণকাৰীয়ে অংশ লৈছে। কথোপকথনটোলৈ মন কৰিলে দেখা যায় আৰম্ভণিৰ পৰা পাল পাতি অংশগ্ৰহণকাৰীসকলে বক্তাৰ ভূমিকাত অৱতীৰ্ণ হৈছে। ৰুকমী ৰজাই বক্তাৰূপে কথা কওঁতে বাকী চাৰিওজন বিষয়াই শ্ৰোতাৰূপে শুনিছে। একেদৰে প্ৰথম বিষয়াই কওঁতে ৰজাৰ লগতে বাকী তিনিওগৰাকী বিষয়াই শ্ৰোতাৰূপে শুনিছে। কিন্তু চতুৰ্থ বিষয়াই কথন কৰোতে দেখা গৈছে যে ৰজাই চতুৰ্থ বিষয়াৰ কথন শেষ হোৱালৈ বাট নাচাই নিজে বক্তাৰ ভূমিকাত অৱতীৰ্ণ হৈছে। ইয়াত ৰজাৰ বাক্য আচৰণে পৰিস্থিতিৰ জৰুৰীকালীন স্থিতি স্পষ্ট কৰিছে।

**আত্মমূল্যায়ণ প্ৰশ্ন**

কথোপকথনত পাল পতা ব্যৱস্থাই কিদৰে কথোপকথনক সংগতিপূৰ্ণ কৰে আলোচনা কৰক।

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

### ৪.৭.২ সংলগ্নিত যোৰ (Adjacency Pairs)

কথোপকথনত সততে লক্ষ্য কৰা দুটা আন্তঃসম্পৰ্কিত বাক্যৰ ক্ৰমকে সংলগ্নিত যোৰ বোলা হয়। সংলগ্নিত যোৰৰ প্ৰথম অংশ বা বাক্যই সঁহাৰি বা উত্তৰৰ বাবে সন্মুখৰ অংশগ্ৰহণকাৰীক উৎসাহিত কৰে আৰু দ্বিতীয় অংশই প্ৰথম অংশৰ সঁহাৰি দি কথোপকথনৰ অৰ্থ সম্পূৰ্ণ কৰে। কথোপকথনত শুভেচ্ছা জনোৱা, প্ৰশ্নোত্তৰ, অনুৰোধ গ্ৰহণ-বৰ্জন আৰু ক্ষমাপ্ৰাৰ্থনা কৰা আৰু তাৰ সঁহাৰি দিয়া কাৰ্যত এনেধৰণৰ সংলগ্নিত যোৰ লক্ষ্য কৰিব পাৰি। এই সংলগ্নিত যোৰৰ জৰিয়তেও ভাষা সম্প্ৰদায় অনুযায়ী কথোপকথনৰ নীতি-নিয়ম আৰু সাংস্কৃতিক ভিন্নতা লক্ষ্য কৰিব পাৰি। ১৯৭০ -অৰ দশকতে শ্বেগলফ (Emanuel Abraham Schegloff) আৰু চেক্স (Harvey Sacks) এ কথোপকথনত সংলগ্নিত যোৰৰ ধাৰণাটো প্ৰৱৰ্তন কৰিছিল। গৱেষণালব্ধ অভিজ্ঞতাৰে তেওঁলোকে কৈছিল যে সংলগ্নিত যোৰে পাল পতা ব্যৱস্থাৰ বাবে এক সাংগঠনিক কাঠামো হিচাপে কাম কৰি কথোপকথনত সংহতি ৰক্ষা কৰে। হেৰিটেজে (John Heritage, 1984) এই ধাৰণাক বিস্তাৰিত কৰি আনুষ্ঠানিক পৰিৱেশত সম্পন্ন যোগাযোগ (চিকিৎসক-ৰোগীৰ কথোপকথন আৰু আদালত কক্ষৰ কথোপকথন)-অত সংলগ্নিত যোৰৰ ভূমিকাক অধ্যয়ন কৰিছিল। এনে সংলগ্নিত যোৰে কথোপকথনত আন অংশগ্ৰহণকাৰীৰ মনত প্ৰত্যুত্তৰ

দিবলৈ একধৰণৰ উৎসাহ প্ৰদান কৰাৰ লগতে প্ৰথম বক্তাৰ মনত প্ৰত্যুত্তৰ লাভৰ এক আশাৰ সৃষ্টি কৰে বুলি লেভিনছনে (১৯৮৩) কৈছিল। লগতে লেভিনছনে এই কথাতো জোৰ দিছিল যে কথোপকথনত অংশগ্ৰহণকাৰীসকলে প্ৰত্যাশিত সঁহাৰি নাপালে যোগাযোগত বিজুতি ঘটিব পাৰে।

বাস্তৱিক জীৱনত সততে পৰিলক্ষিত হোৱা কথোপকথনৰ এনে সংলগ্নিত যোৰৰ কেইটিমান নিদৰ্শন এনেধৰণৰ-

(ক) প্ৰথম বক্তা- বহুদিন পিছত লগ পালো। কি খবৰ তোৰ ?
দ্বিতীয় বক্তা- ভাল। ভাল। তোৰ ক ?

(খ) প্ৰথম বক্তা- শুনকচোন। ওচৰত এ.টি.এম আছে নেকি ?
দ্বিতীয় বক্তা- অলপ গলেই পাব যাওঁক। ৰাস্তাৰ এইটো ফালেই আছে।

(গ) প্ৰথম বক্তা- বেয়া নোপোৱা যদি যাওঁতে দুবাৰখন জপাই যাবা নেকি ?
দ্বিতীয় বক্তা- এহ! কিয় বেয়া পাব। জপাই দিম দিয়ক।

(ঘ) প্ৰথম বক্তা- বেয়া নাপাব দেই। আহি পাওঁতে অলপ পলম হ'ল।
দ্বিতীয় বক্তা — একো নাই দিয়ক। হয়েই কেতিয়াবা।

(ক) নিদৰ্শনটোত প্ৰথম বক্তাই শুভেচ্ছামূলকভাৱে দ্বিতীয় অংশগ্ৰহণকাৰীগৰাকীৰ খা-খবৰ লৈছে। এনেধৰণে খা-খবৰ লওঁতে প্ৰথম বক্তাৰ কথন আৰু তাৰ প্ৰত্যুত্তৰ ৰূপে দ্বিতীয় বক্তাই কৰা কথনৰ মাজত একধৰণৰ সংলগ্নতা লক্ষ্য কৰিব পাৰি। ইটো কথন আনটো কথনৰ পৰিপূৰক। সেয়েহে দুয়োটা বাক্যই কথোপকথনটোত সংলগ্নিত যোৰৰ সৃষ্টি কৰিছে। (খ) নিদৰ্শনটোত সেইদৰে প্ৰশ্ন আৰু সেই প্ৰশ্নৰ উত্তৰে একধৰণৰ সংলগ্নিত যোৰৰ সৃষ্টি কৰিছে। এই (খ) নিদৰ্শনটোত দ্বিতীয় বক্তাৰ প্ৰত্যুত্তৰ প্ৰথম বক্তাৰ প্ৰশ্নৰ সৈতে সম্পৃক্ত হৈ আছে। (গ) নিদৰ্শনটোত প্ৰথম বক্তাই অনুৰোধ কৰিবলৈ গৈ কথন আৰু প্ৰথম বক্তাৰ অনুৰোধ ৰক্ষা কৰিবলৈ কৰা কথনৰ মাজত একধৰণৰ সংলগ্নতা বিচাৰ কৰিব পাৰি। একেদৰে (ঘ) নিদৰ্শনটোত প্ৰথম বক্তাই কৰা ক্ষমান্বেষী কথন আৰু তাৰ প্ৰত্যুত্তৰৰূপে দ্বিতীয় বক্তাৰ কথনৰ মাজত একধৰণৰ নিকট সম্পৰ্ক বিচাৰ কৰিব পাৰি। শুভেচ্ছাসূচক কথোপকথন, ক্ষমান্বেষী কথোপকথন, প্ৰশ্নোত্তৰসূচক কথোপকথন, অনুৰোধমূলক কথোপকথনত এনে সংলগ্নিত যোৰ ৰক্ষিত নহ'লে কথোপকথনৰ প্ৰবাহ ব্যাঘাত হোৱাৰ সম্ভাৱনা থাকে। উদাহৰণস্বৰূপে তলত উল্লিখিত কথোপকথনটোলৈ লক্ষ্য কৰক-

(ঙ) প্ৰথম বক্তা- আজি ৰাতি আমাৰ তাত ভাত খোৱাকে মাতিলোঁ।
দ্বিতীয় বক্তা- আজি দুপৰীয়া ভাত খাওঁতে পলম হ'ল।
প্ৰথম বক্তা- আচ্ছা।

এই কথোপকথনটোত প্ৰথম বক্তাই কৰা অনুৰোধৰ প্ৰতি দ্বিতীয় বক্তাই সন্মতিসূচক বা অসন্মতিসূচক কোনোধৰণৰ প্ৰত্যক্ষ সঁহাৰি দিয়া নাই। ফলশ্ৰুতিত প্ৰথম

বক্তাৰ কাৰণে দ্বিতীয় বক্তাৰ অৱস্থিতি স্পষ্ট হোৱা নাই। প্ৰথম বক্তাৰ কথন আৰু দ্বিতীয় বক্তাৰ কথনে সংলগ্নিত যোৰ গঠন নকৰাৰ বাবে কথোপকথনত বিভ্ৰান্তিৰ সৃষ্টি হৈছে। কথোপকথনত সৃষ্টি হ'ব পৰা এনেধৰণৰ প্ৰত্যাহ্বান সংলগ্নিত যোৰ ৰক্ষা কৰি মোকাবিলা কৰিব পাৰি। অৱশ্যে সংলগ্নিত যোৰৰ ক্ষেত্ৰত সৃষ্টি হ'ব পৰা এয়ে একমাত্ৰ প্ৰত্যাহ্বান নহয়। পলমকৈ সঁহাৰি দিলেও কথোপকথনৰ স্বাভাৱিক প্ৰবাহ ব্যাহত হয়। বিশেষকৈ প্ৰত্যুত্তৰ দিয়োতে দ্বিধাবোধ থাকিলে বা বক্তাই বিৰতি ল'লে অনিশ্চয়তা বা অস্বস্তিৰ ইংগিত পোৱা যায়। এনে পৰিস্থিতিত কথোপকথনত সংলগ্নিত যোৰ ৰক্ষা নহয়। উদাহৰণস্বৰূপে-

(চ) প্ৰথম বক্তা- কিছুদিনৰ কাৰণে আপোনাৰ পৰা মহাত্মা গান্ধীৰ আত্মজীৱনীখন নিব পাৰিমনে ?

দ্বিতীয় বক্তা- (এক দীঘলীয়া বিৰতিৰ পাছত) উম্ পাৰিবা যেন পাওঁ।

ইয়াত স্বাভাৱিকভাৱে দ্বিতীয় বক্তাই দীঘলীয়া বিৰতিসহিতে কোৱা কথনে পূৰ্বৰ প্ৰথম বক্তাৰ কথনৰ সৈতে সংলগ্নতা স্থাপন কৰিব পৰা নাই। যাৰ বাবে কথোপকথনটোৰ স্বাভাৱিক প্ৰবাহত ব্যাঘাত জন্মিছে।

সংলগ্নিত যোৰৰ অভাৱত কথোপকথনত সৃষ্টি হ'ব পৰা এইধৰণৰ প্ৰত্যাহ্বানসমূহ অতিক্ৰম কৰিবলৈ বক্তাই কথোপকথনৰ বেলিকাই কেতবোৰ কৌশল অৱলম্বন কৰিব পাৰে। বিশেষকৈ কথোপকথনত সঁহাৰি অস্পষ্ট বা অপ্ৰত্যাশিত হ'লে অংশগ্ৰহণকাৰীয়ে স্পষ্টীকৰণ বিচৰি কথোপকথনক পুনৰ সংহতিপূৰ্ণ কৰি তুলিব পাৰে। একেদৰে বাকধাৰা বিশ্লেষণৰ বেলিকা প্ৰাসংগিক হৈ পৰা সংযোজক বা বাকধাৰা নিৰ্ধাৰণকাৰী উপাদান ব্যৱহাৰ কৰিও বক্তাই কথোপকথনত সৃষ্টি হ'ব পৰা বিৰতি বা অস্বস্তিকৰ নিস্তব্ধতা হ্ৰাস কৰিব পাৰে। সমান্তৰালভাৱে সংলগ্নিত যোৰত থাকিব পৰা সংস্কৃতিগত পাৰ্থক্যসমূহ কথোপকথনত অংশগ্ৰহণকাৰীসকলে বুজি উঠিলে কথনৰ ভুল ব্যাখ্যা বহুদূৰ এৰাই চলিব পাৰি। সাংস্কৃতিক পটভূমিৰ জ্ঞানৰ সহায়ত বহুসাংস্কৃতিক পটভূমিত সম্পন্ন কথোপকথনত অংশগ্ৰহণকাৰীসকলে আন অংশগ্ৰহণকাৰীৰ কথোপকথনৰ নীতি-নিয়ম আৰু কথনৰ সৈতে সংগতিপূৰ্ণ সাংস্কৃতিক দিশসমূহক গুৰুত্ব দি নিজৰ কথনক নিৰ্মাণ কৰিব পাৰে বা খাপ খুৱাই ল'ব পাৰে। অৱশ্যে আলোচিত প্ৰত্যাহ্বানসমূহ সংলগ্নিত যোৰৰ ব্যৱহাৰৰ দ্বাৰা অতি সহজে অতিক্ৰম কৰিব পাৰি। বিশেষকৈ পেছাদাৰী পৰিৱেশত ফলপ্ৰসূভাৱে সংলগ্ন যোৰৰ ব্যৱহাৰ কথোপকথনত সাৱলীলতা নিশ্চিত কৰাৰ লগতে ভুল বুজাবুজি নোহোৱা কৰিব পাৰি।

### ৪.৭.৩ কথোপকথনৰ মেৰামতিৰ ব্যৱস্থা (Repair Mechanisms)

সংলগ্নিত যোৰৰ অনুপস্থিতিৰ উপৰিও আন ভিন্ন কাৰণত কথোপকথনে ফলপ্ৰসূভাৱে যোগাযোগ স্থাপন কৰিব অসমৰ্থ হ'ব পাৰে। কথোপকথনত প্ৰেৰিত অৰ্থ

শ্ৰোতাৰ গ্ৰহণক্ষমতাৰ ওপৰতো বহু পৰিমাণে নিৰ্ভৰশীল হোৱা বাবে কথোপকথনে যোগাযোগত বাধা বা বিজুটি ঘটাব পাৰে। এনে পৰিস্থিতিত কথোপকথনত কেতবোৰ কৌশল ব্যৱহাৰ কৰি যোগাযোগলৈ অহা ব্যাঘাত-বিজুতিসমূহ আতৰ কৰিব পাৰি। এনে কৌশলবোৰকে কথোপকথনৰ মেৰামতিৰ ব্যৱস্থা বুলি অভিহিত কৰিব পাৰি। নিজে নিজৰ কথন শুধৰোৱা, বিনম্ৰতাৰে আনৰ ভুল শুধৰোৱা, পুনৰ কথন কৰি কথনক স্পষ্ট কৰাৰ দৰে ব্যৱস্থাসমূহে ভুল বুজাবুজি, ভুলকৈ শুনা বা বাক্যৰ ভুল উচ্চাৰণৰ দৰে বিজুতিসমূহ দূৰ কৰি কথোপকথনৰ স্বাচ্ছন্দ্যপূৰ্ণ প্ৰবাহ অব্যাহত ৰাখে।

মেৰামতি ব্যৱস্থাৰ ধাৰণাটো প্ৰথমে শ্বেগলফ, জেফাৰচন আৰু চেক্সে (১৯৭৭) প্ৰৱৰ্তন কৰিছিল। তেওঁলোকে প্ৰদত্ত এই ধাৰণাৰে বক্তাসকলে নিজৰ ভুল কেনেকৈ শুধৰাই বা আনক তেনে কৰাত কিদৰে সহায় কৰে সেয়া তুলি ধৰিছিল। তেওঁলোকৰ গৱেষণাই কথোপকথনৰ সংহতি বজাই ৰখাৰ ক্ষেত্ৰত আত্মমেৰামতি আৰু আনৰ দ্বাৰা আৰম্ভ কৰা মেৰামতিৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰিছিল। পৰৱৰ্তী সময়ত হোৱা বিদ্যায়তনিক অধ্যয়নেও (Drew, 1997) শ্বেগলফ, জেফাৰচন আৰু চেক্সে প্ৰৱৰ্তন কৰা ধাৰণাকে বিস্তাৰ কৰি আনুষ্ঠানিক আৰু দৈনন্দিন কথোপকথনত মেৰামতিৰ ব্যৱস্থাসমূহে যোগাযোগক ফলপ্ৰসূ কৰাত সহায় কৰে বুলি মত পোষণ কৰিছিল।

মেৰামতিৰ ব্যৱস্থা ভিন্ন প্ৰকাৰৰ হ'ব পাৰে। কথোৰকথনত মেৰামতিৰ উদ্যোগ কোনে প্ৰথমে লৈছে তাৰ ওপৰত ভিত্তি কৰি মেৰামতি ব্যৱস্থা চাৰি প্ৰকাৰৰ বুলি ক'ব পাৰি।

### ৪.৭.৩.১ স্ব-উদ্যোগিত স্ব-মেৰামতি

এই প্ৰকাৰৰ মেৰামতিৰ ব্যৱস্থাত বক্তাই নিজে কথোপকথনত ভুল কৰিছে বুলি গম পায় আৰু নিজেই সেই ভুল শুধৰাই কথোপকথনত সৃষ্টি হ'ব পৰা বাধা আতৰ কৰে। উদাহৰণস্বৰূপে তলৰ নিদৰ্শনটোলৈ লক্ষ্য কৰক-

(ছ) প্ৰথম বক্তা- মই তোমাক বৃহস্পতিবাৰে লগ পাম।

দ্বিতীয় বক্তা- ঠিক আছে।

প্ৰথম বক্তা- অ' ৰ'বা, বৃহস্পতিবাৰ নহয় শুকুৰবাৰ। শুকুৰবাৰহে বুজাব বিচাৰিছিলোঁ।

এই কথোপকথনটোত প্ৰথম বক্তাই স্বতন্ত্ৰভাৱে নিজে কৰা ভুলৰ বিষয়ে গম পাইছে আৰু লগে লগে কথোপকথনত নিজে নিজৰ ভুল শুধৰাই লৈছে।

### ৪.৬.৩.২ উদ্যোগিত আনৰ সহায়ত মেৰামতি

এই প্ৰকাৰৰ মেৰামতিৰ ব্যৱস্থাত বক্তাই নিজে কথোপকথনত ভুল কৰিছে বুলি গম পায় যদিও নিজে নিজৰ ভুলটো শুদ্ধ কৰিব নোৱাৰে আৰু কথোপকথনত অংশগ্ৰহণ

কৰা আন ব্যক্তিৰ পৰা ভুল শুদ্ধ কৰাৰ বাবে সহায় বিচাৰে। আনৰ সহায়ত বক্তাই নিজে গম পোৱা ভুল শুধৰাই লোৱাই হৈছে কথোপকথনত স্ব-উদ্যোগিত অথচ আনৰ সহায়ত কৰা মেৰামতি ব্যৱস্থা। উদাহৰণস্বৰূপে তলৰ নিদৰ্শনটোলৈ লক্ষ্য কৰক-

(জ) প্ৰথম বক্তা- সিদিনা বজাৰত সেই অভিনেতাজনক লগ পাইছিলোঁ নহয়।...ইস্ কি আছিল নামটো।

দ্বিতীয় বক্তা- ৰবি শৰ্মাৰ কথা কৈছা নেকি ?

এই কথোপকথনটোত প্ৰথম বক্তাই স্বতন্ত্ৰভাৱে নিজে কৰা ভুলৰ বিষয়ে গম পাইছে আৰু লগে লগে কথোপকথনত অংশগ্ৰহণকাৰী আন ব্যক্তিৰ পৰা সেই বিষয়ে সহায় বিচাৰিছে। প্ৰত্যুত্তৰত দ্বিতীয় বক্তায়ো প্ৰথম বক্তাৰ কথন মেৰামতি কৰিবলৈ সহায় আগবঢ়াইছে।

**৪.৭.৩.৩ আনৰ দ্বাৰা উদ্যোগিত স্ব-মেৰামতি**

এই প্ৰকাৰৰ মেৰামতিৰ ব্যৱস্থাত কথনত বক্তাই কৰা ভুল বিশেষ শ্ৰোতা বা আন অংশগ্ৰহণকাৰীয়ে লক্ষ্য কৰে কৰে আৰু বক্তাক সেইটো শুধৰণি কৰিবলৈ কয়। উদাহৰণস্বৰূপে তলৰ নিদৰ্শনটোলৈ লক্ষ্য কৰক-

(ঝ) প্ৰথম বক্তা- পুৱা ছয় বজাত আমি অফিচৰ পৰা আহি একলগ হওঁ, তাৰপিছত কি কৰা যায় ভাবিম।

দ্বিতীয় বক্তা- পুৱা নে সন্ধিয়া ?

প্ৰথম বক্তা- পুৱা ক'লো নেকি! কওঁতে ভুল হৈছে। সন্ধিয়া ছয় বজাক লগ হওঁ।

আলোচ্য নিদৰ্শনটোত দ্বিতীয় বক্তাই প্ৰথম বক্তাৰ কথনৰ স্পষ্টীকৰণ বিচাৰি প্ৰথম বক্তাৰ কথনৰ ভুল আঙুলিয়াই দিছে। দ্বিতীয় বক্তাৰ সহায়ত উদ্‌ঘাটন কৰা এই ভুল প্ৰথম বক্তাই পৰৱৰ্তী কথনত শুধৰাই কথোপকথনৰ গতি সাৱলীল কৰি ৰখাত সহায় কৰিছে।

**১.৭.৩.৪ আনৰ দ্বাৰা উদ্যোগিত আনৰ সহায়ত মেৰামতিঃ** এই প্ৰকাৰৰ মেৰামতিৰ ব্যৱস্থাত কথনত বক্তাই কৰা ভুল বিশেষ শ্ৰোতা বা আন অংশগ্ৰহণকাৰীয়ে লক্ষ্য কৰাৰ লগতে বক্তাৰ ভুলটো পোনপটীয়াকৈ শুধৰায়ো দিয়ে। উদাহৰণস্বৰূপে তলৰ নিদৰ্শনটোলৈ লক্ষ্য কৰক-

(ঞ) প্ৰথম বক্তা- ভাৰতৰ প্ৰথম ৰাষ্ট্ৰপতি পণ্ডিত জৱাহৰলাল নেহেৰুৱে স্বাধীন ভাৰতত কেইবাটাও জ্ঞান-বিজ্ঞানৰ লেখত ল'বলগীয়া প্ৰতিষ্ঠান গঢ় দিছিল।

দ্বিতীয় বক্তা- প্ৰথম ৰাষ্ট্ৰপতি নহয় প্ৰথম প্ৰধানমন্ত্ৰীহে।

এই নিদৰ্শনটোত প্ৰথম বক্তাই কথনত কৰা ভুল দ্বিতীয় বক্তাই আঙুলিয়াই দিয়াৰ উপৰিও পোনপটীয়াকৈ শুধৰাই দিছে। ভুলৰ নিৰ্দেশ আৰু শুধৰণি দুয়োটাই কথোপকথনৰ দ্বিতীয় এগৰাকী অংশগ্ৰহণকাৰীৰ দ্বাৰা সম্পন্ন হৈছে বাবে এনেধৰণৰ মেৰামতিৰ ব্যৱস্থাক

আনৰ দ্বাৰা উদ্যোগিত আৰু আনৰ সহায়ত মেৰামতিকৃত ব্যৱস্থা বুলি অভিহিত কৰিব পাৰি।

মেৰামতি ব্যৱস্থাই কথোপকথনত স্পষ্টতা নিশ্চিত কৰাৰ লগতে ভুল বুজাবুজি ৰোধ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। লগতে এই ব্যৱস্থাই কথোপকথনত সৃষ্টি হ'ব পৰা বাধা আতৰাই কথা-বতৰাৰ স্বাভাৱিক প্ৰবাহ বজাই ৰাখে। বিশেষকৈ পেছাদাৰী আৰু আন্তঃসাংস্কৃতিক কথোপকথনক ফলপ্ৰসূ যোগাযোগলৈ ৰূপান্তৰ কৰাত মেৰামতিৰ ব্যৱস্থাই তাৎপৰ্যপূৰ্ণ ভূমিকা পালন কৰে।

**অগ্ৰগতিৰ খতিয়ান**

কথোপকথন সংহতিপূৰ্ণ কৰি তোলাত মেৰামতিৰ ব্যৱস্থাই কিদৰে সহায় কৰে?

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

### ৪.৭.৪ কথোপকথনৰ অগ্ৰাধিকাৰভিত্তিক সংগঠন (Preference Organization)

কথোপকথনত বক্তাৰ কথাৰ ওপৰত ভিত্তি কৰি শ্ৰোতাই ভিন ভিন সঁহাৰি দিব পাৰে। এনে বৈকল্পিক সঁহাৰিসমূহৰ ভিতৰতো কিছুমান সঁহাৰি সামাজিকভাৱে অধিক অগ্ৰাধিকাৰ পায় বা সামাজিকভাৱে অধিক গ্ৰহণযোগ্য। অৱশ্যে ইয়ে অগ্ৰাধিকাৰপ্ৰাপ্ত সঁহাৰিসমূহক আন সঁহাৰিতকৈ ভাল বা উচ্চ বুলি প্ৰতীয়মান নকৰে। সাধাৰণতে সামাজিকভাৱে প্ৰতিষ্ঠিত নীতি-নিয়মে কিছুমান সঁহাৰিক অধিক পছন্দশীল কৰি তোলে। কথোপকথনত পছন্দভিত্তিক বা অগ্ৰাধিকাৰভিত্তিক সংগঠনৰ অধ্যয়নলৈ পমেৰেণ্টাজ (Anita Pomerantz, 1984) আৰু শ্বেগলফ (Emanuel Schegloff, 2007) এ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছিল। তেওঁলোকে লক্ষ্য কৰিছিল যে কথোপকথনত সন্মতিসূচক বা গ্ৰহণযোগ্যতাৰ দৰে কিছুমান বিশেষ সঁহাৰিৰ অন্তৰ্ভুক্তিয়ে সামাজিক সম্প্ৰীতি গঢ় দিয়ে। ইয়াৰ বিপৰীতে অস্বীকাৰমূলক বা মতানৈক্যসূচক সঁহাৰিৰ দৰে অনাগ্ৰধিকাৰভিত্তিক সঁহাৰি প্ৰদান কৰাৰ সলনি কথোপকথনে সৃষ্টি কৰিব সংঘাত এৰাই চলে। প্ৰায় সকলো ভাষাৰ কথোপকথনতে অগ্ৰাধিকাৰভিত্তিক সঁহাৰি অধিক সন্নিবিষ্ট কৰা দেখা যায়। অগ্ৰাধিকাৰভিত্তিক সঁহাৰিসমূহ সামাজিক প্ৰত্যাশাৰ সৈতে মিল খায় আৰু সাধাৰণতে এনে কথোপকথনত সাৱলীলতা লক্ষ্য কৰিব পাৰি। উদাহৰণস্বৰূপে তলৰ নিদৰ্শনটোলৈ মন কৰক।

(ট) প্ৰথম বক্তা- তুমি আমাৰ লগত কাজিৰঙা যাবা নেকি ?

দ্বিতীয় বক্তা- যাম। কিয় নাযাম। যাবলৈ পালেতো ভালেই পাম।

এই কথোপকথনটোৰ প্ৰথম বক্তাৰ কথনটো প্ৰশ্নসূচক হোৱাৰ বাবে তাৰ প্ৰত্যুত্তৰত দ্বিতীয় বক্তাৰ পৰা এক সঁহাৰি আশা কৰা হৈছে। এই সঁহাৰিটোলৈ মন কৰিলে দেখা যায় যে সঁহাৰিটোত সন্মতিসূচকতা আছে। কথোপকথনত এনে সঁহাৰিয়ে সামাজিকভাৱে অধিক গ্ৰহণযোগ্য। যাৰ বাবে কথোপকথনটো অধিক পছন্দশীল হৈ উঠিছে।

অনা-অগ্ৰাধিকাৰভিত্তিক সঁহাৰিয়ে সামাজিক গ্ৰহণযোগ্যতাক প্ৰত্যাহ্বান জনায় বাবে প্ৰায়ে ইয়াত কথনৰ প্ৰভাৱ প্ৰশমিত কৰিবলৈ বাচি যোৱাৰ কৌশলৰ প্ৰয়োগ, অতিৰিক্ত সময় লোৱা আৰু কথনৰ বিস্তৃত ব্যাখ্যা প্ৰদান কৰাৰ দৰে ভাষিক আচৰণ প্ৰদৰ্শন কৰা হয়। উদাহৰণস্বৰূপে তলৰ নিদৰ্শনটোলৈ মন কৰক-

(ট) প্ৰথম বক্তা- তুমি আমাৰ লগত কাজিৰঙা যাবা নেকি ?

দ্বিতীয় বক্তা- যোৱাৰ ইচ্ছা আছিল। কিন্তু কাইলৈ মোৰ ডক্টৰৰ তাত যাবলগীয়া আছে যে।

এই কথোপকথনটোত দ্বিতীয় বক্তাই প্ৰথম বক্তাৰ প্ৰশ্নৰ উত্তৰত অসন্মতি প্ৰদান কৰি সামাজিক নীতি-নিয়ম বহিৰ্ভূত কাম কৰিছে। কিন্তু দ্বিতীয় বক্তাই তাৎক্ষণিকভাৱে প্ৰত্যুত্তৰ নিদি অসন্মতি প্ৰদান কৰাৰ কাৰণ ব্যাখ্যা কৰিছে।

বাস্তৱ জীৱনত আমন্ত্ৰণ/নিমন্ত্ৰণসূচক কথন, অনুৰোধমূলক কথন আৰু প্ৰশংসামূলক কথনত অগ্ৰাধিকাৰভিত্তিক সংগঠন লক্ষ্য কৰিব পাৰি। কথোপকথনৰ অগ্ৰাধিকাৰভিত্তিক সংগঠনে সামাজিক কথোপকথন ব্যাখ্যা কৰাৰ লগতে কথোপকথনত সৃষ্টি হ'ব পৰা সম্ভাব্য অস্বস্তি হ্ৰাস কৰে।

### ৪.৭.৫ কথোপকথনৰ সংগঠনৰ ক্ৰম (Sequence Organization)

কথোপকথনৰ এক সহজাত গঠনৰ ক্ৰম থাকে। কথোপকথনৰ সংগঠনৰ ক্ৰমে কথোপকথনৰ গাঁথনিক পদ্ধতিক তুলি ধৰে। সংগঠনৰ ক্ৰমে কথোপকথনৰ সংহতি আৰু যুক্তিসংগত অগ্ৰগতি নিশ্চিত কৰে। কথোপকথনৰ সহজাত ক্ৰমত সাধাৰণতে পাতনি, কেন্দ্ৰীয় অংশ আৰু সামৰণি থাকে। কথোপকথনৰ সংগঠনৰ ক্ৰমে অংশগ্ৰহণকাৰীসকলক কথোপকথনৰ ভিন্ন দিশ বুজাৰ লগতে আগতীয়াকৈ অনুমান কৰিবলৈ সহায় কৰে।

কথোপকথন বিশ্লেষণ সম্পৰ্কে আলোচনা কৰোতেই শ্বেগলফ আৰু চেক্সে কথোপকথনৰ সংগঠনৰ ক্ৰম সম্বন্ধীয় ধাৰণা বিকশিত কৰিছিল। তেওঁলোকৰ গৱেষণাই কথা-বতৰাবোৰ যাদৃচ্ছিক হোৱাৰ সলনি এক গাঁথনিগত আৰ্হি অনুসৰণ কৰে বুলি প্ৰতিষ্ঠা কৰিছিল। এই

গাঁথনিগত আৰ্হিয়ে কথোপকথনত সংহতি বজাই ৰখাত সহায় কৰে। এই ধাৰণাটোকে বিস্তাৰ কৰি পৰৱৰ্তী সময়ত শ্বেগলফে (২০০৭) কয় যে বক্তাসকলৰ মাজত প্ৰত্যাশা সৃষ্টি কৰি কথোপকথনৰ অৰ্থ-নিৰ্মাণলৈ অৰিহণা যোগায়।

সকলোধৰণৰ কথোপকথনৰে সংগঠনটো ক্ৰমতে পাতনি, কেন্দ্ৰীয় অংশ আৰু সামৰণি থাকে থাকে বুলি ইতিমধ্যে কৈ অহা হৈছে। কথোপকথনৰ পাতনিত কথকে সন্মুখৰ শ্ৰোতাক শুভেচ্ছা জনাই, খবৰ বাতৰি লয় বা মনোযোগ আকৰ্ষণ কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰে। তাৰপিছতে কথোপকথনত কেন্দ্ৰীয় অংশ লক্ষ্য কৰিব পাৰি। ইয়াত মূল বিষয়টো আলোচনা কৰা হয়। কেন্দ্ৰীয় অংশতে ইতিমধ্যে আলোচিত সংলগ্নিত যোৰ, পাল-পতা ব্যৱস্থা, মেৰামতিৰ ব্যৱস্থাৰ উপস্থিতি লক্ষ্য কৰিব পাৰি। কথোপকথনৰ সামৰণি অংশত প্ৰায়ে সাৰাংশ, প্ৰশংসা বা বিদায় বাক্যাংশৰ ব্যৱহাৰ লক্ষ্য কৰিব পাৰি। উদাহৰণস্বৰূপে তলৰ কথোপকথনটোলৈ মন কৰক-

(ঠ) প্ৰথম বক্তা- দাদা কি খবৰ। বহুত দিন পাছত।
দ্বিতীয় বক্তা- ভালে আছোঁ। তোমাৰ কোৱা।
প্ৰথম বক্তা- মই ভালে আছোঁ। কিবা দিম নেকি দাদা ?
দ্বিতীয় বক্তা- কাজু বাদাম আছে নেকি ?
প্ৰথম বক্তা- আছে দাদা। দুটা কোৱালিটিৰ আছে। কোনটো দিম চাই লওকচোন।
দ্বিতীয় বক্তা- এইটো দিয়া। দামটো কমাই ল'বা অলপ।
প্ৰথম বক্তা- আপুনি হলচেল দাম দিব যাওঁক।
(বিত্তীয় লেন-দেন সম্পন্ন হোৱাৰ পাছত)
দ্বিতীয় বক্তা- যাওঁ দিয়া।

আলোচিত কথোপকথনটোত প্ৰথমেই অংশগ্ৰহণকাৰীয়ে ইজনে সিজনৰ কুশল-বাৰ্তা লৈ কথোপকথনৰ বাবে পটভূমি তৈয়াৰ কৰি দিছে। এয়া কথোপকথনৰ আৰম্ভণি বা পাতনি। পৰৱৰ্তী কথনৰ পৰা কথোপকথনৰ কেন্দ্ৰীয় অংশ আৰম্ভ হৈছে। দ্বিতীয় বক্তাই সোধা প্ৰশ্নৰ উত্তৰ কথন কৰি প্ৰথম বক্তাই কথোপকথনত সংলগ্নিত যোৰৰ সৃষ্টি কৰিছে। একেদৰে প্ৰথম বক্তাই দ্বিতীয় বক্তাৰ অনুৰোধ ৰক্ষা কৰি কথোপকথনত অগ্ৰাধিকাৰভিত্তিক সংগঠনো ৰক্ষিত কৰিছে। একেবাৰে শেষত দ্বিতীয় বক্তাই প্ৰথম বক্তাৰ পৰা বিদায় লৈ কথোপকথনৰ সামৰণি মাৰিছে।

কথোপকথনত অনিচ্ছাকৃতভাৱে সৃষ্টি হোৱা অপ্ৰত্যাশিত বাধাই কথোপকথনৰ যুক্তিসংগত ক্ৰম ভাঙি কথোপকথনৰ স্বাভাৱিক প্ৰবাহ ভংগ কৰিব পাৰে। একেদৰে সন্মুখৰ অংশগ্ৰহণকাৰীৰ সঁহাৰি প্ৰত্যাশিত ক্ৰমৰ সৈতে নিমিলেও কথোপকথনৰ সংগঠনৰ ক্ৰম ভংগ হ'ব পাৰে। এনে বিসংগতিপূৰ্ণ ক্ৰমে কথোপকথনত বিভ্ৰান্তিৰ সৃষ্টি কৰিব পাৰে। এনে অসহযোগী অংশগ্ৰহণকাৰীয়ে গতানুগতিক ক্ৰমবিন্যাসৰ অনুসৰণ নকৰিলে কথোপকথন সংগতিপূৰ্ণ কৰাটো কঠিন হৈ পৰে। অৱশ্যে এনে প্ৰত্যাহ্বানসমূহ আন উপায়েৰে লংঘন কৰিব পাৰি। বিশেষকৈ বাকধাৰা নিৰ্ধাৰণকাৰী উপাদানৰ ব্যৱহাৰে

কথোপকথনত সংহতি বজাই ৰখাত সহায় কৰে। একেদৰে অৰ্থ স্পষ্ট কৰিবলৈ অনুসৰণমূলক প্ৰশ্ন সুধিলে কথোপকথনৰ ক্ৰমটো বুজিব পাৰি।

ক্ৰম সংগঠনে কথোপকথনসমূহ যুক্তিসংগত আৰু অৰ্থপূৰ্ণ হোৱাটো নিশ্চিত কৰি ফলপ্ৰসূভাৱে যোগাযোগ সম্পূৰ্ণ হোৱাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই গঠনলব্ধ জ্ঞানে ব্যক্তিসকলক নিজৰ কথোপকথন দক্ষতা উন্নত কৰাৰ লগতে উন্নতমানদণ্ডৰ আন্তঃব্যক্তিগত যোগোযাগ স্থাপন কৰাত সহায় কৰে।

## ৪.৮ সামৰণি

ভাষাৰ জৰিয়তে মানুহে কেনেকৈ যোগাযোগ কৰে সেয়া অধ্যয়ন কৰিবলৈ কথোপকথন বিশ্লেষণ এক গুৰুত্বপূৰ্ণ আহিলাৰূপে আত্মপ্ৰকাশ কৰিছে। সমাজবিজ্ঞান তত্ত্বৰ পৰা আৰম্ভ কৰি ভাষাবিজ্ঞান, মনোবিজ্ঞান, যোগাযোগ অধ্যয়নত কথোপকথন বিশ্লেষণ পদ্ধতি বহুলভাৱে ব্যৱহৃত হোৱা পৰিলক্ষিত হৈছে। সময়ৰ লগে লগে কথোপকথন বিশ্লেষণ পদ্ধতিয়ে কথোপকথনৰ অধ্যয়ন কৰিবলৈ পাল পতা ব্যৱস্থা, মেৰামতিৰ ব্যৱস্থা, সংগঠনৰ ক্ৰমৰ দৰে দিশক সাঙুৰি এক গাঁথনিগত পদ্ধতি বিকশিত কৰিছে। এনেধৰণে সমৃদ্ধ কথোপকথন বিশ্লেষণে দৈনন্দিন জীৱনৰ লগতে আনুষ্ঠানিক আৰু আন্তঃসাংস্কৃতিক পৰিৱেশত ব্যক্তিৰ যোগাযোগ প্ৰক্ৰিয়াক বুজাত সহায় কৰে। শিক্ষা, স্বাস্থ্যসেৱা, আইনসেৱা আৰু ব্যৱসায়ৰ দৰে পেছাদাৰী ক্ষেত্ৰত কথোপকথন বিশ্লেষণৰ প্ৰয়োগে কথোনকথনমূলক যোগাযোগ প্ৰক্ৰিয়াক উন্নত কৰি নিজৰ প্ৰায়োগিক মূল্য বৃদ্ধি কৰিছে। সাম্প্ৰতিক সময়ত প্ৰযুক্তিৰ বিকাশৰ লগে লগে কথোপকথন বিশ্লেষণে ডিজিটেল যোগাযোগ, বহুমাধ্যমিক কথোপকথন আৰু মানৱ আৰু কৃত্ৰিম বুদ্ধিমত্তাৰে সম্পন্ন কথোপকথন পৰীক্ষা কৰি নিজৰ অধ্যয়নৰ পৰিসৰ সম্প্ৰসাৰিত কৰিছে। ভৱিষ্যতেও মানৱৰ দ্বাৰা সম্পন্ন যোগাযোগ প্ৰক্ৰিয়া বিশ্লেষণ কৰাৰ লগতে যোগাযোগৰ নতুন নতুন ৰূপবোৰকো আলোচনাৰ পৰিধিলৈ আনি ভিন্ন প্ৰসংগত মানুহৰ মাজত সম্পন্ন যোগাযোগ ব্যাখ্যা কৰাৰ ক্ষেত্ৰত কথোপকথন বিশ্লেষণ এক প্ৰাসংগিক অধ্যয়ন ক্ষেত্ৰ হৈ ৰ'ব।

## ৪.৯ সাৰাংশ (Summing Up)

মানুহে কথোপকথনৰ জৰিয়তে যোগাযোগ কৰি অৰ্থ সৃষ্টি কৰা প্ৰক্ৰিয়াটোক কথোপকথন বিশ্লেষণে পদ্ধতিগত অধ্যয়ন কৰে। বিংশ শতিকাৰ সত্তৰৰ দশকত হাৰ্ভি চেকছ, ইমানুৱেল শ্বেগলফ আৰু গেইল জেফাৰচনে বিকশিত কৰা এই অধ্যয়ন পদ্ধতিয়ে নৃতাত্ত্বিক পদ্ধতি, বাকধাৰা বিশ্লেষণকে ধৰি সমাজবিজ্ঞান আৰু ভাষিক পৰম্পৰাৰ দৃষ্টিভংগীৰে সমৃদ্ধ হোৱা পৰিলক্ষিত হয়। সেয়ে কথোপকথন বিশ্লেষণৰ মূল সত্ত্বাটো আন্তঃবিষয়িক।

কথোপকথন বিশ্লেষণে প্ৰধানকৈ কথোপকথনৰ গঠন সম্পৰ্কে অনুসন্ধান কৰে। এই অনুসন্ধানত পাল-পতা ব্যৱস্থা, মেৰামতি ব্যৱস্থা, সংগঠনৰ ক্ৰম আৰু অগ্ৰাধিকাৰভিত্তিক গঠনসমূহ অন্তৰ্ভুক্ত। কথোপকথনত পাল-পতা ব্যৱস্থাই বক্তাসকলে কথোপকথনত পাল পাতি পৰিচালনা কৰা বক্তা বা শ্ৰোতাৰ ভূমিকা সম্পৰ্কে আলোচনা কৰে। কথোপকথনত মেৰামতিৰ ব্যৱস্থাই কথা-বতৰাত উদ্ভৱ হোৱা ভুল বা ভুল বুজাবুজি শুধৰোৱাত সহায় কৰে। কথোপকথনৰ সংগঠনৰ ক্ৰমে কথোপকথনৰ যুক্তিসংগতভাৱে প্ৰবাহ নিশ্চিত কৰে। কথোপকথনত প্ৰশ্ন কথনৰ পাছত উত্তৰ কথন, অভিবাদন কথনৰ পাছত সেই অভিবাদনৰ সঁহাৰি কথন, অনুৰোধ কথন আৰু তাৰ পাছত অনুৰোধৰ সঁহাৰি কথন সাধাৰণতে কথোপকথনত লক্ষ্য কৰা সাংগঠিক ক্ৰম। আনহাতে অগ্ৰাধিকাৰভিত্তিক গাঁথনিয়ে কেতবোৰ সঁহাৰি আন সঁহাৰিতকৈ সামাজিকভাৱে অধিক গ্ৰহণযোগ্য, পছন্দযোগ্য হোৱাৰ ইংগিত দিয়ে।

দৈনন্দিন কথোপকথনত গুৰুত্ব প্ৰদান কৰি আৰম্ভ হোৱা কথোপকথন বিশ্লেষণে সময় যোৱাৰ লগে লগে আইনী-সেৱা, চিকিৎসা-সেৱা আৰু শৈক্ষিক পৰিৱেশৰ দৰে আনুষ্ঠানিক পৰিৱেশত সম্পন্ন কথোপকথনক সামৰি  পেছাদাৰী যোগাযোগ সম্পৰ্কে অন্তৰ্দৃষ্টি প্ৰদান কৰিবলৈ আৰম্ভ কৰিছে। আইনী পৰিৱেশত সম্পন্ন যোগাযোগৰ আলোচনা কৰি কথোপকথন বিশ্লেষণে আদালতৰ কক্ষৰ কথা-বতৰা আৰু আৰক্ষীৰ জেৰা বুজিবলৈ সহায় কৰে। চিকিৎসা-সেৱাৰ ক্ষেত্ৰত ইয়ে চিকিৎসক-ৰোগীৰ মাজৰ যোগাযোগ উন্নত কৰে। শিক্ষাক্ষেত্ৰত কথোপকথন বিশ্লেষণে শ্ৰেণীকোঠাৰ বাকধাৰা বিশ্লেষণ কৰি পাঠদান পদ্ধতি উন্নত কৰিছে। ডিজিটেল আৰু বহুমাধ্যমিক যোগাযোগৰ অগ্ৰগতিৰ লগে লগে কথোপকথন গঠন সম্পৰ্কীয় অধ্যয়নো বিকশিত হৈছে। এই বিকশিত অধ্যয়নে মৌখিক আৰু অমৌখিক দুয়োধৰণৰ ইংগিতকে একেলগে বিশ্লেষণ কৰে। মানুহে কথোপকথনত ব্যৱহাৰ কৰা ইংগিত, মুখৰ অংগী-ভংগী আৰু কথনৰ সুৰ বিশ্লেষণ কৰি সাম্প্ৰতিক কথোপকথন বিশ্লেষণ এক বিদ্যায়তনিক ক্ষেত্ৰৰূপে অধিক প্ৰসাৰিত হৈ পৰিছে।

এনেধৰণে ভিন্নক্ষেত্ৰৰ অধ্যয়নে কথোপকথন বিশ্লেষণক ভিন্ন শাখা-প্ৰশাখাযুক্ত কৰি তুলিছে। কথোপকথনমূলক সমাজভাষাবিজ্ঞান, আলোচনামূলক মনোবিজ্ঞান, আনুষ্ঠানিক কথোপকথন বিশ্লেষণ আৰু বহুমাধ্যমিক কথোপকথন বিশ্লেষণৰ দৰে কথোপকথন বিশ্লেষণৰ শাখাই কথোপকথনৰ গতিশীলতাক ভিন্ন অথচ অনন্য দৃষ্টিভংগীৰে তুলি ধৰিছে।

বিজ্ঞান-প্ৰযুক্তিৰ উন্নতিৰ লগে লগে এতিয়া ভিডিঅ' কল, অনলাইন বাৰ্তা প্ৰেৰণ আৰু কৃত্ৰিম বুদ্ধিমত্তা সম্পন্ন যোগাযোগো কথোপকথন বিশ্লেষণৰ বিষয়বস্তু আত্মপ্ৰকাশ কৰিছে। নিৰন্তৰ বিৱৰ্তনসম্পন্ন মানৱ যোগাযোগক বুজাত সহায় কৰে বাবে কথোপকথন বিশ্লেষণ এক তাৎপৰ্য্যপূৰ্ণ বিদ্যায়তনিক ক্ষেত্ৰ। উদীয়মান যোগাযোগ প্ৰযুক্তিৰ লগতে আন্তঃসাংস্কৃতিক কথোপকথনৰ বিন্যাস নিৰ্ধাৰণ কৰিবলৈ কথোপকথন বিশ্লেষণৰ পদ্ধতিসমূহ ভৱিষ্যতে কিদৰে সম্প্ৰসাৰিত হয় সেয়া লক্ষণীয় হ'ব।

## ৪.১০ আৰ্হি প্ৰশ্ন (Sample Questions)

১. কথোপকথন কি? কথোপকথন বিশ্লেষণৰ সংজ্ঞা আগবঢ়োৱা।

২. কথোপন বিশ্লেষণৰ ইতিহাস আৰু বিকাশ আলোচনা কৰি এক প্ৰবন্ধ প্ৰস্তুত কৰা।

৩. কথোপকথনৰ বিশ্লেষণ কি কি ক্ষেত্ৰত প্ৰয়োগ হয় আলোচনা কৰা।

৪. কথোপকথনৰ উপাদানসমূহে কথোপকথনৰ সংগতিপূৰ্ণ গতি কিদৰে নিৰূপণ কৰে আলোচনা কৰা।

৫. কথোপকথনত পাল পতা ব্যৱস্থা আৰু মেৰামতিৰ ব্যৱস্থাৰ গুৰুত্ব ব্যাখ্যা কৰা।

৬. কথোপকথনত সংগঠনৰ ক্ৰম আৰু অগ্ৰাধিকাৰভিত্তিক সংগঠনৰ প্ৰয়োজনীয়তা সম্পৰ্কে এটা প্ৰবন্ধ প্ৰস্তুত কৰা।

## ৪.১১ গ্ৰন্থপঞ্জী (Reference/Suggested Readings)


Atkinson, J. Maxwell, and John Heritage, editors. *Structures of Social Action: Studies in Conversation Analysis.* Cambridge University Press, 1984.

Clayman, Steven E., and John Heritage. *Talk in Action: Interactions, Identities, and Institutions.* Wiley-Blackwell, 2010.

Drew, Paul, and John Heritage, editors. *Talk at Work: Interaction in Institutional Settings.* Cambridge University Press, 1992.

Garfinkel, Harold. *Studies in Ethnomethodology.* Prentice-Hall, 1967.

Goffman, Erving. *Forms of Talk.* University of Pennsylvania Press, 1981.

Hutchby, Ian, and Robin Wooffitt. *Conversation Analysis.* 2nd ed., Polity, 2008.

Levinson, Stephen C. *Pragmatics.* Cambridge University Press, 1983.

Pomerantz, Anita. "Agreeing and Disagreeing with Assessments: Some Features of Preferred/Dispreferred Turn Shapes." *Structures of Social Action: Studies in Conversation Analysis*, edited by J. Maxwell Atkinson and John Heritage, Cambridge University Press, 1984, pp. 57–101.

Sacks, Harvey. *Lectures on Conversation, Volumes I and II.* Edited by Gail Jefferson, Blackwell, 1995.

Sacks, Harvey, Emanuel A. Schegloff, and Gail Jefferson. “A Simplest Systematics for the Organization of Turn-Taking for Conversation.” *Language*, vol. 50, no. 4, 1974, pp. 696–735.

Schegloff, Emanuel A. *Sequence Organization in Interaction: A Primer in Conversation Analysis.* Cambridge University Press, 2007.

Sidnell, Jack, and Tanya Stivers, editors. *The Handbook of Conversation Analysis.* Wiley-Blackwell, 2013.

Wooffitt, Robin. *Conversation Analysis and Discourse Analysis: A Comparative and Critical Introduction.* SAGE, 2005.

*****

## তৃতীয় খণ্ড ঃ

প্ৰথম বিভাগ ঃ অভিধানতত্ত্বৰ সংজ্ঞা আৰু পৰিসৰ

দ্বিতীয় বিভাগ ঃ অভিধানৰ প্ৰকাৰভেদ (Types of Dictionary)

তৃতীয় বিভাগ ঃ অভিধান প্ৰস্তুতকৰণ প্ৰক্ৰিয়া

চতুৰ্থ বিভাগ ঃ অভিধানৰ অনুগাঁথনি

পঞ্চম বিভাগ ঃ অভিধানৰ বৃহৎ গাঁথনি

# প্ৰথম বিভাগ
## অভিধানতত্ত্বৰ সংজ্ঞা আৰু পৰিসৰ

**বিভাগৰ গঠন ঃ**


১.১ ভূমিকা (Introduction)
১.২ উদ্দেশ্য (Objectives)
১.৩ অভিধানতত্ত্বৰ সংজ্ঞা (Definition of Lexicology)
  ১.৩.১ পাশ্চাত্যৰ পটভূমিত অভিধানতত্ত্বৰ সংজ্ঞা
  ১.৩.২ প্ৰাচ্যৰ পটভূমিত অভিধানতত্ত্বৰ সংজ্ঞা
১.৪ অভিধানতত্ত্ব আৰু অভিধান প্ৰণয়ন কলা (Lexicology and Lexicography)
১.৫ অভিধানতত্ত্বৰ পৰিসৰ (Scope of Lexicology)
  ১.৪.১ অভিধানৰ উৎপত্তি, বিকাশ আৰু বিস্তাৰ
  ১.৪.২ অভিধানৰ গুণাগুণ (Quality of a Dictionary)
  ১.৪.৩ অভিধানৰ প্ৰকাৰভেদ (Types of Dictionary)
    ১.৪.৩.১ লিখিত বা ছপা অভিধান
      ১.৪.৩.১.১ একভাষিক অভিধান
      ১.৪.৩.১.২ দ্বিভাষিক অভিধান
      ১.৪.৩.১.৩ বহুভাষিক অভিধান
      ১.৪.৩.১.৪ চিত্ৰ অভিধান
      ১.৪.৩.১.৫ উচ্চাৰণাত্মক অভিধান
      ১.৪.৩.১.৬ ব্যুৎপত্তিমূলক অভিধান
      ১.৪.৩.১.৭ প্ৰযুক্তিবিদ্যাৰ অভিধান
      ১.৪.৩.১.৮ ঔপভাষিক অভিধান
    ১.৪.৩.২ কম্পিউটাৰ অথবা ছফ্‌ট্‌ৱেৰ অভিধান
  ১.৪.৪ অভিধানৰ গাঁথনি (Structure of a Dictionary)
  ১.৪.৫ অভিধানৰ প্ৰয়োগ (Uses of a Dictionary)
  ১.৪.৬ অভিধানৰ তথ্যৰ নিৰ্ভৰযোগ্যতা
১.৫ সাৰাংশ (Summing Up)
১.৬ আৰ্হি প্ৰশ্ন (Sample Questions)
১.৭ প্ৰসংগ গ্ৰন্থ (References/ Suggested Readings)


### ১.১ ভূমিকা (Introduction)

ভাষা এটাৰ শব্দ ভাণ্ডাৰ হৈছে ভাষাটোৰ ব্যৱহাৰিক কাৰ্য সম্পাদনৰ আধাৰ। ভাষা ব্যৱহাৰৰ মূলতে শব্দই অৰ্থৰ বাহক হিচাপে কাম কৰে। শব্দবোৰ স্বতঃস্ফূৰ্তভাৱে

সৃষ্টি। নির্দিষ্ট এটা ভাষাৰ কাৰণে অৰ্থপূৰ্ণ শব্দবোৰ হৈছে অৰ্থৰ বিমূৰ্ত একক। প্ৰয়োজনত যিদৰে একোটা শব্দৰ সৃষ্টি হয় সময়ৰ লগে লগে তাৰ অৰ্থৰ পৰিৱৰ্তন বা মৃত্যুও হ'ব পাৰে। গতিকে এটা ভাষাৰ শব্দৰ সংগৃহীত তথ্যভাণ্ডাৰ হিচাপে অভিধানৰ প্ৰয়োগ হয়। অভিধান হৈছে কোনো এটা ভাষাৰ শব্দৰ একত্ৰ সংগ্ৰহ। 'অভিধান' শব্দটোৰ ব্যুৎপত্তি চাবলৈ গ'লে সংস্কৃত অভি- (সম্যক) উপসৰ্গৰ সৈতে √ধা (ধাৰণ কৰ) ধাতুত -অন (অধিকৰণ) প্ৰত্যয়ৰ যোগত 'অভিধান' শব্দটো সাধিত হৈছে। গতিকে য'ত এটা ভাষাৰ শব্দৰ অৰ্থ সম্পৰ্কে সম্যক ধাৰণা প্ৰকাশ কৰা হয় সিয়েই অভিধান। (স. গোস্বামী, পৃ২)। ভাষা এটা নকৈ শিকিবলৈ যোৱাৰ প্ৰাক্ মুহূৰ্তত শব্দসমূহৰ সঠিক অৰ্থ, প্ৰকাৰ আৰু তাৰ ব্যৱহাৰ জানিবলৈ অভিধানেই হৈছে প্ৰাথমিক সমল। কিন্তু এখন অভিধান সংকলন কাৰ্য ইমান সহজ নহয়। অভিধানে শব্দ এটাৰ ইতিহাস আৰু বিকাশৰ বিষয়ে অন্বেষণ কৰিব পাৰে নাইবা সমকালীন ভাষাতে ভিন্ন ব্যৱহাৰিক দিশৰ আভাস দিব পাৰে। মুঠতে ভাষা এটাত শব্দৰ গতিধাৰা ইমান বহুমুখী যে তাৰ লগত জড়িত অভিধান প্ৰণয়নৰ কৌশলো বহুমুখী হৈ পৰে। অভিধান সংকলন কাৰ্যৰ সৈতে অভিধানতত্ত্বৰ ধাৰণা জড়িত হৈ আছে। এই ধাৰণা অবাৰ্চীন। বিংশ শতিকাত পৃথিৱীৰ বিভিন্ন ঠাইত ভাষাবিজ্ঞানৰ চৰ্চা ব্যাপকভাৱে হ'বলৈ ধৰাত কিছুমান ভাষাবৈজ্ঞানিকে অৰ্থতত্ত্বৰ আলোচনাৰ পৰা ফালৰি কাটি অভিধান প্ৰণয়নৰ কলা-কৌশল সম্পৰ্কে আলোচনা কৰিবলৈ লয়। তাৰ ফলত অভিধান প্ৰণয়ন কলা ভাষাবিজ্ঞানৰ বিশেষকৈ প্ৰয়োগ ভাষাবিজ্ঞানৰ এটা শাখা হিচাপে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হয়। অভিধান প্ৰণয়ন কলা (Lexicography) আৰু অভিধানতত্ত্ব (Lexicology)-ৰ মাজত পাৰ্থক্য আছে। অভিধান প্ৰণয়ন কলাই অৰ্থভেদ ঘটাব পৰা সকলোবোৰ উপাদানৰ উল্লেখ, বৰ্ণনা আৰু প্ৰয়োগ সামৰি লয়। আনহাতে অভিধানতত্ত্বৰ এটা বহল ভিত্তি আছে। অভিধানতত্ত্বই এটা ভাষাৰ শব্দ, শব্দ স্বৰূপ, তাৰ গঠন, ইতিহাস আৰু অৰ্থৰ বিষয়ে অধ্যয়ন কৰে। অভিধান প্ৰণয়ন কলা অভিধানতত্ত্বৰ অন্তৰ্গত। গতিকে প্ৰয়োগ ভাষাবিজ্ঞানৰ এটা ঠাল হিচাপে অভিধানতত্ত্বৰ ব্যৱহাৰিক গুৰুত্ব আছে। এনে গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখিয়েই এই বিভাগত অভিধানতত্ত্বৰ সংজ্ঞাসমূহ আলোচনা কৰি তাৰ পৰিসৰ সম্পৰ্কে সম্যক ধাৰণা আগবঢ়াবলৈ যত্ন কৰা হ'ব।

## ১.২ উদ্দেশ্য (Objectives)

এই বিভাগটি আলোচনাৰ শেষত আপোনালোকে তলত উল্লিখিত ধৰণে অভিধানতত্ত্বৰ বিষয়ে জানিবলৈ সক্ষম হ'ব—

- অভিধান আৰু অভিধানতত্ত্বৰ মাজৰ সম্পৰ্কৰ বিষয়ে জানিব পাৰিব,
- অভিধান সংকলন কাৰ্যৰ সৈতে জড়িত অভিধানতত্ত্ব সম্পৰ্কে বেলেগ বেলেগ দৃষ্টিকোণৰ পৰা ধাৰণা লাভ কৰিব,
- অভিধানতত্ত্বৰ গুৰুত্ব সম্পৰ্কে সম্যক জ্ঞান লাভ কৰিব,
- অভিধানতত্ত্বৰ পৰিসৰে সামৰি লোৱা ভিন্ন দিশ সম্পৰ্কে জানিব পাৰিব।

## ১.৩ অভিধানতত্ত্বৰ সংজ্ঞা (Definition of Lexicology)

অভিধান প্ৰণয়নৰ বিজ্ঞানসন্মত চিন্তা-চৰ্চাৰ ধাৰণা পাশ্চত্যৰ পটভূমিত গঢ় লৈ উঠিছিল। সেয়ে অভিধানতত্ত্বৰ সংজ্ঞা বিচাৰ কৰিবলৈ যোৱাৰ আগতে ইয়াৰ ব্যুৎপত্তিগত অৰ্থ বিচাৰ কৰি চোৱা যাওক। ইংৰাজী 'Lexicology' শব্দটোৰ প্ৰতিশব্দ হিচাপে অসমীয়া ভাষাত 'অভিধানতত্ত্ব' শব্দটো ব্যৱহাৰ কৰা হয়। ফৰাচী "lexicologie" শব্দটোৰ পৰাই ইংৰাজী 'Lexicology' শব্দটো লোৱা হৈছে। যিটো গ্ৰীক 'lexikos' আৰু 'logos' শব্দ দুটাৰ সমন্বয়ত সাধিত হৈছে। 'lexis' অৰ্থাৎ 'শব্দ' আৰু তাৰপৰা 'lexikos' অৰ্থাৎ 'শব্দৰ বা শব্দৰ কাৰণে' (of/for word) আৰু 'logos' মানে 'অধ্যয়ন'। এই গ্ৰীক 'lexikos' শব্দৰ পৰা অহা ইংৰাজীত 'lexicon' শব্দটোৰ অৰ্থ হৈছে 'অভিধান' আৰু তাৰ লগত 'logy' শব্দটো যোগ হৈ ইংৰাজী 'Lexicology' শব্দটো গঠিত হৈছে। গতিকে অভিধানতত্ত্বৰ বুৎপত্তিগত অৰ্থই শব্দৰ বিষয়ে অধ্যয়ন বা অভিধানৰ অধ্যয়ন কাৰ্যক বুজায়। আনহাতে 'Lexicography' শব্দটো গ্ৰীক lexikos (শব্দ) আৰু graphia (লিখ্ বা অংকন কৰ্) শব্দৰ যোগত সাধিত হৈছে। Lexicography -ৰ ব্যুৎপত্তিগত অৰ্থই শব্দৰ লিখন প্ৰক্ৰিয়া বা অভিধান লিখা কাৰ্যক বুজাইছে। গতিকে দুয়োটা শব্দৰ ব্যুৎপত্তিগত অৰ্থ বিচাৰ কৰি চালে প্ৰথমটো যদি তাত্ত্বিক দিশৰ সৈতে জড়িত দ্বিতীয়টো প্ৰায়োগিক দিশৰ সৈতে জড়িত বুলি ক'ব পাৰি। তাত্ত্বিক দিশৰ পৰা অভিধানত্ত্বৰ সংজ্ঞা আমাৰ আলোচ্য বিষয়। এইটো ঠিক যে এখন অভিধানে এটা ভাষাৰ সকলো শব্দক সামৰিব নোৱাৰে। ভাষা এটাত শব্দৰ গতিধাৰা ইমান বহুমুখী যে তাৰ লগত অভিধান প্ৰণয়নৰ কৌশল ভিন্ন হৈ পৰে। সেয়ে অভিধান প্ৰণয়নৰ বিজ্ঞান হিচাপে অভিধানতত্ত্বৰ এটা মাত্ৰ সন্তোষজনক আৰু সৰ্বজনগ্ৰাহ্য সংজ্ঞা এটা পোনচাটেই দিয়াটো কঠিন। অভিধানতত্ত্বৰ সংজ্ঞা বিভিন্ন জনে বিভিন্ন ধৰণে দিছে। এই সংজ্ঞাসমূহ পাশ্চাত্য আৰু প্ৰাচ্যৰ পটভূমিত বিচাৰ কৰি চাব পাৰি।

### ১.৩.১ পাশ্চাত্যৰ পটভূমিত অভিধানতত্ত্বৰ সংজ্ঞা

পাশ্চাত্যৰ পটভূমিত চাবলৈ গ'লে অভিধানতত্ত্বৰ সংজ্ঞা তাত্ত্বিক আৰু প্ৰয়োগিক দুই ধৰণে দিয়া দেখা গৈছে। তাত্ত্বিক দিশত অভিধানতত্ত্বৰ সংজ্ঞা পোনতে অভিধানৰ সহায়ত বিচাৰ কৰিব পাৰি। Oxford English Dictionary-ত দিয়া 'Lexicology' শব্দটোৰ সংজ্ঞা অনুসৰি 'শব্দ, শব্দৰ গঠন, ইতিহাস আৰু অৰ্থৰ বিষয়ে অধ্যয়ন কৰা জ্ঞানৰ শাখা' (That branch of knowledge which treats of words, their form, history and meaning). (পৃ.৮৭৬)।

A Dictionary of Linguistics and Phonetics শীৰ্ষক অভিধানখনত ডেভিড ক্ৰিষ্টেল (David Crystal)-এ দিয়া সংজ্ঞা অনুসৰি অভিধানতত্ত্ব হৈছে অৰ্থতত্ত্বৰ এটা প্ৰকাৰ যাক ভাষা এটাৰ শব্দভাণ্ডাৰৰ সামগ্ৰিকতাক বুজাবলৈ ব্যৱহাৰ কৰা হয়।

(Lexicology A term used in SEMANTICS for the overall of a language's vocabulary (including its history). একেটা সংজ্ঞাতে অভিধানতত্ত্বৰ সৈতে অভিধান প্ৰণয়ন কলাৰ পাৰ্থক্যকো তেওঁ স্পষ্ট কৰিছে এইদৰে— "It is distinguished from lexicography, which is the art and science of dictionary-making, carried out by lexicographers. Lexicography could accordingly be seen as a branch of 'applied lexicology'." (ক্ৰিষ্টেল, পৃ. ২৭৮)।

হাৰ্বাৰ্ড জেকচন আৰু এটিন জে আমবেলাৰ 'Words, Meaning and Vocabulary An Introduction to modern English Lexicology' (২০০৭) শীৰ্ষক গ্ৰন্থখনত অভিধানতত্ত্বক শব্দৰ অধ্যয়ন হিচাপে সংজ্ঞায়িক কৰিছে, য'ত শব্দ মানে এটা ভাষাৰ শব্দৰ ভঁৰালক বুজা যায়। (Lexicology may be defined as the study of lexis, understood as the stock of words in a given language; i.e. its vocabulary or lexicon (from Greek lexis, 'word', lexikos, 'of/for words'). (পৃ.২)।

এম.এ.কে হলিদেৰ মতে, অভিধানতত্ত্ব হৈছে সমল শব্দ বা শাব্দিক বিষয়ৰ অধ্যয়ন ([T]eachers of English have customarily distinguished between content words, like snow and mountain, and function words, like it and on and of and the; and it is the notion of a content word the corresponds to our lexical item. Lexicology is the study of content words, or lexical items). (পৃ.৫)।

অভিধানতত্ত্ববিদ বো বেনচেন (Bo Svensen)-এ অভিধানতত্ত্বৰ প্ৰায়োগিক সংজ্ঞা দিছে এইদৰে— এটা বা ততোধিক ভাষাৰ অভিধানৰ শব্দ সম্পৰ্কীয় সামগ্ৰিক কাৰ্যকলাপৰ সমষ্টি য'ত পৰ্যবেক্ষণ, সংগ্ৰহণ, বাছনিকৰণ, বিশ্লেষণ আৰু বৰ্ণনা কৰা কাৰ্যই অভিধান প্ৰণয়ন কলা। (Lexicography is an activity which consists in observing, collecting, selecting, analysing and describing, in a dictionary, a number of lexical items (words, word element and word combinations) belonging to one or more languages). (পৃ.২)।

**১.৩.২ প্ৰাচ্যৰ পটভূমিত অভিধানতত্ত্বৰ সংজ্ঞা**

প্ৰাচ্যৰ পটভূমিত অভিধানতত্ত্বৰ সংজ্ঞা বিচাৰ কৰিবলৈ যোৱাৰ আগতে প্ৰাচ্যত অভিধানৰ আৰম্ভণি আৰু বিকাশ সম্পৰ্কে জনাটো প্ৰয়োজনীয়। 'ভাৰতীয় ভাষা চৰ্চাত যাস্কৰ নিৰুক্তই প্ৰথম অভিধানতত্ত্বৰ প্ৰয়াস বুলিব পাৰি। 'যাস্কে অপৰিচিত শব্দ আৰু অন্যান্য শব্দৰ ব্যুৎপত্তিৰ মূল সূত্ৰ প্ৰতিষ্ঠা কৰে।' (ব. গোস্বামী, পৃ.১৬৩)। প্ৰাচীন ভাৰতৰ শব্দৰ ভঁৰাল বৰ্ণনানুক্ৰমিক হোৱাৰ পৰিবৰ্তে একাৰ্থবাচক শব্দবোৰক একগোট কৰি কোষ ৰচনা কৰা হৈছিল। যথা- অমৰসিংহৰ দ্বাৰা ৰচিত 'অমৰকোষ' এখন প্ৰাচীন সংস্কৃত অভিধান। প্ৰচলিত অৰ্থত অভিধান নহয় যদিও ৰজা বিক্ৰমাদিত্যৰ যুগত (সপ্তম শতিকাত)

ই অভিধানৰ প্ৰয়োজনীয়তা পূৰণ কৰিছিল। ইয়াত স্বৰ্গ আৰু দেৱতা সম্পৰ্কীয় শব্দবোৰ একগোট কৰি যিদৰে 'স্বৰ্গদী কাণ্ড' নাম দিছিল সেইদৰে দ্বিতীয় 'ভাবাৰ্বাদী কাণ্ড'ত পৃথিৱী, নগৰ, প্ৰাণী আৰু মানুহ সম্পৰ্কীয় শব্দ আৰু তৃতীয় 'সামান্যবাদী কাণ্ড'ত ব্যাকৰণ আৰু বিবিধ সম্পৰ্কীয় শব্দ আছে। (অমৰকোষ - অসমীয়া ৱিকিপিডিয়া https://as.wikipedia.org)

অভিধানতত্ত্বৰ সাৰবস্তু হৈছে শব্দ। গতিকে শব্দৰ অৰ্থ আৰু ব্যৱহাৰৰ প্ৰসংগত অলংকাৰ শাস্ত্ৰতো ভালেখিনি আলোচনা পোৱা যায়। বিশেষকৈ অলংকাৰ শাস্ত্ৰত ব্যৱহাৰ হোৱা শব্দৰ অভিধা আৰু ব্যঞ্জনাই অভিধান প্ৰণয়ন কলাত গুৰুত্ব আৰোপ কৰি আহিছে। কিন্তু বৰ্ণনানুক্ৰমিক শব্দৰ ভঁৰাল হিচাপে অভিধানৰ অধ্যয়নৰ ধাৰণা পাশ্চাত্যগামী। সেয়ে হ'লেও ভাষাবিজ্ঞানৰ আন আন ক্ষেত্ৰসমূহৰ দৰে অভিধানতত্ত্বয়ো প্ৰাচ্যৰ ভাষাসমূহত নিজাকৈ বিকশিত হোৱাৰ সুযোগ পাইছে। ইংৰাজী, হিন্দী, বঙালী আদি প্ৰত্যেক ভাষাৰ দৰে প্ৰাচ্যৰ অসমীয়া ভাষাতো অভিধান প্ৰণয়ন আৰু তাৰ লগত সংগতি ৰাখি তাত্ত্বিক দিশত অভিধানতত্ত্বৰ চিন্তা-চৰ্চাই বিকাশ লাভ কৰিছে। অসমীয়া ভাষাত অভিধানতত্ত্বৰ সংজ্ঞা কেইটামান তলত উল্লেখ কৰা হ'ল।

ফণীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱাৰ মতে, "অভিধানতত্ত্ব' হ'ল অভিধান সম্পৰ্কীয় সকলো ধৰণৰ তাত্ত্বিক জ্ঞানৰ এক বিশাল ভাণ্ডাৰ" (পৃ.১৬৩)। তেওঁ অভিধানতত্ত্বৰ সংজ্ঞা দিবলৈ গৈ অভিধানত্ত্বৰ পৰিসৰে সামৰি ল'ব পৰা দিশবোৰৰ আভাস দিবলৈ যত্ন কৰে— অভিধানৰ আংগিক গঠন, গুণাগুণ, অভিধানৰ প্ৰকাৰভেদৰ পৰা আদি কৰি শব্দসাৰৰ চয়ন, একাধিক অৰ্থযুক্ত শব্দসাৰৰ অৰ্থ উপস্থাপৰ নীতি, অৰ্থৰ পৰিৱৰ্তনৰ ধাৰা আৰু শব্দৰ উৎপত্তি আৰু বিকাশৰ ধাৰাৰ ক'ত কি পৰিসৰৰ ৰূপৰেখা প্ৰদানৰ প্ৰযোজন— সেই কথা বিস্তৃতভাৱে অভিধানতত্ত্বত আলোচনা কৰা হয়। (দত্ত বৰুৱা, পৃ.১৬২)।

'ভাষাবিজ্ঞান পাৰিভাষিক কোষ'ত দিয়া সংজ্ঞা অনুসৰি "অভিধান প্ৰণয়ন সম্বন্ধীয় তাত্ত্বিক আলোচনা হ'ল অভিধানতত্ত্ব। ইয়াত ভাষাৰ শাব্দিক উপাদান অৰ্থাৎ শব্দাৱলীৰ সামগ্ৰিক অধ্যয়ন কৰা হয়।" (কোঁৱৰ, অৰ্পণা আৰু অনুৰাধা শৰ্মা। পৃ.২১)।

আন এক সংজ্ঞা অনুসৰি 'অভিধানতত্ত্ব হ'ল অভিধান প্ৰণয়নৰ বাবে প্ৰয়োজনীয় ভাষাতাত্ত্বিক আৰু আন কাৰিকৰী দিশৰ এটা বিজ্ঞানসম্মত চৰ্চা। অভিধান প্ৰণয়নত প্ৰয়োজন হোৱা জ্ঞানৰ সামগ্ৰিক নিৰ্দেশ প্ৰদান কৰে অভিধানতত্ত্বই।' (বৰা, পৃ. ১২৯)

বসন্ত কুমাৰ গোস্বামীয়ে মন্তব্য দিয়ে যে 'অভিধান প্ৰণয়নৰ নিয়মেই অভিধান-তত্ত্ব, প্ৰণয়নৰ নিয়মটোৰ লগত অৱশ্যে কাৰিকৰী দিশটোও সংযুক্ত হৈ আছে।...শব্দতত্ত্ব অভিধান-তত্ত্বৰ কঠীয়া তলী। এই কঠীয়া তলীৰ কঠীয়াৰ পৰাই সংগ্ৰহ কৰি অভিধান যুগুত কৰা হয়।' (পৃ. ১৬২)

এইদৰে সংজ্ঞাসমূহ বিচাৰ কৰি চালে এটা কথা ঠিক যে শব্দ আৰু অৰ্থৰ ভাণ্ডাৰ হিচাপে অভিধানৰ সংকলন চৰ্চাৰ পৰাই অভিধানৰ অধ্যয়নৰ ধাৰণাই গঢ় লয়।

ভাষাবিজ্ঞানৰ এটা ঠাল হিচাপে অভিধানতত্ত্ব এটা বহল বিষয়। অভিধানতত্ত্বই অভিধান প্ৰণয়ন কলাকো সামৰি লয়। গতিকে অভিধানতত্ত্বৰ পৰিসৰ সম্পৰ্কে জানিবলৈ যোৱাৰ আগতে অভিধানতত্ত্ব আৰু অভিধান প্ৰণয়ন কলাৰ মাজত পাৰ্থক্য সম্পৰ্কে ধাৰণা স্পষ্ট হোৱাটো দৰকাৰ।

**আত্মমূল্যায়ন প্ৰশ্ন**

ভাষাবিজ্ঞানৰ এক শাখা হিচাপে অভিধানতত্ত্বৰ ধাৰণাই কিদৰে বিকাশ লাভ কৰে তাক প্ৰাচ্য আৰু পাশ্চাত্যৰ পটভূমিত আলোচনা কৰক।

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

## ১.৪ অভিধানতত্ত্ব আৰু অভিধান প্ৰণয়ন কলা (Lexicology and Lexicography) ঃ

অভিধানতত্ত্ব (Lexicology)আৰু অভিধান প্ৰণয়ন কলা (Lexicography) উভয়ে ভাষা এটাৰ শব্দ সম্বন্ধীয় অধ্যয়নৰ সৈতে জড়িত। শব্দৰ অধ্যয়নে সাধাৰণতে শব্দবোৰৰ উৎপত্তি, গঠন, উচ্চাৰণ আৰু তাৰ ব্যৱহাৰৰ অৰ্থ সম্পৰ্কে জ্ঞান দিয়ে। শব্দ সম্বন্ধীয় এনে ব্যুৎপত্তিগত ধাৰণাক অভিধানতত্ত্বই সামৰি লয়। অভিধানতত্ত্বৰ উদ্দেশ্যসমূহ তলত উল্লেখ কৰা হ'ল—

(ক) এটা ভাষাত শব্দ সৃষ্টি আৰু শব্দ গঠনৰ সমস্যাবোৰ বিচাৰ কৰি চায়।

(খ) শব্দৰ অৰ্থগত দিশৰ অধ্যয়ন কৰে।

(গ) বিভিন্ন গোটত শব্দবোৰৰ শ্ৰেণীবিভাজন কৌশল পৰীক্ষা কৰে।

(ঘ) শব্দভাণ্ডাৰৰ শাব্দিক স্তৰৰ মাজৰ সম্পৰ্কক অধ্যয়ন কৰে।

(ঙ) শব্দভাণ্ডাৰৰ বিকাশ নিয়ন্ত্ৰণ কৰিবলৈ নিৰ্দিষ্ট নিয়মাৱলী পালন কৰে।

(চ) শব্দভাণ্ডাৰৰ উৎস আৰু বিকাশৰ দিশত ঘটা পৰিৱৰ্তনবোৰ অধ্যয়ন কৰে।

এই উদ্দেশ্যসমূহলৈ লক্ষ্য কৰিলে দেখা যায় অভিধানতত্ত্বই শব্দৰ ব্যুৎপত্তিৰ পৰা শব্দৰ শ্ৰেণীগত বৈশিষ্ট্যৰ বাবে ৰূপগত আৰু অৰ্থগত দিশৰ অধ্যয়ন কৰে। এই দিশৰ পৰা অভিধানতত্ত্ব বৰ্ণনামূলক ভাষাবিজ্ঞানৰ এটা শাখা। ইয়ে অৰ্থৰ ওপৰত গুৰুত্ব দি এটা ভাষাৰ শব্দকোষৰ অধ্যয়ন কৰে। আকৌ অধ্যয়নৰ ধৰণ অনুযায়ী অভিধানতত্ত্ব দুই প্ৰকাৰৰ হ'ব পাৰে—

(ক) সাধাৰণ অভিধানতত্ত্ব (General Lexicology)

(খ) বিশিষ্ট অভিধানতত্ত্ব (Special Lexicology)

সাধাৰণ অভিধানতত্ত্ব সকলো ভাষাৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱাকৈ শব্দৰ সাধাৰণ বৈশিষ্ট্যৰ সৈতে সম্পৰ্কিত। আনহাতে বিশিষ্ট অভিধানতত্ত্বত এটা নিৰ্দিষ্ট ভাষাৰ ক্ষেত্ৰতহে শব্দবোৰ অধ্যয়ন কৰা হয়। মুঠতে অভিধানতত্ত্বৰ অধ্যয়নে দুটা ভাষাৰ তুলনামূলক আৰু বৈপৰীত্যমূলক দৃষ্টিকোণৰ পৰা বিচাৰ কৰি চোৱাৰ সুযোগ দিয়ে। অভিধানতত্ত্বৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ অভিধান প্ৰণয়ন কলা এটা গুৰুত্বপূৰ্ণ বিষয়। অভিধানতত্ত্বৰ প্ৰয়োগিক দিশটোৱে অভিধান প্ৰণয়ন কলা, অনুবাদৰীতি, ভাষিক জ্ঞান, বাক্ সংস্কৃতি সামৰি লয়। গতিকে অভিধান প্ৰণয়ন কলা অভিধানতত্ত্বৰ অন্তৰ্গত এটা বিষয়।

অভিধান প্ৰণয়ন কলায়ো অভিধানতত্ত্বৰ দৰে শব্দকোষৰ অধ্যয়ন কৰে। কিন্তু অভিধানতত্ত্বৰ দৰে শব্দৰ সাধাৰণ বৈশিষ্ট্য অধিক তাত্ত্বিক আৰু প্ৰণালীবদ্ধ ৰূপত চোৱাতকৈ অভিধান প্ৰণয়ন কলাই আগ্ৰহৰ ভিত্তিত শব্দৰ স্বকীয়তা বিচাৰত গুৰুত্ব দিয়ে। ১৬৮০ চনত ইংৰাজী অক্সফৰ্ড অভিধানত ব্যৱহৃত Lexicography শব্দটোৱে অভিধান এখন লিখাৰ বাবে প্ৰয়োজনীয় শব্দ সংকলনৰ পদ্ধতিক সূচায়। শব্দক ভাষাবিজ্ঞানৰ এটা অংশ হিচাপে গণ্য কৰা হয়। আনহাতে অভিধান প্ৰণয়ন কলাই অভিধান পঢ়ুৱৈ বা ভাষা শিকাৰুৰ উদ্দেশ্যে শব্দৰ অৰ্থৰ লগতে ব্যৱহাৰিক দিশত শুদ্ধ বানান পৰীক্ষা, উচ্চাৰণ আদিত গুৰুত্ব দিবলগীয়া হয়। এই দিশৰ পৰা অভিধান প্ৰণয়ন কলাক প্ৰত্যেক শব্দৰ স্বকীয় অধ্যয়ন কৰে বুলি ক'ব পাৰি। এটা শব্দৰ বিভিন্ন বৈশিষ্ট্য থাকিব পাৰে। সেই সকলোবোৰ অভিধান প্ৰণয়নকাৰী এজনৰ বাবে জনাটো প্ৰযোজনীয় নহ'বও পাৰে। তেওঁ অভিধানৰ উদ্দেশ্যে আৰু পাঠকৰ বাবে প্ৰয়োজনীয় অধিক ব্যৱহাৰিক আৰু সমাজৰ দ্বাৰা নিৰ্দেশিত শব্দৰ স্বৰূপ উপস্থাপনত গুৰুত্ব দিয়ে। বাস্তৱ জীৱনত অভিধান এখন অধিক ব্যৱহাৰযোগ্য কৰি তুলিবলৈ যিখিনি কলা-কৌশলৰ দৰকাৰ হয় অভিধান প্ৰণয়ন কলাই সেইখিনি সামৰি লয়। উদাহৰণস্বৰূপে অভিধানতত্ত্বই এটা বহুধাৰ্থক শব্দৰ বিভিন্ন দিশত অৰ্থ বিচাৰৰ তাত্ত্বিক আধাৰ হিচাপে কাম কৰে, কি সেই অৰ্থবোৰ ব্যৱহাৰৰ উপযোগী হোৱাকৈ অভিধানত কেনেদৰে উপস্থাপন কৰিব লাগে সেয়া অভিধান প্ৰণয়ন কলাই বিচাৰ কৰে।

অভিধানতত্ত্বৰ লক্ষ্য হৈছে ভাষিক গঠনৰ প্ৰণালী হিচাপে ভাষা এটাৰ শব্দভাণ্ডাৰ অধ্যয়ন কৰা। সেয়ে অভিধানতাত্ত্বিক এজনে শব্দভাণ্ডাৰ অধ্যয়নৰ দৃষ্টিকোণেৰে শব্দবোৰ ক্ৰমত উপস্থাপন কৰিবলৈ যত্ন কৰে। আনহাতে অভিধান প্ৰণয়ন কাৰী এজনে পাঠকৰ তথ্য আহৰণৰ সুবিধাৰ্থে শব্দবোৰ বৰ্ণানুক্ৰমিক ৰূপত সজাবলৈ যত্ন কৰে।

সাধাৰণ অভিধানতত্ত্ব যিকোনো ভাষাৰ শব্দৰ সাৰ্বজনীন বৈশিষ্ট্যৰ সৈতে সম্পৰ্কিত। এই অৰ্থত অভিধানতত্ত্বৰ ভাষা নিৰ্দিষ্ট নহয়। আনহাতে অভিধান প্ৰণয়ন ক্ষেত্ৰত সাৰ্বজনীন তাত্ত্বিক পটভূমি থকাৰ পিছতো ভাষা নিৰ্দিষ্ট। কাৰণ নিৰ্দিষ্ট এটা ভাষাত ব্যৱহাৰিক প্ৰয়োজনীয়তাৰ খাতিৰত অভিধান এখন সংকলন কৰা হয়। মুঠতে

অভিধানতত্ত্ব অধিক তত্ত্বমুখী হোৱাৰ বিপৰীতে অভিধান প্ৰণয়ন কলা হৈছে সেই তত্ত্বসমূহৰ ব্যৱহাৰিক দিশ। গতিকে অভিধানতত্ত্বৰ পৰিসৰে অভিধান প্ৰণয়ন কলাক সামৰি লৈ তাত্ত্বিক আলোচনা আগবঢ়াবলৈ যত্ন কৰে।

## ১.৪ অভিধানতত্ত্বৰ পৰিসৰ (Scope of Lexicology)

আগত দি অহা অভিধানতত্ত্বৰ সংজ্ঞাসমূহ বিচাৰ কৰি চালে দেখা যায় এই শাখাত অভিধানৰ অধ্যয়নেই প্ৰধান বিষয় হ'লেও তাৰ মূল হৈছে শব্দ। বেলেগ ভাষাৰ পৰা ধাৰ লৈ হওক বা নিজৰ ভাষাতে বিৱৰ্তিত ৰূপত হওক শব্দ ভাণ্ডাৰৰ বিস্তাৰ ঘটা দেখা যায়। শব্দৰ বিৱৰ্তনে ভাষা এটাৰ শেষ কথা নহয়। পৰিৱৰ্তিত পটভূমিত বিৱৰ্তিত বা আমদানিকৃত শব্দৰ অৰ্থ স্পষ্টীকৰণ প্ৰয়োজনীয়। গতিকে ভাষাৰ গতিশীল পৰিস্থিতিত শব্দৰ অৰ্থৰ স্পষ্টতাৰ বাবে অভিধান সংকলনৰ প্ৰয়োজনীয়তা দিনে দিনে বাঢ়ি আহিছে। অসমীয়া ভাষাৰ ক্ষেত্ৰতো শব্দৰ গতিধাৰালৈ লক্ষ্য ৰাখি অভিধান প্ৰণয়নৰ চৰ্চা বেছিকৈ হোৱা দেখা যায়। আনহাতে অভিধানতত্ত্বৰ সংজ্ঞালৈ মন কৰিলে এই কথা স্পষ্ট যে অভিধান প্ৰণয়ন কলাকো অভিধানতত্ত্বৰ পৰিসৰে সামৰি লয়। সেয়ে অভিধানৰ প্ৰণয়ন আৰু তাৰ লগে লগে তাত্ত্বিক দিশত অভিধানৰ অধ্যয়নো সমানে সমানে আগবঢ়া দেখা গৈছে। অসমীয়া ভাষাত প্ৰকাশিত অভিধানতত্ত্ব সম্পৰ্কীয় গৱেষণা পত্ৰ, কিতাপ, আলোচনাদিৰ প্ৰকাশেই এই কথাৰ প্ৰমাণ দিয়ে। অভিধানতত্ত্বৰ চৰ্চা যিমানে বাঢ়িছে সিমানে ইয়াৰ পৰিসৰৰ বিস্তৃতিয়ে অভিধানৰ ভিন্ন দিশ সামৰি ল'বলৈ সুযোগ পাইছে। অভিধানতত্ত্বৰ পৰিসৰে অভিধানৰ উৎপত্তি, বিকাশ আৰু বিস্তাৰ, অভিধানৰ গুণাগুণ, অভিধানৰ প্ৰকাৰভেদ, অভিধানৰ গাঁথনি, অভিধানৰ প্ৰয়োগৰ সৈতে জড়িত বিষয়সমূহক সামৰি লয়। ইয়াৰ উপৰি শব্দৰ অৰ্থ আৰু ব্যৱহাৰ আদি দিশৰ সৈতে জড়িত হিচাপে অভিধানৰ তাত্ত্বিক অধ্যয়নে শব্দ আৰু অৰ্থৰ মাজত থকা পাৰস্পৰিক সম্পৰ্কৰ বিশ্লেষণ, শব্দৰ ইতিহাস, শব্দৰ সহগমন সম্পৰ্ক, অভিধানত প্ৰদত্ত শব্দসাৰৰ বানান, উচ্চাৰণ আৰু অৰ্থৰ পৰিধি নিৰ্ণয়ৰ ৰূপৰেখাক সামৰি লয়। এইবোৰ বিষয়গত দিশৰ উপৰি গাঁঠনিক দিশেতো অভিধানৰ বেটুপাত, অভিধানৰ নিৰ্ভৰযোগ্যতা, অভিধানৰ সংশোধন, অভিধান ছপা আৰু প্ৰকাশৰ সৈতে জড়িত দিশবোৰকো অভিধানতত্ত্বই সামৰি লয়। তলত অভিধানতত্ত্বই সামৰি লোৱা বিষয়বোৰক আলোচনা কৰি চাব যত্ন কৰা হ'ল।

### ১.৪.১ অভিধানৰ উৎপত্তি, বিকাশ আৰু বিস্তাৰ

বিশ্বৰ পটভূমিত অভিধানৰ প্ৰাৰম্ভিক প্ৰকাৰবোৰ দ্বিভাষিক বুলি বিশ্বাস কৰা হয়। প্ৰায় ২৩০০ খ্ৰীষ্টপূৰ্ব সময়ছোৱাতে আক্কাদিয়ানসকলে কিছুমান ভাষিক চিহ্ন আৰু সেইবোৰৰ অৰ্থ তালিকাভুক্ত কৰে। চীনত কবিতা লিখনশৈলীত জটিল শব্দৰ ব্যৱহাৰে খ্ৰীষ্টপূৰ্ব ৪ৰ্থ-৩য় শতিকাৰ ভিতৰত প্ৰথম একভাষিক অভিধানৰ ধাৰণা দিয়ে বুলি অনুমান

কৰা হয়। জাপানে প্ৰথম ৮৫০ খ্ৰীষ্টাব্দত শব্দৰ তালিকা হিচাপে অভিধানৰ লিখা প্ৰথাৰ আৰম্ভণি কৰে। কিন্তু সঁচা অৰ্থত অভিধান গুণ প্ৰথম প্ৰকাশ পায় ইংৰাজী ভাষাত ১৬০৪ চনত প্ৰকাশিত 'Table Alphabetical' পুথিখনত। প্ৰায় দুই হাজাৰ পাঁচশটা শব্দ আৰু তাৰ সংজ্ঞাৰ তালিকা হিচাপে 'Table Alphabetical' নামেৰে ৰৰ্বাট কাউড্ৰে (Robert Cawdrey)-এ ১৬০৪ চনত প্ৰকাশ কৰে। তাৰ পৰৱৰ্তী পৰ্যায়ত থমাচ ব্লণ্ট (Thomas Blount)-ৰ ১০ হাজাৰ শব্দৰ আৰু ব্যুৎপত্তিযুক্ত 'Glossgraphia' ১৬৫৬ চনত প্ৰকাশ পায়। এইদৰে আহি অষ্টাদশ শতিকাত চেমুৱেল জনছন(Samuel Johnson)-ৰ ১৭৫৫ চনত প্ৰকাশিত 'A Dictionary of the English Language' অভিধানখনত অভিধানৰ গুণে সাৰ্থক ৰূপ পায়। জন জেমিছন (John Jamieson)-ৰ 'Etymological Dictionary of the Scottish Language' (১৮০৮) নামৰ অভিধানখন প্ৰকাশৰ লগে লগে পাশ্চাত্যৰ অভিধানে আধুনিক ৰূপ গ্ৰহণ কৰে। এইখন অভিধানৰ জৰিয়তে জেমিছনে প্ৰতিটো শব্দৰ প্ৰাথমিক ব্যৱহাৰ বিচাৰি উলিয়াবলৈ যত্ন কৰিছিল আৰু শব্দটোৰ ঐতিহাসিক পৰিৱৰ্তন উদ্ধৃতিসহ দেখুৱাই প্ৰকাশ কৰিছিল। ১৮১২ চনত জাৰ্মানৰ ফ্ৰাঞ্জ পাচো (Franz Passow)- এ গ্ৰীক ভাষাত এক বিস্তৃত অভিধানৰ পৰিকল্পনা কৰিছিল আৰু এই পৰিকল্পনাক সাৰ্থক ৰূপ দিছিল 'Handworterbuch der griechischen Sprache' শীৰ্ষক নামেৰে ১৮২৪ চনত। বিশাল পৰিসৰৰ অভিধানৰ এই ধাৰণাৰ দ্বাৰা প্ৰভাৱিত হৈ হেনৰী জৰ্জ লীডেল (Henry George Liddell), ৰৰ্বাট স্কট (Robert Scott), হেনৰী ষ্টুৱাৰ্ট জনছ (Henry Stuart Jones) আৰু ৰোডাৰিক মেককেনজি (Roderick Mckenzie)-এ পাচোৰ অভিধানৰ অনুবাদিত ৰূপ হিচাপে ইংৰাজী ভাষাত Greek-English Lexicon (১৮৪৩) অভিধান প্ৰণয়ন কৰে। অক্সফৰ্ডৰ ইউনিভাৰচিটি প্ৰেচৰ পৰা প্ৰকশিত এইখন অভিধানৰ পিছতে ইউৰোপীয় পটভূমিত ঊনবিংশ শতিকাৰ শেষৰফালে Oxford English Dictionary নামেৰে ঐতিহাসিক ভিত্তিত সম্পূৰ্ণ ৰূপত অভিধানৰ প্ৰণয়ন কাৰ্য আৰম্ভ হৈ ১৯২৮ চনত সম্পূৰ্ণ হৈছিল। ২০টা খণ্ডত সম্পূৰ্ণ বৃহৎ পৰিসৰৰ এইখন অভিধানে পৃথিৱীজুৰি অভিধান অধ্যয়নৰ প্ৰতি ভাষাবিজ্ঞানীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে।

ভাৰতৰ পটভূমিত চাবলৈ গ'লে অভিধানৰ ইতিহাস অতি প্ৰাচীন। ইয়াৰ শিপা বিচাৰি গ'লে প্ৰায় ৭০০ খ্ৰীষ্টাব্দৰ পৰা ১৪৯৮ খ্ৰীষ্টাব্দৰ ভিতৰত বিকশিত হোৱা সংস্কৃত শব্দৰ সংকলন 'নিৰ্ঘণ্ট' সমূহলৈ আঙুলিয়াব পাৰি। পৰম্পৰাগত সংস্কৃত শব্দতালিকাক 'নিৰ্ঘণ্ট' বুলি কোৱা হৈছিলে। বিশেষকৈ আয়ুৰ্বেদিক ঔষধ আৰু তাৰ গুণৰ ওপৰত গুৰুত্ব আৰোপ কৰি বিষয়ভিত্তিকভাৱে গোট কৰি চমু বাখ্যা বা প্ৰতিশব্দৰ সৈতে শব্দবোৰ সংকলন কৰা হৈছিল। এইবোৰেই পিছলৈ অভিধানকোষলৈ বিকশিত হয়। অমৰসিংহৰ দ্বাৰা খ্ৰীষ্টীয় চতুৰ্থ শতিকাত সংকলিত 'অমৰকোষ' হৈছে প্ৰথম সংস্কৃত অভিধান। ইয়াৰ প্ৰায় দহ হাজাৰ শব্দৰ তালিকা পোৱা যায়।

অসমীয়া ভাষাত অভিধানৰ শুভাৰম্ভণি ঘটে আমেৰিকান বেপ্টিষ্ট মিছনেৰী ড° মাইলছ ব্ৰনছনৰ হাতত। ১৮৬৭ চনত মাইলছ ব্ৰনছনে 'A Dictionary in Assamese and English' ৰচনা কৰে। এই অভিধানখনত মুঠ ১৪,০০০ শব্দ সংকলিত হৈছে। অসমীয়া

শব্দবোৰৰ আখৰ জোটনি বা বানান পদ্ধতি উচ্চাৰণ-ৰীতিৰ ফালে দৃষ্টি এই অভিধানখন প্ৰণয়ন কৰা হৈছিল। অভিধানখনত সংকলিত দুটামান শব্দক উদাহৰণ হিচাপে লোৱা যাওক—

অকটুৰ, *a.* কঠিন নোহোআ, কোমল, not cruel or unfeeling, not harsh, insipid or disagreeable to the ear, mild, soft.

অকঠিন, *a.* টান নোহোআ, উজু, ঢিল, সুগম, soft, easy to do, not abstruse.

অকণ্টকা, *a.* জেঙ্গা নাইকিয়া, অচিন্তা, সুকলম, free from any thing that occasions anxiety, at ease, without an enemy.

অকথনিয়, *a.* কবলৈ অজোগ্য, কৈ ওৰ পেলাব নোঅৰা, unspeakable, beyond expression. (ব্ৰনছন, পৃ.২)।

এইদৰে চালে দেখা যায় সংকলিত শব্দৰ বৰ্ণনানুক্ৰম ৰক্ষিত হৈছে। সেই সময়ত প্ৰচলিত বহুত থলুৱা অসমীয়া শব্দক অভিধানখনত স্থান দিয়া হৈছে। সেই শব্দবোৰৰ অৰ্থ অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাত দিবলৈ যত্ন কৰাত ই এক দ্বিভাষিক অভিধান হৈ পৰিছে। লগতে শব্দ একোটাৰ কেইবাটাও সমাৰ্থক শব্দ আনি অৰ্থৰ পৰিধি নিৰূপণৰ যত্ন কৰাহৈছে। শব্দবোৰৰ বানান উচ্চাৰণভিত্তিক হোৱা বাবে শব্দবোৰৰ ঐতিহাসিক ভিত্তি নথকা সত্ত্বেও ১৯০০ চন পৰ্যন্ত ইয়ে ভাষাৰ একমাত্ৰ পথ-প্ৰদৰ্শক আছিল। ১৯০০ চনত হেমচন্দ্ৰ বৰুৱাৰ হেমকোষ প্ৰকাশ হয়। হেমচন্দ্ৰ বৰুৱাই সংস্কৃত ব্যাকৰণভিত্তিক বানান পদ্ধতি প্ৰবৰ্তন কৰি 'হেমকোষ' ৰচনা কৰে। হেমচন্দ্ৰ বৰুৱাই অভিধানখনৰ আৰম্ভণিতে আখৰ-জোঁটনি সম্পৰ্কে এইদৰে মত প্ৰকাশ কৰি গৈছে — "১৮৬৭ খ্ৰীষ্টিয়ান শকত পাদ্ৰি ব্ৰন্সন্ চাহাবে তাক সমাপ্ত কৰি ছপালে; কিন্তু তাৰ বৰ্ণবিন্যাস সমূলি অশুদ্ধ আৰু অৰ্থৰ কথাতো সি যেনে হ'ব লাগে তেনে নোহোৱা হেতু অসমীয়া শিকোঁতাবিলাকৰ তাৰ পৰা একো উপকাৰ হোৱা নাই, আৰু নহয়ো। এই অসূচল গুচাবৰ মনেৰে কিছু বছৰৰ আগেয়ে বৰ্ত্তমান লেখকে "হেমকোষ" নাম দি এখান ডাঙ্গৰ অভিধান যুগুত কৰে। তাত ... প্ৰত্যেক শব্দৰ মূল আৰু অসমীয়া প্ৰতি শব্দ বা ব্যাখ্যাৰ পাচত ইংৰাজী অৰ্থ দিয়া হৈছে। ইয়াত বাজে সমাৰ্থক শব্দবিলাকৰ ব্যাখ্যা আৰু উদাহৰণ, আৰু অৰ্থে সৈতে ভালেমান সদায় ব্যৱহৃত ভাবুক খণ্ড-বাক্য (Idiomatical phrases) সন্নিবিষ্ট হৈছে। সংক্ষেপকৈ ক'ব লাগিলে ওৱেবষ্টৰৰ ইংৰাজী অভিধান তাৰ আৰ্হি; আৰু সেই পুথিকে চানেকি কৰি তাক লিখা হৈছে।" (পাতনি)। উদাহৰণস্বৰূপে-

**কোবাল্** বিণ. (অং. কোৰ, ঐ) পাৰক, শীঘ্ৰে কাম কৰিব পৰা, উদ্যোগী, active, expeditious, prompt.

**কোবিদ** বি. (সং. কো, বেদ + বিদ্, জনা) জ্ঞানী লোক, পণ্ডিত, অধ্যাপক, a learned man, a scholar; বিণ. বেদজ্ঞ, জ্ঞানী, wise, learned.

**কোমৰ** বি. (ৰাজ.) কঁকাল, waist.

**কোমল্** বিণ. (সং. কম্, ইচ্ছা কৰ্ অল্, প্ৰত্যয়) মৃদু, ঢিলা, অকঠিন, নৰম, সোপসুপীয়া, লেউসেউ; যেনে, কোমল গা, soft, yielding, tender, pliant; ইত্যাদি (বৰুৱা, পৃ.৩৫৭)।

একেটা ভাষাতে শব্দৰ ব্যুৎপত্তি আৰু গঠন, শব্দৰ ইতিহাস, ইংৰাজী আৰু অসমীয়া দুয়োটা ভাষাতে শব্দৰ অৰ্থ আৰু তাৰ ব্যৱহাৰ আদি গুণাগুণ পোৱা যায়। প্ৰথম অৱস্থাত এহেজাৰ পৃষ্ঠাৰ এই অভিধানত ২২,৩৪৬ টা শব্দ সংকলিত কৰা হৈছিল। ২০১১ চনলৈ ইয়াৰ চৈধ্যটা সংস্কৰণ প্ৰকাশ হয় আৰু ৮০ হাজাৰৰো অধিক শব্দ সংকলিত হৈছে। অভিধান এখনৰ এনে বিস্তাৰে ভাষা এটাৰ শব্দ ভাণ্ডাৰৰ আয়তন বৃদ্ধিৰ লগতে অভিধানখনৰ ব্যৱহাৰিক গুৰুত্বক বুজায়।

**আত্মমূল্যায়ন প্ৰশ্ন**

প্ৰথম অসমীয়া অভিধান কোনে ৰচনা কৰিছিল?

....................................................................................................

....................................................................................................

....................................................................................................

....................................................................................................

### ১.৪.২ অভিধানৰ গুণা-গুণ (Quality of a Dictionary)

অভিধান এখনৰ গুণা-গুণ গাঁঠনিক আৰু বিষয়গত এই দুটা দিশেৰে আলোচনা কৰিব পাৰি। অভিধানৰ বৃহৎ গাঁঠনি আৰু অণু-গাঁথনিলৈ মন কৰিলে অইভধানৰ আংগিক গুণা-গুণৰ আভাস পোৱা যায়। আংগিকক ভিত্তি কৰিয়েই এখন ছপা অভিধানৰ কলেবৰ ডাঙৰ সৰু হয়। বেছি ডাঙৰ কলেবৰৰ অভিধান এখন সঘনাই উলিয়াই মেলি চাবলৈ অসুবিধা হয়। ড° দেৱব্ৰত শৰ্মাৰ মুখ্য সম্পাদনাত প্ৰকাশিত 'অসমীয়া জাতীয় অভিধান'খন বৃহৎ কলেবৰৰ হোৱা বাবে চাৰিটা খণ্ডত যুগুতোৱা হৈছে। আখৰৰ ছাপ, মজবুত বান্ধোন, সংশোধনৰ তাঙৰণ, সংযোজন আদিৰ পৰা অভিধানৰ গাঁথনিক মানদণ্ড উন্নত হয় নে নহয় তাক নিৰ্ণয় কৰিব পাৰি।

বিষয়গত দিশত চাবলৈ গ'লে অভিধানৰ মানদণ্ড ইয়াৰ ব্যাপকতা, শুদ্ধতা, স্পষ্টতা আৰু ব্যৱহাৰৰ উপযুক্ততাৰ দ্বাৰা নিৰ্ধাৰণ কৰা হয়। সংকলিত শব্দৰ স্পষ্ট সংজ্ঞা, উচ্চাৰণৰ নিৰ্দেশনা, উদাহৰণ আৰু শেহতীয়া তথ্যৰ সংযোজনে অভিধানৰ বিষয়গত দিশত গুৰুত্ব প্ৰদান কৰে। নিৰন্তৰ পৰিৱৰ্তনশীল সমাজৰ ভাষা এটাত সঘনাই নতুন শব্দৰ উদ্ভৱ হয়। ভাষাটোৰ সাম্প্ৰতিক স্থিতিক প্ৰতিফলিত কৰিব পৰাকৈ অভিধান এখনে নিৰন্তৰ প্ৰচেষ্টা চলাই থাকিব লাগে। প্ৰত্যেক অভিধানত শব্দৰ সংকলন আৰু অধ্যায়

বিভাজন এক স্বকীয় প্ৰণয়ন কলা। যি প্ৰণয়ন কলাই নহওক ব্যৱহাৰকাৰীয়ে প্ৰযোজনীয় তথ্য সহজে বিচাৰি উলিয়াবলৈ সক্ষম হোৱা মানেই অভিধানৰ আভ্যন্তৰীণ গাঁথনি সফলতা বুলি ক'ব পাৰি। ব্যুৎপত্তি, সমাৰ্থক শব্দ, বিপৰীত শব্দ, আৰু অনুবাদৰ সহায়ক হিচাপে অতিৰিক্ত সুবিধাবোৰে অভিধান ব্যৱহাৰকাৰীক আকৰ্ষণ কৰিব পাৰে। অভিধানৰ ভাষা আৰু ইয়াৰ আনুষংগিক দিশে অধ্যয়নকাৰীক গভীৰ অন্তদৃষ্টি প্ৰদান কৰি অভিধানৰ মূল্য বৃদ্ধি কৰিব পাৰে। বিজ্ঞান-প্ৰযুক্তিৰ যুগত ডিজিটেল অভিধানৰ ক্ষেত্ৰতো প্ৰাসংগিক আৰু ব্যৱহাৰৰ উপযোগী হৈ থাকিবলৈ নিয়মীয়া সংশোধনৰ প্ৰয়োজন।

### ১.৪.৩ অভিধানৰ প্ৰকাৰভেদ

অৱয়ৱৰ দিশৰ পৰা অভিধানৰ দুটা প্ৰকাৰ পোৱা যায় —

(ক) লিখিত বা ছপা অভিধান আৰু

(খ) কম্পিউটাৰ অথবা ছফ্‌ট্‌ৱেৰ অভিধান

### ১.৪.৩.১ লিখিত বা ছপা অভিধান

অভিধানৰ মূল হৈছে শব্দ। গতিকে যিকোনো ভাষাত অভিধান যুগুতাব লাগিলে শব্দবোৰ গোটাই লৈ তাক কাগজত লিপিবদ্ধ কৰি গ'লে সি হ'ব লিখিত অভিধান। লিখিত বা ছপা অভিধানৰ প্ৰকাৰভেদে সৰ্বাধিক। সকলো প্ৰকাৰ এটা আলোচনাৰ ভিতৰত সামৰা সম্ভৱ নহয় বাবে ব্যৱহাৰৰ গুৰুত্বলৈ লক্ষ্য ৰাখি অভিধানৰ প্ৰকাৰ সম্পৰ্কে ইয়াত আলোচনা কৰিবৰ যত্ন কৰা হ'ল।

### ১.৪.৩.১.১ একভাষিক অভিধান

'কোনো এটা লিখিত ভাষাত প্ৰচলিত শব্দাৱলী সংগ্ৰহ কৰি, বৰ্ণানুক্ৰমে গ্ৰহণযোগ্য বানানেৰে লিখি সিহঁতৰ পদপৰিচয় দি অৰ্থৰ সংক্ষেপ বৰ্ণনা দিয়া অভিধানেই একভাষিক অভিধান।' (দত্ত বৰুৱা, পৃ.১৬৮)। ইয়াত দ্বিতীয় এটা ভাষাৰ প্ৰয়োগ কৰা নহয়। অসমীয়া ভাষাৰ ক্ষেত্ৰত ড° মহেশ্বৰ নেওগ, ৰজনীকান্ত দেৱশৰ্মা আৰু নৰকান্ত বৰুৱাৰ যুটীয়া সম্পাদনাত প্ৰকাশিত 'আধুনিক অসমীয়া অভিধান' এখন একভাষিক অভিধান। এইখন অভিধানত সংকলিত শব্দৰ উদাহৰণৰ পৰা একভাষিক অভিধানৰ প্ৰণয়ন কলাৰ আভাস পোৱা যাব—

কতীয়া—বিণ. কাতি মাহত হোৱা।

কতীয়া—বিণ. হেলনীয়া।

কতেক—সৰ্ব. কিছুমান; কতক। (পৃ.৮১)।

একভাষিক অভিধানত একেটা ভাষাতে শব্দটোৰ বৰ্ণনা বা সমাৰ্থক শব্দ দি তাৰ ব্যৱহাৰৰ আভাস দিয়া হয় বাবে ভাষাটোত দখল থকা এজনৰ বাবেহে এনে অভিধানৰ প্ৰয়োগ সাৰ্থক হয়।

### ১.৪.৩.১.২ দ্বিভাষিক অভিধান

যি অভিধানত শব্দৰ অৰ্থ স্পষ্ট কৰিবলৈ দুটা ভাষাৰ প্ৰয়োগ হয় তাক দ্বিভাষিক অভিধানৰ শাৰীত ধৰা হয়। হেমচন্দ্ৰ বৰুৱাৰ 'হেমকোষ' এখন দ্বিভাষিক অভিধান। আগত 'হেমকোষ' অভিধানৰ উদাহৰণ দি অহাৰ পৰা দেখা যায় দ্বিভাষিক অভিধানে মাতৃভাষা ভিন্ন অন্য ভাষী লোকক ভাষাটো জনাত সহায় কৰি পাৰে। সেয়ে একভাষিক অভিধানতকৈ দ্বিভাষিক অভিধানৰ জনপ্ৰিয়তাই সৰ্বাধিক হোৱা দেখা যায়। অসমীয়া ভাষাটো দ্বিভাষিক অভিধানৰ সংখ্যাই বেছি। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা প্ৰকাশিত 'চন্দ্ৰকান্ত অভিধান', ড° প্ৰণৱ জ্যোতি ডেকাৰ দ্বাৰা সংকলিত 'জ্যোতি দ্বিভাষিক অভিধান' আদিবোৰ হৈছে দ্বিভাষিক অভিধান।

### ১.৪.৩.১.৩ বহুভাষিক অভিধান

দুটা ভাষাতকৈ বেছি ভাষাৰ উপস্থিতি থাকিলে তাক বহুভাষিক অভিধানৰ শাৰীত ধৰিব পাৰি। বহুভাষিক অভিধানত শব্দৰ অৰ্থ স্পষ্ট কৰিবলৈ তিনিটা বা ততোধিক ভাষাৰ সহায় লোৱা দেখা যায়। অসমীয়া ভাষাত বহুভাষিক অভিধানৰ প্ৰণয়ন এতিয়ালৈ হোৱা নাই। কিন্তু ভাৰতৰ পটভূমিত বহুভাষিক অভিধানৰ উদাহৰণ পোৱা যায়। যেনে- ভাৰতীয় ভাষা সংস্থানৰ পৃষ্ঠপোষকতাত বাংলা-হিন্দী-নেপালী আৰু তেলেগু-হিন্দী-নেপালী ত্ৰিভাষিক অভিধান প্ৰণয়ন কৰি উলিওৱা হৈছে।

### ১.৪.৩.১.৪ চিত্ৰ অভিধান

চিত্ৰ অভিধান এক প্ৰকাৰৰ শিশু অভিধান। এই অভিধানত শব্দবোৰৰ অৰ্থ স্পষ্ট কৰিবৰ বাবে চিত্ৰৰ সহায় লোৱা দেখা যায়। এনে অভিধানত চিত্ৰৰ সহায়ত বুজাব পৰা ঘৰ, গছ, নদী, পাহাৰ আদি পাৰ্থিৱ শব্দবোৰে মাথোঁ স্থান পায়। অসমীয়া ভাষাত ফণীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱাৰ দ্বাৰা প্ৰণীত আৰু ভাৰতীয় ভাষা সংস্থানৰ দ্বাৰা প্ৰকাশিত 'অসমীয়া সচিত্ৰ অভিধান' এই শাৰীৰ অভিধান।

### ১.৪.৩.১.৫ উচ্চাৰণাত্মক অভিধান

এনে অভিধানত সংকলিত শব্দবোৰ উচ্চাৰণৰ ওপৰত ভিত্তি কৰি লিখা হয়। দ্বিতীয় ভাষা শিকাৰু এজনৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি এনে অভিধান যুগুত কৰা

হয়। অসমীয়া ভাষাৰ ক্ষেত্ৰত মাইলছ ব্ৰনছনে প্ৰথমে শব্দবোৰৰ উচ্চাৰণক ভিত্তি কৰিয়েই 'অসমিয়া আৰু ইংৰাজী অভিধান'খন প্ৰকাশ কৰিছিল।

### ১.৪.৩.১.৬ ব্যুৎপত্তিমূলক অভিধান

এনে অভিধানত শব্দ একোটাৰ ব্যুৎপত্তি দেখুৱাই তাৰ ঐতিহাসিক বিৱৰ্তনৰ ধাৰা দেখুৱাবলৈ যত্ন কৰা হয়। ব্যুৎপত্তিমূলক অভিধান একভাষিক হ'ব পাৰে বা দ্বিভাষিকো হ'ব পাৰে। কেতিয়াবা একেটা ভাষাতে তাৰ উৎপত্তি দেখুৱাবলৈ যত্ন কৰি সমাৰ্থক ৰূপত ক্ৰমবিৱৰ্তন বৰ্ণনা কৰা হয়। যেনে-পদ্ম-পদ্দ-পদুম। কেতিয়াবা ব্যুৎপত্তি দেখুৱায়ো তাৰ অৰ্থ দুটা ভাষাত দিবলৈ সমানে যত্ন কৰা হয়। অসমীয়া ভাষাত 'হেমকোষ'ত এইখিনি বৈশিষ্ট্য পোৱা যায়।

### ১.৪.৩.১.৭ প্ৰযুক্তিবিদ্যাৰ অভিধান

বিজ্ঞান-প্ৰযুক্তিৰ সৈতে জড়িত বিষয়সমূহৰ কিছুমান শব্দ নিজৰ ভাষাত বুজিব লাগিলে পৰিভাষা কৰি প্ৰস্তুত কৰিবলগীয়া হয়। বিদ্যায়তনিক দিশৰ সৈতে জড়িত এনে অভিধানত তেনে পৰিভাষাসমূহ সন্নিবিষ্ট কৰা হয়। অসমীয়া ভাষাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা প্ৰকাশিত 'ভাষাবিজ্ঞান পাৰিভাষিক কোষ' এখন প্ৰযুক্তিবিদ্যাৰ অভিধান।

### ১.৪.৩.১.৮ ঔপভাষিক অভিধান

প্ৰত্যেক ভাষাতে ভৌগোলিক, সাংস্কৃতিক, ৰাজনৈতিক আদি কাৰণত কেইবাটাও উপভাষাই গঢ় ল'ব পাৰে। একেটা ভাষাৰে অন্তৰ্গত যদিও শব্দগত দিশত মান্যভাষাৰ লগত থকা উপভাষাৰ পাৰ্থক্যৰ বাবে কেতিয়াবা বুজিবলৈ অসুবিধা হয়। এনে দিশৰ প্ৰতি লক্ষ্য ৰাখি ঔপভাষিক অভিধান প্ৰস্তুত কৰা হয়। অসমীয়া ভাষাৰ ক্ষেত্ৰত কামৰূপী আৰু গোৱালপৰীয়া উপভাষাৰ সৈতে মান্য অসমীয়া ভাষাৰ পাৰ্থক্য দেখা যায়। এনে পাৰ্থক্যযুক্ত শব্দৰ অৰ্থ স্পষ্ট কৰিবৰ কাৰণে ফণীন্দ্ৰ নাথ দত্ত বৰুৱাই 'সংক্ষিপ্ত কামৰূপী অভিধান', বিভা ভৰালীয়ে 'কামৰূপী অভিধান' আদি ঔপভাষিক অভিধান প্ৰস্তুত কৰিছে।

### ১.৪.৩.২ কম্পিউটাৰ অথবা ছফ্‌ট্‌ৱেৰ অভিধান

কম্পিউটাৰ অথবা ছফ্‌ট্‌ৱেৰ অভিধান হৈছে কম্পিউটাৰৰ সৈতে জড়িত কাৰিকৰী প্ৰযুক্তি য'ত কোনো এটা ভাষাৰ শব্দ আৰু তাৰ অৰ্থ, সংজ্ঞা, ব্যাখ্যা প্ৰদান কৰা হয়। ইয়াৰ পঠনযোগ্যতাৰ বাবে প্ৰগ্ৰেমিক ভাষা এটাৰ প্ৰযোজন হয়। এখন বৃহৎ কলেবৰৰ অভিধান এখন ছপা কৰা, কাগজৰ মানদণ্ড ৰক্ষা কৰা, সময়ে সময়ে তাৰ সংশোধন কৰা আদি খৰচৰ প্ৰতি লক্ষ্য ৰাখি বিশ্বৰ পটভূমিত ছফটৱেৰ অভিধানৰ আদৰ

দিনে দিনে বাঢ়ি আহিছে। ছফটৱেৰ অভিধান লিখিত আৰু শ্ৰব্য দুই ধৰণৰ হ'ব পাৰে। অনলাইন অনুবাদ মাধ্যমত প্ৰয়োগ হোৱা প্ৰগেমিক ভাষাক কম্পিউটাৰ অথবা ছফট্ৱেৰ অভিধানৰ দৃষ্টিৰে আলোচনা কৰি চাব পাৰি। অসমীয়া ভাষাত অসম প্ৰকাশন পৰিষদৰ উদ্যোগত অনলাইন মাধ্যমত প্ৰকাশিত 'পদ্মনাথ শ্ৰব্য অভিধান' এই শাৰীত ধৰিব পাৰি।

> **জানি থওঁ আহক**
>
> 'পদ্মনাথ শ্ৰব্য অভিধান' আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপি সম্বলিত প্ৰথম অসমীয়া ডিজিটেল শ্ৰব্য অভিধান। অভিধানখনত ১৮ হাজাৰ শব্দ সন্নিবিষ্ট হৈছে।

### ১.৪.৪ অভিধানৰ গাঁথনি (Structure of a Dictionary)

অভিধানতত্ত্বই কেৱল ভাষিক দৃষ্টিকোণেৰে শব্দৰ সংকলন আৰু তাৰ ব্যৱহাৰৰ অৰ্থ স্পষ্টকৰণত গুৰুত্ব দিয়ে শান্ত নাথাকে। অভিধান প্ৰণয়নৰ ব্যৱহাৰিক দিশসমূহো অভিধানতত্ত্বই সামৰি লয় বাবে ইয়াৰ গাঁথনিক দিশটো সমানে গুৰুত্বপূৰ্ণ। অভিধান এখন যুগুতাবৈলে যাওঁতে নিৰ্বাচিত শব্দৰ বানান আৰু আখৰজোঁটনি উপস্থাপন কিধৰণে কৰা হ'ব সেয়া অভিধান গাঁথনিয়ে নিৰ্ধাৰণ কৰিব। ব্যুৎপত্তিভিত্তিক অভিধান এখনৰ গাঁথনি আৰু আঞ্চলিক ভাষাভিত্তিক অভিধান এখনৰ গাঁথনি স্বাভাৱিকতে বেলেগ। অভিধানৰ গাঁথনিক দুই ধৰণে বিচাৰ কৰি চোৱা হয়—

(ক) অভিধানৰ অণু-গাঁথনি (Microstructure of a Dictionary)

(খ) অভিধানৰ বৃহৎ-গাঁথনি (Macrostructure of a Dictionary)

সাধাৰণ ভাষাত অভিধানৰ অণু-গাঁঠনি হৈছে শব্দ তালিকাভুক্ত প্ৰবিষ্টিৰ আভ্যন্তৰীণ গাঁঠনি। অভিধান এখনত শব্দবোৰ কেনেভাৱে সন্নিবিষ্ট কৰা হয় আৰু শব্দ সম্পৰ্কীয় কোনবোৰ তথ্য বৰ্ণনা কৰা হয় তাৰ বাবে কিছুমান নিৰ্ধাৰিত প্ৰণালী আছে। তদুপৰি গ্ৰন্থ হিচাপে অভিধান এখন কেনেদৰে সজাব লাগে তাৰো এক সাৰ্বজনীন শৈলী আছে। প্ৰবিষ্টিৰ বিভিন্ন দিশ বৰ্ণনা কৰোঁতে কেনেধৰণৰ সাংকেতিক চিন আৰু মাত্ৰা চিন ব্যৱহাৰ কৰিব লাগে — এই সমস্ত জ্ঞানেই হৈছে অভিধানৰ অনুগাঁথনি। অভিধানৰ অধ্যায় বিভাজন, পৃষ্ঠা-শীৰ্ষত প্ৰবিষ্টিৰ পুনৰাবৃত্তি, পৃষ্ঠাৰ কলম বিভাজন, শব্দৰ সাংকেতিক চিহ্ন, অন্যান্য গাণিতিক চিহ্ন আৰু যতি চিহ্নৰ ব্যৱহাৰ, প্ৰবিষ্টি লিখন, শব্দ-সাৰ, বানান বা আখৰ জোঁটনি, এই সকলো অণু-গাঁথনিৰ অন্তৰ্ভুক্ত। অভিধানৰ আখৰজোঁটনি এটা মন কৰিবলগীয়া দিশ। 'হেমকোষ' প্ৰণেতা হেমচন্দ্ৰ বৰুৱাই অভিধানখনৰ আৰম্ভণিতে আখৰ-জোঁটনি সম্পৰ্কে এইদৰে মত প্ৰকাশ কৰি গৈছে — "১৮৬৭ খ্ৰীষ্টিয়ান শকত পাদ্ৰি ব্ৰন্সন্ চাহাবে তাক সমাপ্ত কৰি ছপালে; কিন্তু তাৰ বৰ্ণবিন্যাস সমূলি অশুদ্ধ আৰু অৰ্থৰ কথাতো সি যেনে হ'ব লাগে তেনে নোহোৱা হেতু অসমীয়া শিকোঁতাবিলাকৰ তাৰ পৰা একো উপকাৰ হোৱা নাই, আৰু নহয়ো। এই অসুচল গুচাবৰ মনেৰে কিছু

বছৰৰ আগেয়ে বৰ্ত্তমান লেখকে "হেমকোষ" নাম দি এখান ডাঙৰ অভিদান যুগুত কৰে। তাত ... প্ৰত্যেক শব্দৰ মূল আৰু অসমীয়া প্ৰতিশব্দ বা ব্যাখ্যাৰ পাচত ইংৰাজী অৰ্থ দিয়া হৈছে। ইয়াত বাজে সমাৰ্থক শব্দ বিলাকৰ ব্যাখ্যা আৰু উদাহৰণ, আৰু অৰ্থ সৈতে ভালেমান সদায় ব্যৱহৃত ভাবুক খণ্ড-বাক্য সন্নিবিষ্ট হৈছে। সংক্ষেপকৈ ক'ব লাগিলে ওৱেবষ্টৰৰ ইংৰাজী অভিধান তাৰ আৰ্হিচ আৰু সেই পুথিকে চানেকি কৰি তাক লিখা হৈছে।" (পাতনি)। অভিধানৰ অণু-গাঁথনি সম্পৰ্কে পৰৱৰ্তী অধ্যায়ত বহলাই আলোচনা কৰা হ'ব।

অভিধান এখনৰ মূল্য নিৰূপণত অভিধানৰ অণু-গাঁথনিৰ সমান্তৰালকৈ ইয়াৰ বৃহৎ-গাঁথনিয়েও গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। অভিধানৰ বৃহৎ-গাঁথনি ইয়াৰ বাহ্যিক দিশসমূহৰ সৈতে জড়িত হোৱা দেখা যায়। অভিধানৰ বেটুপাত, সূচীপাত, আগ-কথা, পঢুৱৈৰ প্ৰতি নিৰ্দেশনা, পশ্চাৎ অংশত সংযোজিত পাৰিভাষিক শব্দৰ তালিকা, মানচিত্ৰ, অন্যান্য সচিত্ৰ পাতৰ সংযোজন এই সকলো অভিধানৰ বৃহৎ-গাঁথনিৰ অন্তৰ্ভুক্ত। এই সকলো সামৰিহে অভিধান এখনৰ অধ্যয়ন সম্পূৰ্ণ হয়। অভিধান এখনৰ মানদণ্ড ৰক্ষাত ইয়াৰ বৃহৎ গাঁথনিয়ে ভূমিকা গ্ৰহণ কৰে বাবে অভিধানতত্ত্বৰ পৰিসৰে ইয়াকো সামৰি লয়।

### **১.৪.৫ অভিধানৰ প্ৰয়োগ (Uses of a Dictionary)**

তত্ত্ব এটা প্ৰয়োগৰ মাজেৰেহে সফলতা পায়। অভিধানতত্ত্বৰ ক্ষেত্ৰতো একে কথা। ব্যৱহাৰিক দিশ বিচাৰ কৰিয়েই অভিধান এখন প্ৰণয়ন কৰা হয়। অভিধানত শব্দৰ অৰ্থ বিচাৰি উলিওৱাৰ উপৰি শব্দৰ ব্যুৎপত্তি, উচ্চাৰণ, বানান, আনকি বাক্যৰ অংশ হিচাপে ব্যৱহাৰৰ ধৰণ বুজিবলৈও সহায়ক হয়। অভিধান এখনে বেলেগ বেলেগ অৰ্থযুক্ত একেটা শব্দক একেলগে বা একাদিক্ৰমে ৰাখি অৰ্থ স্পষ্ট কৰি তোলাত সহায় কৰে। একেটা শব্দৰ পিছত বেলগে বেলেগ শব্দ যুক্ত হৈ বেলেগে বেলেগ অৰ্থ প্ৰকাশ কৰিব পৰা শব্দৰ সহগমন দেখা যায়। যেনে- অগ্নি, অগ্নিকুমাৰ, অগ্নিকোণ, অগ্নিজিহ্বা, অগ্নিদেৱতা, অগ্নিপৰীক্ষা আদি (চন্দ্ৰকান্ত অভিধান, পৃ.৬)। এইদৰে 'অগ্নি' শব্দটো বেলেগ বেলেগ শব্দৰ লগত যুক্ত হৈ বেলেগ বেলেগ অৰ্থ প্ৰকাশ কৰিছে। উদাহৰণস্বৰূপে-

(ক) **lord** (লৰ্ড্) *n.* গৰাকী; প্ৰভু; শাসনকৰ্তা; স্বামী; master; ruler; husband; superior; dominanat person; (with cap. L) ভগৱান; পৰমেশ্বৰ; God; -*adj* **lordly** মহৎ; মৰ্যাদাসম্পন্ন; উদ্দত বা গৰ্বিত; noble; dignified; proud; – n. **lordship** জমিদাৰ বা অভিজাত ব্যক্তি; ইত্যাদি। (*Jyoti Concise Anglo-Assamese Dictionary*, পৃ. ৪৫৬)।

(খ) **অগ্ৰ** [সং.] বি. আগ; ওপৰৰ ভাগ; top. ২। আগ বা মুখৰ ফাল; front. ৩। প্ৰথম; the first. **অগ্ৰগণী, অগ্ৰগণ্য** বিণ. প্ৰধান; প্ৰথমে উল্লেখৰ যোগ্য chief; foremost. ২। বি. এক শ্ৰেণীৰ লোকৰ মাজত আনতকৈ প্ৰধান বা ডাঙৰ লোক; the chief; the foremost. **অগ্ৰগামী** আগত যোৱা;... **অগ্ৰজ** যি প্ৰথমে জন্মে; ইত্যাদি। (*চন্দ্ৰকান্ত অভিধান।* পৃ. ৬)

এইদৰে একেটা প্ৰবিষ্টিতে সহগমন হ'ব পৰা শব্দৰ অৰ্থবোধক স্পষ্ট কৰিব বিচৰা হয়। তদুপৰি সমাৰ্থক যেন লগা শব্দবোৰৰ অৰ্থ স্পষ্টীকৰণতো সহায়ক হয়। একেটা শব্দৰ যিমানটা অৰ্থ হয় ক্ৰমিক নম্বৰসহ বেলেগে বেলেগে বৰ্ণনা দিয়াটো শব্দৰ অৰ্থ স্পষ্টীকৰণৰ এক কৌশল। উদাহৰণস্বৰূপে-

**গৰজ**[১] বি. (যাং.) অতি আৱশ্যক, দৰকাৰ, necessity, need; অভাৱ, মস্কিল; যেনে, গৰজত পৰিছোঁ; want, difficulty; কাৰণ, reason.

**গৰজ**[২] বি. (কাম.) পুৰুষে পিন্ধা পাটকাপোৰৰ ধুঁতি-চাদৰ, a kind of *dhuti* and *Sadar* made of silk. (*হেমকোষ।* পৃ.৪০৭)।

শব্দ সংকলনৰ সৈতে আনুসংগিকভাৱে জড়িত আন এটা দিশ হৈছে সমাৰ্থক শব্দৰ অন্তৰ্ভুক্তি। অভিধানত শব্দৰ অন্তৰ্ভুক্তি বৰ্ণানুক্ৰমিক হোৱা বাবে একে অৰ্থযুক্ত শব্দ বেলেগ প্ৰবিষ্টিত অন্তৰ্ভুক্ত হয়। তেতিয়া পুনৰ বৰ্ণনা নকৰি কৌশলপূৰ্ণ ভাৱে অমুক শব্দ চাওক বুলি উল্লেখ কৰা দেখা যায় এইদৰে—

বিড়ি বি. 'বিৰি' চাওক।

বিড়িং বি. 'বিৰিং' চাওক। ইত্যাদি (*হেমকোষ*, পৃ. ৯৬০)।

অভিধানৰ কলেবৰ হ্ৰাস কৰাত এনে নিৰ্দেশনাই সহায় কৰে। পঢ়ুৱৈৰ অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি বৃহৎ কলেবৰৰ অভিধানৰ গুৰুত্বও হ্ৰাস পাইছে। সেয়ে সহগমন শব্দৰ সম্পৰ্কই হওক বা সমাৰ্থক শব্দৰ উদ্ধৃতিয়ে হওক উদাহৰণত দিয়াৰ দৰে চমু কৌশল আৰোপে অভিধানৰ গুণাগুণ মানদণ্ড বজাই ৰখাত সহায় কৰে। অভিধানতত্ত্বই এনে বিষয়বোৰকো গুৰুত্ব সহকাৰে সামৰি লয়।

### ১.৪.৬ অভিধানৰ তথ্যৰ নিৰ্ভৰযোগ্যতা

অভিধানত বৰ্ণানুক্ৰমিকভাৱে ভাষা এটাৰ শব্দবোৰ তালিকাভুক্ত হয় আৰু সেইবোৰৰ বানান, উচ্চাৰণ, উৎপত্তি আৰু ব্যৱহাৰৰ তথ্য প্ৰদান কৰোঁতে অভিধান প্ৰণয়নকাৰীজন সাৱধান হ'ব লাগে। সাধাৰণতে প্ৰয়োজনৰ খাতিৰতহে অভিধানৰ সহায় লোৱা হয়। গতিকে অভিধানৰ বিষয়বস্তু নিৰ্ভৰযোগ্য হ'ব লাগে। বানানৰ শুদ্ধতা অভিধান

এখনৰ মূল ছাবিকাঠি। 'অভিধানত থকা বানান মানেই শুদ্ধ বানান। তাত দিয়া অৰ্থ অবিকল অৰ্থ হ'ব লাগে। বানান হ'ব পৰম্পৰাগত আৰু অৰ্থ হ'ব সাম্প্ৰতিক, অৱশ্যে পুৰণি অৰ্থও কিটিপেৰে প্ৰকাশ কৰিব লাগিব।' (দত্ত বৰুৱা, পৃ.১৭৭)। কিছুমান শব্দৰ বানানে কেতিয়াবা বিভ্ৰান্তিৰ সৃষ্টি কৰা দেখা যায়। যেনে- আবেদন নে আৱেদন, সন্নিবিষ্ট নে সন্নিৱিষ্ট কোনটো সঠিক ৰূপ অভিধানে তাক নিৰ্ণয় কৰিব পাৰিব লাগিব। উদাহৰণস্বৰূপে-

**সন্নিবিষ্ট** কৃদ. বিণ. (সং. সন্নিৱিষ্ট—সং + নি, উপস. + ৱিশ্, সোমা) প্ৰবিষ্ট, প্ৰবেশ কৰা, সুমোৱা, entered into, introduced, inserted. (হেমকোষ, পৃ.১২৬৮)।

শব্দৰ ব্যুৎপত্তিৰ সংযোজনো সদায় শুদ্ধ তথা নিৰ্ভৰযোগ্য হ'ব লাগে। ইয়াৰ উপৰি শব্দৰ পৰিৱৰ্তিত অৰ্থকো অভিধানে কিমানখিনি সামৰিছে তাকো অভিধানৰ অধ্যয়নে সামৰি লয়। এইসকলোবোৰৰ অধ্যয়নে অভিধানতত্ত্বক অন্য মাত্ৰা প্ৰদান কৰিছে। আচলতে অভিধানৰ নিৰ্ভৰযোগ্যতাই পাঠকক অভিধান এখন মেলি চাহঁলে উৎসাহ যোগাব পাৰে। অভিধানৰ প্ৰয়োগ তথা উপাদেয়তা ইয়াৰ নিৰ্ভৰযোগ্যতাৰ ওপৰত বহুখিনি নিৰ্ভৰ কৰে।

**জানি থওঁ আহক**

অভিধানত থকা শব্দ আৰু অৰ্থৰ সম্বন্ধক বসন্ত কুমাৰ গোস্বামীয়ে এটা ত্ৰিভুজৰ দৰে দেখুৱাইছে (ব. গোস্বামী, পৃ. ১৭০) —




এই তিনিটা দিশৰ আঁত ধৰিয়েই অভিধানত শব্দৰ প্ৰবিষ্টি ঘটে।

## ১.৫ সাৰাংশ (Summing Up)

মূলতঃ শব্দ আৰু অৰ্থৰ একত্ৰ সংকলন আৰু তাৰ উপস্থাপনক কেন্দ্ৰ কৰিয়েই অভিধানতত্ত্ব নামৰ বিদ্যায়তনিক শাখাটো গঢ় লৈ উঠিছে। শব্দ আৰু অৰ্থৰ সম্পৰ্ক উপস্থাপনৰ কলা-কৌশল বহুমাত্ৰিক হোৱা বাবে অভিধানৰ অধ্যয়ন বিষয়টো আকৰ্ষণীয় হৈ উঠিছে। অভিধানতত্ত্বৰ সংজ্ঞা আৰু পৰিসৰৰ আলোচনাৰ পৰা অভিধানতত্ত্বৰ কিছু আভাস পোৱা গৈছে। অভিধানতত্ত্ব এটা বহল বিষয়। অভিধানৰ প্ৰবিষ্টিৰ অন্তৰ্গত ভিন্ন দিশ অভিধানতত্ত্বই সামৰি লয়। পৰিসৰৰ বিষয়বোৰ এটাই আনটোৰ সৈতে সংগতি ৰাখি চলে বাবে সৰু এটা বিষয়কো বাদ দিলে অভিধানৰ অধ্যয়ন সম্পূৰ্ণ নহয়। শব্দৰ সংকলনৰ পৰা অধ্যায় বিভাজনলৈকে, বেটুপাতৰ অংকনৰ পৰা পৰিভাষা, মানচিত্ৰ, তথ্যচিত্ৰ

সংযোজনলৈকে, অভিধানৰ প্ৰকাৰৰ পৰা কাগজৰ গুণা-গুণলৈকে অভিধান প্ৰণয়নৰ সকলো দিশ অভিধানতত্ত্বই সামৰি লয়। প্ৰত্যেক অভিধানৰ অৰ্থ জ্ঞাপনৰ সুকীয়া পদ্ধতি থকা বাবেই অভিধানতত্ত্বই প্ৰায়োগিক দিশেৰে আগবঢ়া দেখা যায়। ব্যৱহাৰিক দিশৰ পৰা তাত্ত্বিক ভেটি নিৰ্মাণেৰে অভিধানতত্ত্বই প্ৰয়োগ ভাষাবিজ্ঞানক ভিন্ন দৃষ্টিকোণৰ পৰা চাবলৈ সুযোগ দিছে। নব্য বিকশিত বিদ্যায়তনিক শাখা হিচাপে এই শাখাত গৱেষণাৰ দিশটোৱে অভিধানতত্ত্বৰ আলোচনাক আগবঢ়াই নিব বুলি আশা কৰিব পাৰি।

## ১.৬ আৰ্হি প্ৰশ্ন (Sample Questions)

১) অভিধানতত্ত্ব কি? অভিধানৰ পৰা অভিধানতত্ত্বৰ পাৰ্থক্য নিৰূপণ কৰি এটি আলোচনা আগবঢ়াওক।

২) অভিধানতত্ত্ব অধ্যয়নৰ গুৰুত্ব সম্পৰ্কে আলোচনা আগবঢ়াওক।

৩) অভিধানত্ত্ব আৰু অভিধান প্ৰণয়ন কলা একে নে? যদি একে নহয় কিয়?

৪) অভিধানত্ত্বৰ পৰিসৰ সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

## ১.৭ প্ৰসংগ গ্ৰন্থ (References/ Suggested Readings)

কোঁৱৰ, অৰ্পণা ঃ অভিধানতত্ত্ব। গুৱাহাটী ঃ অসম বুক ট্ৰাষ্ট, ২০১৯। প্ৰকাশিত।

শৰ্মা, অনুৰাধা (সং. আৰু সম্পা.) ঃ ভাষাবিজ্ঞান পাৰিভাষিক কোষ। ডিব্ৰুগড় ঃ ডিব্ৰুগড় বিশ্ববিদ্যালয়, ২০০৮। প্ৰকাশিত।

গোস্বামী, মালিনী; ভৰালী, বিভা আৰু চহৰীয়া, কনক চন্দ্ৰ (সম্পা.) ঃ চন্দ্ৰকান্ত অভিধান। গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয়, ২০১২। প্ৰকাশিত।

ডেকা, প্ৰণৱ জ্যোতি ঃ জ্যোতি দ্বিভাষিক অভিধান। গুৱাহাটী ঃ অসম বুক ডিপো, ২০১৩। প্ৰকাশিত।

দত্ত বৰুৱা, ফণীন্দ্ৰ নৰায়ণ ঃ প্ৰয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা। গুৱাহাটী ঃ বিশাল প্ৰকাশন, ২০১৭। প্ৰকাশিত।

নেওগ, মহেশ্বৰ; দেৱশৰ্মা, ৰজনীকান্ত আৰু বৰুৱা, নৱকান্ত (সম্পা.) ঃ আধুনিক অসমীয়া অভিধান। গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ, ২০১৮। প্ৰকাশিত।

পাদুন, নাহেন্দ্ৰ (সম্পা.) ঃ ভাষাৰ তত্ত্ব-কথা। ডিব্ৰুগড় ঃ বাণী মন্দিৰ, ২০১৪। প্ৰকাশিত।

বৰুৱা, হেমচন্দ্ৰ ঃ হেমকোষ। গুৱাহাটী ঃ হেমকোষ প্ৰকাশন, ২০১১। প্ৰকাশিত।

হাজৰিকা, দেৱপ্ৰতীম (সম্পা.) ঃ ভাষা অন্বেষণ। গুৱাহাটী ঃ সম্প্ৰীতি, ২০১৮। প্ৰকাশিত।

Bhattacharya, Sachchidananda ঃ A Dictionary of Indian History. Calcutta : University of Calcutta, 1972. Print.

Crystal, David ঃ A Dictionary of Linguistics and Phonetics. UK : Blackwell Publishing, 2008. Print.

Halliday, M.A.K. et al. ঃ Lexicology and Corpus Linguistics an Introduction. New York : Continuum, 2004. Print.

Jackson, Howard and Amvela, Etienne Ze ঃ Words, Meaning and Vocabulary An Introduction to modern English Lexicology. New York : Continuum, 2007. Print.

Murry, James A.H.(ed.) ঃ The Oxford English Dictionary. Oxford : Oxford University Press, 2004. Print.

Sarma, Suresh ঃ Jyoti Concise Anglo-Assamese Dictionary. Guwahati : Jyoti Prakashan, 2008. Print.

**Website :**

1. "Lexicology." Merriam-Webster.com Dictionary, Merriam-Webster, https://www.merriam-webster.com/dictionary/lexicology. Accessed 20 Mar. 2025.

2. "padmanath Audio Dictionary". Google paly Store.

*****

# দ্বিতীয় বিভাগ
## অভিধানৰ প্ৰকাৰভেদ (Types of Dictionary)

**বিভাগৰ গঠনঃ**


২.১ ভূমিকা (Introduction)
২.২ উদ্দেশ্য (Objectives)
২.৩ অভিধানৰ প্ৰকাৰভেদ (Types of Dictionary)
২.৩.১ কিতাপ আকাৰে ছপোৱা অভিধান (Printed Dictionary)
২.৩.১.১ উদ্দেশ্যভিত্তিক অভিধান (Dictionary based on Objective)
২.৩.১.১.১ ব্যুৎপত্তিমূলক অভিধান (Etymological Dictionary)
২.৩.১.১.২ বিবিধাৰ্থক অভিধান (Dictionary of words with multiple meaning)
২.৩.১.১.৩ সমাৰ্থক শব্দৰ অভিধান (Synonym Dictionary )
২.৩.১.১.৪ বিপৰীতাৰ্থক শব্দৰ অভিধান (Antonym Dictionary)
২.৩.১.১.৫ বানান অভিধান (Spelling Dictionary )
২.৩.১.১.৬ চিত্ৰ অভিধান (Pictorial Dictionary )
২.৩.১.২ ভাষাভিত্তিক অভিধান (Dictionary based on Language )
২.৩.১.২.১ একভাষিক অভিধান (Monolingual Dictionary )
২.৩.১.২.২ দ্বিভাষিক অভিধান (Bilingual Dictionary )
২.৩.১.২.৩ বহুভাষিক অভিধান (Multilingual Dictionary )
২.৩.১.২.৪ ঔপভাষিক অভিধান (Dialect Dictionary )
২.৩.১.২.৫ অমাৰ্জিত শব্দৰ অভিধান (Dictionary of Slangs)
২.৩.১.৩ সময়ভিত্তিক অভিধান (Dictionary based on Time/ period/era)
২.৩.১.৩.১ সমকালীন বা তৎকালীন অভিধান (SynchronicDictionary )
২.৩.১.৩.২ ক্ৰমবিবৰ্তনমূলক অভিধান (Diachronic Dictionary)
২.৩.১.৪ অন্যান্য প্ৰকাৰৰ অভিধান (Other types of Dictionary)
২.৩.১.৪.১ শিশু অভিধান (Children’s Dictionary)
২.৩.১.৪.২ খণ্ডবাক্যৰ অভিধান ( Dictionary of Idioms)
২.৩.১.৪.৩ ধাৰ কৰি অনা শব্দৰ অভিধান (Dictionary of Loanword)
২.৩.১.৪.৪ অৰ্বাচীন শব্দৰ অভিধান (Dictionary of New Terms)
২.৩.১.৪.৫ নামবাচক শব্দৰ অভিধান (Dictionary of Names)
২.৩.১.৪.৬ বিভক্তি-প্ৰত্যয়ৰ অভিধান (Dictionary of Affix)
২.৩.১.৪.৭ দ্বিতীয় ভাষা শিকাৰুৰ অভিধান (Pedagogical Dictionary)

২.৩.১.৪.৮ শব্দ-গঠন-বিভাজন অভিধান (Word-Division Dictionary)
২.৩.১.৪.৯ সক্ৰিয় আৰু গৌণ শব্দৰ অভিধান(Active and Passive word Dictionary)
২.৩.১.৪.১০ পাঠভিত্তিক অভিধান (Corpora Dictionary)
২.৩.১.৪.১১ সামগ্ৰিক অভিধান (Comprehensive Dictionary)
২.৩.২ বৈদ্যুতিন বা নৰম সঁজুলি অভিধান (Electronic or Software Dictionary)
২.৪ সাৰাংশ (Summary)
২.৫ প্ৰসঙ্গ টোকা (Reference Note)
২.৫ আৰ্হি প্ৰশ্ন (Sample Question)
২.৬ গ্ৰন্থপঞ্জী (References/Suggested Readings)

প্ৰথম বিভাগত ইতিমধ্যে আপোনালোকে অভিধান আৰু অভিধান তত্ত্বই সামৰি লোৱা বিষয় সম্পৰ্কে আভাস পাইছে। এতিয়া আমি অভিধান তত্ত্বৰ ভিতৰুৱা বিষয় হিচাপে অভিধানৰ প্ৰকাৰভেদ সম্পৰ্কে আলোচনা কৰিম।

## ২.১ ভূমিকা (Introduction)

অভিধান বুলি কওঁতে প্ৰথমতে দুই প্ৰকাৰৰ অভিধানৰ কথাই আমাৰ মনলৈ আহে। প্ৰথমবিধ হ'ল - একভাষিক অভিধান (Monolingual)। য'ত কোনো এটা ভাষাত প্ৰচলিত শব্দবোৰৰ বুৎপত্তি, উচ্চাৰণ, অৰ্থ আৰু বিভিন্ন প্ৰসঙ্গত তাৰ প্ৰয়োগ সম্পৰ্কে সেই ভাষাটোতে বিশ্লেষণ কৰা হয়। দ্বিতীয়বিধ হ'ল - দ্বিভাষিক অভিধান (Bilingual)। ইয়াত ভাষা এটাত প্ৰচলিত শব্দবোৰৰ বিশ্লেষণ সংশ্লিষ্ট ভাষাটোত কৰাৰ উপৰিও তাৰ অৰ্থ অন্য এটা ভাষাতো দিয়া হয়। এটা ভাষাৰপৰা আন এটা ভাষালৈ অনুবাদ কাৰ্য সম্পন্ন কৰাৰ বাবে বা দ্বিতীয় ভাষা শিকনৰ ক্ষেত্ৰত এনে অভিধানৰ সহায় লোৱা হয়।

সময়ৰ সোঁতত মানুহৰ চিন্তা-চৰ্চাইয়ো বিকাশ লাভ কৰিছে। সেয়ে এই দুই প্ৰকাৰৰ অভিধানে মানুহৰ জিজ্ঞাসা পূৰাব নোৱাৰা হৈ আহিছে। যাৰ ফলত ভিন ভিন প্ৰকাৰৰ শব্দৰ ভিন ভিন ধৰণে অৰ্থ বিশ্লেষণ কৰিবপৰা ভিন্ন প্ৰকাৰৰ অভিধানৰ প্ৰয়োজন আহি পৰিছে। সেই প্ৰয়োজন পূৰণৰ উদ্দেশ্যেই সকলোবোৰ ভাষাতেই বিভিন্ন শ্ৰেণীৰ অভিধান প্ৰণয়ন কৰা পৰিলক্ষিত হৈছে। এই বিভাগটিত অভিধানৰ এনে বিভিন্ন প্ৰকাৰভেদ সম্পৰ্কে আলোচনা কৰিবলৈ যত্ন কৰা হ'ব।

## ২.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়নৰ অন্তত আপোনালোকে—

- অভিধানৰ বিভিন্ন প্ৰকাৰভেদ সম্পৰ্কীয় ধাৰণা লাভ কৰিব।
- ছপা ৰূপত আৰু বৈদ্যুতিন ৰূপত প্ৰণয়ন কৰা অভিধান সম্পৰ্কে সম্যক জ্ঞান লাভ কৰিব।
- ভিন ভিন বিষয় তথা বিভিন্ন দিশৰ ওপৰত ভিত্তি কৰি ছপা কৰি উলিওৱা অভিধান সমূহৰ বিষয়ে বিতংভাৱে জানিব পাৰিব।
- উদাহৰণৰ সৈতে, ছপা অভিধান সমূহৰ ব্যৱহাৰ সম্পৰ্কে সামগ্ৰিক বৰ্ণনা পাব পাৰিব।
- ছপা আৰু বৈদ্যুতিন অভিধানৰ মাজত থকা পাৰ্থক্য দৃষ্টিগোচৰ হ'ব।

## ২.৩ অভিধানৰ প্ৰকাৰভেদ (Types of Dictionary)

বাহ্যিক ৰূপ বা গাঠনিক দিশ অনুসৰি অভিধানবোৰক দুটা ভাগত ভগাব পাৰি। ভাগ দুটা হ'ল—

১) কিতাপ আকাৰে ছপোৱা অভিধান (Printed Dictionary)।

২) বৈদ্যুতিন (Electronic) অথবা নৰম সঁজুলি (Software) অভিধান।

**জানি থওঁ আহক**

পৃথিৱীৰ প্ৰথমখন অভিধান একভাষিক। ৰবাৰ্ট কেৱেড্ৰে নামৰ শিক্ষক এগৰাকীয়ে ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে কেৱল ২৫০০ শব্দৰ অন্তৰ্ভুক্তিৰে ইংৰাজী ভাষাতে তাৰ অৰ্থ প্ৰকাশ কৰি প্ৰথমখন অভিধান প্ৰণয়ন কৰি উলিয়ায়।

### ২.৩.১ কিতাপ আকাৰে ছপোৱা অভিধান (Printed Dictionary)

যিবোৰ অভিধান ছপা কৰি কিতাপ আকাৰে প্ৰস্তুত কৰি উলিওৱা হয়, সেইবোৰেই ছপোৱা অভিধান বা (Printed Dictionary)। এনে অভিধানত শব্দসমূহ ছপা ৰূপত সংকলন কৰা হয়। কিতাপ আকাৰে ছপা হোৱা এনে অভিধান সমূহক আকৌ বিভিন্ন ধৰণে শ্ৰেণীভুক্ত কৰিব পাৰি। অভিধান এখন প্ৰণয়ন কৰি তোলাৰ প্ৰাকমুহূৰ্তত প্ৰণয়নকাৰীজনে বিভিন্ন দিশৰ প্ৰতি সততে চকু দিবলগীয়া হয়। কি উদ্দেশ্য আগত ৰাখি অভিধানখন প্ৰণয়ন কৰা হ'ব, অভিধানখনত ব্যৱহৃত ভাষা কেনেধৰণৰ হ'ব, অভিধানখনে কোনখিনি সময়ক প্ৰতিনিধিত্ব কৰিব বা তাৰ আনুসংগিক অন্যান্য কেতবোৰ দিশৰ প্ৰতি গুৰুত্ব দি প্ৰণেতা গৰাকী আগবাঢ়ে। এনে দিশসমূহৰ ওপৰত ভিত্তি কৰি অভিধানসমূহক

বিভিন্ন প্ৰকাৰে ভাগ কৰি আলোচনা কৰিব পাৰি। ভোলানাথ তিৱাৰীয়ে অভিধানসমূহক এনে বিভিন্ন ভাগত ভাগ কৰি দেখুৱাইছে।

### ২.৩.১.১ উদ্দেশ্যভিত্তিক অভিধান (Dictionary based on Objective)

সকলো কাৰ্যৰ অন্তৰালত একোটা উদ্দেশ্য নিহিত হৈ থাকে। সেই উদ্দেশ্য আগত ৰাখিয়েই কৰোতাজন নিৰ্দিষ্ট কাৰ্যটোৰ ফালে আগবাঢ়ে। অভিধান এখন প্ৰস্তুত কৰি উলিওৱাৰ ক্ষেত্ৰতো প্ৰণয়নকাৰীজনে নিৰ্দিষ্ট এটা উদ্দেশ্য বা তাৰ কাৰণ নিৰ্ধাৰণ কৰি লয়। সেই উদ্দেশ্য আগত ৰাখিয়েই তেওঁ প্ৰয়োজনীয় তথ্য বা সমল সংগ্ৰহ কৰে। সেয়ে অভিধান এখন প্ৰস্তুত কৰি থকা সময়চোৱাত প্ৰস্তুতকৰ্তাজনে তেওঁৰ নিৰ্দিষ্ট উদ্দেশ্য ক্ষন্তেক সময়ৰ কাৰণেও পাহৰি যোৱা উচিত নহয়। এটা শব্দৰ বুৎপত্তিগত অৰ্থ, সমাৰ্থক শব্দ, বিপৰীতাৰ্থক শব্দ, শব্দটোৰ উচ্চাৰণ বা বানান আদিৰ ভিতৰত নিৰ্দিষ্ট এটা দিশৰ ওপৰত অধিক গুৰুত্ব দি একোখন অভিধান প্ৰস্তুত কৰি উলিওৱা হয়। আকৌ কেতিয়াবা এখন অভিধানৰ মাজতে শব্দ বিশেষৰ অৰ্থ, তাৰ উচ্চাৰণ, বানান তথা ব্যাকৰণিক প্ৰয়োগ আদি দিশ একেলগে সামৰা হয়। গতিকে অভিধান এখন প্ৰণয়ন কৰি উলিওৱাৰ অন্তৰালত থকা উদ্দেশ্য বা কাৰক সমূহৰ ওপৰত ভিত্তি কৰি অভিধান সমূহক কেইবাটাও ভাগত ভাগ কৰিব পাৰি। সেইবোৰ হ'ল—

#### ২.৩.১.১.১ বুৎপত্তিমূলক অভিধান (Etymological Dictionary)

যিবোৰ অভিধানত নিৰ্দিষ্ট একোটা শব্দৰ বুৎপত্তি (Etymology) বিচাৰ কৰি চোৱা হয়, সেইবোৰেই বুৎপত্তিমূলক অভিধান। আচলতে সকলোবোৰ অভিধানতেই শব্দ একোটাৰ বুৎপত্তিৰ উল্লেখ থাকে। কিন্তু বুৎপত্তিমূলক অভিধানত শব্দটোৰ বুৎপত্তি সম্পৰ্কে বিযদ (details) ৰূপত বিশ্লেষণ কৰা হয়। এনে অভিধানত শব্দৰ মূল নিৰ্দেশ কৰাৰ লগতে শব্দটোৰ সময়ৰ অনুক্ৰমে হোৱা বিৱৰ্তন আদিও দেখুওৱা হয়। লগতে তাৰ বৈয়াকৰণিক গঠন আৰু অৰ্থৰ বিশ্লেষণো কৰা হয়। এক বা ততোধিক ভাষাৰ ঐতিহাসিক বা তুলনামূলক অধ্যয়নৰ ক্ষেত্ৰত এনে অভিধানৰ পৰা যথেষ্ট পৰিমাণে সমল গোটাব পৰা যায়। এই প্ৰকাৰ অভিধানত কোনো এটা ভাষাই আন আন ভাষাৰপৰা ধাৰ কৰা শব্দ সমূহৰ পূৰ্বৰূপ উল্লেখ কৰা প্ৰয়োজন। যেনে— ইংৰাজী ভাষাত ব্যৱহাৰ হোৱা লেটিন শব্দবোৰৰ পূৰ্বৰূপ, অসমীয়া ভাষাত ব্যৱহৃত সংস্কৃত শব্দবোৰৰ পূৰ্বৰূপ দিয়াটো অপৰিহাৰ্য। টাৰ্ণাৰ (Turner) ৰ 'নেপালী অভিধান' (Nepali Dictionary), ড° নৰেশ কুমাৰ (Dr. Naresh Kumar) -এ সম্পাদনা কৰা 'হিন্দী বুৎপত্তি কোষ' (Hindi Vyutpatti Kosh) আদি বুৎপত্তিমূলক অভিধানৰ উদাহৰণ।

### ২.৩.১.১.২ বিবিধাৰ্থক বা বহুধাৰ্থক অভিধান (Dictionary of Words with Multiple Meaning)

একোটা ভাষাত এনে কিছুমান শব্দৰ ব্যৱহাৰ দেখা যায়, যিবোৰ শব্দৰ একাধিক অৰ্থ থাকে। একে ধ্বনিযুক্ত আৰু একে বানান যুক্ত এনে শব্দবোৰে প্ৰসঙ্গ অনুসৰি তাৰ অৰ্থ সলায়। যিবোৰ অভিধানত শব্দবোৰৰ পৰিচয়েৰে সেইবোৰৰ ভিন্ন অৰ্থ প্ৰকাশৰ ওপৰত অধিক গুৰুত্ব দি উদাহৰণৰ সৈতে ভিন্নাৰ্থ বিশ্লেষণ কৰা হয় সেইবোৰেই বিবিধাৰ্থক বা বহুধাৰ্থক শব্দৰ অভিধান। লগতে ইয়াত শব্দবোৰৰ উচ্চাৰণৰ দিশটোও বিচাৰ কৰি চোৱা হয়। উদাহৰণস্বৰূপে — ইংৰাজী 'light' শব্দৰ অৰ্থ কেতিয়াবা 'পোহৰ' আৰু কেতিয়াবা 'পাতল' হয়। অসমীয়া 'ন' শব্দটোৱে কেতিয়াবা 'নতুন', কেতিয়াবা 'এটা সংখ্যা', কেতিয়াবা 'জোৰ' বা 'গুৰুত্ব' বুজায় (ন দি কোৱা অৰ্থত)। 'ছাল' শব্দই কেতিয়াবা 'গছৰ বাকলি', কেতিয়াবা 'গাৰ চামৰা' আৰু কেতিয়াবা 'খেৰী বা টিনপাতৰ ঘৰৰ ওপৰৰ আচ্ছাদন' বুজায়। বিবিধাৰ্থক শব্দৰ অভিধানে এনেবোৰ শব্দকে তাৰ পৰিসৰত সামৰি লয়।

### ২.৩.১.১.৩ সমাৰ্থক শব্দৰ অভিধান (Synonym Dictionary )

যিবোৰ অভিধানত কোনো এটা ভাষাত ব্যৱহৃত শব্দৰ অৰ্থ বিশ্লেষণক প্ৰাধান্য নিদি সেই ভাষাটোত থকা সম অৰ্থ বুজোৱা শব্দ বা প্ৰতিশব্দবোৰক উপস্থাপন কৰাতহে অধিক গুৰুত্ব দিয়া হয়, সেই অভিধানবোৰেই সমাৰ্থক অভিধান। এনে অভিধানে একে অৰ্থবাচক শব্দবোৰৰ ভিতৰত অধিক ব্যৱহৃত বা একেবাৰে জনপ্ৰিয় শব্দটোক মূল হিচাপে বাচি লৈ তাৰ সমাৰ্থক শব্দবোৰ উল্লেখ কৰি যায়। লগতে শব্দবোৰৰ ব্যাকৰণগত ব্যৱহাৰ তথা ভিন্ন প্ৰসঙ্গত হোৱা ভিন ভিন প্ৰয়োগৰো উল্লেখ থাকে। আকৌ কিছুমান শব্দ দেখাত সমাৰ্থক যেন লাগে যদিও সেইবোৰ সমাৰ্থক নহ'বও পাৰে। উদাহৰণস্বৰূপে অসমীয়া ভাষাত 'বিতোপন' মানে 'ধুনীয়া', কিন্তু সকলো ক্ষেত্ৰতে 'ধুনীয়া' শব্দৰ সলনি 'বিতোপন' ব্যৱহাৰ কৰিব নোৱাৰি। আমি 'ছোৱালীজনী বিতোপন' বুলিব নোৱাৰোঁ। আকৌ 'ধুনীয়া' শব্দৰ অৰ্থৰ বিস্তৃতি ঘটিছে, আজিকালি মানুহে 'চাহকাপ ধুনীয়া' অথবা 'গীতটো ধুনীয়া' হৈছে বুলি কয়। তাৰমানে 'ধুনীয়া'ৰ সমাৰ্থক কেৱল 'সুন্দৰ' নহয়, ইয়াৰ সমাৰ্থক 'অতি উত্তম'। 'ল'ৰা' শব্দৰ সমাৰ্থক কেৱল 'বালক' বা 'মতা শিশু' নহয়। 'মোৰ ল'ৰাটোৱে যোৱা মাহত অৱসৰ পালে' বাক্যত 'ল'ৰা' ৰ অৰ্থ 'বালক' নহৈ 'পুত্ৰ' হৈছে। এনেদৰে সমাৰ্থক শব্দৰ অভিধানে অৰ্থৰ পৰিধিলৈ চাইহে সমাৰ্থক শব্দ বা যথাৰ্থ প্ৰতিশব্দ নিৰ্ধাৰণ কৰে।

### ২.৩.১.১.৪ বিপৰীতাৰ্থক শব্দৰ অভিধান (Antonym Dictionary )

যিবোৰ অভিধানত বিপৰীত শব্দৰ সহায়ত শব্দ বিশেষৰ বৰ্ণনা দিবলৈ চেষ্টা কৰা হয় তেনে অভিধানেই বিপৰীতাৰ্থক অভিধান। কোনো এটা ভাষাত ব্যৱহৃত কিছুমান

শব্দ বুজাবলৈ সহজ প্ৰতিশব্দ নাথাকে। তেতিয়া তেনে শব্দবোৰৰ অৰ্থ প্ৰকাশ কৰিবলৈ কিছুমান বিপৰীত শব্দৰ সহায় লোৱা হয়। মন কৰিবলগীয়া যে বিশেষণ আৰু ক্ৰিয়া বিশেষণ শব্দবোৰৰহে বিপৰীতাৰ্থক শব্দ থাকে। কিন্তু কেতিয়াবা কিছুমান ক্ৰিয়াপদৰ অৰ্থও বিপৰীত অৰ্থসূচক ক্ৰিয়াপদৰ জৰিয়তে বুজাবলগীয়া হয়। বিপৰীতাৰ্থক অভিধানত এনে বিপৰীত অৰ্থসূচক শব্দৰ জৰিয়তে মূল শব্দটোৰ বৰ্ণনা দিয়া হয়। উদাহৰণস্বৰূপে, এখন বিপৰীতাৰ্থক অভিধানত 'চাপৰ' আৰু 'হোজা' শব্দৰ লগতে 'নোৱাৰ' ক্ৰিয়াৰ বৰ্ণনা এনেদৰে দিয়া হ'ব—

**চাপৰ** ঃ বিণ. 'ওখ'ৰ বিপৰীত, যি ওখ নহয়। উদা. ছোৱালীজনী চাপৰ।

**হোজা** ঃ বিণ. 'টেঙৰ'ৰ বিপৰীত, যিজন টেঙৰ নহয়। উদা. ল'ৰাজন তেনেই হোজা, যিয়ে যি কয় তাতে পতিয়ন যায়।

**নোৱাৰ** ঃ 'পাৰ' ক্ৰিয়াৰ বিপৰীত, কোনো কাম কৰিবলৈ অপাৰগ হ'।

### ২.৩.১.১.৫ বানান অভিধান (Spelling Dictionary )

এই প্ৰকাৰৰ অভিধানত বানানৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়। সম অৰ্থসূচক এটা শব্দ লিখিবলৈ ব্যৱহাৰ কৰা ভিন ভিন বানান, কোনটো বানান কেতিয়াৰ পৰা চলিবলৈ আৰম্ভ কৰিছে, কোনটোৰ ব্যৱহাৰ কেতিয়াৰ পৰা কমি আহিছে, বৰ্তমান সময়ত তাৰ কোনটো ৰূপ বেছিকৈ প্ৰচলিত, ঠাই অনুসৰি বানান ব্যৱহাৰৰ তাৰতম্য আদি সকলো দিশ এনে অভিধানত ফঁহিয়াই চোৱা হয়। উদাহৰণস্বৰূপে— ইংৰাজী 'colour' শব্দৰ বিপৰীতে 'color', অসমীয়াত 'নীৰৱ'ৰ বিপৰীতে 'নিৰব', 'সান্ত্বনা'ৰ বিপৰীতে 'সান্তনা' লিখা হয় বা লিখা হৈছিল সেই কথা বানান অভিধানে স্বীকাৰ কৰে। অতি সংক্ষিপ্ত ৰূপত এই প্ৰকাৰ অভিধানত অৰ্থ আৰু প্ৰয়োগ উল্লেখ কৰা হয়।

### ২.৩.১.১.৬ চিত্ৰ অভিধান (Pictorial Dictionary )

যিবোৰ অভিধানত প্ৰতিটো শব্দৰ অৰ্থ আন এটা শব্দেৰে নিদি নিৰ্দিষ্ট একোটা চিত্ৰৰ সহায়ত দিয়া হয়, সেইবোৰ অভিধানকে চিত্ৰ অভিধান বুলি কোৱা হয়। এনে অভিধানত শব্দৰ অৰ্থ, বুৎপত্তি, প্ৰয়োগ আদিৰ বিৱৰণ নাথাকে। কেৱল নিৰ্দিষ্ট শব্দটোৰ সৈতে একে বিষয়ক নিৰ্দেশ কৰা মূৰ্ত বস্তুৰ ছবি একাদিক্ৰমে উপস্থাপন কৰি চিত্ৰটোৰ তলত শব্দটো লিখি দিয়া হয়। ফলত শব্দসমূহ বৰ্ণানুক্ৰমিক নহয়। উদাহৰণস্বৰূপে— 'ঘৰুৱা সঁজুলি' শিতানত 'তাঁতশালৰ সঁজুলি' বুলি এটা উপবিভাগ থাকে। ইয়াত তাঁতশালৰ বিভিন্ন উপাদান, যেনে ঃ টোলোঠা, ৰাঁচ, ব, নাচনী, পুতল, দহি, গৰকা, মাকো, মহুৰা আদি একো একোটা চিত্ৰৰ সহায়ত বুজোৱা হয়। Oxford-Duden ৰ Pictorial German English Dictionary এই শ্ৰেণীৰ আদৰ্শ অভিধান। অসমীয়া ভাষাত ফণীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱা প্ৰণীত 'অসমীয়া চিত্ৰ শব্দাৱলী'(১৯৯৪) স্বৰূপাৰ্থত এক চিত্ৰ-অভিধান।

### ২.৩.১.২ ভাষাভিত্তিক অভিধান (Dictionary based on Language )

ভাষাৰ ভিত্তিতো অভিধানৰ শ্ৰেণীবিভাজন কৰিব পাৰি। কিছুমান অভিধান কেৱল মাত্ৰ এটা ভাষাক কেন্দ্ৰ কৰি প্ৰস্তুত কৰি উলিওৱা হয়। আকৌ কিছুমান দুটা বা ততোধিক ভাষা ব্যৱহাৰ কৰি প্ৰণয়ন কৰা হয়। গতিকে ভাষাৰ ভিত্তিত অভিধানসমূহ একভাষিক, দ্বিভাষিক বা বহুভাষিক হ'ব পাৰে। এটা ভাষাক সমৃদ্ধ কৰা উপভাষাবোৰক কেন্দ্ৰ কৰিও অভিধান প্ৰস্তুত কৰি উলিওৱা হয়। আকৌ এটা ভাষাত এনে কিছুমান শব্দৰ ব্যৱহাৰ কৰা হয়, যিবোৰক সেই ভাষা ব্যৱহাৰ কৰা সমাজখনে সামাজিকভৱে অমাৰ্জিত বা অশালীন বুলি গণ্য কৰে। তেনে শব্দবোৰক কেন্দ্ৰ কৰিও অভিধান প্ৰস্তুত কৰি উলিওৱা হয়। গতিকে ভাষাৰ ভিত্তিত অভিধানসমূহক তলত দিয়া ধৰণে বিভাজন কৰি আলোচনা কৰিব পাৰি—

#### ২.৩.১.২.১ একভাষিক অভিধান (Monolingual Dictionary )

যিবোৰ অভিধানত কোনো এটা ভাষাত প্ৰচলিত শব্দসমূহৰ বৰ্ণনা কেৱল সেই ভাষাটোৰ জৰিয়তেই দিয়া হয়, তেনে অভিধানবোৰেই একভাষিক অভিধান। এই অভিধান কেৱল মাতৃভাষা-ভাষী লোকৰ উদ্দেশ্যেহে প্ৰণয়ন কৰা হয়। কাৰণ ইয়াত শব্দসমূহৰ পদ-পৰিচয়, উচ্চাৰণ, অৰ্থ, প্ৰয়োগ আদি সমগ্ৰ বিৱৰণ কেৱল সেই নিৰ্দিষ্ট ভাষাটোৰ জৰিয়তেই দিয়া হয়। ইংৰাজী 'Chamber English Dictionary' (1988), 'Oxford English Dictionary' (1989) অসমীয়া ভাষাত প্ৰণীত 'আধুনিক অসমীয়া অভিধান' (১৯৭৭) আদি একভাষিক অভিধান। মন কৰিবলগীয়া যে এনে অভিধানত কঠিন শব্দৰ অৰ্থ অতি সহজ-সৰল শব্দেৰে বা কেতিয়াবা সংজ্ঞাৰ দ্বাৰাও দিয়া হয়। কেতিয়াবা আকৌ সহজ শব্দৰ অৰ্থও ঘূৰাই-পকাই দিয়া দেখা যায়। যেনে— **জুই** ঃ অনল, অগ্নি **অনল** ঃ জুই, অগ্নি **অগ্নি** ঃ জুই, অনল (আধুনিক অসমীয়া অভিধান)। এখন আদৰ্শ একভাষিক অভিধানে শব্দৰ সংক্ষিপ্ত অৰ্থই হওক বা সম্প্ৰসাৰিত অৰ্থই হওক তাক স্পষ্ট ৰূপত তুলি ধৰিবলৈ চেষ্টা কৰে। **ভাত** ঃ গৰম পানীত সিজোৱা চাউল,অন্ন; দাইল, তৰকাৰী আদি উপকৰণসহ গৰম পানীত সিজোৱা চাউল,আহাৰ; যেনে ঃ আমি ভাত খালোঁ। ক'বলৈ গ'লে একভাষিক অভিধানসমূহে সেই ভাষাটোৰ শব্দভাণ্ডাৰ কিমান চহকী তাক সূচিত কৰে।

#### ২.৩.১.২.২ দ্বিভাষিক অভিধান (Bilingual Dictionary)

যি অভিধানত শব্দসমূহৰ বিৱৰণ এটা ভাষাত দি তাৰ অৰ্থসমূহ সেই ভাষাটোৰ উপৰিও অন্য এটা ভাষাতো দিয়া হয় তেনে অভিধানক দ্বিভাষিক অভিধান বুলি কোৱা হয়। অৰ্থাৎ এনে অভিধান প্ৰণয়নৰ বাবে দুটা ভাষাৰ প্ৰয়োজন। এই অভিধানত সংশ্লিষ্ট ভাষাটোত শব্দৰ পৰিচয়, বুৎপত্তি, অৰ্থ, প্ৰয়োগ আদিৰ বিৱৰণ দিয়াৰ পিছত আনটো ভাষাত তাৰ অৰ্থ প্ৰকাশ কৰা হয়। উদাহৰণস্বৰূপে ইংৰাজী-অসমীয়া দ্বিভাষিক অভিধানত

শব্দসমূহৰ বানান, পদ-পৰিচয়, অৰ্থ, প্ৰয়োগ আদি ইংৰাজী ভাষাত দিয়া হয়; কেৱল মাত্ৰ অৰ্থহে ইংৰাজী অৰ্থৰ ঠিক পিছতে অসমীয়া ভাষাত দিয়া হয়। অৰ্থাৎ অসমীয়া ভাষাত শব্দটোৰ সামগ্ৰিক বৰ্ণনা দিয়া নহয়। জ্যোতি ডেকা প্ৰণীত 'জ্যোতি দ্বিভাষিক অভিধান', হীৰেন গোহাঁই সম্পাদিত The New Millennium Pronouncing Anglo-Assamese Dictionary এনে ইংৰাজী অসমীয়া দ্বিভাষিক অভিধানৰ উদাহৰণ। ইয়াৰ বিপৰীতে আকৌ অসমীয়া-ইংৰাজী দ্বিভাষিক অভিধানত শব্দবোৰৰ বানান, উচ্চাৰণ, বুৎপত্তি, অৰ্থ আদি সমগ্ৰ বিৱৰণ অসমীয়া ভাষাত দি কেৱলমাত্ৰ অৰ্থসমূহ ইংৰাজী ভাষাত উল্লেখ কৰা দেখা যায়। 'হেমকোষ' আৰু 'চন্দ্ৰকান্ত অভিধান' অসমীয়া-ইংৰাজী দ্বিভাষিক অভিধানৰে নিদৰ্শন।

### ২.৩.১.২.৩ বহুভাষিক অভিধান (Multilingual Dictionary )

যিবোৰ অভিধানত শব্দসমূহৰ বিৱৰণ দুটাতকৈ অধিক ভাষাত দিয়া হয়, সেইবোৰেই বহুভাষিক অভিধান। এনে অভিধানত সাধাৰণতে শব্দবোৰৰ বহল বৰ্ণনা নিদি সেইবোৰৰ মূল অৰ্থহে কেইবাটাও ভাষাত দিয়া হয়। তেনে নকৰিলে অভিধানৰ কলেবৰ যথেষ্ট বৃদ্ধি হোৱাৰ আশংকা থাকে। উদাহৰণস্বৰূপে উল্লেখ কৰিব পাৰি পুনেৰ 'Bhandarkar Institute of Oriental Studies' ৰ তত্বাৱধানত হিন্দী আৰু চৈধ্যটা ভাৰতীয় ভাষাৰ এখন বহুভাষিক অভিধান প্ৰকাশ কৰি উলিওৱা হৈছিল। মাদ্ৰাজ (বৰ্তমান চেন্নাই) স্থিত 'Institute of Asian Studies' ৰ উদ্যোগত 'A Multilingual Dictionary of Kannada-English-Tamil-Japanese' (1966) প্ৰকাশিত হৈছে। বিভিন্ন প্ৰকাৰ স্থানীয় ভাষা, আঞ্চলিক ভাষা তথা ৰাষ্ট্ৰীয় স্বীকৃতিপ্ৰাপ্ত ভাষাৰে গঢ়ি উঠা ভাৰতবৰ্ষৰ দৰে এখন বহুভাষিক ৰাষ্ট্ৰত এনে বহুভাষিক অভিধানৰ প্ৰয়োজন আৰু গুৰুত্ব অধিক। সেই উদ্দেশ্য আগত ৰাখিয়েই মহীশূৰ স্থিত 'ভাৰতীয় ভাষা সংস্থান' (Central Institute of Indian Language) ৰ পৃষ্ঠপোষকতাত 'বাংলা-হিন্দী-নেপালী ত্ৰিভাষিক অভিধান' আৰু 'তেলেগু-হিন্দী-নেপালী ত্ৰিভাষিক অভিধান' প্ৰণয়ন কৰি উলিওৱা হৈছে।

### ২.৩.১.২.৪ ঔপভাষিক অভিধান (Dialect Dictionary )

এটা ভাষাৰ বিভিন্ন ৰূপ দেখা যায়। ভাষা এটাক প্ৰথমে তাৰ কথিত ৰূপত পোৱা যায় আৰু সেই কথিত ৰূপসমূহৰ পৰা বিভিন্ন দিশ চালি-জাৰি চাই এটা ৰূপ নিৰ্বাচন কৰি মান্য ৰূপৰ মৰ্যাদা দিয়া হয়। তেতিয়া আন আন কথিত ৰূপ সমূহক সেই ভাষাটোৰ উপভাষা বুলি কোৱা হয়। অৰ্থাৎ উপভাষাসমূহ হৈছে কোনো এটা ভাষাৰ কথিত ৰূপ। কথিত ৰূপত ব্যৱহৃত সকলোবোৰ শব্দই মান্য ৰূপটোৰ অন্তৰ্ভুক্ত নহয়। গতিকে এটা উপভাষাত মান্যভাষাৰ অন্তৰ্ভুক্ত নেহোৱাকৈ বহুতো শব্দ বৈ যায়। তেনে শব্দসমূহ সংগ্ৰহ কৰি একত্ৰভাৱে য'ত সংকলন কৰা হয় সেইবোৰেই ঔপভাষিক অভিধান।

এনে অভিধানত বৰ্ণানুক্ৰমিকভাৱে শব্দসমূহৰ পৰিচয়, অৰ্থ আৰু প্ৰয়োগ দেখুওৱাৰ লগতে মান্যৰূপৰ সৈতে ইয়াৰ সম্পৰ্ক বিচাৰ কৰি চোৱা হয়। এনে শব্দবোৰ যিহেতু কথিত ৰূপতহে বৰ্তি থাকে, গতিকে উচ্চাৰণৰ ভিত্তিত বানান নিৰ্ধাৰণ কৰোতে প্ৰণেতা গৰাকী সাৱধান হোৱা আৱশ্যক। অসমীয়া ভাষাত ফণীন্দ্ৰ নাৰায়ন দত্তবৰুৱাৰ সম্পাদনাত যুগুতাই উলিওৱা 'সংক্ষিপ্ত কামৰূপী অভিধান'(২০১৩), কমলা দেৱীৰ 'বজালীৰ শব্দকোষ', (২০০৭) বিভা ভৰালীৰ 'কামৰূপী শব্দকোষ' আদি অভিধান ঔপভাষিক অভিধানৰ অন্তৰ্গত।

### ২.৩.১.২.৫ অমাৰ্জিত শব্দৰ অভিধান (Dictionary of Slangs)

প্ৰতিটো ভাষাতে এনে কিছুমান শব্দৰ ব্যৱহাৰ লক্ষ্য কৰা যায়, যিবোৰৰ প্ৰয়োগ অতি সীমিত হয়। নিৰ্দিষ্ট এক পৰিৱেশত অতি কম সংখ্যক ব্যক্তিৰ মাজত ভাৱৰ আদান-প্ৰদান কৰিবৰ বাবেহে এনে শব্দসমূহ ব্যৱহাৰ কৰা হয়। কাৰণ সেই শব্দবোৰৰ ব্যৱহাৰ সামাজিকভাৱে স্বীকৃত নহয়। এই শব্দবোৰ সাধাৰণতে সমনীয়াৰ সৈতে কথা-বতৰাত, অশিক্ষিত লোকে কথাত জোৰ দিবলৈ বা গালি-গালাজ পাৰিবলৈ, খং উপশম কৰিবলৈ এনে শব্দ ব্যৱহাৰ কৰে। সমাজে স্বীকৃতি নিদিয়া এই শব্দবোৰেই অমাৰ্জিত বা অশালীন শব্দ। এনে শব্দবোৰৰ সৰহভাগেই যৌনাংগ বা যৌন সম্বন্ধ সম্পৰ্কীয়। তদুপৰি দৈনন্দিন জীৱনত ব্যৱহৃত কেতবোৰ শব্দক প্ৰসঙ্গ অনুসৰি অমাৰ্জিত হিচাপে গণ্য কৰা হয়। যেনে - আমি 'পিয়াহত পানী খাওঁ' বুলি কওঁ। কিন্তু গাভৰু ছোৱালীৰ শৰীৰৰ ৰূপ বৰ্ণনা কৰোতে আমি 'পিয়াহ' শব্দ ব্যৱহাৰ নকৰোঁ। আকৌ এটা ভাষাত অমাৰ্জিত হিচাপে ব্যৱহৃত কোনো শব্দক আন এটা ভাষাত মান্য ৰূপত ব্যৱহাৰ কৰাও দেখা যায়। যেনে - হিন্দী গীতত 'চুলি' অৰ্থত আমি 'বাল' শব্দ দিনে-ৰাতিয়ে শুনো। কিন্তু অসমীয়া ভাষাত ইয়াৰ ব্যৱহাৰ অমাৰ্জিত। সামাজিক পৰিৱেশত ইয়াক ব্যৱহাৰ কৰিব নোৱাৰি। তেনেকৈ 'মাইকী', 'তিৰী', 'ঘণ্টা', 'মৰদ', 'পৈ', 'লালাক', 'মাইহুলাক' আদি শব্দক পৰিৱেশভেদে অশালীন বুলি গণ্য কৰা হয়। এনে অমাৰ্জিত শব্দবোৰক সাধাৰণ অভিধানৰ অন্তৰ্ভুক্ত কৰা নহয়। যি অভিধানত এনে অবাচ্য বা অশালীন শব্দসমূহ অন্তৰ্ভুক্ত কৰি তাৰ অৰ্থ বিশ্লেষণ কৰা হয় আৰু বিভিন্ন প্ৰসঙ্গত এইবোৰৰ প্ৰয়োগ দেখুওৱা হয়, সেই অভিধানবোৰকে অমাৰ্জিত শব্দৰ অভিধান বুলি কোৱা হয়। এৰিক পাট্ৰিজ (Eric Patridge) ৰ '**A Dictio**nary of Slang and Unconventional English' আৰু টম ডেজেইল (EricTom Dalzail) ৰ 'Modern American Slang and Unconventional English' আদি এনে অমাৰ্জিত শব্দৰ অভিধান।

### ২.৩.১.৩ সময়ভিত্তিক অভিধান (Dictionary based on Time/Period/Era)

সময় পৰিৱৰ্তনশীল। সময়ৰ পৰিৱৰ্তনৰ লগে লগে মানুহৰ চিন্তা-চৰ্চাও বিকশিত হৈ গৈ থাকে। নতুন চিন্তা-চৰ্চাই ন-ন জ্ঞান আহৰণ কৰিবলৈ মানুহক আগ্ৰহী কৰি তোলে।

এনে চিন্তা-চৰ্চাই মানুহে ব্যৱহাৰ কৰা ভাষাকো প্ৰভাৱিত কৰে। নিৰ্দিষ্ট এটা শব্দৰ সময়ৰ সোঁতত হোৱা বিৱৰ্তন অৰ্থাৎ শব্দটোৰ বিভিন্ন দিশত হোৱা পৰিৱৰ্তনৰ ওপৰত ভিত্তি কৰিও অভিধান একোখন প্ৰস্তুত কৰি উলিওৱা হয়। এনে অভিধান প্ৰস্তুত কৰাৰ সময়ত নিৰ্দিষ্ট এক সময়সীমা নিৰ্ধাৰণ কৰি লোৱা হয় বা সময় অনুক্ৰমে হোৱা পৰিৱৰ্তনৰ সামগ্ৰিক ৰূপৰ বৰ্ণনা কৰা হয়। সেই ফালৰপৰা অভিধানসমূহক দুটা ভাগত ভগাই আলোচনা কৰিব পাৰি—

### ২.৩.১.৩.১ সমকালীন বা তৎকালীন অভিধান (Synchronic Dictionary)

যিবোৰ অভিধানত নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত এটা ভাষাত প্ৰচলিত শব্দসমূহৰ বৰ্ণনা কৰা হয়, সেইবোৰেই তৎকালীন বা সমকালীন অভিধান। এই অভিধান প্ৰণয়নৰ ক্ষেত্ৰত প্ৰথমে এচোৱা সময় নিৰ্ধাৰণ কৰি লোৱা হয় (সেই সময় এক বা একাধিক শতিকা হ'ব পাৰে, এক বা একাধিক দশক হ'ব পাৰে)। সেই নিৰ্দিষ্ট সময়ছোৱাৰ ভিতৰত শব্দসমূহে প্ৰকাশ কৰা অৰ্থ, তাৰ বুৎপত্তি তথা প্ৰয়োগ আদি বিশ্লেষণ কৰি দেখুওৱা হয়। এনে অভিধান সকলো সময়ৰ বাবে ব্যৱহাৰযোগ্য নহয়। কিয়নো সময়ৰ সোঁতত শব্দবোৰে বিভিন্ন অৰ্থ প্ৰকাশ কৰে। কিন্তু যদি সেই নিৰ্দিষ্ট সময়ছোৱাৰ ভিতৰত প্ৰচলিত শব্দসমূহৰ অৰ্থ বা তাৰ ব্যৱহাৰ সম্পৰ্কে জানিবলগীয়া হয়, তেতিয়া এনে অভিধানে প্ৰয়োজনীয় সমল যোগান ধৰে। বিশেষকৈ কবিসকলে কবিতাত ব্যৱহাৰ কৰা ভাষাৰ বিষয়ে জানিবলৈ নিৰ্দিষ্ট সময়ছোৱাৰ সমকালীন অভিধানে যথেষ্ট পৰিমাণে সহায় কৰে। ডেলা চামাৰ্চ (Della Summers) সম্পাদিত 'Longman Dictionary of Contemporary English' এখন তৎকালীন অভিধান। কোনোবাই যদি 'বিংশ শতিকাৰ অসমীয়া অভিধান' নামেৰে এখন অভিধান প্ৰণয়ন কৰি উলিয়ায় তেতিয়া সেইখনক তৎকালীন বা সমকালীন অভিধান বুলি কোৱা হ'ব। অভিধান খনত পুৰণি অসমীয়া সাহিত্যত ব্যৱহৃত শব্দবোৰ আনকি উনবিংশ শতিকাত প্ৰচলিত শব্দবোৰেও স্থান নাপায়। কেৱল বিংশ শতিকাত প্ৰচলিত শব্দবোৰহে বৰ্ণনা ইয়াত দিয়া হ'ব।

### ২.৩.১.৩.২ ক্ৰমবিৱৰ্তনমূলক বা ঐতিহাসিক অভিধান (Diachronic/ Historical Dictionary)

যিবোৰ অভিধানত কোনো এটা ভাষাত ব্যৱহৃত শব্দবোৰৰ সময়ৰ গতিত হোৱা পৰিৱৰ্তনৰ সামগ্ৰিক বিশ্লেষণ দাঙি ধৰা হয় সেইবোৰেই ক্ৰমবিৱৰ্তনমূলক বা ঐতিহাসিক অভিধান। এই অভিধানত শব্দ এটাৰ বুৎপত্তিৰ বিশ্লেষণে প্ৰাধান্য পায়। লগতে শব্দটোৰ সময় অনুসৰি বিভিন্ন স্তৰত হোৱা পৰিৱৰ্তন, ভিন্ন প্ৰসঙ্গত হোৱা প্ৰয়োগৰ তাৰতম্য, উচ্চাৰণ তথা বানানৰ পাৰ্থক্য আদি বৰ্ণনা কৰা হয়। ক'বলৈ গ'লে এনে অভিধানে কোনো এটা ভাষাৰ প্ৰথম লিখিত নিদৰ্শনৰ পৰা আৰম্ভ কৰি বৰ্তমান সময়লৈকে সেই ভাষাটোত

ব্যৱহৃত শব্দবোৰৰ ৰূপগত আৰু অৰ্থগত বিশ্লেষণ দাঙি ধৰে। লগতে ভাষাটোৰ বাক্যবিন্যাসগত, আলংকাৰিক ব্যৱহাৰ তথা শব্দসমূহক কেন্দ্ৰ কৰি উৎপন্ন হোৱা জতুৱা ঠাঁচ, খণ্ডবাক্য আদিৰ প্ৰয়োগ সম্পৰ্কেও বৰ্ণনা কৰে।

মন কৰিবলগীয়া যে পূৰ্বতে উল্লিখিত বুৎপত্তিমূলক অভিধান আৰু ক্ৰমবিৱৰ্তনমূলক অভিধানৰ আলোচ্য বিষয় একে যেন লাগে। আচলতে কিন্তু তেনে নহয়। দুয়ো প্ৰকাৰৰ অভিধানৰ মাজত প্ৰভেদ লক্ষ্য কৰা যায়। বুৎপত্তিমূলক অভিধানত শব্দ এটাৰ মূল উৎসটো উল্লেখ কৰি তাৰ অৰ্থ সম্পৰ্কে বৰ্ণনা কৰা হয় আৰু বিভিন্ন স্তৰত শব্দটো কি কি ৰূপত লিখা হৈছিল তাৰ কেৱল আভাসহে দিয়া হয়। উদাহৰণসহ তাৰ প্ৰয়োগ দেখুওৱা নহয়। উদাহৰণস্বৰূপে 'পদুম' শব্দৰ মূল যে সংস্কৃত 'পদ্ম' আৰু তাৰ মধ্যৱৰ্তী প্ৰাকৃত স্তৰত যে 'পদ্দ' হৈছিল আৰু ইয়াৰ অৰ্থ যে 'বোকাত জন্মা, সূৰ্যোদয়ৰ লগে লগে ফুলা আৰু সূৰ্যাস্তৰ লগে লগে জাপ খোৱা সুগন্ধি ফুল' সেই কথা মাত্ৰ উল্লেখ থাকিব। পূৰ্বৰূপ 'পদ্ম' আৰু 'পদ্দ' ৰ বাক্যত ব্যৱহাৰৰ কোনো উদাহৰণ দিয়া নহয়। তাৰ বিপৰীতে ক্ৰমবিৱৰ্তনমূলক অভিধানত শব্দ এটাৰ প্ৰাচীন ৰূপ আৰু মধ্যৱৰ্তী স্তৰত হোৱা বিৱৰ্তন বিষদভাৱে বিশ্লেষণ কৰা হয়। উদাহৰণৰ সৈতে তাৰ বিভিন্ন স্তৰত হোৱা প্ৰয়োগ সম্পৰ্কেও বৰ্ণনা দিয়া হয়। ক'বলৈ গ'লে ক্ৰমবিৱৰ্তনমূলক অভিধান সাধাৰণ পঢ়ুৱৈৰ বাবে নহয়, ই বিশেষজ্ঞৰ বাবেহে অধিক ফলপ্ৰসূ হয়।

> **জানি থওঁ আহক**
>
> মহীশূৰ স্থিত ভাৰতীয় ভাষা সংস্থান (Central Institute of Indian Languages) এ বিভিন্ন ভাৰতীয় ভাষাত বিভিন্ন প্ৰকাৰৰ অভিধান প্ৰণয়ন কৰি উলিয়াইছে।

### ২.৩.১.৪ অন্যান্য প্ৰকাৰৰ অভিধান (Other types of Dictionary)

ওপৰত শ্ৰেণীবিভাজন কৰি দেখুওৱা অভিধানসমূহৰ উপৰিও এটা ভাষাত অন্যান্য ধৰণৰ কেতবোৰ অভিধান প্ৰণয়ন কৰি উলিওৱা পৰিলক্ষিত হয়। সেইবোৰ এনে ধৰণৰ —

#### ২.৩.১.৪.১ শিশু অভিধান (Children's Dictionary)

শিশুমন অতি কোমল, কল্পনাপ্ৰৱণ। চাৰিওফালৰ পৰিৱেশৰ সৈতে শিশুৱে নিজকে খাপ খুৱাই চলিব খোজে। সেয়ে প্ৰাপ্তবয়স্ক এজনৰ তুলনাত শিশুৰ মনোজগতখন সম্পূৰ্ণ বেলেগ হয়। যাৰ বাবে পৰিপক্ক ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰস্তুত কৰি উলিওৱা অভিধান এখন শিশুৰ বাবে গ্ৰহণযোগ্য নহয়। সেয়ে শিশুসকলৰ উপযোগীকৈ বেলেগে অভিধান প্ৰণয়ন কৰাৰ প্ৰয়োজনীয়তা আহি পৰে। শিশু অভিধান খন সাধাৰণ অভিধানতকৈ বহু ক্ষেত্ৰত বেলেগ হয়। এই ক্ষেত্ৰত প্ৰণয়নকাৰী গৰাকী শব্দ চয়নৰ দিশত অধিক সচেতন

হ'বলগা হয়। সকলো ধৰণৰ শব্দ শিশু অভিধান এখনত সন্নিৱিষ্ট কৰিব নোৱাৰি। শিশুৰ মনোজগতৰ সৈতে সম্পৰ্ক স্থাপন কৰিব পৰা বা শিশুমনে সহজে ঢুকি পোৱা, শিশুৰ পাৰিপাৰ্শ্বিক পৰিৱেশৰ সৈতে সম্পৰ্কিত, শিশু সাহিত্যৰ অন্তৰ্ভুক্ত শব্দবোৰহে এনে অভিধানত সংকলন কৰা উচিত। ইয়াত শব্দৰ পদ-পৰিচয়, তাৰ বুৎপত্তি আদি উল্লেখ কৰাৰ প্ৰয়োজন নাই। শিশু অভিধান এখনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশটো হ'ল শিশুৱে সহজে বুজি পোৱাকৈ প্ৰয়োজন অনুসৰি চিত্ৰ ব্যৱহাৰ কৰি শব্দৰ অৰ্থ প্ৰকাশ কৰা।

### ২.৩.১.৪.২ খণ্ডবাক্যৰ অভিধান (Dictionary of Idioms)

নিৰ্দিষ্ট এটা শব্দৰ সৈতে আন এটা বিশেষ শব্দ লগলাগি যেতিয়া সেই শব্দগুচ্ছই নিৰ্দিষ্ট এক অৰ্থ প্ৰকাশ কৰে তেতিয়া তাক খণ্ডবাক্য বুলি কোৱা হয়। অৰ্থাৎ শব্দগুচ্ছৰ অন্তৰ্গত শব্দবোৰে অকলে বেলেগ এটা অৰ্থ প্ৰকাশ কৰে আৰু একেলগে লগ হৈ অন্য এটা অৰ্থ প্ৰকাশ কৰে। যি অভিধানত এনে শব্দসমূহৰ স্বতন্ত্ৰ অৰ্থৰ বৰ্ণনা নিদি খণ্ডবাক্য হিচাপত তাৰ বৰ্ণনা কৰি যোৱা হয়, তেনে অভিধানক খণ্ডবাক্যৰ অভিধান বুলি কোৱা হয়। উদাহৰণস্বৰূপে 'হাত' শব্দৰ অৰ্থ সাধাৰণ অভিধানত দিয়া থাকিব। কিন্তু খণ্ডবাক্যৰ অভিধানত কেৱল 'হাত' শব্দৰ বৰ্ণনা দিয়া নহয়। 'হাত' ৰ সৈতে আন আন শব্দ কিছুমান লগলাগি সৃষ্টি হোৱা খণ্ডবাক্যসমূহৰহে অৰ্থ লিখি উদাহৰণৰ সৈতে তাৰ ব্যাখ্যা কৰা হয়। 'হাত' ৰূপৰা উৎপন্ন হ'ব পৰা কেইটামান খণ্ডবাক্য হ'ল ঃ 'হাত চা', 'হাত তালি', 'হাত দে', 'হাত দীঘল', 'হাত ধো', 'হাত পাত', 'হাত মেল', 'হাত পুথি' আদি। অসমীয়া ভাষাত গিৰিধৰ শৰ্মাই প্ৰণয়ন কৰা 'অসমীয়া খণ্ডবাক্য আৰু প্ৰবচন' এনে ধৰণৰ অভিধান।

**আত্মমূল্যায়ন প্ৰশ্ন**

প্ৰাপ্তবয়স্কসকলৰ অভিধান আৰু শিশুসকলৰ বাবে প্ৰণয়ন কৰি উলিওৱা অভিধানৰ মাজত কেনে ধৰণৰ পাৰ্থক্য দেখা যায় আলোচনা কৰক।

.............................................................................................................

.............................................................................................................

.............................................................................................................

.............................................................................................................

### ২.৩.১.৪.৩ ধাৰ কৰি অনা শব্দৰ অভিধান (Dictionary of Loanword)

এটা ভাষাত আন আন ভাষাৰ পৰা অসংখ্য শব্দ ধাৰ কৰি আনি ব্যৱহাৰ কৰা দেখা যায়। সেই শব্দসমূহৰ কিছুমান বিদেশী ভাষাৰ পৰা আৰু কিছুমান একে মূলীয়

অন্যান্য ভাষাৰ পৰা ধাৰ কৰি অনা। যিবোৰ অভিধানত কেৱল এনেদৰে অন্য ভাষাৰ পৰা ধাৰ কৰি অনা শব্দবোৰৰহে অৰ্থ বিশ্লেষণ কৰা হয় সেইবোৰেই ধাৰ কৰি অনা শব্দৰ অভিধান হিচাপে পৰিচিত। এনে শব্দবোৰৰ উচ্চাৰণ বা বানান মূল ভাষাটোৰ সৈতে বেলেগ হোৱাৰ লগতে কেতিয়াবা তাৰ অৰ্থৰো সালসলনি ঘটে। শব্দ এটাৰ বুৎপত্তি নিৰ্দেশ কৰাটোত এনে অভিধানৰ গুৰুত্ব প্ৰদান কৰে। অসমীয়া ভাষাত প্ৰচলিত ইংৰাজী, আৰবী, পাৰ্চী, উৰ্দু, পৰ্তুগীজ আদি বিভিন্ন বিদেশী ভাষাৰ পৰা অহা আৰু ভাৰতীয় বিভিন্ন ভাষাৰ পৰা ধাৰ কৰি আনি ব্যৱহাৰ কৰা শব্দসমূহক লৈ যদি এখন সুকীয়া অভিধান সংকলন কৰা হয় তেতিয়া সেইখন ধাৰ কৰি অনা শব্দৰ অভিধান হ'ব। উদাহৰণস্বৰূপে অসমীয়া ভাষাত সম্প্ৰতি ইংৰাজী ভাষাৰ 'টেন্‌চন', 'ফ্লেট', 'বিল্ডিং','বাজেট'; হিন্দী ভাষাৰ 'বাচ্ছা', 'চঙ্গী' আদি শব্দৰ প্ৰয়োগ স্থায়ী হৈ পৰিছে। এনে শব্দবোৰৰ প্ৰয়োগেই এই প্ৰকাৰ অভিধানে সামৰি ল'ব। কিন্তু অসমীয়া ভাষাত ধাৰ কৰি অনা শব্দসমূহক একেলগে সংকলন কৰি এখন অভিধান ৰূপে প্ৰণয়ন কৰা কাৰ্য এতিয়ালৈ সম্ভৱ হৈ উঠা নাই।

### ২.৩.১.৪.৪ অৰ্বাচীন শব্দৰ অভিধান (Dictionary of New Terms)

এনে অভিধানত কোনো এটা ভাষাত সময়ে সময়ে সৃষ্টি হোৱা নতুন শব্দবোৰৰ অন্তৰ্ভুক্ত কৰি তাৰ অৰ্থ আৰু প্ৰয়োগ বিশ্লেষণ কৰা হয়। কেতিয়াবা আকৌ ভাষা এটাত প্ৰচলিত কোনো শব্দৰ প্ৰয়োগ প্ৰায় নোহোৱা হৈ যায়। কেৱল অভিধানৰ মাজতে তেনে শব্দবোৰ সীমাবদ্ধ হৈ ৰয়। কিন্তু এটা সময়ত সেই শব্দবোৰৰ পুনৰ প্ৰচলন হ'বলৈ আৰম্ভ কৰে। তেনে শব্দবোৰৰ বিশ্লেষণো অৰ্বাচীন শব্দৰ অভিধানে সামৰি লয়।

### ২.৩.১.৪.৫ নামবাচক শব্দৰ অভিধান (Dictionary of Names)

কেৱল নাম বুজোৱা শব্দবোৰক অন্তৰ্ভুক্ত কৰি যেতিয়া এখন অভিধান সংকলন কৰা হয় তেতিয়া তাক নামবাচক শব্দৰ অভিধান বুলি কোৱা হয়। সেই নাম বুজোৱা শব্দবোৰে কোনো এজন মানুহৰ নাম, কোনো এখন ঠাইৰ নাম, যিকোনো বস্তু বা যিকোনো প্ৰাণীৰ নামক নিৰ্দেশ কৰিব পাৰে। এনে অভিধানত এই নাম শব্দসমূহৰ বুৎপত্তি দেখুৱাই অৰ্থ বিশ্লেষণ কৰা হয়। উদাহৰণস্বৰূপে নৱজাতকৰ নামকৰণৰ সুবিধাৰ্থে মানেকা গান্ধীয়ে প্ৰণয়ন কৰি উলিওৱা 'ভাৰতীয় নামৰ অভিধান' এখন উৎকৃষ্ট নামবাচক শব্দৰ অভিধান।

### ২.৩.১.৪.৬ বিভক্তি-প্ৰত্যয়ৰ অভিধান (Dictionary of Affix)

বিভক্তি আৰু প্ৰত্যয়বোৰ হৈছে একো একোটা সৰ্গ। এই সৰ্গসমূহে নিজস্বভাৱে কোনো অৰ্থ প্ৰকাশ কৰিব নোৱাৰে। সেইবাবে ইহঁতক বদ্ধৰূপ বুলিও কোৱা হয়। কিন্তু সৰ্গসমূহে মুক্তৰূপ (শব্দ) ৰ সৈতে লগলাগি এটা শব্দৰে বিভিন্ন ৰূপৰ সৃষ্টি কৰিব পাৰে নাইবা একোটা নতুন শব্দ সাধন কৰিব পাৰে। বিভক্তিবোৰ হৈছে শব্দৰ ৰূপ পৰিৱৰ্তনৰ

সৰ্গ (মানুহ + বোৰ = মানুহবোৰ) আৰু প্ৰত্যয়বোৰ হৈছে শব্দ সাধনৰ সৰ্গ (ফুল + অনি = ফুলনি)। বিভক্তি আৰু প্ৰত্যয়বোৰৰ ব্যৱহাৰেই ভাষা শব্দভাণ্ডাৰ চহকী কৰি তোলে। ইংৰাজী ভাষাত বহুবচন বুজাবলৈ (-s) বা (-es) ব্যৱহাৰ হয়। আকৌ অসমীয়া ভাষাত (-বোৰ), (-বিলাক) আদি ৰূপ ব্যৱহাৰ কৰা হয়। এইবোৰ আচলতে ব্যাকৰণৰ আলোচনাৰ বিষয়। সেয়ে এই বিষয়বোৰৰ আলোচনা পূৰ্বতে অভিধানৰ অন্তৰ্ভুক্ত হোৱা নাছিল। যাৰ বাবে 'হেমকোষ' ত (-নী), (-বোৰ) আৰু (-বিলাক) আদি নিৰ্দিষ্ট প্ৰবিষ্টি হিচাপে নাই। বহুবচনাত্মক প্ৰত্যয় হিচাপে (-সকল) ৰ উল্লেখহে 'হেমকোষ'ত আছে।

ভাষা এটাত বিভক্তি আৰু প্ৰত্যয়ৰ যি প্ৰয়োগ সি অতি বিচিত্ৰ। বিভিন্ন সময়ত এইবোৰে বিভিন্ন অৰ্থ প্ৰকাশ কৰে। দ্বিতীয় ভাষী লোক এজনে ভাষাটোৰ এনেবোৰ দিশ অতি সহজে আয়ত্ত কৰিব নোৱাৰে। যাৰ বাবে বিভক্তি আৰু প্ৰত্যয় সমূহৰ অৰ্থ আৰু প্ৰয়োগ সম্পৰ্কীয় সুকীয়া অভিধানৰ প্ৰয়োজন আহি পৰিছে। পাশ্চাত্যত এনে অভিধান প্ৰণয়নৰ কাম হৈ উঠিছে। টাবু ৰাম টাইডে অসমীয়া আৰু জনজাতীয় ভাষাবোৰত এনে একোখন অভিধান প্ৰণয়নৰ পোষকতা কৰিছে। দত্ত বৰুৱাই এনে অভিধান প্ৰণয়নৰ কাৰণ দৰ্শাইছে এইদৰে- অসমীয়া বহুবচনৰ প্ৰত্যয় (-সকল), (-বিলাক) আৰু (-হঁত) ৰ মাজত ব্যৱহাৰগত পাৰ্থক্য আছে; আমি 'শিক্ষক-সকল' লিখিব পাৰোঁ, কিন্তু 'চোৰ-সকল' লিখিব নোৱাৰোঁ। আমি 'মানুহবিলাক' বুলি ক'ব পাৰোঁ, কিন্তু 'মন্ত্ৰীবিলাক' বুলি ক'ব নোৱাৰোঁ। আমি 'মাহঁত চিনেমা চাবলৈ গৈছে' বুলি ক'ব পাৰোঁ, কিন্তু 'শিক্ষকহঁত বিদ্যালয়লৈ গৈছে' বুলি ক'ব নোৱাৰোঁ। সেইফালৰ পৰা চাবলৈ গ'লে অসমীয়া ভাষাতো বিভক্তি-প্ৰত্যয়ৰ সুকীয়া এখন অভিধানৰ প্ৰয়োজন নুই কৰিবনোৱাৰি।

### ২.৩.১.৪.৭ দ্বিতীয় ভাষা শিকাৰুৰ অভিধান বা ন-শিকাৰুৰ অভিধান (Pedagogical Dictionary)

মাতৃভাষাৰ পিছতে মানুহে যিটো ভাষা ক'বলৈ বা লিখিবলৈ শিকে সেইটোৱেই দ্বিতীয় ভাষা। যিকোনো কাৰণত মানুহে দ্বিতীয় ভাষা শিকিবলগীয়া হয়। শিক্ষা, ভ্ৰমণ, সাংস্কৃতিক বিনিময় আদি বিভিন্ন প্ৰসঙ্গত এজন ব্যক্তিয়ে দ্বিতীয় ভাষাক যোগাযোগৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰে। দ্বিতীয় ভাষা শিকনৰ উদ্দেশ্যে যিবোৰ অভিধান সংকলন কৰা হয় সেইবোৰেই দ্বিতীয় ভাষা শিকাৰুৰ অভিধান। এই অভিধান দ্বিভাষিক হয়। কিন্তু সাধাৰণ দ্বিভাষিক অভিধানৰ সৈতে ইয়াৰ পাৰ্থক্য দেখা যায়। এই অভিধানৰ শব্দবোৰ শিকিবলগীয়া ভাষা (Target language) টোৰ পৰা বাচি লৈ অৰ্থসমূহো সেই ভাষাটোতে দিয়া হয়। লগতে ইয়াৰ অৰ্থসমূহ শিকাৰুজনৰ মাতৃভাষা (Source language) ত দিয়া হয়। মন কৰিবলগীয়া যে সাধাৰণ দ্বিভাষিক অভিধান এখনত ভাষা এটাত ব্যৱহৃত সকলোবোৰ শব্দৰে অন্তৰ্ভুক্ত কৰা হয় যদিও ন-শিকাৰুৰ বাবে প্ৰস্তুত কৰা অভিধানত আটাইবোৰ শব্দ সামৰি লোৱা নহয়। অতি প্ৰয়োজনীয় বা অধিক প্ৰচলিত শব্দসমূহ নিৰ্বাচন কৰিহে ইয়াক প্ৰস্তুত কৰি তোলা হয়। এনে অভিধানত শব্দৰ অৰ্থ বিশ্লেষণৰ উপৰিও

উচ্চাৰণ আৰু তাৰ প্ৰয়োগ সম্পৰ্কে বৰ্ণনা কৰা অতি প্ৰয়োজনীয়। ন-শিকাৰুৰ অভিধানত শব্দৰ উচ্চাৰণ সম্পৰ্কে বিস্তৃত বৰ্ণনা দিয়া অতি প্ৰয়োজনীয়। কাৰণ শিকাৰুগৰাকী শব্দটিৰ উচ্চাৰণ কেনেকুৱা হ'ব সেই সম্পৰ্কে জ্ঞাত নহয়। ইয়াত শব্দসমূহৰ অৰ্থৰ বিশ্লেষণ কৰা হয় যদিও শব্দ এটাৰ ব্যঞ্জিত অৰ্থ সততে পৰিহাৰ কৰা হয়। কেৱল সহজ-সৰল, পোনপটীয়া অৰ্থহে উল্লেখ কৰা হয়। অৰ্থৰ লগতে এই শব্দবোৰ সেই ভাষাটোত কেনেদৰে প্ৰয়োগ হয় উপযুক্ত উদাহৰণেৰে তাক প্ৰকাশ কৰা হয়। কোনো এটা ভাষাৰ সৈতে ভাষাটো ব্যৱহাৰ কৰা সমাজখনৰ সাংস্কৃতিক পটভূমি জড়িত হৈ থাকে। সেয়ে ন-শিকাৰুৰ বাবে দ্বিতীয় ভাষাৰ সাংস্কৃতিক পটভূমি সম্পূৰ্ণভাৱে বেলেগ হৈ পৰে। সেই ভাষাটোত ব্যৱহৃত বহুতো শব্দই নিৰ্দেশ কৰা বস্তুৰ ধাৰণা মাতৃভাষাত নাথাকিব পাৰে। সেয়ে এনে অভিধানত শব্দটোৰ সৈতে শব্দটোৱে বুজোৱা বস্তুৰ ধাৰণা প্ৰকাশ কৰিবলৈ পাৰ্যমানে চিত্ৰৰ সংযোগ কৰা হয়। লগতে এনে অভিধানত এটা শব্দৰ বিভিন্ন অৰ্থত হোৱা প্ৰয়োগ দেখুৱাই তাক বিভিন্ন উদাহৰণৰ সৈতে ব্যাখ্যা কৰা হয়। উদাহৰণস্বৰূপে - অসমীয়া 'ন' শব্দই যে ভিন্ন প্ৰসঙ্গত কেইবাটাও অৰ্থ প্ৰকাশ কৰে তাক উদাহৰণৰ সৈতে স্পষ্ট কৰি দেখুওৱা হয়। যেনে - নখন কিতাপ, নখোৱা উৎসৱ, নকৈ নোৱাৰি আদি।

## ২.৩.১.৪.৮ শব্দ-গঠন-বিভাজন অভিধান (Word-Division Dictionary)

এনে অভিধানত এটা শব্দৰ গঠন তথা শব্দটোক বিভিন্ন অংশত ভাগ কৰি দেখুৱাই তাৰ অৰ্থ বিশ্লেষণ কৰা হয়। ছাত্ৰ-ছাত্ৰীৰ মনত শব্দ গঠন জনিত জ্ঞান বৃদ্ধি কৰাত বা শব্দজ্ঞান স্থায়ী কৰি তোলাত এনে অভিধানে গুৰুত্বপূৰ্ণ ভূমিকা লয়। সাধাৰণ ধাৰণা মতে কোনো এটা ভাষাত মুক্তৰূপ সমূহৰ লগত বদ্ধৰূপ লগলাগি একোটা নতুন শব্দ সাধন কৰে। কিন্তু আচলতে তেনেকুৱা নহয়, বদ্ধৰূপ আৰু বদ্ধৰূপ লগলাগিও একোটা অৰ্থযুক্ত ৰূপ বা শব্দ গঠন কৰিব পাৰে। শব্দৰ গঠন সম্পৰ্কীয় এই সকলোবোৰ দিশেই শব্দ-গঠন-বিভাজন অভিধানে তাৰ পৰিসৰৰ ভিতৰত সামৰি লয়। শব্দ এটাৰ বানান মনত ৰখাৰ বাবে বা উচ্চাৰণ স্পষ্ট কৰাৰ বাবে এনে অভিধান সহায়ক হয়। উদাহৰণস্বৰূপে, এখন ইংৰাজী অভিধানত শব্দবোৰ এনেদৰে দিয়া হ'ব— Per-ceive, Con-cieve, Re-cieve, Man-li-ness, Un-grate-ful-ness । ঠিক তেনেদৰে এখন অসমীয়া ভাষাৰ শব্দ-গঠন-বিভাজন অভিধানত কঠিন শব্দবোৰ এনেদৰে সৰু সৰু অংশত ভগাই দেখুৱাব পাৰি— কা-পুৰুষ-আলি, জাতি-য়-তা-বাদী, অতি-মানব-ঈয়-তা আদি। অৰ্থাৎ এনে অভিধানত অন্যান্য তথ্যসমূহ অতি সংক্ষেপে উল্লেখ কৰি শব্দ গঠন সম্পৰ্কীয় বৰ্ণনাত অধিক গুৰুত্ব দিয়া হয়।

## ২.৩.১.৪.৯ সক্ৰিয় আৰু গৌণ শব্দৰ অভিধান (Active and Passive Word Dictionary)

কোনো এটা ভাষাৰ অভিধানত সন্নিৱিষ্ট আটাইবোৰ শব্দই সকলো সময়তে সমানে সক্ৰিয় হৈ নাথাকে। বিভিন্ন কাৰণত কিছুমান শব্দৰ প্ৰচলন কমি আহে। এনেদৰে

কিছুমান শব্দ ভাষাটোৰ পৰা প্ৰায় লুপ্তপ্ৰায় অৱস্থা পায়গৈ। আকৌ অপ্ৰচলিত কিছুমান পুনৰ সক্ৰিয় হৈ উঠে। উদাহৰণস্বৰূপে— অসমীয়া ভাষাৰ অভিধানত 'জল' আৰু 'পানী' দুয়োটা শব্দই আছে যদিও আমি 'পানী' শব্দহে ব্যৱহাৰ কৰোঁ। 'জলপ্ৰপাত', 'জলসিঞ্চন', 'জলাশয়' আদি তৎসম সন্ধিবদ্ধ শব্দ প্ৰচলন হয় যদিও তাক ভাঙি পোৱা 'জল' শব্দ অকলে ব্যৱহাৰ কৰা নহয়। সেইফালৰপৰা 'জল' অসমীয়া ভাষাত সক্ৰিয় শব্দ নহয়। অসমীয়াত কিছুদিন আগলৈকে ঘৰ-দুৱাৰ ভাঙি খেদি দিয়াৰ অৰ্থত 'উচ্ছেদ' শব্দৰ ব্যৱহাৰ কৰা হৈছিল। কিন্তু বৰ্তমান সময়ত এই অৰ্থত 'উৎখাত' শব্দহে প্ৰয়োগ কৰা হয়। গতিকে ইয়াত 'উৎখাত' সক্ৰিয় আৰু 'উচ্ছেদ' গৌণ প্ৰকৃতিৰ শব্দ। কোনো ব্যক্তিয়ে নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে আন এজন ব্যক্তিক ওপৰিঞ্চি ধন দিয়াৰ অৰ্থত আগতে 'ভেটি দিয়া' কথাষাৰৰ প্ৰচলন আছিল যদিও বৰ্তমান সময়ত সেই অৰ্থত 'উৎকোচ' বা 'ঘোচ দিয়া' শব্দৰহে অধিক প্ৰচলন দেখা যায়। ঠিক তেনেকৈ 'পত্নী' অৰ্থত 'পৰিবাৰ' শব্দৰ প্ৰয়োগ কমি আহিছে; 'সৰু ল'ৰা-ছোৱালী' বুজাবলৈ 'বাৎছা' শব্দৰ প্ৰয়োগ; 'শাক-পাচলি' বুজাবলৈ 'চব্জি' শব্দৰ প্ৰয়োগ বাঢ়ি আহিছে।

এনেদৰে শব্দৰ সক্ৰিয়তা আৰু নিষ্ক্ৰিয়তাৰ ওপৰত নিৰ্ভৰ কৰি সেই ভাষাটোত ব্যৱহৃত শব্দসমূহক দুভাগত ভগাই যিবোৰ শব্দ ভাষাটোত সক্ৰিয় ৰূপত পোৱা যায় সেইবোৰক লৈ এখন অভিধান প্ৰণয়ন কৰি তাক সক্ৰিয় শব্দৰ অভিধান আৰু ভাষাটোত অপ্ৰচলিত শব্দবোৰক লৈ প্ৰণয়ন কৰা অভিধানখনক গৌণ শব্দৰ অভিধান বুলি কোৱা হয়।

### ২.৩.১.৪.১০ পাঠভিত্তিক অভিধান (Corpora Dictionary)

বৰ্তমান সময়ত পাঠভিত্তিক অভিধান নামেৰে এক প্ৰকাৰৰ অভিধান সংকলন কৰা দেখা যায়। এই অভিধান কলেৱৰত অধিক ডাঙৰ হয়। এনে অভিধানত সাধাৰণ অভিধানসমূহৰ দৰে কোনো এটা ভাষাত প্ৰচলিত শব্দবোৰৰ অৰ্থ বিশ্লেষণ কৰা নহয়। ভাষা এটাত ছপা হৈ ওলোৱা সকলো ধৰণৰ কিতাপ, খবৰৰ কাগজ, পুৰণি পুথি, চৰকাৰী নথি-পত্ৰ, চিঠি-পত্ৰ,জাননী, বিজ্ঞাপন, ঘোষণাপত্ৰ, দলিল, ৰচিদ আদিৰ পৰা বিশেষ ধৰণে নিৰ্বাচিত শব্দাৱলী সংগ্ৰহ কৰি এনে অভিধানৰ সন্নিৱিষ্ট কৰা হয়। নিৰ্বাচিত এই শব্দবোৰ যাতে ভাষা এটাত সঘনে ব্যৱহৃত হয় তাৰ প্ৰতি প্ৰণেতাগৰাকীয়ে চকু দিব লাগে। লগতে এনে অভিধানত শব্দবোৰৰ বানান, উচ্চাৰণ তথা প্ৰয়োগ সম্পৰ্কেও উদাহৰণসহ ব্যাখ্যা কৰা হয়। শব্দবোৰ কোনখন কিতাপ বা চিঠি-পত্ৰ বা জাননী-বিজ্ঞাপন আদিৰপৰা লোৱা হৈছে তাৰ বিস্তৃত তালিকা প্ৰস্তুত কৰি অভিধানখনৰ পৰিশিষ্টত সংযোগ কৰা হয়। ভাৰতীয় ভাষা সংস্থানে তামিল, তেলেগু, কানাড়া, মালায়ালম, হিন্দী আৰু বাংলা ভাষাত এনে একোখন অভিধান প্ৰণয়নৰ বাবে পাণ্ডুলিপি প্ৰস্তুত কৰি থৈছে যদিও এতিয়ালৈ কোনো এখনো প্ৰকাশ হৈ ওলোৱা নাই।

### ২.৩.১.৪.১১ সামগ্ৰিক অভিধান (Comprehensive Dictionary)

যিবোৰ অভিধানত কোনো এটা ভাষাত প্ৰচলিত শব্দবোৰৰ অৰ্থ বিশ্লেষণৰ লৈতে জড়িত সকলোবোৰ দিশ সামৰি এক সামগ্ৰিক অধ্যয়ন চলোৱা হয়, সেইবোৰেই সামগ্ৰিক অভিধান। যিহেতু কোনো এটা ভাষাত নিৰ্দিষ্ট একোটা দিশক সামৰি বিভিন্ন প্ৰকাৰৰ অভিধান প্ৰণয়ন কৰা হয়, গতিকে আটাইবোৰ দিশক সামৰি পুনৰ এখন অভিধান প্ৰস্তুত কৰি উলিওৱাৰ প্ৰয়োজন নাই। কিন্তু বৰ্তমান সময়ত বিভিন্ন শ্ৰেণীৰ পঢ়ুৱৈ বা অভিধান চাওঁতাৰ চাহিদা পূৰণ কৰিবৰ অৰ্থে পুনৰ এনে সামগ্ৰিক অভিধান প্ৰণয়নৰ প্ৰয়োজনীয়তা আহি পৰিছে। এনে অভিধানত সুদূৰ অতীতৰপৰা বৰ্তমানলৈ, গ্ৰামাঞ্চলৰপৰা চহৰাঞ্চললৈ, থলুৱা লোকৰপৰা জনজাতীয় লোকলৈ, অশিক্ষিত লোকৰপৰা উচ্চ শিক্ষিতলৈ, মাতৃভাষাৰ উপৰিও অন্য বিভিন্ন ভাষাত দক্ষতা থকা লোকলৈকে—সকলো শ্ৰেণীৰ লোকে ব্যৱহাৰ কৰা ভাষাৰ মান্যৰূপ বা কথিত ৰূপৰ অন্তৰ্গত শব্দবোৰক এনে অভিধানত সামৰি লৈ প্ৰয়োজনীয় সকলো তথ্য প্ৰদান কৰিবলৈ চেষ্টা কৰা হয়। গোলোক চন্দ্ৰ গোস্বামীয়ে ভালেসংখ্যক সংগ্ৰাহকৰ সহায়ত অসমীয়া ভাষাত ব্যৱহৃত শব্দসমূহ একত্ৰিত কৰি এখন সামগ্ৰিক অসমীয়া অভিধান প্ৰণয়নৰ পৰিকল্পনা কৰিছিল আৰু সংগৃহীত শব্দাৱলী সজাই-পৰাই অভিধানখন প্ৰস্তুত কৰি উলিয়াবলৈ 'আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা' ক দায়িত্ব দিছিল। কিন্তু সেই অভিধানখন আজিও প্ৰকাশ হৈ নোলাল। ইয়াৰ বিপৰীতে দেৱব্ৰত শৰ্মাৰ তত্বাৱধানত চাৰিটা খণ্ডত প্ৰকাশ হৈ ওলোৱা 'অসমীয়া জাতীয় অভিধান' এখন সামগ্ৰিক অভিধান। দীনেশ চন্দ্ৰ গোস্বামী সম্পাদিত 'শৰাইঘাট অভিধান' এখন সামগ্ৰিক অভিধান। এনে অভিধানৰ কলেবৰ অতি ডাঙৰ হয় আৰু তাৰ দামো বেছি হয়। সেয়ে সাধাৰণ ছাত্ৰ-ছাত্ৰীয়ে এনে অভিধান ক্ৰয় কৰিব নোৱাৰে। এনে অভিধানবোৰ বিশেষভাৱে পুথিভঁৰালসমূহতহে সংৰক্ষণ কৰি ৰখা হয়।

### ২.৩.২ বৈদ্যুতিন বা নৰম সঁজুলি অভিধান ( Electronic or Software Dictionary)

বৰ্তমান সময়ত সকলো ক্ষেত্ৰতে কম্পিউটাৰৰ ব্যৱহাৰে বিশেষ গুৰুত্ব লাভ কৰিবলৈ লৈছে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সহায়ত দৈনন্দিন কাম-কাজ কৰাও সহজ হৈ পৰিছে। শৈক্ষিক ক্ষেত্ৰ খনৰ সৈতে জড়িত সকলোবোৰ কামেই কম্পিইটাৰৰ যোগেদিয়ে কৰা হয়। আনকি লিখিবলৈও মানুহক এতিয়া কাগজ-কলমৰ প্ৰয়োজন নাই। কম্পিউটাৰৰ সহায়তেই লিখা-পঢ়া সকলোবোৰ কাম হৈ উঠে। কম্পিউটাৰে অতি কম সময়ৰ ভিতৰত বৰ্ণানুক্ৰমিকভাৱে শব্দ-তালিকা প্ৰস্তুত কৰি দিব পাৰে। পুঞ্জীভূত তথ্যৰপৰা লাগতিয়াল তথ্য ছেকেণ্ডৰ ভিতৰত বিচাৰি দিব পাৰে আৰু পূৰ্বৰ তথ্যৰ সৈতে নতুনকৈ অতিৰিক্ত তথ্য সংযোগ কৰিবলগীয়া হ'লে অনায়াসে কৰিব পাৰে। কম্পিউটাৰৰ ইমান সুচল ব্যৱস্থাৰ কথা জানি কিছুমান অভিধান প্ৰণেতাই কম্পিউটাৰৰ সহায়ত চাব পৰা অভিধান প্ৰণয়ন কৰিবলৈ আগবাঢ়ে। এনে অভিধানবোৰেই বৈদ্যুতিন বা নৰম সঁজুলি অভিধান। এইবোৰ

অভিধান ছপা ৰূপত পোৱা নাযায়। এই অভিধানসমূহ বিভিন্ন ডিভাইচ্ (Device) যেনে— কম্পিউটাৰ, মোবাইল ফোন আদিত ডিজিটেল ৰূপত সংৰক্ষণ কৰি ৰাখিব পাৰি।

বৈদ্যুতিন অভিধানৰ কেতবোৰ সুবিধা লক্ষ্য কৰা যায়। তলত সেইবোৰ উল্লেখ কৰা হ'ল—

১) বৈদ্যুতিন অভিধানবোৰ সাধাৰণতে যিকোনো ডিভাইচত ছফ্‌টৱেৰ (Software), মোবাইল এপ্‌ছ ( Mobile Apps), ৱেব এপ্লিকেশ্বন (Web Application) আদি যিকোনো মাধ্যমত উপলব্ধ হয়।

২) এই অভিধান প্ৰণয়ন কৰাত ছপা অভিধান প্ৰণয়নৰ দৰে জটিলতা নাই। ছপা অভিধানত মাহৰ পিছত বছৰ ধৰি শব্দবোৰ বৰ্ণানুক্ৰমে সজাই পাণ্ডুলিপি প্ৰস্তুত কৰাৰ দৰে এই প্ৰকাৰ অভিধান প্ৰস্তুত কৰাৰ সময়ত কঠোৰ পৰিশ্ৰম কৰাৰ প্ৰয়োজন নাই। শব্দবোৰ এবাৰ বৰ্ণানুক্ৰমে সংস্থাপন কৰাৰ পিছত কম্পিউটাৰে নিজে নিজেই (Automatically) যথাস্থানত বহুৱাই তাৰ বৰ্ণনা কৰি যায়।

৩) ছপা অভিধানতকৈ বৈদ্যুতিন অভিধানত শব্দ এটাৰ অৰ্থ কম সময়তে বিচাৰি পোৱা যায়। ইণ্টাৰনেটৰ সহায়ত শব্দটো বিচৰা (Search) ৰ লগে লগে সি তাৰ অৰ্থটোও প্ৰদান কৰে।

৪) বৈদ্যুতিন অভিধান এখনত শব্দৰ অৰ্থৰ লগতে তাৰ প্ৰতিশব্দ, বিপৰীত শব্দ, সমাৰ্থক শব্দ, উপযুক্ত উদাহৰণ তথা প্ৰাসঙ্গিক অন্য তথ্যও পোৱা যায়।

৫) কিতাপ আকাৰে ছপা হৈ ওলোৱা অভিধান এখন য'লৈ-ত'লৈ কঢ়িয়াই লৈ ফুৰাটো সকলো সময়তে সম্ভৱ নহয়। কিন্তু বৈদ্যুতিন অভিধানসমূহ যিকোনো ডিভাইচত উপলব্ধ বাবে ইয়াক অনায়াসে লগত লৈ ফুৰিব পাৰি।

৬) ছপা অভিধান এখন সংশোধন কৰিবলৈ বা নতুন তথ্য সংযোজন কৰিবলৈ অধিক সময়ৰ প্ৰয়োজন হয়। কিন্তু বৈদ্যুতিন অভিধান এখনক অতি কম সময়ৰ ভিতৰত সংশোধন কৰাৰ লগতে প্ৰয়োজন অনুসৰি তাত নতুন তথ্য সংযোজন কৰিব পাৰি।

গতিকে বৰ্তমান সময়ত কম্পিউটাৰৰ প্ৰসাৰ আৰু প্ৰচাৰে বৈদ্যুতিন অভিধান ব্যৱহাৰৰ উপযোগী কৰি তুলিছে। উদাহৰণস্বৰূপে — অকসফ'ৰ্ড ইংলিছ ডিকসনেৰী (Oxford English Dictionary) ইংৰাজী ভাষাত উপলব্ধ এখন বৈদ্যুতিন অভিধান। অনিল বৰুৱা আৰু তেওঁৰ সহযোগীসকলে অসমীয়া ভাষাত এনেকুৱা এখন 'অসমীয়া নৰম সঁজুলি' (Assamese Software Dictionary) অভিধান প্ৰস্তুত কৰি বজাৰত সহজলভ্য কৰি দিছে।

## ২.৪ সাৰাংশ (Summing Up)

অভিধান বুলি ক'লে একভাষিক অভিধান আৰু দ্বিভাষিক অভিধানৰ কথাই মনলৈ আহে যদিও বৰ্তমান সময়ত অভিধানৰ পৰিসৰ এই দুই প্ৰকাৰ অভিধানৰ মাজতে

সীমাবদ্ধ হৈ থকা নাই। প্ৰয়োজনৰ তাগিদাত ভিন্ন বিষয়-বৈশিষ্ট্য সম্বলিত কেইবা প্ৰকাৰ অভিধান প্ৰণয়ন কৰা হৈছে। সেই অভিধানসমূহক আকৌ মূলতঃ দুই ভাগত ভগাই আলোচনা কৰিব পাৰি—ছপা অভিধান আৰু বৈদ্যুতিন অভিধান। বৈদ্যুতিন অভিধানসমূহৰ প্ৰচলন যিহেতু একেবাৰে অৰ্বাচীন সেয়ে এনে অভিধানবোৰক নিৰ্দিষ্ট শ্ৰেণীভুক্ত কৰিব পৰা হৈ উঠা নাই। কিন্তু কিতাপ আকাৰত ছপা হৈ ওলোৱা অভিধানসমূহক বিষয় আৰু বৈশিষ্ট্যৰ ওপৰত নিৰ্ভৰ কৰি বিভিন্ন ধৰণে ভাগ কৰা হৈছে। প্ৰণয়নৰ নিৰ্দিষ্ট উদ্দেশ্যৰ ওপৰত ভিত্তি কৰি, তাত অন্তৰ্ভুক্ত ভাষাৰ ওপৰত ভিত্তি কৰি অভিধান সমূহক শ্ৰেণীভুক্ত কৰা হৈছে। অসমীয়া ভাষাতো এনে ভিন্ন প্ৰকাৰৰ অভিধান প্ৰণয়ন হৈছে। বৰ্তমান সময়ত অভিধান প্ৰণয়নৰ ক্ষেত্ৰত বিভিন্ন ভাষা সংস্থানসমূহে গুৰুত্ব প্ৰদান কৰা পৰিলক্ষিত হয়।

### ২.৫ প্ৰসঙ্গ টোকা (Reference Note)

অভিধানৰ প্ৰকাৰ সম্পৰ্কে আলোচনা কৰোঁতে উল্লেখ কৰা উদাহৰণসমূহ অৰ্পণা কোঁৱৰ সম্পাদিত ‘অভিধানতত্ত্ব’ শীৰ্ষক গ্ৰন্থখনত সন্নিবিষ্ট ফণীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱাৰ ‘অভিধানৰ প্ৰকাৰভেদ’ নামৰ লেখাটোৰ পৰা লোৱা হৈছে। (পৃষ্ঠা. ৬৮-৯১)

### ২.৬ আৰ্হি প্ৰশ্ন (Sample Question)

১) বিভিন্ন দিশৰ ভিত্তিত অভিধান সমূহৰ শ্ৰেণীবিভাজন কৰি দেখুৱাওক।

২) উদ্দেশ্যভিত্তিক অভিধান সমূহৰ বিষয়ে এক টোকা যুগুত কৰক।

৩) ভাষাৰ ভিত্তিত অভিধান সমূহক কেনেদৰে ভগাই আলোচনা কৰিব পাৰি লিখক।

৪) সমকালীন (**Synchronic**) আৰু বিৱৰ্তনমূলক (**Diachronic**) অভিধান সম্পৰ্কে উদাহৰণসহ বিশ্লেষণ কৰক।

### ২.৭ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings )


কোঁৱৰ, অৰ্পণা (সম্পা.) : *অভিধানতত্ত্ব*। গুৱাহাটী : অসম বুক ট্ৰাষ্ট, প্ৰথম প্ৰকাশ, ২০১৯।

গোস্বামী, বসন্ত কুমাৰ : *অভিধান-তত্ত্ব*। যোৰহাট : অসম সাহিত্য সভা, প্ৰথম সংস্কৰণ,১৯৯৭।

দত্ত বৰুৱা, ফণীন্দ্ৰ নাৰায়ণ : *প্ৰয়োগ ভাষা-বিজ্ঞানৰ ৰূপৰেখা*। ডিব্ৰুগড় : বনলতা, পৰিবৰ্দ্ধিত সংস্কৰণ, ২০১৭।

পাদুন, নাহেন্দ্র (সম্পা.) ঃ *ভাষাৰ তত্ত্ব-কথা*। গুৱাহাটী ঃ বাণী মন্দিৰ প্ৰকাশন, ২০০৪।

Singh, R,A ঃ *An Introduction to Lexicography.* Central Institute of Indian Language, Manasagangotri, Mysore, 1st edition,1982.

Tiwari, Bhola Nath ঃ *Kosh Vigyan.* Delhi, Shabdkaar, 1987.

*****

# তৃতীয় বিভাগ
## অভিধান প্ৰস্তুতকৰণ প্ৰক্ৰিয়া

**বিভাগৰ গঠনঃ**

৩.১ ভূমিকা (Introduction)

৩.২ উদ্দেশ্য (Objectives)

৩.৩ অভিধান প্ৰস্তুতকৰণ প্ৰক্ৰিয়া

৩.৩.১ প্ৰস্তুতি পৰ্ব

৩.৩.২ সম্পাদনা স্তৰ

৩.৩.৩ ছপাৰ উপযোগীকৈ পাণ্ডুলিপি প্ৰস্তুতকৰণ

৩.৪ সাৰাংশ (Summing Up)

৩.৫ আৰ্হি প্ৰশ্ন (Sample Questions)

৩.৬ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

### ৩.১ ভূমিকা (Introduction)

ভাষাবিজ্ঞানৰ অন্যান্য শাখাবোৰৰ তুলনাত অভিধান সম্পৰ্কীয় অধ্যয়নৰ প্ৰচেষ্টা শেহতীয়া বুলিব পাৰি। বিংশ শতিকাত বিশ্বৰ বিভিন্ন ঠাইত ভাষাবিজ্ঞানৰ আন আন শাখাৰ আলোচনাৰ লগতে অভিধান প্ৰণয়নৰ কলা-কৌশল সম্পৰ্কীয় অধ্যয়নত গুৰুত্ব প্ৰদান কৰে। ফলস্বৰূপে অভিধান সম্পৰ্কীয় অধ্যয়ন 'প্ৰয়োগ ভাষাবিজ্ঞান'ৰ এক গুৰুত্বপূৰ্ণ শাখা ৰূপে প্ৰতিষ্ঠিত হ'ল। এই অভিধান প্ৰণয়নৰ কলা-কৌশলেই 'অভিধানতত্ত্ব' নামেৰে পৰিচিত হ'ল। অভিধান তত্ত্বৰ দুটা দিশ আছে। এটা হৈছে প্ৰায়োগিক অভিধানতত্ত্ব আৰু আনটো হৈছে তাত্ত্বিক অভিধানতত্ত্ব। এই দুয়োটা দিশেই অভিধানতত্ত্বৰ মূল বিষয় ৰূপে চিহ্নিত হৈছে। তাত্ত্বিক অভিধানতত্ত্ব প্ৰধানতঃ অভিধানৰ গৱেষণাৰ সৈতে জড়িত। অভিধান সম্পৰ্কে চলা গৱেষণাক ভিত্তি কৰি এই তাত্ত্বিক দিশৰ বিকাশ হৈছে। ঠিক তেনেদৰে প্ৰায়োগিক অভিধানতত্ত্বৰ সৈতে প্ৰণয়ন সম্পৰ্কীয় বিভিন্ন দিশ জড়িত হৈ থাকে। বিশেষকৈ ই অভিধানৰ সংকলন, সম্পাদনা আৰু লিখন প্ৰক্ৰিয়াক সামৰি লয়। অভিধান প্ৰণয়ন বা প্ৰস্তুতকৰণ একপ্ৰকাৰৰ প্ৰায়োগিক প্ৰক্ৰিয়া। অভিধান প্ৰস্তুত কৰণ প্ৰক্ৰিয়া এক বিজ্ঞান সন্মত কলা-কৰ্ম। এখন অভিধান প্ৰস্তুত কৰাটো যথেষ্ট জটিল কাম সেইবাবে সম্পূৰ্ণ কামটো কৰি উলিয়াবলৈ এক দীঘলীয়া সময়ৰ প্ৰয়োজন হয়। এই বিভাগত অভিধানৰ প্ৰস্তুতকৰণ প্ৰক্ৰিয়া সম্পৰ্কে বিস্তৃত ৰূপত আলোচনা কৰা হ'ব।

## ৩.২ উদ্দেশ্য (Objective)

এই বিভাগটি আলোচনাৰ শেষত আপোনালোকে—

- অভিধান প্ৰস্তুতকৰণৰ সৈতে বিজ্ঞানসন্মত কোনবোৰ দিশ জড়িত হৈ আছে এই সম্পৰ্কে আভাস পাব পাৰিব;
- অভিধান প্ৰস্তুতকৰণত কিদৰে এক পৰিকল্পনাৰ প্ৰয়োজন, পৰিকল্পনাৰ কোনবোৰ দিশে প্ৰস্তুতকৰণ প্ৰক্ৰিয়া সফল কৰাত সহায় কৰে সেই সম্পৰ্কে জানিব পাৰিব;
- অভিধান প্ৰস্তুত কৰণত সম্পাদক বা অভিধান প্ৰণেতাজনৰ দায়িত্ব সম্পৰ্কে আভাস পাব পাৰিব;
- অভিধান এখন প্ৰস্তুতকৰণত শব্দৰ ব্যৱহাৰ, অৰ্থৰ বাখ্যা, ব্যাকৰণিক দিশে কি দৰে সহায় কৰে সেই সম্পৰ্কে জ্ঞাত হ'ব পাৰিব।

## ৩.৩ অভিধান প্ৰস্তুতকৰণ প্ৰক্ৰিয়া

অভিধান এখন প্ৰণয়নৰ প্ৰায়োগিক প্ৰক্ৰিয়াটোৰ তাত্বিক আলোচনাই প্ৰায়োগিক অভিধানতত্ত্ব। মূলতঃ ই হৈছে অভিধান এখন প্ৰস্তুত কৰি উলিয়াবলৈ কেনেধৰণৰ কাৰ্য বা পদ্ধতিৰে আগবাঢ়িব লাগে সেই সম্পৰ্কীয় আলোচনা। অভিধান প্ৰস্তুতকৰণ প্ৰক্ৰিয়াটো যথেষ্ট কঠিন আৰু অভিধানখন সম্পূৰ্ণ হ'বলৈ এক দীঘলীয়া সময়ৰ প্ৰয়োজন হয়। এই সময়ছোৱাত অভিধান প্ৰস্তুতিৰ বাবে পূৰ্বতেই এক ৰূপৰেখা তৈয়াৰ কৰিবলগীয়া হয়। অভিধান প্ৰস্তুতকৰণৰ এই প্ৰক্ৰিয়াটো তিনিটা স্তৰত বিভক্ত কৰা হয়। সেইয়া হৈছে-

ক) প্ৰস্তুতি পৰ্ব

খ) সম্পাদনাৰ স্তৰ

গ) ছপাৰ উপযোগীকৈ পাণ্ডুলিপি প্ৰস্তুকৰণ

এই তিনিওটা স্তৰেই ইটো-সিটোৰ সৈতে সম্পৰ্কযুক্ত। প্ৰস্তুতিপৰ্ব, সম্পাদনা, ছপাৰ উপযোগীকৈ পাণ্ডুলিপি প্ৰস্তুতকৰণ এই তিনিওটা স্তৰ অতিক্ৰম কৰিহে এখন অভিধান প্ৰস্তুত হৈ উঠে। এই সম্পৰ্কে তলত বিস্তৃতৰূপত আলোচনা কৰা হ'ল-

### ৩.৩.১ প্ৰস্তুতি পৰ্ব

অভিধান এখন প্ৰস্তুত কৰিবলৈ এক আঁচনি তৈয়াৰ কৰি লোৱাটোৱেই প্ৰথম কাম। অভিধানখন কেনেকুৱা হ'ব, কাৰ বাবে হ'ব তাৰ এক পৰিকল্পনাৰ প্ৰয়োজন হয়। প্ৰস্তুতিৰ পৰ্বত আঁচনি বা পৰিকল্পনা, সমল সংগ্ৰহ আৰু অন্তৰ্ভুক্তি জড়িত হৈ থাকে। তলত এই সম্পৰ্কে আলোচনা কৰা হ'ল-

**আঁচনি বা পৰিকল্পনা**

কোনো এক ভাষাৰ অভিধান এখন প্ৰস্তুত কৰিবলৈ লওঁতে এক যথোপযুক্ত আঁচনিৰ প্ৰয়োজন হয়। কাৰণ আঁচনি বা পৰিকল্পনা অবিহনে অভিধানখনৰ প্ৰস্তুতি সম্ভৱ নহ'ব। অভিধান এখনৰ উদ্দেশ্য, আকাৰ, প্ৰকাৰ, সময় আদি সকলোবোৰ কথাই প্ৰথমেই পৰিকল্পনা কৰি ল'লে ভাল। অভিধান প্ৰস্তুতকৰণৰ আঁচনিত মনকৰিবলগীয়া কথাটো হৈছে-অভিধানখন কেনেকুৱা হ'ব সেই কথাটো নিৰ্দ্দিষ্ট কৰি ল'ব লাগিব। কাৰণ অভিধানৰ প্ৰকাৰ অনুসৰিহে আঁচনি তৈয়াৰ কৰিব পাৰি। উদাহৰণস্বৰূপে- এখন বিপৰীতাৰ্থ-অভিধান এখন নামবাচক অভিধানতকৈ বেলেগ হ'ব নাইবা এখন মান্যভাষাৰ অভিধান এখন উপভাষাৰ অভিধানতকৈ বেলেগ হ'ব। ঠিক তেনেদৰে আঁচনি প্ৰস্তুত কৰাৰ সময়তে অভিধানখন কাৰ বাবে উপযুক্ত হোৱাকৈ প্ৰস্তুত কৰা হ'ব সেইকথাও আগতীয়াকৈ নিশ্চিত হ'ব লাগিব। তেতিয়াহে সেই অনুসৰি অভিধানৰ কাম আগবঢ়াই নিব পৰা যাব। ইয়াৰ লগতে অভিধান প্ৰস্তুতকৰণৰ সময়সীমা নিৰ্ধাৰণ কৰি লোৱাৰ প্ৰয়োজনীয়তা আছে। ইয়াৰোপৰি আঁচনিপৰ্বত প্ৰস্তাৱিত অভিধানখনৰ ভাষা সম্পৰ্কে স্পষ্টতা থাকিব লাগিব বা কি ভাষাত অভিধানখন প্ৰস্তুত কৰিব সেই সম্পৰ্কে অভিধান প্ৰণেতাই নিৰ্দ্দিষ্ট কৰি ৰাখিব লাগিব। দৰাচলতে ভাষাভেদে সমল সংগ্ৰহৰ পদ্ধতি ভিন্ন। তেনেক্ষেত্ৰত ভাষাৰ ভিন্নতা অভিধানৰ বাবে বিবেচনাযোগ্য বিষয়। কোনো ভাষাৰ অভিধানখনৰ ভাষাটোৰ ঔপভাষিক ৰূপ থাকিলে কোনবোৰ ৰূপ গ্ৰহণ কৰিব সেই সিদ্ধান্ত অভিধান প্ৰণেতাজনে ল'ব লাগিব। আঁচনি প্ৰস্তুত কৰাৰ সময়তে আন কিছুমান গুৰুত্বপূৰ্ণ কথা অভিধান প্ৰণেতাজনে গুৰুত্ব দিব লাগে। বিশেষকৈ অভিধানৰ শব্দৰাজি অন্তৰ্ভুক্ত কৰিবলৈ যাওঁতে সেই ভাষাটোৰ পুৰণি পুথিৰ শব্দ ৰাজিক অন্তৰ্ভুক্ত কৰা হ'ব নে নাই, চৰকাৰী নথি পত্ৰৰ শব্দৰাজি, বিভিন্ন উপভাষাৰ শব্দ, অপভাষাৰ শব্দ, দোৱান আদিৰ শব্দক অন্তৰ্ভুক্তিৰ তালিকাত ৰখা হ'বনে নাই এই সম্পৰ্কে আঁচনি স্তৰতে স্থিৰ কৰি ল'ব লাগে। এই ধৰণৰ কথাবোৰ স্থিৰ কৰাৰ পাছতহে অভিধান প্ৰস্তুতৰ পৰৱৰ্তী কামত হাত দিব পাৰিব। ইয়াৰোপৰি অভিধান প্ৰস্তুতৰ কামটো নিয়াৰিকৈ চলাই নিয়াৰ বাবে এখন লিখিত নিৰ্দেশিকা প্ৰস্তুত কৰিব লাগে। তলত উল্লেখ কৰা বিভিন্ন দিশসমূহক এই নিৰ্দেশিকাত অন্তৰ্ভুক্ত কৰিব লাগে-

ক) সমল সংগ্ৰহ

খ) কাৰ্ড প্ৰস্তুতকৰণ

গ) শব্দৰ তালিকা প্ৰস্তুতকৰণ

ঘ)অন্তৰ্ভুক্তিৰ গাঁথনি

ঙ) অৰ্থৰ সংজ্ঞা আৰু বিবৰণ

চ) শব্দৰ নিৰ্বাচন

ছ) উদাহৰণ বা দৃষ্টান্ত

জ)ব্যাকৰণগত বৈশিষ্ট্য

ঝ) লিপি আৰু উচ্চাৰণ ।

এনেদৰে আঁচনি প্ৰস্তুত কৰাৰ লগে লগে অভিধানপ্ৰণেতাৰ বাবে পথ প্ৰদৰ্শক হিচাপে সহায় কৰাৰ লগতে অভিধানখনৰ পাতনি প্ৰস্তুতকৰণত বিশেষভাৱে সহায়ক হয়।

**সমল সংগ্ৰহ**

প্ৰস্তুতি পৰ্বৰ দ্বিতীয় পৰ্যায়টো হৈছে সমল সংগ্ৰহ। আঁচনি প্ৰস্তুত কৰাৰ পাছতে সমল সংগ্ৰহৰ বাবে কিছুমান দিশ মনকৰিবলগীয়া হয়। অভিধানখনৰ বাবে প্ৰয়োজনীয় সমল কেনেকুৱা,ক'ৰ পৰা সংগ্ৰহ কৰা হ'ব? কিহৰ ভিত্তিত বা কি উদ্দেশ্য আগত ৰাখি নিৰ্দ্দিষ্ট অভিধানখন প্ৰস্তুত কৰা হ'ব সেই কথাত নিৰ্ভৰ কৰিয়েই সমল সংগ্ৰহ কৰিব লাগিব। তেনেক্ষেত্ৰত অভিধানৰ প্ৰকাৰ অনুসৰি সমল সংগ্ৰহৰ উৎস বেলেগ হ'ব। উদাহৰণস্বৰূপে -এখন দ্বিভাষিক অভিধানৰ বাবে প্ৰয়োজনীয় সমলতকৈ এখন ঐতিহাসিক উপন্যাসৰ বাবে সমল সংগ্ৰহ কৰাৰ উৎস ভিন্ন হ'ব পাৰে। গতিকে,সমল সংগ্ৰহৰ ক্ষেত্ৰত অভিধান প্ৰণেতাজনৰ বা সম্পাদকৰ যথেষ্ট দায়িত্ব থাকিব। অভিধানখন প্ৰস্তুত কৰা নিৰ্দ্দিষ্ট ভাষাটোত সম্পাদকৰ ভালদৰে দখল থকাৰ লগতে ভাষাটোৰ বৈশিষ্ট্যৰ লগতে ভাষাটোৰ ব্যৱহাৰ সম্পৰ্কীয় আনুষংগিক কথাবোৰ সম্পাদকে গুৰুত্ব দিব লাগে। সমল সংগ্ৰহৰ ক্ষেত্ৰত যি ভাষাৰ লিখিত সাহিত্য আছে সেই ভাষাৰ সমল লিখিত পাঠৰ পৰা সংগ্ৰহ কৰা হয়। আনহাতে লিখিত ৰূপ নথকা ভাষাৰ কথিত ৰূপৰ সমল সংগ্ৰহ কৰা হয়। অৱশ্যে লিখিত ৰূপ থকা ভাষাতো কথিত ৰূপৰ পৰাও সমল সংগ্ৰহ কৰিব পাৰে। কোনো ভাষাৰ পৰা সমল সংগ্ৰহ কৰোঁতে অভিধান প্ৰণেতাই দুটা প্ৰাথমিক কথাত গুৰুত্ব দিয়ে-এটা হ'ল সমল সংগ্ৰহৰ উৎস আৰু দ্বিতীয়টো হ'ল সমল সংগ্ৰহৰ পদ্ধতি। লিখিত আৰু কথিত দুয়োটা ভাষাৰ ক্ষেত্ৰত এই দুয়োটা কথা সমানেই গুৰুত্বপূৰ্ণ।

**লিখিত ভাষাৰ অভিধানৰ সমল সংগ্ৰহ**

লিখিত ভাষাৰ সমল সংগ্ৰহৰ উৎস অভিধান অনুযায়ী ভিন্ন হ'ব পাৰে। এখন মান্যভাষাৰ অভিধানৰ সমল সংগ্ৰহৰ উৎস এখন ঐতিহাসিক অভিধান ৰ সমলৰ উৎসতকৈ পৃথক। ঐতিহাসিক অভিধানৰ বাবে সমল সংগ্ৰহ কৰা হয় প্ৰাচীন কালৰ পৰা বৰ্তমান সমললৈ প্ৰতিনিধিত্ব কৰা বিভিন্ন পাঠৰ পৰা। আকৌ এখন মান্যভাষাৰ অভিধানৰ বাবে সমল সংগ্ৰহ কৰা হয় মূলতঃ প্ৰতিষ্ঠিত সাহিত্যিক সকলৰ বিভিন্ন সাহিত্য, বিজ্ঞান-প্ৰযুক্তিবিদ্যা সম্পৰ্কীয় বিভিন্ন গ্ৰন্থ, বুৰঞ্জী, দৰ্শন,নীতি শাস্ত্ৰ, সেই ভাষাৰে বিভিন্ন আলোচনী, বাতৰিকাকত ইত্যাদিৰ পৰা। বসন্ত কুমাৰ গোস্বামীয়ে অভিধানৰ বাবে সমল সংগ্ৰহৰ উৎস কিছুমানৰ কথা উল্লেখ কৰিছে। সেয়া হৈছে-

১) অনুশাসন
২) লিখিত প্ৰাচীন ৰূপ,
৩) খ্যাতনামা লেখক যি এটা জাতিক প্ৰতিনিধিত্ব কৰিব পাৰে,

৪) বিবিধ বিষয়ক গ্ৰন্থ

৫) চৰকাৰী, সূচনা পত্ৰ, জাননী আদি

৬) আলোচনী, বাতৰি কাকত

৭) বৈদ্যুতিক প্ৰচাৰ মাধ্যম

৮) কথিত ৰূপ

৯) মৌখিক সাহিত্য

১০) খ্যাতনামা লেখকে ব্যৱহাৰ কৰা নৱ শব্দ

১১) পূৰ্বসূৰীসকলৰ অভিধান

এইধৰণৰ মুখ্য উৎসৰ উপৰিও অভিধান প্ৰণেতাজন যেতিয়া অভিধান প্ৰস্তুত কৰা ভাষাটোৰ সৈতে জড়িত হৈ থাকে তেওঁ নিজেও বহুক্ষেত্ৰত সমল দাতা হ'ব পাৰে। অৱশ্যে কেৱল এজন ব্যক্তিয়ে সকলো দিশ সামৰি সমল সংগ্ৰহ কৰাটো সম্ভৱ হৈ নুঠে। সেইবাবে সমল সংগ্ৰহৰ উপযোগীকৈ এখন সম্পাদনা সমিতি গঠন কৰি ল'ব লাগে। সমিতিত এজন মুখ্য সম্পাদক থকাৰ লগতে প্ৰয়োজন অনুসৰি আন সকলকো শাখা সম্পাদকৰূপে মনোনীত কৰি সমল সংগ্ৰহৰ কামটোত সহজে আগবাঢ়িব পাৰিব। সম্পাদকজনেই অভিধানৰ লগত সংগতি ৰাখি শাখা সম্পাদক সকলক সমল সংগ্ৰহৰ বাবেই কাৰ্ডৰ আৰ্হি প্ৰস্তুত কৰি দিব লাগে। অভিধান অনুযায়ী কাৰ্ডৰ আৰ্হি বেলেগ বেলেগ হ'ব। এখন একভাষিক অভিধানৰ বাবে প্ৰস্তুত কৰা কাৰ্ডৰ আৰ্হি এনেধৰণৰ হ'ব পাৰে-

কাৰ্ডৰ আৰ্হি

অসমীয়া-অসমীয়া অভিধানৰ কাৰ্ডৰ আৰ্হি

অসমীয়া আখৰ জোঁটনি

সংগ্ৰাহকঃ

সমল সংগ্ৰহৰ উৎসঃ

অৰ্থঃ

উদ্ধৃতিঃ

উদাহৰণঃ

ব্যাকৰণগত ৰূপঃ

আন্তঃৰাষ্ট্ৰীয় ধ্বনি লিপিঃ

উচ্চাৰণঃ

উল্লেখযোগ্য যে, সাহিত্যৰ পৰা সমল সংগ্ৰহ কৰিলে কিতাপৰ নাম, পৃষ্ঠা, সংখ্যা, চন-তাৰিখৰ ফটোকপি কৰিব লাগে। কাৰ্ডত সমল সংগ্ৰহ কৰোঁতে মূলতঃ কেইটামান কথাত গুৰুত্ব দিব লাগে-

ক)টোকাৰ আৰ্হিত সমল সংগ্ৰহ কৰিব লাগে। এই টোকাবোৰ চুটিকৈ আৰু স্পষ্ট ৰূপত লিখিব লাগে।

খ) এখন কাৰ্ডত এটা শব্দ অৰ্ন্তভুক্ত কৰি তাৰ অৰ্থৰ স্পষ্টতাৰ লগতে দ্ব্যৰ্থকতাহীন ৰূপটো বিচাৰ কৰিব লাগে।

গ) কাৰ্ড যুগুতাওঁতে বৰ্ণানুক্ৰমিকভাৱে শব্দবোৰ লিখি উলিয়াব লাগে আৰু কাৰ্ডবোৰক ক্ৰমিক নম্বৰ দিয়াৰো প্ৰয়োজনীয়তা আছে।

ঘ) অভিধানৰ আকাৰ, প্ৰকাৰ, উদ্দেশ্য অনুযায়ী শব্দৰ পৰিসৰ নিৰ্ধাৰণ কৰি কাৰ্ডত অন্তভুৰ্ক্ত কৰিব লাগে।

ইয়াৰ উপৰিও সমল সংগ্ৰহৰ বাবে ক্ষেত্ৰ অধ্যয়ন কৰিবলগীয়া হ'লে একেখন কাৰ্ডকে ব্যৱহাৰ কৰিব পাৰি। কিন্তু তাত ওপৰঞ্চি বা অতিৰিক্ত হিচাপে ক্ষেত্ৰ অধ্যয়নৰ অঞ্চলটোৰ নাম অন্তৰ্ভুক্ত কৰি ল'ব লাগে। অভিধানৰ সমল সংগ্ৰহৰ ক্ষেত্ৰত ক্ষেত্ৰ অধ্যয়নে প্ৰত্যক্ষ মাধ্যম হিচাপে কাম কৰে। এই অধ্যয়নত দুজন ব্যক্তিয়ে অংশ লয়। এজন অধ্যয়নকাৰী আৰু আনজন সূচক বা সংবাদজ্ঞাপক। তেওঁৰ সংশ্লিষ্ট ভাষাটোত দখল থাকিব লাগিব। এই সূচকজনজন পুৰুষ-মহিলা, যুবক-যুৱতী, শিশু, ছাত্ৰ-ছাত্ৰী যিকোনো লোকেই হ'ব পাৰে। তথাপি সূচকজনে কোৱা কথা সম্পূৰ্ণ সত্য হ'বই যে তেনে কোনো কথা নাই। কাৰণ সূচকসকল ভাষা-বিশেষজ্ঞ নহয় কিন্তু ভাষাটোৰ অন্তৰ্লীন ব্যাকৰণ জানে। সাধাৰণতে নিৰীক্ষণ আৰু উত্থাপনৰ জৰিয়তে এই ক্ষেত্ৰ অধ্যয়ন সম্ভৱ হৈ উঠে। নিৰীক্ষণৰ জৰিয়তে বক্তাই কোৱা কথা লক্ষ্য কৰা হয় আৰু সদায়েই বিচৰা তথ্য অধ্যয়নকাৰীজনে নাপাবও পাৰে-কাৰণ কথা কওঁতে ধ্বনি আৰু ৰূপে প্ৰাধান্য পায়, গতিকে নিৰীক্ষণে শব্দৰ উচ্চাৰণ সম্পৰ্কীয় তথ্য প্ৰদান কৰাত সহায় কৰে। ঠিক তেনেদৰে উত্থাপনত অধ্যয়নকাৰীয়ে প্ৰশ্ন সোধে, ইয়াৰ জৰিয়তে শব্দৰ উচ্চাৰণ আৰু অৰ্থতত্ত্ব আয়ত্ত কৰে। লিখিত ভাষাৰ অভিধান এখন প্ৰস্তুত কৰোঁতে ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে এইকেইটা দিশত বিশেষভাৱে সহায় হয়-

- শব্দৰ ব্যৱহাৰ আৰু পৰিসৰ অধ্যয়নৰ ক্ষেত্ৰত ক্ষেত্ৰ অধ্যয়নে বিশেষভাৱে সহায় কৰে।
- লিখিত ভাষাত থকা শব্দ-সম্ভাৰৰ উপৰিও সাহিত্য বা সাধাৰণতে লিখিত প্ৰয়োগত বাদ পৰা অথচ লোকজীৱনত ইয়াৰ প্ৰভাৱ যথেষ্ট। এনেধৰণৰ শব্দসমূহৰ সংগ্ৰহৰ বাবে ক্ষেত্ৰ অধ্যয়নৰ সহায়ৰ প্ৰয়োজন।
- এনে কিছুমান সমাজ-অঞ্চল বিশেষে শব্দৰ ব্যৱহাৰ থাকে যিবোৰ জনমানসত ভিন্ন অৰ্থত প্ৰয়োগ হয়। তেনে শব্দসমূহ সংগ্ৰহৰ ক্ষেত্ৰত ক্ষেত্ৰ অধ্যয়নৰ প্ৰয়োজন।

**অলিখিত ভাষাৰ সমল সংগ্ৰহ**

লিখিত ভাষাৰ সমলৰ দৰে অলিখিত ভাষাৰ সমল সংগ্ৰহ সহজ বুলিব নোৱাৰি। অলিখিত সমলৰ বাবে মূলত: ক্ষেত্ৰ অধ্যয়নৰ সহায় ল'ব লাগে। সূচকৰ জৰিয়তে অধ্যয়নকাৰীয়ে সমল সংগ্ৰহ কৰে।বয়স, লিংগ, সাংস্কৃতিক মান, নিৰ্ভৰযোগ্যতা, সততা,

উৎসাহী মনোভাব আদিৰ দৰে কথাবোৰ লক্ষ্য কৰি সূচক নিৰ্বাচন কৰা হয়। সমাজৰ বিভিন্ন সামাজিক অৱস্থাৰ লোক যেনে- পুৰুষ-মহিলা, বয়সস্থ লোক, যুৱক-যুৱতী, শিশুৰ উপৰিও সমাজৰ আৰ্থিকভাৱে সবল আৰু দুৰ্বল সকলো শ্ৰেণীৰ লোকে সূচক ৰূপে ভূমিকা ল'ব পাৰে। কাৰণ কিছুমান শব্দ কেৱল মহিলাই ব্যৱহাৰ কৰে আৰু কিছুমান শব্দ কেৱল পুৰুষে ব্যৱহাৰ কৰে। গতিকে পুৰুষ মহিলা উভয়ৰে শব্দসম্ভাৰ সংগ্ৰহ কৰিব পাৰি। আকৌ যুৱক-যুৱতীয়ে নতুনকৈ সংক্ৰমণ হোৱা শব্দৰাজিক সংগ্ৰহ কৰিব পাৰি, ঠিক তেনেদৰে বয়সস্থ লোকৰ পৰা পুৰণি শব্দ আৰু বৰ্তমানে প্ৰচলন নোহোৱা শব্দসম্ভাৰ সংগ্ৰহ কৰিব পাৰি। আন এক গুৰুত্বপূৰ্ণ কথা হৈছে অলিখিত ভাষাৰ সমল সংগ্ৰহ কৰোঁতে অভিধান প্ৰণেতাজন সেই ভাষা-সংস্কৃতিৰ বিষয়ে জনাটো খুবেই প্ৰয়োজন। সূচকে সকলো প্ৰশ্নৰে উত্তৰ দিব পাৰিব তেনে নহয়, তাৰ বাবেও অভিধান প্ৰণেতাজনে কিছু পৰিকল্পনা ৰাখিব লাগে। সূচকজনে যদি কোনো শব্দ সম্পৰ্কে নাজানে তেতিয়া সেই ক্ষেত্ৰৰ সৈতে জড়িত আন বিষয়বোৰকো তেওঁৰ আগত তুলি ধৰিব লাগে লগতে সূচকক বিভিন্ন প্ৰশ্ন কৰি সমশব্দ তৈয়াৰ কৰাৰ চেষ্টা কৰিব লাগে।

অলিখিত ভাষাৰ সমল সংগ্ৰহ কৰিবলৈ কিছুমান তালিকা প্ৰস্তুত কৰি ল'ব লাগে। এই তালিকাবোৰ কিছুমান গোটত ভাগ কৰি ল'ব লাগে। প্ৰস্তুত কৰা বিভিন্ন গোট সমূহক এনেদৰে বিভক্ত কৰিব পাৰি-(অভিধানতত্ত্ব,অৰ্পণা কোঁৱৰ,পৃ.১৭)

- প্ৰকৃতি বিষয়ক
- মানুহ
- পোছাক-পৰিচ্ছদ
- খাদ্য
- ঘৰ-দুৱাৰ
- ৰন্ধা-বঢ়া, বাচন-বৰ্তন
- উদ্ভিদ আৰু প্ৰানী
- ব্যৱসায়, খেতি-পথাৰ আৰু ইয়াত ব্যৱহৃত সঁজুলি
- বাট-পথ, পৰিবহণ
- আৱেগ-অনুভূতি, হাঁহি কান্দোন, ঠাট্টা-বিদ্ৰূপ
- চৰকাৰ, আইন,যুদ্ধ-বিগ্ৰহ
- ধৰ্ম
- শিক্ষা
- খেল-ধেমালি,নৃত্য-বাদ্য, নাটক,সংস্কৃতি আদি
- ধাতু
- সংখ্যা আৰু গণনা পদ্ধতি
- জোখ-মাখ, ঘনত্ব, সময়ৰ জোখ
- উৎসৱ-অনুষ্ঠান, বিশ্বাস
- ক্ৰিয়া

এনেদৰে বিভিন্ন বিষয়ৰ গোটত বিভিন্ন শব্দ সংগ্ৰহ কৰি অলিখিত ভাষাৰ শব্দ সংগ্ৰহ কৰি ব্যাকৰণিক তথ্যসমূহ আহৰণ কৰিবলৈ প্ৰয়াস কৰিব লাগে। শুদ্ধকৈ প্ৰস্তুতিৰ কামটো কৰাৰ মূলতে অভিধান প্ৰণেতাজনৰ যথেষ্ট কৰণীয় থাকে।

### ৩.৩.২ সম্পাদনাৰ স্তৰ

সমল সংগ্ৰহৰ পাছতে সম্পাদনাৰ মূল কাম আৰম্ভ হয়। আঁচনিৰ স্তৰতে এখন সম্পাদনা সমিতি গঠন কৰা হয়। প্ৰস্তুতিৰ পৰ্যায়তে অন্তৰ্ভুক্তি অৰ্থাৎ মূল শব্দৰ বাচনি বা নিৰ্বাচন কৰা হয়। দ্বিতীয় পৰ্যায় অৰ্থাৎ সম্পাদনাত এই অন্তৰ্ভুক্তি সমূহ স্থাপন কৰা হয়। অৰ্ন্তভুক্তিক প্ৰবিষ্টি বুলিও জনা যায়।

### ৩.৩.২.১ প্ৰবিষ্টি

অভিধান এখনত সন্নিৱিষ্ট হোৱা শব্দসমূহৰ বানান,বুৎপত্তি, উচ্চাৰণ, অৰ্থ আদিৰ সবিশেষ বৰ্ণনাসহ উপস্থাপন কৰিলে তাক প্ৰৱিষ্টি বোলে। অন্তৰ্ভুক্তি বা প্ৰৱিষ্টি হ'ল এক বা একাধিক ধ্বনিসমষ্টি আৰু সিবিলাকৰ অভিধানিক বৰ্ণনা(অভিধানতত্ত্ব,অৰ্পনা কোঁৱৰ পৃ,১৮)। প্ৰবিষ্টি হ'বলৈ হ'লে এটা ধ্বনিগোট স্বয়ংসম্পৰ্ণ হ'ব লাগে। প্ৰবিষ্টি হিচাপে অভিধানত শব্দসাৰ বা ধ্বনিগোটকহে সন্নিৱিষ্ঠ কৰা হয়। বিভক্তি , প্ৰত্যয় আদি বদ্ধৰূপসমূহক প্ৰবিষ্টি হিচাপে ধৰি লোৱা নহয়। কাৰণ এই প্ৰত্যয় -বিভক্তিবোৰ স্বয়ংসম্পূৰ্ণ শব্দ নহয়। এই বোৰ শব্দৰ লগত যোগ হ'লেহে নতুন শব্দৰ সাধন কৰিব পাৰে। কিন্তু ধাতুমুলবোৰ প্ৰবিষ্টি হিচাপে গণ্য কৰা হয়, কাৰণ ইহঁতৰ নিজা এক অৰ্থ আছে। সাধাৰণতে অভিধান এখন প্ৰস্তুত কৰি উলিয়াবলৈ প্ৰবিষ্টিৰ তলত দিয়া দিশসমূহৰ সম্ভেদ থাকিব লাগে—

১) শিতানশব্দ (Head word)
২) বানান বা আখৰ জোঁটনি (Spelling)
৩) উচ্চাৰণ ( Pronounciation)
৪) ব্যুৎপত্তি (Etymology)
৫) ব্যাকৰণ সম্ভেদ (Grammatical Information)
৫) অৰ্থ (Meaning)
৬) উদাহৰণ (ব্যাখ্যাত্মক চিত্ৰ))(Illastrative and picture example)
৭) শব্দৰ সাধন(Derivatives)
৮)খণ্ডবাক্য আৰু জতুৱা ঠাঁচ (Pharses and Idioms)
৯) একাৰ্থক আৰু বিপৰীতাৰ্থক শব্দ

উল্লেখযোগ্য যে সকলো প্ৰবিষ্টিতে উল্লিখিত দিশসমূহৰ সম্ভেদ থাকিবই লাগিব বুলি ধৰা বন্ধা নীতি নাই। কিছুমান অভিধানত উচ্চাৰণৰ নিৰ্দেশ, বুৎপত্তি, সমাৰ্থক,

বিপৰীতাৰ্থক শব্দবোৰ প্ৰৱিষ্টিত অন্তভুৰ্ক্ত নহয়। অভিধান এখনৰ লক্ষ্য উদ্দেশ্য, আকাৰ, শ্ৰেণী অনুসৰিহে অভিধানৰ প্ৰৱিষ্টিয়ে কোনবোৰ সম্ভেদ সামৰি ল'ব সেই কথাটো নিৰ্ভৰ কৰে। ওপৰত উল্লেখিত দিশসমূহৰ সম্ভেদ সম্পৰ্কে আলোচনা কৰা হ'ল-

**১) শিতান শব্দ**

প্ৰবিষ্টিৰ প্ৰধান উপাদানটোৱেই হৈছে শিতান শব্দ বা মূল শব্দ। এই মূল শব্দ অবিহনে অভিধান প্ৰস্তুত সম্ভৱ নহয়। অভিধানখনৰ প্ৰণয়নৰ লক্ষ্য,উদ্দেশ্য অনুসৰি শব্দ নিৰ্বাচন প্ৰক্ৰিয়াও সুকীয়া হয়। কাৰণ এখন সাধাৰণ অভিধানতকৈ এখন সমাৰ্থক অভিধানৰ মূল শব্দ নিৰ্বাচনৰ ভিত্তি সুকীয়া হ'ব। প্ৰস্তুতিৰ স্তৰতে মূল শব্দৰ নিৰ্বাচন কৰা কামটো অভিধান প্ৰণেতাৰ প্ৰধান কাম। এই মূল শব্দ নিৰ্বাচনৰ বাবে শব্দৰ ৰূপ আৰু অৰ্থই প্ৰধান সামগ্ৰী। শিতান শব্দবোৰ নিৰ্বাচনৰ বাবে কেতবোৰ দিশত গুৰুত্ব দিব লাগে-

ক) শব্দটো স্বয়ং সম্পূৰ্ণ হ'ব লাগে, শব্দটোৰ নিজা অৰ্থ প্ৰকাশ কৰাৰ ক্ষমতা থাকিব লাগে। নহ'লে শিতান শব্দ হিচাপে নিৰ্বাচন কৰিব নোৱাৰি। এই শিতান শব্দবোৰ মুক্ত আৰু প্ৰত্যয়ৰ সংযোগত সাধিত দুয়োটা ৰূপতে থাকিব পাৰে। অৱশ্যে সকলো সাধিত শব্দকে শিতান শব্দ হিচাপে লোৱাৰ প্ৰয়োজন নাই। যেনে-খা-ধাতুৰ পৰা সাধিত ক্ৰিয়া ৰূপ খাব, খালোঁ ,খালে আদি নিয়মিত ৰূপ। গতিকে ইয়াক শিতান শব্দ ৰূপে দেখুৱাৰ প্ৰয়োজন নাই।

খ)একেটা শব্দৰে অৰ্থৰ বিস্তাৰ ঘটি ভিন্ন অৰ্থৰ সৃষ্টি হ'ব পাৰে।তেতিয়া সঘনে ব্যৱহাৰ হোৱা অৰ্থটো বাচি উলিয়াব লাগে। অন্তভুৰ্ক্তিত সঘনে ব্যৱহৃত অৰ্থটো আগত দি বাকীবোৰ ক্ৰম অনুযায়ী দিব লাগে আৰু শিতান শব্দৰ ক্ৰম নিৰ্দেশনা দিব লাগে। ইয়াতো গুৰুত্বপূৰ্ণ কথাটো হ'ল শব্দ বিশেষ্য, বিশেষণ নে ক্ৰিয়াশব্দটো আগত অন্তৰ্ভুক্ত কৰিব সেই সম্পৰ্কেও নিৰ্দ্দিষ্ট কৰিব লাগে।

যেনে- শীতল[১] বিণ . চেঁচা, cool,chilly; নিমজ,মিহি, smooth.

শীতল[২] বি.(সং) চন্দ্ৰ, কৰ্পূৰ, তাৰ্পিন তেল, মুক্তা, বগা চন্দন, the Moon, camphor, turpenine, pearl, white *sandal* wood.

(হেমকোষ)

গ) শিতান শব্দ বা মূল শব্দ নিৰ্বাচন শব্দ পৰিয়াল ভিত্তিক হ'ব লাগে। কোনো এটা শব্দৰ পৰা সাধিত হোৱা শব্দবোৰক একেলগে পৰিয়াল বুলি গণ্য কৰি যিটো শব্দই প্ৰাধান্য পায় সেই শব্দক শিতান শব্দ ৰূপে অন্তৰ্ভুক্ত কৰিব লাগে। যেনে- অসমীয়া ভাষাৰ 'গা' বিশেষ্য শব্দৰ পৰা ক্ৰমে গা আহ্, গা-আলগা দি, গা-উঠ্ গা-উঠা, গা কৰ্, গা খহা, গা জুৰা, গা দাং আদি শব্দসমূহৰ সৃষ্টি হৈছে।এইবোৰক এটা শব্দ পৰিয়াল ৰূপে প্ৰাধান্য দিলে ইয়াৰ শিতান শব্দ হৈছে 'গা'। গা' শব্দৰ অৰ্থ হৈছে-দেহ, শৰীৰ; গাৰি; ডিঙিৰ তলৰ ছোৱা। গতিকে 'গা' শব্দটোক শিতান শব্দ ৰূপে নিৰ্বাচন কৰি বাকীবোৰ শব্দ একেটা প্ৰবিষ্টিতে অন্তৰ্ভুক্ত কৰিব লাগে। কেতিয়াবা ভাষাৰ পৰম্পৰাক গুৰুত্ব প্ৰদান কৰি মূল

ৰূপ নিৰ্বাচন কৰিব লাগে। যদি প্ৰথম অন্তৰ্ভুক্তি বিশেষ্য হয়, তেনেহ'লে এই নীতি অভিধানৰ সকলো অন্তৰ্ভুক্তিতে মানি চলিব লাগে। উল্লেখযোগ্য যে অন্তৰ্ভুক্তিৰ উপযুক্ত নিৰ্বাচক হ'ল ভাষাটোৰ শব্দ পৰিয়ালৰ মূল ৰূপবোৰ যিবোৰে ভাষাটোৰ ব্যাকৰণগত পৰম্পৰাক নিৰ্দেশ কৰে। অসমীয়া ভাষাত ক্ৰিয়া, ধাতু আদি অন্তৰ্ভুক্তি ৰূপে সন্নিৱিষ্ট কৰা হয়। কিন্তু কোনো ভাষাত ব্যাকৰণগত বা আভিধানিক পৰম্পৰা নাথাকিলে অভিধান প্ৰণেতাজনে মূল ৰূপ নিৰ্দিষ্ট কৰি ল'ব লাগে। মূল ৰূপ নিৰ্বাচন কৰাৰ পাছত সেইবোৰক প্ৰধান শব্দ ৰূপে নিৰ্বাচন কৰা হয়।

ঘ) শব্দৰ আচৰণ আৰু প্ৰয়োগ পৰিসৰৰ আধাৰত নানাৰ্থ শব্দ, একাৰ্থবোধক শব্দ, সমনাম শব্দ, সমোচ্চাৰিত শব্দ, অন্য পদ সংযোগ আদি বিচাৰ কৰি শিতান শব্দ নিৰ্বাচন কৰিব লাগে। যেনে-'কলি' শব্দৰ অৰ্থ ফুলৰ কলি, অপৈণত ফল, গীতৰ প্ৰথম অংশ, কলিযুগ আদি। ফুলৰ কলি, অপৈণত ফল, গীতৰ প্ৰথম অংশ আটাইকেইটাই নানাৰ্থ শব্দ গতিকে এনে ক্ষেত্ৰত শিতান শব্দত ক্ৰমাংক দি অন্তৰ্ভুক্ত কৰিব লাগে। আনহাতে 'হোকা' হৈছে সমনাম শব্দ, গতিকে ইয়াৰ শিতান বেলেগ হ'ব।

## ২) বানান বা আখৰ জোঁটনি

অভিধানৰ প্ৰবিষ্টিৰ গুৰুত্বপূৰ্ণ দ্বিতীয়টো উপাদান হৈছে বানান বা আখৰ জোঁটনি। প্ৰধান শব্দৰ পিছতেই বানানৰ গুৰুত্ব আহি পৰে। কোনো এটা ভাষাৰ ঐতিহ্য আৰু ব্যৱহাৰৰ পৰম্পৰা অনুসৰি যিটো বানান সকলোৱে গ্ৰহণযোগ্য হয় সেই বানানটোৱেই সংশ্লিষ্ট ভাষাৰ অভিধানত প্ৰয়োগ কৰিব লাগে। বানান বা আখৰ জোঁটনিৰ শুদ্ধতাৰ বাবে অভিধান প্ৰণেতাই নিৰ্দিষ্ট নীতি-নিয়ম নিৰ্ধাৰণ কৰিব লাগে। এই নিয়ম কোনো সন্মানীয় সমিতিয়ে প্ৰস্তুত কৰি লোৱা হ'ব লাগে। প্ৰায়ে দেখা যায় একেটা ভাষাৰ বিভিন্ন অভিধানত ভিন ভিন আখৰ জোঁটনিৰ ব্যৱহাৰ হয়, কিন্তু এনেবোৰ কথা অভিধান প্ৰণেতাজনে লক্ষ্য কৰিব লাগে। আকৌ আখৰ জোঁটনিৰ ৰূপ সকলো স্থানতে একে ৰাখিব লাগে। অৱশ্যে কিছুমান শব্দৰ জোঁটনিৰ একাধিক ৰূপ থাকে। তেনে ক্ষেত্ৰত কোনটো ৰূপ গ্ৰহণযোগ্য ৰূপে বিবেচিত কৰা হৈছে পাতনিতে উল্লেখ কৰিব লাগে। বিশেষকৈ অভিধান প্ৰস্তুত কৰিব খোজা ভাষাটোত একেটা শব্দকে বেলেগ বেলেগ ধৰণেৰে লিখাৰ পৰম্পৰা থাকিলে সৰ্বাধিক প্ৰচলিত ৰূপটো শিতান শব্দ বা মূল শব্দ ৰূপে প্ৰয়োগ কৰি কাষতে বিকল্প ৰূপটো প্ৰয়োগ কৰিব লাগে। অসমীয়া আখৰ জোঁটনিৰ ক্ষেত্ৰত ৰেফযুক্ত দ্বিত ব্যঞ্জন বৰ্ণসমূহক গ্ৰহণ কৰিব নে বৰ্জন কৰিব,'ঙ' সংযুক্ত ব্যঞ্জনসমূহত অনুস্বাৰ(ং) ক বিকল্পৰূপে ব্যৱহাৰ কৰিব নে ,'ৎ' ৰ ঠাইত 'ত' ব্যৱহাৰ কৰিব নে নকৰে এনেধৰণৰ কথাবোৰ আৰম্ভণিতে ঠিৰাং কৰি ল'ব লাগে। ইয়াৰ উপৰি শব্দ এটা ধাৰ কৰা শব্দ হ'লে বা আন ভাষাৰ পৰা গ্ৰহণ কৰিলে সেই শব্দসমূহৰ হ্ৰস্ব-দীৰ্ঘ, দন্ত্য-মূৰ্ধণ্য বৰ্ণ, চ-ছ আদি কোনটো ব্যৱহাৰ কৰা হ'ব এইধৰণৰ কথাবোৰ আউল নালাগিবলৈ পাতনিতে সবিশেষ উল্লেখ কৰিব লাগে।

### ৩) উচ্চাৰণ

উচ্চাৰণ নিৰ্দেশ কৰাটো প্ৰবিষ্টিৰ অন্যতম গুৰুত্বপূৰ্ণ সম্ভেদ। কিছুমান ভাষাত লিখন পদ্ধতি আৰু উচ্চাৰণৰ মাজত বিৰোধ স্থাপন হয় তেনেক্ষেত্ৰত সেই ভাষাৰ অভিধানৰ উচ্চাৰণৰ নিৰ্দেশ দিব লাগে। উচ্চাৰণৰ নিৰ্দেশ প্ৰত্যেক অভিধানতে থাকিব লাগিব বুলি নিৰ্দিষ্ট নীতি নাই। অভিধানখন কোন প্ৰকাৰৰ অভিধান তাৰ ওপৰত ভিত্তি কৰিহে উচ্চাৰণৰ নিৰ্দেশ দিয়া দেখা যায়। অসমীয়া একভাষিক অভিধান এখনত উচ্চাৰণৰ নিৰ্দেশ দিয়াতকৈয়ো এখন দ্বি-ভাষিক অভিধানৰ বাবে উচ্চাৰণৰ নিৰ্দেশ বেছি প্ৰয়োজনীয়। অসমীয়া ভাষাত সাধাৰণ শব্দবোৰ ব্যঞ্জনান্ত কৰি উচ্চাৰণ কৰা হয়। কিন্তু এনে কিছুমান শব্দও আছে যাৰ শেষত 'অ' উচ্চাৰণ হয়।। উদাহৰণস্বৰূপে - নাৰ, পাভ, বাৰ, পাৰ, বাত আদিৰ দৰে শব্দ, আকৌ শেষত যুক্তাক্ষৰ থকা শব্দবোৰৰ শেষত ' অ' উচ্চাৰণ হয়। ইয়াৰ উপৰি 'ৎ' ৰ পছত থকা 'স' আৰু 'ৰ' বা ল- যুক্ত শ, ষ, স -ৰ উচ্চাৰণ 'চ' হয়। যেনে-বীভৎস, বৎস, বিশ্লেষণ আদি। এইধৰণৰ অস্পষ্টতাক দূৰ কৰিবৰ বাবেই অভিধানত শব্দবোৰৰ উচ্চাৰণ দিব লাগে। উচ্চাৰণ দেখাবৰ বাবে কিছুমান পদ্ধতি অনুসৰণ কৰিব লাগে। ব্যৱহাৰকাৰীৰ বাবে এনে পদ্ধতি সুবিধাজনক হয়। উদাহৰণস্বৰূপে- হেমচন্দ্ৰ বৰুৱাৰ হেমকোষত অসমীয়া আখৰবোৰৰ উচ্চাৰণ, যুক্তাক্ষৰবোৰৰ উচ্চাৰণ আৰু শব্দবোৰৰ অন্ত্য আখৰৰ উচ্চাৰণৰ ক্ষেত্ৰত কিছু নিৰ্দেশনা আছে। অসমীয়া ভাষাত উচ্চাৰিত হোৱা শব্দবোৰৰ কি পৰিস্থিতিত স্বৰান্ত বা ব্যঞ্জনান্ত হয় সেই কথাৰ উল্লেখ কৰিছে। ঠিক তেনেদৰে অভিধান এখনত উচ্চাৰণৰ নিৰ্দেশ কৰিব পৰাকৈ বিভিন্ন চিনৰ প্ৰয়োগ কৰিছে। বিশেষকৈ অসমীয়া ভাষাৰ স্বৰৰ উচ্চাৰণত থকা অ- ৰ দুটা ভিন্নৰূপৰ কথা উল্লেখ কৰিছে। অ -স্বৰক দীৰ্ঘস্বৰৰ উচ্চাৰণ বুজাবলৈ ব্যৱহৃত শব্দৰ আখৰৰ ওপৰত ডেচ চিন (-) দি উচ্চাৰণ প্ৰয়োগ কৰা দেখা যায়। ইয়াৰ উপৰিও এটা শব্দৰ আখৰবোৰক দুটা ভাগত উচ্চাৰণ কৰিবলৈ (-) হাইফেন ) ব্যৱহাৰ কৰিছে । ব্যঞ্জন বা যুক্তাক্ষৰৰ উচ্চাৰণ ব্যঞ্জনান্ত বুজাবলৈ আখৰৰ তলত হলন্ত চিন ব্যৱহাৰ কৰিছে। যেনে- উৰ্ , আঁচ্, বান্ধ্। আকৌ এনে কিছুমান শব্দ আছে যিবোৰৰ উচ্চাৰণ সহজে দেখুৱাবলৈ অসুবিধা হয়, তেনেক্ষেত্ৰত বন্ধনীৰ ভিতৰত সেই উচ্চাৰণত প্ৰকাশ পোৱা আখৰৰ উচ্চাৰণ সম্পৰ্কে লিখিছে। যেনে- ঊনৈশ (ঊনৈছ)।

এই উচ্চাৰণ নিৰ্দেশ আধুনিক অসমীয়া অভিধানসমূহৰ ক্ষেত্ৰত বৰ বেছি দেখা নাযায়। অৱশ্যে বৰ্তমান সময়ত যিবোৰ অভিধান প্ৰণয়ন কৰা হয় সেইসমূহত আন্তৰাষ্ট্ৰীয় ধ্বনি প্ৰতীকৰ জৰিয়তে উচ্চাৰণ নিৰ্দেশ কৰাৰ প্ৰয়াস কৰিব লাগে।

### ৪) বুৎপত্তি

প্ৰতিটো প্ৰবিষ্টিত সন্নিবিষ্ট হোৱা মূল শব্দ বা শিতান শব্দবোৰৰ মূল ভাষা কি, শব্দটো কি ভাষাৰ পৰা কেনেধৰণৰ পৰিৱৰ্তনৰ মাজেৰে বৰ্তমানৰ ৰূপ লাভ কৰিছে সেই সম্পৰ্কীয় উল্লেখেই বুৎপত্তি। বুৎপত্তিৰ জৰিয়তে কোনো শব্দৰ মূল বিচৰাত সহায় হয়। আচলতে কিছুমান শব্দৰ ক্ৰম বিৱৰ্তনত অৰ্থৰ সাল-সলনি হ'লে বুৎপত্তিয়ে মূল ভাষাৰ অৰ্থ বিচৰাত

সহায় কৰে। সাধাৰণতে বুৎপত্তিৰ নিৰ্দেশ পৰম্পৰাগত আৰু ঐতিহাসিক অভিধানতহে থাকে। বৰ্ণনাত্মক বা ব্যৱহাৰিক অভিধানৰ বুৎপত্তিৰ নিৰ্দেশ বৰ বেছি দেখা নাযায়। অভিধানখনৰৰ উদ্দেশ্য কি সেই কথাৰ আঁতধৰিয়েই বুৎপত্তি নিৰ্দেশ কৰা হব নে নহয় ঠিৰাং কৰি ল'ব লাগে। অৱশ্যে কিছুমান ভাষাত বুৎপত্তিমূলক অভিধান আছে য'ত প্ৰতিটো শব্দসাৰৰে মূল নিৰ্দেশ কৰাৰ উপৰি কি কি স্তৰৰ মাজেৰে সেই শব্দটো ক্ৰমবিৱৰ্তিত হৈ আহিছে তাৰ বিতং বিৱৰণ থাকে। এক বা ততোধিক ভাষাৰ ঐতিহাসিক বা তুলনামূলক অধ্যয়ন কৰোঁতে বুংপত্তিমূলক অভিধানে বিশেষভাৱে সহায় কৰে। অসমীয়া অভিধানলৈ চালে হেমচন্দ্ৰ বৰুৱাৰ *হেমকোষত* বুৎপত্তি দিয়াৰ চেষ্টা কৰা হৈছে। বুৎপত্তি প্ৰদানৰ বাবে তেখেতে তৎসম আৰু তদ্ভৱ শব্দৰ ক্ষেত্ৰত সংস্কৃত মূল শব্দৰ উল্লেখে শব্দৰ মাজত থকা সম্পৰ্ক দেখাবৰ যত্ন কৰিছে। কিছুমান শব্দৰ ক্ষেত্ৰত মূল নিৰ্দেশ কৰাৰ উপৰিও শব্দৰ সাধনো দেখুৱাইছে। আনহাতে,সকলো অভিধানতে বুৎপত্তি নাথাকে, কেতিয়াবা অভিধান এখনে বুৎপত্তি নিৰ্দেশ আৰু মূল শব্দৰ সাধিত ৰূপ নিৰ্দেশনা দিয়াতকৈ সকলো মূল শব্দৰ উৎস নিৰ্দেশ কৰে। সাধাৰণতে আকাৰ- প্ৰকাৰ আৰু উদ্দেশ্য অনুসৰিয়েই অভিধান এখনত উৎস নিৰ্দেশ দিয়া হয়। বিশেষকৈ ব্যৱহাৰিক অভিধানৰ ক্ষেত্ৰত এই নিৰ্দেশ দেখা যায়। মূল উৎস দিয়াৰ ক্ষেত্ৰতো অভিধান প্ৰণেতাজন যথেষ্ট সচেতন হ'বলগীয়া হয়। প্ৰায়ে আধুনিক অসমীয়া অভিধানৰ ক্ষেত্ৰত বুৎপত্তি নিৰ্দেশ পৰিহাৰ কৰি চলা দেখা যায়। বিশেষকৈ এই অভিধানত বুৎপত্তিৰ সলনি সংস্কৃত,আৰবী-ফাৰ্চী, হিন্দী, ইংৰাজী, পৰ্টুগীজ, আহোম ভাষাৰ পৰা অসমীয়ালৈ অহা শব্দবোৰৰ উৎসৰ নিৰ্দেশ কৰিছে। সকলো শব্দৰ মূল ৰূপৰ উল্লেখ সম্ভৱ নহ'লে উৎস ভাষাৰ নিৰ্দেশ সংক্ষিপ্ত ৰূপত দিয়া দেখা যায়। *চন্দ্ৰকান্ত অভিধানতো* বুৎপত্তিৰ সলনি উৎসৰ নিৰ্দেশ দিয়া দেখা যায়। উদাহৰণস্বৰূপে—

কাফুৰ(সং.কপূৰ,হি.কাফূৰ)
আপোন(সং.আত্মন্ )
কাপ্তান (ইং.Captain)
চৌকা(সং. চতুষ্ক) **(চন্দ্ৰকান্ত অভিধান)**

**৫) ব্যাকৰণৰ সম্ভেদ**

অভিধানৰ প্ৰৱিষ্টিত থকা গুৰুত্বপূৰ্ণ অংশ হৈছে ব্যাকৰণৰ সম্ভেদ। ব্যাকৰণৰ ৰূপতাত্ত্বিক আৰু আকৃতিগত ৰূপবোৰ হৈছে অভিধানৰ সমল। ব্যাকৰণৰ সম্ভেদ অভিধানখনৰ আকাৰ আৰু উদ্দেশ্যৰ ওপৰত নিৰ্ভৰ কৰে। শিতান শব্দ হিচাপে অন্তৰ্ভুক্ত হোৱা শব্দটো বিশেষ্য, বিশেষণ, সৰ্বনাম, ক্ৰিয়া বিশেষণ , ধাতু নে আন কিবা ৰূপ সেইসম্পৰ্কে অভিধানৰ প্ৰবিষ্টিতে উল্লেখ থাকিব লাগে। অভিধান এখনত ব্যাকৰণগত সম্ভেদ মূল শব্দৰ পাছতে নিৰ্দেশ কৰা হয়। শব্দ এটাই উপযুক্ত আৰু সঠিক ৰূপত অৰ্থ প্ৰকাশ কৰিবৰ বাবে অভিধানৰ প্ৰৱিষ্টিত ব্যাকৰণগত সম্ভেদে স্থান পায়। সাধাৰণতে মূল শব্দটোৰ ব্যাকৰণগত

সন্তেদে অৰ্থবোধত সহায় হোৱাৰ উপৰিও ব্যাকৰণৰ সন্তেদৰ জৰিয়তে বাক্যৰ ইংগিত দিব পাৰি। সেয়ে মূল শব্দটো বিশেষ্য, বিশেষণ, সৰ্বনাম নে ক্ৰিয়া বিশেষণ সেই সম্পৰ্কে স্পষ্টকৈ থাকিব লাগে। এই ব্যাকৰণগত পৰিচয় সংক্ষিপ্ত ৰূপত দিয়া দেখা যায়।

যেনে—

বিশেষ্য- বি.

বিশেষণ-বিণ.

সৰ্বনাম- সৰ্ব.

ক্ৰিয়া- ক্ৰি.

ক্ৰিয়া বিশেষণ-ক্ৰি.বি. আদি।

উল্লেখযোগ্য যে কেৱল পদ-পৰিচিতি দিয়াই নহয় মূল শব্দৰ লিংগ, বচন, প্ৰত্যয়, উপসৰ্গ, অনুকাৰ শব্দ আদিৰ দৰে ব্যাকৰণগত বিষয়সমূহৰ বিষয়ে নিৰ্দেশ থাকিব লাগে। উদাহৰণস্বৰূপে - নাই অসমীয়া ভাষাত অব্যয়ক বুজায়, কিন্তু ই কেতিয়াবা ক্ৰিয়াৰ আগত উপপদ ৰূপেও ব্যৱহাৰ হয়। ইয়াৰ উপৰিও ব্যাকৰণৰ নিয়মিত নিয়মসমূহ পাতনিত বা পৰিশিষ্টত উল্লেখ কৰিলেও অনিয়মিত ৰূপসমূহৰ সাধন প্ৰক্ৰিয়াক অন্তৰ্ভুক্ত কৰিব লাগে। অসমীয়া ভাষাৰ অভিধানৰ অনুগাঁথনিলৈ চালে প্ৰায়বোৰ অভিধানতে ব্যাকৰণৰ সন্তেদ দিয়াৰ যত্ন কৰিছে। উল্লেখযোগ্য যে,ব্যাকৰণগত বিষয়সমূহৰ উল্লেখ প্ৰথম ভাষী লোকতকৈ দ্বিতীয় ভাষী লোকৰ বাবে প্ৰস্তুত কৰা অভিধানখনৰ বাবে বেছি প্ৰয়োজনীয় ।

**৬) অৰ্থ**- অভিধানৰ আটাইতকৈ প্ৰয়োজনীয় দিশটো হৈছে অৰ্থ। অভিধানৰ প্ৰত্যেক প্ৰবিষ্টি অনুসৰি অৰ্থ থাকিব লাগিব। ব্যাকৰণগত আভাস দিয়াৰ পাছতেই অৰ্থৰ কথাটো আহে। শব্দ এটাই বহন কৰা সাধাৰণ অৰ্থৰ লগতে লক্ষনা বা ব্যঞ্জনা অৰ্থৰ দিশটোও অভিধান প্ৰণেতাজনে চাব লাগে। অৰ্থৰ পৰিৱৰ্তন, অৰ্থৰ সংকোচন, অৰ্থৰ সম্প্ৰসাৰন, অৰ্থৰ সংশ্লেষণ আদিৰ দৰে দিশবোৰো অভিধান এখন প্ৰস্তুত কৰোঁতে বিচাৰ্য বিষয়। শব্দৰ অৰ্থ সংস্থাপনত গুৰুত্ব দিবলগীয়া কেতবোৰ গুৰুত্বপূৰ্ণ দিশ তলত আলোচনা কৰা হ'ল—

ক) শব্দগোটৰ বৰ্ণনা আৰু সংজ্ঞা

খ) একে অৰ্থবাচক অন্য শব্দৰ সমৰূপক অৰ্থনিৰ্দেশ

গ) বাখ্যা আৰু চিত্ৰৰ জৰিয়তে উদাহৰণ

ঘ) ক্ৰম নিৰ্দেশনা

ঙ) বুৎপত্তি

চ) মৰ্যাদা

**ক) শব্দগোটৰ বৰ্ণনা আৰু সংজ্ঞা**

শব্দৰ ব্যাখ্যা আৰু সংজ্ঞাই অৰ্থপ্ৰকাশত বিশেষ গুৰুত্ব লাভ কৰে। অৰ্থ প্ৰকাশ সদায় স্পষ্ট আৰু পোনপটীয়া হ'ব লাগে। কোনো কাৰণত দ্ব্যৰ্থবোধকতাই স্থান পাব

নালাগিব। আনহাতে পৰিচিত শব্দৰ জৰিয়তেহে সেই ব্যাখ্যা দিলে অভিধানৰ সঠিক ব্যৱহাৰ হ'ব। ব্যাখ্যাত শব্দৰ পুনৰুক্তি থাকিব নালাগে। বাখ্যা এটাত ভাষাতত্ত্বৰ লগতে সাংস্কৃতিক দিশলৈ লক্ষ্য কৰি বৰ্ণনা কৰিব লাগে। গছ-গছনি, পশু-পক্ষী, ফল-মূল আদিৰ বৰ্ণনাত মাত্ৰ এবিধ ফল, এবিধ চৰাই বুলি কোৱাতকৈ সেই শব্দবোৰৰ বৰ্ণনা কৰোঁতে আকৃতি, প্ৰকৃতিৰ বৰ্ণনা দিব লাগে। উদাহৰণস্বৰূপে- কোনো এবিধ ফলৰ বিষয়ে যেতিয়া বৰ্ণনা কৰিব তেতিয়া গছজোপা কেনেকৈ হয়, ফলৰ সোৱাদ কেনেকুৱা, দেখিবলৈ কেনেকুৱা হয়, পকিলে হোৱা বৰণ, কোন অংশ খোৱাৰ উপযোগী এই ধৰণৰ কথাবোৰ বৰ্ণনা বা বাখ্যাত থাকিব লাগে। বৰ্ণনা বা ব্যাখ্যাৰ জৰিয়তে প্ৰকৃত অৰ্থ ফুটি উঠিব লাগিব।

**খ) একে অৰ্থবাচক অন্য শব্দৰ সমৰূপক অৰ্থ**

অৰ্থ সংস্থাপনৰ ক্ষেত্ৰত একে অৰ্থবাচক অন্য শব্দৰ সমৰূপক অৰ্থৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। সম অৰ্থবিশিষ্ট শব্দৰ দ্বাৰা অৰ্থৰ প্ৰকাশ স্পষ্টকৈ দেখুৱাব পাৰি। প্ৰথম ভাষীৰ বাবে প্ৰণয়ন কৰা অভিধান এখনত সম অৰ্থ সম্বলিত আন এটা শব্দৰ সন্ধান প্ৰবিষ্টিত পোৱাৰ লগে লগে মূল শব্দৰ অৰ্থ স্পষ্ট হ'ব পাৰে। উদাহৰণস্বৰূপে- 'টেঙৰ' শব্দৰ অৰ্থ একে অৰ্থৰ অন্য শব্দৰ সমৰূপ শব্দ চতুৰ, ধূৰ্ত, বুধিয়ক আদি শব্দ প্ৰয়োগ কৰি অৰ্থ স্পষ্ট কৰিব পাৰি।

**গ) বাখ্যা আৰু চিত্ৰৰ জৰিয়তে উদাহৰণ**

প্ৰবিষ্টিত অন্তভুৰ্ক্ত কৰিব লগা এটা গুৰুত্বপূৰ্ণ দিশ হ'ল- উদাহৰণ। প্ৰবিষ্টিৰ শব্দৰ অৰ্থ স্পষ্ট হ'বলৈ উদাহৰণৰ প্ৰয়োজন হয়। কেতিয়াবা সংজ্ঞাই অৰ্থটো স্পষ্টকৈ প্ৰকাশ কৰিব নোৱাৰে, তেতিয়া অভিধানৰ শব্দৰ অৰ্থক অধিক স্পষ্টকৈ প্ৰকাশ কৰিবলৈ উদাহৰণ দিব লাগে।। উদাহৰণবোৰ যথাসম্ভৱ সংক্ষিপ্ত হ'ব লাগে । আনহাতে যিবোৰ খণ্ডবাক্য বা জতুৱা-ঠাঁচ অভিধানত অন্তভুৰ্ক্ত হয় সেইবোৰৰ প্ৰকৃত জ্ঞানৰ বাবে ব্যাখ্যাত্মক উদাহৰণৰ প্ৰয়োজন হয়। আকৌ কেতিয়াবা উদাহৰণেও অৰ্থৰ স্পষ্টতা নিদিলে চিত্ৰৰ সহায় লোৱা হয়। সাধাৰণতে বহু এনে শব্দ আছে যিবোৰ বৰ্ণনা বা সংজ্ঞা , প্ৰতিশব্দৰ জৰিয়তে অৰ্থবোধ সম্ভৱ নহয়। এনে ক্ষেত্ৰত কেতিয়াবা প্ৰকৃত অৰ্থ বুজিবৰ বাবে নেদেখা, নুশুনা, নজনা শব্দবোৰৰ অৰ্থ চিত্ৰৰ জৰিয়তে দিব পাৰি। বিশেষকৈ শিশু অভিধানত চিত্ৰ সংযোজনে শিশুৰ বাবে উৎকৃষ্ট ৰূপত অৰ্থৰ প্ৰকাশ কৰিব পাৰে। অৱশ্যে প্ৰাপ্তবয়স্কৰ বাবে প্ৰস্তুত কৰা অভিধানতো সাধাৰণতে নজনা-নেদেখা মূল শব্দৰ বাবে চিত্ৰৰ প্ৰয়োজনীয়তা আছে। অসমীয়া ভাষাৰ অভিধান শৰাইঘাট অভিধান' , অসমীয়া জাতীয় অভিধান' আদিত চিত্ৰৰ প্ৰয়োগৰ জৰিয়তে বিভিন্ন শব্দক অভিধান ব্যৱহাৰকাৰীৰ বাবে বুজি উঠিবলৈ সহজ কৰি তুলিছে।

ঘ) ক্ৰম নিৰ্দেশনা

অভিধানৰ অৰ্থ সংস্থাপনৰ বাবে গুৰুত্বপূৰ্ণ দিশ হৈছে ক্ৰম নিৰ্দেশনা। ক্ৰম নিৰ্দেশনাই অভিধানৰ অৰ্থক শৃংখলাবদ্ধ ৰূপত উপস্থাপন কৰাত সহায় কৰে। একোটা বানান - উচ্চাৰণৰ সাদৃশ্য থকা শব্দই কেইবাটাও অৰ্থ প্ৰকাশ কৰে। এনে অৰ্থৰ প্ৰকাশৰ সময়ত সঘন প্ৰয়োগ হোৱা অৰ্থটো প্ৰথমে দি তাৰ পাছত ক্ৰম অনুসৰি বাকী অৰ্থবোৰ দিব লাগে। এনেদৰে ক্ৰম সন্নিৱিষ্ট কৰিবলৈ ১ ২ ৩ ৪ এনেদৰে ক্ৰম নিৰ্দেশ কৰিব লাগে। এনেদৰে দিলে অভিধান ব্যৱহাৰকাৰীৰ বাবে অৰ্থটো বিচৰাত সুবিধা হয়। উদাহৰণস্বৰূপে-

àéÂ অনুক.টান বস্তুত আঘাত লাগিলে হোৱাৰ নিচিনা শব্দ,An imitative sound used to express that produced on striking a hard body.

খট্[২] বি.(কাম.) চকুৰ ৰোগ বিশেষ; যেনে, খট পৰা, an eye disease.

খট্[৩] বিণ.দুষ্ট,wicked. ,

খট্[৪] খাট বি.(পু.অ) ডকাইতি; যেনে,তেওঁকে গুৰু মানি শৰণ ললে তিনিও কুৰি খাটে(গুৰুচৰিত)a dacoit.

(চন্দ্ৰকান্ত অভিধান)

ঙ) বুৎপত্তি

অৰ্থ সংস্থাপনৰ ক্ষেত্ৰত বুৎপত্তিৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। শব্দৰ বুৎপত্তিৰ জৰিয়তে অৰ্থৰ স্পষ্টতা বৃদ্ধি পায়। বুৎপত্তিৰ উল্লেখৰ জৰিয়তে কোনো শব্দৰ অৰ্থৰ পৰিৱৰ্তন আহিলে সেই কথা জানিব পাৰি। মূলতঃ শব্দ একোটাৰ উৎপত্তি আৰু ঐতিহাসিক সম্পৰ্ক নিৰ্দেশ কৰিবলৈ বুৎপত্তিৰ প্ৰয়োজন।

চ) মৰ্যাদা

সকলো মানুহৰে ভাষা কোৱাৰ ধৰণ সুকীয়া। ভাষা অঞ্চল বিশেষে, বৃত্তি বিশেষে ভাষাৰ ভেদ(Register) আৰু শৈলী (Style)বেলেগ হয়। বেলেগ ধৰণেৰে কোৱা কথাৰ ধৰণ বোৰ লক্ষ্য কৰি সামাজিকভাৱে আৰু আঞ্চলিকভাৱে স্বীকৃত উপযুক্ত ৰূপবোৰ অভিধানত স্থান দিব লাগে। মৰ্যাদা সদায় বিষয়গত, অৱস্থাগত আৰু ব্যাকৰণগত হোৱা উচিত। মৰ্যাদাৰ বিষয়টোৱে অৰ্থৰ সংস্থাপনত গুৰুত্বপূৰ্ণ ভূমিকা লয়। শব্দ এক‌েটাৰ মৰ্যাদা সদায় একেদৰে নাথাকে, পূৰ্বৰ প্ৰচলিত অৰ্থ বা আজিৰ প্ৰচলিত শব্দ এটা পৰৱৰ্তী সময়ত প্ৰচলন নহ'বও পাৰে। গতিকে ,অৰ্থৰ নিৰূপণত এই কথাও মনত ৰখা দৰকাৰ।

শব্দৰ ক্ৰম, ব্যাকৰণগত দিশ,আখৰ জোঁটনি, অৰ্থ এই আটাইবোৰ দিশৰ উপৰিও এখন অভিধানৰ প্ৰৱিষ্ঠিত প্ৰৱিষ্টিৰ শব্দবোৰৰ সাধন সম্পৰ্কে অন্তৰ্ভুক্ত কৰিব পাৰে। এই অন্তৰ্ভুক্তকৰণে এটা শব্দ কেনেদৰে সাধন প্ৰক্ৰিয়াৰে সৃষ্টি হয় সেই সম্পৰ্কে জ্ঞাত হ'ব পাৰিব। ইয়াৰ উপৰিও প্ৰৱিষ্টিৰ অৰ্থৰ অন্তৰ্ভুক্তিৰ পাছত খণ্ডবাক্য বা জতুৱা ঠাঁচ অন্তৰ্ভুক্তি

কৰিব পাৰি। খণ্ডবাক্যসমূহ অভিধানৰ প্ৰবিষ্টিত শীৰ্ষক শব্দৰূপেও ব্যৱহাৰ কৰাৰ উপৰিও প্ৰবিষ্টিৰ ভিতৰতো অন্তৰ্ভুক্ত কৰিব পাৰি। *শব্দইঘাট অভিধানত* যথেষ্ট সংখ্যক খণ্ডবাক্যৰ ব্যৱহাৰ আছে। এই প্ৰয়োগৰ অন্তৰালত সংৰক্ষণ আৰু পৰম্পৰা ৰক্ষাৰ দিশটোৰ উপৰিও নতুন পুৰুষে এই বোৰ ব্যৱহাৰৰ প্ৰতি অনুপ্ৰাণিত হয় সেই উদ্দেশ্যৰেও খণ্ডবাক্যৰ ব্যৱহাৰ কৰিছে। আনহাতে সমাৰ্থক শব্দ বা বিপৰীত শব্দৰ অন্ত ৰ্ভুক্তি কৰিব পাৰি। ইয়াৰ জৰিয়তে শব্দটোৰ সম অৰ্থ বুজোৱা আন শব্দবোৰ জনাত সহায় কৰে বা বিপৰীত শব্দৰে অৰ্থটো বুজাত সহায়ক হয়।

**জানি থওঁ আহক**

অসমীয়া ভাষাৰ প্ৰথমখন অভিধান হৈছে ১৮৬৭ চনত প্ৰকাশিত মাইলছ ব্ৰন্সনৰ অসমিয়া ইংৰাজি অভিধান (A Dictionary in Assamese and English)। এই অভিধানখনৰ মুঠ শব্দৰ সংখ্যা ১৪০০০ টা।

### ৩.৩.৩ ছপাৰ উপযোগীকৈ পাণ্ডুলিপি প্ৰস্তুতকৰণ

অভিধান এখনৰ প্ৰস্তুতকৰণ প্ৰক্ৰিয়াটোৰ শেষৰটো পৰ্যায় হৈছে- ছপাৰ বাবে পাণ্ডুলিপি প্ৰস্তুতকৰণ ।অভিধান এখনৰ মূল আধাৰ প্ৰবিষ্টিবোৰ অন্তৰ্ভুক্ত কৰিলেই অভিধান এখনৰ প্ৰস্তুত প্ৰক্ৰিয়া শেষ নহয়, ছপাৰ বাবে অভিধানৰ গাঁথনিক ৰূপটো সম্পূৰ্ণ কৰি ল'ব লাগিব। যিকোনো অভিধানৰে তিনিটা অংশ সম্পূৰ্ণ হৈ উঠিলে ছপাৰ বাবে প্ৰস্তুত হৈ উঠে। সেই তিনিটা অংশ হৈছে-

ক) অগ্ৰাংশ Front-matter)

খ) মুখ্যাংশ (Body)

গ) পৰিশিষ্ট(Appendix)

**ক) অগ্ৰাংশ** -অগ্ৰাংশৰ পাছতহে অভিধানৰ মুখ্য অংশ আৰম্ভ হয়। ইয়াক প্ৰচ্ছদপট বুলিও ক'ব পাৰি। এই অগ্ৰাংশতথকা বিষয় সমূহক দুই ধৰণে ভাগ কৰা হয়। সেয়া হৈছে-

**ক) বাহ্যিক অন্তৰ্ভুক্তি**- ১ ) আখ্যাৱলী বা অভিধানৰ নাম ২) পাতনি, ৩) পঢ়ুৱৈ নিৰ্দেশিকা,৪)সংক্ষিপ্তকৃত শব্দ৫) পৃষ্ঠাৰ ক্ৰমাংক

**খ) মুখ্য অন্তৰ্ভুক্তি**- বিভিন্ন লিপিৰ ব্যৱহাৰ, বিৰাম চিনৰ ব্যৱহাৰ , গাণিতিক চিহ্ন আৰু শব্দৰ ব্যৱধান আদি।

**১) আখ্যাৱলী**

অভিধান এখনৰ নামটোৰেই অভিধানখনৰ বৈশিষ্ট্যক প্ৰতিফলিত কৰিব পাৰিব লাগে অৰ্থাৎ অভিধানখনৰ নামটোৰ জৰিয়তে অভিধানৰ শ্ৰেণী ,আকাৰ বা উদ্দেশ্যক

প্ৰতিফলিত কৰিব পাৰিব লাগে। যেনে-একভাষিক নে দ্বিভাষিক , ঐতিহাসিক নে বুৎপত্তিমূলক অভিধান । এই অংশতে অভিধানখনৰ শব্দৰ সংখ্যা দিব লাগে।

**২) পাতনি**

পাতনিতে অভিধান প্ৰণেতাজনৰ ক'বলগীয়া কথাবোৰে ঠাই পায়। ইয়াত অভিধানখনৰ প্ৰণয়নৰ উদ্দেশ্য, লক্ষ্য, প্ৰয়োজনীয়তা, প্ৰকাৰ, বিশেষত্ব আদি সম্পৰ্কে আলোচনা কৰে। অভিধান এখনৰ প্ৰস্তুতিৰ পৰ্বৰ পৰাই গ্ৰহণ কৰা নীতি-সিদ্ধান্ত সমূহক যথোপযুক্ত ৰূপত বৰ্ণনা কৰাৰ লগতে অভিধানখন কাৰ বাবে প্ৰস্তুত কৰা হৈছে আৰু ভাষাটোৰে কোনটো স্তৰক প্ৰতিনিধিত্ব কৰিছে এই ধৰণৰ কথাবোৰ স্পষ্টকৈ উল্লেখ থাকিব লাগে। ইয়াৰ লগতে পাতনিত অভিধানখনত ব্যৱহৃত ভাষাটোৰ বুৰঞ্জী, অভিধানখনৰ প্ৰণয়নৰ পৃষ্ঠভূমি, শব্দসমূহৰ প্ৰস্তুতি পৰ্বৰ পৰা ছপা পৰ্যন্ত অভিধান প্ৰণেতাই সমগ্ৰ প্ৰক্ৰিয়াটোৰ কথা পাতনিত উল্লেখ কৰিব লাগে। ইয়াৰ উপৰি অভিধান এখন প্ৰস্তুত কৰিবলৈ লোৱা বিভিন্ন সমল বা উৎস সম্পৰ্কে উল্লেখ কৰিব লাগে। উদাহৰণস্বৰূপে- অভিধানখন লিখিত সাহিত্য, শিলালিপি, বাতৰি-কাকত,আলোচনী, কথিত ৰূপ আদিৰ পৰা শব্দ সংগ্ৰহ কৰিলে এই সম্পৰ্কে পাতনিতে উল্লেখ কৰিব লাগে। মূলতঃ অভিধানখনত ব্যৱহৃত ভাষাটোৰ বুৰঞ্জী, অভিধানখনৰ প্ৰণয়নৰ পৃষ্ঠভূমি, শব্দসমূহৰ উৎস, অভিধান প্ৰণয়নৰ ৰীতি সম্পৰ্কে পাতনিতে স্পষ্ট কৰিব লাগে।

**৩) পঢ়ুৱৈ নিৰ্দেশিকা**

প্ৰচ্ছদ পটৰ গুৰুত্বপূৰ্ণ ভাগ এটা হৈছে পঢ়ুৱৈৰ নিৰ্দেশিকা। অভিধানখন ব্যৱহাৰকাৰীয়ে কিদৰে ব্যৱহাৰ কৰিব সেই সম্পৰ্কে তথ্য প্ৰদানৰ উদ্দেশ্য এই নিৰ্দেশিকা দিয়া হয়। ব্যৱহাৰকতই কম সময়তে বিচৰা তথ্যটো পাবৰ বাবেই এনে নিৰ্দেশনাৰ প্ৰয়োজন আছে। এই অংশতে নিৰ্দেশ কৰিবলগীয়া বিষয়সমূহ এনেধৰণৰ-

১) অন্তভুৰ্ক্তিৰ সজ্জা আৰু ক্ৰম ২) মূল শব্দ বা শিতান শব্দ ৩) অন্তৰ্ভুক্ত কৰা শব্দৰ প্ৰকাৰ ৪)লিপি আৰু উচ্চাৰণ ৫)ব্যাকৰণগত নিৰ্দেশ ৬)একে উচ্চাৰণৰ ভিন্নাৰ্থক শব্দ ৭)সমাৰ্থক শব্দ৮) মৰ্যাদা ৯) প্ৰসংগ নিৰ্দেশ ১০)বুৎপত্তি ১১)উদাহৰণ আদি।

পঢ়ুৱৈৰ নিৰ্দেশিকাত শব্দ একোটা অভিধানৰ প্ৰবিষ্টিত কেনেদৰে অন্তৰ্ভুক্ত কৰা হৈছে তাক নিৰ্দেশ কৰিব লাগে। যেনে -শিতান শব্দ তাৰপিছত ক্ৰমে উচ্চাৰণ, ব্যাকৰণৰ নিৰ্দেশ, অৰ্থ বা সংজ্ঞাক কেনেদৰে সজোৱা হৈছে উল্লেখ কৰিব লাগে। এই অন্তৰ্ভুক্তিবোৰ কি ক্ৰমত সজোৱা হৈছে সেই সম্পৰ্কে উল্লেখ কৰাটো গুৰুত্বপূৰ্ণ। যেনে-বৰ্ণানুক্ৰম। ইয়াৰোপৰি মূল শব্দৰ প্ৰকৃতি নিৰ্দেশ কৰিব লাগে। মূল শব্দটোবানানৰ ভিন্নতা বা অৰ্থৰ ভিন্নতা থকা শব্দ হ'লে তেন্তে প্ৰধান শব্দ বা মূল শব্দটো কিদৰে নিৰ্বাচন কৰা হৈছে সেই সম্পৰ্কে উল্লেখ থাকিব লাগে। অভিধানত অন্তৰ্ভুক্ত কৰা শব্দবোৰৰ প্ৰকাৰ সম্পৰ্কে

স্পষ্টকৈ উল্লেখ কৰিব লাগে। যেনে-নামশব্দ, সাধিত শব্দ, পাৰিভাষিক শব্দ। ঠিক তেনেদৰে পঢ়ুৱৈৰ নিৰ্দেশিকাত অভিধান ব্যৱহাৰকাৰীৰ বাবে এখন বৰ্ণমালাৰ তালিকা দিয়াৰ লগতে আখৰৰ উচ্চাৰণ সম্পৰ্কে নিৰ্দেশ থাকিব লাগে। যেনে- আন্তঃৰাষ্ট্ৰীয় ধ্বনি লিপি ; সাংকেতিক চিহ্নৰ লগতে ৰোমান লিপি। বানান আৰু উচ্চাৰণৰ মাজত পাৰ্থক্য থাকিলে উচ্চাৰণৰ নিৰ্দেশ দিব লাগে। পঢ়ুৱৈৰ নিৰ্দেশিকাতে ব্যাকৰণগত নিৰ্দেশ কেনেদৰে দিয়া হৈছে আৰু ব্যাকৰণগত কি কি বিষয় অন্তভুৰ্ক্ত কৰা হৈছে সেই সম্পৰ্কে উল্লেখ কৰিব লাগে। একে উচ্চাৰণৰ বিভিন্ন অৰ্থৰ শব্দসমূহ কেনেদৰে অন্তৰ্ভুক্ত কৰিছে সেই সম্পৰ্কেও উল্লেখ থাকিব লাগে। অৰ্থাৎ একে উচ্চাৰণৰ ভিন্নাৰ্থক শব্দবোৰ এটা প্ৰবিষ্টিত অন্তৰ্ভুক্ত কৰিছে নে বেলেগ বেলেগ প্ৰবিষ্টিত অন্তৰ্ভুক্ত কৰিছে নে ক্ৰম নিৰ্দেশনা দি শব্দবোৰ বেলেগকৈ প্ৰৱিষ্টিত অন্তৰ্ভুক্ত কৰিছে সেই সম্পৰ্কে পঢ়ুৱৈৰ নিৰ্দেশিকাতে থাকিব লাগে। সমাৰ্থক শব্দবোৰ প্ৰবিষ্টিত অন্তৰ্ভুক্ত কৰিছে নে নাই সেই সম্পৰ্কে উদাহৰণসহ এই নিৰ্দেশিকাতে উল্লেখ কৰিব লাগে।

শব্দ একোটাৰ মৰ্যাদা ব্যাকৰণগত নে বিষয়গত ইত্যাদি কথাবোৰ স্পষ্টকৈ নিৰ্দেশ কৰিব লাগে। লগতে অভিধান এখনত প্ৰসংগৰ নিৰ্দেশ কেনেদৰে আৰু কি কাৰণে কৰা হৈছে সেই সম্পৰ্কে স্পষ্ট উল্লেখ কৰিব লাগে। আনহাতে শব্দৰ বুৎপত্তি প্ৰদান কৰাৰ ক্ষেত্ৰত কেনেধৰণৰ পদ্ধতি গ্ৰহণ কৰা হৈছে সেই সম্পৰ্কে নিৰ্দেশনা দিব লাগে। আকৌ উদাহৰণ প্ৰদানৰ ক্ষেত্ৰত উদ্ধৃতি, সাধাৰণ বাক্য নে চিত্ৰৰ সংযোগ কৰা হৈছে সেই সম্পৰ্কে এই নিৰ্দেশিকাতে উল্লেখ থাকিব লাগে।

**৪) সংক্ষিপ্তকৃত শব্দ**

পঢ়ুৱৈৰ সুবিধাৰ বাবে শব্দৰ সংক্ষিপ্ত ৰূপবোৰ সম্পূৰ্ণকৈ উল্লেখ কৰিব লাগে। বৈয়াকৰণিক ৰূপ, ভাষা-উপভাষাৰ নাম, সঘন ব্যৱহাৰ কৰা শব্দ, লেখক, গ্ৰন্থৰ নামৰ ক্ষেত্ৰত স্থানৰ মিতব্যয়িতাৰ কাৰণে কেনেকৈ অভিধানত শব্দৰ সংক্ষিপ্তকৰণ কৰা হয় তাৰ এক তালিকা অগ্ৰাংশতে প্ৰস্তুত কৰিব লাগে। *শব্দইঘাট অভিধানত* সংকেত ৰাখ্যা শিৰোনামেৰে অভিধানখনত সংক্ষিপ্তকৃত শব্দ ৰূপৰ নিৰ্দেশ কৰিছে। বিশেষকৈ এই অভিধানত প্ৰৱিষ্টিবোৰৰ পদ নিৰ্দেশক, শব্দৰ মূল উৎস বা বুৎপত্তি নিৰ্দেশ কৰিছে। ইয়াৰে কেইটামান উল্লেখ কৰা হ'ল-

| | | |
|---|---|---|
| যেনে— অক.ধা | অকৰ্মক ধাতু | |
| অনি.ব.পৰস. | অনিৰ্দিষ্টতাবাচক বহুবচনীয় পৰসৰ্গ | |
| অনি.পৰস. | অনিৰ্দিষ্টতাবাচক পৰসৰ্গ | |
| ইং. | ইংৰাজী | |
| খ. | খণ্ডবাক্য | |
| ছেৰ. | ছেৰদুকপেন | |
| পৰ্টু | পৰ্টুগিজ | |
| সং | সংস্কৃত | |
| স্বা.প্ৰ. | স্বাৰ্থিক প্ৰত্যয় | ইত্যাদি। |

**৫) পৃষ্ঠাৰ ক্ৰমাংক**

প্ৰতিটো পৃষ্ঠাৰ ক্ৰমাংক চকুত লগাকৈ প্ৰদান কৰিব লাগে। পৃষ্ঠাৰ ক্ৰমাংক পৃষ্ঠাশীৰ্ষ বা পৃষ্ঠাৰ তলত দিয়া হয়। সাধাৰণতে এই ক্ৰমাংক পৃষ্ঠাটোৰ সোঁমাজ নতুবা দাঁতিত দিয়া হয়। লগতে প্ৰতিটো পৃষ্ঠাৰ প্ৰথম আৰু শেষৰটো শিতানশব্দ পৃষ্ঠাশীৰ্ষত ডাঠ আখৰৰে ছপা কৰিব লাগে।

**মুখ্য অন্তভুৰ্ক্তিৰ উপাদান**

**১) বিভিন্ন লিপিৰ ব্যৱহাৰ আৰু আখৰৰ প্ৰকাৰ**

অভিধানখনত কি লিপি বা আখৰ ব্যৱহাৰ কৰা হ'ব সেই সম্পৰ্কে প্ৰচ্ছদ পটতে উল্লেখ কৰিব লাগিব। আখৰবোৰ ক'ত কেনেকৈ ব্যৱহাৰ কৰা হৈছে সেই সম্পৰ্কে উল্লেখ কৰিব লাগে। ডাঠ আখৰ, পাতল আখৰ, বেঁকা আখৰৰ ব্যৱহাৰ কৰিলে কি অৰ্থত ব্যৱহাৰ হৈছে সেই সম্পৰ্কে উল্লেখ কৰিব লাগে।

**২) বিৰাম চিহ্ন, গাণিতিক চিহ্নৰ ব্যৱহাৰ**

অভিধানত বিভিন্ন ধৰণৰ বিৰাম চিহ্নৰ ব্যৱহাৰে অভিধানখন শৃংখলিত ৰূপত সজাই তোলাত সহায় কৰে। যেনে-ক'মা, চেমিকলন, উৰ্দ্ধক'মা আদি কি অৰ্থত ব্যৱহাৰ হয় উল্লেখ কৰিব লাগে। বিশেষকৈ শব্দসমূহৰ অৰ্থ লিখোঁতে একে অৰ্থ বুজোৱা দুটা বা অধিক প্ৰতিশব্দৰ মাজত একোটা বিৰাম চিহ্ন (,) দিয়া হয়। ঠিক তেনেদৰে আগৰ প্ৰতিশব্দ বা বাখ্যাতকৈ অৰ্থৰ ভিন্নতা বুজোৱা প্ৰতিশব্দ বা বাখ্যাৰ মাজত একোটা চেমিক'লন (;) দি সিহঁতৰ অৰ্থক পৃথক কৰা হয়। আকৌ শব্দৰ বুৎপত্তিৰ নিৰ্দেশৰ ক্ষেত্ৰত ফুলষ্টপ(.), বৰ বন্ধনী{} আদি দিব লাগে। যদি গাণিতিক চিহ্নৰ ব্যৱহাৰ আছে তেন্তে সেই সম্পৰ্কে সবিশেষ উল্লেখ কৰিব লাগে।

**খ) মুখ্যাংশ-**

মুখ্যাংশত অভিধানখনৰ মূল বিষয়বস্তুৱে স্থান পায়। প্ৰবিষ্টিৰ ক্ৰম অনুযায়ী সন্নিৱিষ্ট প্ৰবিষ্টিৰ বিভিন্ন দিশ উচ্চাৰণ, আখৰ জোঁটনি,ব্যাকৰণগত দিশ, বুৎপত্তি, অৰ্থ, উদাহৰণ আদিৰ বৰ্ণনা কৰা হয়।

**গ) পৰিশিষ্ট-**

অভিধানত পৰিশিষ্টৰ বিশেষ ভূমিকা আছে। পৰিশিষ্ট অভিধানৰ শেষ অংশ। ইয়াত অভিধানৰ লক্ষ্য আৰু উদ্দেশ্যৰ সৈতে সংগতি ৰাখি পৰিশিষ্টখন যুগুত কৰা হয়। ইয়াতো বৰ্ণানুক্ৰমিকভাৱে শব্দবোৰ দিয়া হয়। পাৰিভষিক শব্দ, জোখ-মাখ, ওজন, ভৌগোলিক নাম, জিলা, মহকুমা, লেখকৰ নাম, উপাধিও সন্নিৱিষ্ট হয়। উদাহৰণস্বৰূপে অসমীয়া ভাষাৰ অভিধান ড০দীনেশ চন্দ্ৰ গোস্বামীৰ শৰাইঘাট অভিধানত মুঠ বাৰটা পৰিশিষ্টক অন্তৰ্ভুক্ত কৰিছে। এই পৰিশিষ্টই ২৩৫ টা পৃষ্ঠা সামৰি আছে। পৰিশিষ্টৰ প্ৰদানৰ ক্ষেত্ৰত 'প্ৰশাসনীয় পৰিভাষা', 'বিজ্ঞানৰ পৰিভাষা', 'আমাৰ ভাষাত আটাইতকৈ

বানান ভুল হোৱা এশটা শব্দ', 'যতি চিহ্নৰ ব্যৱহাৰ', 'প্রুফ চাওঁতাৰ চিনবোৰ', 'প্রুফ চোৱাৰ অভ্যাসন', 'অসমীয়া সংখ্যাবাচক আৰু পূৰণবাচক শব্দ', 'অসমীয়া সম্বন্ধবাচক আৰু পূৰণবাচক শব্দ', 'পৰিচয়জ্ঞাপক তালিকা(নাম, স্থান, চৰিত্ৰ আদি)','নক্ষত্ৰসমূহৰ তালিকা, গ্ৰীক বৰ্ণমালা আৰু গাণিতিক চিহ্নসমূহ', 'সংখ্যা, একক আৰু জোখ' এই দিশসমূহ অন্তৰ্ভুক্ত কৰিছে।

**আত্মমূল্যায়ন প্রশ্ন**

অসমীয়া ভাষাৰ অভিধানত অৰ্থ সংস্থাপনৰ ক্ষেত্ৰত কোনবোৰ দিশে গুৰুত্ব লাভ কৰিছে আলোচনা কৰক।

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

### ৩.৪ সাৰাংশ (Summing Up)

অভিধান প্ৰস্তুতকৰণ প্ৰক্ৰিয়া এক দীঘলীয়া প্ৰক্ৰিয়া। ই তিনিটা পৰ্যায়েৰে অভিধানৰ ৰূপ পায়। সেয়া হৈছে- প্ৰস্তুতি, সম্পাদনা আৰু ছপাৰ বাবে উপযোগী কৰা। প্ৰস্তুতি পৰ্বতে এক আঁচনি তৈয়াৰ কৰাৰ প্ৰয়োজন হয়, সেই আঁচনিত নিৰ্ধাৰিণ কৰা হয় অভিধানখন কাৰ বাবে আৰু অভিধানৰ প্ৰকাৰ কেনে হ'ব, লগতে অভিধানখনৰ কাম সম্পূৰ্ণ কৰাৰ বাবে এক সময় নিৰ্ধাৰিণ কৰা হয়। আঁচনি প্ৰস্তুতকৰাৰ পাছতে সমল সংগ্ৰহ কৰা হয়।এই সমল লিখিত ভাষাৰ লগতে অলিখিত ভাষাৰ পৰাও সংগ্ৰহ কৰা হয়। লিখিত সমলৰ উৎসৰ বাবে বিভিন্নধৰণৰ গ্ৰন্থ, আলোচনী,বাতৰিকাকত, বিভিন্ন জাননী, নিৰ্দেশাৱলীৰ লগতে অলিখিত সমলৰ বাবে ক্ষেত্ৰ অধ্যয়নত পুৰুষ-মহিলা,যুৱক-যুৱতী,শিশুক সূচক হিচাপে নিৰ্বাচন কৰে। ইয়াৰ পাছতে সম্পাদনাৰ কাম আৰম্ভ হয়-সমল সমূহ অন্তৰ্ভক্তি কৰা কামটো সম্পাদকৰ বাবে গুৰুত্বপূৰ্ণ হৈ পৰে। অন্তভুক্তিত বিভিন্ন বিষয় থাকে-সেয়া হৈছে-মূল শব্দ, বানান,উচ্চাৰণ, বুৎপত্তি,ব্যাকৰণৰ সম্ভেদ, অৰ্থ, উদাহৰণ, সমাৰ্থক শব্দ আদি। সম্পাদনাৰ স্তৰত এই সকলোবোৰ অন্তৰ্ভুক্তি কৰাৰ পাছত ছপাৰ বাবে পাণ্ডুলিপি উপযোগী কৰিব লাগে। পাণ্ডুলিপি প্ৰস্তুত কৰোঁতেই প্ৰচ্ছদপট প্ৰস্তুত কৰি সম্পাদকে নাইবা অভিধান প্ৰণেতাজনে নাম, পাতনি, পঢ়ুৱৈৰ নিৰ্দেশিকাকে মুখ্য কৰি আন আন আনুষংগিক বিষয়বোৰ সন্নিবিষ্ট কৰি শেষত পৰিশিষ্ট সমূহ উল্লেখেৰে অভিধান প্ৰস্তুত কৰিব পাৰি।

### ৩.৫ আৰ্হি প্ৰশ্ন (Sample Questions)

১) অভিধান এখন বিজ্ঞানসন্মত ৰূপত প্ৰস্তুত কৰিবলৈ কেনেদৰে আগবাঢ়িবলগীয়া হয় আলোচনা কৰক।

২) অভিধান এখন প্ৰস্তুত কৰিবলৈ কেনেধৰণৰ সমল সংগ্ৰহ কৰা হয় আৰু সমল সংগ্ৰহত সম্পাদকজনৰ ভূমিকা সম্পৰ্কে আলোচনা আগবঢ়াওক।

৩) প্ৰবিষ্টি বা অন্তৰ্ভুক্তি কাক বোলে? ইয়াৰ লগত জড়িত বিষয় সমূহৰ সম্পৰ্কে আলোচনা আগবঢ়াওক।

৪) ছপাৰ বাবে পাণ্ডুলিপি প্ৰস্তুতকৰণ প্ৰক্ৰিয়া সম্পৰ্কে এটা টোকা প্ৰস্তুত কৰক।

### ৩.৬ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

কলিতা, নিপন আৰু বৰা ভৃগুত্তম (সম্পা) ঃ ভাষাবিজ্ঞান আৰু অসমীয়া ভাষা, গুৱাহাটীঃ পূৰ্বায়ণ প্ৰকাশন,২০২১। প্ৰকাশিত।

কোঁৱৰ ,অৰ্পণা (সম্পা) ঃ অভিধান তত্ত্ব,গুৱাহাটী ঃ অসম বুক ট্ৰাষ্ট,২০০৯। প্ৰকাশিত।

কোঁৱৰ ,অৰ্পনা ঃ অসমত ভাষাৰ অধ্যয়ন, ডিব্ৰুগড় ঃ বনলতা,২০২০। প্ৰকাশিত।

গোস্বামী,বসন্তকুমাৰ ঃ অভিধান-তত্ত্ব, যোৰহাট ঃ অসম সাহিত্য সভা, ১৯৯৭। প্ৰকাশিত।

দত্তবৰুৱা ,ফণীন্দ্ৰ নাৰায়ণ ঃ প্ৰয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা, ডিব্ৰুগড় ঃ বনলতা,২০০৬। প্ৰকাশিত।

পাদুন, নাহেন্দ্ৰ (সম্পা) ঃ ভাষাৰ তত্ত্ব-কথা,ডিব্ৰুগড় ঃ বাণী মন্দিৰ,২০০৪। প্ৰকাশিত।

হাজৰিকা, দেৱপ্ৰতীম (সম্পা) ভাষা অন্বেষণ, গুৱাহাটী ঃ সম্প্ৰীতি,২০১৬। প্ৰকাশিত।

Singh, Ram Adhar : An introduction to Lexicography, CIIL, Mysore (e-book).

*****

# চতুৰ্থ বিভাগ
## অভিধানৰ অনুগাঁথনি

**বিভাগৰ গঠনঃ**

৪.১ ভূমিকা(Introduction)
৪.২ উদ্দেশ্য(Objectives)
৪.৩ অভিধানৰ অনুগাঁথনি
    ৪.৩.১ শব্দৰ ক্ৰম
    ৪.৩.২ বানান বা আখৰ জোঁটনি
    ৪.৩.৩ ব্যুৎপত্তি বা উৎসৰ নিৰ্দেশ
    ৪.৩.৪ বিভাগ বা শিতান
    ৪.৩.৫ ব্যাকৰণগত সম্ভেদ
    ৪.৩.৬ উচ্চাৰণ
    ৪.৩.৭ অৰ্থ
৪.৪ সাৰাংশ (Summing Up)
৪.৫ প্ৰসঙ্গ টোকা (Reference Note)
৪.৬ আৰ্হি প্ৰশ্ন (Sample Questions)
৪.৬ প্ৰসঙ্গপুথি (References/Suggested Readings)

### ৪.১ ভূমিকা (Introduction)

অভিধান এখন সুশৃংখলিত আৰু প্ৰণালীবদ্ধ ৰূপত সজাই তুলিবলৈ যিবোৰ উপাদানে সহায় কৰে, সেইবোৰক অভিধানৰ গাঁথনিয়ে সামৰি লয়। এই অভিধানৰ গাঁথনিয়ে অভিধানৰ বিভিন্ন উপাদানসমূহৰ পাৰস্পৰিক সম্পৰ্ক স্থাপন কৰাৰ লগতে সেই উপাদানসমূহৰ ক্ৰমাবদ্ধ সজ্জাৰ বিষয়ে প্ৰণালীবদ্ধ ৰূপত অধ্যয়ন কৰে। মূলতঃ ব্যৱহাৰকাৰীৰ উপযুক্ত হোৱাকৈ আৰু সকলো তথ্য গাঁথনিক ৰূপত সামৰি ৰখা কাৰ্যৰ সৈতে জড়িত। অভিধান সম্পৰ্কে কৰা গৱেষণামূলক অধ্যয়নৰ শাখা অধি অভিধান তত্ত্বৰ সৈতে এই অভিধানৰ গাঁথনিৰ আলোচনা কৰা হয়। এলেন কাৰ্কনেছে (২০০৪,৬৪-৬৫) অভিধানৰ গাঁথনিক উপাদান তিনি প্ৰকাৰৰ বুলি কৈছে। সেয়া হৈছে- বহিৰাগত উপাদান (Outside Matter), বৰগাঁথনি(Macro structure) আৰু অনুগাঁথনি(Micro Structure)। ঠিক তেনেদৰে অভিধানতত্ত্ববিদ বো ভেনছনে তেওঁৰ গ্ৰন্থ A Handbook of Lexicography (২০০৯,৭৬-৮০)ত অভিধানৰ গাঁথনি সম্পৰ্কে আলোচনা কৰাৰ লগতে অভিধানৰ গাঁথনিৰ বিভিন্ন প্ৰকাৰ সম্পৰ্কে বিস্তৃত ৰূপত আলোচনা কৰিছে। তেওঁ সাত প্ৰকাৰৰ অভিধানৰ গাঁথনিৰ কথা উল্লেখ কৰিছে। সেয়া হৈছে- বৃহৎ গাঁথনি(Mega Structure), বৰ গাঁথনি(Macro structure), অনুগাঁথনি

(Micro Structure) বিতৰণ গাঁথনি(Distribution Structure), মিশ্ৰ প্ৰসংগ গাঁথনি(Cross Reference Structure), সুলভ গাঁথনি (Access Structure) আৰু সম্বোধনাত্মক গাঁথনি(Addressing Structure)। এই আটাইবোৰ গাঁথনি লগ লাগিয়েই এখন অভিধান সম্পূৰ্ণ হৈ উঠে। অৱশ্যে ভেনছনে এই আটাইকেইটা গাঁথনিৰ ভিতৰতে বৃহৎ গাঁথনি, বৰ গাঁথনি আৰু অনুগাঁথনিকে প্ৰধান বুলি কৈছে। আমাৰ এই বিভাগত অভিধানৰ অনুগাঁথনি সম্পৰ্কীয় বিভিন্ন দিশ সম্পৰ্কে আলোচনা কৰাৰ লগতে অসমীয়া ভাষাৰ অভিধানসমূহৰ অনুগাঁথনি সম্পৰ্কে আলোচনা কৰা হ'ব।

## ৪.২ উদ্দেশ্য (Objectives)

এই বিভাগটো অধ্যয়ন কৰি আপোনালোকে—

- অভিধান এখনৰ প্ৰবিষ্টি গাঁথনিক দিশেৰে কেনে হোৱা উচিত সেই সম্পৰ্কে জ্ঞাত হ'ব পাৰিব;
- অভিধান এখনৰ শিতান শব্দৰ অনুগাঁথনিয়ে কিদৰে ব্যৱহাৰকাৰীক উপযুক্তভাৱে তথ্য প্ৰদান কৰে সেই সম্পৰ্কে জানিব পাৰিব;
- অভিধানৰ অনুগাঁথনিত কোনবোৰ উপাদানে সহায় কৰে সেই সম্পৰ্কে আভাস পাব পাৰিব;
- অভিধান এখনত কিদৰে শব্দ আৰু অৰ্থৰ লগতে আনুষংগিক দিশ সমূহ সংগঠিত কৰা হয় সেই সম্পৰ্কে জানিব পাৰিব;
- অসমীয়া অভিধানত কেনেদৰে অনুগাঁথনি সমূহ ৰক্ষিত হৈছে সেই সম্পৰ্কে জ্ঞাত হ'ব পাৰিব।

## ৪.৩ অভিধানৰ অনুগাঁথনি

অভিধান হৈছে কোনো এক ভাষাৰ সকলোবোৰ শব্দকে সামৰি প্ৰস্তুত কৰা শব্দ সম্পৰ্কীয় ভঁৰাল, য'ত শব্দৰ সংৰক্ষণ আৰু সংবৰ্দ্ধন কৰা হয়। অৱশ্যে শব্দৰ অৰ্থ সন্নিৱিষ্ট কৰি পুথি এখন প্ৰস্তুত কৰি উলিয়ালেই অভিধান শাৰীত নপৰিবও পাৰে। তেতিয়াই অভিধানৰ গাঁথনিৰ কথাটো আহি পৰে। এই শব্দৰ ভঁৰালটোত শব্দবোৰ কেনেদৰে ৰাখিব লাগে বা কেনেদৰে ক্ৰমাবদ্ধ ৰূপত সন্নিৱিষ্ট কৰিব পাৰি তাৰ এক প্ৰণালী আছে। সাধাৰণতে অনুগাঁথনি শব্দটোৱে প্ৰবিষ্টিৰ আভ্যন্তৰীণ গঠনক বুজায়। এই অনুগাঁথনিয়ে প্ৰবিষ্টিত অন্তৰ্ভুক্ত মূল শব্দ বা শিতান শব্দই বহন কৰা আভিধানিক তথ্যৰ গাঁথনিক সূচায়। শিতান শব্দ বা মূল শব্দৰ অনুগাঁথনিয়ে পৰ্যায়ক্ৰমে ৰূপ, অৰ্থ , ব্যৱহাৰ সম্পৰ্কীয় তথ্য প্ৰদান কৰে। অভিধান এখন বিচাৰ কাৰ্যৰ বাবে অভিধানখনৰ অনুগাঁথনিটোৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে ।

অনুগাঁথনি সম্পৰ্কে বিভিন্ন পণ্ডিতে আগবঢ়োৱা কেইটামান সংজ্ঞা উল্লেখ কৰা হ'ল-

১) The Dictionay of Lexicography(2002)lists "Microstructure as the element Which "Provides information about The HEADWORD, with comments on its Formal and Semantic Properties (spelling, Pronounciation, Grammar, definition, Usage, Etymology." The Dictionay of Lexicography য়ে অনুগাঁথনিৰ ভিতৰত অন্তভুৰ্ক্ত কৰা উপাদানসমূহ হ'ল আখৰ জোঁটনি, উচ্চাৰণ, ব্যাকৰণগত দিশ, সংজ্ঞা, প্ৰয়োগৰীতি, বুৎপত্তি আদি। এই উপাদানসমূহে শিতান শব্দক আনুষ্ঠানিক আৰু অৰ্থবোধক ৰূপত বিতংভাৱে তথ্য প্ৰদান কৰে।

২) Jackson (2002:55) defines it simply as "the information within entries". অৰ্থাৎ অনুগাঁথনি হৈছে প্ৰবিষ্টিৰ অন্তৰ্গত তথ্য।

৩) Zgusta(2001:16 )considers microstructure the "construction of entries", the "arrangement of entries." অৰ্থাৎ প্ৰবিষ্টিৰ গঠন আৰু তাক সুসংগঠিত ৰূপত উপস্থাপন কৰা বিষয়ৰ সৈতে অনুগাঁথনি জড়িত।

৪) Landau(2001:99) defines microstructure as "the particular way in which definations and other features of the dictionary article are presented."অৰ্থাৎ অনুগাঁথনিয়ে অভিধানৰ প্ৰৱিষ্টিত সংজ্ঞা আৰু অন্যান্য তথ্য প্ৰদান কৰাৰ ধৰণক বুজায়।

এই সংজ্ঞা সমূহৰ পৰা এটা কথা ক'ব পাৰি যে অনুগাঁথনিয়ে প্ৰবিষ্টিৰ গঠনত মূল শব্দ বা শিতান শব্দ এটাৰ সংজ্ঞা, বাখ্যা, অৰ্থ আদি দিবপৰাকৈ বিভিন্ন উপাদানসমূহক সামৰি লয়। এটা সু-সংহত অনুগাঁথনিয়ে অভিধানৰ ব্যৱহাৰযোগ্যতা বৃদ্ধি কৰে, যাৰ ফলত ব্যৱহাৰকাৰীসকলে মূল শব্দৰ বিষয়ে তথ্য বিচৰাৰ লগতে বুজি পোৱাত সুবিধা হয়। অভিধান এখনৰ অনুগাঁথনিৰ কেইটামান গুৰুত্বপূৰ্ণ কাম হৈছে-

ক) সু-সংহত ভাৱে প্ৰস্তুত কৰা অনুগাঁথনিয়ে ব্যৱহাৰকাৰীসকলক তেওঁলোকে বিচৰা প্ৰয়োজনীয় তথ্যটো খুব সোনকালে সহজে বিচৰাত সহায় কৰে।

খ) অনুগাঁথনিয়ে জটিল ভাষিক ৰূপ কিছুমান খুব সংক্ষিপ্তকৈ সংগঠিত ৰূপত উপস্থাপন কৰাত সহায় কৰে।

গ)অভিধানৰ অনুগাঁথনিয়ে ভাষিক তথ্যৰ স্পষ্ট উপস্থাপন কৰি ভাষা শিক্ষণৰ বাবে সুবিধা প্ৰদান কৰে। বিশেষকৈ

দ্বিভাষিক অভিধান এখনত সু-সংহত অনুগাঁথনিয়ে ব্যৱহাৰকাৰীক ভাষা শিক্ষণৰ বাবে সুবিধা প্ৰদান কৰে।

গতিকে অভিধানৰ অনুগাঁথনিটোৱেই অভিধান এখনৰ মূল আধাৰ বুলিব পাৰি। অভিধানৰ প্ৰবিষ্টিত থকা শিতান শব্দই বহন কৰা বিভিন্ন দিশ সমূহেই অনুগাঁথনি। আনহাতে শিতান শব্দৰ তালিকাক বৰগাঁথনি বুলি কোৱা হয়।

অনুগাঁথনিয়ে সামৰি লোৱা শব্দৰ ক্ৰম, ব্যাকৰণগত বিষয়, আখৰ জোঁটনি, ক্ৰম নিৰ্দেশনা, উচ্চাৰণ, বুৎপত্তি, অৰ্থৰ নিৰ্দেশ, উদাহৰণ আদি বিভিন্ন দিশসমূহ ক অভিধানৰ অনুগাঁথনিত অন্তৰ্ভুক্ত কৰিব পাৰি। এই সম্পৰ্কে তলত আলোচনা কৰা হ'ল-

**৪.৩.১ শব্দৰ ক্ৰম**

শব্দৰ ক্ৰম অনুগাঁথনিৰ গুৰুত্বপূৰ্ণ বিষয়। সাধাৰণতে যি ভাষাৰ অভিধান প্ৰণয়ন কৰা হয় সেই ভাষাটোৰ যিবোৰ বৰ্ণ শব্দৰ আৰম্ভণিতে ব্যৱহাৰ হয় সেইবোৰ বৰ্ণৰ ক্ৰম অনুসৰি আৰু সংখ্যা অনুসৰিহে সংশ্লিষ্ট ভাষাৰ অভিধানত অধ্যায় বিভাজন হয়। অসমীয়া ভাষাৰ অভিধানৰ ক্ষেত্ৰত অ, আ, ই, ঈ, উ, ঊ,ঋ, এ,ঐ,ও,ঔ এঘাৰটা স্বৰবৰ্ণহি শব্দৰ আদিতে ব্যৱহাৰ হয়। সাতত্ৰিশটা ব্যঞ্জন বৰ্ণৰ ভিতৰত ত্ৰিশটা ব্যঞ্জন বৰ্ণ শব্দৰ আদিতে ব্যৱহাৰ হয় ।¯ ঙ, ঞ, ণ, ৰ,য়,ড়, ঢ় বৰ্ণৰ বাদে আনবোৰ বৰ্ণ শব্দৰ আদি স্থানত ব্যৱহাৰ হয়। আকৌ ৎ,ং,ঃ,ঁ -ক বৰ্ণ হিচাপে গ্ৰহণ কৰা নহয়। অসমীয়া ভাষাত ১১ +৩০=৪১ টা খণ্ডত প্ৰবিষ্টিবোৰ বিভাজন কৰি ব্যৱহাৰ কৰা দেখা যায়। গতিকে অসমীয়া ভাষাৰ অভিধানৰ খণ্ডবোৰ বৰ্ণমালাৰ ক্ৰমৰ জৰিয়তে দিয়া হয়। বৰ্ণনাক্ৰমিক অনুগাঁথনিৰ অন্যতম দিশ। অসমীয়া ভাষাৰ অভিধানৰ শব্দক্ৰম সদায় বৰ্ণানুক্ৰমিক। ঊনবিংশ শতিকাৰ প্ৰথমখন অভিধান উচ্চাৰণ ভিত্তিক আছিল যদিও *হেমকোষৰ* বৰ্ণানুক্ৰম আছিল সংস্কৃতৰ ৰত্নমালা ব্যাকৰণ। সেয়েহে *হেমকোষৰ* শব্দক্ৰমত ঋৃ,ঌ,ৡ বৰ্ণ ৰূপে অন্তৰ্ভুক্ত কৰিছে। ঠিক তেনেদৰে বিংশ শতিকাৰ পৰৱৰ্তী সময়ৰ অভিধানে হেমকোষকে আদৰ্শ হিচাপে লৈ শব্দক্ৰম প্ৰস্তুত কৰিছিল। অসমীয়া ভাষাৰ অভিধানত বৰ্ণানুক্ৰমৰ কিছু সমস্যা নথকা নহয়, তেনেক্ষেত্ৰত কিছু চিন্তা অভিধান প্ৰণয়ণৰ আৰম্ভণিতে কৰিব লাগে। শব্দৰ ক্ৰমৰ ক্ষেত্ৰত প্ৰতিখন অভিধানৰে নিজা কিছুমান নিয়ম থাকে। উদাহৰণস্বৰূপে- *চন্দ্ৰকান্ত অভিধান* ৰ শব্দক্ৰমত কিছুমান নিয়ম যেনে- অভিধানখনত শব্দৰ ক্ৰম বৰ্ণানুক্ৰমিক ভাৱেই ৰাখিছে। *হেমকোষকে* আদৰ্শ হিচাপে ৰাখি *চন্দ্ৰকান্ত অভিধানৰ* শব্দৰ ক্ৰম সজোৱা হৈছে। অভিধানখনত শিতান বা মূল শব্দৰ বৰ্ণনানুক্ৰম এনেধৰণৰ-

| | | | |
|---|---|---|---|
| অ | আ | ই | ঈ |
| উ | ঊ | ঋ | |
| এ | ঐ | ও | ঔ |
| ক | খ | গ | ঘ |
| চ | ছ | জ | ঝ |
| ট | ঠ | ড | ঢ |

| | | | | |
|---|---|---|---|---|
| ত | থ | দ | ধ | ন |
| প | ফ | ব | ভ | ম |
| য | ৰ | ল | | |
| শ | ষ | স | হ | ক্ষ |

শিতান শব্দ বা মূল শব্দৰ বৰ্ণানুক্ৰম ওপৰৰ তালিকাৰ দৰেই ৰাখিছে। ব্যঞ্জনবৰ্ণৰ ক্ষেত্ৰত শব্দৰ আদিতে ব্যৱহাৰ নোহোৱা যেনে- ঙ, ঞ, ণ, ৱ,আখৰৰ এই অভিধানত ব্যৱহাৰ কৰা নাই। ইয়াৰ উপৰি শব্দৰ বৰ্ণানুক্ৰম শেষ কৰিয়েই ড়, ঢ়, য়,ৎ,ং,ঃ,ঁ আখৰকেইটাৰ এক পৰিচয়মূলক টোকা প্ৰস্তুত কৰিছে লগতে আখৰসমূহৰ বিশেষত্ব সম্পৰ্কে উল্লেখ কৰিছে। উল্লেখযোগ্য যে ড়, ঢ়,ৎ,ং ,ঃ এই আখৰেৰে আৰম্ভ হোৱা অসমীয়া শব্দ নাই ' য় ' বৰ্ণৰ কেইটামান শব্দৰ প্ৰয়োগ দেখুৱাইছে।

উদাহৰণ-

**য়াক** [ইং] বি. শীত প্ৰধান অঞ্চলৰ পোহ মনাব পৰা, ভাৰবাহী এবিধ নোমাল বনৰীয়া জন্তু; yak.

**য়েতি** বি. হিমালয়ৰ উচ্চ তুষাৰবৃত্ত অঞ্চলত বাস কৰা বুলি ভবা এক ৰহস্যময় প্ৰাণী;yeti.

ইয়াৰোপৰি ঁ -ক গাইগুটীয়াকৈ ব্যৱহাৰ নহয় বুলি পৰিচয়মূলক টোকাত উল্লেখ কৰিছে। অভিধানখনত দেখা যায় শব্দৰ মাজত ব্যৱহাৰ কৰোঁতে ড়, ঢ়, ৎ এই তিনিওটা আখৰক হেমকোষে মানি চলা ৰীতি অনুযায়ী অন্তৰ্ভুক্ত কৰিছে।

উদাহৰণস্বৰূপে- এঠা
এঠেঙীয়া
এডলীয়া (ঠ,ড,ড় -ৰ ক্ৰম)
এডিঙীয়া
এড়া
এড়ী

কঠীয়া
কঠুৱা
কড়া
কড়াল (ঠ,ড়, ঢ়- ৰ ক্ৰম)
কঢ়া
কঢ়া-কঢ়ি

আকৌ (ং) অনুস্বাৰ আৰু চন্দ্ৰবিন্দু(ঁ)- ক উপানুক্ৰমত সজাওঁতে স্বৰবৰ্ণৰ পাছত ব্যৱহাৰ কৰিছে।

উদাহৰণ- আওহেলা

আংঠি

আংবাং (ও-ং-ঃ,ঁ)

আঃ

আঁক

আঁক-বাক **(চন্দ্ৰকান্ত অভিধান)**

শব্দৰ ক্ৰম নিৰ্ণয়ৰ লগতে অভিধানত একে বানান আৰু উচ্চাৰণ থকা অৰ্থৰ ভিন্নতা প্ৰদানৰ বাবে এনে শব্দবোৰক বেলেগ বেলেগ প্ৰবিষ্টি ৰূপে অন্তভুৰ্ক্ত কৰিব লাগে। উদাহৰণ স্বৰূপে-

**খট্**[১] অনুক.টান বস্তুত আঘাত লাগিলে হোৱাৰ নিচিনা শব্দ,An imitative sound used to express that produced on striking a hard body.

**খট্**[২] বি.(কাম.) চকুৰ ৰোগ বিশেষ; যেনে, খট পৰা, an eye disease.

**খট্**[৩] বিণ.দুষ্ট,wicked.

**খট্**[৪] **খাট** বি.(পু.অ) ডকাইতি; যেনে,তেএঁকে গুৰু মানি শৰণ ললে তিনিও কুৰি খাটে(গুৰুচৰিত)a dacoit.

**উভতি**[১] **বি.** চেপাতকৈ ডাঙৰ এবিধ মাছ ধৰা সঁজুলি.a fish-trap

**উভতি**[২] অস. ক্ৰি.উলটি, returning, turning back; ; ক্ৰি.বিণ.উলটি,ঘুৰি।

**উভতি**[৩] বি. আমনি, আখটি, দুষ্টামি, harassment, annoyance,mischief.

**(হেমকোষ)**

আকৌ অভিধানখনত প্ৰবিষ্টিৰ মৰ্যাদা প্ৰদানৰ ক্ষেত্ৰত অভিধানখনত একে অৰ্থবাচক আৰু একে পৰিয়ালভুক্ত শব্দবোৰক একেটা মূল শব্দৰ ভিতৰত ৰাখি সাধিত শব্দসমূহক উপশীৰ্ষক ৰূপেও অন্তৰ্ভুক্ত কৰিলে গাঁথনিকভাৱে প্ৰণালীবদ্ধ হৈ উঠে।

এনে প্ৰণালীবদ্ধৰীতি *চন্দ্ৰকান্ত অভিধানত* আছে। তাৰে এটা উদাহৰণ-

**গাপ** [সং.গৰ্ভ ] জেকা বস্তুৰ গাৰপৰা ওলোৱা অলপীয়া তাপ; heat emitted from damp substances.২/ বায়ুৰ অভাৱত উৎপন্ন হোৱা ভাপ বা তাপ; heat produced from want of fresh 1air.গাপ উঠ্ গাপ উৎপন্ন হ। **গাপ দি** গাপ্ উঠিবৰ কাৰণে চলি থকা বতাহ নলগাকৈ ঢাকি থ,যেনে-"চাহগুটি গাপ দি"; "ধানৰ ডুলিত কঠাল গাপ দি;" to generate heat by preventing contact with fresh air.২/ভাপ লগাই কোমল কৰ: যেনে-"গাপ দি নাওখন বহল কৰ্ বা বেঁকা বাঁহডাল পোন কৰ্'; to

make oft by applying heat or steam. ৩/ তপত কৰ্;to heat. গাপ লাগ্ তিতা বা জেকা বস্তু বতাহ নোপোৱাকৈ ঢাক বা হেঁচা খাই থকাত তাৰ পৰা গাপ উঠ বা তাপ উৎপন্ন হ; যেনে-"উৰুষণি পানী পৰি ধানবোৰ গাপ লাগিল" to be heated and decomposed as damp substances by means of fermentaion.

**(চন্দ্ৰকান্ত অভিধান)**

### ৪.৩.২ বানান বা আখৰ জোঁটনি

অনুগাঁথনিৰ আন এটা গুৰুত্বপূৰ্ণ দিশ হৈছে আখৰ জোঁটনি বা বানান। কোনো এটা ভাষাৰ ঐতিহ্য আৰু ব্যৱহাৰৰ পৰম্পৰা অনুসৰি যিটো বানান সকলোৰে গ্ৰহণযোগ্য হয় সেই বানানটোৰেই সংশ্লিষ্ট ভাষাৰ অভিধানত প্ৰয়োগ কৰিব লাগে। বানান বা আখৰ জোঁটনিৰ শুদ্ধতাৰ বাবে অভিধান প্ৰণেতাই এক সুস্পষ্ট নীতি-নিয়ম নিৰ্ধাৰিণ কৰিব লাগে। কথিত ভাষাৰ শব্দই হওক বা লিখিত ৰূপৰ শব্দৰ বাবেই হওক শব্দৰ জোঁটনি একে হ'বলৈ এটা নিৰ্দিষ্ট নিয়ম থাকিব লাগে। কাৰণ আখৰ জোঁটনিৰ পৰাই শব্দৰ উচ্চাৰণ, মূল সকলোৰে বুজি পোৱা হ'ব লাগে। এই নিয়ম কোনো সন্মানীয় সমিতিয়ে প্ৰস্তুত কৰি লোৱা হ'ব লাগে। প্ৰায়ে দেখা যায় একেটা ভাষাৰ বিভিন্ন অভিধানত ভিন ভিন আখৰ জোঁটনিৰ ব্যৱহাৰ হয়, কিন্তু এনেবোৰ কথা অভিধান প্ৰণেতাজনে লক্ষ্য কৰিব লাগে। বিশেষকৈ অভিধান প্ৰস্তুত কৰিব খোজা ভাষাটোত একেটা শব্দকে বেলেগ বেলেগ ধৰণেৰে লিখাৰ পৰম্পৰা থাকিলে সৰ্বাধিক প্ৰচলিত ৰূপটো শিতান শব্দ বা মূল শব্দ ৰূপে প্ৰয়োগ কৰি কাষতে বিকল্প ৰূপটো প্ৰয়োগ কৰিব লাগে। অসমীয়া আখৰ জোঁটনিৰ ক্ষেত্ৰত ৰেফযুক্ত দ্বিত ব্যঞ্জন বৰ্ণসমূহক গ্ৰহণ কৰিব নে বৰ্জন কৰিব,'ঙ' সংযুক্ত ব্যঞ্জনসমূহত অনুস্বাৰ(ং) ক বিকল্পৰূপে ব্যৱহাৰ কৰিব নে ,'ৎ' ৰ ঠাইত 'ত' ব্যৱহাৰ কৰিব নে নকৰে এনেধৰণৰ কথাবোৰ আৰম্ভণিতে ঠিৰাং কৰি ল'ব লাগে। ইয়াৰ উপৰি শব্দ এটা ধাৰ কৰা শব্দ হ'লে বা আন ভাষাৰ পৰা গ্ৰহণ কৰিলে সেই শব্দসমূহৰ হ্ৰস্ব-দীৰ্ঘ, দন্ত্য-মূৰ্ধণ্য বৰ্গ, চ-ছ আদি কোনটো ব্যৱহাৰ কৰা হ'ব এইধৰণৰ কথাবোৰ আউল নালাগিবলৈ পাতনিতে সবিশেষ উল্লেখ কৰিব লাগে। আকৌ আখৰ জোঁটনিৰ ৰূপ সকলো স্থানতে একে ৰাখিব লাগে। অৱশ্যে কিছুমান শব্দৰ জোঁটনিৰ একাধিক ৰূপ থাকে। পাতনিতে অভিধানখনৰ 'আখৰ জোঁটনি' ত প্ৰধানকৈ কি ৰীতি গ্ৰহণ কৰিছে সেই সম্পৰ্কে উল্লেখ কৰিব লাগে। অসমীয়া অভিধানলৈ লক্ষ্য কৰিলে দেখা যায় 'আখৰ জোঁটনি'ৰ বাবে কেতবোৰ নিয়ম অভিধান প্ৰস্তুতিৰ সময়তে ঠিক কৰি লৈছে। হেমচন্দ্ৰ বৰুৱাই *হেমকোষত* ভালকৈ মন দি পঢ়ি মনত ৰাখিবলগীয়া কথা' নামেৰে লিখা কথাখিনিত বানান সম্পৰ্কীয় কেইটামান কথা গুৰুত্বপূৰ্ণ ৰূপত নিৰ্দেশ কৰিছে। সেয়া হৈছে-শব্দৰ মূল অনুসৰি, শব্দৰ উচ্চাৰণ অনুসৰি আৰু জনা বুজা লোকৰ মাজত বহুদিন ধৰি প্ৰচলিত বানানৰ কথা উল্লেখ কৰিছে। ঠিক তেনেদৰে আখৰ জোঁটনিৰ ক্ষেত্ৰত *শব্দাইঘাট অভিধানত* কোনো বৈপ্লবিক সিদ্ধান্ত গ্ৰহণ নকৰি

প্ৰচলিত আৰু অভিধানসন্মত বানান গ্ৰহণ কৰাৰ কথা উল্লেখ কৰিছে। মাত্ৰ কোনো শব্দৰ বানান বিভিন্ন অভিধানত

বিভিন্ন ধৰণে থাকিলে সেই শব্দৰ বিভ্ৰান্তি আঁতৰ কৰিবলৈ *চন্দ্ৰকান্ত অভিধানৰ* মতে ব্যৱহাৰ কৰিছে। কিন্তু অপ্ৰয়োজনত আখৰ জোঁটনি জটিল নহ'বলৈ *আধুনিক অসমীয়া অভিধান বা চলন্ত অভিধানৰ* ব্যৱহাৰৰ কথা পাতনিতে উল্লেখ কৰিছে।

*শৰাইঘাট অভিধান*ত আখৰ জোঁটনিত ৰেফ যোগ হোৱা ব্যঞ্জন বৰ্ণবোৰ দ্বিত্ব পৰিহাৰ কৰি একাকী ৰূপত লিখিছে(যেনে-কৰ্ম,ধৰ্ম), কিন্তু 'য়' কাৰ যুক্ত ব্যঞ্জনৰ ক্ষেত্ৰত (্য) -ক দ্বিত্ব বুলি বৰ্জন কৰা নাই মূলতঃ উচ্চাৰণৰ শুদ্ধতা ৰক্ষাৰ বাবে(যেনে-সূৰ্য্য, কাৰ্য্য। কিছুমান আৰবী, হিন্দী, ফাৰ্চী শব্দৰ মূলৰ লিপ্যন্তৰৰ ক্ষেত্ৰত শ,ষ,স-ৰ উচ্চাৰণৰ পৰিৱৰ্তে অসমীয়াত 'ছ' ৰ ব্যৱহাৰ কৰিছে। যেনে- পেছকাৰ, ইছলাম আদি।

### ৪.৩.৩ বুৎপত্তি বা উৎসৰ নিৰ্দেশ

অভিধানৰ অনুগাঁথনিৰ অন্যতম এটা উপাদান হৈছে বুৎপত্তি। মূল শব্দ বা শিতান শব্দবোৰৰ মূল ভাষা কি, শব্দটো কি ভাষাৰ পৰা কেনেধৰণৰ পৰিৱৰ্তনৰ মাজেৰে বৰ্তমানৰ ৰূপ লাভ কৰিছে সেই সম্পৰ্কীয় উল্লেখেই বুৎপত্তি। বিশেষকৈ শব্দ এটাৰ মূলৰ সন্ধানত বুৎপত্তিয়ে সহায় কৰে। এই উল্লেখৰ জৰিয়তে আচলতে কিছুমান শব্দৰ ক্ৰম বিবৰ্তনত অৰ্থৰ সাল-সলনি হ'লে বুৎপত্তিয়ে মূল ভাষাৰ অৰ্থ বিচৰাত সহায় কৰে। শব্দৰ অৰ্থৰ উপৰিও উচ্চাৰণ, আৰু আখৰ জোঁটনিতো এই ক্ৰমবিবৰ্তন আহিব পাৰে। তেনেক্ষেত্ৰত অভিধানৰ অনুগাঁথনিত বুৎপত্তি এটা গুৰুত্বপূৰ্ণ উপাদান। বুৎপত্তিৰ প্ৰয়োজনীয়তা বিশেষকৈ ঐতিহাসিক অভিধানৰ বাবে। বৰ্ণনাত্মক অথবা ব্যৱহাৰিক অভিধানত বুৎপত্তিৰ নিৰ্দেশ খুব কমেই থাকে। কিন্তু কিছুমান ভাষাত বুৎপত্তিমূলক অভিধান আছে য'ত প্ৰতিটো শব্দসাৰেৰে মূল নিৰ্দেশ কৰাৰ উপৰি কি কি স্তৰৰ মাজেৰে সেই শব্দটো ক্ৰমবিবৰ্তিত হৈ আহিছে তাৰ বিতং বিৱৰণ থাকে। এক বা ততোধিক ভাষাৰ ঐতিহাসিক বা তুলনামূলক অধ্যয়ন কৰোঁতে বুৎপত্তিমূলক অভিধানে বিশেষভাৱে সহায় কৰে। অসমীয়া অভিধানলৈ চালে হেমচন্দ্ৰ বৰুৱাৰ *হেমকোষ*ত বুৎপত্তি দিয়া হৈছে। বুৎপত্তি প্ৰদানৰ বাবে তেখেতে তৎসম আৰু তদ্ভৱ শব্দৰ ক্ষেত্ৰত সংস্কৃত মূল শব্দৰ উল্লেখে শব্দৰ মাজত থকা সম্পৰ্ক দেখাবৰ যত্ন কৰিছে। কিছুমান শব্দৰ ক্ষেত্ৰত মূল নিৰ্দেশ কৰি শব্দৰ সাধনো দেখুৱাইছে। উদাহৰণস্বৰূপে-

হিমাদ্ৰি (সং.হিমাদ্ৰি-হিম, গোট মৰা পানী + অদ্ৰিঞ্চ পৰ্ব্বত) হিমালয় পৰ্ব্বত, the Himalayas

প্ৰবৃত্ত বিণ.(সং.)প্ৰবৃত্ত—প্ৰ, উপস.+ বৃত্,বৰ্ত্তমান হ)নিযুক্ত; যেনে, কামত প্ৰবৃত্ত ,engaged in .

নাৰকী-বিণ(সং. নাৰকিন্- নাৰক, নৰক+ ইন্ )নৰকী, পাপী,নৰকৰ যোগ্য, sinful,infernal,hellish, liable to suffer in hell, devilish. **(হেমকোষ)**

সকলো অভিধানতে বুৎপত্তি নাথাকে, কেতিয়াবা অভিধান এখনে বুৎপত্তি নির্দেশ আৰু মূল শব্দৰ সাধিত ৰূপ নির্দেশনা দিয়াতকৈ সকলো মূল শব্দৰ উৎস নির্দেশ কৰে। সাধাৰণতে আকাৰ- প্ৰকাৰ আৰু উদ্দেশ্য অনুসৰিয়েই অভিধান এখনত উৎস নির্দেশ দিয়া হয়। বিশেষকৈ ব্যৱহাৰিক অভিধানৰ ক্ষেত্ৰত এই নির্দেশ দেখা যায়। মূল উৎস দিয়াৰ ক্ষেত্ৰতো অভিধান প্ৰণেতাজন যথেষ্ট সচেতন হ'বলগীয়া হয়। উৎসৰ নির্দেশ সম্পৰ্কে দেবেশ্বৰ চলিহাই *চন্দ্ৰকান্ত অভিধানত* গুৰুত্বপূৰ্ণ মত প্ৰদান কৰিছে-

অসমীয়া ভাষাৰ অনেক শব্দৰ মূল উলিয়াবলৈ টান হৈ পৰিছে। গতিকে কোনো কোনো শব্দৰ মূল

দিয়াহোৱা নাই। দিয়াৰ ভিতৰতো, কোনো কোনো ঠাইত অশুদ্ধও ওলাব পাৰে; কিয়নো, মূল

নিৰ্ণয় কৰিবলৈ গৈ, কেতিয়বা বিমোৰত পৰিব লাগে। এই কামলৈ অনেক ভাষাত পাৰ্গতালিৰ প্ৰয়োজন।

(চন্দ্ৰকান্ত অভিধান ০.০৩)

প্ৰায়ে *আধুনিক অসমীয়া অভিধানৰ* ক্ষেত্ৰত বুৎপত্তি নির্দেশ পৰিহাৰ কৰি চলা দেখা যায়। বিশেষকৈ এই অভিধানত বুৎপত্তিৰ সলনি সংস্কৃত,আৰবী-ফাৰ্চী, হিন্দী, ইংৰাজী, পৰ্টুগিজ, আহোম ভাষাৰ পৰা অসমীয়ালৈ অহা শব্দবোৰৰ উৎসৰ নির্দেশ কৰিছে। সকলো শব্দৰ মূল ৰূপৰ উল্লেখ সম্ভৱ নহ'লে উৎস ভাষাৰ নির্দেশ সংক্ষিপ্ত ৰূপত দিয়া দেখা যায়। *চন্দ্ৰকান্ত অভিধানতো* বুৎপত্তিৰ সলনি উৎসৰ নির্দেশ দিয়া দেখা যায়।

উদাহৰণস্বৰূপে-

কাফুৰ(সং.কপূৰ,হি.কাফুৰ)

আপোন(সং.আত্মন্ )

কাপ্তান (ইং.Captain)

চৌকা(সং. চতুষ্ক) **(চন্দ্ৰকান্ত অভিধান)**

'শৰাইঘাট অভিধান'টো প্ৰবিষ্টিৰ উৎস নির্দেশৰ বাবে প্ৰবিষ্টি লিখনৰ শেষত সৰু বন্ধনীৰ ভিতৰত সংক্ষিপ্তকৃত ৰূপত মূল ভাষাটোৰ নাম উল্লেখ কৰি মূল শব্দটো নির্দেশ কৰিছে। এই অভিধানত উৎস নির্দেশ কৰা মূল ভাষাসমূহ হৈছে-ইংৰাজী, আৰবী, ওলন্দাজ, পৰ্টুগিজ, ফাৰ্চি, সংস্কৃত, হিন্দী আদি।

উদাহৰণ- **জৰিয়তে** ক্ৰি.বিণ. আনৰ দ্বাৰা বা হতুৱাই; মাৰফৎ। through. (হি. জৰিয়া)
**তৰ্চি** বি. ঘাইকৈ পূজা-সেৱাত ব্যৱহাৰ হোৱা পিতল বা তামেৰে নিৰ্মিত এবিধ সৰু কাঁহী। a tiny metal dish used in worshipping.(ফা.তশতৰী)

**থোপ** বি. একেডাল ঘাই ঠাৰিতে লগা ফুল, ফল আদিৰ সমষ্টি। a bunch; a cluster (flowers, fruits, etc.) (সং.স্তূপ)

**মোক্তাব** বি.পাৰ্চী, আৰবী আদি ভাষা শিকাৰ ব্যৱস্থা থকা প্ৰাথমিক বিদ্যালয়বিশেষ। a primary school.(আ.মুক্তব)

(শৰাইঘাট অভিধান)

**৪.৩.৪ বিভাগ বা শিতান**

অভিধান এখনত অন্তৰ্ভুক্ত হোৱা আন এক গুৰুত্বপূৰ্ণ দিশ হৈছে বিভাগ বা শিতান। প্ৰবিষ্টিত অন্তৰ্ভুক্ত শব্দসমূহৰ প্ৰচলন ক্ষেত্ৰ বা ব্যৱহাৰ সম্পৰ্কীয় ক্ষেত্ৰ নিৰ্দেশ কৰিবলৈ অভিধানৰ অনুগাঁথনিত বিভাগ বা শিতানক স্থান দিব পাৰে। ব্যৱহাৰকাৰীৰ বাবে এনে উপাদানৰ অন্তৰ্ভুক্তিয়ে যথেষ্ট সহায়ক হ'ব। সেই বুলি সকলো অভিধানতে এনে ৰীতি থাকিবই লাগিব বুলি ক'ব নোৱাৰি। অভিধানখনৰ উদ্দেশ্যক সফল কৰিবলৈ এনে বিভাগ বা শিতানৰ প্ৰয়োজন হ'লে শব্দৰ ব্যৱহাৰ সম্পৰ্কীয় ক্ষেত্ৰৰ উপস্থাপন কৰিব পাৰে। অসমীয়া ভাষাত এনে অভিধান বৰ বেছি চকুত নপৰে। একবিংশ শতিকাৰ এখন গুৰুত্বপূৰ্ণ অভিধান '*অসমীয়া জাতীয় অভিধান*'ত এইধৰণৰ উপাদান সন্নিৱিষ্ট কৰা দেখা যায়। অভিধানৰ অগ্ৰাংশত এই বিভাগ বা শিতানৰ তালিকা নিৰ্দেশ কৰা হৈছে। তালিকাত উল্লেখিত কেতবোৰ শিতান এনেধৰণৰ- আইন, সাহিত্য, সংগীত, বুৰঞ্জী,ভূগোল, চলচ্চিত্ৰ, চিকিৎসা, জ্যোতিষশাস্ত্ৰ, ব্ৰজাৱলী, দৰঙী,কামৰূপী, গোৱালপৰীয়া ইত্যাদি। প্ৰবিষ্টিৰ বুৎপত্তিৰ পিছতে বিভাগ/ উপবিভাগ / উপভাষা এক শিতান ৰাখি সংক্ষিপ্তৰূপত নিৰ্দেশ কৰিছে।

উদাহৰণস্বৰূপে-

**চাৱালী**(ঐ) বি. [ অ.] গোৱাল; ল'ৰা-ছোৱালী বা সন্তান থকা মহিলা।

**জকাৰ**[১](ঐ)ধা. [ পু.অ.] বৈষ্ণৱ সাহিত্য; উচ্চাৰণ কৰ, গা।

**জকাৰ**[২](ঐ)বি. [ অ.] কামৰূপী;উৰুলি।

**গ্ৰহ**[২](ঐ) বি. [ সং] জ্যোতিষশাস্ত্ৰ; আকাশত থকা ঘূৰণীয়া দীপ্তিমন্ত বস্তু। হিন্দুৰ জ্যোতিষ অনুসাৰে গ্ৰহ নটা; সূৰ্য, চন্দ্ৰ,মংগল, বুধ,বৃহস্পতি,শুক্ৰ, শনি, ৰাহু আৰু কেতু।

**গ্ৰহ**[৩] (ঐ) বি. [ সং] জ্যোতি বিং.; সূৰ্যক কেন্দ্ৰ কৰি উপবৃত্তাকাৰ কক্ষপথত পৰিভ্ৰমণ কৰা পৃথিৱীকে ধৰি আঠোটা দৃঢ়পিণ্ডক গ্ৰহ নাম দিয়া হৈছে। সূৰ্যৰপৰা দূৰত্ব অনুযায়ী এই গ্ৰহ নটা হ'ল যথাক্ৰমে বুধ, শুক্ৰ, পৃথিৱী, মঙল,বৃহস্পতি,শনি,ইউৰেনাচ আৰু নেপচুন। এতিয়া মহাকাশত অন্য তৰাৰ চৌপাশে ঘূৰা গ্ৰহও আৱিষ্কৃত হৈছে।

**গ্ৰহ**[৪] (ঐ) বি. [ সং] জ্যোতিষশাস্ত্ৰ; জ্ঞান, বোধ, গ্ৰহণ,গ্ৰাস,উপৰাগ, দখল, অৱৰোধ,দখল,অৱৰোধ,ভূত, প্ৰেত এই নটা গ্ৰহ।

**গ্ৰহ**[৬] (ঐ)বি.[ অ.]সংগীত; সত্ৰীয়া সংগীতৰ তালৰ আৰম্ভণিৰ প্ৰথম চাপৰটো।

**(অসমীয়া জাতীয় অভিধান)**

### ৪.৩.৫ ব্যাকৰণগত সঙ্কেত

অভিধান এখনত ব্যাকৰণগত সঙ্কেত মূল শব্দৰ পাছতে নিৰ্দেশ কৰা হয়। শব্দ এটাই উপযুক্ত আৰু সঠিক ৰূপত অৰ্থ প্ৰকাশ কৰিবৰ বাবে অভিধানৰ অনুগাঁথনিত ব্যাকৰণগত সঙ্কেতে স্থান পায়। সাধাৰণতে মূল শব্দটোৰ ব্যাকৰণগত সঙ্কেতে অৰ্থবোধত সহায় কৰে। ব্যাকৰণৰ সঙ্কেতৰ জৰিয়তে বাক্যৰ ইংগিত দিব পাৰি। সেয়ে মূল শব্দটো বিশেষ্য, বিশেষণ, সৰ্বনাম নে ক্ৰিয়া বিশেষণ সেই সম্পৰ্কে স্পষ্টকৈ থাকিব লাগে। এই ব্যাকৰণগত পৰিচয় সংক্ষিপ্ত ৰূপত দিয়া দেখা যায়।

যেনে-

বিশেষ্য- বি.

বিশেষণ-বিণ.

সৰ্বনাম- সৰ্ব.

ক্ৰিয়া- ক্ৰি.

ক্ৰিয়া বিশেষণ-ক্ৰি.বি. আদি।

উল্লেখযোগ্য যে কেৱল পদ-পৰিচিতি দিয়াই নহয় মূল শব্দৰ লিংগ, বচন, প্ৰত্যয়, উপসৰ্গ, অনুকাৰ শব্দ আদিৰ দৰে ব্যাকৰণগত বিষয়সমূহৰ বিষয়ে নিৰ্দেশ থাকিব লাগে। উদাহৰণস্বৰূপে -নাই অসমীয়া ভাষাত অব্যয়ক বুজায়, কিন্তু ই কেতিয়াবা ক্ৰিয়াৰ আগত উপপদ ৰূপেও ব্যৱহাৰ হয়। ইয়াৰ উপৰিও ব্যাকৰণৰ নিয়মিত নিয়মসমূহ পাতনিত বা পৰিশিষ্টত উল্লেখ কৰিলেও অনিয়মিত ৰূপসমূহৰ সাধন প্ৰক্ৰিয়াক অন্তৰ্ভুক্ত কৰিব লাগে। অসমীয়া ভাষাৰ অভিধানৰ অনুগাঁথনিলৈ চালে প্ৰায়বোৰ অভিধানতে ব্যাকৰণৰ সঙ্কেত দিয়াৰ যত্ন কৰিছে। উল্লেখযোগ্য যে ,ব্যাকৰণগত বিষয়সমূহ উল্লেখ প্ৰথম ভাষী লোকতকৈ দ্বিতীয় ভাষী লোকৰ বাবে প্ৰস্তুত কৰা অভিধানখনৰ বাবে বেছি প্ৰয়োজনীয় ।উদাহৰণস্বৰূপে- *হেমকোষত* ব্যাকৰণগত পৰিচিতি নিৰ্দেশ কৰোঁতে বিশেষকৈ মূল শব্দটোৰ ব্যাকৰণগত বিষয় অব্যয়,অনুকাৰ শব্দ,অনুৰূপ শব্দ, বিশেষ্য, বিশেষণ, উপসৰ্গ, ক্ৰিয়া, সংখ্যাবাচক শব্দ, সৰ্বনাম আদিৰে নিৰ্দেশ কৰিছে। এই ব্যাকৰণগত বিষয়ৰ বিভিন্ন উপভাগসমূহকো এই অভিধানত নিৰ্দেশ কৰিছে। যেনে- অব্যয় বুজোৱা মূল শব্দবোৰক অভিধানখনত অব্যয়ৰ ভাগ আনুষংগিক অব্যয়(আ.অব্য.), ভাববোধক অব্যয়(ভা.অব্য.),যোজক অব্যয. (যো.অব্য.)

সম্বোধনাত্মক অব্যয়(স. অব্য.), প্রশ্নার্থক অব্যয়(প্র.অব্য.)ৰ নিৰ্দেশৰ জৰিয়তে উল্লেখ কৰিছে। ঠিক তেনেদৰে বিশেষ্যৰ ভিতৰত কৃদন্ত বিশেষ্য(কৃদ বি.) আৰু গুণবাচক বিশেষ্য (গু.বি.) এই দুবিধক নিৰ্দেশ কৰিছে। বিশেষণ শব্দকো কৃদন্ত বিশেষণ(কৃ.বিণ.) আৰু ক্ৰিয়া বিশেষণ(ক্ৰি.বিণ.) হিচাপে ভাগ কৰি দেখুৱাইছে। যেনে-

**হেঁপাই ফোঁপাই** ক্ৰি.বিণ.(বং. হাঁপান,খৰকৈ উশাহ লওন+ অং, ফোঁপা, খৰকৈ চুটি উশাহ ল) ফোঁপাই জোপাই, হেলাই হেঁপাই,panting,being out of breath.

**লীন্** কৃদ.বিণ.(সং.লীন—লী, মিলি পৰ্) মিলি পৰা, লয় পোৱা, আন এক বস্তুৰে মিলি এটা হোৱা; যেনে'অন্তকালে বিষ্ণুত হৈবা লীন', absorbed, commingled, immersed; mixed, melted, dissolved, disappeared. **(হেমকোষ)**

অভিধানত ব্যাকৰণৰ তথ্যসমূহ কেনেধৰণৰ হ'ব লাগে সেই সম্পৰ্কে তলত আলোচনা কৰা হ'ল-(বসন্ত কুমাৰ গোস্বামী,৪১)

ক) মূল শব্দটোৰ সম্ভেদত অৰ্থাৎ প্ৰবিষ্টিৰ ৰূপ আৰু তাৰ পৰা বিস্তাৰিত হৈ যিবোৰ সাধন হয়, তাৰ উল্লেখ থাকিব লাগে।

খ) ব্যাকৰণৰ নিয়মিত ৰূপবোৰ অন্তৰ্ভুক্ত হ'ব নালাগে, অনিয়মিত সাধনসমূহ অন্তৰ্ভুক্ত হ'ব লাগে অৰ্থাৎ অনিয়মিত ৰূপ মূল শব্দ ৰূপটোৰ লগত আৰু নিয়মিত সাধনসমূহ পৰিশিষ্ট বা পাতনিত দিব লাগে। যেনে- অসমীয়াত বগাৰ স্ত্ৰীলিংগ বগী; কিন্তু ৰঙাৰ ৰঙী হ'ব লাগিছিল, কিন্তু ৰঙী নহৈ ৰাঙী হয় কি কাৰণে ৰূপান্তৰ ঘটি ৰাঙী হ'ল সেইটো অভিধানত থাকিব লাগিব।

গ) ক্ৰিয়া হ'লে ৰূপ আৰু অৰ্থৰ ফালৰ পৰা অনুজ্ঞাৰ ৰূপটো মূল শব্দ ৰূপ হ'ব আৰু সমাপিকা বা অসমাপিকা ৰূপ প্ৰয়োজন মতে উল্লেখ কৰিব লাগিব। সমাপিকা ক্ৰিয়া কেতিয়াবা অসমাপিকা ৰূপত ব্যৱহাৰ হয় তাৰ উল্লেখ সংশ্লিষ্ট ৰূপত থাকিব লাগিব।

ঘ)বিশেষ্য হ'লে সংখ্যাবাচক একবচনৰ ৰূপ আৰু লিংগ উল্লেখ থাকিব লাগে। লিংগ অবিজ্ঞাত হ'লে আখৰ জোঁটনিৰ বিৰোধ দেখুৱাব লাগিব । যি নিয়মেই পালন কৰা হয় আৰম্ভৰ পৰা শেষলৈকে একেটা নিয়মত হ'ব লাগিব। তদুপৰি ব্যাকৰণ সম্পৰ্কীয় তথ্যত অভিধান আৰু ব্যাকৰণক একাকাৰ কৰিব নালাগে। ইয়াৰ লগতে আন এটা কথাও মনত ৰাখিব লাগিব যেনেকৈয়ে ব্যাকৰণ সম্ভেদ দিয়া হয় পাতনিত সেই কথা উল্লেখ থাকিব লাগিব। মুঠতে অভিধানৰ প্ৰবিষ্টিত শব্দৰ ব্যাকৰণগত পৰিচয় স্পষ্টকৈ উল্লেখ কৰিব লাগিব।

**৪.৩.৬ উচ্চাৰণ**

অভিধানৰ অনুগাঁথনিৰ আন এক দিশ হৈছে উচ্চাৰণৰ নিৰ্দেশ। উচ্চাৰণৰ নিৰ্দেশ প্ৰত্যেক অভিধানতে থাকিব লাগিব বুলি নিৰ্দিষ্ট নীতি নাই। অভিধানখন কোন প্ৰকাৰৰ

অভিধান তাৰ ওপৰত ভিত্তি কৰিহে উচ্চাৰণৰ নিৰ্দেশ দিয়া দেখা যায়। অসমীয়া একভাষিক অভিধান এখনত উচ্চাৰণৰ নিৰ্দেশ দিয়াতকৈয়ো এখন দ্বি-ভাষিক অভিধানৰ বাবে উচ্চাৰণৰ নিৰ্দেশ বেছি প্ৰয়োজনীয়। অসমীয়া ভাষাত সাধাৰণ শব্দবোৰ ব্যঞ্জনান্ত কৰি উচ্চাৰণ কৰা হয়। কিন্তু এনে কিছুমান শব্দও আছে যাৰ শেষত 'অ' উচ্চাৰণ হয়।। উদাহৰণ - নাৰ, পাভ, বাৰ, পাৰ, বাত আদিৰ দৰে শব্দ, আকৌ শেষত যুক্তাক্ষৰ থকা শব্দবোৰৰ শেষত ' অ' উচ্চাৰণ হয়। ইয়াৰ উপৰি 'ৎ' ৰ পছত থকা 'স' আৰু 'ৰ' বা ল-যুক্ত শ, ষ, স -ৰ উচ্চাৰণ 'চ' হয়। যেনে-বীভৎস, বৎস, বিশ্লেষণ আদি। এইধৰণৰ অস্পষ্টতাক দূৰ কৰিবৰ বাবেই অভিধানত শব্দবোৰৰ উচ্চাৰণ দিব লাগে। উচ্চাৰণ দেখাবৰ বাবে কিছুমান পদ্ধতি অনুসৰণ কৰিব লাগে। ব্যৱহাৰকাৰীৰ বাবে এনে পদ্ধতি সুবিধাজনক হয়। উদাহৰণস্বৰূপে- হেমচন্দ্ৰ বৰুৱাৰ হেমকোষত অসমীয়া আখৰবোৰৰ উচ্চাৰণ, যুক্তাক্ষৰবোৰৰ উচ্চাৰণ আৰু শব্দবোৰৰ অন্ত্য আখৰৰ উচ্চাৰণৰ ক্ষেত্ৰত কিছু নিৰ্দেশনা আছে। অসমীয়া ভাষাত উচ্চাৰিত হোৱা শব্দবোৰৰ কি পৰিস্থিতিত স্বৰান্ত বা ব্যঞ্জনান্ত হয় সেই কথাৰ উল্লেখ কৰিছে। ঠিক তেনেদৰে অভিধান এখনত উচ্চাৰণৰ নিৰ্দেশ কৰিব পৰাকৈ বিভিন্ন চিনৰ প্ৰয়োগ কৰিছে। বিশেষকৈ অসমীয়া ভাষাৰ স্বৰৰ উচ্চাৰণত থকা অ- আৰু এ- ৰ দুটা ভিন্নৰূপৰ কথা উল্লেখ কৰিছে। অ -স্বৰক দীৰ্ঘস্বৰৰ উচ্চাৰণ বুজাবলৈ ব্যৱহৃত শব্দৰ আখৰৰ ওপৰত (-) এই চিন দি উচ্চাৰণ প্ৰয়োগ কৰা দেখা যায়। যেনে-

**অচিন্তনীয়** (বিণ.(সং. অচিন্তনীয়্ —অ, ন +চিন্তনীয়, চিন্তিব পৰা) যাক চিন্তিব নোৱাৰি, মনৰ অগোচৰ, মনেৰে ঢুকি নোপোৱা,unthinkable, inconceivable , un-imaginable, incomprehensible.

**অচিনাকি** বিণ অং.অ, ন+ চিনাকি, চিনা) নিচিনা, যাৰে সৈতে চিনাকি নাই, unknown, unacquainted with, Unfamiliar.

**অচলিত** কৃদ.বিণ.চলন নথকা, চলিত নোহোৱা;যেনে, অচলিত শব্দ, অচলিত মোহৰ, not current, not in use or circulation.

ইয়াৰ উপৰিও এটা শব্দৰ আখৰবোৰক দুটা ভাগত উচ্চাৰণ কৰিবলৈ (-) হাইফেন ) ব্যৱহাৰ কৰিছে । ব্যঞ্জন বা যুক্তাক্ষৰৰ উচ্চাৰণ ব্যঞ্জনান্ত বুজাবলৈ আখৰৰ তলত হলন্ত চিন ব্যৱহাৰ কৰিছে। যেনে- উৰ্ , আঁচ্, বান্ধ্। আকৌ এনে কিছুমান শব্দ আছে যিবোৰৰ উচ্চাৰণ সহজে দেখুৱাবলৈ অসুবিধা হয়, তেনেক্ষেত্ৰত বন্ধনীৰ ভিতৰত সেই উচ্চাৰণত প্ৰকাশ পোৱা আখৰৰ উচ্চাৰণ সম্পৰ্কে লিখিছে। যেনে- ঊনৈশ(ঊনৈছ)।

এই উচ্চাৰণ নিৰ্দেশ আধুনিক অসমীয়া অভিধানসমূহৰ ক্ষেত্ৰত বৰ বেছি দেখা নাযায়। অৱশ্যে বৰ্তমান সময়ত যিবোৰ অভিধান প্ৰণয়ন কৰা হয় সেইসমূহত আন্তৰাষ্ট্ৰীয় ধ্বনি প্ৰতীকৰ জৰিয়তে উচ্চাৰণ নিৰ্দেশ কৰাৰ প্ৰয়াস কৰিব লাগে। এই উচ্চাৰণৰ নিৰ্দেশে অভিধানৰ গাঁথনিত যথেষ্ট সহায় কৰে।

**আত্মমূল্যায়ন প্ৰশ্ন**

ব্যৱহাৰকাৰীৰ উপযোগী হোৱাকৈ অভিধানৰ আখৰ জোঁটনি আৰু ব্যাকৰণগত সম্ভেদ কেনে হোৱা উচিত চমুকৈ আলোচনা কৰক।

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

### ৪.৩.৭ অৰ্থ

অৰ্থই অভিধানৰ গাঁথনিক ভেটি মজবুত কৰে। সাধাৰণতে অভিধান এখন মূল শব্দৰ অৰ্থ জনাৰ বাবেই চোৱা হয়। সেয়ে অভিধান এখনৰ আটাইতকৈ প্ৰয়োজনীয় দিশটোৱেই হৈছে অৰ্থ।অভিধান এখনৰ উদ্দেশ্য আৰু শ্ৰেণী অনুসৰি অৰ্থ প্ৰদান পদ্ধতি ভিন্ন হয়। অভিধানৰ প্ৰবিষ্টিত কোনো এক মূল শব্দৰ অৰ্থ প্ৰদান কৰিবলৈ যাওঁতে অভিধান প্ৰণেতাজনে অভিধা অৰ্থৰ লগতে লক্ষণা বা ব্যঞ্জনা অৰ্থৰ প্ৰতিও লক্ষ্য ৰাখিব লাগে। ইয়াৰ উপৰিও পৰিৱেশ বা প্ৰসংগ অনুসৰিও কিদৰে অৰ্থৰ ভিন্নতা আহে এই কথাবোৰো অৰ্থ সন্নিৱিষ্ট কৰাৰ সময়তে মনকৰিবলগীয়া। অভিধান এখনৰ অৰ্থ প্ৰদান কৰাৰ ক্ষেত্ৰতো বিভিন্ন ৰীতি অৱলম্বন কৰা দেখা যায়। অভিধানৰ সাৰ্থকতা নিৰ্ভৰ কৰে অৰ্থ বিশ্লেষণৰ জৰিয়তে। তেনেক্ষেত্ৰত অভিধানৰ প্ৰকাৰ ভিন্নতাই অৰ্থ জ্ঞাপন ৰীতি ভিন্ন কৰে। কেতিয়াবা একেখন অভিধানতে শব্দৰ ক্ষেত্ৰ ভিন্ন হ'লে অৰ্থ প্ৰদান কৰাৰ ধৰণ ভিন্ন হয়। যেনে-

ক) শব্দৰ বাখ্যাৰ জৰিয়তে অৰ্থ জ্ঞাপন

খ) সংজ্ঞাৰ জৰিয়তে অৰ্থ জ্ঞাপন

গ) সমাৰ্থক শব্দৰ জৰিয়তে অৰ্থজ্ঞাপন

ঘ) উদাহৰণৰ যোগেদি অৰ্থজ্ঞাপন

ঙ) চিত্ৰৰ জৰিয়তে অৰ্থজ্ঞাপন আদি

শব্দৰ ব্যাখ্যা আৰু সংজ্ঞাই অৰ্থপ্ৰকাশত বিশেষ গুৰুত্ব লাভ কৰে। অৰ্থ প্ৰকাশ সদায় স্পষ্ট আৰু পোনপটীয়া হ'ব লাগে। কোনো কাৰণত দ্ব্যৰ্থবোধকতাই স্থান পাব নালাগিব। আনহাতে পৰিচিত শব্দৰ জৰিয়তেহে সেই ব্যাখ্যা দিলে অভিধানৰ সঠিক ব্যৱহাৰ হ'ব। ব্যাখ্যাত শব্দৰ পুনৰুক্তি থাকিব নালাগে। বাখ্যা এটাত ভাষাতত্ত্বৰ লগতে সাংস্কৃতিক দিশলৈ লক্ষ্য কৰি বৰ্ণনা কৰিব লাগে। উদাহৰণস্বৰূপে-' ৰাম' শব্দৰ নিজস্ব একোটা অৰ্থ আছে, তাৰোপৰি কেতিয়াবা 'ৰাম' শব্দটো ডাঙৰ, বেছি, ভাববোধক ৰূপে, কু-সংস্কাৰ আদিতো ব্যৱহাৰ হয় সেই তথ্যও উল্লেখ থাকিব লাগিব। ঠিক তেনেদৰে

গছ-গছনি, পশু-পক্ষী, ফল-মূল আদিৰ বৰ্ণনাত মাত্ৰ এবিধ ফল, এবিধ চৰাই বুলি কোৱাতকৈ সেই শব্দবোৰৰ বৰ্ণনা কৰোঁতে আকৃতি, প্ৰকৃতিৰ বৰ্ণনা দিব লাগে। উদাহৰণস্বৰূপে- কোনো এবিধ ফলৰ বিষয়ে যেতিয়া বৰ্ণনা কৰিব তেতিয়া গছজোপা কেনেকৈ হয়, ফলৰ সোৱাদ কেনেকুৱা, দেখিবলৈ কেনেকুৱা হয়, আকৃতি, পকিলে হোৱা বৰণ, কোন অংশ খোৱাৰ উপযোগী এই ধৰণৰ কথাবোৰ বৰ্ণনা বা বাখ্যাত থাকিব লাগে। বৰ্ণনা বা ব্যাখ্যাৰ জৰিয়তে প্ৰকৃত অৰ্থ ফুটি উঠিব লাগিব।

অৰ্থ প্ৰদানৰ ক্ষেত্ৰত একে অৰ্থবাচক অন্য শব্দৰ সমৰূপক অৰ্থৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। সম অৰ্থবিশিষ্ট শব্দৰ দ্বাৰা অৰ্থৰ প্ৰকাশ স্পষ্টকৈ দেখুৱাব পাৰি। প্ৰথম ভাষীৰ বাবে প্ৰণয়ন কৰা অভিধান এখনত সম অৰ্থ সম্বলিত আন এটা শব্দৰ সন্ধান প্ৰবিষ্টিত পোৱাৰ লগে লগে মূল শব্দৰ অৰ্থ স্পষ্ট হ'ব পাৰে। উদাহৰণস্বৰূপে- 'টেঙৰ' শব্দৰ অৰ্থ একে অৰ্থৰ অন্য শব্দৰ সমৰূপ শব্দ চতুৰ, ধূৰ্ত, বুধিয়ক আদি শব্দ প্ৰয়োগ কৰি অৰ্থ স্পষ্ট কৰিব পাৰি।

কেতিয়াবা সংজ্ঞা বা ব্যাখ্যাই অৰ্থটো স্পষ্টকৈ প্ৰকাশ কৰিব নোৱাৰে, তেতিয়া অভিধানৰ শব্দৰ অৰ্থক অধিক স্পষ্টকৈ প্ৰকাশ কৰিবলৈ উদাহৰণ দিব লাগে। আকৌ কেতিয়াবা উদাহৰণেও অৰ্থৰ স্পষ্টতা নিদিলে চিত্ৰৰ সহায় লোৱা হয়। বৰ্ণনা বা সংজ্ঞাৰ জৰিয়তে অৰ্থবোধ সম্ভৱ নহ'লে কেতিয়াবা প্ৰকৃত অৰ্থ বুজিবৰ বাবে নেদেখা, নুশুনা, নজনা শব্দবোৰৰ অৰ্থ চিত্ৰৰ জৰিয়তে দিব পাৰি। বিশেষকৈ শিশু অভিধানত চিত্ৰ সংযোজনে শিশুৰ বাবে উৎকৃষ্ট অভিধানৰ গাঁথনি তৈয়াৰ কৰিব পাৰে। অৱশ্যে প্ৰাপ্তবয়স্কৰ বাবে প্ৰস্তুত কৰা অভিধানতো সাধাৰণতে নজনা-নেদেখা মূল শব্দৰ বাবে চিত্ৰৰ প্ৰয়োজনীয়তা আছে। অসমীয়া ভাষাৰ অভিধান কেইখনমানত অৰ্থ সম্পৰ্কীয় উপাদান সমূহ কেনেদৰে ৰক্ষিত হৈছে আলোচনা কৰিব পাৰি-

হেমচন্দ্ৰ বৰুৱাৰ হেমকোষত অৰ্থ প্ৰদানৰ ক্ষেত্ৰত বুৎপত্তিগত অৰ্থ আৰু প্ৰচলিত অৰ্থক সমানেই গুৰুত্ব দিছে। প্ৰতিটো অসমীয়া অৰ্থৰ লগতে ইংৰাজী অৰ্থও প্ৰদান কৰিছে। অভিধানখনত অৰ্থবোৰ দিয়াৰ ক্ষেত্ৰত বুৎপত্তিগত অৰ্থটো প্ৰদান কৰিয়েই প্ৰচলিত অৰ্থৰ বাবে কেতিয়াবা প্ৰতিশব্দ, কেতিয়াবা ব্যাখ্যা বা বৰ্ণনাৰ সহায় লৈছে। উদাহৰণস্বৰূপে-

**ক্ষীণ্** বিণ.( সং.ক্ষীণ —ক্ষি, ক্ষয় পা) খীণোৱা, কৃশ,lean, emaciated, thin; জীৰ্ণ, decayed; দুৰ্বল, feeble, weak.

**অশ্ৰু** বি.(সং.অশ্ৰু, লোতক—অ, ন$_+$ শ্ৰি,সেৱা কৰ্) চকুৰ লো,লোতক, a tear.

**হেঁটাওপৰা** বি. অং হেঁটা,বেঁকা$_+$ওপৰ, উৰ্দ্ধভাগ) একেটা বস্তু পাবৰ নিমিত্তে দুই বা অনেক মানুহে ইটোৰ ওপৰত সিটো পৰা বা জোটাপুটি কৰা কাৰ্য; একেটা বস্তুৰ নিমিত্তে অনেকে কৰা যত্ন, কঢ়া-আঁজোৰা, প্ৰতিদ্বন্দ্বী, the act of scrambling for something, a competition, a rival, an opponent.

ইয়াৰ উপৰি শব্দৰ অৰ্থ লিখাৰ ক্ষেত্ৰতো কেতবোৰ চিন দিয়াৰ নিয়ম দেখা যায়। *হেমকোষ*ৰ শব্দবিলাকৰ অৰ্থ লিখোঁতে একে অৰ্থ বুজোৱা দুটা বা অধিক প্ৰতিশব্দৰ বা ব্যাখ্যাৰ মাজত একোটা যতি (,) দিছে। ঠিক তেনেদৰে আগৰ প্ৰতিশব্দ বা ব্যাখ্যাতকৈ বেলেগ অৰ্থ বুজোৱা প্ৰতিশব্দ বা ব্যাখ্যাৰ মাজত একোটা দীৰ্ঘ যতি(;) দি সিহঁতৰ অৰ্থৰ পৃথকতা বুজাইছে।

*হেমকোষ*ত প্ৰয়োজন অনুসৰি উদাহৰণৰ প্ৰয়োগ আছে। হেমচন্দ্ৰ বৰুৱাই অতি সচেতনভাৱে অৰ্থৰ স্পষ্টতাৰ প্ৰতি লক্ষ্য ৰাখিয়েই উদাহৰণৰ সংযোগ কৰিছে। বিশেষকৈ সংজ্ঞা, প্ৰতিশব্দ বা ব্যাখ্যাৰ উল্লেখেও য'ত দ্ব্যৰ্থকতা আঁতৰ কৰিব পৰা নাই সেই শব্দৰ অৰ্থ প্ৰদানত উদাহৰণৰ প্ৰয়োগ কৰিছে।

**বেলি**- বি.(সং.বেলা, সময়) সময়, কাল; যেনে-বহুত বেলি হ'ল, time; সূৰ্য (তাৰ দ্বাৰা সময়ৰ নিৰূপণ হয়, এতেকে; যেনে- বেলি ওলাল, the sun;বাৰ, কৰাৰ এটা সময়; যেনে- এবেলি আহিল, দুবেলি গ'ল, a turn;পলম; যেনে-এই তাত বেলি নকৰিবি,a delay

**লীন্** কৃদ.বিণ (সং.লীন- লী,মিলি পৰ্ ) মিলি পৰা, লয় পোৱা,আন এক বস্তুৰে মিলি এটা হোৱা; যেনে, 'অন্তকালে

বিষ্ণুত হৈবা লীন,' absorbed, commingled, immersed; মিলিত, mixed, melted, dissolved, disappeared.

**হেঁপা** বি. ওখ বা আঁতৰত থকা বস্তু ধৰিবলৈ হাত মেলন; যেনে, হেঁপা মেলিও পোৱা নাযায়,the act of stretching forth the hand to catch something on a height or at a distance./

ঠিক তেনেদৰে *চন্দ্ৰকান্ত অভিধান*তো বুৎপত্তিগত অৰ্থটোক প্ৰথমতেই স্থাপন কৰি পৰৱৰ্তী সময়ত প্ৰচলিত অৰ্থৰ ব্যৱহাৰ কৰিছে। এই অভিধানতো অৰ্থ প্ৰদানৰ বাবে প্ৰতিশব্দ, সংজ্ঞা বা বৰ্ণনাৰ সহায় লোৱা হৈছে। ইয়াৰোপৰি অৰ্থৰ সুস্পষ্টতাৰ বাবে উদাহৰণৰ সংযোগ আছে। বিশেষকৈ উদাহৰণ নিৰ্দেশৰ ক্ষেত্ৰত অভিধানখনত সাধাৰণ বাক্য কিছুমান প্ৰয়োগৰ উপৰিও উদ্ধৃতিৰ প্ৰয়োগ মনকৰিবলগীয়া। সাধাৰণ বাক্য প্ৰয়োগ কৰি উদাহৰণ দিয়া তেনে কিছুমান মূল শব্দ হৈছে-

**এৰা-ধৰা** বিণ. এবাৰ ধৰা আৰু এবাৰ এৰা; মন পুতি নকৰা; যেনে- 'কামত এৰা-ধৰা কৰা ভাল নহয়'। ক্রি.বিণ.এৰা-ধৰাকৈ

**জঁই পৰ্** লেৰেলি বা নীৰস হৈ তললৈ দোঁ খাই পৰ্; যেনে- "ৰ'দত গছজোপা জঁই পৰিল"; লাজত বা নিৰাশাত তল-মুখ কৰ্; যেনে- " মানুহটো লাজত জঁই পৰিল";

**এককালে** ক্রি.বিণ. একেবাৰে; সম্পূৰ্ণকৈ; ২/ একেদৰে একে অৱস্থাতে; যেনে- "মানুহৰ সদায় এককালে নাযায়";

আকৌ কিছুমান পুৰণি অসমীয়া শব্দৰ প্ৰসংগত উদাহৰণৰ দিবলৈ উদ্ধৃতি কিছুমানৰ প্ৰয়োগ মনকৰিবলগীয়া। এই উদ্ধৃতিসমূহ বিভিন্ন পুৰণি পুথি, বুৰঞ্জীমূলক সাহিত্য, প্ৰাচীন সাহিত্যৰ পৰা তুলি অনা হৈছে। উদাহৰণ দিয়াৰ পাছতে বন্ধনীৰ ভিতৰত উদ্ধৃত গ্ৰন্থৰ নাম দিয়াও দেখা যায়।

**ঝমক** বি. (পু.অ) দীপ্তিৰ চকমক; যেনে-" চক্ষুত ঝমক লাগে দেখিতে বিৰিঙ্গি" (কীৰ্ত্তন-ঘোষা)। ২/ অকস্মাত খোৱা ভয়,চমক; যেনে- "হৰৰ কৈলাসে যাই লগালে ঝমক" (বঘাসুৰ)

**পড়ল** (পু.অ) অক.ধা.পৰিল; যেনে- "কোটি কৰম কায় হৰিকো নাহি পায় ঃ পড়ল ভৱ বেৰি বেৰি "(বৰগীত);

**বিহতা**(পু.অ)বিণ.বিবাহিত; বিয়া-কৰা "বিহতা স্বামীত কেনে ভেলি নিদাৰুণী"(মা.ক., অযোধ্যাকাণ্ড)।

*শৰাইঘাট অভিধানটো* প্ৰৱিষ্টিৰ অৰ্থ মূলতঃ সংজ্ঞা, প্ৰতিশব্দ আৰু বৰ্ণনাৰ জৰিয়তে প্ৰদান কৰিছে। উদাহৰণস্বৰূপে-

**প্ৰতিশব্দ**

**আৱিষ্ট, আবিষ্ট**- বিণ. অভিভূত; অধিকৃত;পৰিব্যাপ্ত; বিহ্বল; তদগত overwhelmed(সং.আৱিষ্ট)

**গগন** বি.আকাশ; অম্বৰ the sky; (সং.গগন)

**বিভাকৰ** বি.সূৰ্য্য; অগ্নি the sun;fire

**সংজ্ঞা**

**বৰটোকোলা**- বি.দীঘল ঠোঁট আৰু ঠেঙেৰে বগলীৰ গঢ়ৰ এবিধ ডাঙৰ চৰাই। lesser adjutant stork; Leptoptilos javanicus

**ঘোঁটনী** বি. ঘোঁটনাৰ ঘোঁটা মাৰি; কুঁহিয়াৰৰ পগোৱা ৰস ঘোঁটা সঁজুলি। a ladle for stirring

**বৰ্ণনা**

**পাউৰা**- বি. কামৰূপৰ ভঠেলি উৎসৱত জাতি বাঁহত ৰঙীন কাপোৰ আদি মেৰাই, চোঁৱৰ আদি আঁৰি সজা বৰ বা কন্যাৰ প্ৰতীক; পাৰ বাঁহ। পাউৰাবোৰ ওখ গছত থিয়কৈ আউজাই থোৱা হয়।

**প্লুটো**-বি.সূৰ্য্যক বৰ দীঘলীয়া কক্ষপথেৰে পৰিভ্ৰমণ কৰা এক জ্যোতিষ্ক। আগতে সূৰ্য্যৰ নৱম গ্ৰহ বুলি ধৰা হৈছিল,কিন্তু বৰ্তমান ইয়াক সৌৰজগতৰ গ্ৰহ বুলি ধৰা নহয়, আৰু বাওনা গ্ৰহ বুলিহে ধৰা হয়। pluto ঠিক তেনেদৰে ঠায়ে ঠায়ে এই অভিধানৰ অৰ্থ বা বাখ্যাক স্পষ্ট কৰিবলৈ উদাহৰণ দিছে। উদাহৰণসমূহ বেঁকা আখৰেৰে প্ৰৱিষ্টিৰ

ব্যাখ্যাৰ পিছতে প্ৰদান কৰিছে। প্ৰবিষ্টিত সংযোজিত এই উদাহৰণসমূহ বেঁকা আখৰেৰে প্ৰবিষ্টিৰ ব্যাখ্যাৰ পিছতে প্ৰদান কৰিছে। উদাহৰণ-

**মানুহ কৰ্** খ.খুঁটি খাব পৰা কৰ্; সংসাৰৰ আও-ভাও পোৱা পৰ্যায়লৈ আন্। *বাপেক মৰাৰ পাছত ল'ৰা*

*ছোৱালীকেইটা মানুহ কৰাৰ ভাৰ মাকজনীৰ ওপৰত পৰিল।*

**খাৰৈ** বি. দীঘলীয়া দ গাঁত। *মানুহজনে বাৰীখনৰ চাৰিওপিনে খাৰৈ মাৰিছে।*

**পাবত গজা** বিণ . গুৰি নথকা; উপকৰা। ওপৰতে হোৱা; কোনো সম্পৰ্ক নথকা। *সেই পাবত গজাকেইটাহে এতিয়া হৰ্তা-কৰ্তা-বিধাতা। (শব্দাইঘাট অভিধান)* *শব্দাইঘাট অভিধানত* উদাহৰণ দাঙি ধৰিবলৈ যথেষ্ট সংখ্যক চিত্ৰৰ সংযোগ কৰিছে। ক্ৰমাত হেৰাই যাবলৈ ধৰা অসমীয়া লোক-সাংস্কৃতিক জীৱনত বিভিন্ন উপাদান, বিভিন্ন গছ-গছনি, পশু-পক্ষী বিষয়ক বিভিন্ন চিত্ৰৰ যেনে-হোৰা,হোকা,ভোমোৰা নামৰ গছ,শিলালিপি আদিৰ অন্তৰ্ভুক্তি কৰিছে। উদাহৰণস্বৰূপে-

**ভোগজৰা** বি. নলী লগোৱা লোটাবিশেষ; ভৃংগাৰ। a water-vessel with a spout(in which watis offered to a god or a monarch)



ভোগজৰা

**সুতুলি** বি. সৰু ল'ৰা-ছোৱালীয়ে হাতৰ মুঠিত ল'ব পৰা ফুৰাই বজোৱা এবিধ মাটিৰ বাদ্য। an Earthen whistle.





সুতুলি　　　　পিঠাৰ আকৃতিৰ সুতুলি

**ঘোঁকোটা-জাল** বি. বাম পানীত সৰু মাছ ধৰা এবিধ জাল। a handy drop net.



ঘোঁকেটা-জাল

এনেদৰে অভিধান এখনত বিভিন্ন সৰু সৰু উপাদানক অভিধানৰ অনুগাঁথনিয়ে সামৰি লয়। অৱশ্যে এখন অভিধানত সকলো উপাদান বা দিশেই সামৰি ল'ব লাগিব বুলি কোনো ধৰা বন্ধা নীতি নাই। তেনেক্ষেত্ৰত অভিধানৰ আকাৰ-প্ৰকাৰ, উদ্দেশ্য অনুসৰি প্ৰয়োজনীয়া দিশ বা উপাদানেৰে অভিধানৰ অনুগাঁথনি সজাই তুলিব লাগে।

### ৪.৪ সাৰাংশ (Summing Up)

অভিধানৰ গাঁথনি বুলিলে সেইবোৰ উপাদান বা বিষয় যিবোৰ উপাদানে অভিধান এখন শৃংখলিত আৰু প্ৰণালীবদ্ধ ৰূপত সজাই তোলাত সহায় কৰে। অভিধানৰ গাঁথনি প্ৰধানতঃ তিনিটা। তাৰে অন্যতম হৈছে অনুগাঁথনি। অনুগাঁথনিয়েই হৈছে অভিধান এখনৰ মূল আধাৰ। অনুগাঁথনিত সন্নিৱিষ্ট বিষয়সমূহে অভিধান এখনৰ শব্দ, ৰূপ, ব্যৱহাৰ সম্পৰ্কীয় তথ্য প্ৰদান কৰে। অভিধানৰ অনুগাঁথনিত থকা শব্দৰ ক্ৰম, বানান বা আখৰ জোঁটনি,ব্যাকৰণগত সম্ভেদ, বুৎপত্তি , উৎসৰ নিৰ্দেশৰ উপৰিও সংজ্ঞা,ব্যাখ্যা, প্ৰতিশব্দ,উদাহৰণ, চিত্ৰৰ জৰিয়তে অৰ্থ জ্ঞাপনে অভিধান এখন প্ৰণালীবদ্ধ ৰূপত সজাই তুলিব পাৰে। এই প্ৰণালীবদ্ধতা আৰু ক্ৰমবদ্ধতাই অভিধান এখনৰ উদ্দেশ্যক সফল কৰিব পাৰে। বিশেষকৈ ব্যৱহাৰকাৰীৰ বাবে অভিধানখন চাবলৈ সহজ কৰি তোলে। অৱশ্যে এই আটাইবোৰ দিশেই এখন অভিধানত থাকিবই লাগিব বুলি তেনে কোনো কথা নাই। আকাৰ-প্ৰকাৰ,উদ্দেশ্য অনুসৰি অনুগাঁথনিৰ অন্তৰ্ভুক্ত বিষয়বোৰ অন্তৰ্ভুক্ত কৰিব লাগে।

### ৪.৫ প্ৰসংগ টোকা (Reference Note)

অভিধানৰ অনুগাঁথনিৰ উদাহৰণৰ বাবে অসমীয়া ভাষাৰ অভিধান *হেমকোষ, চন্দ্ৰকান্ত অভিধান, শৰাইঘাট অভিধান* আৰু অসমীয়া *জাতীয় অভিধানৰ* সহায় লোৱা হৈছে।

## ৪.৬ আৰ্হি প্ৰশ্ন (Sample Question)

১। অভিধানৰ প্ৰণয়নত অনুগাঁথনিৰ ভূমিকা সম্পৰ্কে আলোচনা কৰক।

২। অনুগাঁথনিয়ে সামৰি লোৱা দিশসমূহৰ সম্পৰ্কে আলোচনা আগবঢ়াওক।

৩। অসমীয়া ভাষাৰ অভিধানত ব্যাকৰণগত সম্ভেদ কেনেধৰণে দিয়া হয় উদাহৰণসহ লিখক।

৪। অভিধানত অৰ্থৰ সুস্পষ্টতাৰ ক্ষেত্ৰত কোনবোৰৰীতি  প্ৰয়োগ কৰা হয় আলোচনা আগবঢ়াওক।

## ৪.৭ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


কলিতা, নিপন আৰু বৰা ভৃগুত্তম (সম্পা) ঃ ভাষাবিজ্ঞান আৰু অসমীয়া ভাষা, গুৱাহাটী ঃপূৰ্বায়ণ প্ৰকাশন,২০২১। প্ৰকাশিত।

কোঁৱৰ ,অৰ্পণা(সম্পা) ঃ অভিধান তত্ত্ব,গুৱাহাটী ঃ অসম বুক ট্ৰাষ্ট,২০০৯। প্ৰকাশিত।

কোঁৱৰ ,অৰ্পনা ঃ অসমত ভাষাৰ অধ্যয়ন, ডিব্ৰুগড় ঃ বনলতা,২০২০। প্ৰকাশিত।

গোস্বামী,বসন্তকুমাৰ ঃ অভিধান-তত্ত্ব, যোৰহাট ঃ অসম সাহিত্য সভা,১৯৯৭। প্ৰকাশিত।

দত্তবৰুৱা ,ফণীন্দ্ৰ নাৰায়ণ ঃ প্ৰয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা, ডিব্ৰুগড় ঃ বনলতা,২০০৬। প্ৰকাশিত।

পাদুন, নাহেন্দ্ৰ (সম্পা) ঃ ভাষাৰ তত্ত্ব-কথা, ডিব্ৰুগড় ঃ বাণী মন্দিৰ,২০০৪। প্ৰকাশিত।

হাজৰিকা, দেৱপ্ৰতীম (সম্পা) ভাষা অন্বেষণ, গুৱাহাটী ঃ সম্প্ৰীতি,২০১৬। প্ৰকাশিত।

Singh, Ram Adhar : An introduction to Lexicography, CIIL, Mysore (e-book).


*****

## পঞ্চম বিভাগ
## অভিধানৰ বৃহৎ গাঁথনি

**বিভাগৰ গঠনঃ**

৫.১ ভূমিকা (Introduction)
৫.২ উদ্দেশ্য (Objectives)
৫.৩ অভিধানৰ গাঁথনিক উপাদান
৫.৪ অভিধানৰ বৃহৎ গাঁথনি
    ৫.৪.১ অভিধানৰ অগ্ৰাংশ
    ৫.৪.২ অভিধানৰ মুখ্যাংশ
    ৫.৪.৩ অভিধানৰ পশ্চাংশ
৫.৫ সাৰাংশ (Summing Up)
৫.৬ আৰ্হি প্ৰশ্ন (Sample Questions)
৫.৭ প্ৰসংগ গ্ৰন্থ (Reference/Suggested Readings)

### ৫.১ ভূমিকা (Introduction)

অভিধান এখন গঠন কৰিবলৈ বিভিন্ন ধৰণৰ উপাদান একত্ৰিত কৰিবলগীয়া হয়। মূলতঃ শব্দ আৰু তাৰ অৰ্থই অভিধানৰ মূল বিষয় যদিও তাৰ আগে পিছেও বহুতো উপাদান নিহিত হৈ থাকে। মূল শব্দবোৰৰ লগতে শব্দবোৰ ক'ৰ পৰা সংগ্ৰহ কৰা হৈছে, কিদৰে বা কি কি পদ্ধতিৰে সংগ্ৰহ কৰা হৈছে তথা শব্দাৰ্থ কিদৰে উপস্থাপন কৰা হৈছে আদি বিভিন্ন তথ্য সম্পৰ্কিত আন বহুতো তথ্য অভিধানখন এখনৰ আঁৰত লুকাই থাকে আৰু বিভিন্ন প্ৰয়োজনত এই আনুষংগিক তথ্যবোৰ অভিধানখনত সংযোজন কৰা অতি প্ৰয়োজন। তাৰ বাবে অভিধানৰ মূল অংশৰ আগত অথবা শেষভাগত বিভিন্ন তালিকা, টোকা অথবা মানচিত্ৰৰ সহায়ত এই তথ্যসমূহ সু-সংহতভাৱে উল্লেখ কৰা হয়। উদাহৰণস্বৰূপে : পাতনি, পঢ়ুৱৈৰ প্ৰতি নিৰ্দেশনা, সংক্ষিপ্তকৃত শব্দ, পৰিশিষ্ট ইত্যাদি এই বিভিন্ন ধৰণৰ উপাদানসমূহৰ মাজৰ পৰা ব্যৱহাৰকৰ্তাই কম আয়াসতে নিজৰ প্ৰয়োজনীয় তথ্যখিনি বিচাৰি উলিয়াব পৰাকৈ অভিধান এখন পৰিপাটিকৈ সজোৱা হয়। তাত অন্তৰ্ভুক্ত বিভিন্ন উপাদানসমূহৰ পাৰস্পৰিক সম্পৰ্ক ৰক্ষা কৰাৰ ফলস্বৰূপে অভিধানখনে এক নিৰ্দিষ্ট গাঁথনি তথা প্ৰণালীবদ্ধ ৰূপ লাভ কৰে।

### ৫.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়নৰ অন্তত আপুনি—

- অভিধানৰ বহিৰাগত উপাদানসমূহৰ বিষয়ে পৰ্যালোচনা কৰিব পাৰিব;

- অভিধানৰ তিনিটা অংশ- অগ্ৰাংশ, মুখ্যাংশ আৰু পশ্চাংশ সম্পৰ্কে জানিব পাৰিব;
- অভিধানত পঢ়ুৱৈৰ প্ৰতি কেনেধৰণৰ নিৰ্দেশনা অন্তৰ্ভুক্ত হৈ থাকে আৰু সেই নিৰ্দেশনাবোৰে পঢ়ুৱৈক কিদৰে সহায় কৰে সেই বিষয়ে ধাৰণা লাভ কৰিব;
- অভিধান এখনত শব্দ আৰু তাৰ অৰ্থৰ উপৰিও আন কি কি তথ্য অন্তৰ্ভুক্ত হয় বা হোৱা উচিত সেই বিষয়ে জানিব পাৰিব;
- অভিধানৰ পাতনি কি আৰু কেনেধৰণৰ সেই সম্পৰ্কে জানিব পাৰিব;
- অভিধানৰ বৃহৎ গাঁথনিয়ে কিদৰে অভিধানখনক এক প্ৰণালীবদ্ধ ৰূপ দিয়ে সেই বিষয়ে ফঁহিয়াই চাব পাৰিব।

### ৫.৩ অভিধানৰ গাঁথনিক উপাদান

অভিধানৰ গাঁথনিক দিশ সম্পৰ্কে বিভিন্ন পণ্ডিতৰ বিভিন্ন মত পোৱা যায়। তাৰ ভিতৰত এলেন কাৰ্কনেছৰ মতে অভিধানৰ গাথনিক উপাদান তিনি ধৰণৰ-

ক) বৃহৎ গাঁথনি বা বহিৰাগত উপাদান (Outside matter)

খ) বৰ গাঁথনি (macrostructure) আৰু

গ) অনুগাঁথনি (macrostructure) (Kirkness, 2004, 64-65)

অভিধানতত্ত্ববিদ বো ভেনছনে *A Handbook of Lexicography*-গ্ৰন্থত অভিধানৰ গাঁথনিক দিশ সম্পৰ্কে বিস্তাৰিতভাৱে আলোচনা কৰি অভিধানৰ সাত প্ৰকাৰৰ গাঁথনিৰ কথা উল্লেখ কৰিছে। সেইকেইটা হ'ল- বৃহৎ গাঁথনি, বৰ গাঁথনি, অনুগাঁথনি, বিতৰণ গাঁথনি, মিশ্ৰ প্ৰসংগ গাঁথনি, সুলভ গাঁথনি আৰু সম্বোধনাত্মক গাঁথনি। সাত প্ৰকাৰৰ গাঁথনিৰ কথা উল্লেখ কৰিছে যদিও তেওঁ প্ৰথম তিনিবিধ গাঁথনিকেই প্ৰধান বুলি কৈছে (Sevensen, 2009, 76-80)। অভিধানৰ এই গাঁথনি সম্পৰ্কে বিভিন্ন পণ্ডিতৰ বিভিন্ন মত আছে যদিও এই তিনিটাই সৰ্বজনগ্ৰাহ্য বুলি ক'ব পাৰি। এই তিনিওটা ভাগৰ সমষ্টিকে অভিধানবৈজ্ঞানিক গাঁথনিক তত্ত্ব বুলি কোৱা হয় (নাথ, পৃষ্ঠা ৫২ )।

### ৫.৪ অভিধানৰ বৃহৎ গাঁথনি

অভিধান এখনৰ অগ্ৰাংশ আৰু পশ্চাংশত সন্নিৱিষ্ট অভিধানৰ বহিৰাগত উপাদান সমূহৰ সমষ্টিয়েই হ'ল অভিধান এখনৰ বৃহৎ গাঁথনি। অভিধান এখনত শব্দ আৰু তাৰ অৰ্থসমূহৰ উপৰিও আন বহুতো তথ্য নিহিত হৈ থাকে। তথ্যসমূহ ক'ৰ পৰা সংগ্ৰহ কৰা হয়, কিদৰে সজোৱা হয়, অভিধানখনত কিদৰে প্ৰয়োজনীয় শব্দ আৰু তাৰ অৰ্থ বিচাৰিব লাগে তথা সেই তথ্যসমূহৰ সম্পৰ্কিত আন অতিৰিক্ত বিভিন্ন তথ্য অভিধানখনত উল্লেখ থাকে। মূল শব্দ আৰু অৰ্থৰ লগতে এই তথ্যসমূহো সমানেই প্ৰয়োজনীয় আৰু গুৰুত্বপূৰ্ণ।

অভিধান এখনৰ অন্তৰ্গত সমগ্ৰ উপাদানসমূহকেই সন্নিবিষ্ট কৰা অৱস্থান অনুসৰি সন্মুখ, মধ্য আৰু পশ্চ তিনিধৰণে চিহ্নিত কৰা হয়। সমুখৰ উপাদানসমূহৰ ভিতৰত ব্যৱহাৰকৰ্তাৰ সূচী বা নিৰ্দেশিকা দিয়া থাকে, বিস্তৃত পাতনি উল্লেখ থাকে। মধ্য উপাদানৰ ক্ষেত্ৰত ব্যাকৰণ, শব্দসাধন প্ৰক্ৰিয়া, মানচিত্ৰ, চিত্ৰাত্মক বৰ্ণনা, মিত্ৰকোষীয় তথ্য সামৰি লোৱা হয়। পশ্চ উপাদানৰ ভিতৰত জোখমাখৰ তালিকা, বিশ্বৰ বিভিন্ন দেশৰ তালিকা, বিশ্বৰ বিভিন্ন দেশৰ পতাকা, মুদ্ৰাৰ মূল্য আদিৰ বিষয়ে উল্লেখ কৰা হয়। গতিকে ক'ব পাৰি যে অভিধান এখন মূলতঃ তিনিটা অংশৰে গঠিত- অগ্ৰাংশ, মুখ্যাংশ আৰু পশ্চাংশ।

### ৫.৪.১ অভিধানৰ অগ্ৰাংশ

অভিধানৰ সূচক পৃষ্ঠাৰ পৰা প্ৰবিষ্ঠি আৰম্ভ হোৱালৈকে সেই সমস্ত অংশকে অগ্ৰাংশ বুলি কোৱা হয়। ইয়াত অভিধানখনৰ সামগ্ৰিক ৰূপ এটাৰ লগতে অভিধানখনৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কেও আভাস দিয়া হয়। অৰ্থাৎ ই অভিধানখনৰ পৰিচয় আগবঢ়ায়। ইয়াৰ পিছতহে অভিধানৰ মুখ্যাংশ আৰম্ভ হয়। অভিধানৰ অগ্ৰাংশত অন্তৰ্ভূক্ত ভাগসমূহ হৈছে-

৫.৪.১.১ অভিধানৰ নাম / আখ্যা

৫.৪.১.২ ভূমিকা বা পাতনি

৫.৪.১.৩ পঢ়ুৱৈৰ প্ৰতি নিৰ্দেশিকা

৫.৪.১.৪ সংক্ষিপ্তকৃত শব্দৰ তালিকা

৫.৪.১.৫ পৃষ্ঠাৰ ক্ৰমাংক

### ৫.৪.১.১ অভিধানৰ নাম / আখ্যা

অভিধানখনৰ নাম সৰল হ'লে ভাল আৰু নামৰ জৰিয়তেই অভিধানখনৰ সামান্য আভাস পাব পৰা হ'ব লাগে। অৰ্থাৎ নামটো স্ব-ব্যাখ্যাত্মক হ'ব লাগে। নামটো যথাযথ হ'লেহে অভিধানখনৰ অন্তৰ্গত বিষয়বস্তু তথা কাক উদ্দেশ্য কৰি কি উদ্দেশ্য কৰি প্ৰণয়ন কৰা হৈছে তাক জানিবলৈ উজু হয়। যেনে- অভিধানখন একভাষী নে দ্বিভাষী, স্কুলীয়া পঢ়ুৱৈৰ বাবে নে ডাঙৰৰ বাবে , সংক্ষিপ্ত নে ডাঙৰ অভিধান তাক নামটোৰ জৰিয়তেই প্ৰকাশ পোৱা ধৰণৰ হ'ব লাগে।

উদাহৰণস্বৰূপে চলন্ত অভিধানৰ কথা কোৱা হওঁক। এইখন অভিধান চলন্ত অসমীয়া ভাষাৰ অভিধান যিয়ে অসমীয়া ভাষাৰ বৰ্তমান ৰূপটোক প্ৰতিফলিত কৰি শব্দ-অৰ্থ-বানান সকলো একে ঠাইতে উপলব্ধ কৰাব বিচাৰিছে।

**জানি থওঁ আহক**

চলন্ত অভিধানেই চৰকাৰীভাৱে প্ৰকাশিত অসমীয়া ভাষাৰ একমাত্ৰ অভিধান। এই অভিধানখন ২০০২ চনত অসম চৰকাৰৰ ৰাজনৈতিক বিভাগে প্ৰকাশ কৰে ইয়াৰ লগতে অভিধানৰ প্ৰচ্ছদ আৰু সূচক পৃষ্ঠাটোত প্ৰকাশকৰ নাম, চন আদি প্ৰকাশন সম্পৰ্কীয় তথ্যবোৰো থকা উচিত। তলত উদাহৰণ হিচাপে দিয়া অভিধানৰ প্ৰচ্ছদপটটো চালে এই কথা স্পষ্ট হ'ব।


শৰাইঘাট অভিধান

মুখ্য সম্পাদক
ড০ দীনেশ চন্দ্ৰ গোস্বামী

সহযোগী সম্পাদক

শৰাইঘাট প্ৰকাশন
গুৱাহাটী

উৎস-'শৰাইঘাট অভিধান'

**৫.৪.১.২ পাতনি / ভূমিকা**

ই অভিধান এখনৰ এৰাব নোৱাৰা অংশ। ইয়াত অভিধানখন সম্পৰ্কে পৰিচয়মূলক আলোচনা কৰি ইয়াৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা হয়। আন অভিধানতকৈ সেই অভিধানখন কিয় আৰু কিদৰে পৃথক, অভিধানখনৰ লক্ষ্য আৰু উদ্দেশ্য তথা প্ৰয়োজনীয়তা কি, তথ্য বা সমল সংগ্ৰহৰ উৎস তথা সমল সংগ্ৰহ প্ৰক্ৰিয়া আদিৰ বিষয়ে পাতনিতে আলোচনা কৰা হয়। অভিধানখনৰ পাতনিতে প্ৰণয়নৰ পৃষ্ঠভূমি সম্পৰ্কে আলোচনা কৰি অভিধানখনৰ লক্ষ্য আৰু বিষয়ৰ সম্পৰ্কেও আলোচনা কৰিব লাগে। অভিধানখন মাতৃভাষা- ভাষীৰ বাবে নে আন ভাষা-ভাষীৰ বাবে প্ৰণয়ন কৰা হ'ব সেই বিষয়েও পাতনিত উল্লেখ থাকিব লাগে। পাতনিত ভাষাটোৰ ঐতিহাসিক প্ৰেক্ষাপট, ভাষাটোৰ বিভিন্ন উপভাষা সম্পৰ্কেও আলোচনা কৰা হয়।

ভাষাটোৰ বৰ্তমান স্তৰ নে মান্য ৰূপ নে কথিত ৰূপ আদি কোনবিধ ৰূপ অভিধানখনত ব্যৱহাৰ কৰা হৈছে সেইবিষয়ে উল্লেখ থাকিব লাগে। সমল সংগ্ৰহৰ বিভিন্ন উৎস, যেনে- লিখিত সাহিত্য, শিলালিপি, সাঁচিপাতৰ পুথি, বাতৰি কাকত, আলোচনী আদিৰ বিষয়ে স্পষ্টকৈ উল্লেখ কৰি আলোচনা কৰিব লাগে। এইবোৰৰ উপৰিও মূলতঃ

অভিধান প্ৰণয়ন ৰীতি সম্পৰ্কে পাতনিত আলোচনা কৰিব লাগে। অন্তৰ্ভুক্তিৰ নিয়ম, প্ৰধান শব্দ, প্ৰতিশব্দ, ব্যাকৰণৰ নিৰ্দেশ, লিপি, উচ্চাৰণ আদিৰ বিষয়ে পাতনিত আলোচনা কৰা হয়। চমুকৈ ক'বলৈ হ'লে পাতনি হ'ল অভিধান এখনৰ পৰিকল্পনাৰ পৰা আৰম্ভ কৰি একেবাৰে শেষলৈকে প্ৰতিটো স্তৰৰে আলোচনা বা উক্ত প্ৰক্ৰিয়াৰ এক প্ৰতিবেদন।

উদাহৰণস্বৰূপে শৰাইঘাট অভিধানৰ কথা আলোচনা কৰা হ'ল- মুখ্য সম্পাদক দীনেশ চন্দ্ৰ গোস্বামীয়ে 'মুখ্য সম্পাদকৰ একাষাৰ'-শীৰ্ষকেৰে এই অভিধানখনৰ পাতনি আগবঢ়াইছে। আৰম্ভণিতে অভিধানখন এখন ব্যৱহাৰিক অভিধান বুলি উল্লেখ কৰি ভাষাগত, শৈক্ষিক আদি কথাত অধিক গুৰুত্ব দিয়াতকৈ ইয়াত কেৱল ভাষা ব্যৱহাৰকাৰীৰ দৃষ্টিকোণৰ পৰা প্ৰৱিষ্টি আৰু বাখ্যাসমূহ দাঙি ধৰা হৈছে বুলি কোৱা হৈছে। তাৰপিছত অসমীয়া ভাষাৰ বৰ্তমান অভিধান এখনত কেনেধৰণৰ শব্দ অন্তৰ্ভুক্ত কৰা প্ৰয়োজন সেই সম্পৰ্কে আলোচনা কৰি শৰাইঘাট অভিধান' প্ৰণয়নৰ দায়িত্ব আৰু বিভিন্ন সিদ্ধান্ত সম্পৰ্কে বিতং আলোচনা কৰিছে য'ত অভিধানখন প্ৰণয়ন প্ৰকল্প, মানি চলা সাধাৰণ ৰীতি-নীতিসমূহ উল্লেখ কৰা হৈছে। অভিধানখনৰ বৰ্ণানুক্ৰম, বানান পদ্ধতি আদি সম্পৰ্কে ইয়াত আলোচনা কৰি বৰ্ণানুক্ৰমৰ ক্ষেত্ৰত গ্ৰহণ কৰা নিৰ্দয় বৰ্ণানুক্ৰম' নীতিৰ কথা উল্লেখ কৰিছে। নিৰ্দয় বা অন্ধ বা যান্ত্ৰিক বৰ্ণানুক্ৰমত বানান অনুসৰি শব্দবোৰ বা শব্দসমষ্টিবোৰ সিহঁতৰ নিৰ্দিষ্ট স্থানত বিচাৰিলেই হয়। এইক্ষেত্ৰত প্ৰতিটো প্ৰবিষ্টিয়েই নিজ বৰ্ণানুক্ৰমিক স্থান পায়। এনে কৰাৰ ফলত এই অভিধানত জনবহুল, জনবহুলতা, জনবিৰোধী, জনম, জনমে জনমে আদি প্ৰৱিষ্টিবোৰ তলে তলে বহিছে। আন ধৰণৰ (মূল শব্দৰ গোট হিচাপৰ) বৰ্ণানুক্ৰমণ হোৱা হ'লে পাঠকে জনমুৰি বা জনমত শব্দ জন শব্দৰ গোটত আৰু জনমভূমি বা জনমভৰ শব্দ জনম শব্দৰ গোটত বিচাৰিব লাগিলহেঁতেন আৰু তাৰবাবে পাঠকৰ প্ৰাক্‌জ্ঞান লাগিলহেঁতেন ('শৰাইঘাট অভিধান', পৃ. ০১০ আৰু ০.১১ )। ইয়াৰ লগতে অ-ৰ পৰা ক্ষ-লৈকে একাদিক্ৰমৰ ৰীতি, চন্দ্ৰবিন্দুযুক্ত আখৰক চন্দ্ৰবিন্দু নথকা আখৰৰ ঠিক আগত স্থান প্ৰদান, অনুস্বাৰ আৰু বিসৰ্গক স্বৰবৰ্ণৰ পিছত স্থান প্ৰদানৰ দৰে আদি নিয়ম সম্পৰ্কে উল্লেখ কৰিছে। অভিধানখনত ব্যৱহাৰ হোৱা উদ্ভিদ আৰু প্ৰাণীসমূহৰ বৈজ্ঞানিক (Latin) নাম শুদ্ধভাৱে উল্লেখ কৰাতো তেওঁ গুৰুত্ব প্ৰদান কৰিছে। পাতনিখনত প্ৰবিষ্টিৰ বাখ্যাৰ প্ৰসংগত প্ৰচলিত পৰম্পৰা-জনবিশ্বাস, বিভিন্ন জাতি-উপজাতি, ভাষা-উপভাষাৰ প্ৰতিও বিশেষ লক্ষ্য ৰখা বুলি উল্লেখ কৰা দেখা যায়। তাৰ পিছতে অভিধানখনত ব্যৱহাৰ কৰা বানান পদ্ধতিৰ সম্পৰ্কে উল্লেখ আছে। বানান পদ্ধতিৰ ক্ষেত্ৰত কোনো বৈপ্লৱিক সিদ্ধান্ত গ্ৰহণ নকৰি প্ৰচলিত আৰু অভিধানসম্মত বানান গ্ৰহণৰ বাবে মূলতঃ *চন্দ্ৰকান্ত অভিধান* আৰু কিছু ক্ষেত্ৰত *আধুনিক অসমীয়া অভিধান*ৰসহায় লোৱা বুলি কোৱা হৈছে। *হেমকোষ চন্দ্ৰকান্ত* আদি অভিধানৰ শেহচীয়া সংস্কৰণসমূহৰ আদৰ্শ অনুসাৰে দৈনন্দিন ব্যৱহৃত বিভিন্ন বিদেশী শব্দৰ লগতে বিজ্ঞান প্ৰযুক্তি জগতৰ শব্দ লিপ্যান্তৰেৰে অন্তভূক্ত কৰা হৈছে। অভিধানখনত উদাহৰণ-চিত্ৰ আদি সংযোজনৰ কথা উল্লেখ কৰি সৰ্বশেষত প্ৰণয়নৰ সময়ত সহায় কৰা ব্যক্তিসকলক কৃতজ্ঞতা জ্ঞাপন কৰিছে।

### ৫.৪.১.৩ পঢ়ুৱৈৰ প্ৰতি নিৰ্দেশনা

ইয়াত অভিধানখন কিদৰে ব্যৱহাৰ কৰি কম আয়াসতে বিচৰা তথ্য পাব পাৰি তাৰ বাবে কিছুমান নিৰ্দেশনা আগবঢ়োৱা হয়। বিচৰা তথ্যটো সহজে আৰু শুদ্ধকৈ বিচাৰি পাব পৰাকৈ পঢ়ুৱৈৰ প্ৰতি থকা নিৰ্দেশনাসমূহে অভিধান ব্যৱহাৰ কৰা প্ৰক্ৰিয়াটো সুচল কৰি তোলে। তাত নিম্নোক্ত বিষয়সমূহ সম্পৰ্কে নিৰ্দেশনা থাকে-

**ক) অন্তৰ্ভুক্তিৰ সজ্জা আৰু ক্ৰম:** ইয়াত শব্দ একোটা কিদৰে সজোৱা হয় তাৰ নিৰ্দেশ থাকে। যেনে- প্ৰধান শব্দ>উচ্চাৰণ>ব্যাকৰণিক নিৰ্দেশ>ব্যুৎপত্তিস সংজ্ঞা>উদাহৰণ আদি। অন্তৰ্ভুক্তিবোৰ সজাবলৈ কি ক্ৰম অনুসৰণ কৰা হৈছে তাক উল্লেখ কৰিব লাগে।

**খ) শিতানশব্দ:** কিহৰ ভিত্তিত বা কিদৰে প্ৰধান শব্দ নিৰ্বাচন কৰা হৈছে তাৰ উল্লেখ কৰিব লাগে। এটা শব্দৰ এটা অৰ্থ নে একাধিক অৰ্থ দিয়া হ'ব সেই সম্পৰ্কে উল্লেখ কৰিব লাগে। শিতান শব্দটো অৰ্থসমূহতকৈ চকুত পৰাকৈ কিদৰে দিয়া হৈছে তাক উল্লেখ কৰিব লাগে। যেনে- গাঢ় ৰং (Bold) ব্যৱহাৰ কৰি।

**গ) বানান আৰু উচ্চাৰণৰ নিৰ্দেশ:** সাধাৰণতে শিতানশব্দৰ পিছতে উচ্চাৰণৰ স্থান। দ্বি-ভাষিক অভিধানত উচ্চাৰণ নিৰ্দেশ কৰাটো বাধ্যতামূলক। উদাহৰণস্বৰূপে ইংৰাজী ভাষাৰ Honest, Hour, Honour আদি শব্দৰ উচ্চাৰণত আদিৰ H আখৰৰ উচ্চাৰণ উহ্য হৈ থাকে। এনেবোৰ ক্ষেত্ৰত উচ্চাৰণৰ নিৰ্দেশনা অতিকৈ প্ৰয়োজনীয়। অভিধানখনত কি কি লিপিৰ ব্যৱহাৰ হৈছে তাৰ সুস্পষ্ট নিৰ্দেশনা থকা উচিত। আখৰ জোঁটনিৰ বাবে ঐক্যবদ্ধ নিয়ম ব্যৱহাৰ কৰিব লাগে।

**ঘ) সংজ্ঞা আৰু সমাৰ্থক শব্দ** : প্ৰধান শব্দৰ সংজ্ঞা অথবা একে অৰ্থযুক্ত আন শব্দবোৰ অন্তৰ্ভুক্ত কৰিছেনে উল্লেখ কৰিব লাগে।

**ঙ) ব্যুৎপত্তি:** কোন অংশত কিদৰে (বন্ধনীৰ মাজত) ব্যুৎপত্তি দিয়া হৈছে উল্লেখ কৰিব লাগে। ব্যুৎপত্তিৰ ফলত অৰ্থও স্পষ্টকৈ প্ৰকাশ পায় আৰু শব্দটো কোন ভাষাৰ পৰা কি কি স্তৰৰ মাজেৰে আহি সেই ৰূপ পাইছে সেই সম্পৰ্কে জানিব পাৰি। যেনে ঃ

**খাদ্যপ্ৰাণ** (খাদ্যপ্ৰাণ) বি. [সং, খাদ্যং, আহাৰ + প্ৰাণঃ, জীৱন বায়ু] **গাৰ্হস্থ্য বি.**; এক প্ৰকাৰৰ জৈৱ যৌগ । মূলতঃ কাৰ্বনৰ যৌগ। জীৱনৰ বিভিন্ন বিপাকীয় কাৰ্য চলিবৰ কাৰণে অতি কম পৰিমাণৰ হ'লেও প্ৰয়োজন হয়।

(*অসমীয়া জাতীয় অভিধান*, দ্বিতীয় খণ্ড ১৪৫)

**চ) উদ্ধৃতি আৰু উদাহৰণৰ নিৰ্দেশ:** শব্দৰ অৰ্থ স্পষ্ট কৰিবলৈ উদাহৰণসমূহ কিদৰে দিয়া হৈছে উল্লেখ কৰিব লাগে। যেনে- চিত্ৰৰ সহায়ত বা বাক্যৰ উদ্ধৃতি আদি। কেতিয়াবা বৰ্ণনা বা উদাহৰণেৰেও শব্দৰ অৰ্থ বুজাব পৰা নাযায়। তেনে ক্ষেত্ৰত চিত্ৰৰ সহায় ল'বলগীয়া হয়। সাধাৰণ বৰ্ণনাৰ জৰিয়তে উদাহৰণ—

**ঘাত প্ৰতিঘাত** (ঐ) বি. [সং, ঘাতঃ, আঘাত+প্ৰতি, উপস.+ঘাতঃ, আঘাত] ক্ৰিয়া প্ৰতিক্ৰিয়া, দুখ, কষ্ট; যেনে- সি যথেষ্ট ঘাত প্ৰতিঘাত অতিক্ৰম কৰি আহিহে এইটো পৰ্যায় পাইছেহি।

(অসমীয়া জাতীয় অভিধান দ্বিতীয় অভিধান দ্বিতীয় খণ্ড ৪৪৯)

উদ্ধৃতিৰ প্ৰয়োগ

**গুলা**[২] (গুলা) নি. প্ৰত্যয় [পু. অ.] বিলাক, বোৰ; যেনে- 'কতোগুলা কৰ্ম কৰি হোৱয় উদাস' (মিশ্ৰ- গীতা)। (অসমীয়া জাতীয় অভিধান দ্বিতীয় খণ্ড ৩৪৬)

চিত্ৰৰ সহায়ত উদাহৰণ

প্ৰবিষ্টিৰ অৰ্থৰ বাখ্যা আৰু সাধাৰণ উদাহৰণেও অৰ্থ এটা স্পষ্ট কৰি তুলিব নোৱাৰিলে চিত্ৰৰ সহায় ল'ব পাৰি। বিশেষকৈ শিশু অভিধানত চিত্ৰজ্ঞাপন অতি প্ৰয়োজনীয়। 'হেমকোষৰ'ৰ পৰাই অসমীয়া অভিধানত এই ধাৰা প্ৰচলিত হৈ আহিছে।




উৎসঃ হেমকোষ

দেৱব্ৰত শৰ্মাই সম্পাদনা কৰা 'অসমীয়া জাতীয় অভিধান'-ত পঢুৱৈৰ প্ৰতি নিৰ্দেশনাত প্ৰবিষ্টিত সন্নিবিষ্ট তথ্য নিৰ্দেশক তালিকা, প্ৰবিষ্টিৰ বৰ্ণনুক্ৰমৰ আৰ্হি প্ৰকাশক তালিকা আৰু অভিধানখনৰ মূল প্ৰবিষ্টিৰ বৰ্ণমালাৰ লগতে বিকল্প বানানৰ বৰ্ণমালাৰ তালিকা সংযোজন কৰিছে। অভিধানখনৰ দ্বিতীয় খণ্ডতো পঢুৱৈৰ প্ৰতি নিৰ্দেশনা হিচাপে কেতবোৰ দিশৰ আলোচনা কৰিছে। এই দিশসমূহৰ আলোচনাৰ প্ৰথমতেই প্ৰবিষ্টি এটাত নিহিত থাকিবলগীয়া তথ্যসমূহ উদাহৰণৰ সহায়ত দেখুৱাইছে। সাধাৰণতে প্ৰবিষ্টিটোত বিকল্প বানান, পদ নিৰ্দেশ, ব্যুৎপত্তি, বিভাগ বা শিতানৰ উল্লেখ, অৰ্থ আৰু উদাহৰণ আৰু প্ৰয়োজন হ'লে বৈজ্ঞানিক পৰিভাষা সন্নিবিষ্ট কৰিছে। উদাহৰণস্বৰূপে দেখুওৱা প্ৰবিষ্টিটো হৈছে-

**কক্কোল** (ঐ) বি. [সং.] উদ্ভিদ বি. এবিধ সুগন্ধী গুটি। জাইফল।। *cocculus indius*

(অসমীয়া জাতীয় অভিধান দ্বিতীয় খণ্ড ৯১)

শৰাইঘাট অভিধানৰ অগ্ৰাংশত পঢুৱৈৰ প্ৰতি নিৰ্দেশিকা হিচাপে প্ৰৱিষ্টি এটাত সংযোজিত বিভিন্ন তথ্যসমূহক ৰেখাচিত্ৰৰ দ্বাৰা বাখ্যাত্মকভাৱে দেখুৱাইছে (গোস্বামী ০০৩ )। নিৰ্দেশিকাত দেখুওৱা অনুসৰি ডাঠ আখৰৰ প্ৰবিষ্টিটোৰ ঠিক পিছতেই ওপৰ ফালে সংখ্যাৰ নিৰ্দেশেৰে একে প্ৰৱিষ্টি (অন্য পদ হিচাপে বা অন্য কাৰণত আৰু আছে বুজাবলৈ) সূচাইছে। প্ৰৱিষ্টিৰ তথ্যগত নিৰ্দেশৰ প্ৰথমতেই পদ নিৰ্দেশ সংক্ষিপ্তৰূপত প্ৰকাশ কৰিছে। তাৰ পিছতেই অৰ্থ বা বাখ্যা, ইংৰাজী অৰ্থ বা বাখ্যা, প্ৰয়োজন হ'লে উদাহৰণ বা উদ্ধৃতি, বৈজ্ঞানিক নাম আৰু ব্যুৎপত্তিৰ নিৰ্দেশ দাঙি ধৰিছে। ৰেখা চিত্ৰৰ সহায়ত কৰা এনে নিৰ্দেশনাই অভিধানখন ব্যৱহাৰৰ ক্ষেত্ৰত যথেষ্ট সহায় কৰিছে।




উৎস - *শৰাইঘাট অভিধান*

**জানি থওঁ আহক**

হেমকোষ অভিধানৰ অগ্ৰাংশত 'ভালকৈ মন দি পঢ়ি মনত ৰাখিব লগীয়া কথা ।' শীৰ্ষক এটি অংশ সংযোগ কৰা হৈছে য'ত অভিধানত অৱলম্বন কৰা নীতিসমূহৰ বিষয়ে আলোচনা কৰা হৈছে। ইয়াত প্ৰথমে অসমীয়া ভাষাত কিদৰে বৰ্ণবিন্যাস কৰা হয় সেই সম্পৰ্কে আলোচনা কৰি অভিধানখনৰ বৰ্ণবিন্যাস, উচ্চাৰণ, উচ্চাৰণৰ চিনবিলাক আৰু লিংগ সম্পৰ্কে আলোচনা কৰা হৈছে। যেনে

"অসমীয়া ভাষাত সাধাৰণ মতে হ্ৰস্ব আৰু দীৰ্ঘ স্বৰৰ মাজত উচ্চাৰণৰ একো প্ৰভেদ নাই, দুয়ো হ্ৰস্বকৈ উচ্চাৰিত হয়। কিন্তু কোনো কোনো অসমীয়া শব্দৰ আদি স্বৰক দীৰ্ঘকৈ উচ্চাৰণ কৰা যায়। সেই উচ্চাৰণ ব্যৱহাৰ কৰিবলৈ দীৰ্ঘস্বৰ ব্যৱহাৰ কৰা উচিত, আৰু কৰাও হৈছে; যেনে-ঘু-ঘুয়া, কী-কীয়া, বী-বিয়া ইত্যাদি। এইবিলাক শব্দৰ উচ্চাৰণ কিকিয়া, ঘুঘুয়া, বিবিয়া এনে নহয়; সিঁহতৰ প্ৰথম স্বৰটো দীঘলকৈ মাতিব লাগে।" (*হেমকোষ*, VII)

"এই অভিধানত কোনো জাতিৰ বা ব্যৱসায়ৰ মানুহ বুজোৱা কোনো পুল্লিংগ শব্দৰ পাচত বেষ্টন ৰেখাৰ মাজত "স্ত্রী" শব্দ দি তাৰ পাচত যি শব্দ লিখা গৈছে, সেই জাতিৰ বা সেই ব্যৱসায় কৰা তিৰোতা, দুইকো বুজায়; যেনে, বামুণ; (স্ত্রী) বামুণী, অর্থাৎ বামুণৰ ভার্য্যা আৰু বামুণ জাতিৰ তিৰোতা; কুমাৰ; (স্ত্রী) কুমাৰণী অর্থাৎ কুমাৰৰ ভার্য্যা আৰু কুমাৰৰ ব্যৱসায় কৰা তিৰী ইত্যাদি ।"(*হেমকোষ*, X) ।

### ৫.৪.১.৪ সংক্ষিপ্তকৃত শব্দৰ তালিকা

অভিধান এখনত যিবোৰ বৈয়াকৰণিক ৰূপ,কিতাপৰ নাম, লেখকৰ নাম, ভাষা তথা উপভাষাৰ নাম, প্রসংগটোকা, উদ্ধৃতিৰ মূলগ্রন্থ আদি সঘনাই ব্যৱহাৰ হয়, তেনে শব্দবোৰৰ সংক্ষিপ্ত ৰূপ ব্যৱহাৰ কৰিব লাগে। ই অভিধানত স্থানৰ মিতব্যয় কৰে। প্রকৃত ৰূপটো আৰু ব্যৱহৃত সংক্ষিপ্তিকৃত ৰূপটোৰ এখন তালিকা নির্মাণ কৰি অভিধানৰ অগ্রাংশত সংযোজন কৰা হয়।

শৰাইঘাট অভিধানৰ সংক্ষিপ্তকৃত ৰূপবোৰ মুলতঃ প্রবিষ্টিবোৰৰ পদ নির্দেশক, শব্দৰ মূল বা ব্যুৎপত্তি নির্দেশক । অভিধানখনৰ অগ্রাংশত সংক্ষিপ্তকৃত ৰূপবোৰ সম্পূর্ণ শব্দৰ সৈতে তালিকা হিচাপে উল্লেখ কৰা হৈছে-

উদাহৰণস্বৰূপে,

অনু,. অনুপ্রাস
আ. আৰবী
ক্রি,. ক্রিয়া
fem. feminine gender ইত্যাদি

*অসমীয়া জাতীয় অভিধানত* প্রবিষ্টিৰ পদ নির্দেশৰ বাবে বৱহৃত হোৱা সংক্ষিপ্তকৃত ৰূপ আৰু ব্যুৎপত্তি বা মূল ভাষাৰ সংক্ষিপ্তকৃত ৰূপসমূহ তালিকা আকাৰে সন্নিৱিষ্ট কৰিছে।

যেনে,

সংক্ষিপ্তকৃত পদ নির্দেশৰ ৰূপ ঃ
অক ধা,. অকর্মক ধাতু
অব্য. অব্যয়
উপস উপসর্গ ইত্যাদি

ব্যুৎপত্তি ঘৰৰ সংক্ষিপ্তকৰণ ঃ

অ. অসমীয়া
আ. আৰবী
ইং, ইংৰাজী
উ. উর্দু
সং সংস্কৃত ইত্যাদি

এইবোৰৰ উপৰিও ব্যুৎপত্তিৰ পিছতে বেঁকা আখৰেৰে সূচোৱা বিভাগ বা শিতানৰ সবিশেষ আৰু উৎস নিৰ্দেশ কৰা বিভিন্ন ভাষাসমূহৰ নাম তালিকা উল্লেখ কৰিছে।

(*অসমীয়া জাতীয় অভিধান*, দ্বিতীয় খণ্ড ৯২)

### ৫.৪.১.৫ পৃষ্ঠাৰ ক্ৰমাংক

পৃষ্ঠাৰ ক্ৰমাংক সহজে চকুত পৰা হ'ব লাগে। ইয়াৰ উপৰিও প্ৰতিটো পৃষ্ঠাৰ শীৰ্ষত প্ৰথম আৰু শেষৰ শিতান শব্দটো উল্লেখ কৰিব লাগে।

### ৫.৪.১.৬ যতি আৰু চিহ্ন

অভিধান এখনত যতি চিহ্নৰ ব্যৱহাৰ অপৰিহাৰ্য। ক'ৰবাত এটা যতি চিহ্নৰ ব্যৱহাৰত খেলিমেলি হ'লে বা বাদ পৰিলে শব্দৰ অৰ্থ বোধগম্য হোৱাত সমস্যা সৃষ্টি হ'ব। গতিকে অভিধান এখনৰ প্ৰবিষ্টি, শব্দক্ৰম, ব্যুৎপত্তি, আখৰ জোঁটনি, ব্যাকৰণ সন্তেদ, অৰ্থ ইত্যাদি নিৰূপণ কৰোতে ক'ত কেনেদৰে যতি চিহ্ন প্ৰয়োগ কৰা হ'ব তাৰ ওপৰত মন দিয়া উচিত।

এই যতি চিহ্নবোৰ কি বুজাবলৈ কোনটো চিহ্ন ব্যৱহাৰ কৰা হৈছে, কি সাপেক্ষে ক'মা, ছেমিকোলন, উৰ্ধক'মাৰ ব্যৱহাৰ হৈছে তাৰ স্পষ্ট নিৰ্দেশনা থকাৰ উপৰিও চিহ্নবোৰৰ নামৰ সৈতে এখন তালিকা অভিধানৰ অগ্ৰাংশত সন্নিবিষ্ট কৰা হয়।

অসমীয়া জাতীয় অভিধানৰ অগ্ৰাংশত প্ৰথম খণ্ডত অভিধানখনৰ মুখ্য উপদেষ্টা গোলোক চন্দ্ৰ গোস্বামীৰ পত্ৰৰ কিছু অংশ, অভিধান প্ৰণয়নৰ লগত সকলো ব্যক্তি, বিভিন্ন বিভাগৰ শব্দ সংগ্ৰাহক-সম্পাদকৰ নামৰ তালিকা, সহায়ক গ্ৰন্থপঞ্জীও অন্তৰ্ভুক্ত কৰিছে। দ্বিতীয় খণ্ডৰ অগ্ৰাংশত সন্নিবিষ্ট অন্যান্য বিষয়সমূহৰ ভিতৰত অভিধানখনৰ প্ৰকাশৰ লগত জড়িত বিভিন্ন বিষয়সমূহক শিতান আকাৰে প্ৰাক-প্ৰকাশন, উন্মোচন ক্ষণ, প্ৰকাশন উত্তৰ, প্ৰসংগ সৰল বানান আদি থূলত ভাগ কৰি বিষয়সমূহৰ ওপৰত লেখা আগবঢ়াইছে।

### ৫.৪.২ অভিধানৰ মুখ্যাংশ :

মুখ্যাংশত অভিধানৰ মুল বিষয়বস্তু, অৰ্থাৎ শিতানশব্দৰ প্ৰবিষ্টিবোৰ ক্ৰম অনুযায়ী সন্নিবিষ্ট কৰি সেইবোৰৰ উপস্থাপন কৰা হয়। মুখ্যাংশক অভিধানৰ বৰগাঁথনি আৰু অনুগাঁথনি বুলিও কোৱা হয়। মুখ্যাংশত প্ৰবিষ্টিসমূহ অন্তৰ্ভুক্ত হয়। এই প্ৰবিষ্টিসমূহৰ ক্ৰম, সমৰূপ আৰু সাধিত শব্দৰ অন্তৰ্ভুক্তিৰ নিয়ম, উপ শিতানসমূহ দিয়াৰ নিয়ম আদি স্থূলগাঁথনি (বৰগাঁথনি)ৰ কাম। সেইদৰে সূক্ষ্ম গাঁথনিয়ে শিতান শব্দ, বানান, উচ্চাৰণ, ব্যুৎপত্তি, অৰ্থজ্ঞাপনৰ নিয়মকে ধৰি শব্দৰ অন্তৰ্ভুক্তিৰ আভ্যন্তৰীণ অংশটো নিৰ্দেশ কৰে (নাথ, পৃষ্ঠা ৫২)।

### ৫.৪.৩ অভিধানৰ পশ্চাংশ

অভিধানৰ পশ্চাংশৰ অন্তৰ্গত ভাগ হ'ল- পৰিশিষ্ট। কোনো এখন গ্ৰন্থ, প্ৰবন্ধ নতুবা নথি পত্ৰত আলোচ্য বিষয়ৰ সৈতে কিছু সম্পৰ্ক থকা অথচ যি অপৰিহাৰ্যও নহয়, তেনে বিষয়বস্তু, সংশ্লিষ্ট গ্ৰন্থ, প্ৰবন্ধ নতুবা নথি পত্ৰৰ শেষৰ ফালে সংযোজিত কৰাকে পৰিশিষ্ট বুলি ক'ব পাৰি।

অভিধানৰ পশ্চাংশ বা পৰিশিষ্টত বৰ্ণানুক্ৰমিকভাৱে পাৰিভাষিক শব্দৰ তালিকা, জোখ-মাখ সম্পৰ্কীয় শব্দ, লেখকৰ নাম-উপাধি আদি থাকে। ইয়াতেই অভিধানত ব্যৱহৃত আৰু পৰৱৰ্তী পঠনৰ বাবে প্ৰস্তাৱিত গ্ৰন্থপঞ্জী সন্নিবিষ্ট কৰা হয়। ইয়ো অভিধানৰে এক অংশ। অভিধানখনৰ লক্ষ্য আৰু উদ্দেশ্যৰ সৈতে সংগতি ৰাখি পৰিশিষ্টখন যুগুত কৰা হয়। সেই অনুসাৰেই ভৌগোলিক, ভাষিক মানচিত্ৰ আদিৰ লগতে লোকপিয়ল অথবা অন্য জৰীপসমূহৰ তথ্যও উল্লেখ কৰা হয়। কিছুমান অভিধানত দিন-বাৰ-মাহৰ তালিকাও থাকে। বিভিন্ন শব্দৰ লিপ্যন্তকৰণ, সংক্ষিপ্ত ৰূপ কেতিয়াবা পৰিশিষ্টতো অন্তৰ্ভুক্ত কৰা হয়। অভিধান অনুসৰি জতুৱা ঠাঁচ, খণ্ডবাক্যও অন্তৰ্ভুক্ত কৰা হয়।

পৃথিৱীৰ আন আন ভাষাৰ দৰে অসমীয়ৰো অতি প্ৰাথমিক পৰ্যায়ৰ ব্ৰনছনৰ *অসমীয়া-ইংৰাজী অভিধান* খনতেই হওক নতুবা হেমচন্দ্ৰ বৰুৱাৰ হেমকোষখনতেই হওক কম-বেছি পৰিমাণে কিছুমান বিষয়বস্তু পৰিশিষ্টতত সংযোজন কৰা হৈছে। বৰ্তমানলৈকে পোৱা তেনে অসমীয়াকে ধৰি ইংৰাজী, মিচিং, ৰাভা ইত্যাদি ভাষাৰ আঠ-দহখন অভিধান মিলাই চাই পৰিশিষ্টত অন্তৰ্ভুক্ত কৰিব পৰা তলত দিয়া বিষয়বস্তুসমূহ পোৱা গৈছে।

১) অভিধানকে ধৰি প্ৰাচীন গ্ৰন্থসমূহত যেতিয়া হাতেৰে আখৰৰ ব্লক বাচি বাচি (কম্পোজ) কৰিছপাশালত letter print Pal হৈছিল (আজিকালিৰ দৰে বিভিন্ন Software-ৰ বিভিন্ন ফন্টত DTP কৰাৰ সুবিধা যেতিয়া নাছিল) তেতিয়া বৈ যোৱা কোনো ভুল / শব্দ, নব্য প্ৰবিষ্টি (New entry), তালিকা বা নিৰ্ঘণ্ট আকাৰে এই পৰিশিষ্টত দিয়াৰ বাহিৰে কোনো গত্যন্তৰ নাছিল।

২) সেইদৰে বিভিন্ন পৰিভাষা (প্ৰশাসনীয় পৰিভাষা, বিজ্ঞান বিষয়ক পৰিভাষা আদি), বিভিন্ন নাম (স্থান, চৰিত্ৰ, উপাধি, জাতি, গ্ৰন্থ আদি), লুপ্তপ্ৰায় / স্বল্পপ্ৰচলিত পুৰণি অসমীয়া (ব্ৰজাৱলী) ভাষাৰ শব্দ-সম্ভাৰো পৰিশিষ্টত খাঁজি দিয়া হৈছিল।

৩) স্বল্পপৰিচিত / নতুনকৈ আমদানি হোৱা সা-সামগ্ৰী, ফল-মূল, জীৱ-জন্তু, যন্ত্ৰৰ-পাতিৰ লগতে হিচাপ-নিকাচ, জোখ-মাখৰ বিভিন্ন একক আদিকো তালিকা আকাৰে পৰিশিষ্টত সন্নিবিষ্ট কৰা হৈছিল।

৪) সংখ্যাবাচক / পূৰণবাচক শব্দ, সম্বন্ধবাচক শব্দ, বৈয়াকৰণিক উপাদান (নিৰ্দিষ্টতাবাচক প্ৰত্যয়, পৰসৰ্গ, উপসৰ্গ, বিভিন্ন অব্যয় আদি) আদিকো পৰিশিষ্টত অতিৰিক্তভাৱে সংযোজন কৰা হৈছিল।

৫) সচিত্ৰ অভিধান (Pictorial Dictionary) হ'লৈ ৰঙীন আলোকচিত্ৰ, ৰেখাচিত্ৰ, মানচিত্ৰ আদি সংশ্লিষ্ট প্ৰবিষ্টিৰ লগে লগে নিদিয়াকৈ একেলগে অতিৰিক্ত পৃষ্ঠা (Art Paper) সংযোজন কৰি পৰিশিষ্ট আকাৰে দিয়া হৈছিল।

৬) যতি চিহ্নৰ ব্যৱহাৰ, সংক্ষিপ্ত ৰূপ (Abbreviation) আদিকো পৰিশিষ্টৰ আওতালৈ অনা হৈছিল।

৭) সেইদৰে বিজ্ঞান, বাণিজ্য, চিকিতসাশাস্ত্ৰ আদিৰ পাৰিভাষিক শব্দ (Terminology)-ৰ ক্ষেত্ৰত নানা কূট চিহ্ন (Diacritical marks) যুক্ত ফৰ্মুলা দিব লাগিলে একমাত্ৰ সুকীয়াকৈ দিব পৰা পৰিশিষ্টতহে সম্ভৱপৰ হৈছিল।

৮) পূৰ্বৰ প্ৰায়কেইখন অভিধানতে নমুনা হিচাপে আৰ্হি কাকত চোৱা (Proof reading) নিয়ম পৰিশিষ্টত সন্নিবিষ্ট কৰিছিল।

৯) পূৰ্বতে পাতনিতে সন্নিবিষ্ট কৰা ভাষা বিশেষৰ বৈয়াকৰণিক টোকা, অভিধান প্ৰণয়নত অৱলম্বন

কৰা ৰীতি আদিকো সাম্প্ৰতিক কালত পৰিশিষ্টৰ আওতালৈ অনা হৈছে।

১০) সেইদৰে সাম্প্ৰতিক কালৰ অভিধানত উভয়নদী তথ্যদাতা-দাত্ৰীৰ নাম, ব্যৱহৃত গ্ৰন্থৰ তালিকা (গ্ৰন্থপঞ্জী)-ও প্ৰকাৰান্তৰে পৰিশিষ্টই।

(কোঁৱৰ, পৃষ্ঠা ১১১-১১২)

প্ৰথমখন অসমীয়া অভিধান- মাইলছ ব্ৰনছনৰ *অসমীয়া-ইংৰাজী অভিধানত* বৈ যোৱা শব্দ /শব্দাংশৰ নতুন সংযোজনাৰে Appendix হিচাপে এখন তালিকা দিয়া হৈছিল। একেদৰে Errata and Emendation শিৰোনামেৰে সাত পৃষ্ঠাৰ ভুল সংশোধনীৰ তালিকা এখন দিয়া হৈছিল। পৰিশিষ্ট হিচাপে পোনপ্ৰথমে *হেমকোষত* প্ৰশাসনীয় পৰিভাষা (পৰিশিষ্ট-১) আৰু আৰ্হিকাকত সংশোধন প্ৰণালী দিয়াৰ লগতে ওপৰঞ্চি বুলি বৈ যোৱা তথা ন কৈ অন্তৰ্ভুক্ত কৰিবলগীয়া শব্দ বা বাক্যাংশ (প্ৰবিষ্টি) সন্নিবিষ্ট কৰিছে। পৰৱৰ্তী সংস্কৰণসমূহত পৰিশিষ্টত ভাষা-বৈজ্ঞানিক পৰিভাষা, বিভিন্ন খেলপথাৰৰ আকাৰ, অসমীয়া গহনা, বাদ্যযন্ত্ৰ, মাছধৰা সঁজুলি, কাঁহ-পিতলৰ সামগ্ৰী, সাজ-পাৰ, বিবিধ চৰাই, বাঁহ-বেতৰ বিবিধ সামগ্ৰী, বিভিন্ন দেশৰ পতাকা, শুধৰণি পৃষ্ঠা সংযোজন কৰিছে।




উৎসঃ *হেমকোষ*

শৰাইঘাট অভিধানৰ পশ্চাংশত পৰিশিষ্ট হিচাপে কেইবাখনো তালিকা সংযুক্ত কৰা হৈছে। সেইবোৰ তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি-

পৰিশিষ্ট ১ প্ৰশাসনীয় পৰিভাষা

পৰিশিষ্ট ২(ক) বিজ্ঞানৰ পৰিভাষা- ইলেকট্ৰনিক্স, পদাৰ্থবিজ্ঞান, জ্যোতিঃপদাৰ্থবিজ্ঞান, কম্পিউটাৰবিজ্ঞান, ভূগোলবিজ্ঞান, ভূবিজ্ঞান, ৰসায়নবিজ্ঞান

পৰিশিষ্ট ২(খ) বিজ্ঞানৰ পৰিভাষা- উদ্ভিদবিজ্ঞান, গাৰ্হস্থ্যবিজ্ঞান, কৃষিবিজ্ঞান, চিকিৎসাবিজ্ঞান, নৃবিজ্ঞান, পশু চিকিৎসাবিজ্ঞান, প্ৰাণীবিজ্ঞান

পৰিশিষ্ট ২(গ) বিজ্ঞানৰ পৰিভাষা - পৰিৱেশবিজ্ঞান

পৰিশিষ্ট ২(ঘ) বিজ্ঞানৰ পৰিভাষা - অতিৰিক্ত

পৰিশিষ্ট ৩ আমাৰ ভাষাটোত আটাইতকৈ বানান বেছি ভুল হোৱা এশটা শব্দ

পৰিশিষ্ট ৪ যতি-চিহ্নৰ ব্যৱহাৰ

পৰিশিষ্ট ৫ প্ৰুফ চোৱাৰ চিনবোৰ

পৰিশিষ্ট ৬ প্ৰুফ চাওতাৰ অভ্যাসন

পৰিশিষ্ট ৭ অসমীয়া সংখ্যাবাচক আৰু পূৰণবাচক শব্দ

পৰিশিষ্ট ৮ অসমীয়া সম্বন্ধবাচক শব্দ

পৰিশিষ্ট ৯ পৰিচয়জ্ঞাপক তালিকা (নাম, স্থান, চৰিত্ৰ আদি)

পৰিশিষ্ট ১০ নক্ষত্ৰপুঞ্জসমূহৰ তালিকা

পৰিশিষ্ট ১১ গ্ৰিক বৰ্ণমালা আৰু গাণিতিক চিহ্নসমূহ

পৰিশিষ্ট ১২ সংখ্যা, একক আৰু জোখ

ইয়াৰ উপৰিও অভিধানখনৰ শেষৰফালে অতিৰিক্তভাৱে 'সহায় লোৱা গ্ৰন্থৰ তালিকা'ও সংযোজন কৰা হৈছে।

অভিধানৰ বহিৰাগত উপাদানসমূহ অভিধানখনৰ আকৃতি-প্ৰকৃতি-বিষয় অনুসাৰে বেলেগ বেলেগ হ'ব পাৰে। উদাহৰণস্বৰূপে কিছুমান অভিধানৰ পৰিশিষ্ট নাথাকে। কিছুমান অভিধানত কোনো কোনো অংশ অগ্ৰাংশত সন্নিবিষ্ট হ'বনে পশ্চাংশত সন্নিবিষ্ট হ'ব সেয়া অভিধান অনুসাৰে বেলেগ বেলেগ হয়। যি হ'লেও অৱশ্যে প্ৰত্যেক অভিধানতেই অগ্ৰাংশ চমুকৈ হ'লেও থাকিবই। অসম চৰকাৰৰ ৰাজনৈতিক বিভাগে ২০০২ চনত প্ৰকাশ কৰা *চলন্ত অভিধান*-ৰ অগ্ৰাংশত কেৱল পাতনি আছে। তাত পঢ়ুৱৈৰ প্ৰতি নিৰ্দেশিকা, শব্দৰ সংক্ষিপ্ত ৰূপৰ নিৰ্দেশ নাই। অভিধানখনত মাত্ৰ এক পৃষ্ঠাৰ পৰিশিষ্ট সংযোজন কৰা হৈছে। উনবিংশ শতিকাৰ মাইল্‌স ব্ৰনছনৰ *অসমীয়া ইংৰাজী* অভিধানৰ বৃহৎ গাঁথনিটোৰ অগ্ৰলাংশত কেৱল পাতনিখন আৰু পশ্চাংশত পৰিশিষ্টৰূপে ছপা ভুলৰ সংশোধনী প্ৰদান কৰিছে। তাত পঢ়ুৱৈৰ প্ৰতি নিৰ্দেশিকা আৰু সংক্ষিপ্তকৃত শব্দৰ তালিকা

অন্তৰ্ভূক্ত হোৱা নাই। বিংশ শতিকাৰ অভিধানবোৰৰ ভিতৰত হেমকোষত পাতনি, পঢ়ুৱৈৰ প্ৰতি নিৰ্দেশিকা, সংক্ষিপ্তকৃত শব্দৰ ৰূপ অন্তৰ্ভূক্ত কৰিছে। *চন্দ্ৰকান্ত অভিধান*ৰ বৃহৎ গাঁথনিটো কেৱল অগ্ৰাংশত গঠিত হৈছে। এই অভিধানখনত কোনো পৰিশিষ্ট দিয়া হোৱা নাই। অভিধানখনত কেৱল পাতনি আৰু সংক্ষিপ্ত ৰূপৰ সংকেত বাখ্যাৰ সংযোজন ঘটিছে। গিৰিধৰ শৰ্মাৰ *অসমীয়া অভিধান*ৰ অগ্ৰাংশত কেৱল পাতনিখনহে সন্নিবিষ্ট কৰিছে। পশ্চাংশত পৰিশিষ্টৰূপে বিভিন্ন বিষয়ৰ আৱশ্যকীয় পাৰিভাষিক শব্দ কিছুমান সন্নিৱেশিত কৰিছে। ব্যৱহাৰিক শব্দকোষৰ বৃহৎ গাঁথনিটোৰ অগ্ৰাংশত কেৱল পাতনি আৰু পশ্চাংশত পাৰিভাষিক শব্দাৱলীৰ এখন তালিকা পৰিশিষ্টৰূপে সংযোজিত কৰিছে। অসম প্ৰকাশন পৰিষদৰ *আধুনিক অসমীয়া অভিধান*ত অগ্ৰাংশ হিচাপে পাতনি আৰু সংক্ষিপ্ত শব্দৰূপৰ তালিকা সন্নিবিষ্ট কৰিছে। সুমন্ত চলিহাৰ *আধুনিক অসমীয়া শব্দকোষ*ৰ বৃহৎ গাঁথনিটো মূলতঃ অগ্ৰাংশ আৰু পশ্চাংশৰে গঠিত হৈছে। অগ্ৰাংশত পাতনি, পঢ়ুৱৈৰ প্ৰতি নিৰ্দেশিকা আৰু সংক্ষিপ্তকৃত শব্দৰূপৰ তালিকা আদি সন্নিবিষ্ট কৰিছে। পশ্চাংশত পৰিশিষ্টৰূপে অসমৰ উপাধি আৰু প্ৰশাসনিক পৰিভাষাৰ তালিকা সংযোজন কৰিছে। একবিংশ শতিকাৰ অভিধানবোৰৰ ভিতৰত *চলন্ত অভিধান*ৰ বৃহৎ গাঁথনিটোত অগ্ৰাংশ হিচাপে কেৱল আগকথা শীৰ্ষক এখনি পাতনি সন্নিবিষ্ট কৰা হৈছে। *অসমীয়া জাতীয় অভিধান*ৰ বৃহৎ গাঁথনিটোত মূলতঃ অগ্ৰাংশহে সন্নিবিষ্ট হৈছে। অগ্ৰাংশত থাকিবলগীয়া পাতনি, পঢ়ুৱৈৰ প্ৰতি নিৰ্দেশিকা, সংক্ষিপ্তৰূপৰ সংকেত আদি চকুত লগাকৈ প্ৰদান কৰিছে। *শৰাইঘাট অভিধান*ৰ বৃহৎ গাঁথনিটো অগ্ৰাংশ আৰু পশ্চাংশ লৈ গঠিত হৈছে। অগ্ৰাংশত পঢ়ুৱৈৰ প্ৰতি নিৰ্দেশিকা, সংক্ষিপ্তকৃত ৰূপৰ তালিকা আৰু পাতনিখন সংযোজন কৰিছে। বৈদ্যুতিক বা অনলাইন হোৱা বাবে অসমীয়া তথ্য-প্ৰযুক্তিগত অভিধানৰ ক্ষেত্ৰত যথাযথ ৰূপত বৃহৎ গাঁথনি বিচাৰি পোৱা নাযায়। অৱশ্যে ব্যৱহাৰৰ হাতপুথি বা ৱেব পেজৰ নিৰ্দিষ্ট শিতানত অভিধানে মানি চলা নীতি নিৰ্দেশনা সম্পৰ্কে কিছু আভাস দিবলৈ যত্ন কৰা দেখা গৈছে (অভিজিত বৰা, পৃ ২৩৫-২৩৬)। বহুল ব্যৱহৃত *Oxford Dictionary* খনতো অভিধানখনৰ অগ্ৰাংশত অভিধান কেনেকৈ চাব লাগে সেই সম্পৰ্কে নীতি-নিৰ্দেশনা দিয়াৰ লগতে বিভিন্ন বিষয়ৰ পৰিশিষ্ট সংযোজন কৰা হৈছে।

এইদৰেই দেখা যায় যে অভিধান এখনৰ পশ্চাংশতো বিভিন্ন প্ৰকাৰৰ তথ্য সংযোজিত হৈ থাকে। অভিধানৰ অগ্ৰাংশ আৰু আৰু পশ্চাংশত থকা এই বিভিন্ন উপাদানসমূহ মিলি অভিধানৰ বৃহৎ গাঁথনি বুলি কোৱা হয়। ওপৰোক্ত আলোচনাৰ পৰা দেখা যায় যে এই অংশ দুটাত অভিধান প্ৰণয়নৰ সময়ত প্ৰয়োজন হোৱা আৰু পঢ়ুৱৈৰ জ্ঞানবৰ্ধনত সহায় হোৱাকৈ যথেষ্ট তথ্য সংযুক্ত কৰা হয়। ই অভিধানৰ মুখ্যাংশৰ অন্তৰ্গত নহ'লেও অভিধানখন সম্পূৰ্ণ কৰি তোলে।

### ৫.৫ সাৰাংশ (Summing Up)

অভিধান এখন ছপাৰ বাবে প্ৰস্তুত কৰি তুলিবলৈ তাৰ গাঁথনিক ৰূপটোও সম্পূৰ্ণ কৰি তুলিব লাগিব। তাৰ বাবে অভিধানখন এক নিৰ্দিষ্ট ক্ৰমত সজাই তোলা প্ৰয়োজন।

পৰিকল্পনাৰ দ্বাৰা গাঁথনিকভাৱে সুগঠিত অভিধান এখন নিৰ্মাণ কৰিলে অভিধানখন প্ৰণালীবদ্ধ হোৱাৰ লগতে ব্যৱহাৰকৰ্তাৰ বাবেও উজু হয়।

অভিধান এখনত মূলতঃ তিনিটা গাঁথনি থাকে- বৃহৎ গাঁথনি বা বহিৰাগত উপাদান, বৰ গাঁথনি আৰু অনুগাঁথনি । অভিধানখনৰ অগ্ৰাংশ আৰু পশ্চাংশৰ উপাদানসমূহ মিলি বৃহৎ গাঁথনি হয়। অভিধানৰ মূল বিষয় শব্দ আৰু তাৰ অৰ্থৰ উপৰিও তাৰ লগত জড়িত আনুষংগিক উপাদানবোৰ অভিধানৰ অগ্ৰাংশ আৰু পশ্চাংশত অন্তৰ্ভুক্ত হৈ বৃহৎ গাঁথনি সৃষ্টি হয়। অগ্ৰাংশত সন্নিবিষ্ট পাতনিৰ পৰা অভিধানখনৰ লক্ষ্য- উদ্দেশ্য কৰে। মূল তথ্যৰ উপৰিও ইয়াৰ সম্পৰ্কিত আন আন অতিৰিক্ত তথ্য, দৈনন্দিন প্ৰয়োজনীয় তথ্য অভিধানখনৰ পশ্চাংশ বা পৰিশিষ্টতো পাব পাৰি। অৰ্থাৎ অভিধানৰ বৃহৎ গাঁথনি বুলি কলে তাৰ বহিৰাগত উপাদানসমূহৰ কথা বুজা হয় বুলি ক'ব পাৰি। ইয়াৰপৰা ব্যৱহাৰকৰ্তা যথেষ্ট উপকৃত হ'ব পাৰে। অভিধানৰ মুখ্যাংশক বাদ দি অগ্ৰাংশ আৰু পশ্চাংশত প্ৰণালীবদ্ধভাৱে অতিৰিক্ত তথ্যসমূহ সংযোজন কৰাৰ ফলত মুখ্যাংশ অত্যাধিক খেলি-মেলিৰ পৰা মুক্ত হয় আৰু এই তথ্যসমূহো প্ৰণালীবদ্ধভাৱে সংযোজন হয়। এইবোৰে অভিধানখনক এক সু-সংহত ৰূপ প্ৰদান কৰাৰ লগতে তথ্যসমৃদ্ধ কৰি তোলে।

### ৫.৬ আৰ্হি প্ৰশ্ন (Sample Questions)

১) অভিধানৰ বৃহৎ গাঁথনিৰ উপাদানসমূহৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

২) অভিধান এখনৰ পাতনিটো কেনেধৰণৰ হোৱা উচিত লিখক।

৩) পঢ়ুৱৈৰ প্ৰতি থকা নিৰ্দেশনাই কেনেধৰণৰ তথ্য সামৰি লয় লিখক।

৪) অভিধান এখনৰ পৰিশিষ্টত কেনেধৰণৰ তথ্য সন্নিবিষ্ট কৰা হয় লিখক।

৫) অভিধান প্ৰণয়নত অভিধানৰ বৃহৎ গাঁথনিৰ ভূমিকা মূল্যায়ন কৰক।

### ৫.৭ প্ৰসংগ গ্ৰন্থ (Reference/Suggested Readings)

**প্ৰকাশিত গ্ৰন্থ ঃ**

কোঁৱৰ, অৰ্পনা (সম্পা)ঃ অভিধানতত্ত্ব। গুৱাহাটীঃ অসম বুক ট্ৰাষ্ট, ২০১৯। প্ৰকাশিত।

গোস্বামী, দীনেশ চন্দ্ৰ (সম্পা) ঃ *শৰাইঘাট অভিধান* । গুৱাহাটীঃ শৰাইঘাট প্ৰকাশন, ২০১১। মুদ্ৰিত।

দত্তবৰুৱা, ফণীন্দ্ৰ নাৰায়ণঃ *প্ৰয়োগ ভাষা বিজ্ঞানৰ ৰূপৰেখা*। গুৱাহাটীঃ বিশাল প্ৰকাশন, ২০১৭। মুদ্ৰিত।

বৰুৱা, হেমচন্দ্ৰঃ হেমকোষ । গুৱাহাটীঃ *হেমকোষ* প্ৰকাশন, ২০১১। প্ৰকাশিত।

শৰ্মা, দেৱব্ৰত (সম্পা) ঃ অসমীয়া জাতীয় অভিধান, প্ৰথম খণ্ড। যোৰহাটঃ অসম জাতীয় প্ৰকাশ, ২০১০। মুদ্ৰিত।

শৰ্মা, দেৱব্ৰত (সম্পা)ঃ *অসমীয়া জাতীয় অভিধান*, দ্বিতীয় খণ্ড। যোৰহাটঃ অসম জাতীয় প্ৰকাশ, ২০১০ । মুদ্ৰিত।

**গৱেষণা গ্ৰন্থঃ**

বৰা, অভিজিতঃ *অভিধানতত্ত্ব আৰু অসমীয়া ভাষাৰ অভিধান*। পি এইচ ডি উপাধিৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ত প্ৰদত্ত গৱেষণা গ্ৰন্থ। ২০১৫।

নাথ, অমলঃ *অসমত অভিধান বৈজ্ঞানিক অধ্যয়নৰ গতি প্ৰকৃতি*। পি এইচ ডি উপাধিৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত প্ৰদত্ত গৱেষণা গ্ৰন্থ। ডিব্ৰুগড় বিশ্ববিদ্যালয়। ২০২৩।

*****

## চতুৰ্থ খণ্ড ঃ

প্ৰথম বিভাগ ঃ প্ৰথম ভাষা আৰু দ্বিতীয় ভাষাঃ পৰিচয় আৰু পাৰ্থক্য

দ্বিতীয় বিভাগ ঃ প্ৰথম ভাষা আৰু দ্বিতীয় ভাষাৰ শিক্ষণৰ পাৰ্থক্য

তৃতীয় বিভাগ ঃ দ্বিতীয় ভাষা শিক্ষণৰ পদ্ধতি

চতুৰ্থ বিভাগ ঃ ভাষা শিক্ষণত বৰ্ণনাত্মক, সমাজ ভাষাবিজ্ঞান আৰু মনঃস্তাত্বিক ভাষাবিজ্ঞানৰ জ্ঞানৰ প্ৰয়োগ

# প্ৰথম বিভাগ
# প্ৰথম ভাষা আৰু দ্বিতীয় ভাষাঃ পৰিচয় আৰু পাৰ্থক্য

**বিভাগৰ গঠনঃ**

১.১ ভূমিকা (Introduction)
১.২ উদ্দেশ্য (Objectives)
১.৩ প্ৰথম ভাষাৰ পৰিচয় আৰু বৈশিষ্ট্য
১.৪ দ্বিতীয় ভাষাৰ পৰিচয় আৰু বৈশিষ্ট্য
১.৫ প্ৰথম ভাষা আৰু দ্বিতীয় ভাষাৰ মাজৰ পাৰ্থক্য
১.৬ সাৰাংশ (Summing Up)
১.৭ আৰ্হি প্ৰশ্ন (Sample Questions)
১.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

## ১.১ ভূমিকা (Introduction)

ভাষা মানুহৰ চিন্তা ভাবনা প্ৰকাশৰ উৎকৃষ্ট মাধ্যম। এই মাধ্যম ব্যক্তি, সমুদায় বা সমষ্টিভেদে ভিন্নধৰণৰ হয়। পৃথিৱীৰ প্ৰায়বোৰ জাতি-জনগোষ্ঠীৰেই একো একোটা ভাষিক পৰিচয় আছে। এই পৰিচয় জীয়াই ৰখাৰ স্বাৰ্থতেই মানুহৰ মাজত সচেতন অথবা অসচেতনভাৱে ভাষাৰ সংৰক্ষণ আৰু প্ৰচলনৰ প্ৰচেষ্টা অহৰহ চলি থাকে। এই প্ৰচেষ্টাৰ ফলতে কিছুমান ভাষিক গোষ্ঠীৰ ভাষাই অনেক প্ৰসাৰ লাভ কৰে যদিও ভাষা স্থানান্তৰণৰ ধামখুমীয়াত কেতিয়াবা কিছুমান সৰু সৰু ভাষিক গোষ্ঠী অন্য ভাষাৰ লগত বিলীন হৈ যায়। আমি অসমৰ কেতবোৰ জনগোষ্ঠীয় ভাষাৰ ইতিহাস বিচাৰ কৰিলে পাওঁ যে এটা সময়ত তেওঁলোকৰ মাজত প্ৰথম ভাষাৰ ব্যাপক ব্যৱহাৰ থকাৰ পাছতো পৰৱৰ্তী সময়ত তেওঁলোকৰ মাজৰ পৰা প্ৰথম ভাষাৰ প্ৰয়োগ প্ৰায় নোহোৱা হৈছে। উদাহৰণস্বৰূপে, চুতীয়া, সোণোৱাল কছাৰী, মৰাণ এই জনগোষ্ঠীসমূহৰ মাজত এটা সময়ত নিজা নিজা ভাষাৰ(মাতৃভাষা) ব্যৱহাৰ আছিল, কিন্তু বৰ্তমান সময়ত তেওঁলোকে অসমীয়া ভাষাকে মাতৃভাষা হিচাপে গ্ৰহণ কৰিছে। ইয়াৰ বিপৰীতে আকৌ অসমৰ অন্যতম জনগোষ্ঠী বড়োসকলৰ ভাষাই সময়ৰ লগে লগে ব্যাপক প্ৰসাৰ লাভ কৰি সংবিধান স্বীকৃত ভাষাৰ মৰ্যাদা লভিবলৈ সক্ষম হৈছে। গতিকে ভাষা এটা বৰ্তি থকাৰ মূলতে হ'ল সেই ভাষিক গোষ্ঠীটোৰ নিজৰ ভাষাৰ প্ৰতি থকা শ্ৰদ্ধা আৰু ইয়াৰ বহুল ব্যৱহাৰ।

জন্মৰ পাছত যেতিয়াৰ পৰা মানুহে ভাষা ক'ব পৰা হয়, তেতিয়া এটা নিৰ্দিষ্ট ভাষাৰ সহায়ত মনৰ ভাব প্ৰকাশ কৰিবলৈ লয়। এই নিৰ্দিষ্ট ভাষাটোকে বিভিন্ন সময়ত মাতৃভাষা অথবা প্ৰথম ভাষা নামেৰে অভিহিত কৰা হয়। সময়ৰ লগে লগে মানুহৰ প্ৰয়োজনৰ তাগিদাত কেতিয়াবা প্ৰথম ভাষাই সকলো কাৰ্য সম্পাদন কৰাত অসমৰ্থ হয় আৰু তেতিয়াই মানুহে এটাতকৈ অধিক ভাষা ব্যৱহাৰ কৰিবলৈ লয়। গতিকে মানুহৰ

নিত্য নৈমিত্তিক কার্য সমাধা কৰাৰ বাবে এটাতকৈ অধিক ভাষাৰ ব্যৱহাৰকে দ্বিতীয় ভাষা বুলি কোৱা হয়। উদাহৰণস্বৰূপে এগৰাকী মিচিং বক্তাৰ প্ৰথম ভাষা মিচিং আৰু দ্বিতীয় ভাষা তেওঁৰ প্ৰয়োজন সাপেক্ষে অসমীয়া, হিন্দী আৰু ইংৰাজী হ'ব পাৰে। উদাহৰণস্বৰূপে -




প্ৰথম ভাষা আৰু দ্বিতীয় ভাষাক আমি বিভিন্ন সংজ্ঞা তথা সূত্ৰৰে নিৰূপণ কৰাৰ লগতে উভয়ৰে মাজৰ পাৰ্থক্য বিশ্লেষণ কৰিব পাৰোঁ । সেয়েহে এই সকলোবোৰ দিশ এই বিভাগটিত বিতংভাৱে ফঁহিয়াই চোৱা হ'ব।

## ১.২ উদ্দেশ্য (Objectives)

এই বিভাগটিৰ আলোচনাৰ অন্তত নিম্নলিখিত দিশবোৰৰ বিষয়ে জানিবলৈ সক্ষম হ'ব-

- প্ৰথম ভাষাৰ ধাৰণা লাভ কৰিব পাৰিব।
- প্ৰথম ভাষাৰ সংজ্ঞা সম্পৰ্কে জ্ঞান লাভ কৰিবলৈ সক্ষম হ'ব।
- দ্বিতীয় ভাষাৰ ধাৰণা লাভ কৰিব পাৰিব।
- দ্বিতীয় ভাষাৰ সংজ্ঞা সম্পৰ্কে জ্ঞাত হ'ব।
- প্ৰথম ভাষা আৰু দ্বিতীয় ভাষাৰ পাৰ্থক্যৰ বিষয়ে জানিব পাৰিব।

## ১.৩ প্ৰথম ভাষাৰ পৰিচয় আৰু বৈশিষ্ট্য

'প্ৰথম ভাষা'- এই পৰিভাষাটো আধুনিক ভাষাবিজ্ঞানৰ অৰ্বাচীন সংযোজন। পূৰ্বতে ইয়াক 'মাকৰ ভাষা, 'মাতৃভাষা' হিচাপে অভিহিত কৰা হৈছিল। জন্মৰ পাছত ভাষা ক'বলৈ আৰম্ভ কৰাৰ লগে লগে স্বাভাৱিকভাৱে যিটো ভাষা মানুহে ব্যৱহাৰ কৰে সেয়াই প্ৰথম ভাষা। অৱশ্যে প্ৰথম ভাষাৰ বিষয়ে আমাৰ মনত সততে কিছুমান প্ৰশ্নৰ উদয় হয়। ধৰা হওক, দুটা ভিন্ন ভাষিক সম্প্ৰদায়ৰ মাজত বিবাহ হোৱাৰ পাছত তেওঁলোকৰ সন্তানে কোনটো ভাষাক প্ৰথম ভাষা হিচাপে ব্যৱহাৰ কৰিব অৰ্থাৎ পিতৃৰ ভাষা ব্যৱহাৰ কৰিব নে মাতৃৰ ভাষা; জীৱনৰ আদি কালছোৱাত আহৰণ কৰা ভাষা এটা প্ৰাপ্তবয়স্ক অৱস্থাত সলনি হ'লে তেওঁৰ প্ৰথম ভাষা কি হ'ব ইত্যাদি। প্ৰথমটো পৰিস্থিতিত দৰাচলতে ঘৰখনৰ ভাষিক পৰিবেশে বিশেষ ভূমিকা গ্ৰহণ কৰাৰ বাবে বহুসময়ত সন্তানৰ ভাষিক দক্ষতা বহুভাষিক হোৱাৰ সম্ভাৱনাই অধিক হয়। কিয়নো এফালে স্বামীৰ প্ৰথম ভাষাত পত্নীয়ে আৰু পত্নীৰ প্ৰথম ভাষা স্বামীয়ে সাৱলীল বাৰ্তালাপত অসুবিধাৰ সন্মুখীন হ'ব, সেয়েহে ঘৰখনত বহুভাষিক পৰিবেশে প্ৰাধান্য লাভ কৰিব। দ্বিতীয় প্ৰশ্নৰ উত্তৰত আমি

এইধৰণে ক'ব পাৰোঁ যে যিটো ভাষাকেই মানুহে অধিক সহজভাৱে ব্যৱহাৰ কৰিবলৈ ভাল পায় আৰু যিটো ভাষাৰেই সাৱলীল বাৰ্তালাপ কৰিবলৈ সক্ষম হয় তাকেই প্ৰথম ভাষা হিচাপে অভিহিত কৰিব পাৰি। প্ৰথম ভাষা মানুহৰ মানসিক উৎকৰ্ষ সাধন, সাংস্কৃতিক পৰিচয়, চৰিত্ৰ গঠন, যোগাযোগ দক্ষতা, সৃজনী প্ৰতিভাৰ বিকাশ, আবেগিক অভিব্যক্তি, সামাজিক সংযোগ আৰু শৈক্ষিক সফলতা ইত্যাদি দিশবোৰৰ বাবে অতি গুৰুত্বপূৰ্ণ। ইয়াৰ উপৰিও প্ৰথম ভাষাই জীৱনৰ পিছৰ সময়ছোৱাত অতিৰিক্ত ভাষা শিকাৰ আধাৰ হিচাপেও কাম কৰে।

### ১.৩.১ প্ৰথম ভাষাৰ সংজ্ঞা

প্ৰথম ভাষা সম্পৰ্কে ইতিমধ্যে বিভিন্ন ভাষাবিদে সংজ্ঞা আগবঢ়াইছে। তলত তেনে কেতবোৰ সংজ্ঞা তুলি ধৰা হৈছে। অসমৰ এগৰাকী ভাষাবিজ্ঞানী ফণীন্দ্ৰ নাৰায়ন দত্ত বৰুৱাৰ মতে- যিটো ভাষা মানুহে তেওঁৰ শৈশৱৰ কালতে আহৰণ কৰে আৰু যিটো ভাষাৰ জৰিয়তে মনৰ স্বাভাৱিক ভাব-অনুভূতি, হাঁহি-কান্দোন, সুখ-দুখ, প্ৰেম বিষাদৰ দৰে সূক্ষ্ম অথচ মৌলিক ভাবাৱেগসমূহ প্ৰকাশ কৰিবলৈ সক্ষম হয় সেই ভাষাকে মানুহৰ 'প্ৰথম ভাষা' বুলি ক'ব পৰা যায় (পৃ. ১১)।

Avanika Sinha আৰু তেওঁৰ সহযোগীসকলৰ মতে- প্ৰায় ৩ বছৰ বয়সৰ আগৰ পৰা আৰম্ভ কৰি শৈশৱকালত আহৰণ কৰা ভাষাটো হৈছে প্ৰথম ভাষা(পৃ. ১১৭)।

Oxford English Dictionaryৰ মতে- এজন ব্যক্তিয়ে জন্মৰ পৰাই যি ভাষাৰ সৈতে পৰিচিত হৈ সাধাৰণতে সাৱলীলভাৱে যোগাযোগ কৰিব পৰা ভাষাটোৱে প্ৰথম ভাষা। (2021) Cambridge Dictionary আৰু Longman Dictionaryৰ মতেও শৈশৱতে প্ৰথমে শিকা ভাষাটোৱে প্ৰথম ভাষা। একেদৰে UNESCO Institute for Statistics ৰ মতে ঘৰুৱা পৰিৱেশত শৈশৱত শিকি অহা ভাষাই হৈছে মাতৃভাষা, প্ৰথম ভাষা বা থলুৱা ভাষা।

Leonard Bloomfield ৰ মতে - মানুহে ক'বলৈ শিকা প্ৰথম ভাষাটো হ'ল তেওঁৰ মাতৃভাষা আৰু তেওঁ সেই ভাষাৰ স্থানীয় ভাষী।

**আত্মমূল্যায়ন প্ৰশ্ন**

প্ৰথম ভাষাৰ সংজ্ঞা নিৰূপণ কৰি এক টোকা প্ৰস্তুত কৰক (৪০ টা শব্দৰ ভিতৰত)

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

### ১.৩.২ প্ৰথম ভাষাৰ বৈশিষ্ট্য

**(ক) স্বাভাৱিকতা ঃ**

প্ৰথম ভাষাৰ আহৰণ এক স্বাভাৱিক প্ৰক্ৰিয়া আৰু ইয়াক শিশু অৱস্থাতেই আহৰণ কৰা হয়। বিশেষকৈ আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰিবলৈ লোৱাৰ আগতেই পিতৃ-মাতৃ তথা পৰিয়াল আৰু সামাজিক পৰিৱেশত ইয়াক স্বাভাৱিকভাৱে আহৰণ কৰা হয়। শিশু অৱস্থাত চৌপাশৰ ভাষিক পৰিৱেশৰ পৰা শুনি বংশগত ভাষিক পৰম্পৰা হিচাপে ইয়াক অনায়াসে আহৰণ কৰিব পাৰি।

**(খ) নিপুণতা ঃ**

প্ৰতিজন ব্যক্তিয়েই তেওঁৰ প্ৰথম ভাষাত সদায় পাৰ্গত তথা নিপুণ হয়। তেওঁলোকে সাধাৰণতে তেওঁলোকৰ প্ৰথম ভাষাত জটিল চিন্তা, আৱেগ আৰু সাংস্কৃতিক সূক্ষ্মতা প্ৰকাশ কৰাত আটাইতকৈ সহজ অনুভৱ কৰে। তদু পৰি প্ৰথম ভাষাই মানুহৰ বোধশক্তিৰ বিকাশ সাধন কৰে। তেওঁলোকৰ মনলৈ অহা ধাৰণা, চিন্তা, উপলব্ধিক সাকাৰ ৰূপ দিয়াৰ ক্ষেত্ৰত প্ৰথম ভাষাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

**(গ) প্ৰথম ভাষাৰ বিকাশৰ স্তৰ ঃ**

**প্ৰাক-ভাষিক স্তৰ ঃ** শিশুৰ জন্মৰ পৰা ১২ মাহলৈকে এই সময়ছোৱাক ধৰা হয়। এই সময়ছোৱাত শিশুৱে কান্দোনৰ জৰিয়তে, উকিওৱাৰ জৰিয়তে যোগাযোগ স্থাপন কৰিব খোজে।

**এটা শব্দৰ স্তৰ ঃ** এই স্তৰটো সাধাৰণতে ১২ মাহৰ পাছৰ পৰা আৰম্ভ হয়। এই সময়ছোৱাত শিশুৱে এটা ফুটা-নুফুটা শব্দ একোটা (মা, পা ইত্যাদি) উচ্চাৰণ কৰিবলৈ আৰম্ভ কৰে।

**দুটা শব্দৰ স্তৰ ঃ** এই স্তৰটো ১৮-২৪ মাহৰ সময়ছোৱাক ধৰা হয়। এই সময়ছোৱাত শিশুৱে দুটা শব্দ যোৰা লগাই কবলৈ আৰম্ভ কৰে।

**এক বাক্য স্তৰ ঃ** এই সময়ছোৱাত শিশুৱে একোটা বাক্য ক'বলৈ আৰম্ভ কৰে। এই স্তৰৰ সময়সীমা ধৰা হয় ২-৩ বছৰৰ ভিতৰত।

**জটিল বাক্যৰ স্তৰ ঃ** শিশুৱে ৩-৪ বছৰৰ ভিতৰত জটিল বাক্যবোৰ উচ্চাৰণ কৰিবলৈ আৰম্ভ কৰে। ইয়াৰ উপৰিও এই সময়ছোৱাত ব্যাকৰণৰ গাঁথনিক ৰূপবোৰ নিজাববীয়াকৈ উদ্ধাৰ আৰু প্ৰয়োগ কৰিবলৈ আৰম্ভ কৰে।

**(ঘ) সাৰ্বজনীন ব্যাকৰণ ঃ**

ভাষাবিজ্ঞানী নোৱাম চমস্কিৰ মতে প্ৰত্যেক শিশুৱে জন্মৰ সময়তেই একো একোটা প্ৰকৃতিপ্ৰদত্ত ভাষা আহৰণৰ দক্ষতা লৈ আহে। এই দক্ষতাৰে শিশুৱে প্ৰথম ভাষা আহৰণ কৰে। বিশ্বৰ সকলো সংস্কৃতিতে সকলো প্ৰথমভাষীয়ে এইধৰণে নিজৰ সহজাত ভাষা আহৰণ আহিলাৰে (Language Acquisition Device) প্ৰথম ভাষা আহৰণ কৰা এই প্ৰক্ৰিয়াটোকে সাৰ্বজনীন ব্যাকৰণ বুলিও অভিহিত কৰা হৈছে। প্ৰথম ভাষা আহৰণৰ এনে সাৰ্বজনীনতা হৈছে ইয়াৰ এক প্ৰধান বৈশিষ্ট্য।

**(ঙ) সামাজিক বাৰ্তালাপ ঃ**

প্ৰথম ভাষাৰ এক উল্লেখযোগ্য বৈশিষ্ট্য হ'ল- ই পৰিৱেশ নিৰ্ভৰ। যদি কোনো শিশুৱে পিতৃ-মাতৃৰ সলনি পৰিচাৰিকা বা যত্ন লওঁতাৰ তত্ত্বাৱধানত ডাঙৰ-দীঘল হয় তেন্তে শিশুৱে তেওঁৰ ভাষাকে প্ৰথম ভাষা হিচাপে আহৰণ কৰিব।

**(চ) প্ৰসংগগত শিক্ষণ ঃ**

শিশুৱে প্ৰায়ে প্ৰসংগ অনুসৰি ভাষা শিকে। অৰ্থাৎ মুখস্থ কৰাৰ সলনি প্ৰতিটো সামগ্ৰীকে লিৰিকি-বিদাৰি চাই ইয়াৰ অৰ্থ উদ্ধাৰ কৰি জ্ঞান লাভ কৰিবলৈ চেষ্টা কৰা পৰিলক্ষিত হয় আৰু ইয়াৰ জৰিয়তে শব্দভাণ্ডাৰ আৰু ব্যাকৰণগত জ্ঞান বৃদ্ধি পায়।

**(ছ) ত্ৰুটি আৰু অত্যাধিক সাধাৰণীকৰণ**

শিশুৱে প্ৰায়ে ভাষা ব্যৱহাৰত ত্ৰুটি কৰে। ইয়াৰ উপৰিও ব্যাকৰণৰ নিয়মবোৰ সৰলীকৰণ কৰি ভাষা একোটা ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰে। ই শিশুৰ ভাষা আহৰণৰ এক স্বাভাৱিক অংশ।

**(জ) সময় ঃ**

ভাষা আহৰণৰ কোনো নিৰ্ধাৰিত সময় সুনিশ্চিত কৰিব নোৱাৰি যদিও প্ৰথম ভাষাৰ ক্ষেত্ৰত সাধাৰণতে যৌৱনপ্ৰাপ্তিৰ আগতে ভাষা আহৰণ কৰিব পাৰিলে অধিক ফলপ্ৰসু বুলি বিবেচনা কৰা হয়। এই সময়ছোৱাত ভাষা আহৰণ কৰিলে অধিক দক্ষতা বা নিপুণতা অৰ্জন কৰাৰ সম্ভাৱনা অধিক।

**(ঝ) ভিন্নতা ঃ**

প্ৰথম ভাষা আহৰণৰ ক্ষেত্ৰত ব্যক্তি পাৰ্থক্য, সাংস্কৃতিক প্ৰভাৱ আৰু ভাষিক পৰিৱেশৰ দৰে কাৰকবোৰে ভাষা আহৰণৰ হাৰ আৰু পদ্ধতিত ভিন্নতা আনে।

**আত্মমূল্যায়ন প্ৰশ্ন ঃ**

প্ৰথম ভাষাৰ বৈশিষ্ট্যসমূহৰ বিষয়ে এক টোকা প্ৰস্তুত কৰক (৪০ টা শব্দৰ ভিতৰত)

..................................................................................................

..................................................................................................

..................................................................................................

..................................................................................................

**১.৩.৩ প্ৰথম ভাষাৰ গুৰুত্ব ঃ**

**(ক) মানসিক উৎকৰ্ষ সাধন ঃ**

মানুহৰ শৰীৰৰ উৎকৰ্ষ সাধন দুই ধৰণেৰে হয়। এটা হ'ল শাৰীৰিক আৰু আনটো হ'ল মানসিক। শাৰীৰিক উৎকৰ্ষৰ বাবে মানুহে বিভিন্ন পুষ্টিকৰ খাদ্য-সামগ্ৰী গ্ৰহণ কৰে। ইয়াৰ ফলত শৰীৰৰ মাংসপেশীৰ বিকাশ আৰু বৃদ্ধি হয়। ঠিক সেইদৰে মানসিক উৎকৰ্ষৰ

বাবেও মানুহে বিভিন্ন পদ্ধতি গ্ৰহণ কৰে। উদাহৰণস্বৰূপে- কাব্য, সাহিত্য, সঙ্গীত আৰু সাধু কথা ইত্যাদি। প্ৰথম ভাষাত ৰচিত এই এই বিষয়বোৰে মানুহৰ মনত এক প্ৰশান্তি প্ৰদান কৰে। ইয়াৰ জৰিয়তে অতি সহজতে জ্ঞান আহৰণ সম্ভৱ হৈ উঠে আৰু সেই সমাজখনৰ বাস্তৱ পৰিৱেশ আৰু পৰিস্থিতিৰ আভাস লাভ কৰিবলৈ সক্ষম হয়। আনহাতে প্ৰথম ভাষাৰ সলনি দ্বিতীয় ভাষাৰ সহায়ত ইয়াক আহৰণ কৰিবলৈ গ'লে সঠিক বোধগম্যতাৰ অভাৱৰ ফলত আলোচিত মানসিক তৃপ্তি লাভৰ পৰা বঞ্চিত হয়।

**(খ) সাংস্কৃতিক পৰিচয় লাভ ঃ**

ভাষা আৰু সংস্কৃতিক এটা আনটোৰ পৰিপূৰক বুলি কোৱা হয়। ভাষাই একোটা জাতিৰ সংস্কৃতিক প্ৰতিফলিত কৰে। প্ৰথম ভাষা ব্যৱহাৰকাৰীৰ ক্ষেত্ৰত তেওঁলোকৰ আচাৰ-ব্যৱহাৰ, চিন্তা-ধাৰা, পৰম্পৰা, বিশ্বাস ইত্যাদি সকলোবোৰ দিশ তেওঁলোকৰ প্ৰথম ভাষাৰ মাজত নিহিত হৈ থাকে। উদাহৰণস্বৰূপে- ভাত, পিটিকা, খাৰ আদি শব্দবোৰ কেৱল অসমীয়া ভাষাৰ। সেইদৰে দোচা, ইড্‌লি, উপ্‌মা আদি খাদ্যসামগ্ৰীৰ নামৰ পৰা আমি ইয়াক দক্ষিণ ভাৰতৰ ৰাজ্যৰ বুলি পোনে পোনেই চিনাক্ত কৰিব পাৰোঁ। আচাৰ-আচৰণ সম্পৰ্কীয় দিশৰ পৰা অসমীয়া সমাজত জ্যেষ্ঠজনক প্ৰণাম জনাওঁ, আনহাতে ইংৰাজী ভাষাত তেওঁলোকৰ সাংস্কৃতিক পৰম্পৰা অনুসৰি 'হাই', 'হেল্লো' জনোৱা হয়। গতিকে প্ৰথম ভাষাৰ সহায়ত একোখন সমাজৰ সাংস্কৃতিক পৰিচয় লাভ কৰিব পাৰি।

**(গ) চৰিত্ৰ গঠন ঃ**

প্ৰথম ভাষাই মানুহৰ চৰিত্ৰ গঠনত বিশেষ ভূমিকা পালন কৰে। উদাহৰণস্বৰূপে অসমৰ জাতীয় বীৰ-বীৰাঙ্গনা, আদৰ্শবান ব্যক্তিৰ জীৱনী, কাহিনী আদি প্ৰথম ভাষাৰ জৰিয়তে ৰচনা কৰি শিশু অৱস্থাৰ পৰাই ল'ৰা-ছোৱালীৰ মনত জাতীয় চেতনা গঢ় দিব পাৰি। এই ক্ষেত্ৰত জয়মতী কুঁৱৰীৰ কাহিনী, কনকলতা বৰুৱাৰ কাহিনী, লাচিত বৰফুকনৰ কাহিনী, শংকৰদেৱ, মাধৱদেৱৰ কাহিনীয়ে শিশুৰ চৰিত্ৰ গঠনত অৰিহণা যোগাব পাৰে। ইয়াৰ উপৰিও ভাৰতৰ লগতে বিশ্বৰ আদৰ্শবান ব্যক্তিৰ জীৱন কাহিনীও প্ৰথম ভাষাত ৰচনা কৰি তেওঁলোকক পঢ়িবলৈ দিলে সৰুৰে পৰাই এক বিশেষ দৃষ্টিভঙ্গী গঢ়ি উঠিব।

**(ঘ) সৃজনীশীল প্ৰতিভাৰ বিকাশ ঃ**

প্ৰথম ভাষাই সৃজনী প্ৰতিভাৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। মানুহৰ আগ্ৰহ আৰু অভিপ্ৰায় ভিন্ন ধৰণৰ। বিশেষকৈ শিশু অৱস্থাত এই ৰুচিবোধ অতিকৈ বেছি হয়। কোনোৱে খেলি ভাল পাব পাৰে, কোনোৱে নাচি ভাল পাব পাৰে, কোনোৱে পঢ়ি ভাল পাব পাৰে আৰু আৰু আন কোনো আকৌ সংগীত ভাল পাৰে। এই ক্ষেত্ৰত শিশু অৱস্থাত থাকোঁতে ল'ৰা-ছোৱালীৰ এনেবোৰ প্ৰতিভাৰ প্ৰতি সততে পিতৃ-মাতৃ আৰু বিদ্যালয়ত শিক্ষকে চকু দিয়াটো অতি আৱশ্যকীয়। ইয়াৰ কাৰণে বিভিন্ন ধৰণৰ

প্ৰতিযোগিতাবোৰত অংশগ্ৰহণৰ সুযোগ-সুবিধা প্ৰদান কৰিব লাগে। উদাহৰণস্বৰূপে- গীত, কবিতা আবৃত্তি, তৰ্ক, চিত্ৰাংকন ইত্যাদি।

**(ঙ) যোগাযোগ দক্ষতাৰ বিকাশ ঃ**

যোগাযোগ বুলি কলে সহজ অৰ্থত ভাষিক আদান-প্ৰদানৰ কথাই বুজিব লাগিব। সামাজিক প্ৰাণী হিচাপে মানুহে সদায়ে ইজনে-সিজনৰ সৈতে ভাব বিনিময় কৰিব বিচাৰে। ইয়াৰ ফলত মানুহৰ মাজত যোগাযোগ দক্ষতাৰো বিকাশ হয়। মানুহে যিমানেই ভাষা এটা ব্যৱহাৰ কৰি থাকিব সিমানেই তেওঁৰ বাক্ সঞ্চালন আৰু বাক্ যন্ত্ৰ অধিক ক্ৰিয়াশীল হ'ব। গতিকে প্ৰথম ভাষা যিহেতু প্ৰত্যেক ব্যক্তিৰে স্বাভাবিক ভাষা সেয়েহে ইয়াৰ জৰিয়তে স্বতৰ্স্ফূৰ্তভাৱে মনৰ ভাব, আবেগ-অনুভূতি প্ৰকাশ হোৱাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

**(চ) আনুবংশিক পৰিচয় বহন ঃ**

সমাজ এখনত জীয়াই থকা মানেই হ'ল সেই সমাজখনত শিশু অৱস্থাৰ পৰা জীৱনৰ শেষ পৰ্যায়লৈকে লাভ কৰা নীতি-নিয়ম, পৰম্পৰা, বিশ্বাস-অবিশ্বাস আদি সকলোবোৰ বিষয়ৰ সৈতে আবৰি থকা এক জীৱন পৰিক্ৰমা আৰু এইবোৰ মানুহে আনুবংশিকভাৱে লাভ কৰে। এই আনুবংশিক পৰম্পৰাই সমাজ এখনৰ চিন্তা-চেতনা, ৰীতি-নীতি, ধ্যান-ধাৰণা পূৰ্বপুৰুষৰ পৰা কঢ়িয়াই আনি নতুন প্ৰজন্মৰ মাজত বিলাই দিয়ে। পুৰুষাণুক্ৰমে চলি অহা এনেবোৰ ধ্যান-ধাৰণাই দৰাচলতে পাৰিবাৰিক সম্বন্ধ তথা সামাজিক সম্বন্ধত আন্তৰিকতা, শ্ৰদ্ধা আদিৰ দৰে ভাৱবোৰ বৰ্তাই ৰাখিবলৈ সক্ষম হয়।

**(ছ) মানসিক শক্তি বৃদ্ধি ঃ**

প্ৰথম ভাষা বা মাতৃভাষাই শিশুৰ মানসিক ক্ষমতা বৃদ্ধি কৰে। আমি নিজৰ মনৰ ভাৱ প্ৰকাশ কৰিবলৈ প্ৰথম ভাষাকেই প্ৰাধান্য দিওঁ আৰু ই শিশুৰ কল্পনা শক্তিৰ বিকাশ ঘটাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। উদাহৰণস্বৰূপে, বিদেশী বা দ্বিতীয় ভাষাৰ কোনো বিস্ময়কৰ কাহিনী, কাৰ্টুন আদি দ্বিতীয় ভাষাত উপভোগ কৰিলেও ইয়াৰ কাহিনী পৰৱৰ্তী সময়ত বৰ্ণনা কৰোঁতে মাতৃভাষাৰ সহায়তহে প্ৰকাশ কৰা হয়। ইয়াৰ উপৰিও শিশুৰ কৌতূহলী মনৰ বিভিন্ন প্ৰশ্ন প্ৰথম ভাষাৰ বিভিন্ন উদাহৰণৰ সৈতে বুজাই দিলে তেওঁলোকৰ বোধগম্যতা আৰু ধাৰণাবোৰ শিশু অৱস্থাৰ পৰাই স্পষ্ট ৰূপত বিকশিত হোৱাৰ সম্ভাৱনা বৃদ্ধি পায়।

| আত্মমূল্যায়ন প্ৰশ্ন |
| --- |
| প্ৰথম ভাষাৰ পৰিচয় আগবঢ়াই  ইয়াৰ বিশেষত্ব সম্পৰ্কে এক টোকা প্ৰস্তুত কৰক (৪০ টা শব্দৰ ভিতৰত) |
| .............................................................................................................................. |
| .............................................................................................................................. |
| .............................................................................................................................. |

## ১.৪ দ্বিতীয় ভাষাৰ পৰিচয় আৰু বৈশিষ্ট্য ঃ

এজন ব্যক্তিয়ে মাতৃভাষা বা প্ৰথম ভাষাৰ উপৰি যিটো ভাষা শিকে তাকেই সহজ ভাষাত দ্বিতীয় ভাষা বুলিব পাৰি। মানুহে প্ৰথম ভাষা এটা জন্মৰ পাছতেই আহৰণ কৰে। এই প্ৰথম ভাষাই আকৌ কেতিয়াবা সমগ্ৰ জীৱন প্ৰক্ৰিয়াত সকলোবোৰ কাৰ্য সমাপনৰ ক্ষেত্ৰত অসমৰ্থও হ'ব পাৰে। ইয়াৰ ফলত ব্যক্তিগত জীৱনত বিভিন্ন সমস্যা বা অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয়। সেয়েহে প্ৰথম ভাষাৰ উপৰিও মানুহৰ জীৱনত বিভিন্ন সময়ত দ্বিতীয় ভাষা ভাষা একোটাও অপৰিহাৰ্য হৈ পৰে। বিশেষকৈ নিৰ্দিষ্ট প্ৰসংগত যোগাযোগৰ বাবে, যেনে- শিক্ষা, ভ্ৰমণ, কাম, সাংস্কৃতিক বিনিময় আদিৰ বাবে দ্বিতীয় ভাষাৰ প্ৰয়োজন হয়। ইয়াৰ উপৰিও কেতিয়াবা বিশেষ অঞ্চল বা বিশেষ ভূ-খণ্ডত বিভিন্ন ভাষা-ভাষীৰ লোক একেলগে বসবাস কৰাৰ ফলত এটা জনগোষ্ঠীৰ লোকৰ বাবে আন এটা জনগোষ্ঠীৰ ভাষা বুজি পোৱাত অসুবিধা হয় আৰু এনে পৰিস্থিতিত সংযোগী ভাষা (দ্বিতীয় ভাষা) অতি গুৰুত্বপূৰ্ণ হৈ পৰে। ঠিক সেইদৰে সীমান্তৱৰ্তী অঞ্চলত বসবাস কৰা লোকসকলৰ মাজত যোগাযোগ স্থাপন কৰিবলৈও দ্বিতীয় ভাষাৰ আশ্ৰয় লোৱা হয়। তদুপৰি মানুহে চাকৰিৰ সুযোগ বৃদ্ধি কৰিবলৈ, বিভিন্ন সংস্কৃতিৰ সৈতে সংযোগ স্থাপন কৰিবলৈ বা জ্ঞান বৃদ্ধি কৰিবলৈ দ্বিতীয় ভাষা শিকিব পাৰে। দ্বিতীয় ভাষাৰ দক্ষতা ব্যক্তিভেদে ভিন্ন ধৰণৰ হ'ব পাৰে। গতিকে, প্ৰথম ভাষা এটা থকাৰ পাছতো বিভিন্ন প্ৰয়োজনৰ তাগিদাত ভাষা এটা আহৰণ কৰি মানুহৰ দৈনন্দিন জীৱন যাত্ৰাক সাৰ্থক কৰি তোলা ভাষাকে দ্বিতীয় ভাষা বুলি ক'ব পাৰোঁ।

### ১.৪.১ দ্বিতীয় ভাষাৰ সংজ্ঞা

দ্বিতীয় ভাষাৰ বিষয়ে ইতিমধ্যে বিভিন্ন ভাষাবিদে সংজ্ঞা প্ৰদান কৰিছে। তলত ইয়াৰে কেইটামান সংজ্ঞা দাঙি ধৰা হৈছে।

M.S. Troikeৰ মতে- দ্বিতীয় ভাষা হৈছে সাধাৰণতে শিক্ষা, নিযুক্তি আৰু অন্যান্য মৌলিক উদ্দেশ্যৰ বাবে প্ৰয়োজনীয় এক চৰকাৰী বা সামাজিকভাৱে প্ৰভাৱশালী ভাষা। এইটো প্ৰায়ে সংখ্যালঘু বা অনুপ্ৰৱেশকাৰীৰ দ্বাৰা আহৰণ কৰা হয় যিয়ে স্থানীয়ভাৱে আন এটা ভাষা কয় (পৃ. ৪)।

Collins Dictionaryৰ মতে- দ্বিতীয় ভাষা হৈছে এনে এটা ভাষা যিটো ভাষা ব্যৱহাৰকাৰীৰ মাতৃভাষা নহয় কিন্তু যিটো তেওঁলোকে কৰ্মক্ষেত্ৰত বা বিদ্যালয়ত ব্যৱহাৰ কৰে। একেদৰে Oxford Learner's Dictionaryৰ মতে- এনে এটা ভাষা যাক কোনোবাই ভালদৰে ক'বলৈ শিকে আৰু তেওঁলোকে কামৰ বাবে বা বিদ্যালয়ত ব্যৱহাৰ কৰে, কিন্তু সেই ভাষা তেওঁলোকে প্ৰথমতে শিকা ভাষা নহয়। Encyclopediaৰ মতে- এগৰাকী ব্যক্তিয়ে প্ৰথম ভাষাৰ পৰিৱৰ্তে শিকি থকা বা পৰ্যাপ্ত স্তৰলৈ শিকা আন এটা ভাষাই হৈছে দ্বিতীয় ভাষা। আনহাতে Cambridge Dictionaryৰ মতে - এগৰাকী ব্যক্তিয়ে শৈশৱকালত স্বাভাৱিকভাৱে শিকা ভাষাৰ ব্যতিৰেকে ক'ব পৰা আন ভাষাই তেওঁৰ দ্বিতীয় ভাষা। প্ৰায় একেই মন্তব্য প্ৰদান কৰি Longman Dictionary এ কয় যে ব্যক্তিয়ে শৈশৱতে শিকা ভাষাৰ বাহিৰে কোৱা ভাষাবোৰেই দ্বিতীয় ভাষা।

**আত্মমূল্যায়ন প্ৰশ্ন**

দ্বিতীয় ভাষাৰ সংজ্ঞা নিৰূপণ কৰি এক টোকা প্ৰস্তুত কৰক (৪০ টা শব্দৰ ভিতৰত)

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

**১.৪.২ দ্বিতীয় ভাষাৰ বৈশিষ্ট্য ঃ**

**(ক) প্ৰথম ভাষাৰ প্ৰভাৱ ঃ**

দ্বিতীয় ভাষা আহৰণকাৰীয়ে প্ৰায়ে দ্বিতীয় ভাষা ব্যৱহাৰ কৰোঁতে তেওঁৰ প্ৰথম ভাষাৰ (ব্যাকৰণ, শব্দভাণ্ডাৰ, উচ্চাৰণ)ৰ দ্বাৰা প্ৰভাৱিত হয়। তদুপৰি প্ৰথম ভাষাৰ গাঁথনি আৰু নিয়মবোৰে দ্বিতীয় ভাষাৰ আহৰণত কেতিয়াবা সহায়ক ৰূপে ধৰা দিয়ে আৰু কেতিয়াবা ব্যক্তিবিশেষৰ দ্বিতীয় ভাষা আহৰণত বাধাৰ সৃষ্টি কৰিব পাৰে। এয়া বহু পৰিমাণে প্ৰথম ভাষা আৰু দ্বিতীয় ভাষাৰ মাজৰ সাদৃশ্য আৰু বৈসাদৃশ্যৰ ওপৰত নিৰ্ভৰ কৰে।

**(খ) নিপুণতাৰ স্তৰ ঃ**

ব্যক্তিভেদে দ্বিতীয় ভাষাৰ দক্ষতা বা নিপুণতাৰ স্তৰ ভিন্ন ধৰণৰ হয়। দ্বিতীয় ভাষাৰ ভাষিক দক্ষতা বিকাশৰ ক্ষেত্ৰত ভাষা আহৰণকাৰীৰ অনুশীলন, দ্বিতীয় ভাষাটোৰ দৈনন্দিন ব্যৱহাৰ, অনুপ্ৰেৰণা, শিকাৰ আগ্ৰহ আদি দিশবোৰে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

**(গ) গতিশীল প্ৰকৃতি ঃ**

দ্বিতীয় ভাষাৰ আহৰণ প্ৰক্ৰিয়া প্ৰায়ে গতিশীল প্ৰকৃতিৰ হয়। অৰ্থাৎ ইয়াক যিমানেই চৰ্চা, ব্যৱহাৰ আৰু অনুশীলন কৰি থকা হয় সিমানেই দ্বিতীয় ভাষা আহৰণ প্ৰক্ৰিয়া উন্নত হয়।

**(ঘ) যোগাযোগমূলক দক্ষতা ঃ**

দ্বিতীয় ভাষাৰ আহৰণৰ ক্ষেত্ৰত চাৰি প্ৰকাৰৰ যোগাযোগমূলক দক্ষতাৰ বিকাশ প্ৰক্ৰিয়া অন্তৰ্ভুক্ত হৈ থাকে। এই চাৰি প্ৰকাৰৰ দক্ষতা হ'ল - শুনা, কোৱা, পঢ়া আৰু লিখা। দ্বিতীয় ভাষাত কাৰ্যকৰী যোগাযোগ সম্ভৱ কৰিবলৈ হ'লে এই চাৰি প্ৰকাৰৰ দক্ষতাৰ মাজত ভাৰসাম্যতা স্থাপন কৰিবলগীয়া হয়।

**(ঙ) শিকা বা আহৰণৰ প্ৰসঙ্গ ঃ**

দ্বিতীয় ভাষা আহৰণৰ বিভিন্ন উদ্দেশ্য থাকিব পাৰে। যেনে - আনুষ্ঠানিক শিক্ষা লাভৰ বাবে, সংস্থাপনৰ বাবে নতুবা দৈনন্দিন কথোপকথন, বিভিন্ন বিষয় জ্ঞান আহৰণৰ ইত্যাদি।

**(চ) ভাষা আহৰণৰ বয়স ঃ**

দ্বিতীয় ভাষা আহৰণৰ ক্ষেত্ৰত বয়স আটাইতকৈ গুৰুত্বপূৰ্ণ উপাদান হিচাপে বিবেচনা কৰা হয়। কম বয়সত দ্বিতীয় ভাষা এটা আহৰণ কৰিবলৈ আৰম্ভ কৰিলে অধিক সহজতে ইয়াক আহৰণ কৰিব পৰা যায়। কিয়নো শিশু অৱস্থাত আমাৰ মগজু ভাষা আহৰণৰ প্ৰতি অধিক সক্ৰিয় হৈ থাকে। ইয়াৰ বিপৰীতে প্ৰাপ্তবয়স্ক অৱস্থাত দ্বিতীয় ভাষা কাৰ্যকৰীভাৱে আহৰণ কৰিব পাৰি যদিও ইয়াৰ বাবে যথেষ্ট অধ্যৱসায়ৰ প্ৰয়োজন হয়।

**(ছ) উদ্দীপনা ঃ**

দ্বিতীয় ভাষা এটা শিকাৰ ক্ষেত্ৰত ব্যক্তিগত উদ্দীপনা বা অনুপ্ৰেৰণাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই ক্ষেত্ৰত ভাষাৰ প্ৰতি থকা আগ্ৰহে আভ্যন্তৰীণ উদ্দীপক হিচাপে আৰু জীৱিকা, ভ্ৰমণ আদি বাহ্যিক উদ্দীপকে সক্ৰিয় ভূমিকা পালন কৰি ভাষা আহৰণত যথেষ্ট প্ৰভাৱ পেলায়।

**১.৪.৩ দ্বিতীয় ভাষাৰ গুৰুত্ব ঃ**

**(ক) স্মৃতি শক্তি বৰ্দ্ধক ঃ**

দ্বিতীয় ভাষাই মানুহৰ স্মৃতি শক্তি বিকাশত বিশেষভাৱে সহায় কৰে। মানুহৰ মগজু অসীম স্মৃতি শক্তিৰ ভঁৰাল যি নতুন নতুন বিষয়ৰ অধ্যয়নৰ দ্বাৰা অধিক সক্ৰিয় হৈ

পৰে। দ্বিতীয় ভাষাৰ ব্যৱহাৰৰ ফলত ভাষা কওঁতাৰ নতুন শব্দভাণ্ডাৰ আৰু ব্যাকৰণৰ সৈতে পৰিচয় হোৱাত সহায়ক হয়। ইয়ে আমাৰ মগজুক ন ন শব্দ, বাক্যৰ অনুশীলন কৰাই বিভিন্ন ভাষিক পৰিস্থিতিত আনৰ সৈতে সংযোগ স্থাপন কৰাত উপকৃত কৰে।

**(খ) সময় ব্যৱস্থাপনা আৰু একে সময়তে ভিন্ন কাৰ্য সমাপনত সহায় ঃ**

সময় ব্যৱস্থাপনা আৰু একে সময়তে ভিন্ন কাৰ্য সমাপনৰ কৌশলে ব্যক্তিৰ জীৱনত বিশেষধৰণে সহায় কৰে। বিশেষকৈ যোগাযোগৰ সময়ত এটা ভাষাৰ পৰা আন এটা ভাষালৈ কথা সলনি কৰা, বিভিন্ন ভাষাত চিন্তা কৰা আদি দিশবোৰত দ্বিতীয় ভাষাই সহায় কৰিব পাৰে। ইয়াৰ ফলত বিভিন্ন বৃত্তিত নিয়োজনৰ সুবিধাও বৃদ্ধি পায়।

**(গ) শৈক্ষিক প্ৰদৰ্শন উন্নত কৰে ঃ**

ভাষা শিকাৰ পৰিৱেশত নিজকে সম্পূৰ্ণৰূপে নিমজ্জিত কৰাৰ অৰ্থ কেৱল সেই ভাষাৰ মৌলিক বিষয়বোৰ শিকাকে নুবুজায় বৰং সহকৰ্মীৰ সৈতে আন এটা ভাষাত কেনেদৰে যোগাযোগ তথা বাৰ্তালাপ কৰিব লাগে সেই বিষয়েও শিক্ষা লাভ কৰাক বুজোৱা হয়। যিসকল ব্যক্তিয়ে এটাতকৈ অধিক ভাষা ব্যৱহাৰ কৰে তেওঁলোকৰ স্মৃতিশক্তি, সমস্যা সমাধান আৰু সমালোচনামূলক চিন্তা আৰু শ্ৰৱণ দক্ষতাৰ বৃদ্ধি হয়। তদুপৰি দ্বিতীয় ভাষাৰ ব্যৱহাৰে অন্যান্য সংস্কৃতিৰ সৈতেও পোনপটীয়া সংযোগ স্থাপন কৰে। তেওঁলোকৰ ধৰ্ম, বিশ্বাস, কলা, ইতিহাস সম্পৰ্কেও ব্যক্তিৰ মনত যোগাত্মক চিন্তা জাগ্ৰত কৰে। দ্বিতীয় ভাষাৰ শিক্ষাই মানুহৰ মনত সহনশীল, সহানুভূতি আৰু গ্ৰহণযোগ্যতা বৃদ্ধি কৰে।

**আত্মমূল্যায়ন প্ৰশ্ন ঃ**

দ্বিতীয় ভাষাৰ পৰিচয় প্ৰদান কৰি ইয়াৰ গুৰুত্ব সম্পৰ্কে এক টোকা প্ৰস্তুত কৰক (৪০ টা শব্দৰ ভিতৰত)

..........................................................................................................

..........................................................................................................

..........................................................................................................

## ১.৫ প্ৰথম ভাষা আৰু দ্বিতীয় ভাষাৰ পাৰ্থক্য

প্ৰথম ভাষা আৰু দ্বিতীয় ভাষাৰ মাজৰ পাৰ্থক্যসমূহ এনেধৰণৰ -

(ক) প্ৰথম ভাষা একোজন ব্যক্তি তথা সমষ্টিৰ মাতৃভাষা অথবা থলুৱা ভাষা। আনহাতে দ্বিতীয় ভাষা হ'ল একোজন ব্যক্তিয়ে প্ৰয়োজন সাপেক্ষে কোনো ভাষিক গোষ্ঠীৰ সৈতে যোগাযোগ স্থাপনৰ বাবে আহৰণ কৰি লোৱা ভাষা। অৰ্থাৎ দ্বিতীয় ভাষাটো জন্মৰ পাছতে স্বাভাৱিকভাৱে লাভ কৰা ভাষা নহয়।

(খ) প্ৰথম ভাষাটো একপ্ৰকাৰে জন্মগতভাৱে লাভ কৰা হয় আৰু ক্ৰমান্বয়ে অভিজ্ঞতাৰ দ্বাৰা বিকশিত হয়। অন্যহাতেদি দ্বিতীয় ভাষা হৈছে এজন ব্যক্তিৰ ব্যক্তিগত পছন্দৰ ওপৰত নিৰ্ভৰ কৰা ভাষা।

(গ) প্ৰথম ভাষাৰ ক্ষেত্ৰত কোনোধৰণৰ বিকল্প নাথাকে। অৰ্থাৎ এজন ব্যক্তিয়ে তেওঁৰ প্ৰথম ভাষা নিৰ্বাচনৰ কোনো সুবিধা নাথাকে। ইয়াক জন্মগত বা উত্তৰাধিকাৰীভাৱে লাভ কৰা হয়। আনহাতে, দ্বিতীয় ভাষা সদায় ভাষা ব্যৱহাৰকাৰীয়ে ব্যক্তিগতভাৱে নিৰ্বাচন কৰি লব পাৰে। দ্বিতীয় ভাষা নিৰ্বাচনৰ কাৰণে একোজন ব্যক্তিৰ হাতত অনেক বিকল্প থাকে। অৰ্থাৎ ব্যক্তি বা সমষ্টিয়ে ভিন্ন ভাষাৰ মাজৰ পৰা দ্বিতীয় ভাষা এটা বাছনি কৰিব পাৰে।

(ঘ) প্ৰথম ভাষা আহৰণ প্ৰক্ৰিয়া অতি ক্ষিপ্ৰতৰ বা দ্ৰুত হয়। আনহাতে দ্বিতীয় ভাষাৰ আহৰণ প্ৰক্ৰিয়া ভাষা বিশেষে আৰু ব্যক্তিভেদে পৃথক হ'ব পাৰে। কিন্তু দ্বিতীয় ভাষাৰ আহৰণ প্ৰক্ৰিয়া প্ৰথম ভাষাৰ দৰে কেতিয়াও দ্ৰুত হ'ব নোৱাৰে।

(ঙ) প্ৰথম ভাষা সদায় স্বাভাৱিক আৰু ইয়াক আহৰণৰ বাবে কোনো নিৰ্দেশনা বা পৰামৰ্শৰ প্ৰয়োজন নহয়। কোনো ব্যক্তিয়ে পিতৃ-মাতৃ, পৰিয়াল, পৰিৱেশৰ পৰা শুনি শুনি এই ভাষা ক'বলৈ শিকে। আনহাতে দ্বিতীয় ভাষা আহৰণ স্বাভাৱিক নহয় আৰু ইয়াৰ কাৰণে নিৰন্তৰ সাধনা, চৰ্চা, নিৰ্দেশনা আৰু পৰামৰ্শৰ প্ৰয়োজন হয়।

(চ) প্ৰথম ভাষাত কোনো সচেতন প্ৰচেষ্টাৰ প্ৰয়োজন নাই, প্ৰথম ভাষাৰ আহৰণ প্ৰক্ৰিয়া অৱচেতনভাৱে হয়। আনহাতে দ্বিতীয় ভাষাটোত নিৰন্তৰ সচেতনতাৰ প্ৰয়োজন যাতে শিকাৰুৱে দ্বিতীয় ভাষাৰ গাঁথনিবোৰ হৃদয়ঙ্গম কৰিব পাৰে।

(ছ) প্ৰথম ভাষাই দক্ষতাৰ বিকাশ ঘটায়। আনহাতে দ্বিতীয় ভাষাই জ্ঞান বৰ্ধনত সহায় কৰে।

(জ) প্ৰথম ভাষা আহৰণ অনায়াসে (Effortlessly) হয়। আনহাতে দ্বিতীয় ভাষা আহৰণৰ ক্ষেত্ৰত সময় আৰু প্ৰচেষ্টাৰ (Effort) প্ৰয়োজন হয়।

## ১.৬ সাৰাংশ (Summing Up)

প্ৰথম ভাষা আৰু দ্বিতীয় ভাষাৰ ধাৰণাবোৰে ভাষা আহৰণ, ব্যক্তিগত পৰিচয় আৰু জ্ঞানৰ বিকাশ সাধনত অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। জীৱনৰ আদি কালত প্ৰথম ভাষা আহৰণ কৰা হয়। ই কেৱল যোগাযোগৰ দক্ষতাই নহয় বৰং সাংস্কৃতিক বুজাবুজি আৰু আবেগিক অভিব্যক্তিকো আকাৰ দিয়ে। ইয়াৰ বিপৰীতে দ্বিতীয় ভাষাই ভাষিক দক্ষতাৰ এক অতিৰিক্ত স্তৰ প্ৰতিনিধিত্ব কৰে। ইয়াক প্ৰায়ে কেৰিয়াৰৰ উন্নতি, ভ্ৰমণ বা ব্যক্তিগত সমৃদ্ধিৰ দৰে ব্যৱহাৰিক কাৰণত আহৰণ কৰা হয়। দ্বিতীয় ভাষা এটা প্ৰাপ্ত কৰাৰ প্ৰক্ৰিয়াটো প্ৰথম ভাষাৰ পৰা যথেষ্ট পৃথক হ'ব পাৰে। সাধাৰণতে অধিক সংগঠিত শিক্ষণ আৰু সচেতন অনুশীলনৰ মাজেৰে দ্বিতীয় ভাষা আহৰণ কৰা হয়।। এই পাৰ্থক্যবোৰৰ বাদেও দুয়োটা ভাষাৰ অভিজ্ঞতাই এজন ব্যক্তিৰ যোগাযোগ ক্ষমতা আৰু

জ্ঞান সমৃদ্ধ কৰে। প্ৰথম আৰু দ্বিতীয় দুয়োটা ভাষাই এটাই আনটোক প্ৰভাৱিত কৰিব পাৰে আৰু এজন ব্যক্তিৰ ভাষিক আৰু সাংস্কৃতিক দক্ষতাত অৰিহণা যোগাব পাৰে।

### ১.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১. প্ৰথম ভাষা বুলিলে কি বুজা? প্ৰথম ভাষাৰ বিকাশৰ স্তৰসমূহৰ বিষয়ে চমুকৈ লিখক। (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

২. দ্বিতীয় ভাষাৰ গুৰুত্ব বিচাৰ কৰক। (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

### ১.৮ প্ৰসংগ গ্ৰন্থ (Reference/Suggested Readings)

দত্তবৰুৱা, ফণীন্দ্ৰ নাৰায়ণ। *প্ৰয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা।* বিশাল প্ৰকাশন, ২০১৭

ভূএগ্ৰা, নয়নমণি। ভাষা আহৰণ। প্ৰথম প্ৰকাশ, পূৰ্বায়ণ, ২০১৮

মহন্ত, দীপামণি হালৈ। *ভাষা সাহিত্য জিজ্ঞাসা।* সম্প্ৰীতি, ২০২২

Collins English Dictionary Online. HarperCollins Publishers, https://www.collinsdictionary.com. Accessed 12 May. 2025.

First Language. Oxford English Dictionary Online, Oxford University Press. Accessed 12 May. 2025.

"First Language." Cambridge English Dictionary, Cambridge University Press, https://dictionary.cambridge.org/dictionary/english/firstlanguage. Accessed 15 June. 2025.

Saville-Troike, Muriel. Introducing Second Language Acquisition. 3rd ed., Cambridge University Press, 2017.

Sinha, Avanika, et al. "Interference of First Language in the Acquisition of Second Language." Journal of Psychology and Counseling, vol. 1, no. 7, Sept. 2009, pp. 117–122. Academic Journals, https://academicjournals.org/article/article1379761693_Sinha%20et%20al.pdf.

"Second Language." Cambridge English Dictionary, Cambridge University Press, https://dictionary.cambridge.org/dictionary/english/firstlanguage. Accessed 14 June. 2025.

Second language. Oxford English Dictionary Online, Oxford University Press. Accessed 12 May. 2025.

*****

# দ্বিতীয় বিভাগ
# প্ৰথম ভাষা আৰু দ্বিতীয় ভাষাৰ শিক্ষণৰ পাৰ্থক্য

**বিভাগৰ গঠনঃ**

২.১ ভূমিকা (Introduction)
২.২ উদ্দেশ্য (Objectives)
২.৩ ভাষা শিক্ষণৰ তত্ত্ব
২.৪ প্ৰথম ভাষা শিক্ষণ
    ২.৪.১ প্ৰথম ভাষা শিক্ষণৰ ইতিবাচক দিশ
২.৫ দ্বিতীয় ভাষা শিক্ষণ
    ২.৫.১ দ্বিতীয় ভাষা শিক্ষণৰ ইতিবাচক দিশ
২.৬ প্ৰথম ভাষা আৰু দ্বিতীয় ভাষা শিক্ষণৰ পাৰ্থক্য
২.৭ সাৰাংশ (Summing Up)
২.৮ আৰ্হি প্ৰশ্ন (Sample Questions)
২.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

## ২.১ ভূমিকা (Introduction)

ভাষা শিক্ষণ হৈছে এক আকৰ্ষণীয় আৰু জটিল প্ৰক্ৰিয়া য'ত মাতৃভাষাৰ বাহিৰেও দ্বিতীয় ভাষা এটা আহৰণৰ বিষয়টো অন্তৰ্ভুক্ত হৈ থাকে। ভাষা শিক্ষণ এক সচেতন প্ৰক্ৰিয়া আৰু এই ক্ষেত্ৰত ভাষাৰ নতুন গাঁথনি, বাক্যবিন্যাস আৰু শব্দভাণ্ডাৰ অধ্যয়ন কৰিবলৈ ইচ্ছাকৃত আৰু কৌশলগত পদ্ধতিৰ প্ৰয়োজন হয়। এই প্ৰক্ৰিয়া প্ৰায়ে আনুষ্ঠানিক পৰিৱেশত সম্পন্ন হয় (উদাহৰণস্বৰূপে - শ্ৰেণীকোঠা)। ইয়াত শিক্ষাৰ্থীসকলে সংগঠিত পাঠ, নিৰ্দেশিত অনুশীলনী আৰু নিয়মীয়া মূল্যাঙ্কনৰ জৰিয়তে ভাষাটোৰ শিক্ষণ কাৰ্যত জড়িত হয়। ভাষা শিকনৰ অভিজ্ঞতা গঢ়াৰ ক্ষেত্ৰত শিক্ষক, পাঠ্যপুথি আৰু পাঠ্যক্ৰমে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ভাষা শিক্ষণ প্ৰক্ৰিয়াৰ সৈতে কিছুমান কাৰ্যকৰী ভাষা শিক্ষণৰ কৌশল অন্তৰ্ভুক্ত হৈ থাকে। উদাহৰণস্বৰূপে- মুখস্থ কৰা, পুনৰাবৃত্তি আৰু প্ৰযুক্তি-আধাৰিত শিকন ইত্যাদি। এই ভাষা শিক্ষণ নীতিয়ে নতুন ভাষা একোটা বুজা, অনুশীলন আৰু আয়ত্ব কৰাত সহায় কৰে। মানুহে দুইধৰণেৰে ভাষা শিকিব পাৰে। ভাষা শিক্ষণ এক গতিশীল প্ৰক্ৰিয়া আৰু এই প্ৰক্ৰিয়া জন্মৰ পাছৰ পৰা আৰম্ভ কৰি গোটেই জীৱন চলি থাকে। মানুহে তেওঁলোকৰ চিন্তা, অনুভূতি আৰু অভিজ্ঞতা আনৰ আগত প্ৰকাশ কৰিবলৈ ভাষা শিকে। প্ৰথম ভাষাৰ শিক্ষণ প্ৰক্ৰিয়া অনানুষ্ঠানিক আৰু দ্বিতীয় ভাষাৰ শিক্ষণ আনুষ্ঠানিক হয়। ভাষা শিক্ষণ প্ৰক্ৰিয়াই কোনো নতুন বা বিদেশী ভাষাত যোগাযোগ স্থাপন কৰিব পৰা দক্ষতা বৃদ্ধি কৰে, য'ত কথা কোৱা, শুনা, পঢ়া আৰু লিখাৰ লগতে সেই ভাষাৰ সাংস্কৃতিক প্ৰেক্ষাপট বুজাৰ দৰে বিষয়বোৰ অন্তৰ্ভুক্ত হৈ থাকে। দ্বিতীয়

ভাষাৰ শিক্ষণ প্ৰক্ৰিয়া তুলনামূলকভাৱে এক জটিল সামাজিক প্ৰচেষ্টা আৰু ইয়াৰ বাবে অনুশীলন, মুকলি মন আৰু দ্বিতীয় ভাষাৰ সৈতে সাংস্কৃতিক অন্তঃতকৰণৰ প্ৰয়োজন। প্ৰথম ভাষা আৰু দ্বিতীয় ভাষা শিক্ষণৰ মাজৰ মুখ্য পাৰ্থক্য হৈছে প্ৰথম ভাষা একপ্ৰকাৰৰ স্বাভাৱিক আৰু অৱচেতনভাৱে প্ৰক্ৰিয়া, য'ত সাধাৰণতে শৈশৱ কালতে সেই ভাষাটোৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত হৈ শিকিব পাৰি। আনহাতে দ্বিতীয় ভাষাক অধিক সচেতন আৰু আনুষ্ঠানিক শিক্ষাৰ মাধ্যমেৰে শিকা হয়, য'ত সাধাৰণতে আনুষ্ঠানিক নিৰ্দেশনা অন্তৰ্ভুক্ত হৈ থাকে। ইয়াৰ উপৰিও দ্বিতীয় ভাষা জীৱনৰ পাছৰ কালছোৱাত শিকিবলৈ আৰম্ভ কৰা হয়।

## ২.২ উদ্দেশ্য

(ক) প্ৰথম ভাষা শিক্ষণৰ বিষয়ে জ্ঞাত হ'ব।

(খ) প্ৰথম ভাষা শিক্ষণৰ সৈতে জড়িত হৈ থকা বিষয়বোৰৰ সৈতে পৰিচিত হ'ব পাৰিব।

(গ) দ্বিতীয় ভাষা শিক্ষণৰ বিষয়ে জ্ঞাত হ'ব।

(ঘ) দ্বিতীয় ভাষা শিক্ষণৰ সৈতে জড়িত হৈ থকা বিষয়বোৰৰ লগত পৰিচিত হ'ব।

(ঙ) প্ৰথম ভাষা আৰু দ্বিতীয় ভাষা শিক্ষণৰ পাৰ্থক্যৰ বিষয়ে জানিব পাৰিব।

## ২.৩ ভাষা শিক্ষণৰ তত্ত্ব (Objectives)

ভাষা শিক্ষণ সম্পৰ্কে বিশ্বৰ ভাষাবিজ্ঞানীসকলে বিভিন্ন তত্ত্ব আগবঢ়াইছে। তলত ভাষা শিক্ষণ সম্পৰ্কীয় কিছুমান গুৰুত্বপূৰ্ণ তত্ত্বৰ বিষয়ে আলোচনা কৰা হৈছে।

আচৰণবাদ ঃ আচৰণবাদী তত্ত্বৰ মতপোষক হ'ল বি. এফ স্কিনাৰ (Burrhus Frederic Skinner)। তেওঁৰ এই তত্ত্ব অনুসৰি শিক্ষাৰ্থীয়ে অনুকৰণৰ জৰিয়তে ভাষা শিক্ষণ কাৰ্যত ব্ৰতী হয়। উদাহৰণস্বৰূপে শিশুৱে যেনেকৈ ডাঙৰৰ পৰা শুনি শুনি আৰু নিজাধৰণে ভাষা আহৰণ কৰে ঠিক একেদৰে ভাষা শিক্ষণ কাৰ্যতো এই প্ৰক্ৰিয়া প্ৰয়োগ কৰা হয়।

সহজবাদ ঃ সহজবাদী তত্ত্বৰ মুখ্য প্ৰবক্তা হ'ল নোৱম চমস্কি (Noam Chomsky)। তেওঁৰ এই তত্ত্বই ভাষা আহৰণৰ এক সহজাত ধাৰণা প্ৰৱৰ্তন কৰিছিল। এই তত্ত্ব অনুসৰি মানুহ জৈৱিকভাৱে ভাষা আহৰণ কৰিবলৈ আগ্ৰহী। এই ক্ষেত্ৰত তেওঁ সকলো ভাষাত প্ৰযোজ্য 'সাৰ্বজনীন ব্যাকৰণ'ৰ ধাৰণা প্ৰস্তাৱ কৰিছিল, য'ত শিশুসকলে স্বাভাৱিকভাৱে আৰু দ্ৰুতগতিত বাহ্যিক কাৰকৰ অবিহনেও ভাষা শিক্ষণ কৰে। এই তত্ত্ব অৱশ্যে কেৱল প্ৰথম ভাষা আহৰণৰ সৈতেহে সম্পৰ্কিত।

গঠনবাদ ঃ ভাষা শিক্ষণৰ এক অন্যতম তত্ত্ব হ'ল গঠনবাদী তত্ত্ব। এই তত্ত্বৰ মুখ্য প্ৰবক্তা হ'ল জিন পিয়াজেট (Jean Piaget) আৰু লেভ ভিগটস্কি (Lev Vygotsky)।

গঠনবাদ তত্ত্বই শিক্ষাৰ্থীৰ ভাষা বোধগম্যতাৰ ওপৰত বিশেষভাৱে গুৰুত্ব প্ৰদান কৰে। ভিগটস্কিৰ সামাজিক গঠনবাদে ভাষা আহৰণৰ ক্ষেত্ৰত আদান-প্ৰদান আৰু সাংস্কৃতিক প্ৰেক্ষাপটৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰিছিল। ইয়াৰ উপৰিও তেওঁৰ এই তত্ত্বই সহযোগিতামূলক সংলাপৰ জৰিয়তেহে ভাষা শিক্ষণ সম্ভৱ হয় বুলি কব খোজে।

সামাজিক সাংস্কৃতিক তত্ত্ব ঃ ভাষা শিক্ষণৰ সামাজিক সাংস্কৃতিক তত্ত্বৰ মতপোষক হ'ল লেভ ভাইগটস্কি (Lev Vygotsky)। তেওঁৰ এই তত্ত্বই ভাষা শিক্ষণত সামাজিক আৰু সাংস্কৃতিক পটভূমিৰ প্ৰভাৱৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই তত্ত্ব অনুসৰি ভাষা হৈছে এক সামাজিক সঁজুলি আৰু যিমানেই মানুহৰ সৈতে যোগাযোগ স্থাপন কৰা হয় সিমানেই ভাষা শিকনত সহায়ক হয়। সেয়েহে এই তত্ত্বই ভাষা শিকনত সাংস্কৃতিক অনুশীলনত গুৰুত্ব আৰোপ কৰে।

তলত প্ৰথম ভাষা আৰু দ্বিতীয় ভাষা শিক্ষণ সম্পৰ্কে আলোচনা কৰা হওক-

## ২.৪ প্ৰথম ভাষা শিক্ষণ

প্ৰথম ভাষা শিক্ষণক মাতৃভাষা আহৰণ বা থলুৱা ভাষা আহৰণ বুলিও কোৱা হয়। মানুহে শৈশৱত নিজৰ প্ৰাথমিক ভাষা আহৰণৰ বাবে গ্ৰহণ কৰা স্বাভাৱিক আৰু প্ৰবৃত্তিগত প্ৰক্ৰিয়াটো প্ৰথম ভাষা শিক্ষণৰ অন্তৰ্ভুক্ত। জন্মৰ পাছতে যেতিয়া কেঁচুৱাই নিজৰ ওচৰৰ পৰিৱেশত কোৱা ভাষা(সমূহ)ৰ শব্দ, ছন্দ আৰু স্বৰধ্বনিৰ প্ৰতি সঁহাৰি জনাবলৈ আৰম্ভ কৰে তেতিয়াৰ পৰাই প্ৰকৃততে এই প্ৰক্ৰিয়া আৰম্ভ হয়। সৰহভাগ ক্ষেত্ৰতে সাধাৰণতে পিতৃ-মাতৃ বা প্ৰাথমিক যত্ন লোৱা লোকে কোৱা ভাষাটো শিশুৱে প্ৰথম ভাষাৰূপে শিকে।

প্ৰথম ভাষা আহৰণৰ প্ৰক্ৰিয়াটো বহুলাংশে অৱচেতন হোৱা বাবে গাঁথনিগত নিৰ্দেশনাৰ প্ৰয়োজন নহয়। বৰঞ্চ শিশুৱে প্ৰদৰ্শন কৰা অৰ্থপূৰ্ণ যোগাযোগৰ কৌশলে ভাষা শিক্ষণৰ বাবে জন্মগত মানৱীয় ক্ষমতাৰ ধাৰণাকহে সমৰ্থন কৰে। ভাষাবিদ নোৱম চমস্কিৰ মতে মানুহৰ মগজুত একধৰণৰ ভাষা আহৰণ যন্ত্ৰ (Language Accusation Device বা চমুকৈ LAD) থাকে। ই এক জন্মগত জ্ঞানমূলক ব্যৱস্থা যিয়ে শিশুক আশে-পাশে শুনি থকা ভাষাৰ ইনপুটৰ পৰা আৰ্হি, ব্যাকৰণগত নিয়ম আৰু গঠন নিৰ্ণয় কৰিবলৈ সক্ষম কৰে। এই জন্মগত ক্ষমতাই শিশুক কেইবছৰমানৰ ভিতৰতে জটিল ব্যাকৰণ আয়ত্ত কৰিবলৈ সুবিধা দিয়ে।

পৰিৱেশ আৰু সামাজিক কাৰকে প্ৰথম ভাষা শিক্ষণত প্ৰবল প্ৰভাৱ পেলায়। মা-দেউতাক, পৰিয়ালৰ আন ব্যক্তি বা যত্ন লোৱা ব্যক্তিয়ে সাধাৰণতে শিশুৰ সৈতে কথোপকথন কৰোতে লাহে-ধীৰে, পুনৰাবৃত্তি কৰি আৰু স্বৰধ্বনিত অধিক গুৰুত্ব আৰোপ কৰে। নিকটৱৰ্তী মানুহে কৰা এনে ভাষা ব্যৱহাৰে শিশুক ব্যৱহৃত ভাষাটোৰ আৰ্হি অনুধাৱন কৰি প্ৰক্ৰিয়াকৰণৰ মাজেৰে ভাষা আহৰণ আহিলাত অন্তৰ্ভুক্ত কৰাত সহায় কৰে। অন্তৰ্ভুক্তিকৃত এনে জ্ঞানেৰে শিশুৱে স্তৰ অনুযায়ী ক্ৰমে ভাষা উৎপাদন কৰি গৈ থাকে

আৰু প্ৰাপ্তবয়স্কসকলেও প্ৰয়োজন অনুসৰি শুধৰাই গৈ গৈ এটা সময়ত ভাষাৰ সঠিক ৰূপটো সম্পৰ্কে কওঁতাৰ মনত এক শক্তিশালী ধাৰণা গঢ় লৈ উঠে আৰু শব্দভাণ্ডাৰো সম্প্ৰসাৰিত হয়। চৌপাশৰ সামাজিক পৰিবেশে শিশুক ভাষিক তথ্যৰ উপৰিও অৰ্থতাত্ত্বিক আৰু প্ৰসংগাৰ্থিক ধাৰণাও প্ৰদান কৰে। এনে ধাৰণাই শিশুসকলক বিভিন্ন প্ৰেক্ষাপটত ভাষা কেতিয়া আৰু কেনেকৈ উপযুক্তভাৱে ব্যৱহাৰ কৰিব লাগে সেয়া শিকায়।

প্ৰায় পাঁচৰ পৰা সাত বছৰ বয়সত বেছিভাগ শিশুৱেই প্ৰথম ভাষাৰ ব্যাকৰণ, উচ্চাৰণ আৰু মূল শব্দভাণ্ডাৰ আয়ত্বলৈ আনি নিজৰ প্ৰথম ভাষাত প্ৰায় সম্পূৰ্ণ সাৱলীলতা লাভ কৰে। কিন্তু শব্দভাণ্ডাৰ, প্ৰবচনৰ অভিব্যক্তি আৰু সমাজ-ভাষিক দক্ষতাৰ পৰিশোধন কৈশোৰ কালতো চলি থাকে। মন কৰিবলগীয়া যে, প্ৰথম ভাষাৰ শিক্ষণে মগজুৰ সংজ্ঞানাত্মক বিকাশ কৰাত, সাংস্কৃতিক পৰিচয় গঢ়াত সহায় কৰাৰ লগতে পৰৱৰ্তী সময়ত দ্বিতীয় ভাষা আহৰণ প্ৰক্ৰিয়াৰ বাবে ভেটি তৈয়াৰ কৰি দিয়ে।

তদুপৰি প্ৰথম ভাষা শিক্ষণ প্ৰক্ৰিয়াই শিশু এটাক বিদ্যালয়লৈ যোৱাৰ আগতে তেওঁৰ প্ৰথম ভাষাত বুনিয়াদী জ্ঞান লাভ কৰাত সহায় কৰে। ইয়াৰ উপৰিও ভাষা শিক্ষণৰ প্ৰাৰম্ভিক পৰ্যায়ত দ্বিতীয় ভাষী আন আন শিশুৰ বাবেও প্ৰথম ভাষা শিক্ষণ অতি গুৰুত্বপূৰ্ণ। কিয়নো ই দ্বিতীয় ভাষাৰ সংস্পৰ্শলৈ অহাৰ আগতে ভাষিক দক্ষতা দৃঢ় কৰি প্ৰথম ভাষাৰ এক শক্তিশালী ভেটি স্থাপন কৰাত সহায় কৰে। লগতে প্ৰথম ভাষা শিক্ষণ প্ৰক্ৰিয়াই শিশু অৱস্থাৰ পৰাই এজন ব্যক্তিক সাংস্কৃতিক পটভূমিৰ সৈতে পৰিচয় কৰাই দিয়ে। এই সাংস্কৃতিক শিক্ষাই পৰৱৰ্তী সময়ত শিশুৰ চৰিত্ৰ গঠন, আচাৰ-আচৰণ আদি দিশবোৰৰ বিকাশত সহায় কৰে। ইয়াৰ উপৰিও প্ৰথম ভাষা শিক্ষণে জটিল বিষয়ৰ জ্ঞান সহজতে আয়ত্ব কৰাত বিশেষ ভূমিকা পালন কৰে। দ্বিতীয় ভাষাৰ সলনি প্ৰথম ভাষাত কোনো এটা বিষয় বুজিবলৈ চেষ্টা কৰিলে তুলনামুলকভাৱে সহজতে বোধগম্যতা লাভ কৰিব পাৰি। সেই একেটা বিষয়কে যদি দ্বিতীয় ভাষাত বুজিবলৈ চেষ্টা কৰিলে অধিক সময় আৰু চেষ্টাৰ প্ৰয়োজন হয়। গতিকে জ্ঞান অৰ্জনৰ সহজ আৰু প্ৰাথমিক আহিলা হিচাপে প্ৰথম ভাষাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

**আত্মমূল্যায়ন প্ৰশ্ন**

প্ৰথম ভাষা শিক্ষণৰ স্তৰসমূহ কি কি? প্ৰথম ভাষা শিক্ষণৰ গুৰুত্ব সম্পৰ্কে এটা টোকা প্ৰস্তুত কৰক। (৪০ টা শব্দৰ ভিতৰত)

.............................................................................................................

.............................................................................................................

.............................................................................................................

.............................................................................................................

.............................................................................................................

### ২.৪.১ প্ৰথম ভাষা শিক্ষণৰ ইতিবাচক দিশ

(ক) যোগাযোগ আৰু সামাজিক বিকাশ ঃ

প্ৰথম ভাষাৰ শিকনে ব্যক্তিৰ চিন্তা, অনুভূতি আৰু ধাৰণা আনৰ আগত ব্যক্ত কৰিবলৈ সক্ষম কৰি সামাজিকীকৰণত সহায় কৰে। এই ভাষাই সামাজিক দক্ষতাৰ বিকাশ সাধন কৰি পৰিয়াল, বন্ধুবৰ্গ আৰু সমাজৰ অন্যান্য সদস্যসকলৰ সৈতে সু-সম্পৰ্ক গঢ়ি তোলে লগতে প্ৰথম ভাষা শিকন কাৰ্যই ব্যক্তিক তেওঁলোকৰ সাংস্কৃতিক ঐতিহ্য, পৰম্পৰা আৰু মূল্যবোধ বুজাত সহায় কৰে। ইয়াৰ ফলত সাংস্কৃতিক অনুভূতি বৃদ্ধি হয়।

(খ) জ্ঞান বৰ্দ্ধন ঃ

প্ৰথম ভাষাৰ শিক্ষণে শব্দভাণ্ডাৰ, ব্যাকৰণ আৰু বাক্যৰ গাঁথনি শক্তিশালী কৰে আৰু ইয়াৰ ফলত ব্যক্তিৰ স্মৃতিশক্তি বিকাশ হয়। ব্যক্তিৰ তথ্য বিশ্লেষণ আৰু বিষয় ব্যাখ্যা কৰাৰ ক্ষমতা বৃদ্ধি কৰি সমস্যা সমাধানত সহায় কৰিব পাৰে। শিকনে ভাষাৰ সূক্ষ্ম বিশ্লেষণ দক্ষতা বঢ়োৱাৰ লগতে সমালোচনাত্মক চিন্তাৰ বিকাশ ঘটাব পাৰে। নিজকে সুন্দৰকৈ প্ৰকাশ কৰাৰ এক মাধ্যম হিচাপে কাম কৰি ব্যক্তিৰ সৃজনিশীল প্ৰতিভাৰ বিকাশ ঘটায়।

(গ) বুনিয়াদী শিক্ষা আৰু সাক্ষতাৰ আধাৰ ঃ

প্ৰথম ভাষাৰ শিকনে মাতৃভাষাত পঢ়িবলৈ আৰু লিখিবলৈ অনুপ্ৰেৰণা যোগায় আৰু ইয়াৰ ফলত সাক্ষৰতাৰ বৃদ্ধি হয়। প্ৰথম ভাষাৰ শিকনে ধ্বনিৰ শুদ্ধ উচ্চাৰণত গুৰুত্ব প্ৰদান কৰাৰ ফলত ব্যক্তিৰ ধ্বনিগত সজাগতা বৃদ্ধি কৰায়। প্ৰথম ভাষাৰ শিকনে শক্তিশালী শব্দভাণ্ডাৰ বিকাশ কৰি কথিত আৰু লিখিত উভয় দিশতে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

(ঘ) প্ৰথম ভাষাত স্বাভাৱিক কথোপকথনৰ যোগেদি ব্যক্তিৰ সামগ্ৰিক ভাষা দক্ষতা 'শুনা, কোৱা, পঢ়া, লিখা'ৰ বিকাশ ঘটে।

(ঙ) দৈনন্দিন কথা-বতৰাৰ জৰিয়তে ভাষাৰ গাঁথনিক ৰূপ আৰু গভীৰ বোধগম্যতা গঢ়ি উঠে।

**আত্মমূল্যায়ন প্ৰশ্ন**

প্ৰথম ভাষা শিকনৰ উদ্দেশ্যসমূহৰ বিষয়ে এক টোকা প্ৰস্তুত কৰক। (৪০ টা শব্দৰ ভিতৰত)

...............................................................................................

...............................................................................................

...............................................................................................

### ২.৫ দ্বিতীয় ভাষা শিক্ষণ

মানুহে কেতবোৰ নিৰ্দিষ্ট প্ৰসংগত যোগাযোগ (যেনেঃ শিক্ষা, ভ্ৰমণ, কাম, সাংস্কৃতিক বিনিময় ইত্যাদি)ৰ বাবে কেতিয়াবা এক বা একাধিক দ্বিতীয় ভাষা শিকিব

লগা হয়। ইয়াৰ উপৰিও কেতিয়াবা বিশেষ অঞ্চল বা বিশেষ ভূ-খণ্ডত বিভিন্ন ভাষা-ভাষীৰ লোক একেলগে বসবাস কৰাৰ ফলত উমৈহতীয়া যোগাযোগৰ বাবে সংযোগী ভাষা (দ্বিতীয় ভাষা) এটা অতি গুৰুত্বপূৰ্ণ হৈ পৰে। ঠিক সেইদৰে সীমান্তৱৰ্তী অঞ্চলত বসবাস কৰা লোকসকলৰ মাজত যোগাযোগ স্থাপন কৰিবলৈও দ্বিতীয় ভাষাৰ আশ্ৰয় লোৱা হয়। তদুপৰি মানুহে চাকৰিৰ সুযোগ বৃদ্ধি কৰিবলৈ, বিভিন্ন সংস্কৃতিৰ সৈতে সংযোগ স্থাপন কৰিবলৈ বা জ্ঞান বৃদ্ধি কৰিবলৈ দ্বিতীয় ভাষা শিকিব পাৰে।

ভাষাবিজ্ঞানীসকলৰ মাজত দ্বিতীয় ভাষা শিকন সম্পৰ্কীয় গৱেষণা কাৰ্য উনবিংশ শতিকাৰ ষাঠিৰ দশকৰ পৰা আৰম্ভ হয়। তেওঁলোকৰ গৱেষণাই এটা কথা পোহৰলৈ আনে যে, ভাষা শিকনৰ বাবে ভাষাৰ উচ্চাৰণ জ্ঞানতকৈ স্বাভাৱিক কথোপকথনহে অধিক গুৰুত্বপূৰ্ণ। পূৰ্বতে দ্বিতীয় ভাষাৰ শিকন কাৰ্যত ব্যাকৰণ আৰু বাক্য গঠনৰ ওপৰতহে গুৰুত্ব প্ৰদান কৰা হৈছিল। 'দ্বিতীয় ভাষা শিকনৰ'ৰ অৰ্থ হৈছে মাতৃভাষাৰ বাহিৰেও কোনো এটা দ্বিতীয় ভাষাত কথা কোৱা, শুনা, পঢ়া আৰু লিখন দক্ষতা আহৰণত সহায় কৰা এক প্ৰক্ৰিয়া। এই পদ্ধতিয়ে ভাষা শিকনৰ ক্ষেত্ৰত একপ্ৰকাৰৰ নিৰ্দেশনা প্ৰদান কৰে। দ্বিতীয় ভাষা শিকন কাৰ্যত শিক্ষাৰ্থীৰ সঞ্চিত শব্দ ভাণ্ডাৰ আৰু ব্যাকৰণৰ জ্ঞানে ভাষা শিকন আৰু বাক্য গাঁথনি শিকন সহজ কৰি তোলে। সকলো মানুহৰে বিভিন্ন বিষয় যেনে- বিজ্ঞান, গণিত আদি শিকাৰ দক্ষতা থকাৰ দৰে কিছুমান মানুহৰ ভাষা শিকাৰ দক্ষতা থাকে। এই দক্ষতা ব্যক্তিভেদে ভিন্ন ধৰণৰ হয়। দ্বিতীয় ভাষাৰ শিকন জীৱনৰ যিকোনো বয়সতে আৰম্ভ হ'ব পাৰে। মানুহৰ জীৱন কালত বিভিন্ন কাৰণত অথবা বিভিন্ন পৰিস্থিতিত প্ৰায়ভাগ মানুহে কম-বেছি পৰিমাণে এটাতকৈ অধিক ভাষা শিকিবলগীয়া হয়। ইয়াৰ উপৰিও কেতিয়াবা শৈশৱতে আহৰণ কৰা প্ৰথম ভাষা বা মাতৃভাষাৰ ঠাইত অন্য এটা ভাষাই প্ৰথম ভাষাৰ স্থান অধিকাৰ কৰি লয়। ভাষাৰ এনেধৰণৰ স্থানান্তৰ প্ৰক্ৰিয়াটো ভাষা শিকন কাৰ্য ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে। উদাহৰণস্বৰূপে অসমৰ প্ৰেক্ষাপটত আমি দ্বিতীয় ভাষা শিকন কাৰ্যক তলত দিয়াধৰণেৰে সহজভাৱে বুজি ল'ব পাৰো।

মিচিং জনগোষ্ঠীৰ ভাষিক প্ৰেক্ষাপটত-

(ক) প্ৰথম ভাষা- মিচিং (মাতৃভাষা)

(খ) দ্বিতীয় ভাষা- অসমীয়া (অসমৰ প্ৰেক্ষাপটত)

- হিন্দী অথবা ইংৰাজী (প্ৰয়োজন সাপেক্ষে)
- বিশ্বৰ অন্যান্য ভাষা (শিকাৰ আগ্ৰহৰ ওপৰত ভিত্তি কৰি)

গতিকে প্ৰথম ভাষাৰ বাহিৰে বাকীবোৰ ভাষা আহৰণ প্ৰক্ৰিয়াত শিক্ষণ কাৰ্য জড়িত হৈ আছে।

### ২.৫.১ দ্বিতীয় ভাষা শিক্ষণৰ বৈশিষ্ট্য ঃ

- লক্ষ্য ভাষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে ঃ

দ্বিতীয় ভাষাৰ শিক্ষণ পদ্ধতিত সচৰাচৰ শিকিবলগীয়া ভাষাটোহে মূলত আগত ৰাখি ভাষা শিকিবলৈ আৰম্ভ কৰা হয়। ইয়াৰ সৈতে জড়িত হৈ থকা আনুষংগিক বিষয়বোৰ সাধাৰণতে ভাষা শিকাৰুৱে এৰাই চলা পৰিলক্ষিত হয়। ভাষা শিক্ষণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা সাংস্কৃতিক পটভূমিয়ে দ্বিতীয় ভাষা শিক্ষণত গুৰুত্ব লাভ নকৰাৰ ফলত এই ভাষা শিক্ষণ পদ্ধতিত বহুসময়ত জটিলতাৰ সৃষ্টি হয়।

- বিভিন্ন শিক্ষণ পদ্ধতি ঃ

দ্বিতীয় ভাষাৰ শিক্ষণৰ ক্ষেত্ৰত বিভিন্ন পদ্ধতিৰ অৱলম্বন কৰিব পাৰি। ইয়াৰ ভিতৰত কিছুমান পদ্ধতি হ'ল- ব্যাকৰণ-অনুবাদ পদ্ধতি, দৃশ্য-শ্ৰব্য পদ্ধতি, আৰু কাৰ্য-আধাৰিত নিৰ্দেশনা ইত্যাদি।

- শিক্ষাৰ্থীৰ প্ৰথম ভাষাৰ প্ৰভাৱ ঃ

প্ৰথম ভাষাৰ শিক্ষণৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ দিশ হ'ল প্ৰথম ভাষাৰ প্ৰভাৱ। প্ৰথম ভাষাৰ প্ৰভাৱে বিভিন্ন সময়ত দ্বিতীয় ভাষা শিক্ষণত একপ্ৰকাৰৰ প্ৰতিবন্ধকতাৰ সৃষ্টি কৰে। এই ক্ষেত্ৰত শিক্ষাৰ্থীৰ মাতৃভাষাই তেওঁলোকৰ দ্বিতীয় ভাষা আহৰণত যোগাত্মক ভূমিকা পালন কৰিব পৰাকৈ শিক্ষকে ছাত্ৰ-ছাত্ৰীক বিভিন্ন কৌশল অৱলম্বন কৰি প্ৰথম ভাষাৰ প্ৰভাৱৰ পৰা মুক্ত কৰাত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিব পাৰে।

**আত্মমূল্যায়ন প্ৰশ্ন**

দ্বিতীয় ভাষা শিকন বুলিলে কি বুজা? দ্বিতীয় ভাষা শিকনৰ মূল দিশসমূহৰ বিষয়ে এক টোকা প্ৰস্তুত কৰক। (৪০ টা শব্দৰ ভিতৰত)

..........................................................................................................

..........................................................................................................

..........................................................................................................

### ২.৫.২ দ্বিতীয় ভাষা শিক্ষণৰ ইতিবাচক দিশ

(ক) যোগাযোগমূলক দক্ষতা বৃদ্ধি-

দ্বিতীয় ভাষা শিক্ষণ প্ৰক্ৰিয়াই শিক্ষাৰ্থীসকলক সৰল আৰু শুদ্ধভাৱে দ্বিতীয় ভাষা ব্যৱহাৰ কৰি কাৰ্যকৰী আৰু স্বাভাৱিক যোগাযোগ স্থাপন কৰিব পৰাকৈ দক্ষতাসম্পন্ন কৰি তোলে।

- বিভিন্ন প্ৰসঙ্গ আৰু পৰিস্থিতিত দ্বিতীয় ভাষাটোৰ সঠিকভাৱে ব্যৱহাৰ কৰিব পৰাকৈ আয়ত্ব কৰি ভাষাৰ প্ৰাসঙ্গিক বোধগম্যতা বিকাশ কৰে।

• পৰ্যাপ্ত শব্দভাণ্ডাৰ আৰু ব্যাকৰণৰ জ্ঞান আহৰণৰ জৰিয়তে সুষম বাৰ্তালাপ আৰু যোগাযোগ স্থাপনত গুৰুত্ব দিয়া হয়।

(খ) সাংস্কৃতিক ধাৰণা আৰু সাৰ্বজনীন সজাগতা বৃদ্ধি ঃ

• লক্ষ্য ভাষা বা নিৰ্দিষ্ট ভাষাৰ সৈতে জড়িত হৈ থকা সাংস্কৃতিক দিশসমূহ আহৰণৰ জৰিয়তে সেই ভাষাৰ সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধা আৰু সহানুভূতি বৃদ্ধি কৰা হয়।

• পৃথিৱীৰ বিভিন্ন সংস্কৃতিৰ বিষয়ে জ্ঞান অৰ্জন কৰি এক বহল মানসিকতা গঢ় দিয়া হয়।

• দ্বিতীয় ভাষা শিক্ষণে দ্বিতীয় ভাষাৰ লোকসকলৰ প্ৰতি সহানুভূতি আৰু সঠিক ধাৰণা গঢ় দিয়ে।

(গ) বোধশক্তিৰ বিকাশ ঃ

• দ্বিতীয় ভাষাৰ শিক্ষণ কাৰ্যই স্মৃতিশক্তি, সমালোচনামূলক চিন্তা আৰু সমস্যা সমাধানৰ দক্ষতা বৃদ্ধি কৰে।

• দ্বিতীয় ভাষা শিক্ষণ কাৰ্যই মস্তিষ্কৰ কাৰ্যক্ষমতা বৃদ্ধি কৰে।

(ঘ) পেচাগত আৰু ব্যক্তিগত সুযোগ বৃদ্ধি ঃ

• দ্বিতীয় ভাষাৰ শিক্ষণে পেচাগত সুযোগ-সুবিধা মুকলি কৰাৰ সমান্তৰালভাৱে নিয়োগৰ সম্ভাৱনাও বৃদ্ধি কৰে।

• দ্বিতীয় ভাষাৰ শিক্ষণ কাৰ্যই সাংস্কৃতিক বিনিময় আৰু ভ্ৰমণৰ সময়ত বিশেষভাৱে সহায় কৰে। ইয়াৰ জৰিয়তে অধিক অভিজ্ঞতা আহৰণত সুবিধা হয়।

• দ্বিতীয় ভাষাৰ শিক্ষণে এজন ব্যক্তিক ব্যক্তিগতভাৱে সমৃদ্ধ কৰে। ইয়াৰ ফলত ব্যক্তিৰ দৃষ্টিভংগী প্ৰসাৰিত হয়।

**আত্মমূল্যায়ন প্ৰশ্ন**

প্ৰথম ভাষা শিকনৰ উদ্দেশ্যসমূহৰ বিষয়ে এক টোকা প্ৰস্তুত কৰক। (৪০ টা শব্দৰ ভিতৰত)

..................................................................................................

..................................................................................................

..................................................................................................

## ২.৬ প্ৰথম ভাষা আৰু দ্বিতীয় ভাষা শিক্ষণৰ পাৰ্থক্য

প্ৰথম ভাষা শিকন আৰু দ্বিতীয় ভাষা শিকনৰ মাজৰ মুখ্য পাৰ্থক্যটো হ'ল - প্ৰথম ভাষা শিক্ষণ প্ৰক্ৰিয়াই স্বাভাৱিকভাৱে জন্মৰ পৰা এটা ভাষা ব্যৱহাৰ আৰু আদান-প্ৰদানৰ জৰিয়তে আহৰণ কৰাৰ ওপৰত গুৰুত্ব দিয়ে। আনহাতে দ্বিতীয় ভাষা শিক্ষণ প্ৰক্ৰিয়াই জীৱনৰ পৰৱৰ্তী সময়ত প্ৰায়ে আনুষ্ঠানিক নিৰ্দেশনাৰ জৰিয়তে সক্ৰিয়ভাৱে

এটা নতুন ভাষা শিকা কাৰ্যক সূচায়। এই ক্ষেত্ৰত শিক্ষাৰ্থীৰ ইতিমধ্যে এটা প্ৰতিষ্ঠিত প্ৰথম ভাষাই দ্বিতীয় ভাষা শিক্ষণত প্ৰভাৱিত কৰিব পাৰে।

**(ক) স্বাভাৱিক ভাষা আহৰণ বনাম সচেতন শিক্ষা ঃ**

প্ৰথম ভাষাৰ শিক্ষণ স্বাভাৱিক আৰু নিত্য-নৈমিত্তিক। সাধাৰণ কথোপকথনৰ মাধ্যমেৰে শিশুৱে কোনোধৰণৰ আনুষ্ঠানিকতা অবিহনে প্ৰথম ভাষা আহৰণ কৰে। এনে শিক্ষণৰ বেলিকা অভিভাৱকসকলেও সচেতনভাৱে ভাষা শিক্ষকৰ ভূমিকা পালন নকৰে। আনহাতে দ্বিতীয় ভাষাৰ শিক্ষাই পাঠ্যপুথি, সংগঠিত শিকন পৰিৱেশ, স্পষ্ট ব্যাকৰণ নিৰ্দেশনা আৰু শব্দভাণ্ডাৰ নিৰ্মাণৰ জৰিয়তে সচেতন শিক্ষাৰ ওপৰত গুৰুত্ব দিয়ে আৰু ই প্ৰায়ে শিক্ষাৰ্থীৰ প্ৰথম ভাষাৰ জ্ঞানৰ ওপৰত নিৰ্ভৰ কৰে।

**(খ) শিক্ষাৰ্থীৰ বয়স ঃ**

প্ৰথম ভাষাৰ শিক্ষণ প্ৰক্ৰিয়া সদায় শিশু অৱস্থাৰ পৰা আৰম্ভ হয়। আনহাতে দ্বিতীয় ভাষাৰ শিক্ষণ প্ৰক্ৰিয়া যিকোনো বয়সতে হ'ব পাৰে আৰু তেওঁলোকৰ মাজত ইতিমধ্যে সঞ্চিত হৈ থকা প্ৰথম ভাষাৰ গাঁথনিক প্ৰণালীয়ে দ্বিতীয় ভাষা আহৰণত সমস্যাৰ সৃষ্টি কৰিব পাৰে।

**(গ) যোগাযোগ আৰু শুদ্ধতাৰ ওপৰত গুৰুত্ব প্ৰদান ঃ**

প্ৰথম ভাষাৰ শিক্ষাই যোগাযোগমূলক দক্ষতাক অগ্ৰাধিকাৰ দিয়ে। সেয়েহে এই শিক্ষণ প্ৰক্ৰিয়াত ভাষা ব্যৱহাৰকাৰী তথা আহৰণকাৰীৰ ত্ৰুটিৰ জৰিয়তে ভাষা শিকনৰ অৱকাশ থাকে। আনহাতে দ্বিতীয় ভাষাৰ শিক্ষাদানে প্ৰাৰম্ভিক পৰ্যায়ত ব্যাকৰণগত শুদ্ধতাৰ ওপৰত অধিক গুৰুত্ব দি য়ে আৰু ইয়াত ত্ৰুটিৰ কোনো অৱকাশ নাথাকে।

**(ঘ) শিক্ষকৰ ভূমিকা ঃ**

প্ৰথম ভাষাৰ শিক্ষাদানত, শিক্ষকে কেৱল সহায়ক হিচাপে কাম কৰি শিকাৰুৰ প্ৰথম ভাষাৰ ভাষিক দক্ষতা গঠন কৰিব পাৰে। আনহাতে দ্বিতীয় ভাষাৰ শিক্ষাদানত, শিক্ষকে ব্যাকৰণৰ নিয়ম আৰু শব্দভাণ্ডাৰ সক্ৰিয়ভাৱে ব্যাখ্যা কৰিব লগীয়া হয়। এই ক্ষেত্ৰত ক'ব পাৰি যে শিক্ষক অবিহনে দ্বিতীয় ভাষাৰ শিক্ষাদান সম্ভৱ নহয়। ইয়াৰ উপৰিও দ্বিতীয় ভাষাৰ শিকন প্ৰক্ৰিয়াত অবোধগম্যতা দূৰ কৰিবলৈ প্ৰথম ভাষাৰ ব্যৱহাৰ কৰিব লগা হয়।

**(ঙ) নিষ্ক্ৰিয় শিক্ষণ আৰু সক্ৰিয় শিক্ষণ ঃ**

প্ৰথম ভাষাৰ শিক্ষণৰ ক্ষেত্ৰত শিশুৱে সক্ৰিয়ভাৱে ব্যাকৰণৰ নিয়ম অধ্যয়ন কৰাৰ সলনি শ্ৰৱণ আৰু অন্তঃকৰণৰ জৰিয়তে ভাষাটো শিকে। ইয়াৰ বিপৰীতে দ্বিতীয় ভাষাৰ শিক্ষাৰ্থীসকলে সক্ৰিয়ভাৱে অধ্যয়ন আৰু অনুশীলন কৰে। এই ক্ষেত্ৰত প্ৰায়ে মুখস্থ আৰু পুনৰাবৃত্তিৰ দৰে কৌশল অৱলম্বন কৰে।

**(চ) ভাষিক পৰিৱেশ ঃ**

প্ৰথম ভাষা শিক্ষণ কাৰ্যত বিশেষ যত্ন লবলগীয়া নহয়, শিক্ষাৰ্থীসকলে স্বাভাৱিক পৰিৱেশত দৈনন্দিন বাৰ্তালাপৰ জৰিয়তে ভাষাটোত নিমজ্জিত হয়, আনহাতে দ্বিতীয়

ভাষা শিক্ষণ কাৰ্যত শিক্ষাৰ্থীসকলক সাধাৰণতে ভাষাটো আয়ত্ব কৰিবলৈ সংগঠিত পাঠ আৰু অনুশীলনৰ প্ৰয়োজন হয়।

**(ছ) বৌদ্ধিক কাৰ্যকলাপ ঃ**

প্ৰথম ভাষাৰ শিক্ষণ কাৰ্য ভাষা ব্যৱহাৰকাৰীৰ মগজুৰ স্বাভাৱিক ভাষা আহৰণ প্ৰণালী ব্যৱহাৰৰ দ্বাৰা অৱচেতনভাৱে হয়। আনহাতে দ্বিতীয় ভাষা শিক্ষণত প্ৰায়ে ব্যাকৰণৰ নিয়ম আৰু শব্দভাণ্ডাৰৰ সচেতন বিশ্লেষণ অন্তৰ্ভুক্ত হৈ থাকে।

**(ছ) প্ৰভাৱ ঃ**

দ্বিতীয় ভাষাৰ শিক্ষাৰ্থীসকলে ভাষা শিক্ষণ কাৰ্যত তেওঁলোকৰ প্ৰথম ভাষাৰ প্ৰভাৱ অনুভৱ কৰিব পাৰে, যাৰ ফলত উচ্চাৰণ, ব্যাকৰণ, বা শব্দভাণ্ডাৰৰ ব্যৱহাৰত ত্ৰুটি হ'ব পাৰে। আনহাতে প্ৰথম ভাষাৰ শিক্ষণ কাৰ্যত কোনোধৰণৰ পূৰ্ববৰ্তী ভাষাৰ প্ৰভাৱ পৰিলক্ষিত নহয়।

**(জ) শিকাৰ পৰিৱেশ ঃ**

প্ৰথম ভাষা শিক্ষণ কাৰ্য সাধাৰণতে স্বতস্ফূৰ্ত আৰু ঘৰুৱা পৰিৱেশত হয়। আনহাতে দ্বিতীয় ভাষা শিকন কাৰ্য প্ৰায়ে এজন সমৰ্পিত শিক্ষকৰ সৈতে শ্ৰেণীকোঠাৰ পৰিৱেশত হয়।

**আত্মমূল্যায়ন প্ৰশ্ন**

প্ৰথম ভাষা শিক্ষণ আৰু দ্বিতীয় ভাষা শিক্ষণৰ মাজৰ পাৰ্থক্যসমূহৰ বিষয়ে এক টোকা প্ৰস্তুত কৰক। (৪০ টা শব্দৰ ভিতৰত)

..........................................................................................................

..........................................................................................................

..........................................................................................................

## ২.৭ সাৰাংশ (Summing Up)

প্ৰথম ভাষা আৰু দ্বিতীয় ভাষা শিক্ষণৰ মাজৰ মুখ্য পাৰ্থক্য এয়ে যে প্ৰথম ভাষাৰ শিক্ষণ এক স্বাভাৱিক আৰু অৱচেতন প্ৰক্ৰিয়া; আনহাতে দ্বিতীয় ভাষাৰ শিক্ষণ হৈছে এক সচেতন সক্ৰিয় প্ৰক্ৰিয়া, যাৰ বাবে স্পষ্ট নিৰ্দেশনাৰ প্ৰয়োজন হয় আৰু প্ৰায়ে শিক্ষাৰ্থীৰ সঞ্চিত প্ৰথম ভাষাজ্ঞানৰ ওপৰত নিৰ্ভৰ কৰে। দ্বিতীয় ভাষাত দক্ষতা লাভ কৰিবলৈ অধিক ইচ্ছাকৃত অনুশীলন আৰু কেন্দ্ৰীভূত ব্যাকৰণ অধ্যয়নৰ প্ৰয়োজন হয়।

প্ৰথম ভাষাৰ শিক্ষণে অন্তঃকৰণ আৰু প্ৰাথমিক যোগাযোগৰ জৰিয়তে স্বাভাৱিকভাৱে ভাষাৰ দক্ষতা বিকাশৰ ওপৰত গুৰুত্ব দিয়ে। আনহাতে দ্বিতীয় ভাষাৰ শিক্ষণ কাৰ্যই শিক্ষাৰ্থীসকলক ব্যাকৰণ নিয়ম আৰু শব্দভাণ্ডাৰৰ ওপৰত স্পষ্টভাৱে নিৰ্দেশ প্ৰদান কৰে। মন কৰিবলগীয়া যে দ্বিতীয় ভাষা শিকাৰুসকলৰ ভাষিক প্ৰণালীটো ইতিমধ্যে

প্ৰথম ভাষাৰ নীতি-নিয়মেৰে পৰিপূৰ্ণ হৈ থকা বাবে দ্বিতীয় ভাষা আহৰণৰ লক্ষ্যত উপনীত হ'বলৈ তেওঁলোকক প্ৰথম ভাষা আহৰণৰ তুলানত অধিক সচেতন প্ৰচেষ্টাৰ প্ৰয়োজন।

## ২.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

১) ভাষা শিক্ষণৰ তত্ত্বসমূহৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক।

২) প্ৰথম ভাষা বুলিলে কি বুজা? প্ৰথম ভাষা শিক্ষণৰ উদ্দেশ্যসমূহৰ বিষয়ে আলোচনা আগবঢ়াওক।

৩) দ্বিতীয় ভাষা বুলিলে কি বুজা? দ্বিতীয় ভাষা শিক্ষণৰ উদ্দেশ্যসমূহৰ বিষয়ে আলোচনা কৰক।

৪) প্ৰথম ভাষা শিক্ষণ আৰু দ্বিতীয় ভাষা শিক্ষণৰ মাজৰ পাৰ্থক্যসমূহ আলোচনা কৰক।

## ২.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


দত্তবৰুৱা, ফণীন্দ্ৰ নাৰায়ণ। *প্ৰয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা*। বিশাল প্ৰকাশন, ২০১৭

ভূঞা, নয়নমণি। ভাষা আহৰণ। প্ৰথম প্ৰকাশ, পূৰ্বায়ণ, ২০১৮

মহন্ত, দীপামণি হালৈ। *ভাষা সাহিত্য জিজ্ঞাসা*। সম্প্ৰীতি, ২০২২

Gass, Susan M., and Larry Selinker. Language Transfer and Language Learning. Newbury House, 1983.

Nikolov, Marianne, and Stela Letica Krevelj, editors. Early Foreign Language Learning and Teaching. Multilingual Matters, 2017.

Rangelova, Krassimira. Language Learning. Cambridge Scholars Publishing, 2013.

Rost, Michael. Listening in Language Learning. Longman, 1990.

Rutherford, William E. Second Language Grammar: Learning and Teaching. Longman, 1987.


*****

# তৃতীয় বিভাগ
## দ্বিতীয় ভাষা শিক্ষণৰ পদ্ধতি

**বিভাগৰ গঠনঃ**

৩.১ ভূমিকা (Introduction)
৩.১ উদ্দেশ্য (Objectives)
৩.১ ব্যাকৰণ-অনুবাদ পদ্ধতি
৩.১ প্ৰত্যক্ষ পদ্ধতি
৩.১ শ্ৰব্য-ভাষ্য পদ্ধতি
৩.১ যোগাযোগমূলক ভাষা শিক্ষণ
৩.১ কৰ্ম-আধাৰিত ভাষা শিক্ষণ পদ্ধতি
৩.১ সামগ্ৰিক ভাষাৰ দৃষ্টিভংঙ্গী
৩.১ বিষয়-আধাৰিত নিৰ্দেশনা
৩.১ সামাজিক-সাংস্কৃতিক তত্ত্ব
৩.১ সাৰাংশ (Summing Up)
৩.১ আৰ্হি প্ৰশ্ন (Sample Questions)
৩.১ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

### ৩.১ ভূমিকা (Introduction)

জনাৰ আগ্ৰহ আৰু শিকাৰ প্ৰবৃত্তি মানুহৰ আজন্ম। ইয়াৰ ফলতেই সভ্যতা বিকাশৰ প্ৰতিটো খোজত মানুহে নিজকে সৰ্বশ্ৰেষ্ঠ হিচাপে প্ৰতিপন্ন কৰিবলৈ সক্ষম হৈছে। এই ক্ষেত্ৰত আকৌ ভাষাই আৰম্ভণি কালৰে পৰাই মূল চালিকা শক্তিৰূপে কাম কৰি আহিছে। সময় বাগৰাৰ লগে লগে এই চালিকা শক্তি ভাষাৰ প্ৰতি মানুহৰ কৌতুহল আৰু আগ্ৰহ দিনক দিনে বাঢ়ি আহিছে। সম্প্ৰতি আধুনিক বিশ্বৰ সৈতে মানুহৰ যোগাযোগ সহজ হৈ উঠাৰ লগে লগে বিভিন্ন ভাষা জনা আৰু শিকাৰ প্ৰতিও মানুহৰ ধাউতি বাঢ়িছে। ইয়াৰ পৰিপ্ৰেক্ষিততেই বিশ্বৰ বিভিন্ন ভাষাবিজ্ঞানীয়ে দ্বিতীয় ভাষা শিক্ষণৰ বিভিন্ন কৌশল আৰু দিশবোৰ পৰীক্ষা-নিৰীক্ষা চলাই আহিছে। ইয়াৰ মাজৰে কিছুমান কৌশলে ভাষা শিক্ষণত সময়ে সময়ে ফলপ্ৰসূ হিচাপে প্ৰতিপন্ন হৈছে। অৱশ্যে ভাষা শিক্ষণৰ কোনো সুনিৰ্দিষ্ট পদ্ধতি নাই কিয়নো প্ৰতিজন শিক্ষাৰ্থীৰ পচন্দ, লক্ষ্য আৰু প্ৰয়োজনীয়তা ভিন্ন ধৰণৰ। তথাপিও ভাষা শিক্ষণৰ ক্ষেত্ৰত প্ৰয়োগ হৈ থকা কৌশলবোৰ বিশ্লেষণ কৰিব পাৰি। এই পদ্ধতিবোৰ হৃদয়ঙ্গম কৰি শিক্ষকসকলে তেওঁলোকৰ নিৰ্দিষ্ট প্ৰসংগ আৰু শিক্ষাৰ্থীৰ প্ৰয়োজনীয়তাৰ বাবে আটাইতকৈ কাৰ্যকৰী পদ্ধতি বাছনি কৰিব পাৰে। এই বিভাগত ভাষা শিক্ষণৰ তেনে সহায়কাৰী কিছুমান পদ্ধতি আৰু ইয়াৰ সুবিধাৰ বিষয়ে পৰ্যালোচনা কৰা হ'ব।

## ৩.২ উদ্দেশ্য (Objectives)

এই বিভাগটিৰ অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- দ্বিতীয় ভাষাৰ শিক্ষণ পদ্ধতিবোৰৰ বিষয়ে জানিব পাৰিব;
- দ্বিতীয় ভাষাৰ শিক্ষণ পদ্ধতিবোৰৰ বৈশিষ্ট্যসমূহৰ বিষয়ে জানিব পাৰিব;
- দ্বিতীয় ভাষাৰ শিক্ষণ পদ্ধতিবোৰৰ সুবিধা আৰু অসুবিধাৰ বিষয়ে জানিব পাৰিব।

## ৩.৩ ব্যাকৰণ-অনুবাদ পদ্ধতি

অতি প্ৰাচীন কালত পশ্চিমীয়া দেশসমূহত সপ্তদশ-অষ্টাদশ শতিকাত বিদেশী লেটিন আৰু গ্ৰীক ভাষা শিক্ষণৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। এই শিক্ষণ পদ্ধতিত মূলতঃ ব্যাকৰণৰ নিয়ম, বাক্য গঠন, শব্দসমূহৰ মূল মনত ৰখা আৰু সাহিত্যিক পাঠৰ অনুবাদৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। এই সময়ছোৱাত ভাষাৰ মৌখিক ব্যৱহাৰৰ প্ৰতি একেবাৰে আওকাণ কৰা হৈছিল। ভাষা শিক্ষণৰ এই প্ৰাচীন পদ্ধতিকে উনবিংশ শতিকাত ব্যাকৰণ-অনুবাদ পদ্ধতি বুলি নামকৰণ কৰা হয়। কিয়নো প্ৰাচীন পদ্ধতি অনুসৰিয়েই উনবিংশ শতিকাৰ ব্যাকৰণ-অনুবাদ পদ্ধতিতো ব্যাকৰণৰ নিয়ম আৰু দ্বিতীয় ভাষাৰ পৰা থলুৱা ভাষালৈ অনুবাদৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হয়। বিদেশী ভাষা অধ্যয়নৰ লক্ষ্য হৈছে কোনো এটা ভাষাৰ সাহিত্য অধ্যয়নৰ জৰিয়তে ব্যক্তিৰ মানসিক আৰু বৌদ্ধিক বিকাশ সাধন কৰা। দ্বিতীয় ভাষা শিক্ষণৰ এনে ব্যাকৰণ-অনুবাদ পদ্ধতিয়ে নিৰ্দিষ্ট এক ভাষাৰ ব্যাকৰণগত নিয়মৰ বিতং বিশ্লেষণৰ জৰিয়তে ভাষা এটাৰ আঁতি-গুৰি মাৰি শিক্ষণৰ পোষকতা কৰে। পৰৱৰ্তী সময়ত এই জ্ঞান সেই নিৰ্দিষ্ট ভাষাৰ পৰা শিকাৰুৰ প্ৰথম ভাষা বা আন এক দ্বিতীয় ভাষালৈ অনুবাদৰ কামত প্ৰয়োগ কৰা হয়। এনেধৰণেই এসময়ত বক্তাই দ্বিতীয় ভাষা আহৰণ কৰে।

### ৩.৩.১ বৈশিষ্ট্য

ইতিমধ্যে আলোচনা কৰাৰ দৰে ব্যাকৰণ-অনুবাদ পদ্ধতিত শিকাৰুৰ প্ৰথম ভাষাৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া হয়। শিকাৰুৱে যাতে দ্বিতীয় ভাষা শিকাৰ সময়তো নিজৰ প্ৰথম ভাষাৰ পৰা বিচ্ছিন্ন অনুভৱ নকৰে। ইয়াৰ বাবে শিক্ষাৰ্থীসকলক স্থানীয় বা প্ৰথম ভাষাত শ্ৰেণীবোৰ শিকোৱা হয়। দ্বিতীয় ভাষাৰ কোনো উপাদান বুজাবলৈ প্ৰথম ভাষাৰ সৈতে তুলনা কৰা হয়। প্ৰথম ভাষাৰ পৰাই দ্বিতীয় ভাষালৈ বাক্য অনুবাদ কৰিবলৈ শিকোৱা হয়। প্ৰথম ভাষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰাৰ উপৰিও এই পদ্ধতিত কথা কোৱা আৰু শুনাতকৈ পঢ়া আৰু লিখাৰ দক্ষতাৰ ওপৰত গুৰুত্ব দিয়া হয়। লিখন শিকোৱাৰ বেলিকাও ব্যাকৰণৰ নিয়মবোৰ উদাহৰণ আৰু ব্যতিক্ৰমৰ সৈতে উপস্থাপন কৰা হয় আৰু শিক্ষাৰ্থীসকলক নতুন উদাহৰণত নিয়মবোৰ প্ৰয়োগ কৰিবলৈ কোৱা হয়। প্ৰায় একেই কথা শব্দভাণ্ডাৰৰ ক্ষেত্ৰতো প্ৰযোজ্য। শব্দভাণ্ডাৰ প্ৰায়ে বিচ্ছিন্ন শব্দৰ

তালিকাৰ জৰিয়তে শিকোৱা হয়। ব্যাকৰণৰ জ্ঞান গভীৰ হ'বলৈ প্ৰায়েব্যাকৰণৰ দীঘলীয়া ব্যাখ্যা প্ৰদান কৰা হয়। একেধৰণে এই পদ্ধতিত শ্ৰৱণতকৈ পঠনৰ জৰিয়তে ফলপ্ৰসূ ভাষা আহৰণ সম্ভৱ বুলি বিশ্বাস কৰা হয়। সেইবাবেই হয়তো দ্বিতীয় ভাষাৰ শিক্ষাৰ্থীসকলক প্ৰায়ে আৰম্ভণিতে কঠিন ধ্ৰুপদী গ্ৰন্থৰ সৈতে পৰিচয় কৰাই দিয়া হয়। যাতে সময় যোৱাৰ লগে লগে শিক্ষাৰ্থীসকল লক্ষ্য ভাষাৰ সংস্কৃতিৰ সংস্পৰ্শলৈ আহে। সামগ্ৰিকভাৱে ক'ব পাৰি যে, জটিল ব্যাকৰণগত গাঁথনি শিকাৰ ওপৰত গুৰুত্ব প্ৰদান কৰাৰ বাবে এই দ্বিতীয় ভাষা শিক্ষণ পদ্ধতিত কথিত বাৰ্তালাপ বা সৰলতাৰ ওপৰত কোনো গুৰুত্ব দিয়া নহয়।

### ১.৩.২ সুবিধাসমূহ

**(ক) কঠিন ব্যাকৰণৰ সহজ বোধগম্যতা ঃ**

ব্যাকৰণ-অনুবাদ পদ্ধতিয়ে ব্যাকৰণ নিয়মৰ বিতং ব্যাখ্যা আৰু অনুশীলনৰ ওপৰত গুৰুত্ব দিয়ে, যাৰ ফলত ব্যাকৰণগত গাঁথনি আৰু সেইবোৰৰ ব্যৱহাৰৰ বিষয়ে পুংখানুপুংখভাৱে বুজি পোৱা যায়।

**(খ)শব্দভাণ্ডাৰৰ বিকাশ ঘটায় ঃ**

পাঠ অনুবাদ অভ্যাসে, শিক্ষাৰ্থীসকলৰ এক বিশাল শব্দভাণ্ডাৰৰ সংস্পৰ্শলৈ অহাত সহায় কৰে আৰু তেওঁলোকৰ মাতৃভাষাক সংযোগ ঘটাই সক্ৰিয়ভাৱে নতুন শব্দ শিকিব পাৰে।

**(গ) সহজ ৰূপায়ণ ঃ**

এই পদ্ধতি বিশেষকৈ ওপৰৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত শিক্ষকসকলে ৰূপায়ণ কৰাটো তুলনামূলকভাৱে সহজ হয়, কিয়নো ই প্ৰতিষ্ঠিত ব্যাকৰণৰ নিয়ম আৰু অনুবাদ অনুশীলনৰ ওপৰত নিৰ্ভৰ কৰে।

**(ঘ) জ্ঞানৰ বিকাশ ঃ**

ভাষাৰ অনুবাদ প্ৰক্ৰিয়াই সমালোচনামূলক চিন্তাৰ দক্ষতা কঢ়িয়াই আনে কিয়নো শিক্ষাৰ্থীসকলে তেওঁলোকৰ মাতৃভাষা আৰু লক্ষ্য ভাষাৰ মাজত ব্যাকৰণগত গাঁথনি আৰু শব্দৰ চয়ন তুলনা কৰে।

### ৩.৩.৩ অসুবিধা

**(ক) কথা কোৱা আৰু শুনা দক্ষতাৰ সীমাবদ্ধতা ঃ**

অনুবাদৰ ওপৰত গধুৰ নিৰ্ভৰশীলতাই প্ৰায়ে মৌখিক যোগাযোগ দক্ষতাৰ বিকাশক এৰাই চলে, যাৰ ফলত কথা কোৱা আৰু শ্ৰৱণৰ দিশটো অৱহেলিত হয়।

**(খ) মুখস্থ কৰাৰ ওপৰত গুৰুত্ব ঃ**

ব্যকৰণ অনুবাদ পদ্ধতিয়ে প্ৰাকৃতিক ভাষা ব্যৱহাৰত সেইবোৰ কেনেদৰে প্ৰয়োগ কৰিব লাগে সেই বিষয়ে গভীৰ বোধগম্যতা অবিহনে ব্যাকৰণৰ নিয়ম আৰু শব্দভাণ্ডাৰ আহৰণ কৰিবলৈ উৎসাহিত কৰিব পাৰে।

**(গ) প্ৰাসঙ্গিক শিক্ষণৰ অভাৱ ঃ**

অনুবাদৰ অভ্যাসে বাস্তৱ পৰিস্থিতিত ভাষা ব্যৱহাৰৰ সূক্ষ্মতা বুজিবলৈ সদায়ে পৰ্যাপ্ত প্ৰসংগ প্ৰদান নকৰিব পাৰে।

**(ঘ) স্থানীয় ভাষাৰ পৰা প্ৰভাৱ ঃ**

অনুবাদৰ ওপৰত অত্যাধিক নিৰ্ভৰশীলতাৰ ফলত শিক্ষাৰ্থীৰ মাতৃভাষাৰ হস্তক্ষেপ হ'ব পাৰে, যাৰ ফলত লক্ষ্য ভাষাত সৰলতা বাধাগ্ৰস্ত হ'ব পাৰে।

**আত্মমূল্যায়ন প্ৰশ্ন**

ব্যাকৰণ অনুবাদ পদ্ধতি আৰু ভাষা শিক্ষণত ইয়াৰ সুবিধা অসুবিধাসমূহৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

......................................................................................................

......................................................................................................

......................................................................................................

......................................................................................................

......................................................................................................

**৩.৪ প্ৰত্যক্ষ পদ্ধতি**

ব্যাকৰণ-অনুবাদ পদ্ধতিৰ সীমাবদ্ধতা আৰু শিক্ষাৰ্থীসকলৰ যোগাযোগমূলক দক্ষতা সৃষ্টি কৰিব নোৱাৰাৰ পৰিপ্ৰেক্ষিতত প্ৰত্যক্ষ শিক্ষণ পদ্ধতি জন্ম হয়। এই পদ্ধতি অষ্টাদশ শতিকাৰ শেষৰ ফালে উদ্ভৱ হয়। এই পদ্ধতিয়ে পোনপটীয়া বাৰ্তালাপ যোগে পৰা বিদেশী ভাষা বা দ্বিতীয় ভাষা শিক্ষণৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। য'ত ব্যাকৰণ-অনুবাদ পদ্ধতিয়ে এই দিশটো সম্পূৰ্ণ উপেক্ষা কৰি চলিছিল। প্ৰত্যক্ষ পদ্ধতিয়ে স্বতৰ্স্ফূৰ্তভাৱে ভাষাক ব্যৱহাৰ কৰা , নিৰ্দিষ্ট ভাষাৰ বিষয়ে চিন্তা কৰাৰ দক্ষতা বিকাশ ইত্যাদি দিশবোৰৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। সেয়েহে প্ৰত্যক্ষ শিক্ষণ পদ্ধতিয়ে অনুবাদৰ বিপৰীতে শিকিবলগীয়া ভাষাৰ সৈতে পোনপটীয়াকৈ যোগাযোগ আৰু নিজাববীয়াকৈ অৰ্থ উদঘাটনৰ পোষকতা কৰে।

### ৩.৪.১ বৈশিষ্ট্য

ব্যাকৰণ-অনুবাদ পদ্ধতিক প্ৰত্যাহ্বান জনাই আত্মপ্ৰকাশ কৰাৰ বাবে প্ৰত্যক্ষ পদ্ধতিত নূন্যতম অনুবাদৰ ওপৰত গুৰুত্ব দিয়া হৈছে। এই পদ্ধতিয়ে শিক্ষাৰ্থীৰ মাতৃভাষাত কোনো অনুবাদ নকৰাকৈ লক্ষ্য ভাষাটো পোনপটীয়াকৈ আহৰণ আৰু ব্যৱহাৰ কৰাত গুৰুত্ব দিয়ে। ইয়াৰ বাবে শিক্ষকসকলে শব্দভাণ্ডাৰ আৰু ধাৰণা প্ৰৱৰ্তন কৰিবলৈ ছবি, ফ্লেছকাৰ্ড, আৰু প্ৰকৃত দৃশ্যমান সংকেতৰ ওপৰত যথেষ্ট নিৰ্ভৰ কৰে। লক্ষ্যভাষাৰ ব্যাকৰণিক জটিলতাসমূহ অনুবাদৰ জৰিয়তে নিশিকালেও প্ৰসংগগত জ্ঞানৰ শিক্ষা প্ৰদান কৰা হয়। শিক্ষাৰ্থীসকলক লক্ষ্যভাষাৰ অন্তৰৰ্তী নিয়মসমূহ নিৰ্ণয় কৰি দিয়াৰ পৰিৱৰ্তে এই পদ্ধতিত শিক্ষাৰ্থীসকলক লক্ষ্য ভাষাৰ অসংখ্য উদাহৰণ প্ৰদান কৰি নিজাববীয়াকৈ লক্ষ্য ভাষাৰ ব্যাকৰণৰ নিয়মবোৰ আৱিষ্কাৰ কৰিবলৈ উৎসাহ যোগোৱা হয়। এই পদ্ধতিৰ আন এক বৈশিষ্ট্য হ'ল শিক্ষাৰ্থীৰ সক্ৰিয় অংশগ্ৰহণ। ইয়াত শিক্ষাৰ্থীসকলে লক্ষ্য ভাষাত কথোপকথন, প্ৰশ্ন আৰু সঁহাৰিৰ জৰিয়তে শিক্ষণ প্ৰক্ৰিয়াত সক্ৰিয়ভাৱে নিয়োজিত হৈ থাকে। তদুপৰি এই পদ্ধতিৰ ভাষিক পৰিৱেশ স্বাভাৱিক প্ৰকৃতিৰ। শিক্ষাৰ্থীসকলক কল্পনাশ্ৰয়ী পৰিৱেশত ভাষা কেনেকৈ ব্যৱহাৰ কৰিব সেয়া শিকোৱাতকৈ বাস্তৱ জীৱনৰ দৈনন্দিন যোগাযোগত লক্ষ্য ভাষা কিদৰে ব্যৱহাৰ কৰা হয় সেয়া লক্ষ্য কৰিবলৈ উৎসাহ যোগোৱা হয়। ব্যাকৰণ-অনুবাদ পদ্ধতিত লিখনৰ ওপৰত গুৰুত্ব দিয়াৰ পৰিৱৰ্তে এই কথনৰ ওপৰত গুৰুত্ব দিয়া হোৱা বাবে উচ্চাৰণক গুৰুত্বপূৰ্ণ বুলি গণ্য কৰা হয় আৰু আৰম্ভণিৰ পৰাই কথোপকথনমূলক অনুশীলনৰ মাজেৰে খুব সাৱধানে উচ্চাৰণৰ অনুশীলন কৰা হয়। প্ৰত্যক্ষ পদ্ধতিত ব্যাকৰণ-অনুবাদ পদ্ধতিত কৰাৰ দৰে প্ৰথম ভাষাৰ কোনো ব্যৱহাৰ কৰা নহয়, সকলো নিৰ্দেশনা লক্ষ্য ভাষাত পৰিচালনা কৰা হয়।

### ৩.৪.২ সুবিধাসমূহ

**(ক) কথনৰ ওপৰত গুৰুত্ব প্ৰদান কৰাৰ বাবে মৌখিক সাৱলীলতাৰ বিকাশ ঃ**

কথিত ভাষা আৰু বাস্তৱ জীৱনৰ পৰিস্থিতিক অগ্ৰাধিকাৰ দিয়ে বাবে শিক্ষাৰ্থীসকলে স্বাভাৱিকতে লক্ষ্য ভাষা কোৱাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। ফলত শিকাৰুৱে দ্বিতীয় ভাষাত মৌখিক যোগাযোগৰ সাৱলীলতা অৰ্জন কৰিব পাৰে।

**(খ) শ্ৰৱণৰ সহায়ত বোধশক্তি বৃদ্ধি ঃ**

শ্ৰেণীকোঠাত কথিত ভাষাৰ নিৰন্তৰ সংস্পৰ্শলৈ আহিলে প্ৰামাণিক সামগ্ৰী আৰু প্ৰাসঙ্গিক বিষয়সমূহৰ জৰিয়তে শ্ৰৱণ দক্ষতা উন্নত হোৱাৰ সমান্তৰালভাৱে শ্ৰোতাৰ বোধশক্তি বৃদ্ধি হয়।

**(গ) উচ্চাৰণৰ শুদ্ধতা ঃ**

পোনপটীয়া পদ্ধতিয়ে ধ্বনিগত আৰু মৌখিক অনুশীলনৰ ওপৰত আৰু আৰম্ভণিৰ পৰাই শুদ্ধ উচ্চাৰণৰ ওপৰত গুৰুত্ব দিয়ে।

**(ঘ) অৰ্থপূৰ্ণ শব্দভাণ্ডাৰ ব্যৱহাৰ ঃ**

সততে দেখা পোৱা, বাস্তৱ জীৱনৰ বস্তু, আৰু প্ৰসংগৰ জৰিয়তে নতুন শব্দভাণ্ডাৰ শিকোৱা হয়, যাৰ ফলত সহজতে বিষয়বোৰ বুজি পোৱাত সহায়ক হয় আৰু শিকাৰুৱে আকৰ্ষণীয়ৰূপত দ্বিতীয় ভাষাৰ শিকাৰ অভিজ্ঞতা লাভ কৰে।

৩.৪.৩ অসুবিধা

**(ক) সীমিত ব্যাকৰণ নিৰ্দেশনা ঃ**

পোনপটীয়া পদ্ধতি প্ৰায়ে প্ৰাসংগিক ব্যাকৰণ শিকাৰ ওপৰত নিৰ্ভৰ কৰে বাবে শিক্ষাৰ্থীসকলে ব্যাকৰণৰ স্পষ্ট ব্যাখ্যাৰ অবিহনেই দ্বিতীয় ভাষা আহৰণৰ পিনে আগবাঢ়ে। বহুসময়ত এনে শিক্ষণত শিকাৰুৱে ব্যাকৰণৰ নিয়মবোৰ নিজাববীয়াকৈ নিৰ্ধাৰণ কৰিবলগীয়া হয়। এনেধৰণে দ্বিতীয় ভাষা আহৰণ কৰাটোএকাংশ শিক্ষাৰ্থীৰ বাবে প্ৰত্যাহ্বানজনক হ'ব পাৰে।

**(খ) কথিত ভাষাৰ ওপৰত গুৰুত্ব প্ৰদান ঃ**

এই পদ্ধতিয়ে মৌখিক যোগাযোগক অগ্ৰাধিকাৰ দিয়ে। ফলশ্ৰুতিত ভাষা আহৰণৰ সৈতে সম্পৰ্কিত লিখন আৰু পঠনৰ দক্ষতা শিকাৰুৰ যথাৰ্থৰূপত বিকশিত নহ'ব পাৰে।

**(গ) শিক্ষকৰ ওপৰত অধিক নিৰ্ভৰশীলতা ঃ**

প্ৰত্যক্ষ পদ্ধতিৰ সফল ৰূপায়ণৰ বাবে দক্ষ শিক্ষকৰ প্ৰয়োজন। দক্ষ শিক্ষকেহে বাস্তৱিক যোগাযোগৰ পৰিস্থিতি সৃষ্টি কৰাৰ লগতে শ্ৰেণীকোঠাত সম্পন্ন যোগাযোগ প্ৰক্ৰিয়াক কাৰ্যকৰীভাৱে নিয়ন্ত্ৰণ কৰিব পাৰে।

**(ঘ) সময় সাপেক্ষ ঃ**

আকৰ্ষণীয় বাস্তৱ জীৱনৰ পৰিস্থিতি সৃষ্টি কৰি লক্ষ্য ভাষাত স্বাভাৱিক কথোপকথনৰ পৰিৱেশ সৃষ্টি কৰিবলৈ কেতিয়াবা অধিক সময়ৰ প্ৰয়োজন হ'ব পাৰে। যাৰ বাবে অন্যান্য পদ্ধতিৰ তুলনাত প্ৰত্যক্ষ পদ্ধতিত শ্ৰেণীকোঠাত অধিক সময়ৰ প্ৰয়োজনহয়।

**(ঙ) শব্দভাণ্ডাৰৰ সীমাবদ্ধতা ঃ**

প্ৰত্যক্ষ পদ্ধতিয়ে প্ৰায়ে দৈনন্দিন শব্দভাণ্ডাৰৰ ওপৰত গুৰুত্ব দিয়ে। দ্বিতীয় ভাষাৰ ভিন ভিন প্ৰসংগত ব্যৱহৃত আন আন শব্দাৱলীসমূহৰ জ্ঞানৰ অভাৱত কেতিয়াবা শিকাৰুৱে নতুন পৰিৱেশ আৰু প্ৰসংগত যোগাযোগ স্থাপনৰ সময়ত শব্দৰ অপৰ্যাপ্ততা অনুভৱ কৰিব পাৰে।

| আত্মমূল্যায়ন প্ৰশ্ন |
| --- |
| ভাষা শিক্ষণৰ প্ৰত্যক্ষ পদ্ধতি আৰু ইয়াৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰক (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক) |
| ........................................................................................................ |
| ........................................................................................................ |
| ........................................................................................................ |
| ........................................................................................................ |

### ৩.৫ শ্ৰব্য-ভাষ্য পদ্ধতি

এই পদ্ধতি বিশেষভাৱে দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত আমেৰিকাৰ সৈন্যবাহিনীয়ে বিদেশী ভাষাত যোগাযোগ স্থাপন কৰিবৰ কাৰণে উদ্ভাৱন কৰিছিল। পৰৱৰ্তী সময়ত আমেৰিকাৰ শিক্ষণ সংস্থাই সেনাবাহিনীয়ে সৃষ্টি কৰা এই পদ্ধতিটোৰ সৈতে প্ৰত্যক্ষ পদ্ধতিৰ কিছু দিশ সংযোজন কৰি শ্ৰব্য-ভাষ্য পদ্ধতি বিকশিত কৰে। এই পদ্ধতিয়ে ভাষিক আৰু মনস্তাত্ত্বিক তত্ত্বৰ দৃষ্টিভংগীৰে দ্বিতীয় ভাষা আহৰণৰ পোষকতা কৰে। তদুপৰি এই পদ্ধতিয়ে বৰ্ণনামূলক, বিশ্লেষণমূলক বৈজ্ঞানিক পদ্ধতি ব্যৱহাৰ কৰি বিভিন্ন ভাষাৰ অন্তৰ্লীন বৈশিষ্ট্যৰ অনুসন্ধান কৰে। এই পদ্ধতিত বক্তাৰ অভ্যাস গঠনৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰে। উদাহৰণস্বৰূপে- এই পদ্ধতিত শিকাৰুক এটা ভাষাৰ পাঠ বিশেষৰ জ্ঞান দিবলৈ পাঠটো সংলাপৰ সৈতে আৰম্ভ কৰা হয় য'ত ভাষাটোৰ গাঁথনি আৰু শব্দভাণ্ডাৰ নিহিত হৈ থাকে। শিক্ষাৰ্থীসকলে এই সংলাপটো অনুকৰণ আৰু পুনৰাবৃত্তি কৰে।

#### ৩.৫.১ বৈশিষ্ট্য

শ্ৰব্য-ভাষ্য পদ্ধতিত প্ৰায় প্ৰত্যক্ষ পদ্ধতিৰ দৰেই শ্ৰৱণ আৰু কথনৰ ওপৰত গুৰুত্ব দিয়া হয়। ভাষা এটা শুনি বুজি পোৱা আৰু বুজি উঠি কোৱা দিশটোক অগ্ৰাধিকাৰ দি সৰল প্ৰকৃতিৰ মৌখিক যোগাযোগৰ দক্ষতা বিকাশত গুৰুত্ব দিয়া হয়। ইয়াৰ বাবে বিভিন্ন প্ৰসঙ্গত ব্যাকৰণগত গাঁথনি আৰু শব্দভাণ্ডাৰ অনুশীলন কৰিবলৈ প্ৰায়ে স্বৰলিপি আৰু উচ্চাৰণৰ তাৰতম্যৰ সৈতে পুনৰাবৃত্তিমূলক অনুশীলনৰ ব্যাপক ব্যৱহাৰ কৰা হয়। শিক্ষাৰ্থীসকলক বাক্য আৰু বাক্যাংশ পুনৰাবৃত্তি কৰি শিক্ষকৰ উচ্চাৰণ অনুকৰণ কৰিবলৈ উৎসাহিত কৰা হয়। ইয়াৰ বিপৰীতে ব্যাকৰণ-অনুবাদ পদ্ধতিৰ দৰে ব্যাকৰণৰ নিয়মবোৰ স্পষ্টভাৱে শিকোৱা নহয়। যি সীমিত পৰিমাণৰ ব্যাকৰণৰ উপাদান শিকোৱা হয় সেয়া আৰ্হি আৰু অনুশীলনৰ জৰিয়তেহে সম্পন্ন হয়। শিক্ষকে ব্যাকৰণ সম্পৰ্কে অতি কম সময়তহে ব্যাখ্যা প্ৰদান কৰে। শিক্ষণৰ প্ৰাৰম্ভিক পৰ্যায়ত অনুমানযোগ্য ভাষাৰ গাঁথনিৰ সৈতে নিয়ন্ত্ৰিত অনুশীলনৰ মাধ্যমেৰে লক্ষ্য ভাষাটো প্ৰায় একচেটিয়াভাৱে শ্ৰেণীকোঠাত

ব্যৱহাৰ কৰা হয়। শিকাৰুৰ প্ৰথম ভাষাৰ প্ৰভাৱ সীমিত কৰিবলৈ এইধৰণে সচেতনভাৱে শিক্ষাৰ্থীৰ মাতৃভাষাৰ ব্যৱহাৰ কমকৈ কৰা হয়। ভাষা শিক্ষণৰ এই পদ্ধতিত স্বতঃস্ফূৰ্তভাৱে কথা কোৱাৰ সম্ভাৱনা সীমিত যদিও সঠিক অনুকৰণবোৰ পুৰস্কৃত কৰা হয় আৰু সমান্তৰালভাৱে ভুলবোৰ তাৎক্ষণিকভাৱে সংশোধন কৰা হয়।

### ৩.৫.২ সুবিধাসমূহ

**(ক) কথিত ভাষাৰ ওপৰত গুৰুত্ব ঃ**

এই পদ্ধতিটোৱে মৌখিকভাৱে সম্পন্ন হোৱা যোগাযোগ, শ্ৰৱণ আৰু বোধগম্যতাক অগ্ৰাধিকাৰ দিয়ে। ফলশ্ৰুতিত শিক্ষাৰ্থীসকলৰ সাধাৰণ যোগাযোগ অধিক উন্নত হয়।

**(খ) উচ্চাৰণৰ ওপৰত গুৰুত্ব ঃ**

পুনৰাবৃত্তি আৰু অনুশীলনৰ জৰিয়তে এই পদ্ধতিয়ে শিক্ষাৰ্থীসকলক সঠিকভাৱে লক্ষ্য ভাষাত শব্দ উচ্চাৰণ কৰিবলৈ সাজু কৰি তোলে।

(গ) ভাষা আহৰণৰ স্বাভাৱিক আৰ্হি অনুসৰণ ঃ

এই পদ্ধতিয়ে ভাষা আহৰণৰ স্বাভাৱিক আৰ্হি অনুসৰণ কৰে বাবে শিক্ষাৰ্থীসকলে পঢ়া আৰু লিখাৰ আগতে প্ৰথমে শুনি শুনি কথা ক'বলৈ শিকে। এই পদ্ধতিটোৰ প্ৰধান উদ্দেশ্য হৈছে ভাষা শিকাৰুৰ বাবে প্ৰথম ভাষাৰ দৰে এক স্বাভাৱিকভাৱে ভাষা শিক্ষণৰ অভিজ্ঞতা সৃষ্টি কৰা।

**(ঘ) ভাষাৰ মৌলিক গাঁথনিৰ জ্ঞান ঃ**

ব্যাকৰণগত আৰ্হি আৰু শব্দভাণ্ডাৰৰ সৈতে নিয়ন্ত্ৰিত অনুশীলনৰ জৰিয়তে ভাষা শিক্ষণৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হয় বাবে শিক্ষাৰ্থীসকলে ভাষাৰ মৌলিক গাঁথনি সম্পৰ্কে ধাৰণা গঢ়িব পাৰে।

**(ঙ) ডাঙৰ শ্ৰেণীৰ বাবে উপযুক্ত ঃ**

ভাষা শিক্ষণৰ এই পদ্ধতিত পুনৰাবৃত্তিমূলক প্ৰকৃতিৰ ব্যৱহাৰ হয় বাবে এই পদ্ধতিটো ডাঙৰ শ্ৰেণী শিকোৱাৰ বাবে নিৰ্ভৰযোগ্য হৈ উঠে।

### ৩.৫.৩ অসুবিধা

(ক) অনুশীলন আৰু মুখস্থ কৰাৰ ওপৰত অত্যাধিক নিৰ্ভৰশীল ঃ

এই পদ্ধতিয়ে যথেষ্ট পৰিমাণে লক্ষ্য ভাষাৰ বিশেষ বিশেষ আৰ্হি অনুশীলন আৰু পুনৰাবৃত্তিৰ ওপৰত নিৰ্ভৰ কৰে বাবে শিকাৰুৰ লক্ষ্য ভাষাৰ ব্যাকৰণৰ অন্তৰ্নিহিত নিয়মবোৰ বুজি পোৱাত অসুবিধাৰ সৃষ্টি হ'ব পাৰে।

**(খ) যোগাযোগমূলক দক্ষতাৰ ওপৰত সীমিত গুৰুত্ব ঃ**

যিহেতু এই পদ্ধতিৰ প্ৰাথমিক গুৰুত্ব হৈছে লক্ষ্যভাষাৰ বাক্যাংশৰ নকল কৰা আৰু পুনৰাবৃত্তি কৰা, গতিকে এই পদ্ধতিয়ে শিক্ষাৰ্থীসকলক বাস্তৱ জীৱনৰ যোগাযোগ পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ পৰ্যাপ্তভাৱে সাজু নকৰিবও পাৰে।

**(গ) অৰ্থ আৰু প্ৰসংগৰ অৱহেলা ঃ**

অৰ্থতকৈ ভাষাৰ প্ৰকাৰক অগ্ৰাধিকাৰ দিয়াৰ ফলত ভাষা ব্যৱহাৰৰ অৰ্থতাত্ত্বিক আৰু সামাজিক প্ৰসংগ বুজাত শিক্ষাৰ্থীসকলৰ অসুবিধা হ'ব পাৰে।

**(ঘ) শিক্ষক-কেন্দ্ৰিক দৃষ্টিভংগী ঃ**

শ্ৰব্য-ভাষ্য পদ্ধতি সাধাৰণতে শিক্ষক-প্ৰধান। এই পদ্ধতিৰে দ্বিতীয় ভাষা শিক্ষণত শিক্ষকে পাঠ বা বাৰ্তালাপ আৰম্ভ কৰে। যাৰ বাবে শিক্ষক অবিহনে শিক্ষাৰ্থীয়ে দ্বিতীয় ভাষাত বাৰ্তালাপ আৰম্ভ কৰা আৰু দ্বিতীয় ভাষাৰ নতুন দিশৰ অন্বেষণৰ কৰাৰ পৰিৱেশ লাভ নকৰে।

**(ঙ) লক্ষ্য ভাষাৰ ব্যাকৰণৰ ব্যাখ্যাৰ অভাৱ ঃ**

ভাষা শিক্ষণৰ এই পদ্ধতিত ব্যাকৰণৰ নিয়মবোৰ প্ৰায়ে স্পষ্টভাৱে শিকোৱা নহয়, ইয়াৰ ফলত বিশেষকৈ জটিল ব্যাকৰণগত গাঁথনিৰ সন্মুখীন হ'লে শিক্ষাৰ্থীসকলে বিভ্ৰান্তিত পৰাৰ সম্ভাৱনা থাকে।

## ৩.৬ যোগাযোগমূলক ভাষা শিক্ষণ

১৯৭০-ৰ দশকত পৰম্পৰাগত ব্যাকৰণ-আধাৰিত পদ্ধতিৰ সঁহাৰি স্বৰূপে যোগাযোগমূলক ভাষা শিক্ষণ পদ্ধতিৰ উদ্ভৱ হয়। ই ভাষা শিকাৰ প্ৰাথমিক উপায় হিচাপে মুখস্থ কৰাৰ সলনি বাস্তৱ জীৱনৰ যোগাযোগ তথা বাৰ্তালাপৰ ওপৰত গুৰুত্ব দিয়ে। এই পদ্ধতি বা তত্বই শুদ্ধতাৰ তুলনাত সৰলতাক অগ্ৰাধিকাৰ দি শিক্ষাৰ্থীসকলক অৰ্থপূৰ্ণ প্ৰেক্ষাপটত ভাষা ব্যৱহাৰ কৰিবলৈ উৎসাহিত কৰে।

### ৩.৬.১ বৈশিষ্ট্য

ইতিমধ্যে উল্লেখ কৰা ধৰণে এই পদ্ধতিৰ প্ৰাথমিক লক্ষ্য হৈছে শিক্ষাৰ্থীসকলক কেৱল ব্যাকৰণৰ নিয়ম শিকোৱাৰ বিপৰীতে লক্ষ্য ভাষাত কাৰ্যকৰীভাৱে যোগাযোগ কৰিবলৈ সক্ষম কৰি তোলা হয়। শ্ৰব্য-ভাষ্য পদ্ধতিৰ বিপৰীতে এই ভাষিক পদ্ধতিটো শিক্ষাৰ্থী-কেন্দ্ৰিক পদ্ধতি। এই প্ৰক্ৰিয়াত শিক্ষাৰ্থীসকল শিক্ষণ প্ৰক্ৰিয়াত সক্ৰিয়ভাৱে জড়িত হৈ থাকে। তেওঁলোকৰ নিজৰ যোগাযোগৰ দায়িত্ব লয় আৰু অৰ্থ আলোচনা কৰে। এনে পদ্ধতিত শিক্ষণ সামগ্ৰীৰূপে বাতৰি কাকত, ভিডিঅ' আৰু কথোপকথনৰ দৰে বাস্তৱ জগতৰ পৰা সংগ্ৰহ কৰা সামগ্ৰী ব্যৱহাৰ কৰা হয় যাতে শিক্ষাৰ্থীসকলে বাস্তৱিক

ভাষা ব্যৱহাৰ ক্ষেত্ৰৰ সৈতে পৰিচিত হ'ব পাৰে। এইধৰণে শিক্ষাৰ্থীসকলে দৈনন্দিন জীৱনত সন্মুখীন হ'ব পৰা পৰিস্থিতিৰ ওপৰত ভিত্তি কৰি পাঠবোৰ গঠন কৰা বাবে ব্যাকৰণিক শুদ্ধতাৰ ওপৰত প্ৰথমাৱস্থাত অধিক গুৰুত্ব দিয়া নহয়। দ্বিতীয় ভাষা কথনৰ সময়ত মাজে মাজে ব্যাকৰণগত ত্ৰুটি হ'লেও সাৱলীলভাৱে যোগাযোগ কৰাৰ সামৰ্থ্যক এই পদ্ধতিত অগ্ৰাধিকাৰ দিয়া হয়। এই প্ৰক্ৰিয়াত শিক্ষকে প্ৰত্যক্ষভাৱে ছাত্ৰ-ছাত্ৰীক ভাষা শিকোৱাৰ বিপৰীতে মাৰ্গদৰ্শকৰূপে কাম কৰে। শিক্ষকে ভাষাৰ অৰ্থপূৰ্ণ প্ৰসংগ আৰু কাৰ্যকলাপক কেন্দ্ৰ কৰি শিক্ষাদান কৰে। এনে পদ্ধতিত শিকাৰুৱে মুখ্য ভূমিকা পালন কৰি দল বান্ধি কাৰ্য-কলাপৰ মাজেৰে ভাষা আহৰণৰ প্ৰতি আগবাঢ়ে বাবে এই ভাষা শিক্ষণ পদ্ধতিত দলীয় বা সামূহিক কাৰ্যকলাপে গুৰুত্ব লভি সহযোগিতামূলক শিক্ষণ সম্পন্ন হয়।

### ৩.৬.২ সুবিধাসমূহ

**(ক) ব্যৱহাৰিক যোগাযোগৰ ওপৰত গুৰুত্ব প্ৰদানঃ**

এই ভাষা শিক্ষণ পদ্ধতিয়ে বাস্তৱ পৰিস্থিতিত ভাষা ব্যৱহাৰৰ সামৰ্থ বিকাশ কৰাত অগ্ৰাধিকাৰ দিয়ে। দ্বিতীয় ভাষা একোটাৰ সৈতে সম্পৃক্ত হৈ থকা সূক্ষ্ম প্ৰসংগগত দিশসমূহ অনুধাৱন কৰি বিভিন্ন সামাজিক প্ৰেক্ষাপটত ব্যৱহাৰ কৰিব পৰাকৈ সাজু হোৱাৰ পোষকতা কৰে।

**(খ) সৰলতা ঃ**

এই পদ্ধতিত শিক্ষাৰ্থীসকলক ব্যাকৰণগত শুদ্ধতাৰ ওপৰত অত্যধিক গুৰুত্ব নিদিয়াকৈ কথা কোৱা আৰু শুনা পদ্ধতিৰে অনুশীলন কৰিবলৈ উৎসাহ যোগোৱা হয় বাবে যোগাযোগৰ স্বাভাৱিক প্ৰৱাহে গুৰুত্ব লাভ কৰে।

**(গ) শিক্ষাৰ্থী-কেন্দ্ৰিক শিক্ষা ঃ**

শিক্ষাৰ্থীৰ সক্ৰিয় অংশগ্ৰহণ আৰু বিচাৰ-বিবেচনাৰে নিজ নিজ ত্ৰুটী দূৰ কৰি ভাষা শিক্ষণত আগুৱাই যাবলৈ এই পদ্ধতিয়ে উদগনি দিয়ে।

**(ঘ) সাংস্কৃতিক সজাগতা ঃ**

এই ভাষা শিক্ষণ পদ্ধতিয়ে সাংস্কৃতিক দিশবোৰ পাঠৰ সৈতে একত্ৰিত কৰি শিক্ষাৰ্থীসকলক ইয়াৰ সামাজিক-সাংস্কৃতিক প্ৰেক্ষাপটৰ মাজেৰে লক্ষ্য ভাষা বুজাত সহায় কৰে।

**(ঙ) সামগ্ৰিক ভাষিক দক্ষতাৰ বিকাশ ঃ**

যোগাযোগমূলক কাৰ্যকলাপৰ জৰিয়তে ভাষা শিকাৰুৰ পঠন, লিখন, কথন আৰু শ্ৰৱণৰ দক্ষতাৰ সন্তুলিত বিকাশ সাধন কৰে।

### ৩.৬.৩ অসুবিধা

**(ক) ব্যাকৰণৰ অৱহেলা ঃ**

এই ভাষা শিক্ষণ পদ্ধতিয়ে ভাষা আহ্‌ৰণৰ যোগাযোগমূলক প্ৰসংগক অগ্ৰাধিকাৰ দিয়ে। কিন্তু যোগাযোগকেন্দ্ৰিক এনে পদ্ধতিয়ে ব্যাকৰণৰ প্ৰয়োজনীয় আৰু স্পষ্ট জ্ঞান প্ৰদান নকৰিব পাৰে, যাৰ ফলত শিক্ষাৰ্থীৰ বক্তব্যত ব্যাকৰণগত ভুল হৈ যোৱাৰ সম্ভাৱনা থাকে।

**(খ) নিম্ন-স্তৰৰ শিক্ষাৰ্থীসকলৰ বাবে প্ৰত্যাহ্বান ঃ**

সীমিত শব্দভাণ্ডাৰ আৰু ব্যাকৰণগত জ্ঞানৰ বাবে নতুন ছাত্ৰ-ছাত্ৰীয়ে যোগাযোগমূলক কাৰ্যকলাপত কাৰ্যকৰীভাৱে অংশগ্ৰহণ কৰিবলৈ কঠোৰ অনুশীলন কৰিবলগীয়া হ'ব পাৰে।

**(গ) ক্ৰুটি সংশোধনৰ সমস্যাসমূহ ঃ**

যোগাযোগমূলক পদ্ধতিৰে ভাষা শিক্ষণ কৰা শ্ৰেণীকোঠাত তাৎক্ষণিক ক্ৰুটি সংশোধন প্ৰত্যাহ্বানজনক হ'ব পাৰে, যাৰ ফলত শিক্ষাৰ্থীৰ ভাষা উৎপাদন সাৱলীল নহ'ব পাৰে।

**(ঘ) শিক্ষকৰ চাহিদাঃ**

এই শিক্ষণ পদ্ধতি সফল কৰি তুলিবলৈ দক্ষ শিক্ষকৰ প্ৰয়োজন যিয়ে কাৰ্যকৰী যোগাযোগৰ সুবিধা প্ৰদান কৰিব পাৰে। কৌশলী শিক্ষকৰ অভাৱে এই ভাষা শিক্ষণ পদ্ধতিলৈ সীমাবদ্ধতা কঢ়িয়াই আনিব পাৰে।

**আত্মমূল্যায়ন প্ৰশ্ন**

যোগাযোগমূলক ভাষা শিক্ষণৰ বৈশিষ্ট্য আৰু ইয়াৰ সুবিধা অসুবিধাৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.........................................................................................................

.........................................................................................................

.........................................................................................................

.........................................................................................................

## ৩.৭ কাৰ্য-আধাৰিত ভাষা শিক্ষণ

এই পদ্ধতিত ভাষা শিক্ষণৰ বাবে বাস্তৱ জীৱনৰ প্ৰকৃত কামত দ্বিতীয় ভাষা ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। ইয়াৰ বাবে বিশেষকৈ সাঁথৰৰ সমাধান, মানচিত্ৰ অধ্যয়ন আৰু নিৰ্দেশনা দিয়া, টেলিফোনত কথা পতা, চিঠি লিখা, নিৰ্দেশনাৱলীৰ এটা

অংশ পঢ়াৰ দৰে বাস্তৱিক কাৰ্যকলাপক প্ৰাধান্য দিয়া হয়। ভাষা উৎপাদনৰ পাছতে ভাষা আহৰণৰ মূল্যাঙ্কন কৰা হয়। এই যোগাযোগ প্ৰক্ৰিয়াৰ মাজেৰে দ্বিতীয় ভাষা একোটা আহৰিত হয়।

### ৩.৭.১ বৈশিষ্ট্য

এই ভাষা শিক্ষণ পদ্ধতিত শিক্ষাৰ্থীসকলক বাস্তৱিক পৰিস্থিতিৰ আধাৰত ভাষা অনুকৰণ কৰাৰ বাবে প্ৰস্তুত কৰা হয়, যাৰ ফলত শিক্ষাৰ্থীসকলে বাস্তৱ জীৱনৰ পৰিস্থিতিৰ সৈতে নিকটভাৱে সাদৃশ্য থকা বিষয়সমূহৰহে ভাষা অনুশীলন কৰিব পাৰে। মন কৰিবলগীয়া কথাটো হ'ল যে এইপ্ৰকাৰৰ ভাষা শিক্ষণ পদ্ধতিৰ প্ৰাথমিক লক্ষ্য হৈছে সফলতাৰে যোগাযোগ সাধন কৰা। ইয়াৰ বাবে লক্ষ্য ভাষাৰ জৰিয়তে কাৰ্যকৰীভাৱে যোগাযোগ কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হয়। ওপৰত আলোচিত ভাষা আহৰণৰ পদ্ধতিসমূহৰ দৰে এই পদ্ধতিতো কেৱল ব্যাকৰণৰ শুদ্ধতাৰ ওপৰত গুৰুত্ব দিয়াৰ পৰিৱৰ্তে যোগাযোগ কাৰ্য সফলতাৰে সম্পূৰ্ণ হৈছেনে নে নাই তাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। এই পদ্ধতিত ভাষা শিক্ষণৰ মূল লক্ষ্য হ'ল বাস্তৱিক জগতত যোগাযোগৰ সময়ত সৃষ্ট হ'ব পৰা প্ৰত্যাহ্বানসমূহ মোকাবিলা কৰিব পৰাকৈ শিকাৰুক সাজু কৰি তোলা।

### ৩.৭.২ সুবিধাসমূহ

**(ক) সক্ৰিয় শিক্ষণ ঃ**

শিক্ষাৰ্থীসকল কাম সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত সক্ৰিয়ভাৱে জড়িত কৰাই ৰাখি তেওঁলোকৰ অংশগ্ৰহণ আৰু ব্যস্ততা বৃদ্ধি কৰা হয়।

**(খ) যোগাযোগৰ গুৰুত্ব ঃ**

বাৰ্তালাপ আৰু অৰ্থৰ উদ্ধাৰৰ জৰিয়তে যোগাযোগ দক্ষতাৰ ওপৰত গুৰুত্ব দিয়া হয়।

**(গ) চিন্তা দক্ষতাৰ বিকাশ ঃ**

কামবোৰৰ বাবে প্ৰায়ে সমালোচনামূলক চিন্তা, বিশ্লেষণ আৰু সমস্যা সমাধানৰ দক্ষতাৰ প্ৰয়োজন হয়।

**(ঘ) সহযোগিতা আৰু দলবদ্ধ কাম ঃ**

ভাষা শিক্ষণৰ দলীয় কৰ্মবোৰে শিক্ষাৰ্থীসকলৰ মাজত সহযোগিতা আৰু বাৰ্তালাপক উৎসাহিত কৰে।

**(ঙ) সাৱলীলতাৰ বিকাশ ঃ**

সঘনাই কৰা যোগাযোগৰ অনুশীলনে শিকাৰুক লক্ষ্য ভাষাত সাৱলীলতা প্ৰদান কৰে।

### ৩.৭.৩ অসুবিধা

**(ক) বিশেষভাৱে প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ ভূমিকাঃ**

ভাষা শিক্ষণৰ এই পদ্ধতিত বিভিন্ন শিক্ষাৰ্থীৰ বাবে ভিন ভিন অৰ্থপূৰ্ণ আৰু যথোপযুক্ত কথোপকথনৰ পৰিৱেশ সৃষ্টি কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লগা হয় বাবে ভাষা শিক্ষণৰ এই পদ্ধতিত অধিক প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ প্ৰয়োজন হয়।

**(খ) নিম্ন-স্তৰৰ শিক্ষাৰ্থীসকলৰ বাবে প্ৰত্যাহ্বান ঃ**

ব্যাকৰণগত শুদ্ধতাৰ বিপৰীতে সাৱলীল যোগাযোগৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিলেও লক্ষ্যভাষাত কথোপকথন একোটা প্ৰাসংগিকৰূপে বৰ্তাই ৰাখিবলৈ যি পৰিমাণৰ শব্দভাণ্ডাৰ আৰু ব্যাকৰণ জ্ঞানৰ প্ৰয়োজন সেয়া নতুনকৈ দ্বিতীয় ভাষা শিকিবলৈ আৰম্ভ কৰা শিক্ষাৰ্থীৰ সাধাৰণতে নাথাকে। সেয়ে নিম্ন-স্তৰৰ শিক্ষাৰ্থীসকলে দ্বিতীয় ভাষা আহৰণৰ বাবে অধিক অনুশীলন কৰিবলগীয়া হয়।

**(গ) মূল্যায়নৰ অসুবিধাসমূহ ঃ**

কাৰ্য-আধাৰিত ভাষা শিক্ষণত শিক্ষাৰ্থীৰ প্ৰগতি মূল্যাঙ্কন প্ৰক্ৰিয়াটো জটিল হ'ব পাৰে, কিয়নো ইয়াত প্ৰায়ে কেৱল ব্যাকৰণগত শুদ্ধতাৰ সলনি যোগাযোগমূলক দক্ষতাক মূল্যাঙ্কনৰ বাবে বিচাৰ কৰা হয়। এনেধৰণৰ মূল্যাঙ্কনৰ মাপকাঠী নিৰ্ণয় কৰাটো কঠিন।

**(ঘ) ভাষাৰ গাঁথনিগত জ্ঞানৰ অভাৱ ঃ**

গাঁথনিক জ্ঞানৰ অভাৱৰ ফলত পৰম্পৰাগত শিক্ষকৰ দ্বাৰা পৰিচালিত পাঠত অভ্যস্ত শিক্ষাৰ্থীয়ে নিজকে নতুন ভাষা শিক্ষণৰ পৰিৱেশত আচহুৱা অনুভৱ কৰিব পাৰে। তদুপৰি এনেধৰণৰ ভাষা শিক্ষণ পদ্ধতিয়ে দ্বিতীয় ভাষাৰ সকলো প্ৰয়োজনীয় ভাষাৰ গাঁথনি সামৰি ল'ব নোৱাৰিবও পাৰে।

**আত্মমূল্যায়ন প্ৰশ্ন**

কাৰ্য আধাৰিত ভাষা পদ্ধতি সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰক (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

### ৩.৮ সামগ্ৰিক ভাষাৰ দৃষ্টিভংগী

সামগ্ৰিক ভাষাৰ দৃষ্টিভংগী ভাষাৰ স্বাভাৱিক প্ৰক্ৰিয়া পঠন আৰু লিখনৰ ওপৰত গুৰুত্ব আৰোপ কৰা এক প্ৰকাৰৰ শৈক্ষিক দৰ্শন। ১৯৭০ আৰু১৯৮০-ৰ দশকত

পৰম্পৰাগত, ব্যাকৰণ আধাৰিত পদ্ধতিৰ বিপৰীতে এই পদ্ধতিৰ বিকাশ হয়। এই পদ্ধতিয়ে প্ৰসংগ, অৰ্থ আৰু ভাষিক দক্ষতাৰ আন্তঃসংযোগৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। ব্যাকৰণ আৰু শব্দভাণ্ডাৰৰ দৰে বিষয়বোৰক পৃথক কৰাৰ সলনি সম্পূৰ্ণ ভাষাৰ নিৰ্দেশনাই শিক্ষাৰ্থীসকলক বাস্তৱিক পাঠৰ সৈতে জড়িত হ'বলৈ, বোধগম্যতা, সৃজনশীলতা আৰু সাক্ষৰতাৰ প্ৰতি আগ্ৰহী হ'বলৈ উৎসাহিত কৰে। এই পদ্ধতিয়ে বাস্তৱ পৃথিৱীৰ অভিজ্ঞতা আৰু সামাজিক আদান-প্ৰদানত নিয়োজিত হ'লেহে ভাষা শিক্ষণ সম্ভৱ হয় বুলি ধাৰণা প্ৰদান কৰে। ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ সংজ্ঞানাত্মক বিকাশো সাধন হয়।

### ৩.৮.১ বৈশিষ্ট্য

এই পদ্ধতিয়ে ভাষা আহৰণৰ কেৱল এটা দিশৰ ওপৰত গুৰুত্ব দিয়াৰ পৰিৱৰ্তে সামগ্ৰিকভাৱে ভাষা শিকোৱাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। সেয়েহে ব্যাকৰণ আৰু শব্দভাণ্ডাৰৰ দৰে ভাষাৰ পৃথক পৃথক দক্ষতাক ভাষা আহৰণৰ মাপকাঠীৰূপে গণ্য কৰা নহয়। এই দৃষ্টিভংগীয়ে ভাষাৰ সকলো দিশ একত্ৰিত আৰু আন্তঃসংযোগপূৰ্ণ বুলি বিবেচনা কৰে। তদুপৰি এই ভাষা শিক্ষণ ব্যৱস্থাৰ প্ৰাথমিক গুৰুত্ব হৈছে পাঠৰ সামগ্ৰিক অৰ্থ বুজা আৰু কেৱল ব্যক্তিগত শব্দৰ অৰ্থোদ্ধাৰ কৰাৰ সলনি বক্তব্যৰ সামগ্ৰিক প্ৰসংগ, পূৰ্বজ্ঞান আৰু দৃশ্যমান সংকেতৰ জৰিয়তে অৰ্থ নিৰ্মাণ কৰা। শিক্ষাৰ্থীসকলক বাস্তৱিক ভাষাৰ ব্যৱহাৰৰ সন্মুখীন কৰাবলৈ সাহিত্য, বাতৰি কাকত আৰু ব্যক্তিগত পত্ৰৰ দৰে বাস্তৱ জগতৰ পৰা সংগ্ৰহ কৰা ভাষিক উপাদান ব্যৱহাৰ কৰে। ভাষা শিক্ষণৰ এই শিক্ষাৰ্থী-কেন্দ্ৰিক শিক্ষা ব্যৱস্থাই শিক্ষাৰ্থীসকলক পাঠৰ বিষয়ে তেওঁলোকৰ নিজা বোধগম্যতা অন্বেষণ, প্ৰশ্ন আৰু অৰ্থ-নিৰ্মাণ কৰিবলৈ উৎসাহিত কৰি ভাষা শিক্ষণ প্ৰক্ৰিয়াত সক্ৰিয় অংশগ্ৰহণ কৰিবলৈ উদগনি যোগায়। লগতে ভাষা শিকাৰ সামাজিক দিশবোৰক মূল্য দি যোগাযোগ দক্ষতা বৃদ্ধিৰ বাবে সহযোগিতামূলক কাৰ্যকলাপ আৰু আলোচনাৰ ওপৰত গুৰুত্ব দিয়ে।

### ৩.৮.২ সুবিধাসমূহ

**(ক) দ্বিতীয় ভাষাৰ সামগ্ৰিক দক্ষতাৰ ওপৰত গুৰুত্ব ঃ**

শিক্ষাৰ্থীসকলক ভাষাৰ সকলো দিশ 'পঢ়া, লিখা, কোৱা, শুনা' একেলগে ব্যৱহাৰ কৰি স্বাভাৱিক ভাষা আহৰণ কৰিবলৈ উৎসাহিত কৰে।

**(খ) অৰ্থপূৰ্ণ প্ৰসংগ ঃ**

বাস্তৱ জীৱনৰ ভাষিক পৰিস্থিতিৰ ওপৰত গুৰুত্ব দিয়াৰ ফলত শিক্ষাৰ্থীসকলে তেওঁলোকৰ নিজৰ বাস্তৱ জীৱনৰ অভিজ্ঞতা আৰু বোধগম্যতাৰে লক্ষ্য ভাষাৰ সৈতে সংযোগ স্থাপন কৰিব পাৰে।

**(গ) শিক্ষাৰ্থী-কেন্দ্ৰিক শিক্ষা ঃ**

শিক্ষাৰ্থী বা শিকাৰুৰ সক্ৰিয় অংশগ্ৰহণ আৰু ব্যক্তিগত অভিব্যক্তিক উদগনি দি দ্বিতীয় ভাষা শিক্ষণ প্ৰক্ৰিয়াত শিক্ষাৰ্থীৰ ব্যক্তিগত ধাৰণা আৰু দৃষ্টিভংগীত উদগনি দিয়ে।

**(ঘ) লিখাৰ দক্ষতা বিকাশ ঃ**

ভাষা শিক্ষণৰ এই পদ্ধতিয়ে দ্বিতীয় ভাষাত লিখাৰ অনুশীলনৰ বাবে পৰ্যাপ্ত সুযোগ প্ৰদান কৰে। শিক্ষাৰ্থীসকলক লিখিত ভাষাৰ জৰিয়তে নিজৰ অভিব্যক্তি প্ৰকাশ কৰাৰ সমান্তৰালভাৱে সৰলতা আৰু আত্মবিশ্বাস বিকাশ কৰাত সহায় কৰে।

**(ঙ)শব্দভাণ্ডাৰ বিকাশ ঃ**

বিভিন্ন ধৰণৰ গ্ৰন্থ আৰু প্ৰসংগৰ সংস্পৰ্শলৈ অহাৰ ফলত শিকাৰুৰ মনত দ্বিতীয় ভাষাৰ পঠন আৰু সাহিত্যৰ প্ৰতি একধৰণৰ সদৰ্থক ভাৱৰ সৃষ্টি কৰাৰ লগতে শব্দভাণ্ডাৰৰ জ্ঞান সম্প্ৰসাৰিত কৰে।

### ৩.৮.৩ অসুবিধা

**(ক) সীমিত ধ্বনিজ্ঞানৰ নিৰ্দেশনা ঃ**

এই পদ্ধতিয়ে প্ৰায়ে স্পষ্ট ধ্বনিজ্ঞানৰ শিক্ষাতকৈ অৰ্থ নিৰ্মাণক অগ্ৰাধিকাৰ দিয়ে। ইয়াৰ ফলত শিক্ষাৰ্থীসকল অচিনাকি, জটিল বা অনিয়মীয়া বানানৰ আদি আহৰণ কৰোঁতে সমস্যাৰ সন্মুখীন হ'ব পাৰে।

**(খ) শিক্ষকৰ ওপৰত নিৰ্ভৰশীলতা ঃ**

সামগ্ৰিক ভাষাৰ কাৰ্যকৰী ৰূপায়ণৰ বাবে ভাষাৰ অভিজ্ঞতাপুষ্ট দক্ষ শিক্ষকৰ প্ৰয়োজন যিয়ে অৰ্থ নিৰ্মাণত শিক্ষাৰ্থীসকলক সহায় কৰিব পাৰে।

(গ) দ্বিতীয় ভাষাৰ দক্ষতাৰ মূল্যাংকন প্ৰত্যাহ্বানজনক হ'ব পাৰে।

### ৩.৯ সমল-আধাৰিত ভাষা শিক্ষণ

সমল আধাৰিত ভাষা শিক্ষণ পদ্ধতিয়ে ভাষাৰ নিৰ্দেশনাক বিভিন্ন বিষয়ৰ সমল যেনে-বিজ্ঞান বা সাহিত্যৰ সমলৰ সৈতে একত্ৰিত কৰে। ১৯৮০ ৰ দশকত এই পদ্ধতি বিকশিত হয়। শিক্ষাৰ্থীসকলে অৰ্থপূৰ্ণ সমলৰ সৈতে ভাষা শিকিলে ভাষা শিক্ষণ অধিক কাৰ্যকৰী হয় বুলি সমল আধাৰিত ভাষা শিক্ষণ পদ্ধতিয়ে মানি লয়। এই পদ্ধতিয়ে বিষয়বস্তুৰ প্ৰাসংগিকতাৰ ওপৰত গুৰুত্ব দিয়াৰ লগতে প্ৰাসংগিক কথোপকথনৰ জৰিয়তে ভাষিক দক্ষতা বৃদ্ধি কৰে। ইয়াৰ উপৰিও এই পদ্ধতিয়ে সমালোচনামূলক চিন্তা, সহযোগিতা, আৰু বাস্তৱ পৃথিৱীৰ প্ৰয়োগক উৎসাহিত কৰে। এই পদ্ধতিয়ে ভাষাৰ দক্ষতা বৃদ্ধি কৰাৰ সমান্তৰালভাৱে বিষয়ৰ জ্ঞানো বিকাশ ঘটায়।

### ৩.৯.১ বৈশিষ্ট্য

দ্বিতীয় ভাষা শিক্ষণৰ এই পদ্ধতিত বিজ্ঞান, ইতিহাস বা কলাৰ দৰে বিষয়বস্তুৰ জৰিয়তে ভাষা শিকোৱা হয়। শিক্ষাৰ্থীসকলে আকৰ্ষণীয়, প্ৰাসঙ্গিক প্ৰসংগৰ জৰিয়তে ভাষা আয়ত্ব কৰে। এই পদ্ধতিত প্ৰায়ে দলীয় কথোপকথন বা প্ৰকল্প-আধাৰিত শিক্ষণ অন্তৰ্ভুক্ত থাকে।

### ৩.৯.২ সুবিধাসমূহ

(ক) আন বিষয়ত জ্ঞান আহৰণৰ সমান্তৰালভাৱে দ্বিতীয় ভাষা একোটা শিক্ষণৰ ধাৰণাক সমৰ্থন কৰে।

(খ) অৰ্থপূৰ্ণ সমলৰ সৈতে শিক্ষাৰ্থীসকলক দ্বিতীয় ভাষা শিক্ষণত নিয়োজিত কৰা হয়।

### ৩.৯.৩ অসুবিধা

(ক) এই পদ্ধতি ফলপ্ৰসূ হ'বলৈ ভাষা আৰু বিষয় দুয়োটা দিশতে জ্ঞান থকা প্ৰশিক্ষকৰ প্ৰয়োজন।

(খ) বিষয়ত আগ্ৰহ নথকা কেৱল ব্যৱহাৰিক প্ৰয়োজনত দ্বিতীয় ভাষা শিকিবলৈ আগ্ৰহ প্ৰকাশ কৰা শিক্ষাৰ্থীসকলৰ বাবে ভাষা শিক্ষণৰ এই পদ্ধতি কিছুপৰিমাণে প্ৰত্যাহ্বানজনক হ'ব পাৰে।

## ৩.১০ সামাজিক-সাংস্কৃতিক তত্ত্ব

ভাষা শিক্ষণৰ এই তত্ত্ব ভাইগটস্কিৰ (Vygotsky) সামাজিক-সাংস্কৃতিক তত্ত্বৰ ওপৰত আধাৰিত। এই পদ্ধতিয়ে ভাষা আহৰণত সামাজিক আদান-প্ৰদান আৰু সাংস্কৃতিক প্ৰেক্ষাপটৰ ভূমিকাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বিংশ শতিকাৰ শেষৰফালেএই পদ্ধতি বিকশিত হয়। ভাষা শিক্ষণৰ এই তত্ত্ব অনুসৰি সামাজিক পৰিকাঠামোৰ ভিতৰত অৰ্থপূৰ্ণ যোগাযোগৰ জৰিয়তেহে ভাষা শিক্ষণ কাৰ্য সম্ভৱপৰ হয়। এই পদ্ধতিয়ে ভাষাৰ সৈতে ভাষা-ব্যৱহাৰকাৰীৰ সামাজিক আৰু সাংস্কৃতিক পৰিচয় বা পটভূমিৰ আন্তঃসম্পৰ্কক স্বীকাৰ কৰি লক্ষ্য ভাষাৰ শিক্ষণ এনে পৰিচয়ৰ অনুকুল হ'ব লাগে বুলি সমৰ্থন কৰে। জ্ঞানৰ বিকাশৰ বাবে ভাষাক এক সঁজুলি হিচাপে ব্যৱহাৰ কৰাৰ পোষকতা কৰা এই পদ্ধতিয়ে শিক্ষাৰ্থীক লক্ষ্য ভাষা আহৰণ কৰিবলৈ অনুপ্ৰেৰণা আৰু উৎসাহ যোগায়।

### ৩.১০.১ বৈশিষ্ট্য

ভাষা শিক্ষণৰ এই পদ্ধতি সহযোগিতামুলক। লক্ষ্য ভাষা শিক্ষণৰ বাবে সমবেত হোৱা শিক্ষাৰ্থীসকলে ইজনে-সিজনৰ সৈতে বাৰ্তালাপৰ জৰিয়তে ভাষা শিকা কাৰ্য

আগুৱাই নিয়ে। ভাষাৰ সামাজিক আৰু সাংস্কৃতিক দিশবোৰ দ্বিতীয় ভাষা শিক্ষণৰ পাঠসমূহত অন্তৰ্ভুক্ত কৰা হয় বাবে এই শিক্ষণ পদ্ধতিৰ সাংস্কৃতিক প্ৰাসংগিকতাও লক্ষ্য কৰিব পাৰি। শিক্ষাৰ্থীসকলক ক্ৰমান্বয়ে সৰলৰ পৰা জটিল কামত লিপ্ত হোৱাৰ বাবে শিক্ষকসকলে উৎসাহ প্ৰদান কৰে।

### ৩.১০.২ সুবিধাসমূহ

(ক) ভাষাৰ সামাজিক প্ৰকৃতিক স্বীকাৰ কৰে।

(খ) সমালোচনামূলক চিন্তা আৰু সহযোগিতাৰ দক্ষতা বিকাশ কৰে।

### ৩.১০.৩ অসুবিধা

(ক) স্ব- অধ্যয়ন পছন্দ কৰা শিক্ষাৰ্থীসকলৰ বাবে প্ৰত্যাহ্বানজনক হ'ব পাৰে।

(খ) ভাষাৰ সামাজিক-সাংস্কৃতিক প্ৰসংগসমূহ অনুধাৱন কৰিব পৰা দক্ষ শিক্ষকৰ প্ৰয়োজন হোৱা বাবে সকলো সময়তে এই শিক্ষণ পদ্ধতি প্ৰয়োগ কৰিব নোৱাৰি।

## ৩.১১ সাৰাংশ (Summing Up)

ভাষা শিক্ষণৰ প্ৰতিটো পদ্ধতিয়ে ভাষা শিক্ষণৰ ভিন ভিন দৃষ্টিভংগী প্ৰদান কৰে। এই ভিন ভিন দৃষ্টিভংগীসমূহে দ্বিতীয় ভাষা শিক্ষণৰ ভিন ভিন উদ্দেশ্যসমূহ পূৰণ কৰাৰ বাবে ভিন ভিন ধৰণে ভিন ভিন কাৰ্যকাৰিতা প্ৰদৰ্শন কৰে। ইয়াৰ মাজতে বহুতো শিক্ষাবিদে এক মিশ্ৰিত পদ্ধতি গ্ৰহণ কৰি বিভিন্ন শিক্ষাৰ্থীৰ প্ৰয়োজনীয়তা, পছন্দ আৰু প্ৰসংগবোৰ বিচাৰি উলিয়াবৰ বাবে একাধিক পদ্ধতি মিশ্ৰিত কৰে। তদুপৰি এই পদ্ধতিবোৰৰ বাছনিৰ অন্তৰালত ভাষা শিকাৰ এক ফলপ্ৰসূ পৰিৱেশ সৃষ্টি কৰাৰ বাবে শিক্ষাৰ্থীৰ বয়স, ভাষাৰ দক্ষতা, আৰু নিৰ্দিষ্ট লক্ষ্যৰ দৰে কাৰকবোৰ বিবেচনা কৰা উচিত। নিয়মীয়া অনুশীলন, সাংস্কৃতিক অনুধাৱন আৰু অনুপ্ৰেৰণা বজাই ৰখাটো এটা নতুন ভাষা আহৰণৰ মূল চালিকা শক্তি। ওপৰত আলোচিত পদ্ধতিবোৰ গ্ৰহণ কৰি আৰু সেইবোৰক ব্যক্তিগত শিক্ষণ শৈলীৰ সৈতে খাপ খুৱাই যিকোনো লোকে সফলতাৰে এটা নতুন ভাষা শিকিব পাৰে আৰু বিশ্বব্যাপী যোগাযোগ আৰু সাংস্কৃতিক বিনিময়ৰ দুৱাৰ মুকলি কৰিব পাৰে।

## ৩.১২ আৰ্হি প্ৰশ্ন (Sample Questions)

১) ভাষা শিক্ষণ পদ্ধতিৰ বিষয়ে এটি বিশ্লেষণ আগবঢ়াওক।

২) ভাষা শিক্ষণ পদ্ধতিসমূহৰ বিষয়ে আলোচনা কৰি ইয়াৰ বৈশিষ্ট্যসমূহৰ বিচাৰ কৰক।

৩) ব্যাকৰণ-অনুবাদ পদ্ধতিৰ সুবিধা আৰু অসুবিধা সামৰি এক প্ৰবন্ধ যুগুত কৰক।

৪) দ্বিতীয় ভাষা শিক্ষণৰ প্ৰত্যক্ষ পদ্ধতিৰ সুবিধা আৰু অসুবিধা সামৰি এক প্ৰবন্ধ যুগুত কৰক।

৫) ভাষা শিক্ষণত শিক্ষকৰ ভূমিকা মূল্যায়ন কৰক।

### ৩.১৩ প্ৰসংগ গ্ৰন্থ (Reference/Suggested Readings)

দত্তবৰুৱা, ফণীন্দ্ৰ নাৰায়ণ। *প্ৰয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা।* বিশাল প্ৰকাশন, ২০১৭। মুদ্ৰিত।

মহন্ত, দীপামণি হালৈ। *ভাষা সাহিত্য জিজ্ঞাসা।* সম্প্ৰীতি, ২০২২। মুদ্ৰিত।

Ahmadian, Mohammad Javed and Long, Michael H. (Ed.). Task-Based Language Teaching. 2021.Print.

Freeman, Diane Larsen. Techniques and Principles in Language Teaching. Oxford University Press. 1986. Print.

Long, Michael H. and Doughty, Catherine J. (Ed.). The Handbook of Language Teaching. Wiley-Blackwel. 2011. Print.

Nation, I.S.P. The Twenty Most Effective Language Teaching Techniques. Routledge. 2024. Print.

Richards, Jack C. and Rodgers, Theodore S. (Ed.). Approaches and Methods in Language Teaching. Cambridge University Press. Cambridge University Press. 2014. Print.

*****

# চতুৰ্থ বিভাগ
# ভাষা শিক্ষণত বৰ্ণনাত্মক, সমাজ ভাষাবিজ্ঞান আৰু মনঃস্তাত্ত্বিক ভাষাবিজ্ঞানৰ জ্ঞানৰ প্ৰয়োগ

**বিভাগৰ গঠনঃ**


৪.১ ভূমিকা (Introduction)

৪.২ উদ্দেশ্য (Objectives)

৪.৩ বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ পৰিচয়

  ৪.৩.১ ভাষা শিক্ষণত বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ প্ৰয়োজনীয়তা

  ৪.৩.২ ভাষা শিক্ষণত বৰ্ণনামূলক ভাষাবিজ্ঞানৰ প্ৰয়োগ

  ৪.৩.৩ ভাষা শিক্ষণ আৰু বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ মাজৰ সম্বন্ধ

৪.৪ সমাজভাষাবিজ্ঞানৰ পৰিচয়

  ৪.৪.১ ভাষা শিক্ষণত সমাজভাষাবিজ্ঞানৰ প্ৰয়োজনীয়তা

  ৪.৪.২ সমাজভাষাবিজ্ঞান আৰু ভাষা শিক্ষণৰ মাজৰ সম্বন্ধ

৪.৫ মনোভাষাবিজ্ঞানৰ পৰিচয়

  ৪.৫.১ ভাষা শিক্ষণত মনোভাষাবিজ্ঞানৰ প্ৰয়োজনীয়তা

  ৪.৫.২ ভাষা শিক্ষণ আৰু মনোভাষাবিজ্ঞানৰ মাজৰ সম্পৰ্ক

৪.৬ সাৰাংশ (Summing Up)

৪.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

৪.৮ প্ৰসংগ গ্ৰন্থ (Reference/Suggested Readings)


## ৪.১ ভূমিকা (Introduction)

ভাষা শিক্ষণৰ সৈতে বৰ্ণনাত্মক, সমাজ-ভাষাবিজ্ঞান আৰু মনোভাষাবিজ্ঞানৰ বিশেষ সম্পৰ্ক আছে। ভাষা শিক্ষণৰ ক্ষেত্ৰত এই শাখাসমূহে বিভিন্ন ধৰণে প্ৰভাৱ পেলায়। বৰ্ণনামূলক ভাষাবিজ্ঞানে ভাষাৰ সময় বিশেষৰ স্বৰূপ সম্পৰ্কে অধ্যয়ন কৰে। আনহাতে সমাজভাষাবিজ্ঞানে ভাষা আৰু সমাজৰ মাজৰ সম্পৰ্ক পৰীক্ষা কৰে আৰু মনোভাষাবিজ্ঞানে ভাষা আহৰণ আৰু ব্যৱহাৰৰ সৈতে জড়িত মানসিক প্ৰক্ৰিয়াসমূহৰ বিষয়ে অধ্যয়ন কৰে। এই গোটত ভাষা শিক্ষণৰ সৈতে সমাজভাষা বিজ্ঞান, বৰ্ণনাত্মক ভাষাবিজ্ঞান আৰু মনোভাষাবিজ্ঞানৰ সম্পৰ্ক আৰু প্ৰয়োগৰ বিষয়ে আলোকপাত কৰা হৈছে।

## ৪.২ উদ্দেশ্য (Objectives)

এই বিভাগটো অধ্যয়ন কৰাৰ অন্তত আপোনালোক—

- ভাষা শিক্ষণ আৰু বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ সম্পৰ্ক বিচাৰ কৰিব পাৰিব;

- ভাষা শিক্ষণৰ ক্ষেত্ৰত সমাজভাষাবিজ্ঞানৰ জ্ঞানৰ প্ৰয়োজনীয়তা সম্পৰ্কে বিচাৰ কৰিব পাৰিব;
- সমাজভাষাবিজ্ঞান আৰু ভাষা শিক্ষণৰ সম্পৰ্ক বিচাৰ কৰিব পাৰিব;
  - ভাষা শিক্ষণৰ ক্ষেত্ৰত মনোভাষাবিজ্ঞান আৰু ভাষা শিক্ষণৰ প্ৰয়োজনীয়তা সম্পৰ্কে জানিব পাৰিব;
  - ভাষা শিক্ষণ আৰু মনোভাষাবিজ্ঞানৰ সম্পৰ্ক বিচাৰ কৰিব পাৰিব।

## ৪.৩ বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ পৰিচয়

বৰ্ণনাত্মক ভাষাবিজ্ঞান ভাষাবিজ্ঞানৰ এক অন্যতম শাখা। এই শাখাই ভাষাৰ গঠন বা ৰূপৰ বিজ্ঞানসন্মত অধ্যয়নৰ পোষকতা কৰে। ভাষাবিজ্ঞানৰ এই শাখাই কোনো পূৰ্বধাৰণা আৰোপ নকৰাকৈ কোনো এটা ভাষিক সম্প্ৰদায়ৰ দ্বাৰা বস্তুনিষ্ঠভাৱে বিশ্লেষণ আৰু বৰ্ণনা কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বৰ্ণনাত্মক ভাষাবিজ্ঞানে ভাষাৰ নিয়ম নিৰ্ধাৰণ কৰা, ইয়াৰ শুদ্ধতা-অশুদ্ধতা বিচাৰ কৰাৰ সলনি ভাষাৰ যি মূল ৰূপ বা পৰম্পৰাগত ৰূপ সেই ৰূপকেই আয়ত্ব কৰাৰ প্ৰতিহে গুৰুত্ব প্ৰদান কৰে। ইয়াৰ উপৰিও ভাষাবিজ্ঞানৰ এই শাখাই মানৱ ভাষাৰ বৈচিত্ৰ্য আৰু জটিলতা বুজাৰ ক্ষেত্ৰত এক ভেটি হিচাপে কাম কৰে। ইয়াৰ সহায়ত ভাষাৰ নথিপত্ৰ, ভাষা শিকা আৰু ভাষা-প্ৰযুক্তি বিকশিত কৰিব পাৰি।

### ৪.৩.১ ভাষা শিক্ষণত বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ প্ৰয়োজনীয়তা

ভাষা শিক্ষণৰ ক্ষেত্ৰত বৰ্ণনামূলক ভাষাবিজ্ঞান অতিকৈ গুৰুত্বপূৰ্ণ কিয়নো ই মানুহৰ স্বাভাৱিক ভাষাৰ বিষয়ে বিতং আৰু বস্তুনিষ্ঠ বিশ্লেষণ আগবঢ়ায়। ইয়াৰ দ্বাৰা শিক্ষকসকলে ভাষাৰ মূল বৈশিষ্ট্য আৰু গাঁথনিবোৰ সঠিকভাৱে চিনাক্তকৰণৰ জৰিয়তে কাৰ্যকৰী ভাষা শিক্ষণ সামগ্ৰী আৰু শিক্ষণ পদ্ধতিৰ আৰ্হি ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰস্তুত কৰাত সহায় কৰে। তদুপৰি এই পদ্ধতিয়ে শিক্ষাৰ্থীসকলক প্ৰয়োগিক ভাষাৰ আৰ্হি আৰু ব্যৱহাৰৰ সৈতে পৰিচিত হোৱাত সহায় কৰিব পাৰে।

**(ক) সঠিক কথনৰ ওপৰত গুৰুত্ব ঃ**

বৰ্ণনামূলক ভাষাবিজ্ঞানে কথিত ভাষাৰ বিশ্লেষণৰ ওপৰত গুৰুত্ব দিয়ে। অৰ্থাৎ ভাষাৰ গঠন আৰু ব্যৱহাৰ সম্পৰ্কে ছাত্ৰ-ছাত্ৰীক অৱগত কৰায়। ইয়াৰ কাৰণে শিক্ষকসকলে ভাষাৰ মান্য ৰূপৰ সলনি সচৰাচৰ দৈনন্দিন জীৱনত বা বাস্তৱ জীৱনত ব্যৱহৃত ভাষাক আধাৰ হিচাপে গ্ৰহণ কৰিব পাৰে।

**(খ) ভাষিক তাৰতম্য বুজাত সহায় কৰে ঃ**

বৰ্ণনাত্মক ভাষাবিজ্ঞানে ভাষাৰ বিভিন্ন আঞ্চলিক ৰূপ তথা উপভাষাসমূহৰ বিষয়ে অধ্যয়ন কৰি শিক্ষাৰ্থীৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকৰ শিক্ষাদানৰ সৈতে

খাপ খাব পৰা দিশবোৰ শিক্ষকসকলক সূক্ষ্মভাৱে বুজাত সহায় কৰিব পাৰে আৰু এই জ্ঞানবোৰ ছাত্ৰ-ছাত্ৰীৰ বাবেও ফলপ্ৰসূ হিচাপে বিবেচিত হ'ব পাৰে। ।

**(গ) পাঠ্যক্ৰম প্ৰস্তুতকৰণত সহায় কৰে ঃ**

বৰ্ণনামূলক ভাষাবিজ্ঞানৰ জ্ঞানে শিক্ষকসকলক ভাষাৰ ব্যাকৰণগত গাঁথনি, শব্দভাণ্ডাৰ আৰু উচ্চাৰণৰ আৰ্হি চিনাক্ত কৰি ছাত্ৰ-ছাত্ৰীৰ বাবে উপযোগী ভাষা শিক্ষণৰ আৰ্হি পাঠ্যক্ৰম প্ৰস্তুত কৰাত সহায় কৰে।

**(ঘ) ভৌতিক শিক্ষণ সামগ্ৰীৰ বিকাশ ঃ**

বৰ্ণনামূলক ভাষাবিজ্ঞানৰ জ্ঞানে শিক্ষকসকলক উপযুক্ত শিক্ষণ সামগ্ৰী যেনে- পাঠ্যপুথি, ব্যায়াম আৰু অনুশীলন কাৰ্যকলাপৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ প্ৰায়োগিক ভাষাৰ ব্যৱহাৰৰ দিশটো সঠিকভাৱে প্ৰতিফলিত কৰিব পাৰে।

**(ঙ) ত্ৰুটি বিশ্লেষণ ঃ**

বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ জ্ঞানে শিক্ষকসকলক ছাত্ৰ-ছাত্ৰীয়ে সাধাৰণতে অসুবিধাৰ সন্মুখীন হোৱা ভাষিক বিষয়বোৰ বুজি উঠি ইয়াৰ প্ৰতিকাৰৰ বাবে অধিক কাৰ্যকৰীভাৱে আঁচনি যুগুত কৰাত সহায় কৰিব পাৰে।

**(চ) সাংস্কৃতিক সজাগতা বৃদ্ধি কৰে ঃ**

ভাষা আৰু সংস্কৃতি এটা আনটোৰ পৰিপূৰক। সেয়েহে কোনো এটা ভাষাৰ অধ্যয়ন কৰিবলৈ লোৱা মানেই সেই ভাষাৰ সাংস্কৃতিক দিশবোৰো প্ৰেক্ষাপটত ভাঁহি আহে। ইয়াৰ জৰিয়তে সেই ভাষাৰ প্ৰতি বা ভাষিক গোষ্ঠীটোৰ প্ৰতি এক প্ৰাথমিক ধাৰণা ভাষা শিকাৰুৰ মনত গঢ় লোৱাত সহায় কৰে আৰু শিক্ষাৰ্থীসকলৰ লক্ষ্য ভাষাৰ বোধগম্যতা বৃদ্ধি কৰিব পাৰে।

**(ছ) শিক্ষাৰ্থী-কেন্দ্ৰিক পদ্ধতি ঃ**

বৰ্ণনামূলক ভাষাবিজ্ঞানে প্ৰত্যেকগৰাকী দ্বিতীয় ভাষা শিক্ষাৰ্থীয়ে ভিন ভিন প্ৰথম ভাষিক পটভূমিৰ পৰা অহা কথাটো স্বীকাৰ কৰে। শিক্ষকসকলে শিক্ষাৰ্থীৰ প্ৰথম ভাষা আৰু তেওঁলোকে শিকিবলৈ আগ্ৰহ প্ৰকাশ কৰা দ্বিতীয় ভাষাৰ বৰ্ণনাত্মক অধ্যয়ন কৰি দুয়োটা ভাষাৰ গঠন তুলনা আৰু বিশ্লেষণৰ দ্বাৰা সঞ্চৰণৰ সমস্যা, সততে হোৱা ভুল আৰু আন্তঃভাষা বিকাশৰ সম্ভাৱনা সম্পৰ্কে অনুমান কৰিব পাৰে। ইয়াৰ সহায়ত সকলোৰে বাবে উপযুক্ত এক ব্যাকৰণৰ আৰ্হি বলবৎ কৰাৰ পৰিবৰ্তে দ্বিতীয় ভাষাৰ পাঠদান অধিক শিক্ষাৰ্থীকেন্দ্ৰিক কৰি তুলিব পাৰি।

**আত্মমূল্যায়ন প্ৰশ্ন**

বৰ্ণনামূলক ভাষাবিজ্ঞান সম্পৰ্কে পৰিচয় আগবঢ়াই ভাষা শিক্ষণত ইয়াৰ প্ৰয়োজনীয়তা বিচাৰ কৰক। (৪০ টা শব্দৰ ভিতৰত)

..............................................................................................................

..............................................................................................................

..............................................................................................................

### ৪.৩.২ ভাষা শিক্ষণত বৰ্ণনামূলক ভাষাবিজ্ঞানৰ প্ৰয়োগ

(ক) ধ্বনিবিজ্ঞান আৰু ধ্বনিতত্ত্ব ঃ ছাত্ৰ-ছাত্ৰীক সঠিক উচ্চাৰণ শিকাবলৈ ভাষা এটাৰ শব্দসমূহৰ প্ৰতিটো ধ্বনিকে সূক্ষ্মভাৱে বিচাৰ বিশ্লেষণ কৰা হয়।

(খ) ৰূপতত্ত্ব ঃ ভাষা একোটাৰ শব্দবোৰ কেনেদৰে গঠন হয় আৰু ইয়াৰ ব্যাকৰণগত উপাদানবোৰৰ বিষয়ে শিকাৰুসকলক বুজাত সহায় কৰিবলৈ শব্দ গঠনৰ আৰ্হি প্ৰস্তুতকৰণত সহায় কৰে।

(গ) বাক্যবিন্যাস ঃ একো একোটা শব্দৰ লগ হৈ কেনেদৰে বাক্যৰ গঠন হয় আৰু ইয়াৰ ব্যাকৰণগত নিয়মবোৰ কাৰ্যকৰীভাৱে শিকোৱাৰ বাবে বাক্যৰ গাঁথনি পৰীক্ষা কৰা।

(ঘ) অৰ্থ ঃ অৰ্থ উদ্ধাৰৰ ক্ষেত্ৰত হোৱা অসুবিধা আঁতৰ কৰিবলৈ শব্দৰ অৰ্থ আৰু ব্যৱহাৰ বিশ্লেষণ কৰা বিষয়বোৰ অৱলম্বন কৰিব পাৰি।

### ৪.৩.৩ ভাষা শিক্ষণ আৰু বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ মাজৰ সম্বন্ধ

বৰ্ণনামূলক ভাষাবিজ্ঞানে ভাষাৰ ৰূপ-বৈশিষ্ট্যৰ এক বিতং ব্যাখ্যা প্ৰদান কৰি ভাষা শিক্ষণত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ই শিক্ষকসকলক কেৱল নিৰ্দেশনামূলক নিয়মৰ সলনি বাস্তৱ জগতৰ ভাষাৰ পৰা উদাহৰণ লৈ ভাষা শিক্ষণ সামগ্ৰী প্ৰস্তুত কৰাত সহায় কৰে। আকৌ ব্যাকৰণগত আৰ্হি, উচ্চাৰণাত্মক বৈশিষ্ট্য, আৰু শব্দভাণ্ডাৰৰ ব্যৱহাৰ সঠিকভাৱে চিনাক্তকৰণৰ দৰে কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰি নিৰ্দেশনা কৌশল উন্নতি কৰিবলৈ উদগনি দিয়ে।

**(ক) ভাষাৰ সঠিকতথ্য প্ৰদান কৰে ঃ**

বৰ্ণনামূলক ভাষাবিজ্ঞানে স্বাভাৱিক ভাষা ব্যৱহাৰৰ ওপৰত দৃষ্টি নিবদ্ধ কৰি তাৰ চিহ্নিতকৰণত গুৰুত্ব দিয়ে। ইয়াৰ জৰিয়তে একোটা ভৌগোলিক পৰিৱেশতে এটা ভাষাৰে বিভিন্ন আঞ্চলিক ৰূপ (উপভাষা, ৰেজিষ্টাৰ) বিষয়বোৰ বাস্তৱ উদাহৰণৰ সহায়ত শিক্ষাৰ্থীসকলৰ আগত দাঙি ধৰাত সহায় হয়।

**(খ) পাঠ্যক্ৰমৰ আৰ্হি প্ৰস্তুত কৰাত সহায় কৰে ঃ**

বৰ্ণনাত্মক ভাষাবিজ্ঞানে ভাষাৰ বিশেষত্বৰোৰৰ জটিলতা আৰু ইয়াৰ সঘন ব্যৱহাৰৰ ওপৰত আধাৰ কৰি ভাষা এটাৰ অন্তৰ্নিহিত গাঁথনি বুজি পোৱাত সহায় কৰে আৰু ইয়াৰ ফলত শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীৰ উপযোগী হোৱাকৈ এক প্ৰণালীবদ্ধ পাঠ্যক্ৰম প্ৰস্তুত কৰাত সহজ হয়।

**(গ) ব্যাকৰণৰ জ্ঞান উন্নত কৰে ঃ**

বৰ্ণনামূলক ভাষাবিজ্ঞানে প্ৰথম ভাষা ব্যৱহাৰকাৰীয়ে প্ৰকৃততে ভাষাটো কেনেদৰে স্বাভাৱিকভাৱে ব্যৱহাৰ কৰে সেই দিশটো অনুসন্ধান কৰাত সহায় কৰে। ইয়াৰ উপৰিও ভাষাবিজ্ঞানৰ এই শাখাই শিক্ষকসকলক ব্যাকৰণগত নিয়মবোৰ ব্যাখ্যা কৰাত সহায় কৰে আৰু অত্যাধিক সৰলীকৰণ বা অশুদ্ধ ব্যাখ্যা পৰিহাৰ কৰে।

**(ঘ) উচ্চাৰণৰ শুদ্ধতা বৃদ্ধি কৰে ঃ**

বৰ্ণনামূলক ভাষাবিজ্ঞানে ভাষাৰ মূল বা প্ৰাথমিক একক ধ্বনিৰ বিতং বিশ্লেষণ আগবঢ়াই শিক্ষাৰ্থীসকলে ধ্বনি উচ্চাৰণৰ সৈতে সন্মুখীন হোৱা প্ৰত্যাহ্বানবোৰ সঠিকভাৱে চিনাক্ত কৰি ইয়াৰ সমাধানৰ উপায় উলিওৱাত সহায় কৰে।

**(ঙ) শিক্ষাৰ্থীৰ সজাগতা সৃষ্টিত সহায় কৰে ঃ**

বৰ্ণনামূলক ভাষাবিজ্ঞানে শিক্ষাৰ্থীসকলক ভাষাৰ স্বাভাৱিক পৰিস্থিতিৰ সৈতে সন্মুখীন কৰাই তেওঁলোকক বাস্তৱ-পৃথিৱীৰ পৰিস্থিতিত ভাষা কেনেদৰে ব্যৱহাৰ কৰা হয় সেই বিষয়ে অধিক সূক্ষ্ম ধাৰণা বিকশিত কৰাত সহায় কৰিব পাৰে।

**আত্মমূল্যায়ন প্ৰশ্ন**

ভাষা শিক্ষণত বৰ্ণনামূলক ভাষাবিজ্ঞানৰ প্ৰয়োগ আৰু সম্বন্ধ বিচাৰ কৰক (৪০ টা শব্দৰ ভিতৰত)

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

**৪.৪ সমাজভাষাবিজ্ঞানৰ পৰিচয়**

সমাজভাষাবিজ্ঞান শব্দটো ইংৰাজী 'Sociolinguistics' শব্দৰ অসমীয়া পৰিভাষা হিচাপে ব্যৱহাৰ কৰা হয়। ভাষা হৈছে কোনো জনসমষ্টিৰ সামূহিক জীৱন প্ৰণালীৰ উৎকৃষ্ট মাধ্যম। সমাজক কেন্দ্ৰ কৰি ভাষা বৰ্তি থাকে আৰু একে সময়তে

কোনো এখন সমাজ একত্ৰিত হৈ থাকে একোটা ভাষাৰ মাধ্যমেৰে। গতিকে ভাষা আৰু সমাজ উভয়ে পৰিপূৰক হিচাপে কাম কৰে। এই ক্ষেত্ৰত সমাজ এখনৰ ভাষাৰ মূল উপাদান বা চালিকা শক্তি হিচাপে বিভিন্ন কাৰকে প্ৰভাৱিত কৰে। এই কাৰকসমূহক সামাজিক আৰু সাংস্কৃতিক দিশেৰে বিচাৰ কৰি চাব পাৰি। উদাহৰণস্বৰূপে, কোনো একোখন সমাজৰ কোনো এগৰাকী ব্যক্তিৰ কথা-বতৰাত সেই ব্যক্তিগৰাকী সমাজখনৰ এক সামগ্ৰিক ছবি প্ৰকাশ পায়। তেওঁ ব্যৱহাৰ কৰা শব্দ, বাক্য, সুৰ, কথাৰ ধৰণে সমাজ এখনৰ ভাষিক পটভূমিক প্ৰতিফলন ঘটায়। ইয়াৰ উপৰিও কোনো এজন ব্যক্তিয়ে কেনেদৰে কথা ক'ব সেয়া নিৰ্ভৰ কৰিব ব্যক্তিজনৰ সন্মুখত থকা ব্যক্তিজনৰ বৃত্তি, বয়স, সম্পৰ্ক ইত্যাদিৰ ওপৰত। একেদৰে ভাষা ব্যৱহাৰকাৰীৰ শিক্ষা-দীক্ষা, লিংগ, বয়স, আৰ্থিক অৱস্থা, সামাজিক স্থিতি আদিয়েও ব্যক্তিৰ ভাষা ব্যৱহাৰৰ দিশটো পৰিমাপন কৰাত কিছু পৰিমাণে সহায় কৰে।

### ৪.৪.১ ভাষা শিক্ষণত সমাজভাষাবিজ্ঞানৰ প্ৰয়োজনীয়তা

ভাষা শিক্ষণৰ সৈতে সমাজভাষাবিজ্ঞানৰ ওতঃপ্ৰোত সম্পৰ্ক আছে। সামাজিক কাৰক যেনে- পৰিস্থিতি, প্ৰসংগ আৰু সামাজিক পৰিৱেশ অনুযায়ী ভাষাৰ ব্যৱহাৰ কেনেদৰে পৃথক হয় সেই বিষয়ে ই এক সূক্ষ্ম ধাৰণা প্ৰদান কৰে।

(ক) ভাষাৰ তাৰতম্য চিহ্নিতকৰণ ঃ

সমাজভাষাবিজ্ঞানে শিক্ষাৰ্থীসকলক ভাষা যে স্থিৰ নহয় আৰু ই পৰিৱৰ্তনশীল সেই বিষয়ে চিনাক্ত কৰাত সহায় কৰে। এই পৰিৱৰ্তন বয়স, লিংগ, সামাজিক শ্ৰেণী, জাতি আৰু অঞ্চলৰ দৰে সামাজিক কাৰকৰ ওপৰত আধাৰিত।

(খ) সাংস্কৃতিক সংবেদনশীলতা ঃ

সমাজভাষাবিজ্ঞানৰ অধ্যয়নে ছাত্ৰ-ছাত্ৰীকলৰ মাজত ভাষাৰ সৈতে সম্পৰ্কিত হৈ থকা সাংস্কৃতি দিশবোৰ হৃদয়ঙ্গম কৰায় আৰু ইয়াৰ ফলত ভাষা শিকাৰুৰ সেই নিৰ্দিষ্ট ভাষাৰ প্ৰতি শ্ৰদ্ধা আৰু সন্মান বৃদ্ধি পায়। ইয়াৰ ফলত দ্বিতীয় ভাষাৰ শিক্ষণ পদ্ধতি সহজ হৈ পৰিব।

(গ) যোগাযোগ দক্ষতা উন্নতকৰণ ঃ

সমাজৰ ভাষিক নীতিবোৰ বুজি উঠাৰ ফলত শিক্ষাৰ্থীসকলে পৰিৱেশ-পৰিস্থিতি অনুযায়ী উপযুক্ত ভাষা শৈলী নিৰ্বাচন কৰি তেওঁলোকৰ সামগ্ৰিক দক্ষতা বৃদ্ধি কৰাত সহায় কৰে।

(ঘ) ভাষিক সজাগতা বৃদ্ধিঃ

ভাষা যিহেতু সামাজিক নিৰ্মাণ আৰু সেই সামাজিক নিৰ্মাণৰ প্ৰক্ৰিয়াত সমাজভাষাবিজ্ঞানে শিক্ষাৰ্থীৰ মনত সমালোচনামূলক চিন্তা, স্বকীয় পৰিচয় গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

(ঙ) কাৰ্যকৰী যোগাযোগৰ প্ৰচাৰকৰণ ঃ

সমাজভাষাবিজ্ঞানে শিক্ষাৰ্থীসকলক বিভিন্ন সামাজিক প্ৰেক্ষাপটত ভাষা কেনেদৰে ব্যৱহাৰ কৰা হয় সেই বিষয়ে বুজি উঠাত সহায় কৰে আৰু ইয়াৰ ফলত ভুল বুজাবুজি হোৱাৰ ভয় নাথাকে।

**আত্মমূল্যায়ন প্ৰশ্ন**

সমাজভাষাবিজ্ঞান সম্পৰ্কে পৰিচয় আগবঢ়াই ভাষা শিক্ষণত ইয়াৰ প্ৰয়োজনীয়তা আৰু প্ৰয়োগ বিচাৰ কৰক (৪০ টা শব্দৰ ভিতৰত)

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

### ৪.৪.২ সমাজভাষাবিজ্ঞান আৰু ভাষা শিক্ষণৰ মাজৰ সম্বন্ধ

ভাষা হৈছে মানুহে বাকযন্ত্ৰৰ সহায়ত উচ্চাৰণ কৰি বতাহত প্ৰেৰণ কৰা কিছুমান ধ্বনি সংকেত প্ৰণালী, যাৰ জৰিয়তে মানুহৰ চিন্তা আৰু অনুভূতি প্ৰকাশ পায়।

আনহাতে সমাজ হৈছে নিৰন্তৰ সম্পৰ্কৰে সম্পৃক্ত তথা ইজনে সিজনৰ সৈতে সম্পৰ্কিত লোকৰ এটা গোট, বা একে ভৌগোলিক বা গুৰুত্বপূৰ্ণ অঞ্চল ভাগ বতৰা কৰা এক বৃহৎ সামাজিক গোট। ভাষাই এই সামাজিক গোটবোৰৰ মাজত যোগাযোগ স্থাপনৰ জৰিয়তে উদ্দেশ্য সফল কৰি তোলে। সেয়েহে উভয়ৰে মাজত ওতঃপ্ৰোত সম্পৰ্ক বিৰাজমান। তলত সমাজভাষাবিজ্ঞান আৰু ভাষা শিক্ষণৰ মাজৰ সম্বন্ধৰ কিছুমান উপাদান আলোচনা কৰা হ'ল-

**(ক) নৃগোষ্ঠীঃ**

ভাষা আৰু সমাজৰ সম্পৰ্ক অধ্যয়নৰ অন্যতম এক কাৰক হ'ল ভাষা আৰু নৃগোষ্ঠী। কোনো একোটা ভৌগোলিক পৰিৱেশত বিভিন্ন ভাষা-ভাষীৰ লোক থাকিব পাৰে। সেয়েহে সেই পৰিৱেশত জনগোষ্ঠীসমূহৰ মাজত যোগাযোগ স্থাপনৰ বাবে একপ্ৰকাৰৰ উমৈহতীয়া ভাষাৰ জন্ম হ'ব পাৰে। উদাহৰণস্বৰূপে, পিজিন, ক্ৰেওল ইত্যাদি

আন্তৰ্জাতিক স্তৰত সৃষ্টি হোৱা তেনে কিছুমান উমৈহতীয়া ভাষা। অসমৰ প্ৰেক্ষাপটত বিচাৰ কৰি চালে দেখা যায় যে, অসমখন অতীজৰে পৰা বিভিন্ন নৃগোষ্ঠীয় লোকৰ বাসস্থান। বিশেষকৈ অসমত তিব্বত-বৰ্মীয় বড়ো, মিচিং, ৰাভা, কাৰ্বি, ডিমাচা, দেউৰী লোকসকলে আদিম কালৰে পৰা বসবাস কৰি আহিছে। গতিকে তেওঁলোকৰ মাজত উমৈহতীয়া ভাষা বা সংযোগী ভাষা হিচাপে অসমীয়া ভাষাই কাৰ্য সম্পাদন কৰি আহিছে। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল- অসমীয়া ভাষা যদিও তেওঁলোকৰ উমৈহতীয়া ভাষা কিন্তু সেই ভাষাই তেওঁলোকৰ মাজত এক বিশেষ ৰূপত গঢ় লৈ এক নতুন ভাষাশৈলীৰ সৃষ্টি কৰে। এই ভাষাশৈলীত নিজৰ প্ৰথম প্ৰথম ভাষাৰ ধ্বনিগত, ৰূপগত আৰু বাক্যগত উপাদান প্ৰৱেশ কৰে। এনেধৰণৰ ভাষা শৈলীক ভাষাবৈজ্ঞানিকসকলে কিছুমান অভিধাৰে অভিহিত কৰিছে। উদাহৰণস্বৰূপে অসম আৰু অৰুণাচল প্ৰদেশৰ সীমান্তৱৰ্তী অঞ্চলত প্ৰচলিত সংযোগী ভাষা 'অৰুণামিজ বা নেফামিজ' আৰু মিচিংসকলৰ কথিত অসমীয়া ৰূপ 'মিচিংমিজ' বুলি অভিহিত হৈছে। গতিকে সমাজ আৰু ভাষাৰ মাজৰ সম্পৰ্ক অধ্যয়নৰ ক্ষেত্ৰত নৃগোষ্ঠীয় ভাষিক ৰূপবোৰৰ অধ্যয়নৰ যথেষ্ট প্ৰাসংগিকতা আছে।

**(খ) লিঙ্গ ঃ**

সমাজৰ গুৰুত্বপূৰ্ণ অংগ ভাষাৰ ক্ষেত্ৰটো নাৰী আৰু পুৰুষৰ ভাষাৰ পাৰ্থক্য সমাজভাষাবিজ্ঞানীসকলে নিৰূপণ কৰিবলৈ যত্ন কৰিছে। উদাহৰণস্বৰূপে দৈহিক গঠনৰ উপৰিও মানসিকভাৱেও পুৰুষ আৰু নাৰীৰ মাজত পাৰ্থক্য দেখিবলৈ পোৱা যায়। সেয়েহে, দৈনন্দিন আচাৰ-আচৰণ, কৰ্মৰ লগতে ভাষাত এই লিংগগত পাৰ্থক্যৰ প্ৰতিফলন ঘটে। 'ছোৱালী মানুহ বেছি খঙাল হ'ব নাপায়' এই সামজিক শিক্ষাই দৰাচলতে সৰুৰে পৰা ছোৱালী মানুহক বিনয়ী, নম্ৰ, অধিক শালীন হ'বলৈ শিকায়। ঠিক একেদৰে পুৰুষে কঠোৰ শাৰীৰিক শ্ৰম সম্পাদন কৰে। তেওঁলোক সহজে আবেগিক নহয়। তেওঁলোকৰ আচৰণ বীৰসুলভ হয়- ইত্যাদি ধৰণৰ ধ্যান-ধাৰণা সততে প্ৰচলিত। গতিকে এইধৰণৰ বিষয়সমূহেও সামাজিক আৰু দৈহিক পাৰ্থক্যৰ উপৰিও ভাষাগত দিশত পুৰুষ আৰু নাৰীৰ ভাষাৰ পাৰ্থক্য আনে।

(ক) পুৰুষৰ তুলনাত মহিলাৰ কথা বতৰাত অনুৰোধৰ সুৰ বেছি হয়। প্ৰতিখন সমাজতে নাৰীয়ে গৃহ পৰিচালনাৰ দায়িত্ব অতীতৰে পৰা পালন কৰি আহিছে। সেয়েহে বেছিভাগ সময় ঘৰৰ সামগ্ৰী ক্ৰয় কৰাৰ ক্ষেত্ৰত গৃহিনীৰ মতামত আৰু আগ্ৰহ বহু পৰিমাণে নিৰ্ভৰ কৰে। এইধৰণৰ পৰিস্থিতিত সচৰাচৰ অনুৰোধৰ প্ৰৱণতা বেছিকৈ পৰিলক্ষিত হয়।

(খ) ৰঙৰ সঠিক নিৰূপণৰ ক্ষেত্ৰত পুৰুষতকৈ মহিলা তুলনামূলকভাৱে সিদ্ধহস্ত। এই ক্ষেত্ৰত অসমীয়া মহিলাৰ মুখত সততে উচ্চাৰিত হৈ থকা ৰঙসমূহ হ'ল- কলপতীয়া, ভাটৌ, সোণ বৰণীয়া, সুমথিৰা ইত্যাদি। আনহাতে অধিক সময়ত পুৰুষে এইধৰণৰ ৰঙৰ ভিন্নতা নিৰূপণত অপাৰগতা প্ৰকাশ কৰে।

(গ) পুৰুষৰ তুলনাত মহিলাই অমার্জিত শব্দৰ ব্যৱহাৰ কমকৈ কৰে। অৱশ্যে এই ক্ষেত্ৰত মহিলাগৰাকীৰ সামাজিক স্থিতি, আৰ্থিক স্থিতি, শিক্ষা আদিয়ে গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। কিয়নো নিম্ন শ্ৰেণীৰ নাৰীৰ মুখৰ ভাষাত সচৰাচৰ মার্জিত ৰূপ ৰক্ষিত নহয়।

(ঘ) অধিক আৱেগপ্ৰৱণ ভাৱভঙ্গী মহিলাৰ ভাষা ব্যৱহাৰৰ গুৰুত্বপূর্ণ বিশেষত্ব। ইয়াৰ ফলত পৰোক্ষ বাগ্‌ধাৰা একোটা তেওঁলোকৰ কথা-বতৰাত প্ৰকাশ পায়। উদাহৰণস্বৰূপে, স্বামী-স্ত্ৰীৰ মাজত যদি মনোমালিন্য হয় তেতিয়াহ'লে পৰোক্ষ উক্তিৰে বাকভঙ্গী প্ৰকাশ কৰিবলৈ চেষ্টা কৰে। যেনে - 'ভাত খাবলৈ দিছো' অথবা 'ভাত দি থৈছোঁ' (দাস, পৃ. ৫২)।

**(গ) সামাজিক শ্ৰেণী ঃ**

সমাজ এখনত বিভিন্ন স্তৰৰ বা শ্ৰেণীৰ লোক বসবাস কৰে। এই সামাজিক শ্ৰেণীৰ আকৌ দুটা ৰূপ আমি দেখিবলৈ পাওঁ। এটা হ'ল সামাজিক শ্ৰেণীগত উপভাষা আৰু আনটো হ'ল সামাজিক জাতিগত উপভাষা (দাস, পৃ. ৩২)। সামাজিক শ্ৰেণী বুলি ক'লে উচ্চ মধ্যবিত্ত, মধ্যবিত্ত, নিম্ন মধ্যবিত্ত এইধৰণে ভাগ কৰিব পাৰি। তেওঁলোকৰ আৰ্থিক স্থিতি আৰু জীৱন শৈলী অনুসৰি চাল-চলন, আচাৰ-আচৰণ, ধৰণ-কৰণৰ পৰিৱৰ্তন দেখিবলৈ পোৱা যাব। আনহাতে সামাজিক জাতিগত উপভাষা বুলি ক'লে বৰ্ণ আধাৰিত জাতি ব্যৱস্থাকে সাধাৰণতে ধাৰণা কৰি লোৱা হয়। বিশেষকৈ বৰ্তমান সময়তো বিভিন্ন মাংগলিক কাম-কাজ, পূজা-পাতল, আচাৰ-অনুষ্ঠান আদিত ব্ৰাহ্মণৰ দ্বাৰাই সম্পন্ন কৰা হয়। গতিকে তেওঁলোকৰ মাত-কথা, আচাৰ-আচৰণ, ধৰণ-কৰণ আৰু ভাষাত একধৰণৰ জাতিগত ঠাঁচৰ প্ৰতিফলন ঘটা পৰিলক্ষিত হয়। গতিকে সামাজিক শ্ৰেণী অনুসৰি একোখন সমাজৰ ভাষা ব্যৱহাৰৰ ক্ষেত্ৰত তাৰতম্য ঘটা দেখিবলৈ পোৱা যায়।

**(ঘ) জীৱিকা ঃ**

ভাষা আৰু সমাজৰ সামাজিক সম্বন্ধ নিৰ্ণয় কৰাৰ ক্ষেত্ৰত এক অন্যতম কাৰক হ'ল জীৱিকা। চাকৰিয়াল এজনৰ মুখৰ ভাষা, দৈনিক মজুৰি কৰা মানুহৰ মুখৰ ভাষা, ব্যৱসায়ী এজনৰ মুখৰ ভাষা জীৱিকা অনুযায়ী ভিন্নধৰণৰ হয়। চাকৰিয়াল এজনৰ মুখৰ ভাষা আৰু দৈনিক মজুৰি কৰা মানুহ এজনৰ ভাষাৰ পাৰ্থক্য থাকে। ব্যৱসায়ী এজনৰ মুখৰ ভাষাত সততে লাভ-লোকচানৰ প্ৰসংগই বেছি প্ৰাধান্য লাভ কৰিব। গতিকে জীৱিকাই সমাজ এখনৰ ভাষাৰ সামাজিক স্তৰ নিৰূপণ কৰিব পাৰে।

**আত্মমূল্যায়ন প্ৰশ্ন**

ভাষা শিক্ষণত সমাজভাষাবিজ্ঞানৰ জ্ঞানৰ প্ৰয়োগ আৰু ইয়াৰ মাজৰ সম্বন্ধ বিচাৰ কৰক (৪০ টা শব্দৰ ভিতৰত)

.................................................................................................................................

.................................................................................................................................

.................................................................................................................................

.................................................................................................................................

## ৪.৫ মনোভাষাবিজ্ঞানৰ পৰিচয়

মনোভাষাবিজ্ঞান হৈছে ভাষাৰ এক গুৰুত্বপূৰ্ণ শাখা। এই শাখাই ব্যক্তিভেদে ভাষা আহৰণৰ দক্ষতা, বোধগম্যতা, উৎপাদন ইত্যাদি দিশৰ সৈতে অন্তৰ্নিহিত হৈ থকা মানসিক প্ৰক্ৰিয়াবোৰ অধ্যয়ন কৰে। 'মনোভাষাবিজ্ঞান' এই শব্দটো পোনপ্ৰথমে আমেৰিকাৰ মনোভাষাবিজ্ঞানী জেকব ৰবাৰ্ট কণ্টৰ (Jacob Robert Kantor)এ তেওঁৰ ১৯৩৬ চনত প্ৰকাশিত " An Objective Psychology of Grammar" গ্ৰন্থখনত ব্যৱহাৰ কৰিছিল। পৰৱৰ্তী সময়ত কণ্টৰৰ এগৰাকী ছাত্ৰ নিকোলাছ হেনৰী প্ৰণকো (Nicholas Henry Pronko)এ ১৯৪৬ চনত তেওঁৰ এটা প্ৰবন্ধ "Language and Psycholinguistics: A Review"-ৰ জৰিয়তে এই শব্দটো অধিক জনপ্ৰিয় কৰি তোলে। অৱশ্যে ১৯৫১ চনত কৰ্ণেল বিশ্ববিদ্যালয়ত অনুষ্ঠিত এক গুৰুত্বপূৰ্ণ আলোচনাচক্ৰৰ পৰাহে ভাষাৰ এক অন্যতম শাখা হিচাপে মনোভাবিজ্ঞানৰ চৰ্চা আৰম্ভ হয় ।

### ৪.৫.১ ভাষা শিক্ষণত মনোভাষাবিজ্ঞানৰ প্ৰয়োজনীয়তা

ভাষা শিক্ষণৰ ক্ষেত্ৰত মনোভাষাবিজ্ঞান অতিকৈ গুৰুত্বপূৰ্ণ। কিয়নো ই মানুহৰ ভাষা আহৰণ প্ৰক্ৰিয়া আৰু উৎপাদন সম্পৰ্কে এক গভীৰ অন্তৰ্দৃষ্টি প্ৰদান কৰে। ভাষাবিজ্ঞানৰ এই শাখাই শিক্ষকসকলক ভাষা আহৰণৰ আঁৰৰ বিভিন্ন কাৰ্যপ্ৰণালীবোৰ বুজি উঠি অধিক কাৰ্যকৰী শিক্ষণ কৌশল প্ৰস্তুত কৰাত সহায় কৰে। উদাহৰণস্বৰূপে- শিক্ষাৰ্থীৰ স্মৃতিশক্তি, মনোযোগ, আৰু ধাৰণা ইত্যাদি সলনি ভাষা শিকাৰ আগ্ৰহ বৃদ্ধি কৰিব পৰা কিছুমান কাৰ্যপ্ৰণালী গ্ৰহণৰ জৰিয়তে সাধাৰণ ভাষা শিকাৰ অসুবিধাবোৰ অতিক্ৰম কৰাত মনোভাষাবিজ্ঞানে সহায় কৰে।

**(ক) শিকাৰুৰ ত্ৰুটিবোৰ বুজি পোৱাত সহায় কৰে ঃ**

মনোভাষাবিজ্ঞানে শিক্ষকসকলকভাষা উৎপাদনৰ সৈতে জড়িত বিভিন্ন দিশবোৰ পৰীক্ষা কৰি শিক্ষাৰ্থীসকলে ভুল কৰা বিষয়বোৰ চিনাক্ত কৰাত আৰু সেইবোৰ সমাধান কৰিবলৈ নিৰ্দিষ্ট পদ্ধতি বিকাশ কৰাত সহায় কৰে।

**(খ) শিক্ষাৰ্থীৰ প্ৰয়োজনীয়তাৰ বাবে নিৰ্দেশনা প্ৰস্তুত কৰা ঃ**

মনোভাষিক তত্ত্ববোৰে শিক্ষকসকলক ছাত্ৰ-ছাত্ৰীৰ শিকাৰ শৈলী আৰু ব্যক্তিবিশেষে ভাষা আহৰণৰ দক্ষতা যে ভিন্ন ধৰণৰ হয় সেই বিষয়ে অৱগত কৰে আৰু ইয়াৰ জৰিয়তে তেওঁ প্ৰতিজন শিক্ষাৰ্থীৰ সৈতে ভালদৰে খাপ খোৱাকৈ শিক্ষণ কৌশল বা পদ্ধতি অৱলম্বন কৰাত সহায় কৰে।

**(গ) কাৰ্যকৰী ভাষা আহৰণৰ নীতি প্ৰস্তুত কৰাত সহায় কৰে ঃ**

মনোভাষাবিজ্ঞানৰ জ্ঞানে শিক্ষকসকলক স্বাভাৱিক ভাষা আহৰণ প্ৰক্ৰিয়াৰ সৈতে সংগতি থকা উপযুক্ত শিক্ষণ পদ্ধতি ছাত্ৰ-ছাত্ৰীক বিষয় বুজাত আৰু সক্ৰিয় ভাষা ব্যৱহাৰত উদগনি দিব পৰাকৈ বাছনি কৰাত সহায় কৰে। ।

**(ঘ) ভাষা আহৰণৰ প্ৰত্যাহ্বানবোৰ দূৰ কৰাত সহায় কৰে ঃ**

মনোভাষাবিজ্ঞানে শিক্ষকসকলক ভাষা আহৰণৰ নিৰ্দিষ্ট প্ৰত্যাহ্বান চিনাক্ত কৰি 'ডিচলেক্সিয়া' (Dyslexia) বা (ভাষা আহৰণৰ বিকাৰ) দৰে ভাষা শিকাৰ অসুবিধাবোৰ বুজি ছাত্ৰ-ছাত্ৰীক এই ক্ষেত্ৰত উদগনি যোগোৱাত সহায় কৰিব পাৰে।

**(ঙ) বোধগম্যতা বিকাশ কৰাত সহায় কৰে ঃ**

মানুহৰ মগজুৱে ভাষা কেনেদৰে সঞ্চালন কৰে সেই বিষয়ে বুজি, শিক্ষকসকলে বিশেষ কাৰ্যকলাপৰ আৰ্হি প্ৰস্তুত কৰিব পাৰে যাতে এই কাৰ্যকলাপে কথিত আৰু লিখিত ভাষা দুয়োটাকে বুজাৰ ক্ষেত্ৰত সহজ কৰি তুলিব পাৰে।

**(চ) অনুপ্ৰেৰণা আৰু আগ্ৰহী মনোভাব সৃষ্টি কৰে ঃ**

মনোভাষাবিজ্ঞানে ভাষা শিকাৰ প্ৰতি শিক্ষাৰ্থীৰ অনুপ্ৰেৰণা আৰু আগ্ৰহী মনোভাব সৃষ্টিৰ ওপৰত আলোকপাত কৰে, যাৰ ফলত শিক্ষকসকলে এক ইতিবাচক শিক্ষণ পৰিৱেশ সৃষ্টি কৰি ছাত্ৰ-ছাত্ৰীক ভাষা শিক্ষণত মনোনিৱেশ কৰাত সহায় কৰিব পাৰে।

**আত্মমূল্যায়ন প্ৰশ্ন**

মনোভাষাবিজ্ঞান সম্পৰ্কে পৰিচয় আগবঢ়াই ভাষা শিক্ষণত ইয়াৰ প্ৰয়োজনীয়তা আৰু প্ৰয়োগ বিচাৰ কৰক (৪০টা শব্দৰ ভিতৰত)

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

### ৪.৫.২ ভাষা শিক্ষণ আৰু মনোভাষাবিজ্ঞানৰ মাজৰ সম্পৰ্ক

ভাষা আহৰণৰ সৈতে জড়িত মানসিক প্ৰক্ৰিয়াবোৰৰ জ্ঞান লাভ কৰি, শিক্ষকসকলে মনোভাষাবিজ্ঞানৰ সহায়ত ভাষা শিক্ষণৰ অধিক কাৰ্যকৰী পদ্ধতি প্ৰস্তুত কৰিব পাৰে। বোধগম্যতা, স্মৃতিশক্তি, আৰু ভাষা উৎপাদন প্ৰণালী আদিৰ জ্ঞান লাভেৰে শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ শিকন প্ৰক্ৰিয়া ত্বৰান্বিত কৰিবলৈ যত্ন কৰিব পাৰে।

**(ক) ভাষা আহৰণৰ প্ৰক্ৰিয়া বুজি পোৱাত সহায় কৰে ঃ**

মনোভাষাবিজ্ঞানৰ জ্ঞানে একোজন শিক্ষকক ব্যক্তিৰ প্ৰথম ভাষা আহৰণৰ প্ৰক্ৰিয়া কেনেদৰে পৰিচালিত হয় সেই বিষয়ে বুজি উঠি দ্বিতীয় ভাষাৰ আহৰণ প্ৰণালীত প্ৰথম ভাষাৰ আহৰণৰ কৌশলবোৰ প্ৰয়োগ কৰাত সহায় কৰিব পাৰে।

**(খ) মগজুৰ ভাষা সঞ্চালন প্ৰক্ৰিয়া বুজাত সহায় কৰে ঃ**

মনোভাষাবিজ্ঞানৰ জ্ঞানে এজন শিক্ষকক মগজুৱে কেনেদৰে ভাষা সঞ্চালন কৰে, সেই বিষয়ে বুজাত সহায় কৰে আৰু ছাত্ৰ-ছাত্ৰীৰ ভাষা উৎপাদন প্ৰক্ৰিয়া আৰু ভাষা বোধগম্যতাৰ দিশটো চিনাক্ত কৰি তেওঁলোকৰ দক্ষতা আৰু দুৰ্বলতাৰ অনুসাৰে কাৰ্যপ্ৰণালী প্ৰস্তুত কৰাত সহায় কৰিব পাৰে।

**(গ) ত্ৰুটি বিশ্লেষণ ঃ**

মনোভাষাবিজ্ঞানৰ জ্ঞানে শিক্ষকসকলক ছাত্ৰ-ছাত্ৰীয়ে কৰা সাধাৰণ ত্ৰুটিবোৰ চিনাক্ত কৰাত সহায় কৰে আৰু ইয়াৰ জৰিয়তে ভাষা আহৰণত সন্মুখীন হোৱা অসুবিধা নিৰ্ণয় কৰি ফলপ্ৰসু পদ্ধতি বিকশিত কৰাত সহায় কৰিব পাৰে।

**(ঘ) ফলপ্ৰসূ শিক্ষণ কৌশল বিকশিত কৰে ঃ**

মনোভাষাবৈজ্ঞানিক তত্ত্ববোৰে 'স্বাভাৱিক দৃষ্টিভংগী' বা 'সম্পূৰ্ণ শাৰীৰিক সঁহাৰি'ৰ দৰে শিক্ষণ পদ্ধতিবোৰৰ সৈতে অৱগত কৰায় আৰু ইয়াৰ জৰিয়তে স্বাভাৱিক ভাষা আহৰণ প্ৰক্ৰিয়াক উদগনি যোগায়।

**(ঙ) শিক্ষাৰ্থীৰ অনুপ্ৰেৰণা বৃদ্ধি কৰে ঃ**

মনোভাষাবিজ্ঞানৰ জ্ঞানে শিক্ষকসকলক ভাষা আহৰণত প্ৰভাৱিত কৰা মানসিক কাৰকবোৰ বুজি পোৱাত সহায় কৰে আৰু ইয়াৰ জৰিয়তে শিক্ষকসকলক এক ইতিবাচক শিক্ষণ পৰিৱেশ সৃষ্টি কৰাত আৰু শিক্ষাৰ্থীসকলক অনুপ্ৰাণিত কৰাত সহায় কৰিব পাৰে।

**(চ) অৰ্থ নিৰ্ণয়ৰ ওপৰত গুৰুত্ব প্ৰদান ঃ**

মনোভাষাবিজ্ঞানৰ জ্ঞানে অৰ্থ উদ্ধাৰ তথা বোধগম্যতাৰ দিশটো গুৰুত্ব প্ৰদান কৰে আৰু সেয়েহে শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীক কেৱল মুখস্থ কৰোৱাৰ সলনি অৰ্থ উদঘাটন কৰা, শব্দভাণ্ডাৰ আৰু ব্যাকৰণ শিকোৱাক অগ্ৰাধিকাৰ দিব পাৰে।

**(ছ) দৃশ্যমান আৰু প্ৰাসংগিক উদাহৰণ ব্যৱহাৰ কৰা ঃ**

চাক্ষুষ তথ্যই মানুহৰ বোধগম্যতা আৰু ধাৰণা স্পষ্ট কৰে। সেয়েহে এই বিষয়ৰ ওপৰত গুৰুত্ব প্ৰদান কৰি শিক্ষকসকলে ভাষা শিক্ষণ প্ৰক্ৰিয়াক ফলপ্ৰসূ কৰিবলৈ দৃশ্যমান আৰু প্ৰাসংগিক উদাহৰণ অন্তৰ্ভুক্ত কৰিব পাৰে।

**(জ) ব্যক্তিবিশেষৰ ভাষা দক্ষতা চিনাক্ত কৰাত সহায় কৰে ঃ**

মনোভাষাবিজ্ঞানৰ জ্ঞানে শিক্ষকক ছাত্ৰ-ছাত্ৰীৰ ভাষিক দক্ষতাৰ তাৰতম্য নিৰ্ণয় কৰাত সহায় কৰে। ইয়াৰ জৰিয়তে পাঠদানৰ সময়ত তেওঁলোকক উৎসাহ যোগোৱা, পুনৰাবৃত্তিমূলক পাঠদান প্ৰক্ৰিয়াৰ দৰে শিক্ষণ পদ্ধতি গ্ৰহণ কৰাত সহায় কৰিব পাৰে।

**আত্মমূল্যায়ন প্ৰশ্ন**

ভাষা শিক্ষণত মনোভাষাবিজ্ঞানৰ জ্ঞানৰ প্ৰয়োগ আৰু ইয়াৰ মাজৰ সম্বন্ধ বিচাৰ কৰক (৪০ টা শব্দৰ ভিতৰত)

..................................................................................................................

..................................................................................................................

..................................................................................................................

..................................................................................................................

## ৪.৬ সাৰাংশ (Summing Up)

ভাষা শিক্ষণত বৰ্ণনাত্মক, সমাজভাষাবিজ্ঞান আৰু মনোভাষাবিজ্ঞানৰ জ্ঞানৰ প্ৰয়োগ অতি বিস্তৃত আৰু গভীৰ। ভাষাবিজ্ঞানৰ এই তিনিটা শাখাই ভাষাৰ গাঁথনিগত, সামাজিক আৰু মানসিক দিশবোৰৰ অধ্যয়ন কৰে। বৰ্ণনামূলক ভাষাবিজ্ঞানে শিক্ষকসকলক ভাষাৰ গাঁঠনিক ৰূপ আৰু ব্যাকৰণগত দিশটো উপলব্ধি কৰি ছাত্ৰ-ছাত্ৰীক সেই জ্ঞানৰ সহায়ত দ্বিতীয় ভাষা শিক্ষণৰ ভিন ভিন আৰ্হি প্ৰস্তুত কৰিবলৈ উৎসাহ যোগায়। ফলশ্ৰুতিত ভাষা বিশেষৰ ব্যাকৰণ, শব্দভাণ্ডাৰ আৰু বাক্যবিন্যাস প্ৰণালীৰ কাৰ্যকৰী জ্ঞান শিকাৰুৱে লাভ কৰে। ভাষা আৰু সমাজৰ সম্বন্ধৰ সূক্ষ্ম পৰ্যালোচনাই ছাত্ৰ-ছাত্ৰীৰ মাজত ভাষা ব্যৱহাৰৰ সামাজিক প্ৰেক্ষাপট আৰু ইয়াৰ সাংস্কৃতিক গুৰুত্ব উপলব্ধি কৰাত সহায় কৰে। বিভিন্ন সামাজিক গোট অনুসৰি ভাষাৰ ভিন্নতা চিনাক্তকৰণৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ যোগাযোগমূলক দক্ষতা বিকাশত সহায়ক হিচাপে কাম কৰে। ইয়াৰ উপৰিও শিক্ষাৰ্থীৰ মাজত সংবেদনশীলতাও বৃদ্ধি কৰিব পাৰে। সেই একেদৰে মনোভাষাবিজ্ঞানৰ জ্ঞানে ভাষা আহৰণৰ ক্ষেত্ৰত মনৰ সৈতে সম্বন্ধিত হৈ থকা দিশবোৰ আলোকপাত কৰি ভাষা আহৰণৰ লগত জড়িত মানসিক ক্ৰিয়া-কলাপ নিৰূপন কৰাত শিক্ষকসকলক সহায় কৰে। ইয়াৰ উপৰিও ছাত্ৰ-ছাত্ৰীৰ বাবে কাৰ্যকৰী দ্বিতীয় ভাষা আহৰণৰ আৰ্হি প্ৰস্তুতকৰণৰ

ক্ষেত্ৰতো বিশেষ ভূমিকা পালন কৰে। এই সামগ্ৰিক দৃষ্টিভংগীয়ে ব্যাকৰণগত বোধগম্যতা আৰু যোগাযোগ দক্ষতা উন্নত কৰাৰ উপৰিও শিক্ষাৰ্থীসকলৰ মাজত সাংস্কৃতিক সজাগতা আৰু মনোযোগ বৃদ্ধি কৰে।

## ৪.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১) সমাজভাষাবিজ্ঞান, বৰ্ণনাত্মক ভাষাবিজ্ঞান আৰু মনোভাষাবিজ্ঞান সম্পৰ্কে এটি বিশ্লেষণ আগবঢ়াওক।

২) ভাষা শিক্ষণত সমাজভাষাবিজ্ঞানৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ মাজত থকা সম্পৰ্কৰ বিষয়ে বিচাৰ কৰক।

৩) ভাষা শিক্ষণত বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব সম্পৰ্কে এক বিতং বিশ্লেষণ আগবঢ়াওক।

৪) ভাষা শিক্ষণত মনোভাষাবিজ্ঞানৰ জ্ঞানৰ প্ৰয়োগ আৰু গুৰুত্ব বিচাৰ কৰক।

৫) ভাষা শিক্ষণৰ তিনিটা শাখাৰ তুলনামূলক আলোচনা আগবঢ়াওক।

## ৪.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


দত্তবৰুৱা, ফণীন্দ্ৰ নাৰায়ণ। *প্ৰয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা।* বিশাল প্ৰকাশন, ২০১৭

দাস, বিশ্বজিৎ। *সমাজভাষাবিজ্ঞান*। বনলতা, ২০১৭

মহন্ত, দীপামণি হালৈ। *ভাষা সাহিত্য জিজ্ঞাসা*। সম্প্ৰীতি, ২০২২

শৰ্মা, অনুৰাধা। *সমাজ আৰু ভাষা সমাজভাষাবিজ্ঞানৰ পৰিচয়*। বান্ধৱ, ২০২০

Altmann, G. T. M., editor. Psycholinguistics: Critical Concepts. Vols. I–VI, Routledge, 2001.

Chelliah, Shobhana L., and Willem J. de Reuse. Handbook of Descriptive Linguistic Fieldwork. Springer, 2011.

Drozdzial-Szelest, Krystyna, and Miroslaw Pawlak, editors. Psycholinguistic and Sociolinguistic Perspectives on Second Language Learning and Teaching. Springer, 2013.


*****